৩৪ তম সংখ্যা, ২০২১-২২ বৰ্ষ


# লক্ষীমপুৰ বালিকা মহাবিদ্যালয় আলোচনী




সম্পাদক

## চিম্পী দত্ত

# কলা বীথিকা









অংকন ঃ শাশ্বতী পাংগিং



অংকন ঃ
ৰিমঝিম কৌশিক

# লক্ষীমপুৰ বালিকা মহাবিদ্যালয় আলোচনী

৩৪ ত্বম সংখ্যা
২০২১-২২ বৰ্ষ

সম্পাদক ঃ চিম্পী দত্ত

**LAKHIMPUR GIRLS' COLLEGE MAGAZINE**

*Annual College Magazine of Lakhimpur Girls' College, 34th Issue, 2021-22 Session,*


***Edited by Chimpi Dutta,***

*published by Lakhimpur Girls' College Student Union, 2021-22*

*& printed at Panchajannya Printing & Publishing, Bamunimoidam, Ghy-21*


## সম্পাদনা সমিতি

| | | |
|---|---|---|
| সভাপতি | ঃ | ড° সুৰজিত ভূঞা |
| তত্ত্বাৱধায়ক | ঃ | নিপন পাংগিং |
| শিক্ষক সদস্য | ঃ | এমী মেহজাফী হুছেইন |
| | | কুসুম্বৰ চেতিয়া |
| | | বিকাশ দাস |
| | | ধৰিত্ৰী কামান |
| সম্পাদক | ঃ | চিম্পী দত্ত |
| ছাত্ৰী সদস্য | ঃ | চয়নিকা বৰ্মন |
| | | পদ্মিনী দত্ত |
| প্ৰচ্ছদ অংকন | ঃ | শাশ্বতী পাংগিং |
| প্ৰচ্ছদ অলংকৰণ | ঃ | হোমেন শইকীয়া |
| অংগসজ্জা | ঃ | আকাশ প্ৰিয়ম |
| প্ৰকাশক | ঃ | লক্ষীমপুৰ বালিকা মহাবিদ্যালয় ছাত্ৰী একতা সভা, ২০২১-২২ |
| মুদ্ৰণ | ঃ | পাঞ্চজন্য প্ৰিণ্টিং এণ্ড্ পাব্লিচিং বামুণীমৈদাম, গুৱাহাটী-২১ |




বি.দ্ৰ. ঃ আলোচনীখনত ৰৈ যোৱা ভুল-ত্ৰুটিৰ বাবে আমি ক্ষমাপ্ৰাৰ্থী। লগতে প্ৰকাশিত লেখাসমূহৰ মৌলিকত্বৰ বাবে লেখকহে দায়বদ্ধ। এই ক্ষেত্ৰত সম্পাদনা সমিতি কোনো কাৰণতে জগৰীয়া নহয়।
*(আলোচনীখনত ব্যৱহৃত আলোকচিত্ৰসমূহ ইণ্টাৰনেটৰ পৰা সংগৃহীত।)*

# শ্ৰদ্ধাঞ্জলী



ড° অমৰেন্দ্ৰ দত্ত
অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক
ৰাজনীতি বিজ্ঞান বিভাগ
লক্ষীমপুৰ বালিকা মহাবিদ্যালয়



মহেন্দ্ৰ কলিতা
কৰ্মচাৰী
লক্ষীমপুৰ বালিকা মহাবিদ্যালয়



সীমান্ত নেওগ
কৰ্মচাৰী
লক্ষীমপুৰ বালিকা মহাবিদ্যালয়



কোকিল কণ্ঠী গায়িকা
লতা মংগেশকাৰ



কথাশিল্পী
হোমেন বৰগোহাঞি




বিশিষ্ট সাহিত্যিক
লক্ষ্মীনন্দন বৰা




বিশিষ্ট চিন্তাবিদ
অনিমা গুহ



বিশিষ্ট বাঁহীবাদক
প্ৰভাত শৰ্মা



বিশিষ্ট কবি
সনন্ত তাঁতি



বিশিষ্ট অভিনেতা
দিলীপ কুমাৰ



অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী
ভূমিধৰ বৰ্মন

অধ্যাপক জিতেন হাজৰিকা
উপাচাৰ্য

# ডিব্ৰুগড় বিশ্ববিদ্যালয়

ডিব্ৰুগড় | পিন-৭৮৬০০৪ | অসম
দূৰভাষ ঃ ০৩৭৩-২৩৭০২৩৯
ইমেইল ঃ vc@dibru.ac.in
ৱেবচাইট ঃ www.dibru.ac.in



## শুভেচ্ছা বাণী

অসমৰ আয়ুসৰেখাৰূপে পৰিচিত মহাবাহু ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে বিগত ১৯৭২ খ্ৰীষ্টাব্দত মহিলাসকলৰ বাবে উচ্চ শিক্ষা গ্ৰহণৰ সুবিধাকণ প্ৰদান কৰাৰ মানসেৰে গঢ় দি তোলা হৈছিল উত্তৰ লক্ষীমপুৰ বালিকা মহাবিদ্যালয়, যিখনিত পোন প্ৰথমে প্ৰাক-বিশ্ববিদ্যালয় পৰ্যায়লৈকেহে অধ্যয়নৰ সুবিধা আগবঢ়াবপৰা গৈছিল। উল্লেখ্য যে সমগ্ৰ উত্তৰ অসমৰ ভিতৰতে কেৱল মহিলাসকলৰ বাবে প্ৰতিষ্ঠিত হোৱা প্ৰথমখনি আৰু একমাত্ৰ মহাবিদ্যালয় আছিল উত্তৰ লক্ষীমপুৰ বালিকা মহাবিদ্যালয় আৰু আৰম্ভণিতে মহাবিদ্যালয়খনিৰ পাঠদান কাৰ্য উত্তৰ লক্ষীমপুৰ চৰকাৰী বালিকা উচ্চ বিদ্যালয়ত চলাই থকা হৈছিল। পৰৱৰ্তী ১৯৭৫ খ্ৰীষ্টাব্দত মহাবিদ্যালয়খনিক লক্ষীমপুৰ বালিকা মহাবিদ্যালয় হিচাপে পুনৰ নামাংকিত কৰা হয়। এইদৰেই স্বাভাৱিকতে অনেক উত্থান-পতনৰ মাজেৰে আহি মহাবিদ্যালয়খনিয়ে আজিৰ এই পৰ্যায়ত উপনীত হৈছেহি। আজিৰ তাৰিখত মহাবিদ্যালয়খনিয়ে কলা আৰু বিজ্ঞান—উভয় শাখাতে ছাত্ৰীসকলক স্নাতক পৰ্যায়লৈকে অধ্যয়নৰ সুবিধা প্ৰদান কৰিবলৈ সক্ষম হৈছে। বিকাশৰ এই অবিৰত ধাৰাটি নিশ্চয় অক্ষুণ্ণ হৈ থাকিব।

শেহতীয়াকৈ আমি জানিবলৈ পাই সুখী হৈছোঁ যে মহাবিদ্যালয়খনিৰ ২০২১-২২ বৰ্ষৰ ৩৪ সংখ্যক আলোচনীখন প্ৰকাশ কৰাৰ প্ৰস্তুতি চলোৱা হৈছে। মহাবিদ্যালয় একোখনৰ আলোচনী এখনক মহাবিদ্যালয়খনৰ দাপোণ হিচাপে গণ্য কৰা হয়। আমাৰ আশা এয়ে যে আলোচনীখনে নতুন নতুন প্ৰতিভাৰ বিকাশ ঘটাবলৈ সক্ষম হ'ব আৰু তাৰে মাজেৰেই মহাবিদ্যালয়খনৰ বাস্তৱ ছবিখনৰ সঠিক প্ৰতিফলন ঘটিব। সেয়েহে ই সকলোৰে বাবে পৰম উৎসাহ আৰু আনন্দৰ বিষয়। আলোচনীখন সমৃদ্ধ হৈ উঠক—এয়ে আমাৰ আন্তৰিক কামনা।

প্ৰকাশৰ সৈতে জড়িত হৈ থকা সমূহ ব্যক্তি-প্ৰতিষ্ঠানলৈ আমাৰ অভিনন্দন আৰু শুভ কামনা থাকিল।

(জিতেন হাজৰিকা)

দিনাংক ঃ ২৩ আগষ্ট, ২০২২




সন্মানীয় অধ্যক্ষ ড° সুৰজিত ভূঞা

# অধ্যক্ষৰ কলম...

শিক্ষানুষ্ঠান এখনৰ পৰা প্ৰকাশ পোৱা আলোচনী এখনে সেই শিক্ষানুষ্ঠানত অধ্যয়নৰত শিক্ষাৰ্থীসকলৰ শৈক্ষিক তথা বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তদুপৰি শিক্ষাৰ্থীসকলৰ সুপ্ত প্ৰতিভা বিকাশত আলোচনী এখনৰ যথেষ্ট অৰিহণা থাকে। বিগত বৰ্ষসমূহৰ দৰেই এই বৰ্ষতো লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ সন্মানীয় শিক্ষক-শিক্ষয়িত্ৰী আৰু মৰমৰ ছাত্ৰীসকলৰ সমূহীয়া প্ৰচেষ্টাত মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনিৰ ৩৪ তম সংখ্যাটি প্ৰকাশ হ'ব বুলি জানি আনন্দিত হৈছো। গুৰুসকলৰ বৌদ্ধিক চিন্তা আৰু ছাত্ৰীসকলৰ সৃজনীশীল প্ৰতিভা বিকাশৰ বাবে লোৱা এনে মণিকাঞ্চন সংযোগৰ প্ৰচেষ্টাক মই আদৰণি জনাইছো। আলোচনীখনে ছাত্ৰীসকলৰ স্বকীয় চিন্তাৰ বিকাশত সহায় কৰাৰ লগতে তেওঁলোকৰ শৈক্ষিক উত্তৰণৰ দিশতো নতুন বাৰ্তা কঢ়িয়াই আনিব বুলি আশা ৰাখিছো।

শেষত, আলোচনীখনৰ তত্বাৱধায়কৰ দায়িত্ব সুচাৰুৰূপে পালন কৰা অধ্যাপক নিপন পাংগিং প্ৰমুখ্যে সমূহ কৰ্মকৰ্তালৈ মোৰ ফালৰপৰা আন্তৰিক ধন্যবাদ আৰু শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে আলোচনীখনে সকলোৰে সমাদৰ লাভ কৰক তাকেই কামনা কৰিছো।

ড° সুৰজিত ভূঞা
অধ্যক্ষ

# সম্পাদনা সমিতি



ড° সুৰজিত ভূঞা
সভাপতি



নিপন পাংগিং
তত্ত্বাৱধায়ক



এমী মেহজাফী হুছেইন
শিক্ষক সদস্য



কুসুম্বৰ চেতিয়া
শিক্ষক সদস্য



বিকাশ দাস
শিক্ষক সদস্য



ধৰিত্ৰী কামান
শিক্ষক সদস্য



চিম্পী দত্ত
সম্পাদক



চয়নিকা বৰ্মন
ছাত্ৰী সদস্য



পদ্মিনী দত্ত
ছাত্ৰী সদস্য

# লক্ষীমপুৰ বালিকা মহাবিদ্যালয়



# বিষয় - বিন্যাস

সম্পাদকীয় ।। ৭

## প্ৰবন্ধ শিতান

**অসমৰ ভাষা-সংস্কৃতিৰ ভৱিষ্যত** ।। ৰেডিএণ্ট গগৈ ।। ৯
**অসমৰ কৃষিভিত্তিক উদ্যোগ আৰু যুৱ সমাজৰ কৰণীয়** ।। পূজা গগৈ ।। ১১
**পুনৰ পঠিত অসমীয়া সাহিত্যত জাতি-বৈষম্য** ।। স্বপ্নালী বৰগোঁহাই ।। ১৪
**Library Services in Provincialised Degree Colleges of North Lakhimpur Town of Assam** ।। Dipankar Saikia ।। ১৮
**Biodiversity - A Global Issue** ।। Nabami Bhuyan ।। ২৩
**ৰূপান্তৰৰ খনিকৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ** ।। দিম্পী শইকীয়া ।। ২৮
**সমাজত নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা** ।। পম্পী দাস ।। ৩০
**যুৱ-প্ৰজন্ম আৰু যুৱ-মানসিকতা** ।। তৃষ্ণা দেৱী গগৈ ।। ৩২
**আমাৰ পৃথিৱী, আমাৰ স্বাস্থ্য** ।। শান্তনা বৰা ।। ৩৪
**ৰাজহুৱা বিত্তীয় পৰিচালনা প্ৰণালী আৰু ইয়াৰ প্ৰয়োজনীয়তা** ।। ড° গোবিন চন্দ্ৰ বৰুৱা ।। ৩৫
**अनुवाद की प्रासंगिकता** ।। डॉ. नंदिता दत्त ।। ৩৯
**रघुनाथ चौधुरी के काव्यगत विशेषताएँ** ।। जमुना बरुवा ।। ৪১
**নাৰী শিক্ষা আৰু সমাজ** ।। বিনাৰাণী টাইদ ।। ৪৩
**উত্তৰ-পূৱ ভাৰতৰ জনগোষ্ঠীয় বৈচিত্ৰতা** ।। সোনমনি পেগু ।। ৪৪
**Folk Festivals in Neighbouring Arunachal Pradesh** ।। Dr. H. M. Abdus Shahid ।। ৪৭
**বিপন্ন ভাষা বিপন্ন জাতি** ।। ময়ুৰী তামুলী ।। ৫১
**মানুহৰ জীৱনশৈলী আৰু স্বাস্থ্য** ।। মঞ্জুৱাৰা বেগম ।। ৫৩
**মিচিং সমাজৰ বয়ন শিল্প** ।। মামনি পেগু ।। ৫৫
**গ্ৰাম্য অৰ্থনীতি** ।। পাহি গগৈ ।। ৫৭
**Russia - Ukraine War - Its Impact on World Economy** ।। Sumpi Dutta ।। ৬৩
**ভাৰতীয় পুথিভঁৰাল ব্যৱস্থা আৰু আমাৰ কৰণীয়** ।। স্বপ্না ৰেখা দুৱৰা ।। ৬৪
**বুৰঞ্জীৰ গদ্য** ।। ৰুক্মিনী দলে ।। ৬৬
**শব্দ প্ৰদূষণৰ ভয়াৱহ ৰূপ** ।। প্ৰিয়ংকা টাইদ ।। ৬৯
**শিশু মনোবিজ্ঞানৰ জ্ঞান বিকাশৰ ঐতিহাসিক দৃষ্টিভংগী আৰু মতবাদ** ।। টাছকিয়া ৰহমান বৰুৱা ।। ৭০
**দৰ্শনৰ দৃষ্টিকোণৰ পৰা আত্মহত্যা** ।। তুলুমণি চক্ৰৱৰ্তী ।। ৭৩

**নীতিশাস্ত্ৰৰ স্বৰূপ, পৰিসৰ আৰু উপযোগিতা** ।। উদীপ্তা বৰা ।। ৭৫
**চৰকাৰে বস্ত্ৰ উদ্যোগক বিপ্লৱলৈ ৰূপান্তৰ কৰক** ।। মিতালী গগৈ ।। ৭৯
**পৰিৱেশ প্ৰদূষণ আৰু আমাৰ সমাজ** ।। ৰৌজলিন আলী ।। ৮২
**অসমৰ চাহ জনজাতি লোকসকল** ।। চিম্পী দত্ত ।। ৮৬
**অসমৰ লোকবাদ্য** ।। প্ৰণিতা বৰা ।। ৮৮
**আধুনিক জীৱনত বিজ্ঞান** ।। মিলিয়ানী কুজুৰ ।। ৯০
**মানৱ স্বাস্থ্যৰ ওপৰত পৰিৱেশ প্ৰদূষণৰ প্ৰভাৱ** ।। লাকী বৰুৱা ।। ৯৩
**জলবায়ু পৰিৱৰ্তন এক প্ৰাকৃতিক বিপৰ্যয়** ।। স্বস্তিকা বৰবৰা ।। ৯৭
**Bwisagu of Bodos** ।। Sumitra Goyari ।। ৯৯
**Srimanta Sankardev and Satras of Assam** ।। Geetarthi Saikia ।। ১০১
**The Importance of Teachers And Parents In Our Lives** ।। Sorina Pagag ।। ১০৪
**পৰিৱেশ সংৰক্ষণত অৰণ্য মানৱ যাদৱ পায়েঙৰ অৱদান** ।। প্ৰিয়া টাকু ।। ১০৬
**নৱবৈষ্ণৱ সংস্কৃতিৰ আকৰ ঃ নামঘৰ আৰু সত্ৰ** ।। উদেষ্ণা সন্দিকৈ ।। ১০৮
**ধৰ্ম আৰু বিজ্ঞানৰ দৃষ্টিৰে খাদ্য বিচাৰ** ।। কাকলি বৰা ।। ১১০
**অসমৰ জলসম্পদ** ।। কুন্তলা মগৰ ।। ১১২
**পৰিৱেশ প্ৰদূষণ আৰু আমাৰ সমাজ** ।। আচিফা খ্ৰামচি ।। ১১৩
**दुरदर्शन और उसकी उपयोगिता** ।। জিম্মীৰেখা শইকীয়া ।। ১১৪

## অনুভৱ শিতান

**আৱিষ্কাৰ কৰোঁ আহক** ।। নিপন পাংগিং ।। ১২০
**মোৰ জীৱনৰ প্ৰথমখন ভাওনা** ।। বৰ্ণাশ্ৰী কোঁচ ।। ১২২
**স্মৃতিৰ এটি পৃষ্ঠা- এল জি চিৰ বুকুত** ।। চয়নিকা বৰ্মন ।। ১২৭
**অনুভৱ মোৰ দৃষ্টিৰে....** ।। খ্যাতিশ্ৰী হাজৰিকা ।। ১২৯
**আন্তঃমহাবিদ্যালয় ভলীবল প্ৰতিযোগিতাত অংশগ্ৰহণৰ অনুভৱ** ।। ৰাণী পেগু ।। ১৩১
**এক কাল্পনিক কথোপকথনৰ আধাৰত জীৱনৰ প্ৰশ্ন** ।। উদ্দিপ্তা বৰা ।। ১৩৪
**বন্ধত আত্মীয়ৰ ঘৰলৈ যোৱাৰ মাদকতা** ।। বৰষা ৰায় ।। ১৩৬
**এটা স্মৰণীয় ভ্ৰমণ অভিজ্ঞতা** ।। প্ৰস্তুতি বৰা ।। ১৩৮
**Superstition** ।। Lipika Roy ।। ১৩৯

## সাহিত্য-সমালোচনা শিতান

**নৱকান্ত বৰুৱাৰ 'ইয়াত নদী আছিল' শীৰ্ষক কবিতাত**
**প্ৰয়োগ হোৱা প্ৰতীক চিত্ৰকল্পৰ এক আলোচনা** ।। চাবিনা য়াছমিন ।। ১৪১
**মৃণাল কলিতাৰ 'বকুল ফুলৰ দৰে'** ।। পূজাশ্ৰী ফুকন ।। ১৪৫
**কিতাপ আমাৰ শ্ৰেষ্ঠ বন্ধু** ।। মাইনা চুতীয়া ।। ১৪৭

**মই অলপতে পঢ়া এখন গ্ৰন্থ** ।। পূৰবী দত্ত ।। **১৪৯**

## अनुवाद साहित्य

**परिचय** ।। एमी मेहजाफी हुसैन ।। **১৫১**
**जल दैवता और खड़ी कटीयार साधु** ।। परिणीता फुकन ।। **১৫২**
**तीखर और चुटिबाई** ।। जेसमिन वेगम ।। **১৫৩**
**चम्पावती** ।। विष्णुप्रिया नरह ।। **১৫৪**

## চুটিগল্প শিতান

**লক্ষ্যভ্ৰষ্ট** ।। চয়নিকা চেতিয়া ।। **১৫৬**
**মগনিয়াৰ** ।। বনশ্ৰী বৰুৱা ।। **১৫৮**
**ভুল** ।। কৰিশ্মা বৰুৱা ।। **১৫৯**
**উপলব্ধি** ।। পূজাশ্ৰী ফুকন ।। **১৬১**
**ভূতৰ কুকুৰ** ।। সীমা চুলতানা ।। **১৬৩**
**অব্যক্ত বেদনা** ।। অন্বেষা দত্ত ।। **১৬৪**
**এন্ধাৰৰ মুকুতামণি** ।। হিয়া দাস ।। **১৬৬**
**ডাইনি-বিদ্যা** ।। আচিফা শ্বামচি ।। **১৬৯**
**কাৰপুম পুঃলি** ।। গৰিমা বৰুৱা ।। **১৭১**
**अपराजिता** ।। वेवी दत्त ।। **১৭২**

## অণুগল্প

**লখিমী**
**হাথিয়াৰ** ।।এমী মেহজাফী হুছেইন ।। **১৭৪**

## নাট্যকলা

**কাম চৰাইৰ ৰঙা ঠোঁট** ।। হিৰণ্য সভাপণ্ডিত ।। **১৭৬**
**ডিজিটেল ইণ্ডিয়াৰ মানুহ** ।। প্ৰিয়ংকা লাগাচু ।। **১৮০**

## প্ৰতিযোগিতা শিতান

**মোৰ প্ৰিয় ব্যক্তিগৰাকীৰ সৈতে কাল্পনিক সাক্ষাৎকাৰ** ।। আকাংক্ষা দত্ত ।। **১৮৬** ।। গৌৰাংগ শৰ্মা ।। **১৮৯** ।। হোমেন গগৈ ।। **১৯২**

**আপোনাৰ জীৱনৰ চিন্তা, কৰ্ম আৰু মতাদৰ্শ ঃ চৰ্চা আৰু প্ৰয়োগ** ।। বৰষা বৰ্মন ।। ১৯৪ ।। অঞ্জু সন্দিকৈ বৰগোঁহাই ।। ১৯৭ ।। শেৱালি বৰুৱা শইকীয়া ।। ২০২ ।। মাদিৰাম পাংগিং ।। ২০৮

**নাৰীৰ সাহিত্য চৰ্চাৰ উত্তৰণত সামাজিক মাধ্যমৰ ভূমিকা** ।। ৰূপজ্যোতি গগৈ ।। ২১১ ।। অভিনৱ হাজৰিকা ।। ২১৪

## বিশেষ লেখা

**নৱপ্ৰজন্মৰ দৃষ্টিৰে মাজুলীৰ ৰাস মহোৎসৱ** ।। দৰ্শনা শইকীয়া ।। ২১৮ ।। বিষ্ণুপ্ৰিয়া গোঁহাই ।। ২২০ ।। বনলতা দাস ।। ২২১

## শব্দ-শিল্প

**শ্বহীদ** ।। প্ৰিয়ংকা লাগাচু ।। ২২৩
**যাত্ৰা** ।। ভিটালী কলিতা ।। ২২৪
**শূণ্যতা প্ৰিয় মোৰ** ।। কৰিশ্মা ফুকন ।। ২২৫
**মোৰ আই** ।। ধনঞ্জলী বৰা ।। ২২৬
**অশ্ৰুসিক্ত দুচকুৰ জীৱন সংগ্ৰাম** ।। ঋতুস্মিতা দাস ।। ২২৭
**ভাললগা** ।। প্ৰণতি বণিয়া ।। ২২৮
**শৰৎ** ।। খ্যাতিশ্ৰী হাজৰিকা ।। ২২৯
**লৃগাং আৰু মিচিং ডেকা-গাভৰু** ।। ভৱানী দলে ।। ২৩০
**অৱহেলা** ।। কংকনা মৰাং ।। ২৩১
**मनुष्य का मस्तिष्क** ।। फार्जिना चुलताना बेगम ।। २३२
**मोहब्बत का रंग** ।। एमी मेहजाफी हुसैन ।। २३३
**শব্দ** ।। চুমি গোস্বামী ।। ২৩৪
**সোণোৱালী** ।। প্ৰিয়ংকা টাইদ ।। ২২৩০
**অচিন বাটৰ সুৰ** ।। মীনাক্ষী শইকীয়া ।। ২২৪
**শ্বহীদ তোমাক নমস্কাৰ** ।। সোনমনি পেগু ।। ২২৫
**মহামাৰী** ।। প্ৰিয়া কৰ ।। ২২৬
**জীৱন** ।। হিমাশ্ৰী শইকীয়া ।। ২২৭
**কৰ'না ভাইৰাছ ( লিমাৰিক)** ।। প্ৰিয়ংকা লাগাছু ।। ২২৮
**প্ৰতিধ্বনি** ।। যমুনা বৰুৱা ।। ২২৯
**ব'হাগী তুমি বৰ ধুনীয়া** ।। দ্বীপশিখা বৰা ।। ২৩০
**নাৰী তুমি মহান** ।। বেবী দত্ত ।। ২৩১
**जिंदगी** ।। देवकन्या चिरिं ।। २३२
**ৰং ভালপোৱাৰ** ।। এমী মেহজাফী হুছেইন ।। ২৩৩
**Personal Quest** ।। Kasmita Dutta ।। ২৩৪

## ছাত্ৰী একতা সভাৰ বিষয়ববীয়াসকলৰ প্ৰতিবেদন

**সভাপতিৰ প্ৰতিবেদন** ।। চয়নিকা বৰ্মন ।। ২৩৬
**সাধাৰণ সম্পাদকৰ প্ৰতিবেদন** ।। পদ্মিনী দত্ত ।। ২৩৮
**সাহিত্য আৰু আলোচনী সম্পাদকৰ প্ৰতিবেদন** ।। চিম্পী দত্ত ।। ২৩৯
**তৰ্ক আৰু আলোচনা সম্পাদকৰ প্ৰতিবেদন** ।। পূজা নাথ ।। ২৪১
**সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন** ।। গায়ত্ৰী বৰা ।। ২৪৩
**ছাত্ৰী জিৰণী কোঠা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন** ।। দীপশিখা ৰায় ।। ২৪৪
**বহিঃক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন** ।। জুৰী পেগু ।। ২৪৫
**আন্তঃক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন** ।। প্ৰিয়া কৰ ।। ২৪৬

## সংযোজন

List of Editors, Lakhimpur Girls' College Magazine ।। ২৪৮



# সম্পাদকীয়

'লক্ষীমপুৰ বালিকা মহাবিদ্যালয়' নামতেই নিহিত হৈ আছে ছাত্ৰীসকলক জ্ঞান অমৃত প্ৰদান কৰি জীৱনৰ গতিপথত আবঢ়াই সফলতাৰ দিশত প্ৰতিষ্ঠিত কৰাৰ অৰ্থ। যিকোনো দেশৰ উন্নতি নিৰ্ভৰ কৰে দেশখনৰ শিক্ষা ব্যৱস্থাৰ ওপৰত। যিখন দেশে মহিলা শিক্ষাৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰে, সেইখন দেশেই আৰ্থ-সামাজিক, সাংস্কৃতিক ইত্যাদি সকলো দিশতে আগবাঢ়িব পাৰে। নাৰী শিক্ষাৰ অগ্ৰণী অনুষ্ঠান আমাৰ মহাবিদ্যালয়খন এক উজ্জ্বল নক্ষত্ৰ স্বৰূপ। যি সকলো সময়তে পোহৰ বিলাই আহিছে আৰু এই দিশত আমাৰ মহাবিদ্যালয়খনৰ আলোচনীখন হ'ল প্ৰেৰণাৰ এক নান্দনিক ছাঁ।

সাহিত্যক এটা জাতিৰ দাপোণ বুলি গণ্য কৰা হয়। লেখক আৰু পাঠকৰ অৱদানতেই সাহিত্যই পূৰ্ণতা পায়। অসমীয়া ভাষা সাহিত্যৰ জয়যাত্ৰা কামনা কৰি জ্যোতিপ্ৰসাদ আগৰৱালাই লিখিছিল--

"কামৰূপা মোৰ সুৱদী সুৰীয়া<br>অসমীয়া ভাষা জগত সভালৈ যাব<br>উজ্জ্বল সুজ্জ্বল কহিনুৰ পিন্ধি<br>হাঁহি জ্যোতিৰূপা হ'ব।"

সময় গতিশীল। এই গতিশীলতাৰ সৈতে সকলোৰে জীৱন পৰিৱৰ্তনৰ মাজেৰে এখোজ দুখোজকৈ অতি সন্তৰ্পণে নিৰন্তৰ গতি কৰি থাকিব। তেনেদৰে সাহিত্যৰ ক্ষেত্ৰটো বিশেষ বিশেষ নতুনত্বৰ সংযোজন ঘটি আহিছে। জীৱনৰ সমগ্ৰ অনুভৱৰ ধাৰাটোক সৎ আৰু সুন্দৰভাৱে গঢ়িবলৈ মানুহে চেষ্টা কৰে। মানুহে যি একাগ্ৰতাৰে দৈনিক সংগ্ৰাম কৰিছে, সাহিত্যৰ সেয়াই আধাৰ।

লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ আলোচনীখনে মহাবিদ্যালয়ৰ ছাত্ৰীসকল আৰু শিক্ষক শিক্ষয়িত্ৰীৰ আপোনত্বৰ সোণালী জৰীডাল আৰু এগুণ শক্তিশালী কৰাত অগণ্য অৱদান আগবঢ়াই আহিছে আৰু বিভিন্ন দিশৰ নৱ নৱ মনোভাৱৰ সাহিত্যৰ সুৰুযৰ কিৰণে সেউজীয়া ধৰণীক এক নতুন দিব্য পোহৰেৰে পোহৰাই তুলিছে।

বিগত বৰ্ষৰ দৰে এইবাৰো সেউজীয়া ধৰণীত বিভিন্ন জোনাকীয়ে জোনাক সিঁচা আলোচনীখন আগুৱাই লৈ যোৱাৰ বাবে আমি সদায় সংকল্পবদ্ধ। সাহিত্য আৰু শিক্ষা একোটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। শিক্ষাই যেনেদৰে জ্ঞান দিয়ে, ঠিক তেনেদৰে সাহিত্যই জ্ঞানৰ পৰিধি বিকশিত কৰে। মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভাক প্ৰদৰ্শন কৰাৰ বাবে মহাবিদ্যালয়ৰ আলোচনীখন হ'ল এক সোণালী সুযোগৰ ৰূপ স্বৰূপ। এই আলোচনীখনে ছাত্ৰীসকলক এক সৃষ্টিশীল মনৰ অধিকাৰী হ'বলৈ সহাঁৰি জনাইছে।

মহাবিদ্যালয়ৰ এই ব্যতিক্ৰমধৰ্মী আলোচনীখন আপোনাসৱৰ ওচৰত নিবেদিছোঁ। কৰ'ণাৰ বিভিষীকাৰ বাবে সমগ্ৰ মানৱ জাতি স্থবিৰ হৈ পৰিছিল। মহাবিদ্যালয় সাহিত্যৰ সোণালী সুৰুযৰ জৰীডালে সকলোৰে মাজত অন্তৰংগভাৱে এক ঠিকনা দিছিল নতুনকৈ। চিৰকাল মহাবিদ্যালয়ৰ সাহিত্য জগতখনে সুৱাসিত সুগন্ধি বিলাই ৰাখি অজ্ঞানতাৰ তমসা বিনাশ কৰি এক প্ৰোজ্জ্বল জ্ঞানৰ জ্যোৎস্না হৈ উজ্জ্বলিত হৈ থাকে যেন, তাৰেই কামনাৰে....।

**চিম্পী দত্ত**

# প্ৰবন্ধ





# অসমৰ ভাষা-সংস্কৃতিৰ ভৱিষ্যত


## ৰেডিএণ্ট গগৈ

সংস্কৃতি কিছুমান নিয়মৰ সংযুক্তি অথবা পৰিমাপক। সংস্কৃতি মানৱ সমাজৰ পদ্ধতিৰ সৈতে জড়িত এক সামগ্ৰিক ধাৰণা।


অসমীয়া সংস্কৃতি মানে অসমত অতীজৰে পৰা বসবাস কৰি অহা বড়ো, মিচিং, ৰাভা, কাৰ্বি, গাৰো, দেউৰী, তিৱা আদি ভাষা-ভাষীলোকৰ নিজস্ব ভাষা, সাহিত্য, সাজপাৰ, সামাজিক ৰীতি-নীতি, উৎসৱ-পাৰ্বণ আদি নৈৰ পানী সাগৰত মিলি যোৱাৰ দৰেই এক উমৈহতীয়া সংস্কৃতিক বুজায়।

বিখ্যাত গ্ৰন্থ ‘Vanishing Voices : The Extinction of the World's Language’ৰ প্ৰথম অধ্যায়ত ব্যাখ্যা কৰা হৈছে যে কিদৰে ভাষাৰ লগত সংস্কৃতিৰ সহাৱস্থান হয় আৰু কিদৰে ভাষা নিঃশেষৰ অৰ্থই হ'ল সংস্কৃতিৰ নিঃশেষতা। বিশ্বত মানুহৰ সংখ্যাৰ হিচাপত অসমীয়া ভাষাৰ স্থান ৬৭ নম্বৰত। অসমীয়া ভাষাতকৈ কম জনসংখ্যা থকা হাংগেৰী, গ্ৰীছ, আইছলেণ্ড আদি দেশৰ স্থানীয় ভাষাত লিখা সাহিত্যই সাহিত্যৰ নোবেল বঁটা পাবলৈ সক্ষম হৈছে। পশ্চিম আমেৰিকাৰ এখন সৰু দেশৰ গায়িকা এঞ্জেলিক কিডজোৱে মাত্ৰ

কেইলাখমান মানুহে কোৱা স্থানীয় আফ্ৰিকীয় ভাষাত গান গাই ৩ বাৰকৈ গ্ৰেমী বঁটাৰে সন্মানিত হৈছে। গতিকে ভাষা এটাৰ উন্নতি সংস্কৃতিৰ কৰ্ষণ তথা ভাবিক সৃষ্টিৰাজিৰ ওপৰতহে প্ৰতিষ্ঠিত, জনসংখ্যাৰ ওপৰত নহয়। অসমীয়া ভাষা সংস্কৃতিৰ জটিল সময়ত শেহতীয়াকৈ নীলমণি ফুকনৰ জ্ঞানপীঠ বঁটা (২০২১), ৰীমা দাসৰ 'ভিলেজ ৰকষ্টাৰ' ছবিখন অস্কাৰলৈ মনোনীত হোৱা, অনুৰাধা শৰ্মা পূজাৰীৰ ইয়াত এখন অৰণ্য আছিল (২০২১) ৰ দৰে উপন্যাসে সাহিত্য অকাডেমী পোৱা আদি জাতিটোৰ বাবে শুভ লক্ষণ যদিও লাহে লাহে অসমীয়া ভাষা সংস্কৃতিৰ মূল ভেটিটো প্ৰাণহীন হ'বলৈ আৰম্ভ কৰিছে। কাৰণ জাতিৰ আশাৰ প্ৰদীপ যুৱ প্ৰজন্মক আমি ভাষাটোৰ প্ৰতি উৎসাহী কৰিব পৰা নাই, ভাষা ভিত্তিক সাহিত্য চৰ্চা কমি আহিছে, তৰাং হৈছে।




সাম্প্ৰতিক অসমীয়া সমাজখনত হত্যা, হিংসা বৃদ্ধি, ভাতৃত্ববোধ, মূল্যবোধৰ স্খলিত ৰূপ পৰিলক্ষিত হৈছে। অসমীয়া সমাজ জীৱনৰ পেহা, পেহী, বৰমা, বৰদেউতা আদি মধুৰতম সম্বন্ধসূচক শব্দবোৰ হেৰাই গৈছে। আইতাকৰ কোলাত বহি সাধু শুনা, পুৰাই নাঙলৰ মুঠি ধৰি পথাৰলৈ ওলাই যোৱা স্বনিৰ্ভৰশীল কৃষকৰ মাটিৰ কৰ্ষণ, আঘোণৰ পথাৰত দাৱনীৰ কাঁচিৰে তোলা শব্দবোৰ অতীত হৈ ধৰা দিছে। কৰ্মসংস্কৃতিত বিশ্বাস কৰা জাতিটোৰ




চাকৰিমুখী প্ৰৱণতা, নিজ ভাষা অধ্যয়নৰ প্ৰতি অনীহা, থলুৱা খাদ্যক অনাদৰ কৰি বাহিৰৰ খাদ্যৰ পিনে ধাৱমান হোৱা পৰিলক্ষিত হৈছে। নিজ পিতৃ-মাতৃক দেৱতুল্য জ্ঞান কৰা, বছৰৰ বিহুত বয়োজ্যেষ্ঠ জনৰ আশীৰ্বাদ লোৱা জাতিটোৰ মাজত নিজ পিতৃ-মাতৃক বৃদ্ধাশ্ৰমত থোৱাৰ প্ৰৱণতাই দেখা দিছে। ড্ৰাগছৰ দৰে কু-প্ৰথাই সমাজখন ঘেৰি ধৰিছে। বহুচৰ্চিত অভি-নীল হত্যাকাণ্ড, অসমীয়া সংস্কৃতিৰ প্ৰাণস্বৰূপ ভাওনাৰ নামত প্ৰদৰ্শিত হোৱা বহুৱালিবোৰ, অসমীয়া মঞ্চত প্ৰদৰ্শিত হোৱা শালীনতীবিহীন নৃত্য-গীত আদিয়ে কিন্তু প্ৰত্যেকজন সামাজিকভাৱে সচেতন ব্যক্তিক অসমীয়া সমাজ সংস্কৃতিৰ ভৱিষ্যতৰ বিষয়ে দ্বিতীয়বাৰ ভাবিবলৈ বাধ্য কৰে।

বৃটিছ সাম্ৰাজ্যবাদ শেষ হৈ গ'ল সঁচা, কিন্তু শেষ হোৱা নাই সাম্ৰাজ্যবাদৰ দ্বাৰা প্ৰভাৱিত সংস্কৃতি। তাৰ ফলস্বৰূপে পাশ্চাত্য সংস্কৃতিয়ে সৰু সৰু জাতিসত্তাৰ সংস্কৃতিক বিপন্ন কৰি এক বৰ্ণহীন বৈচিত্ৰ্যহীন সাংস্কৃতিক সমৰূপতাৰ সৃষ্টিৰ দিশে আগবাঢ়িছে। তাৰ ফলস্বৰূপে বিশ্বৰ আন ভাষা সংস্কৃতিৰ লগতে অসমীয়া ভাষাতো ইয়াৰ প্ৰভাৱ পৰিছে। সেয়েহে ভাষা সংস্কৃতি ৰক্ষা কৰিবৰ বাবে জাতিৰ মাজত কৰ্মসংস্কৃতি গঢ়ি উঠিব লাগিব। অসমৰ প্ৰত্যেক জাতি-জনগোষ্ঠীৰ ঐকান্তিক প্ৰচেষ্টাতহে অসমৰ ভাষা সংস্কৃতিৰ বিকাশ সম্ভৱ হ'ব আৰু তেতিয়াই জ্যোতিপ্ৰসাদৰ এই স্বপ্নটিও বাস্তৱ ৰূপায়ণ সম্ভৱ হ'ব--

"কামৰূপা মোৰ সুন্দৰী সুৰীয়া
অসমীয়া ভাষা জগত সভালৈ যাব
উজ্বল/সুজ্জল কহিনুৰ পিন্ধি
হাঁহি জ্যোতিৰূপা হ'ব।"

# অসমৰ কৃষিভিত্তিক উদ্যোগ আৰু যুৱ সমাজৰ কৰণীয়

পূজা গগৈ

অসম এখন কৃষি প্ৰধান ৰাজ্য। অসমৰ সৰহসংখ্যক লোক কৃষিকাৰ্যৰ লগত জড়িত হৈ আছে। কৃষিক অসমৰ অৰ্থনীতিৰ মূল ভেটি বুলিও ক'ব পাৰি। অসমৰ ৭০ শতাংশ লোক কৃষিখণ্ডত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত হৈ আছে।

এছিয়ান ডেভেলপমেণ্ট বেংকৰ কৃষি সম্পৰ্কীয় এক শেহতীয়া প্ৰতিবেদনত অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ কৃষিভিত্তিক উদ্যোগৰ প্ৰচুৰ সম্ভাৱনাৰ বিষয়ে উল্লেখ কৰা হৈছে। প্ৰতিবেদনখনত কৃষিজাত উৎপাদিত সামগ্ৰী আৰু ঔষধি গুণসম্পন্ন কৃষি ব্যৱস্থাৰ ভিত্তিত গঢ়ি উঠা উদ্যোগে উত্তৰ পূৰ্বাঞ্চল তথা অসমৰ মানচিত্ৰই সলনি কৰি দিব পাৰে বুলি উল্লেখ কৰা হৈছে। আনহাতে প্ৰতিবেদনখনত কৃষিভিত্তিক পশুপালন ব্যৱস্থাৰ সম্ভাৱনীয়তাৰ বিষয়েও উল্লেখ কৰা হৈছে। অসম কৃষিনিৰ্ভৰ ৰাজ্য হোৱাৰ বাবে কৃষিৰ ওপৰত নিৰ্ভৰ কৰি গঢ়ি উঠা সৰু-বৰ উদ্যোগ নিশ্চিতভাৱে লাভজনক উদ্যোগ হিচাপে চিহ্নিত হ'ব পাৰে। অসমৰ বিভিন্নস্থানত ক্ষুদ্ৰ ৰূপত হ'লেও আৰম্ভ কৰা জৈৱিক খেতি, ক্ষুদ্ৰ চাহ বাগিচা, ৰাবাৰ বাগান






আদিয়ে লাভৰমুখ দেখিবলৈ সক্ষম হোৱাটো আমাৰ বাবে ইতিবাচক বতৰা। ইয়াৰ উপৰি পশুপালনৰ ক্ষেত্ৰতো সমবায় ভিত্তিত গঢ়ি উঠা 'কন্যকা', 'সীতাজখলা' আদি অনুষ্ঠানে লাহে লাহে মধ্যম পৰ্যায়ৰ কৃষিভিত্তিক উদ্যোগ ৰূপে গঢ় লৈ উঠিছে। কৃষি তথা পশুপালন ব্যৱস্থাক কেন্দ্ৰ কৰি আৰম্ভ হোৱা এই সমবায় আন্দোলনৰ ধাৰাবাহিকতা অব্যাহত থাকিলে গ্ৰামাঞ্চলৰ কৃষকসকলৰ বাবে ই হ'ব পাৰে এক আশাৰ বতৰা। আনহাতে মীনপালনৰ ক্ষেত্ৰতো ৰাজ্যখনৰ বিভিন্ন স্থানত বহু উদীয়মান যুৱকে মীনপালনৰ জৰিয়তে সংস্থাপনৰ পথ মুকলি কৰিছে। যি সময়ত ৰাজ্যত মাছৰ চাহিদা পূৰণৰ বাবে বহিঃৰাজ্যৰ পৰা মাছৰ আমদানি কৰিবলগীয়া হয়, তেনে সময়ত মীনপালন ৰাজ্যখনৰ বাবে সবাতোকৈ লাভজনক উদ্যোগ হিচাপে বিবেচিত হোৱাটো নিশ্চিত। এইক্ষেত্ৰত সংহত কৃষি আৰু পশু তথা মীনপালন ব্যৱস্থাই অসমৰ গ্ৰামাঞ্চলত পৰিৱৰ্তনৰ এক নতুন জোৱাৰ আনিবলৈ সক্ষম হ'ব বুলি অনুমান কৰিব পাৰি।

কৃষিখণ্ডৰ লগত জড়িত উদ্যোগসমূহ হৈছে- বন পালন উদ্যোগ, চাহ উদ্যোগ, ৰেচম উদ্যোগ, ৰবৰ উদ্যোগ, খাদ্য প্ৰস্তুতকৰণ উদ্যোগ, কাগজ উদ্যোগ, মীন পালন আৰু পশুপালন। খাদ্য প্ৰস্তুতকৰণ উদ্যোগ অসমত নতুনকৈ সম্প্ৰসাৰিত উদ্যোগ বুলিব পাৰি। সাম্প্ৰতিক সময়ত অসমত খাদ্যপ্ৰস্তুতকৰণ উদ্যোগৰ গুৰুত্ব বৃদ্ধি পাই আহিছে। অসমৰ হাবি-বনত পোৱা ফলমূল, শাক-পাচলি জাতীয় উদ্ভিদ আৰু বনৌষধি উদ্ভিদ এতিয়াও ব্যৱসায়িক ভিত্তিত গঢ়ি উঠা নাই।

ৰেচম উদ্যোগ অসমৰ এটা প্ৰধান কৃষিভিত্তিক উদ্যোগ। অসমত পৰম্পৰাগত তিনিবিধ ৰেচম- এৰী, মূগা আৰু নুনি পাট উৎপাদন কৰা হয়। ভাৰতত উৎপাদন হোৱা এৰী সূতাৰ ৬৫ শতাংশ উৎপাদিত হয় অসমত। নুনি সূতাৰ উৎপাদন সিমান বেছি নহয়। অসমৰ মূগা পৃথিৱী বিখ্যাত। ভাৰতবৰ্ষ মুঠ উৎপাদিত মূগা সূতাৰ ৯৭ শতাংশ অসমত উৎপাদিত হয়। ৰেচম উৎপাদনৰ লগত হস্ততাঁত উদ্যোগটোও অসমত উন্নয়ন ঘটিছে। বৰ্তমান অসমত ১৩ লাখতকৈও অধিক তাঁতশাল আছে আৰু প্ৰায় ২৫ লাখ লোক প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে বয়ন উদ্যোগৰ লগত জড়িত হৈ আছে।

চাহ খেতিৰ লগতে ৰবৰ খেতিও অসমত লাহে লাহে জনপ্ৰিয় হৈ পৰিছে। ২০১২-১৩ বৰ্ষত অসমত ৩৪.৫ হেজাৰ হেক্টৰ মাটিত ৰবৰ খেতি কৰা হয়। ৰবৰ উৎপাদনৰ বাবে অসমত



প্ৰচুৰ সম্ভাৱনা থকালৈ চাই ভাৰতৰ ৰবৰ বৰ্ডে দ্বাদশ পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ শেষত ৰবৰ খেতি ২ লাখ হেক্টৰলৈ সম্প্ৰসাৰিত কৰাৰ আঁচনি গ্ৰহণ কৰিছে।

চাহ উদ্যোগ অসমৰ আটাইতকৈ বৃহৎ কৃষিভিত্তিক উদ্যোগ। অসমৰ চাহৰ গোটেই বিশ্বজুৰি সুনাম আছে। অসমৰ অৰ্থনীতিত চাহে এক উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। ২০১২ চনৰ তথ্যমতে অসমত মুঠ ৭৬৫ খন চাহ বাগিচা আৰু ৭৮,০৯১ খন ক্ষুদ্ৰ চাহ বাগিচা আছে। ২০১২ চনত অসমত প্ৰায় ৫৯০ হেজাৰ টন চাহ উৎপাদন হৈছিল। চাহ উদ্যোগত গড়ে দৈনিক ৬.৮৬ লাখ লোক নিয়োজিত হৈ আছে। ভাৰতৰ চাহ বৰ্ডৰ এক তথ্যমতে ২০০১ চনৰ পৰা ২০১৬ চনলৈ অসমৰ চাহ উৎপাদন ভাৰতৰ মুঠ চাহ উৎপাদনৰ ৫০ শতাংশতকৈ বেছি।

যুৱসমাজ দেশএখনৰ চালিকা শক্তি। বৰ্তমান সময়ত যুৱ সমাজে কোনো ধৰণৰ সংস্থাপন লাভ কৰিব নোৱাৰাৰ ফলত যথেষ্ট হতাশাত ভোগা দেখিবলৈ পোৱা যায়। তেওঁলোকে নিবনুৱা হৈ জীৱন কটোৱাতকৈ অসমৰ



কৃষিখণ্ডত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি লাভান্বিত হ'ব পাৰে। অসমৰ বতৰ আগৰ ১০ বছৰৰ দৰে নহয়। আগতে বানপানী আহিলে ৩/৪ দিনত পানীত থাকি নৈসমূহত পৰিছিল। কিন্তু বৰ্তমান মৌচুমী বতাহ ধৰি ৰাখিব নোৱাৰাৰ ফলত আবতৰীয়া বতৰে কৃষকক খেতি কৰাত আহুকাল লগায়। তথাপি আমি জলবায়ু, বতৰ বিশ্লেষণ কৰি কৃষি আঁচনি যুগুত কৰিব লাগিব। বানমুক্ত অঞ্চলত প্ৰথমতে আঁচনি ল'ব লাগিব। ২/৩ বাৰ বানে ধান খেতি বা খাৰিফ শস্য প্ৰতিবছৰে অসমত নষ্ট কৰি আহিছে। য'ত বানপানী হয় তাত কমদিনীয়া শস্য, বড়োধান, আগতীয়া আহু ধান ৰোৱাৰ ব্যৱস্থা কৰিব লাগে। বান অহাৰ আগতে অন্ততঃ এবাৰ ধান চপাব লাগিব। বানাক্ৰান্ত ৰাইজে খৰালি কালত ওখ ভেটি কৰি তাত পশুধন ৰাখক, যিহেতু বান হ'বই নিজে থাকিবলৈ এই খৰালি কালতে গাঁৱৰ ৰাইজে বাঁহ-কাঠেৰে নিজে ওখ চাংঘৰ সজাওক। কিন্তু য'ত ঘৰ-বাৰী মাটিৰ ফচল, ৰাস্তা ঘাট সম্পূৰ্ণ ধ্বংস হৈছে তাত বাট-পথ নিৰ্মাণ, ঘৰবাৰী, স্কুলঘৰ, খোৱাপানী, স্বাস্থ্যৰ প্ৰতি চৰকাৰে ব্যৱস্থা ল'ব লাগিব।

ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা আৰু উদ্যান শস্যৰ ফলমূল পাচলিৰ পৰাও বিভিন্ন উপায়ে ফলৰ ৰসৰ উদ্যোগ গঢ়িব পাৰে। অসমৰ বহু জিলাত কুঁহিয়াৰ, মৰাপাটৰ ভাল উৎপাদন হয় লগতে থলুৱা মাছ, শিঙি, মাগুৰ, পুঠি আদি মাছৰ দাম বেছি। কৃষি বিভাগত এনে মাছ, খীৰতী গাই, ছাগলী, হাঁহ-কুকুৰা পালন কৰা কৃষকক একত্ৰিত কৰি 'ফাৰ্মাৰ প্ৰডিউচাৰ্ছ' কোম্পানী ৰেজিষ্টাৰ কৰি শিক্ষিত, অৰ্ধশিক্ষিত যুৱকক আকৰ্ষিত কৰিব পাৰি। এনেকৈ



বিভিন্ন জিলাত ডায়েৰী প্ৰজেক্ট, যেনে- গাখীৰৰ পৰা চানা, ঘিঁউ, দৈ আদি প্ৰস্তুত কৰিব পাৰি। যুৱপ্ৰজন্মই কৃষকসকলক পৰম্পৰাগত পদ্ধতি পৰিহাৰ কৰি নতুন নতুন পদ্ধতি ব্যৱহাৰৰ ক্ষেত্ৰত উৎসাহিত কৰিব লাগিব। তেওঁলোকৰ উপযুক্ত প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগিব।

অসমৰ দৰে কৃষিভিত্তিক ৰাজ্য এখনৰ বাবে সংহত কৃষি প্ৰকল্প আৰু কৃষিভিত্তিক উদ্যোগে নিবনুৱা সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত আশাৰ বতৰা কঢ়িয়াই আনিব পাৰে।

*(বি.দ্ৰ.- বিভিন্ন লেখাৰ পৰা তথ্যসমূহ সংগৃহীত।)*


# পুনৰ পঠিত অসমীয়া সাহিত্যত জাতি-বৈষম্য

**স্বপ্নালী বৰগোঁহাই**
**সহকাৰী অধ্যাপিকা**
**অসমীয়া বিভাগ**


**অৱতৰণিকা ঃ**

সাহিত্যৰ পুনৰ পঠন সম্প্ৰতি অসমীয়া সাহিত্যৰ এক জনপ্ৰিয় প্ৰপঞ্চ। পৌৰাণিক কাহিনীক লেখকসকলে নিজস্ব দৃষ্টিৰে নতুন ধৰণে নিৰ্মাণ কৰাৰ চেষ্টাৰ স্বাক্ষৰ থকা আধুনিক সাহিত্যক পুনৰ পঠন বুলি কোৱা হয়। সম্প্ৰতি ভাৰতবৰ্ষৰ বিভিন্ন ভাষাৰ আধুনিক সাহিত্যত ৰামায়ণ, মহাভাৰত, পুৰাণ আদি প্ৰাচীন পুথিত বৰ্ণিত ঘটনাৱলীক নতুন ৰূপত উপস্থাপন কৰা দেখিবলৈ পোৱা যায়। পৌৰাণিক কাহিনীসমূহৰ মাজত লুকাই থকা অসংখ্য সম্ভাৱনাক ব্যৱহাৰ কৰি অসমীয়া সাহিত্যিকে নিজস্ব সৃষ্টিশীলতাৰে ৰচনা কৰা এনে ধৰণৰ পুনৰ পঠনৰ কেইখনমান গ্ৰন্থ হ'ল- চন্দ্ৰপ্ৰসাদ শইকীয়াৰ 'মহাৰথী', ৰবীন্দ্ৰ বৰাৰ 'দ্ৰৌপদী', ড° মালিনীৰ 'যাজ্ঞসেনী', কল্যাণী মহন্তৰ 'বৈদেহী' পূৰবী বৰমুদৈৰ 'শান্তনুকুলনন্দন' জয়শ্ৰী গোস্বামী মহন্তৰ 'গান্ধাৰী', মনমী ভট্টাচাৰ্যৰ 'অহল্যা-দ্ৰৌপদী ইত্যাদি, মানিক শইকীয়াৰ 'পিতামহৰ শৰশয্যা' আদি।









**সাহিত্যত জাতি-বৈষম্য ঃ**

ভাৰতীয় বৰ্ণাঢ্য সংস্কৃতি ৰচনাৰ ক্ষেত্ৰত মূল জাতি-উপজাতিসমূহৰ লগত জনজাতিসকলেও বিশেষ অৱদান আগবঢ়াইছে। ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চল বিভিন্ন জনগোষ্ঠীৰ আৱাসভূমি হিচাপে অতি প্ৰাচীন কালৰ পৰা পৰিগণিত হৈ আহিছে। এই দৃষ্টিকোণৰ পৰা জনজাতিসকলৰ বিষয়ে অধ্যয়ন আৰু গৱেষণা এটা গুৰুত্বপূৰ্ণ বিষয়। এই জাতি-জনগোষ্ঠীয়ে অসমীয়া সাহিত্যত কেনে স্থান লাভ কৰিছে, সেই সম্পৰ্কে আলোচনা কৰিবলৈ যাওঁতে আমি ঐতিহাসিক প্ৰেক্ষাপটক আওকাণ কৰি সাহিত্যৰ বিষয়বস্তুৰ ওপৰত মনোনিবেশ কৰিলে কথাটো একপক্ষীয় হ'ব। ইতিহাসত এই জাতি-ভেদ প্ৰথাই কেনেকুৱা স্থান পাইছিল, সেই বিষয়েও আলোকপাত কৰা উচিত হ'ব। ভাৰতবৰ্ষৰ ক্ষেত্ৰত দেখা যায় যে ভাগৱত-গীতাত জাতিভেদ প্ৰথা নাই বুলি কোৱা হৈছে। অৱশ্যে সেই বিষয়টো আলোচনা কৰিবলৈ গ'লে স্বাভাৱিকতে প্ৰথমতেই আৰ্য আৰু অনাৰ্য প্ৰসঙ্গটো আহে। ভাৰতীয় মহাকাব্য কেইখনতো জাতি-ভেদ প্ৰথাৰ সামাজিক ব্যৱস্থাৰ কথা কোৱা হৈছে। ৰামায়ণ, মহাভাৰতৰ দৰে মহাকাব্যই বনত বসবাস কৰা মানুহখিনিক অসুৰ, ৰাক্ষস-ৰাক্ষসীৰ ৰূপত উপস্থাপন কৰাৰ কথা আজিৰ সমাজৰ বিজ্ঞানীসকলে আঙুলিয়াই দেখুৱাইছে। কাৰণ ৰামচন্দ্ৰৰ বনবাস বা পঞ্চপাণ্ডৱৰ বনবাস কালত তেওঁলোকে জনগোষ্ঠীয় সেই মানুহখিনিক দমন কৰিছিল। আৰ্য সংস্কৃতিৰ সম্প্ৰসাৰণৰ কাৰণে এই আৰ্যবীৰ সকলে বনবাসলৈ গৈ বনত বসবাস কৰা জনগোষ্ঠীয় মানুহখিনিক দমন কৰিছিল আৰু আৰ্য সংস্কৃতিক অনাৰ্য মানুহৰ মাজত বিলাবলৈ লৈ গৈছিল। ইয়াৰ মাজেদি আৰ্য আৰু অনাৰ্য জাতিৰ মাজৰ সংঘাত এই মহাকাব্য দুখনে দাঙি ধৰিছিল। সেয়াই হৈছে ঐতিহাসিক অথবা পুৰাতনীয়া ক্ষেত্ৰত জাতি-বৈষম্যৰ উপস্থাপন। মধ্যযুগৰ ভক্তি আন্দোলনেও এই জাতি বৈষম্যৰ বিৰুদ্ধে মাত মতা নাছিল। ঊনৈশ শতিকাৰ ভাৰতবৰ্ষত যি নৱজাগৰণ আহিল, সেই নৱজাগৰণে নাৰীৰ অধিকাৰৰ সম্পৰ্কে যিমান মাত মাতিলে, জাতি- বৈষম্য নিবাৰণৰ কাৰণে হয়তো সিমান মাত মতা নাছিল। যি ধৰণে সতীদাহ প্ৰথা বা বাল্য বিবাহ উচ্ছেদ কৰিবৰ কাৰণে আৰু বিধৱা বিবাহ প্ৰচলনৰ কাৰণে যিমানখিনি আন্দোলন গঢ়ি উঠিছিল, সেই ধৰণে কিন্তু জাতিভেদ প্ৰথাৰ সামৰণি হ'বৰ কাৰণে ঊনৈশ শতিকাৰ নৱজাগৰণে সেই প্ৰচেষ্টা হাতত লোৱাৰ কথা চকুত নপৰে। কুৰি শতিকাৰ আৰম্ভণিতো জাতি-বৈষম্যৰ এই ধাৰণাটো একে ধৰণেই আছিল। তেতিয়াও এই বিষয়টোৰে বিশেষ গুৰুত্ব পোৱা নাছিল। অসমীয়া সমাজতো জাতি-বৈষম্যৰ বিৰুদ্ধে সমাজৰ প্ৰতিষ্ঠিত ব্যক্তিসকলে আগবাঢ়ি অহা নাছিল। তেতিয়াও আমাৰ সমাজৰ পৰা জাতি-বৈষম্যৰ চিন্তাটো সম্পূৰ্ণ ৰূপে আতৰি যাব লাগে বুলি ভবা এটা শক্তিশালী আন্দোলন অসমীয়া সাহিত্যৰ পাতত বা বুৰঞ্জীৰ পাতত গঢ়ি উঠা নাছিল যদিও এই বিষয়টো কোনো কোনো সাহিত্যত উত্থাপন হৈছিল কিন্তু যি ধৰণৰ গুৰুত্ব পাব লাগিছিল, সেই ধৰণৰ গুৰুত্ব পোৱা নাছিল। উদাহৰণ স্বৰূপে ক'ব পাৰি লক্ষ্মীনন্দন বৰাৰ 'গংগা চিলনীৰ পাখি', অনামিকা বৰাৰ 'অস্তিত্ব', নন্দিতা দেৱীৰ 'বঙাল বহু দূৰ' আদি উপন্যাসৰ কাহিনীত বিষয়টো উত্থাপন হৈছে যদিও বিষয়বস্তু হিচাপে অগ্ৰগতি লাভ কৰিব পৰা নাই।

**পুনৰ পঠিত সাহিত্যত জাতি-বৈষম্য ঃ**

সাহিত্যৰ পুনৰ পঠনৰ মাজেদি ইতিহাসৰ নীৰৱ চৰিত্ৰৰ কণ্ঠবোৰক সৰৱতা প্ৰদান কৰাৰ চেষ্টা কৰা হয়। সাহিত্যিকে সেই নীৰৱ চৰিত্ৰবোৰক সৰলতা প্ৰদান কৰে পুনৰ পঠিত সাহিত্যৰ জৰিয়তে। আমাৰ সাহিত্যত ঐতিহাসিক চৰিত্ৰ বা ঘটনা বা পূৰ্বৰ যি সাহিত্যৰ পুনৰ পঠন হৈছে, সেই পুনৰ পঠিত সাহিত্যত কিন্তু জাতি-বৈষম্যৰ বিষয়টোৱে সিমান গুৰুত্ব লাভ কৰা দেখা নাযায়। উদাহৰণ স্বৰূপে, মহাকবি কালিদাসৰ 'অভজ্ঞানম শকুন্তলম' নাটকত ৰজা দুষ্মন্তই শকুন্তলাৰ প্ৰেমত পৰিলেও তেওঁৰ মনতো শকুন্তলাৰ বংশ সম্পৰ্কে প্ৰশ্নৰ উদয় হৈছিল আৰু যেতিয়া তাৰ উত্তৰ সন্তোষজনক ৰূপে লাভ কৰিছিল, তেতিয়াহে ৰজা দুষ্মন্তই শকুন্তলাক বিয়া কৰিবলৈ মন থিৰ কৰিছিল। এইটো এটা জাতি-বৈষম্যৰ উদাহৰণ। আজি আমাৰ সাহিত্যত শকুন্তলাক যদি নীৰৱ চৰিত্ৰ বুলি ভবা হয়, তেন্তে সেই নীৰৱতাক সৰব কৰিবৰ কাৰণে সাহিত্যত পুনৰ পঠন হৈছে। কিন্তু এই জাতি-বৈষম্যৰ যিটো দিশ 'অভিজ্ঞনাম শকুন্তলম' নামৰ নাটকখনত আছে, সেই দিশটো উপেক্ষিত হৈ ৰৈছে।








আন এখন উপন্যাস হৈছে 'চাণক্য'। এই উপন্যাসখনৰ পুনৰ লিখন হৈছে ড° জয়শ্ৰী মহন্তৰ হাতত। কিন্তু এই সাহিত্যতো লেখকে জাতি-বৈষম্যৰ এই দিশটো সম্পূৰ্ণ ৰূপেই এৰাই চলিছে। চাণক্য যাক কৌটিল্য বুলিও কোৱা হয়, তেওঁৰ অৰ্থ শাস্ত্ৰত জাতি-বৈষম্যৰ বিভিন্ন প্ৰসঙ্গ আহিছে। সেই বিষয়বোৰ সমালোচনাত্মক দৃষ্টিভঙ্গীৰে উপস্থাপন কৰি অসমীয়া সাহিত্যত তাৰ পুনৰ পঠন হ'ব পাৰিলেহেঁতেন। কিন্তু সেয়া হোৱা নাই। একেদৰে দুয়োখন মহাকাব্য ৰামায়ণ আৰু মহাভাৰতৰ চৰিত্ৰবোৰ, যেনে- উৰ্মিলা, গান্ধাৰী, দ্ৰৌপদী আদি চৰিত্ৰৰ পুনৰ পঠন হৈছে। কিন্তু জাতি-বৈষম্যমূলক চৰিত্ৰবোৰৰ পুনৰ পঠন হোৱা নাই। উদাহৰণ স্বৰূপে মহাকাব্যকেইখনৰ সত্যৱতী, চিত্ৰাঙ্গদা, হিড়িম্বা আদি চৰিত্ৰৰ পুনৰ পঠন হোৱা নাই। ইতিহাসৰ বহুতো কাহিনীৰ অসমীয়া সাহিত্যত পুনৰ পঠন হৈছে কিন্তু পুনৰ পঠিত সাহিত্যত জাতি-বৈষম্যই উপযুক্ত গুৰুত্ব লাভ কৰা নাই। জাতি-বৈষম্যমূলক বিষয়টো যেতিয়া গল্প-উপন্যাসৰ পাতত উত্থাপন হোৱা দেখা যায়, প্ৰায়ে সেয়া লিংগ বৈষম্য, শ্ৰেণী বৈষম্য আদি বিষয়ৰ লগত সাঙোৰ খাই থাকে। গতিকে জাতি-বৈষম্যৰ বিষয়টোৱে যিমান গুৰুত্ব পাব লাগে, সেই গুৰুত্ব নাপায়। আমি দেখা পাওঁ চাহ জনজাতিৰ জীৱনক লৈ অসমীয়া সাহিত্যত বহুতো সাহিত্য ৰচনা হৈছে। কিন্তু মন কৰা যায়, জাতি বৈষম্যৰ বিষয়টো ইয়াতো নেপথ্যত থাকি যায়। এই জাতি-জনজাতিসমূহৰ কৃষ্টি-সংস্কৃতিক যিমান গুৰুত্ব দি বৰ্ণনা কৰা হয়, সেয়া প্ৰশংসনীয় কিন্তু এই জনগোষ্ঠীসমূহৰ প্ৰতি আন জাতিসমূহৰ দৃষ্টিভঙ্গী কেনেকুৱা, এই সংঘাতৰ দিশটো আমাৰ সাহিত্যত অতি সচেতনতাৰে নিলগাই থোৱা যেন বোধ হয়। জাতি-জনজাতিসমূহৰ মাজৰ সংঘাত, সংঘাতৰ পৰিৱেশ নোহোৱা হৈছেনে, কথাবোৰ সাহিত্যৰ মাজেদি আলোচনা কৰাৰ থল আছে। কোনো এটা জনগোষ্ঠীৰ সাংস্কৃতিক বৰ্ণনা কৰিবৰ কাৰণে বা তাৰ ঐতিহ্যক প্ৰশংসা কৰিবৰ কাৰণে এই জনজাতি কেন্দ্ৰিক সাহিত্য ৰচনা হ'লেই নহ'ব, তাত জাতি-বৈষম্যৰ যিটো সত্য, সেই সত্যও উত্থাপন হ'ব লাগিব।


**উপসংহাৰ ঃ**

অসমীয়া সাহিত্যত জাতি-বৈষম্য কেন্দ্ৰিক বিষয়বস্তুৱে পাবলগীয়া গুৰুত্ব পোৱা নাই যদিও বৰ্তমানে এই দিশত চিন্তা-চৰ্চা কৰা দেখিবলৈ পোৱা যায়। উদাহৰণ স্বৰূপে, উমাকান্ত শৰ্মাৰ 'ভাৰগু পক্ষীৰ জাক' উপন্যাসখনত জাতি-বৈষম্য আৰু গোষ্ঠী-বৈষম্যই কেনেকৈ বড়ো আৰু অবড়োসকলৰ মাজত এক সংঘাতৰ সৃষ্টি কৰিছে, সেইয়া বিভিন্ন চৰিত্ৰৰ মাজৰ কথোপকথনৰ মাজেৰে উত্থাপন কৰিছে। 'কথা ৰত্নাকৰ' ড° ধ্ৰুৱজ্যোতি বৰাৰ উপন্যাসৰ মূল বিষয়েই হৈছে জাতি বৈষম্য। উপন্যাসখনত দেখুওৱা হৈছে কেনেকৈ কৈৱৰ্ত সম্প্ৰদায়ৰ লোকক আমাৰ সমাজখনে যুগ যুগ ধৰি মানসিকভাৱে নিষ্পেষণ চলাইছে। হোমেন বৰগোহাঞিৰ 'মৎস্যগন্ধা' উপন্যাসখনতো এনে জাতি-বৈষম্য দিশটোৱে গুৰুত্ব পোৱা দেখা যায়। একেদৰে অৰূপা পটঙ্গীয়া কলিতাৰ




'ফেলানী' উপন্যাসখনতো এই দিশটো দেখিবলৈ পোৱা যায়। গল্প সাহিত্যতো চালে দেখা যায় হোমেন বৰগোহাঞিৰ 'ইস্মাইল ছেখৰ সন্ধানত', মামণি ৰয়ছম গোস্বামীৰ 'সংস্কাৰ', অৰূপা পটঙ্গীয়া কলিতাৰ 'দৈৱকীৰ দিন', অনুৰাধা শৰ্মা পূজাৰীৰ 'বনফুলৰ কেইটামান দিন' আদি গল্পৰ মাজত জাতি-বৈষম্যৰ ওপৰত চৰ্চা হোৱা দেখা যায়। বৰ্তমানে সৃষ্টি হোৱা এই সাহিত্যসমূহে প্ৰকৃততে আমাৰ সমাজত এক নতুন চেতনা জগাই তোলাত নিশ্চয় সহায় কৰিব। এনে সাহিত্য আৰু বেছি ৰচনা হোৱা উচিত।









Article



# Library Services in Provincialised Degree Colleges of North Lakhimpur Town of Assam

**Dipankar Saikia**
**Librarian**

**Introduction:-**

There are basically three types of libraries in our society depending on the nature and status of clientele, areas covered and range of service provided etc., viz academic library, public library and special library. Academic Library is regarded as the heart of any educational institution. The ultimate end of all libraries is to provide better services and resources to the users so that they can utilise for the development of the society. It is generally found that due to the lack of financial support from the concerned authority, lack of interest of the government or lack of interest of the library staff sometimes the users are to deprive from the library resources and services. It is essential to note here that depending upon the needs of various users groups, mode of service library can be categorized in different types- namely Academic library, public library, special library. Academic library may be school library, college library and university library. The study will be based on the present status of services provided by college libraries and how far they satisfy the users need in the degree college libraries in North Lakhimpur Town. In case of library human resource means that library staffs that is professionally qualified. On the other hand in library there is non-human resource which means the library materials whether it may be printed or electronic media. College library plays a

supplementary role to fulfil the student's syllabus curriculum. Therefore the collection of the college library should be strong according to the academic needs of the students. But in real scenario, it is observed that most of the college libraries are not able to provide all the required documents to the students as per their needs due to lack of financial support of the concerned authority and unavailability of publication.

**History of Higher education in Lakhimpur District:-**

The history of general collegiate education in Lakhimpur is very recent and original. It was only in 1952 the first college of the district was established at Lakhimpur namely North Lakhimpur College. This is premier autonomous College of present Lakhimpur District and established through public donation in 1952. It offers facilities for study in Arts and science up to degree standard. Although, recently post graduate courses in various subjects has been started in North Lakhimpur College. North Bank College was established in 1961 at Ghilamara. Madhavdev College was established in 1964 at Narayanpur. Now it has been converted to University. Dhakuakhana College was established in 1966. Lakhimpur Commerce College is a commerce and Arts college upto the Degree standard was established in 1972. Lakhimpur Girls' College was established in 1972, it provides Arts and Science stream up to the Degree standard and master degree of home science has been started since 2015.Bihpuria College was established in 1973. L.T.K College was established in 1977. Sankardev College was established in 1982. The existing facilities for higher education in the Lakhimpur District are as follows:-









1. B. Ed/PGT/DIET Colleges – 4 (four)
2. Provincialised Degree Colleges (Permanent Affiliation) – 19 (nineteen)
3. Autonomous Degree College- 1(one)
4. University- 1(one)
5. Law College – 1(One)
6. Normal School – 1 (One).

In Lakhimpur District there are more than 19 Degree Colleges. Among these colleges North Lakhimpur College (Autonomous), Lakhimpur Girls' College and Lakhimpur Commerce College are set up in the North Lakhimpur Town of the Lakhimpur District. Short descriptions of these colleges are given in the following section:-

**North Lakhimpur College :-**

North Lakhimpur College (Autonomous), established in 1952, has successfully carved its niche in the arena of higher education in Assam. The University Grants Commission has also conferred the status of College with Potential for Excellence (CPE) to the college in 2010 for a period of 5 years, further extended up to 2019. North Lakhimpur College has

proved to have the strategy to percolate the positive outcome of the innovations in teaching with an interdisciplinary approach. The gradual reform has made the college holistically efficient and credible both at the academic and administrative level. The college has a main campus with a total area of 25 acres of land with compound wall all around and good infrastructure facilities for academic, administrative and co-curricular activities which include, adequate number of classrooms, well-equipped laboratories, library and reading room, administrative block, botanical garden, playground, gymnasium hall, canteen and parking facilities. The Arts Building is being extended to meet the demands of the students. The college library and computer facilities are easily accessible to students and faculty members. The college library has adequate space with a reading room facility for students and faculty, an issue counter, stack room and bound volume room. Facilities like touch screen computer, visual book display presenter, photocopier, scanner etc are available in the library. A retail outlet selling student related materials and books are also functional. The college playground has been given a face lift and an indoor stadium is there in place for sportsmen.







**Lakhimpur Commerce College :-**

Lakhimpur Commerce College was established in 1972 with an aim of creating a district entity in commerce education in the whole north bank of the Brahmaputra. The college offers courses at college in commerce and arts streams. The UGC approved introduction of vocational courses at the college in three subjects viz computer application office Management and secretarial practice and Tex procedure and practice. The Dibrugarh University allowed permission for running a contact centre of District education with three subjects viz. Commerce, Economics and Assamese.

IGNOU has established a study centre NO. 0413 at the college with as many as 42 programs leading to Master of Business Administration. Lakhimpur Commerce College is committed to students belonging to all caste, create, religion and culture. Lakhimpur Commerce College was established on 4th September, 1972 with the objective of imparting value education to provide universal access to quality education. The college is the precursor in imparting commerce education in the District of Lakhimpur, Assam and the Arts Stream was introduced in the year 1993. The college is permanently affiliated to Dibrugarh University, Assam. The college has two campuses - the main campus located in the heart of town and the second campus at Chukulibhoria with an area of approximately 25 bighas. The college provides various certificates, diploma, degree and post graduate courses through various distance modes like The Directorate of Distance and Open Learning, Indira Gandhi National Open University and Krishna Kanta Handique Sate Open University.

**Lakhimpur Girls' College :-**

Lakhimpur Girls' College, established with Pre-University classes on 16th August, 1972, was the lone and foremost seat of higher education for women on the entire north bank of the mighty Brahmaputra. The college inaugurated on 16th August 1972, was named as North Lakhimpur Girls' College. Its first Principal was Ms. Punya Hazarika and first Vice-Principal, Mrs. Hellena Begum. The permanent affiliation for the Arts Stream was ac-




corded on 7th March 1984. The College was brought under the Deficit System of Grant in Aid of Govt. of Assam w.e.f. 01.09.1979 with the Arts stream only. The Science stream introduced w.e.f. 1990-1991 was brought under the Deficit System of GIA w.e.f. March 1998. General degree courses in Science were introduced w.e.f. 1992-93 and major courses w.e.f. 1998-1999. The N.C.C. & N.S.S. were introduced in the College in 1977. The college shifted to its own building in the present and permanent site on 08.12.1984.

The Silver Jubilee of the College was celebrated with a three days programme concluding on 20-22, November 1997.

The master of Home Science has been ongoing since 2015.The College is also planning to introduce 4 years integrated B.Ed. course from the session 2022-2023.

**Library services in Provincialised Degree Colleges of North Lakhimpur Town:**

The basic function of a college library is to assist its parent body to carry out its programme in order to fulfill its obligation towards the parent body. It must serve the needs and requirements of the students, teachers and staff adequately towards study and teaching.

The purpose of college library is to provide books and journals and their instructional materials in support of the academic programme of the college as well as to encourage the formation of a lifelong habit of learning. The library is the place that can take care of students as well as teachers in regard of their total educational enlistment.

**Basic Services provided by college library:**

1. Landing services (Books issue/return)
2. Help in the location of documents
3. Help in the use of catalogue
4. Long range reference service
5. Bibliographic service
6. Current Awareness service
7. Reprographic (Xerox) service
8. Orientation of new members.
9. Display of new library materials
10. Internet services
11. Reservation of Documents
12. News paper clippings.
13. D-Space services (institutional repository digitization)
14. N.List services (e-journal, e-book searching)
15. Periodical (Journal, Magazine) display services
16. Newspaper display services
17. OPAC (online public access catalogue) services

Keeping in view the existing situation in the college libraries of North Lakhimpur Town various suggestion are given by the librarians of different colleges. In spite of 70 years of independence the college libraries are almost in a primary stage. They are facing various difficulties out of which some may be discussed as below.

Though we are entering into the era of "Information age" yet the necessity to have a modern service oriented library is not felt in our education policy. The text book oriented examination system for which commercial "Note books make easy" are available easily in the market. This result in the negligence of library by the students and they do not fill necessary to visit library except a few for passing their examination. This leads to unawareness of how a







library can help them in assisting their studies. Most of the library is functioning in a restricted way of just issuing books and getting them back to the library.

Library budget is not adequate in view of its needs. It's observed that most of the library have been facing acute financial problem. The growth of enrolment and the lack of sufficient fund have resulted in poor library set up. The main source of finance are the Library fees from students .The UGC/RUSA/State Government provides some grants to some of the colleges and that is not regular. As we all know that so it is a must for college library to computerize. It will solve the staff and space problem which will help in reducing the repetitive clerical jobs.

**Conclusion:-**

College Libraries of North Lakhimpur Town facing difficult to provide proper and scientific services. This is because of a number of constraints. Lack of sufficient fund, lack of professionally qualified staff, and lack of interest of college authority.

***College Libraries of North Lakhimpur Town facing difficult to provide proper and scientific services. This is because of a number of constraints. Lack of sufficient fund, lack of professionally qualified staff, and lack of interest of college authority.***

library is a non-profit making organization yet is essential for social service. Hence, adequate fund in regular way is needed to make a service library.

The non-availability of separate library building has added to the already deteriorating condition of college libraries. Most of the college libraries are housed in a hall type room. The college libraries required several full-fledged section viz, Reference, Rare book, periodicals, Text book and Newspaper sections but due to lack of sufficient space it is not properly managed or established. It is often seen that many books are lying scattered on the floor and reader will requires a lot of time to find out his reading materials.

With the help of computer we can retrieve any information at any time instantly and specifically

A library is considered as a centre of instruction. It is seen that most of the college libraries of North Lakhimpur Town are not able to fulfill their obligation to the objectives of higher education. One of the most important set back is the lack of co-operation among the Librarians and College Authority of the colleges. They never recognize that the libraries have taken the responsibilities of our educational development. It's high time to recognize it and provide intellectual development through its services by keeping the channels of communication open and then the value of college library could be understood.

**(* Research Article)**

Article

# Biodiversity - A Global Issue

**Nabami Bhuyan**

**Assistant Professor, Department of Geography**

**Introduction:**

There is a variety of millions of distinct biological species found on earth, and the diversity of this biological sphere is commonly referred to as biodiversity. The various species of flora, fauna, microorganisms, the wide diversity of genes in these species, and the divergent ecosystems on the planet, like, hot and cold deserts; tropical, temperate, polar and equatorial forests; coral reefs, seas, oceans and estuaries; mountain peaks, lakes, and river basins, are all part of our biologically diverse earth. Biodiversity is unevenly distributed over the earth's surface. Around the equator, in the tropics and in some other confined regions such as in the six floristic regions like Cape Floristic Province of South Africa, biodiversity is rich. But in areas of extreme climatic conditions like the poles, and the dry hot deserts only a few species are found.

Almost all cultures that evolved on earth's surface have, in some form or other, recognized the importance that nature and its biological diversity have ever had upon them and the necessity to nourish it. However, power, politics and greed have always disturbed the precarious balance that exists in nature, negatively affecting biodiversity, in turn.








**Importance of Biodiversity:**

We often ask, is biodiversity actually so important? What happens when there are not so many species alive? Does it really matter?

The general and broad answer is that Biodiversity stabilizes ecosystem processes and functions. It boosts ecosystem productivity where every species, irrespective of its size and count, has a vital role to play. This combination of different species in biodiversity enables the ecosystem to possess the ability to prevent and recover from a variety of hazards and disasters. Some of the material benefits we avail from a healthy ecosystem are- Air and water purification, climate, biological disease and pest control, pollination and prevention of erosion. The non-materials benefits include spiritual and aesthetic values, knowledge systems and the value of education and research. Most importantly, it is helpful for the humankind as a greater diversity of plants and animal species means a different variety of crops to grow and a more significant number of species of animals ensure that the ecosystem is sustained naturally. That is why, even while we dominate this planet, we still need to preserve the diversity of wildlife.

It is estimated that a minimum of 40 per cent of the world's economy is sustained by biological resources, while more than 80 per cent of the basic needs of the poor worldwide are derived from the same.In addition to this, the wealthier the diversity of life on earth, the wider the opportunity for medical inventions, economic development, and adaptive responses to the ever-new challenges like climate change, pandemic attacks, and poverty and backwardness.

**Biodiversity :** Variety in Chilly, Corn and Parrot

Healthy biodiversity thus provides several natural services for everyone:

1. Ecosystem services, such as—
   i. Protection of air and water resources.
   ii. Soil formation and protection.
   iii. Nutrient storage and recycling.
   iv. Pollution breakdown and absorption.
   v. Contribution to climate stability.
   vi. Maintenance of ecosystems.
   vii. Recovery from unpredictable events.


2. Biological resources, such as—
   i. Food



   ii. Medicinal resources and pharmaceutical drugs
   iii. Wood products
   iv. Ornamental plants
   v. Breeding stocks, population reservoirs
   vii. Future resources
   viii. Diversity in genes, species and ecosystems.

3. Socio-economic benefits, such as—
   i. Education, Research, and monitoring
   ii. Recreation and tourism
   iii. Community adaptation and cultural ethics.

Thus, the list of services we get is quite long! That too, for free! As we destroy ecosystems and bring down biodiversity, we begin to lose the benefits included in the list put above. If we try to replace (if possible) those losses, the costs would be exorbitant, that is extra ordinally high! For such reasons, we should move toward sustainable economic development. Sustainability ensures our future as it helps economic development moving towards keeping away from the depletion of natural resources to maintain an ecological balance. From the viewpoint of genetic engineering and cell biology, genetic diversity helps prevent the chances of extinction in the wild. It also helps to prevent and solve the problems of genetic defects caused by inbreeding. Scientists view that species need a variety of genes to ensure successful survival. Without this, the chances of extinction increase. Furthermore, as we start destroying, reducing and isolating habitats, the chances for inter-action from species with a large gene pool decrease.




**What is Loss or Extinction of Biodiversity?**

It has been proved that human activities are causing massive extinctions of both flora and fauna. In addition, there is the problem of genetically modified species created by man for his immediate benefit. However, it is for sure that the costs associated with deteriorating or vanishing ecosystems, which man will be paying shortly, will be too high!

Resources are already depleting. A report shows that vertebrate species populations have declined by about one-third in the 47 years from 1970 to 2017. At the same time, humanity's Ecological Footprint—the demand people place upon the natural world—has increased to the point where the earth cannot keep up with its struggle to regenerate resources.

Such situations are aggravated by the progressively rapid, broad-spectrum global extinction of species. Especially in the 20th century, it happened at a rate which was a thousand times higher than the average rate in all the previous 65 million years. This is feared to destabilize various ecosystems, including agricultural systems. Another survey for a new global study concludes that more than 90 per cent of all large fishes found in the oceans have disappeared from the world in the past half-century. This is credited to the devastating result of industrial fishing. According to the most comprehensive study done so far in this field, it is estimated that more than a million other species will be lost forever in the coming 50 years. The most important cause was found to be climate change. It is only through the adoption of sustainable development and consumption measures that would help to avert ecological problems for a longer time.

**Does Climate Change Affect Biodiversity?**

In addition to natural causes, anthropogenic activities are primarily responsible for Global warming. This general warming of the atmosphere carries a profound and emerging threat to biodiversity worldwide. With the temperature rise, habitats for many plants and animals will change, depriving them of the homes and niches to which they have adapted. Scientists have estimated that up to 60% of northern latitude habitats could be affected by global warming.

**An Overview of the Biodiversity of North East India**

India's physiographic, climatic, and edaphic conditions greatly vary all over the country. Such variations have resulted in a great range of ecological habitats. Lying between 22 to 30 degree N latitudes and 89 to 97 degrees E longitude and sprawling over an area of 2,62,379 sq.km., North-east India represents the transition zone between the Indian, Indo-Malayan and Indo-Chinese bio-geographic regions which is also called as a meeting place of the Himalayan Mountains and Peninsular India. For its unique location on the globe, North-east India is gifted

with a diverse range of physiographic and eco-climatic conditions. This region falls under the Indo-Myanmar biodiversity hotspot, one of the 25 global biodiversity hotspots recognized currently. The State of Assam is rich in extensive flood plains, while Sikkim stands 8586 m. tall with the Kanchenjunga, the third highest mountain in the world. In the State of Meghalaya, Cherrapunjee holds both the records for the highest rain-fall in a single month (9,300 mm) and the highest in a year (26,461mm) in India. Mawsynram in Meghalaya again holds the world's highest average rainfall (11,873 mm) record. The forests resources in the North-eastern region are incredibly diverse in structure and composition. They display tropical and temperate forest types, alpine meadows and cold deserts. In the State of Sikkim, the faunal assemblages change very rapidly from tropical to subtropical, temperate, alpine and finally to cold desert forms.

After the Andaman and Nicobar Islands and the Western Ghats, Northeast India forms the third region of rich tropical forests in India, including species-rich tropical rain forests. In the lowlands, the tropical semi-evergreen and moist deciduous forests extend south and west into the rest of the subcontinent and to east far into Southern China.



Each of the eight states of the region, namely Arunachal Pradesh, Assam, Meghalaya, Manipur, Mizoram, Nagaland, Sikkim and Tripura, is the host of several endemic flora and fauna.

**Flora**

The vegetation of the north-eastern region is fairly well known. With about 1,67,000 sq.km. area under forest, this region accounts for approximately 8000 species of angiosperms.

The highlight of the biodiversity significance of the region (Hegde 2000, FSI, 2003) -

1. Not less than 51 different Forest types are found in the region, which are broadly classified into six following major forest types,

Tropical Moist Deciduous Forests, Tropical Semi-Evergreen Forests, Tropical Wet Evergreen Forests, Subtropical Forests, Temperate Forests and Alpine Forests.

2. Out of the total 9 important vegetation types found in India, 6 are found in the North-Eastern region alone.

3. These forests harbour 8,000 out of 15,000 species of flowering plants. These include

• 40 out of 54 species of gymnosperms
• 500 out of 1012 species of Pteridophytes
• 825 out of 1145 species of orchids
• 80 out of 90 species of rhododendrons
• 60 out of 110 species of bamboo
• 25 out of 56 species of canes

4. Out of 315 families of Angiosperms in India, more than 200 are present in North-east India, and this region accounts for nearly 50% of the total number of plant species in India as a whole.

5. According to the Indian Red data book published by the Botanical Survey of India, out of the total number of flowering plants in the country 10 % are now endangered. Of the 1500 endangered floral species,

800 are reported from North East India




### Fauna

North-east India supports some of the rarest, least known and most sought–after vertebrate fauna of the entire Oriental Region. This region is home to a great diversity of bird species. The Kaziranga National Park in Assam supports more than 400 species of birds alone. The Himalayan state of Arunachal Pradesh, which is still half unexplored, has a record of 665 species of birds. North-east India is the abode of 11 species of Primates, 21 species of carnivores,137 species of reptiles, 64 species of amphibians and 236 species of fishes. Among the important species Hollock Gibbon, the only ape found in India, is endemic to this region. White-winged wood duck, Pigmy hog, Golden langur, Nagaland Pheasant, and Brow antlered deer are some of the species endemic to this region alone.

### Biodiversity Scenario of Lakhimpur District

Lakhimpur district is situated at a critical juncture in the global biodiversity scenario. It falls between the two most important biodiversity hotspots which are very much relevant to the North-East region of India, the "Himalayan hot spot "and the "Indo-Burma hot spot" (Nature Jn)

The administrative district of Lakhimpur is an excellent example of a geographical site which is in the southernmost part of the "Himalayan hot spot" on one side and the northern-most part of the "Indo Burma hotspot" on the other. This unique geographical location has created a vista for understanding the dynamics of the biodiversity evaluation in the Lakhimpur district and is more critical for devising a strategy for conservation of utilization for the benefit of the present and the future.

Despite the tremendous potentiality, a few works on biodiversity status have been carried out in this region. Therefore, less information is available about this region. At present, some scientific projects are going on in this area. The prominent projects are carried out by some NGOs like WWF, WTI, Aranyak and Institutions like Gauhati University, Dibrugarh University, Wildlife Institute of India etc. I hope the investigations will bring out the entire biodiversity scenario of this region.

References:


1. Myers N, Mittermeier RA, Mittermeier CG, da Fonseca GAB, Kent J. Biodiversity hotspots for conservation priorities. Nature 2000;403:853–8.

2. Conservation International. Biodiversity hotspots: key findings. Arlington: Conservation International, 2011.

3. United Nations Environment Programme. Global biodiversity assessment 3. Nairobi: UNEP, 2010.

4. Gautam, A. (2010), Environmental Geography, SHARDA PUSTAK BHAWAN.

5. Chandna, R.C. (2002), Environmental Geography, Kalyani Publishers.

6. Bhattacharyya, N.N.(2003), Biogeography, Eastern Book House.






Figure 1: Forest map of Lakhimpur District.(Source:internet)

# ৰূপান্তৰৰ খনিকৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ

দিম্পী শইকীয়া







ৰূপান্তৰৰ খনিকৰ হিচাবে মহাপুৰুষ শংকৰদেৱ এগৰাকী ধৰ্ম প্ৰচাৰক, সমাজ সংগঠক, অসমীয়া জাতি-সাহিত্য-সংস্কৃতি নিৰ্মাতা, একশৰণ ধৰ্ম প্ৰচাৰ কৰি অসমীয়া সমাজ জীৱনক একত্ৰিত কৰি সাংস্কৃতিক জীৱনলৈ অৱদান আগবঢ়োৱা এগৰাকী অৱতাৰী পুৰুষ সম। অসমৰ ধৰ্ম, সাহিত্য, সংস্কৃতি, জাতীয় জীৱনৰ প্ৰাণপুৰুষ শ্ৰীমন্ত শংকৰদেৱ। মহাপুৰুষজনা অসমৰ জাতীয় জীৱনৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ পুৰুষ।

শংকৰদেৱৰ ভক্তিমাৰ্গৰ আনুষ্ঠানিক নাম হ'ল একশৰণ নামধৰ্ম। যাৰ একমাত্ৰ দেৱতা বিষ্ণু আৰু বিশেষকৈ কৃষ্ণৰূপে অৱতাৰ হোৱা বিষ্ণুৰহে সেৱা কৰিব লাগে। গুৰুজনাই প্ৰায় পাঁচশ সত্তৰ বছৰ আগতে উত্তৰ পূৰ্বাঞ্চলত নৱবৈষ্ণৱ আন্দোলনৰ সূচনা কৰি ধৰ্মসংস্কাৰৰ দ্বাৰা সমাজ সংস্কাৰ কৰিছিল আৰু নামধৰ্ম প্ৰচাৰ কৰি অজ্ঞান-আন্ধাৰ, অনাচাৰ-ব্যভিচাৰ, অন্ধ-বিশ্বাস, কু-সংস্কাৰত পোত গৈ থকা জনসাধাৰণক সত্য-শুদ্ধ, সনাতন ধৰ্মৰ আলোকেৰে

আলোকিত কৰি তুলিছিল। ধৰ্ম সংস্কাৰৰ লগতে গুৰুজনাই অসমৰ সাহিত্য, সংস্কৃতি, গীত, নৃত্য, বাদ্য, ভাওনা, শিল্প, কৃষি, উদ্যোগ, শিক্ষা, আধ্যাত্মিকতা, নৈতিকতা, ৰীতি-নীতি, আচাৰ-বিচাৰ, জ্ঞান-বিজ্ঞান আদি সকলো দিশতে নেতৃত্ব দি অসমৰ সামাজিক, বৌদ্ধিক আৰু সাংস্কৃতিক জীৱন সমৃদ্ধ কৰিছিল। এনে প্ৰক্ৰিয়াৰেই মহাপুৰুষ শংকৰদেৱে বিভিন্ন জাতি-জনজাতি আৰু জনগোষ্ঠীৰ লোকক সামৰি লৈ এখন বৰ্ণ-বৈষম্যহীন অস্পৃশ্যতাবৰ্জিত, সমন্বয়ৰ শৃঙ্খলাবদ্ধ সমাজ ৰচনা কৰিছিল। আমাৰ ৰাজ্যৰ ধৰ্ম, ভাষা-সাহিত্য, সংগীত, নাট, নৃত্য-বাদ্য, শিল্প কলা আদিত সংস্কৃতিৰ সকলো প্ৰকাৰৰ বীজ-সিঁচি দিয়া মহান পুৰুষ মহান গুৰুজনাই অসমীয়া জাতিৰ জীৱনৰ তলিলৈকে শিপাই জীপাল কৰি ৰাখিছে। মহাপুৰুষ শংকৰদেৱৰ আৱিৰ্ভাৱৰ সময়ত অসমৰ ধৰ্ম, সমাজ, সংস্কৃতি, ভাষা-সংস্কৃতি, সাহিত্য, কলা আদিৰ বিশাল ক্ষেত্ৰখন সীমিত আছিল। ধৰ্মৰ নামত প্ৰায়, পূজা-অৰ্চনা প্ৰচলিত আছিল। যাৰবাবে সাধাৰণ গঞা ৰাইজ অৰ্থনৈতিক, ৰাজনৈতিক ভাৱে, সামাজিকভাৱে, জুৰুলা হৈ দিগ-বিদিগ্ হেৰাই গৈছিল। সময় বাগৰি যোৱাৰ লগে লগে মহাপুৰুষ জনাই সামাজিক ৰোগবিলাক হৃদয়েৰে উপলব্ধি কৰি মানুহক আলোক পথৰ সন্ধান দি মানুহ হিচাপে গঢ় দিছিল আৰু একশৰণ নামধৰ্ম বা ভাগৱতী বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছিল।




গুৰুজনাৰ আৰু তেৰাৰ পৰৱৰ্তীকালৰ সত্ৰৰ পৰম্পৰা এক অনুপম সংযোজন। সত্ৰসমূহৰ মাধ্যমেৰে ধৰ্মপ্ৰচাৰ, মানৱীয় আচৰণ সমূহ অপৰূপ অৱদান। এই সত্ৰসমূহ সংস্কৃতিৰ যাদুঘৰ আৰু মানুহৰ হৃদয় গঢ়াৰ বহুমুখী অনুষ্ঠান, এনে বিশাল আদৰ্শৰ ভিত্তিতেই একোখন গাঁৱত ধৰ্মীয় তথা পৱিত্ৰতাৰ অনুস্থান নামঘৰ গঢ়ি উঠিছে।

আমাৰ নৱপ্ৰজন্মই বৰ্তমান গুৰুজনাৰ মতাদৰ্শ অনুসৰি আধ্যাত্মিক চিন্তাৰে জীৱন গঢ়ি তোলাৰ লগতে বিজ্ঞানৰ জ্ঞান আহৰণ কৰি বাস্তৱবাদী চিন্তাৰে আঁকোৱালি ল'ব লাগিব। মানুহৰ ৰীতি-নীতি আচৰণ, আচাৰ-ব্যৱহাৰ, জীৱন ধাৰণৰ প্ৰণালী ভাষা, ধৰ্ম, সাহিত্য কলা আদি সংস্কৃতিৰ যি উপাদান মহাপুৰুষ জনাই দি গৈছে সেই আদৰ্শ নতুন প্ৰজন্মই শিকিব লাগিব। শংকৰদেৱ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ ধৰ্মগুৰু, শিক্ষাগুৰু। গুৰুজনাৰ এই সংস্কৃতিৰ বহল ক্ষেত্ৰখন যেতিয়ালৈকে জীৱিত আৰু বিস্তাৰিত হৈ থাকিব, তেতিয়ালৈকে অসমীয়া জাতিৰ মৰ্যাদা অক্ষুণ্ণ হৈ ৰ'ব।



ৰূপান্তৰৰ খনিকৰ হিচাপে গুৰুজনাই অসমীয়া সমাজ জীৱনত ভাগৱতী বৈষ্ণৱ ধৰ্মৰ সুধা পান কৰোৱাৰ বাবে চিৰকালেই চিৰপূজ্য মহাপুৰুষ হিচাবে অসমীয়াৰ হৃদয়ত থাকিব।



# সমাজত নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা

পম্পী দাস

বৰ্তমান সময়ছোৱাত বিশেষকৈ ভাৰতবৰ্ষত নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা খুবেই গুৰুত্বপূৰ্ণ। কিয়নো প্ৰতিনিধিত্বমূলক গণতান্ত্ৰিক ৰাষ্ট্ৰত যদিও সৰ্ব সাধাৰণ লোকক সমানে সা-সুবিধা দিয়া, মৌলিক প্ৰয়োজন সমূহ পূৰ ক‌ৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। তথাপিও আজিও আমাৰ দেশ তথা ৰাজ্য এইক্ষেত্ৰত পিছপৰা। আজিও নাৰী জাতিটোক তুচ্ছ জ্ঞান কৰা হয়। যাৰ বাবে নাৰী জাতিৰ স্বাধীন অস্তিত্বক লৈ বিপদসংকুল পৰিৱেশৰ সৃষ্টি হোৱা দেখা গৈছে। উদাহৰণ স্বৰূপে -'ধৰ্ষণ' যিটো শব্দ আজি সকলোৰে মুখে মুখে প্ৰচলিত। বছৰ, মাহ কি এতিয়া যেন প্ৰতিদিনেই এই শব্দৰ লগত আমাৰ চিনাকি। যাৰ বাবে আজি "নাৰী শিক্ষা খুবেই প্ৰয়োজনীয়।" কেৱল নাৰী দিৱস উদ্‌যাপন কৰিলেই নহ'ব, নাৰী সুৰক্ষাৰ বাবে জনসাধাৰণ সজাগ হৈ নাৰী সুৰক্ষাৰ বাবে বিভিন্ন পদক্ষেপ তথা ব্যৱস্থাও হাতত লৈ তাক বাস্তৱিক ভাৱে সফল ৰূপ দিব পাৰিব লাগিব। প্ৰকৃততে নাৰী জাতিটো সেই দিনাই সুখী হ'ব যিদিনা ধৰ্ষণৰ দৰে জঘন্য ঘটনাবোৰৰ পৰা আমিবোৰ মুক্ত হ'ব পাৰিম। যিদিনা কোনো পিতৃ-মাতৃয়ে ছোৱালী সন্তানক লৈ ভয় কৰিব লগা নহ'ব। সেইদিনাহে নাৰী জাতিটো নিজকে স্বাধীন অনুভৱ কৰিব। মুকলি চৰাইৰ দৰে উৰি ফুৰিব পাৰিব। মনে বিচৰা ধৰণে পৃথিৱীখন চাব পাৰিব। ইয়াৰোপৰি নাৰী শিক্ষাৰ আন এক প্ৰধান কাৰণ হ'ল অতীজৰে পৰা চলি অহা কিছুমান 'অন্ধবিশ্বাস'। যিয়ে নাৰী সমাজত বিভ্ৰান্তিৰ সৃষ্টি কৰিছে। যিযে আমাৰ প্ৰগতিৰ বাটত হেঙাৰ হৈ থিয় দিছে। তাৰেই এক জ্বলন্ত উদাহৰণ হ'ল "ডাইনী

হত্যা”। সমাজৰ এচাম নিষ্ঠুৰ মানুহে নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে এনে জঘন্য অপৰাধ কৰা দেখা গৈছে।



তাৰোপৰি পুৰণি কলীয়া ৰীতি-নীতি বোৰ আছেই, যিয়ে সমাজখনক বিপথে পৰিচালিত কৰি আহিছে। নাৰী সমাজখন দমন, শোষণ কৰি ৰখাৰ অভিসন্ধি ৰচা হৈছে। লগতে সকলো দিশৰ পৰা পুৰুষত্বৰ প্ৰবল প্ৰয়োগ দেখুৱাবলৈ চেষ্টা কৰা হৈছে। আজিও কিছু নাৰীক অতি কম বয়সতে বাল্যবিবাহৰ জৰিয়তে সংসাৰৰ জালত আবদ্ধ কৰি ৰখা হৈছে। তাৰোপৰি আজিও কিছুমান অশিক্ষিত সমাজত নাৰীক হীন দৃষ্টিৰে চোৱা যায়। তথাপিও কিন্তু, এই সকলোবোৰ দিশ বিচাৰ বিশ্লেষণ কৰিলে দেখা যায় যে, পুৰুষতকৈ অধিক সংখ্যক নাৰীয়ে বৰ্তমান সফলতাৰ উচ্চ শিখৰত আৰোহণ কৰিবলৈ সক্ষম হৈছে। শিক্ষা, সমাজসেৱা, ৰাজহুৱা কৰ্ম আদিকে ধৰি প্ৰায়বোৰ ক্ষেত্ৰত পুৰুষৰ সমানে ফেৰ মাৰি আগুৱাই যাবলৈ সক্ষম হৈছে। সেয়ে নাৰীসকলকো সমানে সা-সুবিধা দিয়াৰ পৰা বঞ্চিত নকৰি আন ক্ষেত্ৰতো তেওঁলোকক আগুৱাই যাবলৈ অনুপ্ৰেৰণা যোগোৱা উচিত।

## জানানে ?



শিৱসাগৰৰ পুৰণি কীৰ্তিচিহ্ন সমূহ ঃ

(১) শিৱসাগৰ পুখুৰী ঃ
আহোম স্বৰ্গদেউ শিৱসিংহৰ ৰাজত্বকালত তেওঁৰ দ্বিতীয়গৰাকী কুঁৱৰী অম্বিকাই ১৬৫৫ শকত এইপুখুৰী খন্দোৱাইছিল। শিৱসাগৰৰ চহৰৰ মাজ মজিয়াত অৱস্থিত এই পুখুৰীটোৰ মুঠ মাটিকালি ১৯৪ পুৰা ২ বিঘা ২ কঠা ৬ লোচা।

(২) শিৱসাগৰৰ শিৱ দৌল ঃ
স্বৰ্গদেউ শিৱসিংহৰ পত্নী, ৰাণী অম্বিকা কুঁৱৰীয়া ১৬৫৫ শকত শিৱসাগৰ পুখুৰীৰ পাৰত ভগৱান শিৱৰ পূজা-অৰ্চনাৰ অৰ্থে এই দৌল নিৰ্মাণ কৰায়। এই শিৱদৌল অসমৰ সকলোবোৰ দৌলতকৈ ওখ, ইয়াৰ উচ্চতা ১২০ হাত আৰু ইয়াৰ চূড়াত ৭.৫ ফুট উচ্চতাৰ এটি সোণৰ কলচি আছে।

(৩) শিৱসাগৰৰ দেৱী দৌল ঃ
স্বৰ্গদেউ শিৱসিংহৰ পত্নী, ৰাণী অম্বিকা কুঁৱৰীয়ে ১৬৫৫ শকত শিৱসাগৰ পুখুৰী পাৰত শ্ৰীশ্ৰী দুৰ্গা দেৱীৰ পূজনৰ বাবে এই দৌল নিৰ্মাণ কৰায়। ইয়াৰ উচ্চতা ১০.২ মি. আৰু পৰিধি ৪০.৫৪ মিঃ।

(৪) শিৱসাগৰৰ বিষ্ণু দৌল ঃ
স্বৰ্গদেউ শিৱসিংহৰ পত্নী, ৰাণী অম্বিকা কুঁৱৰীয়ে ১৬৫৫ শকত শিৱসাগৰ পুখুৰীৰ পাৰত বিষ্ণু পূজাৰ অৰ্থে এই দৌল নিৰ্মাণ কৰোৱাইছিল। ইয়াৰ উচ্চতা ২৩.৭২ মিঃ আৰু পৰিধি ৪২.৩৪ মিঃ।

(৫) জয়সাগৰ পুখুৰী ঃ
আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহই তেওঁৰ মাতৃ জয়মতীৰ সোঁৱৰণত খৃঃ ১৬৯৬ত এই পুখুৰী খন্দাইছিল। ইয়াৰ মাটিকালি ১৫৫ একৰ।

(৬) জয়সাগৰৰ শিৱ দৌল বা ৰুদ্ৰ দৌল ঃ
আহোম স্বৰ্গদেউ লক্ষ্মীসিংহই তেওঁৰ পিতৃ ৰুদ্ৰসিংহৰ স্মৃতিত ১৭৭৩ চনত ৰুদ্ৰসাগৰ পুখুৰীৰ পাৰত এই দৌল নিৰ্মাণ কৰাইছিল।

(৭) গৌৰীসাগৰ পুখুৰী ঃ
শিৱসাগৰ চহৰৰ পৰা পশ্চিমে প্ৰায় ১১ কিঃমিঃ দূৰত্বত অৱস্থিত এই পুখুৰীটো বৰৰজা বা ফুলেশ্বৰী কুঁৱৰীয়ে খৃঃ ১৭১৫-১৭ ৰ ভিতৰত খন্দোৱাইছিল। ইয়াৰ মাটিকালি প্ৰায় ১৫০ একৰ (৪৫৩ বিঘা ৩ কঠা ১৫ লোচা)

*সংগ্ৰাহক ঃ চৈয়দা পাৰবিন চুলতানা*



# যুৱ-প্ৰজন্ম আৰু যুৱ-মানসিকতা

**তৃষ্ণা দেৱী গগৈ**

ক্ষিপ্ৰ গতিত পৰিৱৰ্তিত এই সমাজক এক যোগাত্মক আৰু সুস্থিৰ অৱস্থালৈ আনিবলৈ হ'লে সুস্থ-বিৱৰ্তনকামী ন-চিন্তাৰ প্ৰয়োজন আছে আৰু সেই চিন্তা পৰিকল্পনাক বাস্তৱায়িত কৰাৰ নিমিত্তে যুৱ-সমাজৰ কাৰ্যকৰী ভূমিকা তথা সক্ৰিয় অংশগ্ৰহণ নিতান্তই প্ৰয়োজনীয়।

সাম্প্ৰতিক সময়ত বিশ্বায়নে বিশেষকৈ অৰ্থনৈতিক বিশ্বায়নে বিকাশৰ গতিক এক নতুন মাত্ৰা দিছে। অৰ্থনৈতিক উদাৰীকৰণ আৰু বিশ্বায়নে বৰ্তমানৰ যুৱ-সমাজক বাৰুকৈয়ে প্ৰভাৱিত কৰিছে। যাৰ ফলত ভোগসৰ্বস্ব জীৱন হৈ পৰিছে সহজলভ্য যুৱসমাজৰ বাবে অৰ্থলাভৰো ন-ন বহু পথ উন্মোচিত হৈছে। যাৰ ফলত "easy money making" হৈ পৰিছে তেনেই সহজসাধ্য। ফলস্বৰূপে সততা, নিষ্ঠা, আদৰ্শ, ত্যাগ. সহমৰ্মিতা আদিৰ পৰিৱৰ্তে গৈ যুৱসমাজে লাভৰ প্ৰতিযোগিতাত বহু দ-লৈকে সোমাই পৰিছে। য'ত তেওঁলোকে হেৰুৱাই পেলাইছে সামাজিক মূল্যবোধ আৰু ব্যক্তিগত নৈতিক চেতনা। স্কুলীয়া জীৱনত চৰিত্ৰ গঠনৰ ক্ষেত্ৰত শিক্ষা গুৰুসকলে প্ৰদান কৰা সেই মানৱীয় অনুভূতিৰে সিক্ত জ্ঞানগৰ্ভ বাণীসমূহ যেন তেওঁলোকৰ বাবে হৈ পৰিছে অৰ্থহীন কিছুমান মূল্যহীন শব্দ।

বৰ্তমানৰ সমাজ ব্যৱস্থাক এক বিশ্লেষণাত্মক দৃষ্টিভংগীৰে চালে দেখা যায় যে প্ৰকৃততে এই অস্থিৰ পৰিৱৰ্তনে এক ভয়াবহ বিপদৰ সংকেতহে বহন কৰিছে। এই উশৃংখল সমাজৰ প্ৰত্যেক স্তৰতে দেখা যায় ব্যাপক অনিয়ম, হিংসা, বিদ্বেষ, অৰ্থলাভৰ তীব্ৰ হেঁপাহ। ক'বলৈ গ'লে প্ৰত্যেক মানুহেই দুৰ্বলক দমন-শোষণ কৰি আগুৱাই যাব বিচাৰিছে আৰু তাতেই যেন তেওঁলোকে বিচাৰি পাইছে এক মাতাল তৃপ্তি। বৰ্তমান সমাজ দুই ভাগত বিভক্ত, ধনী-

দুখীয়া অথবা শোষক-শোষিত। সমাজৰ প্ৰথম শ্ৰেণীৰ লোকসকল সদায় সুৰক্ষিত আৰু সুবিধাজনক অৱস্থাত থাকি দুৰ্বল শ্ৰেণীৰ লোকৰ ওপৰত প্ৰভুত্ব বিস্তাৰ কৰিব বিচাৰে। ক্ষমতা, সামাজিক স্থিতি আৰু পদমৰ্যদাৰ লোভত তেওঁলোকে পাহৰি যায় মানুহ হোৱাৰ বাবে প্ৰয়োজনীয় নূন্যতম কৰণীয়খিনি। এই ক্ষেত্ৰত মানৱ ধৰ্মীয় হৈ পৰে মূল্যহীন আৰু সকলোৱে মাথোঁ নামি পৰে এক অঘোষিত প্ৰতিযোগিতাত।



বিষ্ণু-জ্যোতিৰ অসমখনত ৰঘুমলাৰ দৰে বিয়পি পৰা এইচাম সুবিধাবাদীৰ বাবেই আজিৰ ঘূণে ধৰিবলৈ আৰম্ভ কৰিছে। যাৰ ফলত শোষিতৰ ওপৰত শোষণৰ মাত্ৰা বাঢ়ি গৈ আছে আৰু এনেকৈয়ে বাঢ়ি গৈ আছে অৰাজকতা।

পোৱা-নোপোৱাৰ এই প্ৰতিযোগিতাত ভাগ লৈ আজি মানুহ হৈ পৰিছে নিঃসংগ। গাত শক্তিকণ থকালৈকে দৌৰিছে মাথোঁ দৌৰিছে। কাৰোবাৰ বাবে এধানমান সময় ৰ'লে যেন তেওঁলোক হাৰি যাব, তেওঁলোক যেন হৈ পৰিব ‘loser’। প্ৰতিযোগিতাৰে ভৰা জীৱনত মানুহে ভয়-শংকাৰে প্ৰতিপল জীয়াই থাকি অৱশেষত এবাৰি আপোন মানুহৰ সাদৰৰ মাত এষাৰৰ বাবে হাহাকাৰ কৰি ফুৰে। কিন্তু সেইসময়ত হয়তো তেওঁৰ কাষত কোনো আত্মীয় নাথাকে, হৈ পৰে তেওঁ সম্পূৰ্ণ অকলশৰীয়া আৰু তেতিয়াই তেওঁৰ নিজৰ অহংকাৰ, গৰ্ব-শক্তি সকলো মষিমূৰ হৈ যায়।

আমি যুৱ প্ৰজন্মই বৰ্তমানৰ চিন্তাধাৰাক এক সুস্থিৰ গতি প্ৰদান কৰি আগুৱাই যাব পাৰিলেই এখন সুন্দৰ সমাজ গঢ়ি তোলাত সহজ হৈ পৰিব। সংস্কাৰমুখী মনোভাৱেৰে প্ৰত্যেকেই আগুৱাই আহি নিজৰ কৰ্মখিনি নিষ্ঠা, সততা, সাহসেৰে কৰি গ'লেই এক নতুন দিগন্তৰ সূচনা হ'ব।



# আমাৰ পৃথিৱী, আমাৰ স্বাস্থ্য


## শান্তনা বৰা


**আৰম্ভণি ঃ** "স্বাস্থ্যই পৰম ধন।" আমি মানৱ সমাজে বৰ্তমান সময়ত উপলব্ধি কৰা আপ্ত বাক্যশাৰী পদে পদে সত্যত প্ৰতিষ্ঠিত হৈছে। ভাৰতৰ আদি সভ্যতাত ঋষি-মুনি সকলে স্বাস্থ্য ৰক্ষাৰ কৌশল সম্পৰ্কে গভীৰ গৱেষণা কৰিছিল আৰু ইয়াৰ তত্ত্ব উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল। খ্ৰীঃ পূঃ প্ৰথম শতিকাত 'চৰক সংহিতা' নামেৰে চৰক মুনিয়ে স্বাস্থ্য ৰক্ষাৰ নিয়ম সম্বলিত পুথি ভাগি প্ৰণয়ন কৰে। ই ভাৰতীয়সকলৰ স্বাস্থ্য সজাগতা সম্পৰ্কীয় আগ্ৰহ, জ্ঞান আদিৰ পৰিচায়ক।

ভাৰতীয় সভ্যতাত স্বাস্থ্য ৰক্ষাত আহাৰ, বাসস্থান, সুস্থ চিন্তা আৰু কৰ্ম এই সমূহৰ সন্তুলিত অৱস্থানৰ সম্পৰ্কে মতামত ব্যক্ত কৰিছে। লগতে এই দিশটি সৰ্বজন স্বীকৃত। আমাৰ পূৰ্ব-পুৰুষসকলে ইতিমধ্যে ব্যক্ত কৰি গৈছে যে, 'এটি সুস্থ স্বাস্থ্যই হে সুখী মনৰ অধিকাৰী কৰে', গতিকে বুজিব পাৰি যে এটি সুস্বাস্থ্যই আমাৰ সমাজ সবল কৰাৰ দিশতো বৰঙণি আগবঢ়ায়।

স্বাস্থ্য ৰক্ষাৰ দিশত ভাৰতবৰ্ষই বিশ্ববাসীক ২০১৫ চনৰ ২১ জুন তাৰিখৰ পৰা 'ৰাষ্ট্ৰসংঘ'ৰ দ্বাৰা স্বীকৃতি লৈ 'বিশ্ব যোগ দিৱস' উদ্‌যাপনৰ এখনি মঞ্চ প্ৰদান কৰে। ভাৰতবৰ্ষৰ **১২৫** বৰ্ষীয় যোগ গুৰু শিৱানন্দ জীয়ে ২০২১ বৰ্ষৰ 'পদ্মশ্ৰী' সন্মান লাভ কৰে আৰু এই ১২৫ বৰ্ষজোৰা জীৱন নিৰ্বাহৰ প্ৰণালী নিশ্চিত ৰূপত গৱেষণাৰ মাত্ৰা আছে আৰু তাক দেশে স্বীকৃতি প্ৰদান কৰিছে।



**পৰিৱেশীয় সমস্যা ঃ**

*(ক) গোলকীয় জলবায়ু পৰিৱৰ্তন ঃ* মানৱ সমাজৰ বৰ্ধিত বন ধ্বংস, কাৰ্বন নিৰ্গমনৰ ফলশ্ৰুতিত বৰ্তমান সময়ত ভয়ংকৰ ৰূপত জলবায়ু পৰিৱৰ্তনে দেখা দিছে। এফালে যদি উত্তৰ মেৰু, হিমালয় আদিত থকা হীমবাহৰ অত্যাধিক গলিত ৰূপ দেখা গৈছে, আনফালে 'চাহাৰা'ৰ দৰে মৰুভূমিত দেখা গৈছে বৰফেৰে আবৃত হৈ পৰা অঞ্চল।

বৰ্তমান জলবায়ু পৰিৱৰ্তনৰ ফলত দেখা দিয়া সাগৰৰ উষ্ণতা বৃদ্ধিয়ে ভৱিষ্যতৰ ভয়াবহতাৰ এক দিশ হয়তো সূচাব পাৰে। সাগৰৰ উষ্ণতা বৃদ্ধিয়ে ইয়াৰ জলৰাশিত থকা সাগৰীয় জীৱকুলৰ বিস্তাৰ ক্ষতিকৰাৰ সম্ভাৱনা International Union for Conservation of Nature ৰ দ্বাৰা প্ৰকাশ পাইছে। বৰ্ধিত সাগৰীয় জলৰাশিৰ উষ্ণতাই মানৱ সমাজক সাগৰৰ পৰা সংগ্ৰহ কৰা খাদ্য, বতৰৰ সালসলনি, সাগৰীয় উপকূলৰ সুৰক্ষাৰ দিশত বিৰূপ প্ৰভাৱ পেলাব। আটাইতকৈ মন কৰিবলগীয়া কথাটো হ'ল সাগৰীয় জলৰাশিৰ উষ্ণতা বৃদ্ধিয়ে অক্সিজেনৰ মাত্ৰা হ্ৰাস কৰিব।

*(খ) বায়ুপ্ৰদূষণ ঃ* চলিত সময়ত বায়ুপ্ৰদূষণ হৈছে বিশ্বৰ এক ডাঙৰ প্ৰত্যাহ্বান। বিশ্বৰ আন ঠাইৰ লগতে ভাৰতবৰ্ষই বায়ুপ্ৰদূষণৰ দিশত ডাঙৰ সমস্যাৰ মুখা-মুখি হ'ব লগা হৈছে। দেশৰ ৰাজধানী নতুন দিল্লীয়ে বিগত সময়ত বিশ্বৰ অন্যতম বায়ু প্ৰদূষিত অঞ্চললৈ পৰ্যবেক্ষিত হৈছে। ২০১৯ বৰ্ষৰ ২৫ নৱেম্বৰ তাৰিখে ভাৰতৰ মহামান্য উচ্চতম ন্যায়ালয়ে মতামত আগবঢ়ায় যে, 'Delhi has become worse than Narak' বৰ্তমান দেশৰ ৰাজধানী দিল্লীৰ সমান্তৰালকৈ গুৱাহাটীৰ বায়ু প্ৰদূষণৰ মাত্ৰাও বৃদ্ধি পাব ধৰিছে।

*(গ) পানী প্ৰদূষণ ঃ* কল-কাৰখানাৰ পৰা নিৰ্গত ৰাসায়নিক দ্ৰব্য যুক্ত প্ৰদূষিত পানী, কৃষি কাৰ্যত ব্যৱহৃত ৰাসায়নিক সাৰ ইত্যাদিৰ ফলত আমাৰ নদ-নদীৰ পানী প্ৰদূষিত হৈ জীৱজগতৰ অনিষ্ট সাধন হৈছে। ইয়াৰ প্ৰত্যক্ষ অথবা পৰোক্ষ প্ৰভাৱৰ ফলত ভৱিষ্যৎ দিনত আমি এটোপা বিশুদ্ধ পানীৰ বাবে যে হাহাকাৰ কৰিব লাগিব এইয়া নিশ্চিত।

*(ঘ) যুদ্ধ বিভীষিকা ঃ* ২০১৯ বৰ্ষৰ শেষৰ পিনে দেখা দিয়া মানৱসৃষ্ট জৈৱ ব'ম 'কভিড-১৯' ৰ বিভীষিকাই আমাৰ জীৱন যাত্ৰাৰ মানদণ্ড পৰিৱৰ্তন কৰি গ'ল। বৰ্তমান 'ৰাছিয়া-ইউক্ৰেইন' যুদ্ধৰ দাবানলৰ পৰাও মানৱ সমাজৰ জনস্বাস্থ্যৰ অৱস্থা দ্ৰুতগতিত অৱনমিত হ'ল। যুদ্ধত ব্যৱহৃত ভেকুৱাম ব'মাৰ পৰা অন্যান্য মৰাণাস্ত্ৰৰ প্ৰভাৱত ইউক্ৰেইনৰ জনসাধাৰণ বিধস্ত হৈ অন্যদেশলৈ শৰণাৰ্থী হিচাপে ঢাপলি মেলিব লগা হৈছে।

*(ঙ) প্লাষ্টিক প্ৰদূষণ ঃ* ই হৈছে প্লাষ্টিকৰ বস্তু অথবা ইয়াৰ অংশ পৃথিৱীৰ ওপৰিভাগত জমা হৈ যি মানৱ সমাজ, জীৱজগত আৰু ইয়াৰ বাসিন্দাসকলক অপকাৰ কৰে। বৰ্তমান সময়ত মানৱ সমাজে এই দিশত সৰ্বাধিক সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে।

**বিশ্ব সংস্থাসমূহ আৰু স্বাস্থ্য ঃ**

WHO ৰ দ্বাৰা 'বিশ্ব স্বাস্থ্য দিৱস' 'আমাৰ পৃথিৱী, আমাৰ স্বাস্থ্য' মূলমন্ত্ৰ হিচাপে পালন কৰা দেখা গৈছে। বিশ্বত দেখা দিয়া ক'ভিদ পৰিস্থিতিত 'ভেকচিন' উদ্ভৱন তথা বিতৰণত WHO ৰ অংশগ্ৰহণ এক উল্লেখযোগ্য পদক্ষেপ।

WHO য়ে মানৱ সমাজৰ হকে মেলেৰিয়া, ডেংগু আদিকে ধৰি বিভিন্ন ৰোগ প্ৰতিৰোধ কৰি স্বাস্থ্য ৰক্ষাৰ দিশত বিশ্ব সমাজক নেতৃত্ব প্ৰদান কৰি আহিছে। স্বাস্থ্য সজাগতাৰ দিশতো বিশ্বত WHOৰ যি ভূমিকা সঁচাকৈয়ে প্ৰশংসাৰ পাত্ৰ।

**সামৰণি ঃ** 'আমাৰ পৃথিৱী, আমাৰ স্বাস্থ্য' মূলমন্ত্ৰৰে সৈতে আয়োজিত বিশ্ব স্বাস্থ্য সংস্থাৰ স্বাস্থ্য দিৱসত আমি স্থিৰ কৰা উচিত যে বিশ্বক যদিহে আমি আমাৰ স্বাস্থ্য উপযোগী কৰি ৰাখিব বিচাৰো তেন্তে আমাৰ দ্বাৰা হোৱা বন ধ্বংস, খাৰুৱা তেল দহন, কয়লা দহন ৰোধ কৰা, অনিয়ন্ত্ৰিত ৰাসায়নিক দ্ৰব্যৰ ব্যৱহাৰ ৰোধ কৰা, প্লাষ্টিক ব্যৱহাৰৰ মাত্ৰা নিয়ন্ত্ৰণ কৰা আদিত গুৰুত্ব আৰোপ কৰি কাৰ্যপন্থা হাতত লোৱা উচিত। লগতে এটা কথা অত্যন্ত বিচাৰযোগ্য যে মানৱ সমাজৰ ভোগবাদী প্ৰৱণতাৰ বাবেই যদি আজি আমি অবাধ প্ৰকৃতি বিৰোধী পদক্ষেপ গ্ৰহণ কৰিছো, ই কিন্তু আমাক ঋণাত্মক দিশলৈ গতি কৰাবই।

মানৱ সমাজক উন্নতি লাগে, সুখ-সমৃদ্ধি লাগে, খাদ্য দ্ৰব্য লাগে। এইসমূহ আমি যদিহে 'বহনক্ষম' বা Sustainable উন্নয়নৰ মাজেদি আহৰণৰ প্ৰচেষ্টা হাতত লওঁ তেতিয়াহে আমাৰ ভৱিষ্যৎ প্ৰজন্মলৈ এই পৃথিৱীখন স্বাস্থ্য সন্মত ৰূপত থাকিব। অন্যথাই পৰিৱৰ্তন হ'ব এখনি ৰাসায়নিক মাৰাত্মক গেছ সমৃদ্ধ অতি বিষাক্ত পৃথিৱীলৈ।

গতিকে সময় থাকোতেই আমি আমাৰ পৃথিৱীক জীৱৰ জীৱন নিৰ্বাহৰ উপযোগী কৰি কেনেকৈ ৰাখো তাৰ চিন্তাত মনোনিবেশ কৰা উচিত।

আমি 'বিশ্ব স্বাস্থ্য দিৱস'ৰ প্ৰাক্‌ক্ষণত যদিহে ভাবিবলৈ যত্ন কৰো,- আমি সঁচাকৈয়ে এনেকুৱা এখন পৃথিৱী পাব পাৰো নেকি য'ত বিশুদ্ধ বায়ু, পানী আৰু খাদ্য সকলোৰে বাবে উপলব্ধ হ'ব?

এই ধৰণৰ চিন্তাৰ দ্বাৰা যুৱপ্ৰজন্ম সচেতন হৈ সঠিক দিশত পৃথিৱীখনক আগুৱাই নিব আৰু আমি এই প্ৰত্যাশাৰে ২০২২ বৰ্ষৰ ৭ এপ্ৰিল'ত বিশ্ব স্বাস্থ্য দিৱস উদ্‌যাপন কৰিম, ''আমাৰ পৃথিৱী, আমাৰ স্বাস্থ্য' মন্ত্ৰেৰে।




# ৰাজহুৱা বিত্তীয় পৰিচালনা প্ৰণালী আৰু ইয়াৰ প্ৰয়োজনীয়তা

**ড° গোবিন চন্দ্ৰ বৰুৱা**
সহকাৰী অধ্যাপক
অৰ্থনীতি বিভাগ

সময়ৰ অগ্ৰগতি আৰু আধুনিক প্ৰযুক্তিবিদ্যাৰ প্ৰসাৰৰ লগে লগে আমাৰ জীৱন যাত্ৰাৰো আমূল পৰিবৰ্তন ঘটিছে। অনলাইন মাৰ্কেটিং, মবাইল ৰিচাৰ্জ, ৰেলৰে টিকট বুকিং, হোটেল বুকিং, ফ্লাইট বুকিং, তথা বাছ সেৱাৰ বাবেও টিকট বুকিঙৰ পৰা আৰম্ভ কৰি অনলাইন ধনৰ লেনদেন, অনলাই পাঠ্যক্ৰম - সকলোবোৰ যেন এতিয়া অতি সহজলভ্য। বিশেষকৈ মুদ্ৰাক নগদ হিচাবে ব্যৱহাৰ কৰাৰ বিপৰীতে ডিজিটেল মাধ্যমত ব্যৱহাৰ; ঘৰতে বহি মবাইল ফ'ন বা লেপটপ/কম্পিউটাৰৰ জৰিয়তে সমূহ প্ৰয়োজনীয় বিত্তীয় লেনদেন সহজলভ্য আৰু যথোপযুক্ত চফটওৱেৰৰ জৰিয়তে যাৱতীয় পৰিশোধ - বৰ্তমান সময়ৰ ব্যক্তিগত জীৱনত ঘটি থকা সচৰাচৰ পৰিঘটনা। বিশেষকৈ অতি ক্ষিপ্ৰতাৰে কৰিব পৰা লেনদেনৰ যিমানখিনি সুবিধা আছে সকলোবোৰৰেই চাহিদা তথা জনপ্ৰিয়তা অতিকৈ বেছি। উদাহৰণ স্বৰূপে Google Pay, Phonepe ইত্যাদিৰ লগতে বিভিন্ন বেংকসমূহে আগবঢ়োৱা মবাইল এপ্ আৰু ইন্টাৰনেট বেংকিং - সকলোবোৰেই যেন এতিয়া গ্ৰাহকৰ সুবিধাৰ স্বাৰ্থতেই ব্যৱহাৰ কৰা হৈছে। কিন্তু সকলোবোৰ লেনদেনৰ পদ্ধতি ব্যৱহাৰ কৰোতে সকলোতকৈ গুৰুত্ব দিব লগা বিষয়টো হৈছে - সাৱধানৰতা আৰু গুপনীয়তা ৰক্ষা কৰাটো। বহুসময়ত শুনা যায় একাউন্টৰ পৰা পুঁজি হৰলুকীৰ দৰে ঘটনা। ভুৱা ফন' কলচ, OTP ৰ শ্বেয়াৰৰ জৰিয়তে গ্ৰাহকৰ অজ্ঞানতাৰ সুযোগ লৈ বহু লোক বহু সময়ত দুষ্ট চক্ৰৰ বলি হৈ

সৰ্বস্বান্ত হোৱাৰ বৰ্তমান সময়ত বিৰল নহয়। তাৰোপৰি বেংক তথা বিত্তীয় প্ৰতিষ্ঠান সমূহকো হেকিং কৰি পুঁজি হৰলুকীৰ ঘটনাও আজিৰ দিনত নতুন ঘটনা হৈ থকা নাই। সাধাৰণ গ্ৰাহকৰ আধুনিক প্ৰযুক্তি কৌশলৰ ব্যৱহাৰৰ ক্ষেত্ৰত থকা সীমিত জ্ঞান আৰু অসাৱধানতাই এনে পৰিস্থিতি অধিক জটিল কৰি তুলিছে।

কিন্তু ৰাজহুৱা পুঁজিৰ বেলিকা এনেধৰণে পুঁজিৰ হৰণ ভগন যাতে নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি বৰ্তমান সময়ত ৰাজহুৱা পুঁজিৰ পৰিচালনাৰ নিৰ্দিষ্ট সুৰক্ষিত পদ্ধতি 'ৰাজহুৱা বিত্তীয় পৰিচালনা প্ৰণালী (Public Financial Management System) চমুকৈ PFMSৰ ব্যৱহাৰ কৰা দেখা গৈছে। এই লিখাটোৰ জৰিয়তে PFMs ৰ ব্যৱহাৰ আৰু ইয়াৰ প্ৰয়োজনীয়তাৰ ওপৰত সম্যক আলোচনা আগবঢ়োৱা হৈছে।

ৰাজহুৱা বিত্তীয় পৰিচালনা প্ৰণালী ঃ

২০০৭- ১০ বিত্তীয় বৰ্ষৰ পৰা পৰীক্ষামূলক ভাৱে আগবঢ়োৱা PFMS পৰ্টেলটো ভাৰত চৰকাৰৰ বিত্ত মন্ত্ৰাণালয়ৰ হিচাপ নিৰীক্ষকৰ (Controller General of Account, Ministry of Finance, GOI) ৰ অধীনত প্ৰচলিত এটা প্ৰত্যক্ষভাৱে সম্পৰ্কিত হস্তান্তৰ পদ্ধতি। প্ৰাৰম্ভিক অৱস্থাত 'কেন্দ্ৰীয় পৰিকল্পনা আঁচনি নিৰীক্ষণ প্ৰণালী (Central Plan Scheme Monitoring System - (PSMS) নামেৰে প্ৰচলিত প্ৰণালীটো পিচলৈ PFMS নামেৰে নামাকৰণ কৰা হয়। এই পদ্ধতিৰ জৰিয়তে দেনা আৰু পাওনাৰ মাজত যি প্ৰত্যক্ষ সম্পৰ্ক এই সম্পৰ্ক বেংক বা ডাকঘৰৰ জৰিয়তে সমাপন কৰা হয়। এই পদ্ধতি ব্যৱহাৰৰ প্ৰধান লক্ষ্য হ'ল ক্ষিপ্ৰ, যথাযথ আৰু নিকা লেনদেন য'ত প্ৰতিটো স্তৰতে নিৰীক্ষণ কৰিব পৰা যায়। অৰ্থাৎ চৰকাৰী পুঁজিৰ হস্তান্তৰৰ ক্ষেত্ৰত যাতে কোনো পৰ্যায়তে হৰলুকী হব নোৱাৰে তাৰ ব্যৱস্থা এই পদ্ধতিৰ জৰিয়তে সম্ভৱ কৰি তোলাই হৈছে এই ব্যৱস্থাৰ প্ৰধান লক্ষ্য।

বৰ্তমান সময়ত কেন্দ্ৰীয় চৰকাৰৰ মঞ্জুৰীকৃত যিকোনো ৰাজহুৱা আঁচনিৰ পুঁজি হস্তান্তৰৰ ক্ষেত্ৰত এই ব্যৱস্থাক ব্যৱহাৰ কৰাটো বাধ্যতামূলক। এই ব্যৱস্থা তিনিটা পৰ্যায়ত সামৰি লোৱা হৈছে। প্ৰথমে যিটো চৰকাৰী প্ৰতিষ্ঠানলৈ পুঁজিৰ মঞ্জুৰী হয় উক্ত অনুষ্ঠানটোৰ মুৰব্বীৰ নামত বা উক্ত অনুষ্ঠানটোৰ নামত নিৰ্দিষ্ট বিত্তীয় কৰ্তৃপক্ষই এটা এডমিন একাউন্ট (Admin Account) খুলি উক্ত একাউন্টৰ লগত সংলগ্ন হৈ থকা নিৰ্দিষ্ট বেংক একাউন্ট/ ডাকঘৰ একাউন্টলৈ মঞ্জুৰীকৃত পুঁজিখিনি হস্তান্তৰিক কৰিব। উল্লেখযোগ্য যে 'এডমিন একাউন্ট'ৰ পৰা প্ৰত্যক্ষভাৱে অনুষ্ঠানৰ মুৰব্বীজনে কোনো লেনদেন কৰিব নোৱাৰে। 'এডমিন' জনে তেওঁৰ একাউন্টৰ লগত সংলগ্ন থকা নিৰ্দিষ্ট বেংক একাউন্ট আৰু আঁচনি সক্ৰিয়কৰণ কৰি আৰু দুটা নতুন একাউন্ট - (i) এজেঞ্চি ডাটা অপাৰেটৰ আৰু (ii) এজেঞ্চি ডাটা এপ্ৰভাৰ (Agency data operator and Agency data approver) খুলি দুজন ব্যক্তিক তাৰ দায়িত্ব অৰ্পন কৰিব লাগিব। অৱশ্যে অনুষ্ঠান/ প্ৰতিষ্ঠানখনলৈ ৰাজহুৱা পুঁজিৰ যিমানসংখ্যক আঁচনিৰ অনুদান লাভ কৰিব প্ৰত্যেকৰে বাবে এজনকৈ এজেঞ্চি ডাটা অপাৰেটৰ/ এজেঞ্চি



ডাটা এপ্ৰভাৰ নিয়োগ কৰিব পাৰে। অন্যথা ডাটা অপ্ৰভাৰজনৰ দায়িত্ব প্ৰতিষ্ঠানখনৰ মুৰব্বী জনে নিজেই গ্ৰহণ কৰিব পাৰে। পৰবৰ্তী পৰ্যায়ত এজেঞ্চি ডাটা অপাৰেটৰ জনে নিৰ্দিষ্ট আঁচনিখনৰ বিপৰীতে থকা বিলসমূহ পৰিশোধৰ বাবে প্ৰথমে বিক্ৰেতাৰ পঞ্জীয়ন (Vendor Registration) আৰু পিছৰ পৰ্যায়ত নিৰ্দিষ্ট বিলৰ বিপৰীতে থকা অনুমোদন জাননী (Sanction order) আদিৰ ভিত্তিত ব্যয়/ অগ্ৰিম শিতানৰ জৰিয়তে যাৱতীয় পৰ্যায়সমূহ অন্তৰ্ভুক্ত কৰি আৰু যদিহে প্ৰয়োজনীয় কৰ্তন (Deduction) থাকে সকলো পৰ্যায় সমাপ্ত কৰি ডাটা এপ্ৰভাৰৰ প্ৰয়োজনীয় অনুমোদন (Approved)ৰ বাবে দাখিল কৰিব। ডাটা এপ্ৰভাৰজনেও তেওঁৰ নিৰ্দিষ্ট একাউন্টৰ জৰিয়তে পৰ্টেলটোত অন্তৰ্ভুক্ত হৈ 'ডাটা অপাৰেটৰ'




জনৰ জৰিয়তে দাখিল হোৱা সকলো তথ্য পুংখানুপুংখভাৱে পৰীক্ষা কৰি যদিহে সকলো সত্য হয় তেন্তে 'পৰিশোধৰ বাবে অনুমোদন (Approve for Payment) জনাব আৰু তাত উল্লেখিত থকা পৰিশোধৰ পৰামৰ্শ (Payment Advice) ৰ মুদ্ৰন কৰি যাবতীয় হস্তাক্ষৰ প্ৰদান কৰি নিৰ্দিষ্ট একাউন্ট থকা বেংক বা ডাকঘৰলৈ প্ৰেৰণ কৰিব। উল্লেখযোগ্য যে বেংক বা ডাকঘৰত এই পৰিশোধৰ বাবে সৰ্বাধিক দহ দিন সময় পাব অন্যথা এই পৰিশোধ পৰামৰ্শ (PPA) খন বাতিল হৈ যাব।

**ৰাজহুৱা বিত্তীয় পৰিচালনা প্ৰণালীৰ প্ৰয়োজনীয়তা ঃ**

সাধাৰণতে কোনো অনুষ্ঠান/ প্ৰতিষ্ঠানে যেতিয়া যৌথ একাউন্টৰ জৰিয়তে পুঁজি পৰিশোধ কৰিব লগা হয় তেতিয়া চেক প্ৰদান কৰাটোৱেই আটাইতকৈ গ্ৰহণযোগ্য বিকল্প হয় আৰু এই পদ্ধতিত এখন চেক কৰ্তনৰ পৰা পাওঁনাপক্ষই লাভ কৰালৈকে বহুদিন অপেক্ষা কৰিব লগা হয়। কিন্তু PFMS ৰ জৰিয়তে যেতিয়া পুঁজিৰ পৰিশোধ লেনদেন কৰিব বিচৰা হয় তেন্তে প্ৰতিষ্ঠান দুখন সিমানেই দুৰবৰ্তি নহওঁক কিয় নিৰ্দিষ্ট ১০ দিনৰ ভিতৰত এই হস্তান্তৰকৰণ বাধ্যতামূলক হৈ পৰে আৰু এনেদৰেই লেনদেনৰ ক্ষেত্ৰত চলিত লেহেমীয়া গতি ক্ষিপ্ৰ কৰাত PFMS য়ে সহায় কৰি আহিছে।

PFMS ব্যৱহাৰৰ আন এক সুবিধা সহজে অনুধাৱন কৰিব পৰা যায়। সেয়া হ'ল বিভিন্ন প্ৰকাৰৰ কৰ - পৰিশোধৰ বেলিকা। সাধাৰণতে ব্যক্তিগত বিলসমূহ পৰিশোধ কৰাৰ সময়ত সততে দিব লগা বিভিন্ন কৰ বা শুল্ক সমূহৰ পৰা ৰেহাই পাবলৈ বিভিন্ন বক্ৰপথ অৱলম্বণ কৰে। কিন্তু PFMS ব্যৱহাৰৰ ফলত কৰ সমূহ PPA প্ৰস্তুত কৰাৰ স্তৰতে কৰ্তন কৰি নিৰ্দিষ্ট একাউন্টত জমা কৰাটো বাধ্যতামূলক। উল্লেখ্য যে PPA জৰিয়তে বিল পৰিশোধ কৰোতে কেৱল নিগুট পৰিমানৰহে পৰিশোধ কৰা হয়। প্ৰায় ৪৮ বিধ বিভিন্ন কৰৰ বিবৰণ তথা কৰ্তনৰ ব্যৱস্থা PFMS পৰ্টেল সামৰি লোৱা হৈছে। এইবোৰৰ ভিতৰত দ্ৰব্য আৰু সেৱা কৰ (GST) আয় কৰ (IT) বন শুল্ক (Forest Royalty) শ্ৰম শুল্ক (Forest Royalty) উপলিখিত ব্যয় (Contingency) ইত্যাদি। এই ব্যৱস্থাৰ ফলত কৰ ফাকিৰ দৰে পৰিঘটনা সমূহৰ পৰাও পৰিত্ৰাণ পাবলৈ সক্ষম হৈছে।

ইয়াৰোপৰি পৰিশোধৰ প্ৰতিটো স্তৰতে পুনঃ পুনঃ পৰীক্ষণৰ ফলত বিল পৰিশোধৰ ক্ষেত্ৰত হ'ব পৰা ত্ৰুটিৰ সম্ভাৱনা প্ৰায় নোহোৱা হৈ পৰিছে।

# अनुवाद की प्रासंगिकता


## डॉ. नंदिता दत्त

सहायक प्राध्यापिका, हिंदी विभाग
नॉर्थ लखिमपुर कॉलेज(स्वायत्वशासित)


अनुवाद वर्तमान समय की सबसे महत्वपूर्ण विधा के रूप में चर्चित हैं। आज आप किसी भी विषय को उठा ले, बिना अनुवाद के आप आगे नहीं बढ़ सकते; उससे संबन्धित तथ्यों की जानकारी के लिए आप किसी न किसी प्रकार अनुवाद पर निर्भरशील हैं। अनुवाद की प्रासंगिकता पर प्रकाश डालने से पहले उसके स्वरूप के बारें में जान लेना आवश्यक हैं। अनुवाद शब्द की व्युत्पत्ति कुछ इस प्रकार है- अनुवाद शब्द संस्कृत का है जिसके मूल में 'वद' धातु है। 'वद' से तात्पर्य है बोलना, बात करना। इस 'वद' धातु में 'धअ' प्रत्यय जुड़ने से 'वाद' शब्द बनता है। 'वाद' शब्द में पीछे, बाद में एवं अनुवर्तिता आदि अर्थों में प्रयुक्त होने वाले 'अनु' उपसर्ग लगने से 'अनुवाद' शब्द बना है। अनुवाद का मूल अर्थ है- किसी के कहने के पश्चात कहना अथवा पुन: कथन। कोश के अनुसार अनुवाद का अर्थ है- पहले कहे गए अर्थ को फिर से कहना। (झाल्टे, दंगल, पृष्ट सं. प्रयोजनमूलक हिन्दी- सिद्धान्त और प्रयोग)





सहज अर्थ में कहा जाए तो एक भाषा में लिखित सामग्री को दूसरी भाषा तक ले जाना ही अनुवाद है। अनुवाद के लिए सबसे आवश्यक तत्व हैं स्रोत भाषा और लक्ष्य भाषा। जिस भाषा से सामग्री ली जाएगी वह स्रोत भाषा कहलाती है; और जिस भाषा तक सामग्री ले जाया जाएगा वह लक्ष्य भाषा कहलाती है। उदाहरण के तौर पर अगर अंग्रेजी में लिखित एक ग्रंथ का हिन्दी में अनुवाद करना होगा तो यहाँ अंग्रेजी स्रोत भाषा है और हिंदी लक्ष्य भाषा। यह कार्य अत्यंत दुष्कर्य माना जाता है क्योंकि अनुवादक को स्रोत भाषा से लक्ष्य भाषा तक सामग्री ले जाते समय भाव के प्रति सतत ध्यान देना होता हैं। अनुवादक का यह धेय होना चाहिए कि अनुवाद में केवल भाषा का अंतरण होता हैं, भाव अथवा विषय का नहीं। आज अनुवाद के बगैर हम एक भी विषय की कल्पना तक नहीं कर सकते हैं। सुबह से लेकर रात तक की दिनचर्या पर यदि नज़र दौराए तो पाएंगे कि कहीं न कहीं तो हमें अनुवाद का सहारा लेना ही पड़ेगा। यह नितांत स्वाभाविक हैं क्योंकि एक इंसान अपने जीवन में एक साथ अनगिनत भाषाओं को नहीं सीख पाता हैं परंतु अनुवाद के सहारे उन भाषाओं में लिखित साहित्य का आनंद प्राप्त कर सकते हैं। अनुवाद हमें न केवल विश्व साहित्य-ज्ञान-विज्ञान से परिचय कराता हैं बल्कि हमारी सभ्यता-संस्कृति को आगे ले जाने में भी मदटमार सिद्ध होता हैं। आज जहाँ नई शिक्षा नीति के तहद प्रादेशिक भाषाओं पर ज़ोर दिया जा रहा हैं, वहाँ अनुवाद इन भाषाओं को राष्ट्रीय-अंतराष्ट्रीय परिचय दिलाने का एकमात्र ज़रिया है। गौरतलब है कि आज अनुवाद की प्रासंगिकता को कोई नकार नहीं सकता हैं।


अनुवाद का कोई नई चीज नहीं हैं, यह तो सदियों से चलता आ रहा हैं; दो सीमावर्ती गाँव के लोगों में, दो भिन्न भाषा-भाषी लोगों के वार्तालाप आदि में सदियों से हम अनुवाद का मौखिक रूप देखते आ रहे हैं। हाँ, यह सच है कि अनुवाद का लिखित रूप बाद में विकसित हुआ और उसके भी काफ़ी समय बाद शैक्षिक विधा व विषय के रूप में इसका विकास हुआ। आज विश्व का हर विद्वान अपनी सृष्टि व शोध आदि के लिए अनुवाद का सहारा लेता हैं। अनुवाद का क्षेत्र इतना व्यापक हैं कि यहाँ विश्व की समस्त विधायें समाहित हो जाती हैं। आज कही भी कुछ भी घटित होता हैं तो मिनटों में उसका अनुवादित समाचार विश्वभर में फैल जाता हैं। अनुवाद के सहारे घर बैठे ही हम किसी भी भाषा के प्रसिद्ध विद्वान का ज्ञान अर्जित कर सकते हैं; साथ ही अपनी सभ्यता-संस्कृति के लिखित रूप को राष्ट्रीय व अंतर्राष्ट्रीय स्तर तक ले जा सकते हैं। केवल शिक्षा के क्षेत्र में ही नहीं बल्कि ज्ञान-विज्ञान, मीडिया, विज्ञापन आदि हर क्षेत्र में आज अनुवाद का ही तो बोलबाला है। आज पलक झपकते ही विश्व का हर विज्ञापन अपनी भाषा में उपलब्ध हो जाती हैं। विज्ञापन के क्षेत्र में अनुवाद की जो भूमिका आज पायी जाती हैं; वह चमत्कारिक हैं। यह नि:सन्देह किसी चमत्कार से तो कम नहीं। केवल यह ही नहीं विश्व के उद्योग संस्था के लिए अनुवाद ही तो एकमात्र भाषिक ज़रिया हैं; जिसके सहारे वें अपनी उत्पादित सामग्री की सूचना ग्राहकों तक पहुँचाते हैं। उपर्युक्त चर्चा से यह बात भी ध्यान में आता हैं कि आज अनुवाद एक बड़ा रोज़गार का साधन बनता जा रहा हैं। भिन्न भिन्न क्षेत्र में अनुवाद की बढ़ती हुई मांग से इसकी रोज़गार की संभावनाए भी बढ़ती जा रही हैं। बहरहाल यह कहना अत्युक्ति न होगा कि आज अनुवाद की वैश्विक प्रासंगिकता असीम हैं; यह आज विश्व को जोड़ने का अहम ज़रिया है तथा एक पूल की भाँति अनुवाद हर जरूरतमंद की तकलीफ़ को दूर कर रहा हैं।

# रघुनाथ चौधुरी के काव्यगत विशेषताएँ


**जमुना बरुवा**

सहायक अध्यापिका, हिन्दी विभाग


रघुनाथ चौधुरी जोनाकी युग या असमिया साहित्य के रोमांटिक युग के एक भारतीय लेखक थे। उनका जन्म 1879 लावपारा गांव, कामरूप जिला में हुआ था। चौधरीजी को बिहोगी कबि(पक्षियों के कवि) के रूप में जाना जाता है क्योंकि उनके अधिकांश लेखन पक्षियों और प्रकृति पर आधारित हैं। चौधुरीजी ने भारतीय स्वतंत्रता आंदोलन में भी भाग लिया और उसी के लिए अंग्रेजों ने उन्हें जेल में डाल दिया। वे 1936 में असम साहित्य सभा के तेजपुर अधिवेशन के अध्यक्ष थे। कामरूप संजीवनी सभा ने उन्हें कबीरत्न की उपाधि से सम्मानित किया। उनका मृत्यु सन 1967 को हुआ।



रचनाएँ –

चौधुरी की पहली कविता %जोनाकी%पत्रिका में प्रकाशित हुई थी।

उनकी अन्य कृतियाँ है –

सादरी (1910)

केटेकी (1918)

कर्बला (1923)

दहिकतरा (1931)

नवमल्लिका (1958)

गुलापी

पत्रिका के संपादक के रूप में –

जयंती (1936–38),

सुरभि (1940, 1942–44),

मोइना , एक बच्चों की पत्रिका (1923),

जोनाकी (उप–संपादक)

काव्यगत विशेषताएँ –

1. प्रकृति प्रेम – चौधुरी जी के लगभग प्रत्येक काव्यों में प्रकृति का विस्तृत वर्णन मिलता है। उन्होंने पेड़ –पौधे तथा चिड़िया आदि को लेकर अपने रचनाओं को समृद्ध बनाया है। ये मूलत: प्रकृतिवादी कवि है –

'किबा अपरुप प्रकृतिर शौभा
आशा कि सुखर दिन
जत समबेदी करे वेदपाठ
प्रेमानन्दे सबे लीन'

2. सौंदर्यता – चौधुरी जी के लगभग कविताओं में प्राकृतिक सौंदर्यता समाहित है। उन्होंने अपने रचनाओं में फूलों के राणी गुलाब की सौंदर्यता को दर्शाया है –

'कार परशत फूलिलि बान्धै
अ% मोर सादरी फूलाम पाहि
शामली पातर उरणी गुछाई
कार फाले चाइ मारिलि हाँहि'

3. विहग प्रेम – चौधुरी जी 'बिहगी' कवि के नाम से विख्यात है। उनके ह्रदय में चिड़ियों के लिए अपार स्नेह भरा हुआ है। चिड़ियों के लिए लिखा हुआ एक कविता है –

'मरतत जेन अमियार सुत
दिगन्त बियपि बले
अस्फूट संगीत लगे लगे मोर
प्राण मन आकर्षिले।'

4. कल्पनाशील – इनके रचनाओं में कल्पनाओं का समाहार है। रचनाओं में कल्पना इस प्रकार से घुल जाता है कि वह वास्तव है या कल्पना यह निर्णय करना कठिन हो जाता है।

5.रहस्यात्मकता – उनके काव्यों में प्रकृति के रहस्यात्मक रुप छिपा हुआ है। उन्होंने अपने कविताओं में बसन्त को एक सुन्दर रमणी का रुप दिया है।

'प्रकृतिर जीयारी गाभरु छोवाली
बहागी आइरे बिया,
उलह – मालहे सकलोरे जेन
आनन्दे नधरे हिया।'

6. वेदनानुभूति – कवि ने अपने जीवन में वेदना का अनुभव किया है। उन्होंने भिक्षा नामक कविता में लिखा है –

'सुख दुख हाँहि अश्रु बर्षा
तोमातेई उद्भव बिलाय
अनुकूल – प्रतिकूल तुमियेई जीवर
सकलोते देखु तुमिमय'

7. साहस तथा धैर्य – उन्होंने बहत ही दुख देखा है परन्तु हर एक दुख को उन्होंने सहन किया है। दुख में वह कभि भी निराश नहीं हुए वल्कि मन के साहस और धैर्य से उस दुख को दूर किया है। अपने भिक्षा नामक कविता में लिखा है –



'भुगिछों भुगिम आरु दग्ध ह्रदयत
शत शत वृश्चिक दंखन
नकरु बेजार प्रभु तोमार काषत
आनन्दत थाकिम मगन।'

8. प्रकृति का कार्यशील रुप – कवि ने फागुन महिने के अन्तिम समय अर्थात बेसाख महिने का सुन्दर प्राकृतिक चित्रण किया है –

'तरुण लावन्य आभा मनोमहा रुप
सेउजिया देहर गठन
सुविशाल अभ्रभेदी नङ्ग्रा गछर तुमियेई दिव्य आवरण।'


9. अद्वैतवाद – कवि ने अद्वैतवाद का समर्थन किया है। उन्होंने मनुष्य और प्रकृति का ईश्वर के साथ एकत्रीकरण किया है –

'दयामय चरणत मागों एटि भिक्षा
दिया मोक प्राणत आश्वास
शिलर रेखार दरे तोमाते सदाय
थाके जेन अटल विश्वास।'

10. भाषा – चौधुरी जी की भाषा मूलत: संस्कृत है उन्होंने अपने रचनाओं में सरल सहज भाषा का प्रयोग किया है –

'गोवा हे एबार मोर प्रिय बिहंगिनि !
शुनिले अमिया मात,
ह्रदय परिब शाँत ,
ललित मधुर स्वरे जीवन – तोषिणी,
गोवा हे एबार मोर प्रिय बिहंगिनि!'

11. छन्द – चौधुरी जी ने अपने कविताओं में छन्दों का सरल और सुन्दर रुप से प्रयोग किया है।



# নাৰী শিক্ষা আৰু সমাজ

**বিনাৰাণী টাইদ**

বৈদিক যুগত পুৰুষৰ সমানে নাৰীয়েও যাগযজ্ঞত অংশগ্ৰহণ কৰি বৈদিক শিক্ষা, আধ্যাত্মিক শিক্ষা লাভ কৰাৰ পথ প্ৰশস্ত আছিল। পণ্ডিত সৰ্বপল্লী ৰাধাকৃষ্ণনে ‘Women in Hindu Society’ শীৰ্ষক প্ৰবন্ধত উল্লেখ কৰিছিল যে, অতীতত ভাৰতীয় নাৰীৰ স্থান উচ্চ আছিল। নাৰীৰ বাবে শিক্ষা অতি আৱশ্যকীয় বুলি গণ্য কৰা হৈছিল। ব্ৰাহ্মণলোকৰ সমাজে ছোৱালীক বৈদিক শিক্ষা দিছিল। ক্ষত্ৰিয় লোকৰ সমাজে ছোৱালীক ধনু-কাঁড়ৰ ব্যৱহাৰ শিকাইছিল।

বৰ্তমান সমাজতো নাৰীক পণ্য সামগ্ৰী ৰূপে ব্যৱহাৰ কৰিছে, যৌতুকৰ বাবে অত্যাচাৰ বা হত্যা কৰা, উৎপীড়ন কৰিবলৈও কুণ্ঠাবোধ কৰা নাই। পুৰণি অন্ধবিশ্বাসৰ বলি হৈ নাৰী ঘৰৰ চাৰিবেৰৰ মাজত আবদ্ধ হৈ নাথাকি বৰ্তমান সময়ত নানা ধৰণৰ কৰ্মত সফল হৈছে। নাৰীৰ অগ্ৰগতিৰ চানেকি স্বৰূপে ভাৰতৰ প্ৰথম মহিলা মহাকাশচাৰী কল্পনা চাওলা, ন’বেল বঁটা বিজয়ী মেৰী ক্যুৰী আৰু তেওঁৰ দুই কন্যা, শান্তিৰ ন’বেল বঁটা বিজয়ী মাদাৰ টেৰেছা, ইন্দিৰা গান্ধী আদিকে ধৰি বৈদিক যুগত উচ্চ আসন লাভ কৰা গাৰ্গী, মৈত্ৰেয়ী, মীৰাবাঈ, সাবিত্ৰী, লোপামুদ্ৰা, লীলাৱতী আদিৰ কথা ক’ব পাৰি।

প্ৰকৃততে শিক্ষিত নাৰী আৰু শিক্ষিত পুৰুষৰ প্ৰচেষ্টাতহে একো একোটা সুস্থ পৰিয়াল, পৰিয়ালৰ পৰা সমাজ আৰু সমাজৰ পৰা দেশ গঠন হোৱাতো সম্ভৱ। এই ক্ষেত্ৰত এখন দেশৰ নাৰীসকলে শিক্ষিত হ’লেহে দেশৰ উন্নতি হ’ব। কাৰণ এগৰাকী মাতৃ শিক্ষিত নহ’লে সন্তানক সু-পথেৰে উপযুক্তভাৱে গঢ়ি তোলাতো সম্ভৱ নহ’ব অৰ্থাৎ সু-পথেৰে পৰিচালনা কৰিবলৈ অসমৰ্থ হ’ব। বৰ্তমান যুগত নাৰী শিক্ষাৰ বহুল প্ৰচাৰ হোৱা দেখা গৈছে। ১৯৭৫ চনত সমগ্ৰ বিশ্বতে ৮ মাৰ্চৰ দিনটো আন্তৰ্জাতিক নাৰী দিৱস হিচাপে পালন কৰা হয়।

গতিকে দেখা যায় যে, পৰিয়ালৰ পৰা আৰম্ভ কৰি এখন ৰাষ্ট্ৰৰ সু-পৰিচালনালৈ সকলো ক্ষেত্ৰতেই নাৰী শিক্ষা জড়িত হৈ আছে। সেয়েহে নাৰী সুৰক্ষা আৰু নাৰী সকলক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি গঢ়ি তোলাতো সমগ্ৰ দেশৰেই দায়িত্ব আৰু কৰ্তব্য বুলি জনা যায়।

প্ৰবন্ধ

# উত্তৰ-পূব ভাৰতৰ জনগোষ্ঠীয় বৈচিত্ৰতা


সোনমনি পেগু





উত্তৰ-পূব ভাৰত বুলি ক'লে সাতখন ৰাজ্যৰ সমষ্টি অৰ্থাৎ অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, মণিপুৰ, নগালেণ্ড, ত্ৰিপুৰা আৰু মিজোৰামক বুজায়। অৱশ্যে চিকিমকো উত্তৰ-পূব ভাৰতৰ ৰাজ্য হিচাপে লোৱা হৈছে। ৰাজ্যকেইখনক উত্তৰ-পূব ভাৰতৰ সাতভনী বুলিও জনা যায়। প্ৰাকৃতিক অৱস্থানৰ পৰা উত্তৰ-পূব ভাৰতক চাৰিটা ভাগত ভাগ কৰা হৈছে। যেনে- (১) ব্ৰহ্মপুত্ৰ উপত্যকা (২) মেঘালয়, কাৰ্বি আংলং (৩) পূব হিমালয় অঞ্চল আৰু (৪) পূব পাহাৰীয়া অঞ্চল।

উত্তৰ-পূব ভাৰতৰ প্ৰতিখন ৰাজ্যতে ধৰ্ম-ভাষা সামাজিক পৰম্পৰা ৰীতি-নীতি আৰু সংস্কৃতিৰে বৈশিষ্ট্য থকা বিভিন্ন জনগোষ্ঠীৰ লোক বসবাস কৰি আহিছে। অতীতৰে পৰা



বৰ্তমান সময়লৈকে উত্তৰ-পূৰ্বাঞ্চললৈ চলি থকা বিভিন্ন দেশী- বিদেশী লোকৰ প্ৰবজনে এই অঞ্চলৰ জনগোষ্ঠীৰ গাঁঠনি বেছি বিচিত্ৰময় কৰি তুলিছে। ভাৰতৰ অন্য অঞ্চলৰ তুলনাত এই অঞ্চলৰ জনগোষ্ঠীৰ গাঁঠনিত যথেষ্ট পাৰ্থক্য আছে। জনগোষ্ঠীৰ গাঁঠনিৰ ওপৰত ভিত্তি কৰি এই অঞ্চলক ভাৰতৰ ক্ষুদ্ৰ সংস্কৰণ বুলি ক'ব পাৰি। এই অঞ্চলত বিভিন্ন জনগোষ্ঠীয়ে বসবাস কৰি আহিছে। এই জনগোষ্ঠী সমূহক বহল দৃষ্টিভংগীৰে মুঠতে দুটা ভাগত ভগাব পাৰি। যেনে- জনজাতি আৰু অজনজাতি। এই জনজাতীয় গোষ্ঠীসমূহক আকৌ দুটা ভাগত ভগাব পাৰি। যেনে- পাহাৰীয়া জনজাতি আৰু ভৈয়ামৰ জনজাতি। উত্তৰ পূৰ্বাঞ্চলৰ সকলো ৰাজ্যতে কম বেছি পৰিমাণে এই সকলো ধৰণৰ জনগোষ্ঠী দেখিবলৈ পোৱা যায়। উত্তৰ পূৰ্বাঞ্চলৰ ৮ খন ৰাজ্যৰ ভিতৰত অসমত আটাইতকৈ কম (২৫ শতাংশ) আৰু মিজোৰামত আটাইতকৈ বেছি (৯০ শতাংশ) জনজাতীয় জনগোষ্ঠী দেখিবলৈ পোৱা যায়। এই অঞ্চলৰ ভিতৰত অৰুণাচল প্ৰদেশৰ আটাইতকৈ বেছি ভিন্ন ধৰণৰ জনগোষ্ঠীয়ে বসবাস কৰে। এই সংখ্যা ১২০ টা মান হ'ব। অন্যহাতে মণিপুৰত আটাইতকৈ কম সংখ্যক বিভিন্ন প্ৰকাৰৰ জনগোষ্ঠী আছে আৰু ইয়াৰ সংখ্যা প্ৰায় ৪০ টা মান হ'ব। উত্তৰ-পূৰ্বাঞ্চলত বসবাস কৰা প্ৰত্যেক জনগোষ্ঠীৰে জনসংখ্যাৰ পৰিমাণ বেলেগ বেলেগ। কোনো কোনো জনগোষ্ঠীৰ জনসংখ্যাৰ পৰিমাণ অতি কম আৰু কিছুমানৰ পৰিমাণ বেছি। উত্তৰ-পূৰ্বাঞ্চলত বাস কৰি থকা জনগোষ্ঠীবোৰক মুঠতে তিনিটা ভাগত ভগাব পাৰি যেনে-

<u>(১) তিব্বত-বৰ্মীয় ঃ</u> অৰুণাচল প্ৰদেশ, মণিপুৰ, নগালেণ্ড, ত্ৰিপুৰা, অসমৰ বড়ো আৰু মেঘালয়ৰ গাৰো সকল এই জনগোষ্ঠীৰ অন্তৰ্ভুক্ত।

<u>(২) ইন্দো-আৰ্য জনগোষ্ঠী ঃ</u> ব্ৰহ্মপুত্ৰ উপত্যকা, কাছাৰ আৰু ত্ৰিপুৰাৰ সমভূমি অঞ্চলত বসবাস কৰা জনগোষ্ঠী ইয়াৰ ভিতৰত পৰে।



<u>(৩) মনখেইমৰ ঃ</u>অসমৰ মিকিৰ পাহাৰ আৰু মেঘালয়ৰ খাচী জয়ন্তীয়াসকল এই জনগোষ্ঠীৰ অন্তৰ্ভুক্ত।

নগালেণ্ড, মণিপুৰ, ত্ৰিপুৰা, মেঘালয় আৰু অসমৰ কিছুমান জনগোষ্ঠী ব্ৰহ্মদেশৰ পৰা অহা বুলি কোৱা হয়। ব্ৰহ্মপুত্ৰৰ উত্তৰফালে থকা বিভিন্ন জনগোষ্ঠীবোৰ প্ৰধানকৈ তিব্বত আৰু চীনৰ পৰা অহা লোক। ভৈয়াম অঞ্চলত বিশেষকৈ মণিপুৰ, ত্ৰিপুৰা আৰু ব্ৰহ্মপুত্ৰ উপত্যকাত বসবাস কৰা বিভিন্ন জনগোষ্ঠী সমূহ ভাৰতৰ বিভিন্ন অঞ্চলৰ পৰা প্ৰবজন কৰি অহা লোক। সুদূৰ অতীতৰ পৰা যুগ যুগ ধৰি প্ৰবজন কৰি বিভিন্ন সংস্কৃতিৰ পটভূমিত গঢ় লৈ উঠা এই অঞ্চলৰ জনগোষ্ঠীৰ গাঁঠনি যথেষ্ট বৈচিত্ৰময়। এই অঞ্চলত বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰে প্ৰত্যেকৰ সুকীয়া সুকীয়া সামাজিক পৰিচয় আৰু সংস্কৃতি আছে। প্ৰত্যেকৰে বিবাহ পদ্ধতি, স্বজনীয় পদ্ধতি, প্ৰস্থিতি আৰু ভূমিকা পদ্ধতি, ৰাজনৈতিক পদ্ধতি আৰু সাংস্কৃতিক পদ্ধতি ভিন্ন।

এই অঞ্চলত বসবাস কৰা জনগোষ্ঠীসকলৰ বৈচিত্ৰতাৰ স্পষ্ট

ছবিখন তেওঁলোকৰ ধৰ্মীয় বিশ্বাস, ভাষা আদিত দেখা যায়। এই অঞ্চলত বসবাস কৰা ২০০ তকৈও বেছি জনগোষ্ঠীৰ মাজত কিমান ধৰ্মীয়গোষ্ঠী আছে তাক সঠিককৈ ঠাৱৰ কৰা কঠিন। কিয়নো এই অঞ্চলত এনে কিছুমান ধৰ্মীয় গোষ্ঠী আছে যিবোৰক কোনো এটা সৰ্বভাৰতীয় ধৰ্মত অন্তৰ্ভুক্ত কৰিব নোৱাৰি। এই বিভিন্ন ধৰ্মত বিশ্বাসী বিভিন্ন ধৰ্মগোষ্ঠীসকলৰ সামাজিক জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে বৈচিত্ৰতা দেখিবলৈ পোৱা যায়। বৰ্তমান সময়ত বহুতো জনগোষ্ঠীয়ে বিশেষকৈ পাহাৰীয়া জনগোষ্ঠীসকলে বিভিন্ন সৰ্বভাৰতীয় ধৰ্ম যেনে- খৃষ্টান, হিন্দু, বৌদ্ধ আদি গ্ৰহণ কৰিছে যদিও তেওঁলোকৰ একাংশই পূৰ্বৰ ধৰ্মকে পালন কৰি আছে। এনে পৰিবেশত ধৰ্মীয় বৈচিত্ৰতা বৃদ্ধি পাইছে। তাৰোপৰি এই অঞ্চলত ভাষাৰ ক্ষেত্ৰত বিচিত্ৰতাৰ সীমা নাই বুলি ক'লেও বঢ়াই কোৱা নহয়। উত্তৰ-পূব ভাৰতত প্ৰায় ১৯২ টা বিভিন্ন ভাষাৰ প্ৰচলন আছে। কিছুমান ভাষা বৰ্তমান সময়তো কঠিন ৰূপত প্ৰচলিত হৈ আছে। বহু জনগোষ্ঠীৰ ভাষা আন কিছুমান জনগোষ্ঠীয়ে সহজে বুজি নাপায়। সেয়েহে তেওঁলোকৰ ভাবৰ আদান-প্ৰদানৰ বাবে কিছুমান সংমিশ্ৰিত ভাষাক উমৈহতীয়া ভাষা হিচাপে গ্ৰহণ কৰিছে। উদাহৰণস্বৰূপে নগালেণ্ডত নাগামিজ, অৰুণাচলত হিন্দী আৰু কম বেছি পৰিমাণে অসমীয়া ত্ৰিপুৰাত বেংগলী ভাষা ইত্যাদি।

উত্তৰ পূৰ্বাঞ্চলত বসবাস কৰা প্ৰত্যেক জনগোষ্ঠীৰ নিজস্ব কিছুমান জনগোষ্ঠীয় বৈশিষ্ট্য আৰু প্ৰত্যেকৰে নিজস্ব ইতিহাস আছে। জনগোষ্ঠী ভেদে বৈশিষ্ট্যসমূহ বেলেগ বেলেগ। এই ভিন্ন বৈশিষ্ট্যসমূহে তেওঁলোকৰ মাজৰ বিচিত্ৰতা স্পষ্টভাৱে দাঙি ধৰিছে। প্ৰত্যেক জনগোষ্ঠীৰে কলা-সংস্কৃতি সমূহ তেওঁলোকৰ ইতিহাসৰ লগত জড়িত হৈ আছে। প্ৰতিটো জনগোষ্ঠীৰে সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক আদি পদ্ধতি সমূহ বেলেগ বেলেগে। বিশেষকৈ সামাজিক ক্ষেত্ৰত এইসকলে জনগোষ্ঠীৰ মাজত যথেষ্ট বিচিত্ৰতা দেখিবলৈ পোৱা যায়। যদিও বিভিন্ন কাৰণত বৰ্তমান সময়ত এই অঞ্চলৰ জনগোষ্ঠীসকলৰ সমাজ জীৱনৰ সকলো ক্ষেত্ৰতে বহুতো পৰিৱৰ্তন আহি পৰিছে তথাপি অধিকাংশ জনগোষ্ঠীয়ে নিজৰ নিজৰ ঐতিহ্য আৰু পৰম্পৰা ৰক্ষা কৰি চলিবলৈ চেষ্টা কৰিছে। বৰ্তমান গোলকীকৰণৰ প্ৰভাৱৰ ফলত একোটা জনগোষ্ঠীৰ মাজতে সাংস্কৃতিক ক্ষেত্ৰত বৈচিত্ৰতা আহি পৰিছে যিয়ে তেওঁলোকৰ জীৱন প্ৰণালীত বৈচিত্ৰতাৰ মাত্ৰা বৃদ্ধি কৰিছে। এই বৈচিত্ৰতাসমূহ বিশেষকৈ সাজপাৰ, বাসস্থান, খাদ্য অভ্যাস আদিত অস্পষ্টভাৱে দেখা যায়।

উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য সমূহত ভৌগোলিক পৰিৱেশ একে নহয়। ভিন্ন ভৌগোলিক পৰিৱেশত বসবাস কৰা জনগোষ্ঠীসমূহৰ জীৱন প্ৰণালীত যথেষ্ট ভিন্নতা আছে। এই ভিন্নতাসমূহ স্পষ্টভাৱে দেখিবলৈ পোৱা যায় পাহাৰ আৰু ভৈয়াম অঞ্চলত বসবাস কৰা জনগোষ্ঠীসমূহৰ মাজত। ভিন্ন জলবায়ু, ভিন্ন উপাদান পদ্ধতি, বিভিন্ন আচাৰ, ৰীতি-নীতি আদিয়ে এই বৈচিত্ৰতা বৃদ্ধি কৰিছে। এই অঞ্চলৰ একেখন ৰাজ্যৰ ভিতৰতে বসবাস কৰা ভিন্ন জনগোষ্ঠীৰ মাজত জীৱন ধাৰণ প্ৰণালীৰ সকলো ক্ষেত্ৰতে বৈচিত্ৰতা দেখিবলৈ পোৱা যায়।







A
r
t
i
c
l
e

# Folk Festivals in Neighbouring Arunachal Pradesh


## Dr. H. M. Abdus Shahid

Assistant Professor, Department of Geography


A folk society is a small, isolated, cohesive, conservative, nearly self-sufficient group that is homogenous in custom and race, with a strong family or clan structure and highly developed rituals (Husain, Majid 2014).Traditions receive prime attention wherein change becomes rare or infrequent at slower pace. Folk life refers to totality of folk culture and society including both material and non-material elements. Material elements are visible which include all objects or things made and used by members of a cultural group, like tools, utensils, house types, furniture, clothing etc. On the other hand, non-material elements include wide range of tales, songs, beliefs, superstitions and customs that passes from one generation to another mostly as part of an oral or written tradition. Folk dialects, religious beliefs are also aspects of non-material culture. Folk geography is simply the study of spatial patterns of folk life which was coined by cultural geographer Eugene Wilhelm.

Arunachal Pradesh, a state in North East India, is enriched with diverse folk culture. Arunachal Pradesh is the habitat of diverse ethnic tribal groups with distinctive folk cultural identity. Modernisation has little or negligible impact on inherited traditions and customs of respective ethnic groups. The districts of Arunachal Pradesh is inhabited by different ethnic tribal groups with different cultural identity.

1.The ***Monpa, Sherdukpen, Aka*** or ***Hurso, Khowa*** or ***Bugun, Mijs, Nyishi*** and ***Sulungs*** or ***Puroik*** mostly inhabit in **Tawang , East** and **West Kameng Districts**.



2.The ***Nyishi, Apatani, Hill Miri, Tagin*** and ***Nah*** are found to inhabit in **Lower Subansiri, Upper Subansiri, Papum Pare** and **Kurung Kumey Districts**.

3.The ***Adi, Galo, Membas*** and ***Khambas*** are spread over in **East Siang, West Siang** and **Upper Siang Districts**.

4.The ***Mishimi, Khamti, Singpho***, and ***Meyor*** live in **Lohit, Dibang Valley, Lower Dibang Valley** and **Anjaw Districts**.

5.The **Nocte, Wancho, Tangsa** and **Lisus** mostly dwell in **Changlang** and **Tirap Disrticts**.

Folk culture of the people of Arunachal Pradesh is associated with beliefs, traditions, customs of each social groups that differ from society to society. The festivals of the tribes of Arunachal Pradesh are indispensable part of their socio-cultural life. In fact, festivals are the mirrors of the cultural identity of each social groups. Each society of people of Arunachal Pradesh celebrate a number of festivals related to agricultural crop calendar, religious beliefs and socio-cultural traditions which give them ample opportunity to enjoy freely. These are the occasions for the people to enjoy, relax, dance and dine together as community feasts. Agriculture being the primary means of livelihood, the festivals having connection with agriculture are celebrated in a larger scale at community level either to thank the God for the providence or to pray

## Table: 1
## The major festivals of Arunachal Pradesh

| Sl. No. | District | Headquarter | Festivals | Date/ Month of Celebration |
|---|---|---|---|---|
| 1. | Tawang | Tawang | Lossar | Date locally fixed |
| 2. | West Kameng | Bomdila | Lossar | Date locally fixed |
| | | | Nyetshhiden | November |
| 3. | East Kameng | Seppa | Nyokum | 26 February |
| | | | Gomkum Gompa | 15 April |
| 4. | Papum Pare | Itanagar | Nyokum | 26 February |
| 5. | Lower Subansiri | Ziro | Boori Boot | 6 February |
| | | | Nyokum | 26 February |
| | | | Dree | 5 July |
| 6. | Kurung Kumey | Koloriang | Nyokum | 26 February |
| | | | Longte Yullo | April |
| 7. | Upper Subansiri | Daporijo | Si- Donyi | 6 January |
| | | | Boori Boot | 6 February |
| | | | Mopin | 5 April |
| 8. | West Siang | Along | Mopin | 5 April |
| | | | Solung | 1 September |
| 9. | Upper Siang | Yingkiong | Mopin | 5 April |
| | | | Solung | 1 September |
| 10. | East Siang | Pasighat | Aran | 7 March |
| | | | Mopin | 5 April |
| | | | Solung | 1 September |
| 11. | Dibang Valley | Anini | Reh | 1 February |
| | | | Solung | 1 September |
| 12. | Lower Dibang Valley | Roing | Reh | 1 February |
| | | | Solung | 1 September |
| 13. | Lohit | Tezu | Shapawng Yawang | 14 February |
| | | | Tamladu | 15 February |
| | | | Sangken | 14 April |
| 14. | Anjaw | Hawai | Tamladu | 15 February |
| 15. | Changlang | Changlang | Mol Moh | 25 April |
| | | | Pongth | May |
| 16. | Tirap | Khnosa | Oriah | 16 February |
| | | | Chalo Loku | 25 November |

**Source : Directorate of Research, Dept. of Cultural Affairs, AP**

for bumper harvest. The ritual part of each festival is performed by the Priest of the community and other arrangements for celebration of the festivals are performed by the people in a community basis. The festivals are celebrated by one or other tribes throughout twelve months of the year. Arunachal Pradesh may be regarded as 'Paradise of Festivals' which gives a colourful cultural picturesque. Animal sacrifices are a common ritual in most of festivals particularly Non-Bodic tribes. On the other hand, the Bodic festivals are based on religious beliefs. The festivals are firmly blended with the socio-cultural life styles of groups of people of Arunachal Pradesh. They celebrate the festivals in traditional manner without allowing the waves of change of modernity to cause minor disturbance at all. **(See Table-1)**

In celebration of all these festivals, the religious part and sacrifices are generally performed by their priests assisted by some selected male members. The women do not take part in the religious aspects of the festival but they play significant role in other affairs like preparation of feast including locally made drinks, singing, dancing etc.

The Nyishi tribe, one of the largest tribe, celebrate Nyokum festival with greater enthusiasm. The festival is full of joy with singing, dancing and rituals to have a good cultivation. The festival has a close link with cultivation. The Nyokum goddess, the goddess of prosperity is invoked for her blessings so that there may be more and more production of food grains in next harvesting season and to ward off famine and draught. Boori Boot is similar type of festival celebrated by the Nyishi tribe. The Apatani tribe mostly inhabiting Lower Subansiri District celebrate Dree festival which is an agricultural festival expecting for good production. The Apatanis are known for their sustainable wet rice agricultural practices and the agricultural cycles govern their daily lives. This festival includes grand rituals and traditions. Some of the clans of Nyishi tribe, like Dodum clan, celebrate Longte Yullo is celebrated with traditional gaiety and devoutness on the onset of spring season in the month of April.

The Lossar festival of Monpas which is also their new year festival is celebrated for five days. The dust and dirt of past year symbolising ill health and bad elements are thrown away by cleaning the house on the eve of the festival. During five days of celebration the villagers offer prayer to the Almighty for prosperity and good health, visit each other house to wish happy new year, hoist religious flags at the top of their houses and lit butter lamps in houses for welfare. The Losar festival provides a new vigour and zeal to the Monpa. The community work together with greater enthusiasm and faith after celebration of the festival.

The Idu Mishimi celebrate Reh festival with greater enthusiasm which is celebrated for six days. The festival comes to an end after great fanfare. Appeasement of the deities responsible for peace and prosperity is the idea behind celebrating Reh festival.

The Wancho celebrate their most popular festival Oriah during March- April for a period of six to twelve days by worshiping, singing and dancing. During the festival days rice beer made bamboo tubes are exchanged between villagers as a mark of greetings and goodwill.



The Digaru and Miju Mishimi celebrate Tamaldo festival where the God of Earth and God of Water are worshipped for protection against natural calamities. The supreme God Jebmalu is worshipped for sound prosperity and welfare of human being, standing crops and domestic animals. During the festival, the people welcome the new year by performing a dance with unbounded jubilation. The village priest regard the God Sun as the creator.

The Mijis celebrate the Khan festival as mark of reunion of the community who live scatteraled in far flung villages. Besides, their usual prayer, singing, dancing and eating, the significance of the festival is tying by a piece of wool around everyone's' neck by the village priest. The inherent belief is that the enchanted thread will bring good luck to every one of the community. The festival also reminds them of united strength to face life with courage and hope for better way of life.

The Sangken festival of the Khamti and Singphos is an occasion to give bath to the images of Lord Budha ceremoniously. It is also a new year festival. Sprinkling of water on each other with great fun and merriment is a significant event of the celebration of Sangken festival. Tamaldu festival is celebrated in Lohit District on 15th of February each year.

The Mopin festival of Galo community is celebrated for showering of wealth and prosperity as well as for good health and universal happiness. The five days long Mopin festival begins with smearing of rice powder on each other's face. Solung is the most popular festival of the Adi tribe which is celebrated on 1st September every year. Though primarily an agro-based festival, it also reflects the socio-religious culture of the people.

The Mol Moh festival of Tangsa is celebrated for three day to welcome the new year.



One of the specialities tying of a small piece of rope around the wrist of the nephews by maternal uncles signifying good omen. It is treated as a very sacred ones.


Thus various festivals are celebrated by different communities of Arunachal Pradesh with great enthusiasm. Although, there are differences in celebrating the festivals, but underlying ideas of all the festivals are almost same enjoyment, merry making, feasting, and dancing appeasement and propitiation of God and Goddess of wealth, prosperity, good health and happiness.

**SUGGESTED FURTHER READINGS**

1. Hausain, Majid (2014 Reprint) : Cultural Geography, Anmol Publications Pvt Ltd, New Delhi – 1100002, p 56-87.

2. Tada, Tage (2010) : Research Bulletin, Directorate of Research, Dept. of Cultural Affairs, Arunacha Pradesh, p 35 -40





# বিপন্ন ভাষা - বিপন্ন জাতি

**ময়ুৰী তামুলী**

'আমি অসমীয়া নহওঁ দুখীয়া'- এই কথাষাৰে যেন বৰ্তমান সময়ত প্ৰাসংগিকতা হেৰুৱাই পেলাইছে। এটা জাতিৰ বাবে সৰ্বোচ্চ সম্পদটো হৈছে মাতৃভাষা। অসমীয়া জাতিৰো এটা অতি প্ৰাণচঞ্চল, হৃদয়গ্ৰাহী আৰু সুমধুৰ ভাষা আছে। যিটো অসমীয়া ভাষাৰূপে পৰিচিত। বৰ্তমান সময়ৰ পৰিপ্ৰেক্ষিতত অসমীয়াৰ বিভিন্ন কলা-কৃষ্টি আৰু সংস্কৃতিৰ লগতে ভাষাও ধ্বংসৰ গৰাহত সোমাই পৰিছে। তাৰ ফলত মাতৃভাষাতো সংকটে দেখা দিছে।

শিক্ষাই মানুহৰ ব্যক্তিত্বৰ বিকাশ সাধন কৰে। মাতৃভাষাৰ যোগেদি লাভ কৰা শিক্ষাত জ্ঞানৰ যি গভীৰতা, অন্যান্য ভাষাসমূহত সেই গভীৰতা দেখা নাযায়। সাম্প্ৰতিক কালত শিক্ষানুষ্ঠান, সমাজ, সংস্কৃতি আদি সংকটৰ ভিতৰত মাতৃভাষাৰ সংকট বিশেষভাৱে পৰিলক্ষিত হৈছে। তাৰ মূলতে বৰ্তমান এটা পৰম্পৰা আৰম্ভ হৈছে যে- ইংৰাজী মাধ্যমত পঢ়িলেহে এটা সৰ্বোৎকৃষ্ট ফলাফল লাভ কৰিব পাৰি। শিক্ষৰ ক্ষেত্ৰত যে মাধ্যম অন্তৰায় হ'ব নোৱাৰে সেই কথা সমাজৰ একশ্ৰেণীৰ লোকে নুবুজে। তেওঁলোকে ভাবে নিজৰ সন্তানে বিশ্বৰ লগত খোজ মিলাই যাবলৈ হ'লে ইংৰাজী ভাষা জানিব লাগিব। সেইবাবে

অভিভাৱকসকলে নিজৰ নিজৰ সন্তানক মাতৃভাষা মাধ্যমৰ বিদ্যালয়ৰ পৰিৱৰ্তে ইংৰাজী মাধ্যমৰ বিদ্যালয়ত নামভৰ্তি কৰে। ফলত মাতৃভাষাৰ জ্ঞান তেওঁলোকে আয়ত্ব কৰিব নোৱাৰে। এয়া তেওঁলোকৰ দুৰ্ভাগ্য। কিয়নো অসমীয়াৰ দৰে মধুৰ ভাষা এটি আয়ত্ব কৰাৰ পৰা বঞ্চিত হ'বলগা হ'ল।

শিক্ষাৰ ক্ষেত্ৰত আজিৰ ছাত্ৰ-ছাত্ৰীতকৈ অভিভাৱকসকল অধিক প্ৰতিযোগিতা মনোভাৱাপন্ন হোৱা দেখা যায়। সৰ্বোচ্চ নম্বৰ লৈ পৰীক্ষাত উত্তীৰ্ণ হোৱাতো তেওঁলোকৰ বাবে গুৰুত্বপূৰ্ণ। ভাষা সংস্কৃতি নিপাত যাওঁক, জাতি শেষ হৈ যাওঁক তাক লৈ কোনেও মূৰ নঘমায়। কেৱল নিজৰ সন্তান যাতে উচ্চশিক্ষাৰে শিক্ষিত হয় তাৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰে। সাম্প্ৰতিক সময়ত পশ্চিমীয়া সংস্কৃতিয়ে অসমীয়া সংস্কৃতিক গ্ৰাস কৰি পেলাইছে। যি পিন্ধন-উৰণ, ভাষাশৈলী, খাদ্যাভাস আদি সকলোতে প্ৰভাৱ পেলাইছে। তদুপৰি আমি সাধাৰণতে প্ৰয়োগ কৰা Happy Birthday, Happy Bihu আদিৰ সলনি জন্মদিনৰ শুভেচ্ছা, বিহুৰ ওলগ থাকিল, নৱবৰ্ষৰ শুভেচ্ছা থাকিল আদি শব্দৰ ব্যৱহাৰ কৰিব লাগে।

ভাষাৰ উন্নতি হ'লেহে সাহিত্যৰ উন্নতি হয়। ভাষা-সাহিত্য-সংস্কৃতি সু-সমৃদ্ধ কৰিবলৈ হ'লে মাতৃভাষাই হৈছে প্ৰশস্ত পথ। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱে কৈছিল- 'স্বদেশ আৰু স্ব-জাতিৰ উন্নতিৰ মংগল মন্দিৰৰ সিংহ দুৱাৰ হৈছে মাতৃভাষা।' সঁচাকৈয়ে এটা জাতিৰ বাবে সৰ্বোচ্চ সম্পদটো হৈছে মাতৃভাষা। গতিকে এই দিশৰ প্ৰতি লক্ষ্য ৰাখি আমি সকলোৱে মাতৃভাষাক পুনৰুজ্জীৱিত তথা শক্তিশালী কৰি তোলা উচিত।

'জয় মাতৃভাষাৰ জয়।'

'মাতৃভাষা দীৰ্ঘজীৱি হওঁক।'

*(লেখিকা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী)*




# জানানে?

## ঃ টাইটানিক যাদুঘৰ ঃ

টাইটানিক জাহাজৰ আৰ্হিত নিৰ্মিত এই যাদুঘৰটো বিশ্বৰ বৃহত্তম আৰু সমৃদ্ধ যাদুঘৰ। ১৮ ফুট উচ্চতাৰ টাইটানিক জাহাজৰ অৰ্দ্ধ অংশৰ আকৃতিত নিৰ্মিত যাদুঘৰটোৰ প্ৰতিষ্ঠাতা হ'ল 'John Josly'। ইয়াক প্ৰতিষ্ঠা কৰা হৈছিল ২০০৬ চনৰ এপ্ৰিল মাহত।

যাদুঘৰটি এনেভাৱে নিৰ্মিত হৈছে যে, বৰফৰ যিটো টুকুৰাত খুন্দা খাই জাহাজখন ডুব গৈছিল, সেই বৰফৰ টুকুৰাটো সুন্দৰকৈ দেখোৱা হৈছে। এই যাদুঘৰটি নিৰ্মিত হৈছে টাইটানিকৰ সকলো তিতা-মিঠা স্মৃতি লৈ।

ইয়াৰ আকৰ্ষণ তথা বিশেষত্ব হ'ল, ইয়ালৈ গ'লে দৰ্শনকাৰীক যিটো টিকট দিয়া হয়, য'ত লিখা থাকে জাহাজৰ পূৰ্বৰ কোনোবা যাত্ৰীৰ নাম, অৰ্থাৎ টাইটানিকৰ পূৰ্বৰ যাত্ৰীৰ নামতহে ইয়াত প্ৰৱেশ কৰিব পাৰি।


যাদুঘৰটোৰ চাৰিওফালে পানীৰে আবৃত্ত, দেখাত এনে লাগে যেন টাইটানিক জাহাজখন পানীৰ ওপৰত ৰৈ আছে। যাদুঘৰটোত মুঠ ২০০ টা গেলাৰী আছে য'ত জাহাজৰ পৰা উদ্ধাৰ হোৱা ২০০ বিধ সামগ্ৰী সংগ্ৰহ কৰি থোৱা আছে প্ৰদৰ্শনৰ বাবে। যাদুঘৰটিত স্থাপন কৰা গেলাৰীত সংৰক্ষণ কৰি ৰখা হৈছে ২১,২০০ জন যাত্ৰীৰ ফটোসহ নাম তথা জীৱন বৃত্তান্ত।

এই গেলাৰীৰ কাযতে টাইটানিক দুৰ্ঘটনাৰ পৰা বাচি অহা ৭১২ জন যাত্ৰীৰ ফটোসহ নাম আৰু দুৰ্ঘটনাৰ সময়ত হোৱা অভিজ্ঞতাবোৰ লিপিবদ্ধ কৰি ৰখা হৈছে। ইয়াত থিয় হ'লেই জানিব পাৰি সেই অভিশপ্ত সময়ৰ অভিজ্ঞতাবোৰ।

২০১৪ চনত নতুনকৈ আকৌ এটা গেলাৰী আৰম্ভ কৰিছে। য'ত টাইটানিক জাহাজৰ সেই বাদ্যবাদক আঠজনৰ জীৱন কাহিনী আৰু জাহাজৰ ডুব যোৱা বাদ্য-যন্ত্ৰবোৰৰ বিষয়ে জানিব পাৰি। জাহাজৰ প্ৰথম শ্ৰেণীৰ যাত্ৰী আৰু তৃতীয় শ্ৰেণীৰ যাত্ৰীসকলৰ বাবে সজোৱা কোঠাবোৰ এই যাদুঘৰটোত হুবহু একেভাৱেই নিৰ্মাণ কৰা হৈছে।

**সংগ্ৰাহক ঃ ধৰিত্ৰী গগৈ**

(উৎস ঃ "গুঞ্জন")



# মানুহৰ জীৱনশৈলী আৰু স্বাস্থ্য

**মঞ্জুৱাৰা বেগম**

**আৰম্ভণি ঃ**

জীৱন শৈলী বুলিলে মানুহৰ সাধাৰণ জীৱন ধাৰণ প্ৰণালীক বুজায়। মানুহৰ জীৱন শৈলী অন্যান্য প্ৰাণীতকৈ ভিন্ন কিয়নো মানুহ হৈছে জীৱ শ্ৰেষ্ঠ। মানুহৰ চিন্তা আৰু বিচাৰ বিবেচনা কৰা ক্ষমতা আছে। জীৱন ধাৰণত প্ৰধানকৈ তিনিটা দিশত গুৰুত্ব দিব লাগে- খাদ্য অভ্যাস, চিন্তা-ধাৰা আৰু শাৰীৰিক পৰিশ্ৰম আৰু লগতে জিৰণি। আমাৰ সুস্বাস্থ্য আৰু শৰীৰৰ গঠন, বৃদ্ধি আৰু বিকাশৰ বাবে ছয় প্ৰকাৰৰ খাদ্য গ্ৰহণ কৰিব লাগে। এই ছয় প্ৰকাৰৰ খাদ্য হৈছে প্ৰ'টিন, কাৰ্ব'হাইড্ৰেড স্নেহ পদাৰ্থ, ভিটামিন, খনিজ দ্ৰব্য আৰু পানী। খাদ্যৰ এই ছয় প্ৰকাৰৰ উপাদানে এবিধে আন এবিধৰ অভাৱ পূৰণ কৰিব নোৱাৰে। সেইবাবে আমাৰ শৰীৰ গঠন, বৃদ্ধি, বিকাশ আৰু সুস্বাস্থ্য ৰক্ষা হ'ব আৰু লগতে আমাৰ জীৱন শৈলীও সুস্থ স্বাভাৱিক হয়।

মানৱ জীৱনৰ আটাইতকৈ অমূল্য সম্পদ হৈছে সুস্থ নিৰোগী শৰীৰ এটা। সেয়েহে আমি সকলোৱে সুস্থ জীৱনশৈলীৰে সুস্বাস্থ্য এটি গঢ়ি জীৱনটো সুন্দৰ আৰু সহজ কৰি তুলিবলৈ যত্নপৰ হোৱা উচিত। প্ৰকৃতাৰ্থত সুস্বাস্থ্য সকলো ব্যক্তিৰে অতি প্ৰিয় আৰু পৃথিৱীৰ সকলো ব্যক্তিয়ে সুস্থ হৈ থাকিবলৈ ভাল পায়। কিন্তু কেতিয়াবা আমাৰ নিজা ভুলৰ বাবেই হওক বা আমাৰ দৈনন্দিন খাদ্য তালিকাখন ভালদৰে অনুসৰণ নকৰাত, ক'ব নোৱাৰাকৈয়ে কিছুমান বেমাৰে আগুৰি ধৰে। ফলস্বৰূপে আমি নানা কষ্ট ভোগ কৰিবলগীয়া হয়।

**স্বাস্থ্যৰ ওপৰত জীৱন শৈলী আৰু খাদ্যৰ প্ৰভাৱ ঃ**

আজিৰ এই ব্যস্ততাপূৰ্ণ জীৱন যাত্ৰাত বহু ব্যক্তিয়ে নিজা স্বাস্থ্যৰ ক্ষেত্ৰত সচেতন নহয় বা অত্যাধিক কৰ্ম ব্যস্ততাৰ কাৰণে খোৱা-বোৱাৰ ক্ষেত্ৰতো মনোযোগ নিদিয়ে। আনহাতে আধুনিক সমাজ ব্যৱস্থাত মানুহৰ মাজত কৰ্মব্যস্ততা বাঢ়িলেও বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই আমাৰ জীৱনটো যথেষ্ট আৰামদায়ক কৰি তুলিছে। পৰিশ্ৰমৰ অভাৱত মেদবহুলতাই এতিয়া বিশ্বৰ প্ৰায়ভাগ লোককে আক্ৰান্ত কৰিছে।

অত্যাধিক কেলৰিযুক্ত খাদ্য গ্ৰহণৰ ফলত সম্প্ৰতি যিমানবোৰ ৰোগ মানুহৰ মাজত বিয়পি পৰিছে তাৰ অধিকাংশই সৃষ্টি হৈছে মেদবহুলতাৰ বাবে। কিয়নো স্বাস্থ্যসন্মত আৰু স্বাস্থ্যৰ কাৰণে হানিকাৰক খাদ্যৰ মাজত পাৰ্থক্য নাজানি বা পাহৰি অতি সহজতে পোৱা যিকোনো খাদ্য গ্ৰহন কৰা হেতুকে বিভিন্ন ধৰণৰ পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হৈছে। গতিকে খোৱা-বোৱা, কাম, ব্যৱসায়, টোপনি সকলো সময়মতে কৰিলে সুস্বাস্থ্যৰ গৰাকী হোৱাত সহায়ক হয়।

**সাৱধানতা ঃ**

সাম্প্ৰতিক সময়ত দেখা যায় কিছু সংখ্যকে শকত হোৱাৰ ভয়ত ভোক লাগিলেও নাখায় আৰু কিছুসংখ্যক লোকে দেহৰ ওজন কমোৱাৰ চেষ্টাত সুষম আহাৰ কি ভালদৰে অনুধাৱন কৰিব নোৱাৰি যিকোনো খাদ্য খায় আৰু কিছু সংখ্যক লোকে ভোক নাথাকিলেও সুবিধা বুজি প্ৰয়োজনতকৈ বেছি খাদ্য গ্ৰহণ কৰে। এনে কাৰ্য কলাপ সমূহ কৰা অনুচিত। ই স্বাস্থ্যৰ বাবে অপকাৰী। যিবোৰ খাদ্যৰ পৰা আমাৰ ৰোগ বৃদ্ধি হ'ব পাৰে, তেনে খাদ্যৰ পৰা আঁতৰত থকাই শ্ৰেয়। কোনো খাদ্য প্ৰিয় হ'লেও বেছি পৰিমাণে খোৱা উচিত নহয়।

আজিকালি প্ৰায়ে শুনা যায় বহু লোকে কৰ্মব্যস্ততাৰ বাবে দিনৰ আহাৰ নিৰ্দিষ্ট সময়ত গ্ৰহণ নকৰে বা ভোক লাগিলে সহজতে পোৱা যিকোনো কিবা এটা খাই বা নোখোৱাকৈ অনাহাৰে থাকি নিশালৈ মাছ-মাংসৰে ৰাতি আহাৰ গ্ৰহন কৰে। কিন্তু এনে কৰা উচিত নহয়, কাৰণ খালী পেটত এনে ধৰণৰ খাদ্য সহজতে হজম নহয়।

সেয়েহে, সুস্বাস্থ্যৰ অধিকাৰী হ'বলৈ হ'লে সহজে হজম হোৱা খাদ্য খোৱা প্ৰয়োজন। সতেজ শাক-পাচলি, চালাদ, নিয়মীয়াকৈ আহাৰৰ লগত খোৱা দৰকাৰ, বতৰৰ সকলো ফলমূল খাব লাগে। ফলৰ ৰসে পাচনক্ৰিয়াত সহায় কৰে আৰু শৰীৰৰ বাবে আৱশ্যকীয় ভিটামিন আৰু মিনাৰেল যোগান ধৰে। জাংক ফুড, অধিক মছলাযুক্ত আহাৰ, চৰ্বী থকা খাদ্য সামগ্ৰী, অতিমাত্ৰা চাহ-কফি সেৱন আৰু নিচাযুক্ত দ্ৰব্য পৰাপক্ষত বাদ দিয়া স্বাস্থ্যৰ পক্ষে ভাল।

**সামৰণি ঃ**

জীৱন শৈলী আৰু স্বাস্থ্য এটা আনটোৰ পৰিপূৰক। সুস্থ হৈ থাকিবলৈ হ'লে অকল শৰীৰৰ যত্ন ল'লেই নহ'ব। ইয়াৰ বাবে মানসিক স্বাস্থ্যৰ প্ৰতিও ধ্যান দিব লাগিব। অত্যাধিক কৰ্মব্যস্ততা, প্ৰয়োজনকৈ অধিক চিন্তাই শৰীৰত যথেষ্ট প্ৰভাৱ পেলাই, স্বাস্থ্যৰ বহু হানি কৰে। সেইবাবে মনটোক অনাৱশ্যকীয় চিন্তাৰ পৰা আঁতৰত ৰখা দৰকাৰ নহ'লে কেতিয়াবা মানসিক অৱসাদে আগুৰি ধৰে। জীৱনৰ মূল শক্তিও বিঘ্নিত কৰে, স্বাস্থ্যও দুৰ্বল হৈ পৰে। গতিকে মনটোক সুস্থ আৰু শান্ত কৰি ৰাখিবলৈ সঠিক কৰ্ম, পৰ্যাপ্ত টোপনি, নিয়মিত প্ৰাতঃভ্ৰমণ, যোগ, ব্যায়াম, প্ৰাণায়াম, উপাসনা আদি কৰা অত্যন্ত জৰুৰী। স্বাস্থ্য হৈছে পৰম ধন। সুস্বাস্থ্য হৈছে আনন্দ উপভোগৰ এক উত্তম চাবি কাঠী আৰু এই চাবিকাঠী পৃথিৱীৰ প্ৰতিগৰাকী ব্যক্তিৰ নিজৰ হাততেই। সেই কাৰণে আমাৰ জীৱনশৈলী তথা জীৱন ধাৰণৰ ৰীতি-নীতি সুস্বাস্থ্যৰ অনুৰূপে গঢ়ি তুলিবলৈ প্ৰয়াস কৰা হৈছে।



# মিচিং সমাজৰ বয়ন শিল্প

## মামনি পেগু

সুন্দৰৰ পূজাৰী কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই কৈছিল, "সৰু সৰু নিজৰা উপনৈৰ সমন্বিত শকতিৰ দ্বাৰা যেনেকৈ ব্ৰহ্মপুত্ৰই ইয়াৰ বিশালতা লাভ কৰিছে, ঠিক তেনেকৈ অসমৰ বহুজাতি, উপজাতি আৰু জনজাতিৰ কৃষ্টি সংস্কৃতিয়ে বিশালতা লাভ কৰিছে।"

অসমৰ দ্বিতীয় সৰ্ববৃহৎ জনগোষ্ঠী ব্ৰহ্মপুত্ৰৰ পাৰত বসবাস কৰা মিচিং সকলৰ স্বকীয় কৃষ্টি সংস্কৃতি আছে। মিচিং সকলে পৰিধান কৰা সাজ-পোচাকৰ জৰিয়তে তেওঁলোকৰ নিজৰ স্বকীয় সংস্কৃতিৰ পৰিচয় দেখা যায়। তেনে এক সংস্কৃতি হ'ল বয়ন শিল্প। বয়ন শিল্প মিচিং মহিলাৰ এক সংস্কৃতিস্বৰূপ। বয়ন শিল্পৰ যোগেদি মিচিং মহিলাই স্বকীয় গৰিমা আৰু মৰ্যাদা প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে।

মিচিং মহিলাসকলে নিজৰ প্ৰয়োজনীয় সকলোবোৰ বস্ত্ৰ নিজে ঘৰতে প্ৰস্তুত কৰি লয়। তেনে বস্ত্ৰসমূহৰ ভিতৰত মিবু গালুক, গনৰ উগন, ৰিবি গাচেং, এগে-গাছৰ, গে'ৰ'-পেৰৰে, য়াকান এগে আদি। মিচিং সকলৰ এনে ৰঙ-বিৰঙৰ সাজ-পাৰে অসমীয়া সংস্কৃতিক







বাৰেৰহণীয়া সংস্কৃতিলৈ পৰিণত কৰি, ইয়াৰ বিশালতা ভৰাই তুলিছে। তদুপৰি পুৰুষসকলৰ জাতীয় সাজপাৰ মিবু গালুক আৰু গনৰ উগন আদি তৈয়াৰ কৰি দিয়ে।

মিচিং সকলৰ এনে স্বকীয় সংস্কৃতিক লৈ বৃহৎ বজাৰ স্থাপন কৰি স্বাৱলম্বী হোৱাৰ পথতে যোৱা যেন লাগে। গাঁৱৰ উদ্যোগী মিচিং মহিলাই সাম্প্ৰতিক সময়ত নিজে ঘৰতে তৈয়াৰ কৰা আপুৰুগীয়া মিচিং



সাজপাৰ বিক্ৰীৰ বিপণী স্থানীয় নগৰ চহৰসমূহত প্ৰতিষ্ঠা কৰি আত্ম সংস্থাপনৰ বাট মুকলি কৰিছে। বয়ন শিল্পৰ যোগেদি গুৱাহাটীৰ উপৰিও দিল্লীতো প্ৰতি বছৰে অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলাত মিচিং সাজপাৰ প্ৰদৰ্শন কৰি ভূঁয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে। বয়ন শিল্পৰ ক্ষুদ্ৰ উদ্যোগ আৰু বিপণী খুলি ব্যৱসায়ৰ জৰিয়তে নিজেও স্বাৱলম্বী হোৱাৰ লগতে বহুগৰাকী যুৱক-যুৱতীক সংস্থাপনৰ বাট দেখুৱাবলৈ সক্ষম হৈছে।

মতামত

# চ'চিয়েল মিডিয়া আৰু শিক্ষাৰ্থী

আজিৰ দিনৰ যুগ হৈছে চ'চিয়েল মিডিয়াৰ যুগ। বৰ্তমান এই চ'চিয়েল মিডিয়াৰ যুগ আৰু শিক্ষাৰ্থীৰ যুগৰ মাজত বিশেষ সম্পৰ্ক দেখা যায়।

বৰ্তমান এই চ'চিয়েল মিডিয়াৰ যুগ আমি ভালদৰে ব্যৱহাৰ কৰিব জানিলে বহুত সুবিধা হ'ব পাৰে। আজিৰ দিনৰ প্ৰায়ভাগ কাম আমি চ'চিয়েল মিডিয়াৰ যোগেদি কৰিব পাৰো। লগতে চ'চিয়েল মিডিয়াৰ যোগেদি আমি পৃথিৱীৰ বহু কথা জানিব পাৰো। আমাৰ শিক্ষাৰ্থীৰ এই চ'চিয়েল মিডিয়াৰ যোগেদি ভালদৰে ব্যৱহাৰ কৰিব জানিলে বহু সুবিধা হ'ব পাৰে। কিন্তু ভাল শিক্ষা বা ভাল ব্যৱহাৰ কৰিব পৰাটো আমাৰ শিক্ষাৰ্থী বা আমাৰ ছাত্ৰ-ছাত্ৰী সকলোৰে দায়িত্ব বা কৰ্তব্য।

**জ্যোতিস্মিতা মৰাং**

# গ্ৰাম্য অৰ্থনীতি

## পাহি গগৈ



মনোমোহা প্ৰাকৃতিক জগতত মানুহ, প্ৰাণী, উদ্ভিদ আদিয়ে বাস কৰি আহিছে। সাধাৰণ অৰ্থত আমাৰ চৌপাশৰ সমাজ আৰু সমাজত বাস কৰা মানুহখিনিক পৰিৱেশ বুলি কোৱা হয় যদিও বৃহত্তৰ অৰ্থত মাটি, পানী, বায়ু, উদ্ভিদ আৰু প্ৰাণী অৰ্থাৎ জীৱজগতৰ লগতে জীৱজগতক আৱৰি যি সামগ্ৰিক প্ৰকৃতি আছে সেয়াই হৈছে পৰিৱেশ। মানুহে দৈনন্দিন জীৱনৰ প্ৰয়োজনীয়তাসমূহ পূৰণ কৰিবলৈ নিজে তৈয়াৰ কৰি লোৱা সামাজিক পৰিৱেশক বিদ্যায়তনিক ক্ষেত্ৰত বিজ্ঞানসন্মত পদ্ধতিৰে অধ্যয়ন কৰাকে সমাজ বিজ্ঞান বোলে। চাৰ্লচ বিয়েৰ্ডৰ মতে, সমাজ বিজ্ঞান হ'ল মানৱ ঘটনা-পৰিঘটনাৰ লগত জড়িত জ্ঞান আৰু ভাৱধাৰা। ই শিল, তৰা আৰু পাৰ্থিৱ বস্তুৰ পৰা পৃথক।

সমাজ বিজ্ঞানে ইতিহাস, ৰাজনীতি, বিজ্ঞান, ভূগোল, অৰ্থনীতি, বিজ্ঞান, নৃতত্ত্ব, সমাজশাস্ত্ৰ আদিক সামৰি লয়। দেখা যায় যে অৰ্থনীতি হৈছে সমাজ বিজ্ঞানৰ এটা বিভাগ। ই এখন দেশ বা এটা অঞ্চলৰ দ্ৰব্য আৰু সেৱাৰ উৎপাদন, যোগান, বিনিময়, বিতৰণ আৰু ভোগৰ বিষয়ে আলোচনা কৰে। সীমিত সম্পদৰ সুব্যৱহাৰৰ দ্বাৰা সৰ্বোত্তম অভাৱ পূৰণ কৰাই হ'ল অৰ্থনীতিৰ মূল বিষয়। অৰ্থনীতিৰ এটা নিৰ্দিষ্ট সংজ্ঞা দিয়া টান। ভিন্ন অৰ্থ-



বিজ্ঞানীয়ে নিজস্ব দৃষ্টিভংগীৰে নিজস্ব সংজ্ঞা আগবঢ়াইছে। অৰ্থনীতিবিদ আলফ্ৰেড মাৰ্ছালে তেওঁৰ এখন গ্ৰন্থত লিখিছে যে, অৰ্থনীতিয়ে মানৱ জাতিৰ জীৱনৰ সাধাৰণ কাৰ্য অধ্যয়ন কৰে।

মানৱ সংজ্ঞাৰ কেন্দ্ৰবিন্দু হ'ল গাঁও। অঘৰী আদিম মানুহে কৃষি কাৰ্য আৰম্ভ কৰাৰ পিছৰে পৰা গাঁও পাতি স্থায়ীভাৱে বাস কৰিবলৈ আৰম্ভ কৰে। গাঁওৰ অৰ্থনীতিকে গ্ৰাম্য অৰ্থনীতি বোলে। পৰম্পৰাগতভাৱে, কৃষি হৈছে গ্ৰাম্য অৰ্থনীতিৰ আৰু গ্ৰাম্য নিয়োগৰ প্ৰধান খণ্ড। গ্ৰাম্য অৰ্থনীতিত এটা লক্ষ্য কৰিবলগীয়া কথা হ'ল, প্ৰত্যেক পৰিয়াল একোটা স্বাৱলম্বী গোট হিচাপে চলে। প্ৰতিটো পৰিয়ালেই নিজৰ নিজৰ অৰ্থনৈতিক প্ৰয়োজনীয়তা যেনে- খাদ্য-সামগ্ৰী, পিন্ধন-উৰণৰ সামগ্ৰী, খেতি-বাতিৰ সা-সঁজুলি, ঘৰ-দুৱাৰ নিৰ্মাণৰ সঁজুলি আদি নিজেই সাজি লয়।

গ্ৰাম্য অৰ্থনীতিয়ে শালীন আৰু উৎপাদনশীল চাকৰি সৃষ্টি কৰা বহনক্ষম বিকাশ আৰু অৰ্থনৈতিক বিকাশত অৰিহণা যোগোৱাৰ গুৰুত্বপূৰ্ণ সম্ভাৱনা ৰাখে। ই বহুতো দেশত নিযুক্তি আৰু উৎপাদনৰ এক গুৰুত্বপূৰ্ণ অংশ বহন কৰে। কিন্তু ব্যাপকভাৱে তীব্ৰ শালীন কামৰ ঘাটি আৰু দৰিদ্ৰতাৰ দ্বাৰা চিহ্নিত কৰা হয়, যি বিশ্বৰ প্ৰায় ৮০ শতাংশ দৰিদ্ৰ লোকক আতিথ্য দিয়ে।

গ্ৰাম্য অৰ্থনীতিত উপযুক্ত কামৰ প্ৰচাৰ হৈছে দৰিদ্ৰতা নিৰ্মূল কৰা আৰু বৰ্ধিত বিশ্বব্যাপী জনসংখ্যাৰ পুষ্টিগত প্ৰয়োজনীয়তা পূৰণ কৰাটো নিশ্চিত কৰাৰ মূল চাবিকাঠি। ইয়াক বহনক্ষম উন্নয়নৰ বাবে ২০৩০ চনৰ কাৰ্যসূচীত স্বীকৃতি দিয়া হৈছে, যি গ্ৰাম্য উন্নয়ন আৰু কৃষি আৰু বিশেষকৈ খাদ্য সুৰক্ষাৰ প্ৰতি মনোযোগ বৃদ্ধি কৰিবলৈ সাজু হৈছে।

ভাৰতবৰ্ষ প্ৰধানত এখন গ্ৰাম্য দেশ, য'ত দুই-তৃতীয়াংশ জনসংখ্যা আৰু ৭০ শতাংশ কৰ্মশক্তি গ্ৰাম্য অঞ্চলত বসবাস কৰে। গ্ৰাম্য অৰ্থনীতিয়ে ৰাষ্ট্ৰীয় উপাৰ্জনৰ ৪৬ শতাংশ গঠন কৰে। নগৰীকৰণ বৃদ্ধি পোৱা সত্ত্বেও দেশখনৰ আধাতকৈও বেছি সংখ্যক জনসাধাৰণ ২০৫০ ত গাঁৱত ৰখাৰ পৰিকল্পনা কৰা হৈছে। এনেদৰে গ্ৰামীণ অৰ্থনীতি আৰু জনসংখ্যা অগ্ৰগতি আৰু বিকাশ হৈছে দেশখনৰ সামূহিক উন্নয়নৰ প্ৰধান চৰ্ত।

ভাৰতৰ গ্ৰাম্য অৰ্থনীতি সন্দৰ্ভত কৰা অধ্যয়নত দেখা গৈছে যে কৰ্মসংস্থানৰ ক্ষেত্ৰত গ্ৰামাঞ্চলত কৃষি আৰু অনাবৃষ্টি খণ্ডত লিংগভিত্তিত ব্যাপক নিয়োগ সম্পন্ন হৈছে। ইয়াৰ বিপৰীতে, গ্ৰাম্য অৰ্থনীতিত কৃষিখণ্ডৰ আধিপত্য সম্পৰ্কে থকা ধাৰণাটো লাহে লাহে সলনি হ'বলৈ লৈছে আৰু কৃষি-বৰ্হিভূত কাম-কাজ সম্পন্ন হ'বলৈ লৈছে। বৰ্তমান গ্ৰাম্য উপাৰ্জনৰ দুই-তৃতীয়াংশ কৃষি-বহিৰ্ভূত কাম-কাজৰ পৰা সম্পন্ন হয়। একেদৰে, আমোদজনকভাৱে দেখা গৈছে যে ভাৰতৰ মূল্য সংযোজিত প্ৰস্তুতকৰণ কাৰ্যৰ আধাতকৈও বেছি অংশ গ্ৰামাঞ্চলত সম্পন্ন হয়। অৱশ্যে কৃষি-বৰ্হিভূত খণ্ডৰ এই প্ৰভাৱশালী অগ্ৰগতিয়ে দেশখনত সদায় সৃষ্টি হৈ থকা কৰ্মক্ষম লোকৰ সংখ্যাৰ তুলনাত সৃষ্টি কৰা নিয়োগৰ পৰিমাণ কম। ই গ্ৰাম্য অৰ্থনীতিৰ স্থানান্তৰ প্ৰক্ৰিয়াক নিৰ্দেশিত কৰিবৰ বাবে এক নতুন পদক্ষেপৰ প্ৰয়োজনীয়তা প্ৰতিপন্ন কৰে।

ভাৰতৰ গ্ৰাম্য অৰ্থনীতি সামগ্ৰিকভাৱে কৃষিভিত্তিক আৰু ইয়াৰ গুৰুত্ব অপৰিসীম। কিয়নো অন্য ভাৰতীয় উদ্যোগ সমূহৰ সৈতে ইয়াৰ যোগান আৰু চাহিদাৰ গুৰুত্বপূৰ্ণ সম্পৰ্ক আছে। দেশখনৰ মাটিৰ সাৰুৱা অৱস্থাই ভাৰতত কৃষিখণ্ডক আকৰ্ষণীয় কৰি তুলিছে। তদুপৰি ভাৰতত গ্ৰাম্য অৰ্থনীতিয়ে সামগ্ৰিক বিকাশৰ লগতে দেশখনৰ সামাজিক অগ্ৰগতিৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ভাৰত পূৰ্বৰ পৰা এখন কৃষিপ্ৰধান দেশ আৰু পৌৰাণিক

কালত কৃষিয়েই আছিল একমাত্র জীৱিকাৰ উৎস। প্ৰাক্-ঐতিহাসিক কালত যেতিয়া কোনো মুদ্ৰাৰ প্ৰচলন নাছিল, সেই সময়ত ভাৰতত লেনদেনৰ বাবে বিনিময় প্ৰথা চলিছিল, অৰ্থাৎ কৃষিজাত সামগ্ৰী অন্য সামগ্ৰীৰ সৈতে সালসলনি কৰা হৈছিল। ভাৰতত কৃষিজাত সামগ্ৰী আৰু পদ্ধতিবিলাক বিভিন্ন ধৰণৰ আৰু এনেকৈয়ে দেশখনত কৃষিজাত সামগ্ৰীৰ বিভিন্নতা প্ৰতিপন্ন হৈছিল। সম্প্ৰতি ভাৰতৰ গ্ৰাম্য অৰ্থনীতি আৰু ইয়াৰ উৎপাদনশীলতাৰ অগ্ৰগতি নিৰ্ভৰ কৰিছে দেশখনৰ গ্ৰামাঞ্চলত বসবাস কৰা ৭০০ নিযুত জনসংখ্যাৰ উন্নয়নৰ ওপৰত।

ভাৰতবৰ্ষৰ গ্ৰাম্য অৰ্থনীতিৰ লগতে সমগ্ৰ দেশৰ অৰ্থনীতিৰ বাবে কৃষি মেৰুদণ্ড স্বৰূপ। ভাৰতবৰ্ষৰ স্বাধীনতাৰ ঠিক পিছতেই আমাৰ আঁচনি প্ৰস্তুতকৰ্তাসকলে কৃষি ক্ষেত্ৰ পূৰ্ণজীৱিত কৰাৰ লক্ষ্যৰে দুটা পদ্ধতি গ্ৰহণ কৰে। এই পদ্ধতিৰ প্ৰথম উপাদানটো হ'ল ভূমি সংস্কাৰ/সংশোধনকৰণ। ইয়াৰ দ্বাৰা ভূমিৰ আনুষ্ঠানিক সমস্যা দূৰীকৰণৰ কাৰণে চেষ্টা কৰা হৈছিল (যিবোৰ সমস্যা বৃটিছ শাসনৰ সময়ৰ ভূমি ব্যৱস্থা দ্বাৰা ভাৰতবৰ্ষৰ লোকে সন্মুখীন হ'বলগীয়া হৈছিল)। দ্বিতীয়তে, ভাৰতবৰ্ষৰ কৃষিগত প্ৰযুক্তিবিদ্যাসমূহ আধুনিক যুগৰ লগত খাপ খোৱাব পৰাকৈ উন্নতকৰণৰ কাৰণে জলসিঞ্চনৰ আৰু আন আন্তঃগাঁথনি সমূহৰ ওপৰত বৃহৎ পৰিমানে বিনিয়োগ কৰা।

**স্বাধীনতাৰ পিছত ভাৰতবৰ্ষৰ গ্ৰাম্য অৰ্থনীতিৰ পৰিৱৰ্তন ঃ**

বৰ্তমান ভাৰতবৰ্ষ কেৱল শস্য উৎপাদনতে আত্মনিৰ্ভৰশীল নহয়, ইয়াৰ কিছু পৰিমানে সংৰক্ষণ কৰিবলৈও সক্ষম হৈছে। ভাৰতবৰ্ষৰ কৃষি ক্ষেত্ৰৰ উন্নতি সাধন স্বাধীন ভাৰতৰ বাবে এক ডাঙৰ সাফল্য।

**কৃষিক্ষেত্ৰৰ পৰিৱৰ্তন ঃ**

ভাৰতবৰ্ষৰ কৃষি সমাজখন, পৰম্পৰাগত কৃষি পদ্ধতিৰ ওপৰতেই নিৰ্ভৰশীল আছিল। কৃষকসকলে হাল বাবলৈ গৰু ব্যৱহাৰ কৰিছিল, ৰাসায়নিক দ্ৰব্য, উন্নতমানৰ সাৰ তথা কীটনাশক দ্ৰব্য আদি ব্যৱহাৰ কৰা নাছিল। সেয়েহে বজাৰত উলিয়াই দিব পৰাকৈ তেওঁলোকৰ কৃষিভূমিৰ পৰা অধিক উৎপাদন হোৱা নাছিল। কিন্তু, আধুনিক প্ৰযুক্তিবিদ্যাৰ আৰম্ভণিয়ে কৃষি প্ৰক্ৰিয়াৰ ক্ষেত্ৰত বহু পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছে।

গ্ৰামাঞ্চলৰ খেতিয়কসকলৰ ক্ষেত্ৰত আধুনিক প্ৰযুক্তিবিদ্যাৰ পৰিচয়ে তেওঁলোকক উৎপাদনৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হোৱাত বহুতো সহায় আগবঢ়াইছে। উন্নত ধৰণৰ মাটি চহোৱা সঁজুলি, অধিক উৎপাদনক্ষম বীজ, ৰাসায়নিক দ্ৰব্য, ৰাসায়নিক সাৰ, ট্ৰেক্টৰ, টিলাৰ, সাৰ চটিওৱা যন্ত্ৰ আৰু আন বহুতো সা-সঁজুলি উন্নত প্ৰযুক্তিবিদ্যাৰ অৱদান স্বৰূপে খেতিয়ক সমাজৰ মাজত পৰিচয় কৰা হয়।

**শস্য ঃ** ১৯৭০ চনত ঘেঁহুৰ ক্ষেত্ৰত হোৱা বহুগুণ সম্পন্ন ধান উৎপাদনৰ পৰিমাণ উল্লেখনীয় আছিল, ১৯৯৫-৯৬ চনত ধান উৎপাদনৰ পৰিমাণ ৭৯.৬ টন আছিল। ১৯৯৪-৯৫ চনত মুঠ শস্য উৎপাদনৰ পৰিমাণে ১৯৫০-৫১ চনৰ ৫১ মিলিয়ন টনৰ পৰা বৃদ্ধি হৈ ১৯১ মিলিয়ন টনলৈ বৃদ্ধি পায়। ৭ম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ছোৱাত মুঠ শস্য উৎপাদনৰ পৰিমাণ ১৫৫ মিলিয়ন টন হয়গৈ।

খেতিয়কসকললৈ উন্নত প্ৰযুক্তিবিদ্যা সৰবৰাহৰ কাৰণে ১৯৮৬ চনত ১৩ খন ৰাজ্য সামৰি এখন ৰাষ্ট্ৰীয় মাহ উন্নয়ন আঁচনি ৰূপায়ন কৰা হয়। ১৯৯৫-৯৬ চনত মাহজাতীয় শস্যৰ উৎপাদন ৰূচ মিলিয়ন টন। কুঁহিয়াৰ খেতিৰ উৎপাদনো উৰ্ধতম পৰ্যায় পায়গৈ। ১৯৯৫-৯৬ চনত ইয়াৰ পৰিমাণ ২৮৩.০ মিলিয়ন টনলৈ বৃদ্ধি হয়।





জলসিঞ্চন ঃ দেশৰ জলসিঞ্চন ব্যৱস্থাৰ ক্ষমতা বৃদ্ধিৰ কাৰণে বহুতো প্ৰচেষ্টা হাতত লৈ অহা হৈছে। যোৱা ৪০ টা বছৰত দেখা গৈছে যে মুঠ জলসিঞ্চন ব্যৱস্থাই ৮ মিলিয়ন হেক্টৰ কৃষি ভূমিক সামৰি লৈছে। বানপানীৰ পূৰ্ব অনুমান কৰিব পৰাটো এই দিশত এক আৱশ্যকীয় কাৰ্য। ৫০০ হাইড্ৰ'ল জিকেল ষ্টেচনে সমল সংগ্ৰহ কৰি ৪০০ ৱাইৰলেচৰ জৰিয়তে ১৫৭ খন স্থানলৈ পঠিয়ায়। বছৰত প্ৰায় ৫০০০ পূৰ্বানুমান কৰি ৯৪ শতাংশ পৰ্যায়লৈ শুদ্ধতা পোৱা যায়। আমাৰ দেশে জল সম্পদৰ উন্নয়নৰ কাৰণে বিশ্ববেংকৰ পৰা আন্তৰ্জাতিক সহায়ো লাভ কৰে। পানী আৰু শক্তিৰ ৰাষ্ট্ৰীয় কেন্দ্ৰ স্থাপনৰ কাৰণে বিশ্ববেংকৰ পৰা আন্তৰ্জাতিক সহায়ো লাভ কৰে।

**সাৰ উৎপাদন ঃ**

যোৱা ৩০ বছৰত ভাৰতবৰ্ষত সাৰ উদ্যোগ অতি প্ৰখৰতাৰে গঢ় লৈ উঠে। এই সাৰসমূহ অতি ভিতৰুৱা আৰু পাহাৰঞ্চলৰ কৃষকসকলেও যাতে লাভ কৰে তাৰ ওপৰত চৰকাৰে গুৰুত্ব প্ৰদান কৰে। অ-ৰাসায়নিক সাৰসমূহ যাতে এক নিৰ্ধাৰিত মূল্যত লাভ কৰিব পাৰে তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। দেশত প্ৰায় ৫৪ টা সাৰৰ গুণাগুণ নিৰ্ধাৰণ কৰা পৰীক্ষাগাৰ আছে। জৈৱ-সাৰক বেছি ফলপ্ৰসূ, সস্তা তথা ৰাসায়নিক সাৰলৈ উপৰঞ্চি উপাদান বুলি গ্ৰহণ কৰি অহা হৈছে। সেয়ে চৰকাৰে জৈৱ-সাৰৰ ব্যৱহাৰ তথা উন্নয়নৰ কাৰণে ৰাষ্ট্ৰীয় প্ৰকল্পৰ প্ৰয়োগ কৰিছে।

**মীনক্ষেত্ৰ ঃ**

১৯৯৫-৯৬ চনৰ শেষলৈ মীন উৎপাদন ৪.৯ নিযুত টনলৈ বৃদ্ধি হয়। ৰাষ্ট্ৰীয় মাছৰ বীজ উন্নয়ন কাৰ্যসূচী, মৎস্য খেতিয়ক বিকাশ এজেন্সি আদি কাৰ্যসূচীয়ে মীন উৎপাদনৰ শীৰ্ষলৈ নিয়াত সহায় কৰে। মীন উৎপাদন পদ্ধতিৰ বিভিন্নতা আৰু ইয়াৰ তৈয়াৰী মীন উৎপাদনৰ অৰ্ধ-বাণিজ্যিক কেন্দ্ৰ আৰম্ভ কৰিবলৈ এটা সংযুক্ত মীন প্ৰকল্প আৰম্ভ কৰিছিল।

**গাঁথনিমূলক পৰিৱৰ্তন ঃ**

ভাৰতৰ কৃষিক্ষেত্ৰত বিভিন্ন সময়ত গাঁথনিমূলক পৰিৱৰ্তন হোৱা দেখা গৈছে। প্ৰাক্-ঔপনিৱেশিক কালৰপৰা ঔপনিৱেশিক আৰু স্বাধীনতাৰ পিছতো বহুতো গাঁথনিমূলক পৰিৱৰ্তন হৈছে। প্ৰাক্-ঔপনিৱেশিক কালছোৱাত কৃষিভিত্তিক জাতি বা প্ৰকৃত কৃষকসকল পোনপটীয়াভাৱে ভূমিৰ মালিক হোৱা নাছিল। এওঁলোকক বাদ দি শাসক শ্ৰেণী বা জমিদাৰ সকলে ভূমিৰ ওপৰত শাসন কৰিছিল। যিবোৰ কৃষক বা খেতিয়কে সেই ভূমিত খেতি কৰিছিল, তেওঁলোকে উৎপাদনৰ এক নিৰ্দিষ্ট অংশ সেই ভূমিৰ জমিদাৰসকলক দিব লাগিছিল। যেতিয়া ব্ৰিটিছসকলে ভাৰতবৰ্ষত উপনিৱেশ স্থাপন কৰিলে। তেতিয়া এই জমিদাৰসকলৰ দ্বাৰাই দেশৰ বহুতো স্থানত শাসন চলাইছিল। ইয়াৰ বাবে শাসক শ্ৰেণীয়ে জমিদাৰসকলৰ সম্পত্তিৰ অধিকাৰো প্ৰদান কৰিছিল। বিট্ৰিছ শাসনৰ সময়তো এই জমিদাৰসকলে আগৰ তুলনাত অধিক ৰূপত ভূমি নিয়ন্ত্ৰণ কৰিছিল। যিহেতু এই ঔপনিৱেশিকসকলে কৃষিৰ ওপৰত বহুত বেছি ভূমি খাজনা প্ৰদান কৰিছিল আৰু ইয়াৰ ফলস্বৰূপে জমিদাৰসকলে যিমান পাৰে সিমান উৎপাদন বা টকা কৃষক সকলৰ পৰা অধিগ্ৰহন কৰিছিল। ফলত কৃষি উৎপাদন অৱনতি হ'বলৈ ধৰে বিট্ৰিছ শাসনত।

বিট্ৰিছ প্ৰশাসনে জমিদাৰী পদ্ধতিৰ দৰে আন কেইটামান মাটিৰ খাজনা পদ্ধতিৰ সূচনা কৰিছিল। সেইকেইটা হ'ল মহলৱাৰী পদ্ধতি আৰু ৰায়তৱাৰী পদ্ধতি। এই পদ্ধতি দুটাত কিছুমান সালসলনি কৰা হৈছিল যদিও প্ৰকৃত উদ্দেশ্য আগৰ দৰেই আছিল অৰ্থাৎ বেছি উৎপাদনতকৈ অধিক খাজনা সংগ্ৰহৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা হৈছিল। এই পদ্ধতিৰ দ্বাৰা বিট্ৰিছসকলে খেতিয়ক শ্ৰেণীক শোষণ কৰিছিল। স্বাধীনতাৰ ঠিক পিছতেই, ভাৰত চৰকাৰে কৃষিৰ ক্ষেত্ৰত বিভিন্ন আঁচনি ৰূপায়ন কৰিছিল। ভাৰত চৰকাৰ আৰু বিভিন্ন ৰাজ্য চৰকাৰসমূহে পঞ্চবাৰ্ষিক পৰিকল্পনাৰ ভিতৰত ভূমি সংশোধনৰ ক্ষেত্ৰত বহুতো প্ৰচেষ্টা হাতত লৈছিল। এই ভূমি সংশোধনে সমগ্ৰ কৃষিক্ষেত্ৰতেই পৰিৱৰ্তন আনি দিয়ে।

**জীৱিকাৰ্জনৰ পৰা বজাৰ অৰ্থনীতিলৈ পৰিৱৰ্তনঃ**

এ.আৰ. দেশাইৰ মতে জীৱিকাৰ্জনৰ পৰা বজাৰ অৰ্থনীতিলৈ পৰিৱৰ্তন বা ৰূপান্তৰ ভাৰতবৰ্ষৰ গ্ৰাম্য সমাজৰ এটা গুৰুত্বপূৰ্ণ পৰিৱৰ্তন। ইতিহাসে কয়, গ্ৰাম্য অৰ্থনীতিয়ে জীৱিকা উপাৰ্জনৰ অৰ্থনীতি ৰূপে পৰিগণিত হৈ আহিছে। বৰ্তমান নগৰীকৰণ আৰু আধুনিকীকৰণৰ ফলস্বৰূপে এই গ্ৰাম্য অৰ্থনীতি বজাৰ সদৃশ অৰ্থনীতিলৈ ৰূপান্তৰিত হ'বলৈ ধৰিছে। ইয়াৰ অৰ্থ এয়া নহয় যে অতীজত অৰ্থাৎ জীৱিকা উপাৰ্জনৰ অৰ্থনীতিত কোনোধৰণৰ বজাৰ ব্যৱস্থা নাছিল। কিন্তু এই বজাৰসমূহ অনুন্নত হোৱাৰ লগতে কেৱল মাত্ৰ প্ৰাথমিক কাৰ্যাৱলীহে সম্পাদন কৰিছিল। যেনে- গাঁৱৰ সকলো লোকলৈ বা কেতিয়াবা চুবুৰীয়া গাঁওলৈ বস্তুৰ যোগান ধৰা। এই ব্যৱস্থাই গাঁৱৰ লোকৰ মাজত বজাৰত বিক্ৰীৰ উদ্দেশ্যে বস্তু উৎপাদনত কেতিয়াও উৎসাহ যোগোৱা নাছিল। কিন্তু, বৰ্তমান আধুনিকীকৰণৰ প্ৰভাৱত গ্ৰামাঞ্চলৰ লোকে কেৱল তেওঁলোকৰ ভৰণ পোষণৰ বাবেই নহয় বজাৰত বিক্ৰীৰ উদ্দেশ্যও উৎপাদন কৰে। এতিয়া বজাৰ ব্যৱস্থা অৰ্থনীতিৰ কেন্দ্ৰ স্বৰূপ হৈ পৰিছে। সেইবাবে ইয়াৰ প্ৰসাৰতাও বৃদ্ধি পাবলৈ ধৰিছে আৰু ই গ্ৰামাঞ্চলৰ লোকৰ মাজতো বিয়পি পৰিছে। গতিকে, আজি বহুত ভিতৰুৱা গাঁৱত বাস কৰা লোকৰ মাজতো বিভিন্ন ধৰণৰ জাতীয় আৰু আন্তৰ্জাতিক কোম্পানীৰ দ্বাৰা প্ৰস্তুত কৰা সামগ্ৰী যেনে- দাঁত চাফা কৰা, মলম, পাউদাৰ, বিস্কুট, ঠাণ্ডা পানীয় ইত্যাদি সহজ লভ্য হৈ পৰিছে। তদুপৰি এই অঞ্চলসমূহত উৎপাদিত কেতবোৰ সামগ্ৰী যেনে- গাখীৰ, কণী, ফলমূল, শাক-পাচলি ইত্যাদিসমূহ চহৰাঞ্চলৰ বজাৰ পাইছে।

**অন্যান্য পৰিৱৰ্তন ঃ**

<u>*গ্ৰাম্য নিয়োগ ব্যৱস্থা ঃ*</u>স্বাধীনোত্তৰ কালত বিশেষকৈ ৯০ দশকৰ সময়ত সাধাৰণতে কৃষিৰ সৈতে জড়িত গ্ৰাম্য নিয়োগ ব্যৱস্থা প্ৰায় স্তব্ধ হৈ গৈছিল। ঔপনিৱেশিক সাম্ৰাজ্যৰ সময়ত ভাৰতীয় কৃষি ক্ষেত্ৰ ওপৰঞ্চি উৎপাদন আৰু টকা বিনিয়োগৰ ক্ষেত্ৰত প্ৰধান সমল আছিল। দেশৰ বাণিজ্য ব্যৱস্থাই দেশৰ সম্পদৰ ৰপ্তানিৰ ক্ষেত্ৰত 'শোষণ যন্ত্ৰ' হিচাপে সহায় কৰিছিল। যদিও এই 'বাণিজ্য' শব্দটো গ্ৰাম্য লোকসকলৰ বাবে অসুবিধাজনক আছিল। ইয়াৰ ফলস্বৰূপে কৃষি আৰু অ-কৃষি খণ্ডৰ মাজত বৈষম্যতাই দেখা দিয়ে।

১৯৯০ চনত ভাৰতবৰ্ষৰ অৰ্থনীতিত মুক্তকৰণ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। এই সময়ত ভাৰতৰ অৰ্থনীতিত অসামঞ্জস্যতা দ্ৰুতভাৱে বৃদ্ধি পাবলৈ লয়। অৰ্থনীতিত গোলকীকৰণ আৰু গাঁথনিমূলক সংস্কাৰৰ উদ্ভাৱনৰ ফলত দেশত উদ্যোগ স্থাপনৰ প্ৰসাৰতা বৃদ্ধি পাবলৈ ধৰিলে। ভাৰতবৰ্ষৰ অৰ্থনীতিৰ স্তব্ধ কালছোৱাত ইয়াৰ উৎপাদন বৃদ্ধিৰ পৰিমাণ তেনেই মন্থৰ গতিৰ আছিল। তদুপৰি সেই সময়ত কৃষি ক্ষেত্ৰত আঞ্চলিক বিভিন্নতা অতি উচ্চ পৰিমাণৰ আছিল আৰু নিবনুৱা সমস্যাৰ বৃদ্ধিত সহায় কৰিছিল। ফলস্বৰূপে কৃষি তথা অ-কৃষি খণ্ডৰ ওপৰত প্ৰৱল হেঁচা পৰিবলৈ ধৰে। যাৰ বাবে ভালে সংখ্যক শ্ৰমিকে সীমিত পৰিমাণৰ আয়ক ভগাই ল'বলগীয়া হৈছিল। গোলকীকৰণৰ প্ৰভাৱত বৃদ্ধি পোৱা অৰ্থনৈতিক অসামঞ্জস্যতাই গাঁৱৰ পৰা চহৰমুখী প্ৰব্ৰজন বৃদ্ধি কৰিবলৈ সক্ষম হৈছে আৰু এই প্ৰব্ৰজনে নিবনুৱা গাঁথনিৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰিছে। অৰ্থনৈতিক ক্ষেত্ৰৰ কৃষি, উদ্যোগ আৰু সেৱা এই তিনিটা মূল খণ্ডৰ ভিতৰত মুঠ নিয়োগৰ পৰিমাণ কৃষি ক্ষেত্ৰত হ্ৰাস পাবলৈ ধৰিলে। আনহাতে উদ্যোগ আৰু সেৱা খণ্ডৰ ইয়াৰ পৰিমাণ বৃদ্ধি পাবলৈ লয়। ১৯৭৩ ১ পৰা ২০০০ চনলৈ কৃষিখণ্ডত এই পৰিমাণ ৭৪ ৰ পৰা ৫৬ শতাংশলৈ হ্ৰাস পায়। আনহাতে ঔদ্যোগিক খণ্ডত এই পৰিমাণ ১১ ৰ পৰা ১৭ তথা সেৱাখণ্ডত ১৪ ৰ পৰা ২৫ শতাংশলৈ বৃদ্ধি পায়।

এইদৰে গ্ৰাম্য নিয়োগ পৰিৱৰ্তন হয়। বৰ্তমান গ্ৰাম্য সমাজৰ লোকসকল কেৱল মাত্ৰ কৃষি খণ্ডতেই নহয় অৰ্থনীতিৰ আন খণ্ডসমূহতো নিয়োগ হৈ আছে। ভাৰত চৰকাৰে দৰিদ্ৰতা নিবাৰণৰ ক্ষেত্ৰত বিভিন্ন আঁচনি ৰূপায়ন কৰিছে।



আৰু এইবোৰেও এই দিশত বহুত সহায় আগবঢ়াইছে।


*গ্ৰাম্য দৰিদ্ৰতা ঃ* বিট্ৰিছ শাসনৰ কালছোৱাত ভাৰতীয় লোকসকল বিভিন্ন ধৰণৰ কষ্টৰ সন্মুখীন হ'বলগীয়া হৈছিল। ভাৰতীয় লোকসকল তেতিয়া অধিক দৰিদ্ৰ আছিল। দেশৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ মতে ভাৰতবৰ্ষৰ যিবোৰ ঠাই বহুদিনলৈ বিট্ৰিছৰ শাসনত আছিল সেইবোৰ আজি আটাইতকৈ দুখীয়া ঠাই। স্বাধীনতা লাভ কৰাৰ পাছত দেশৰ লোকসকলৰ বিভিন্ন ধৰণৰ উন্নতি হয়। বৰ্তমানৰ আমাৰ দেশৰ ভালেসংখ্যক লোক দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত বসবাস কৰি আছে যদিও আজি কিছুবছৰৰ পৰা ইয়াৰ হাৰ ক্ৰমান্বয়ে হ্ৰাস পাবলৈ ধৰিছে। বিশ্ব বেংকে তৈয়াৰ কৰা ২০০৫ চনৰ পৰিসংখ্যা অনুযায়ী ভাৰতবৰ্ষৰ ৪৫৬ নিযুত লোকৰ ভিতৰত ৪১.৬ শতাংশ জনসংখ্যা নতুন আৰ্ন্তজাতিক দৰিদ্ৰতা ৰেখাৰ তলত অৰ্থাৎ প্ৰতিদিনে ১.২৫ ডলাৰৰ তলত কাম কৰে। বিশ্ব বেংকে পুনৰ প্ৰকাশ কৰিছে যে বিশ্বৰ দৰিদ্ৰ লোকৰ ৩৩ শতাংশ লোক ভাৰতত বাস কৰে।

আনহাতে, ভাৰতৰ পৰিকল্পনা আয়োগে নিজস্ব মানৰ ভিত্তিত তৈয়াৰ কৰা হিচাপ অনুযায়ী ২০০৪-২০০৫ বৰ্ষত ভাৰতৰ ২৭.৫ শতাংশ লোক



দৰিদ্ৰতাৰ সীমা ৰেখাৰ তলত বাস কৰে। এই পৰিমাণ ১৯৭৭-৭৮ চনত ৫২.৩ শতাংশ আৰু ১৯৯৩-৯৪ চনত ৩৬ শতাংশলৈ হ্ৰাস পায়। পৰিসংখ্যা অনুযায়ী ২০০৪-২০০৫ বৰ্ষত ২৮.৩ শতাংশ গ্ৰাম্য লোক, ২৫.৭ শতাংশ চহৰীয়া আৰু ২৭.০ শতাংশ ভাৰতবৰ্ষৰ মুঠ জনসংখ্যা দৰিদ্ৰতাৰ পৰিমাণ হ্ৰাস পায় কিন্তু বৰ্তমানেও ভাৰতৰ ৭৫ শতাংশ দৰিদ্ৰ লোক গ্ৰামাঞ্চলত বাস কৰে আৰু তেওঁলোকৰ সৰহসংখ্যকেই দিন হাজিৰা কৰা, স্ব-নিয়োজিত আৰু ভূমিহীন শ্ৰমিক।

স্বাধীনতাৰ পাছত ভাৰতবৰ্ষৰ গ্ৰাম্য অৰ্থনীতিৰ এনে সমূহ পৰিৱৰ্তনৰ কাৰণ হ'ল বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱ, উদ্যোগীকৰণৰ প্ৰভাৱ, নগৰীকৰণ আৰু গ্ৰাম্য প্ৰব্ৰজনৰ প্ৰভাৱ, মুক্তকৰণ আৰু গোলকীকৰণৰ প্ৰভাৱ, গৌণ আৰু সেৱাখণ্ডৰ বিকাশ, গ্ৰামাঞ্চলৰ দৰিদ্ৰতা নিবাৰণ।



Article

# Russia-Ukraine War
# Its Impact on the World Economy

**Sumpi Dutta**

It is recently a controversial topic- the Russia and Ukraine war that shook the whole world. The war begans at the start of the year, 2022. Due to some political issues, the presidents of both Russia and Ukraine Vladimir Putin and Volodymyr Zelenskyy created a major issue between themselves.

The war between these European countries is still going on and it has no sign of coming to an end. Many strong and powerful countries are not much in support of Russia though Russia has been seeking help for a long time.

This issue brings a major impact on the world economy. As we can see, the economy of Russia got shrink by 35% in DGP and the economy of Ukraine got shrink by almost 8.5% GDP. Nowadays, the prices of almost cheap goods and products are rising higher and higher day by day. The price hike in prtrol created hazardous conditions among the people. Price hike can also be seen in some of our day to day edible from vegetables to small packet foods.

If the war goes on for a longer time, there may be scarcity in oil. Oil products which are eatable are mostly imported from Russia. Due to the ongoing war, the export-import business from these European countries will be problematic. Not only in India, but other European and Asian countries are facing more problem as their economy is greatly impacted by the war.

The world economy is being badly impacted by this Russia-Ukraine issue. It can be said that there are almost experiencing World War III. Poor people are suffering more. Peace may come to the lives of these people and both this countries should pave a way to create understanding between them.



# ভাৰতীয় পুথিভঁৰাল ব্যৱস্থা আৰু আমাৰ কৰণীয়

**স্বপ্নাৰেখা দুৱৰা**

জ্ঞান চৰ্চাৰ অন্যতম কেন্দ্ৰ পুথিভঁৰাল, মানৱ সভ্যতাৰ মহৎ অৱদান। জ্ঞান বিস্ফোৰণৰ বৰ্তমান সময়ত পুথিভঁৰালৰ প্ৰয়োজনীয়তা সম্পৰ্কে কোৱা নিষ্প্ৰয়োজন। দেশত প্ৰচলিত শিক্ষানুষ্ঠান বিলাকতকৈ পুথিভঁৰালৰ মহত্ব কোনো গুনে কম নহয়। বালক, যুৱা, বৃদ্ধ নিৰ্বিশেষে সকলোৱে জ্ঞান আহৰণ কৰিব পৰা অনুষ্ঠান পুথিভঁৰাল এক সাৰ্বজনীয় অনুষ্ঠান। যি ঠাইত পুথিভঁৰাল নাই সেই ঠাইত বিস্তৃত জ্ঞান-চৰ্চাৰ পৰিৱেশ নাই বুলি ক'ব পাৰি। পুথিভঁৰালে কোনো এখন ঠাইৰ বৌদ্ধিক উন্নতিৰ পৰিচয় দাঙি ধৰে। সেইবাবে পুথিভঁৰাল বিকল্প শিক্ষানুষ্ঠানলৈ ৰূপান্তৰিত হৈছে।পুথিভঁৰাল হৈছে পুথি বা গ্ৰন্থৰ ভঁৰাল। আন কথাত ক'বলৈ হ'লে পুথিভঁৰাল জ্ঞানৰ ভঁৰাল কিয়নো জ্ঞান-চৰ্চাৰ আৰু জ্ঞান আহৰণৰ প্ৰধান



উৎস কিতাপ বা পুথি বহু পৰিমানে পুথিভঁৰালত জমা ৰখা হয়। অভিধানিক অৰ্থত পুথিভঁৰাল মানে এনে ঘৰ বা কোঠা য'ত পুথি সংৰক্ষণ কৰা হয় আৰু অধ্যয়ন কৰা হয়। শিক্ষানুষ্ঠানৰ অনুমোদিত পুথি জ্ঞানৰ বাহিৰে মানুহে বহু জ্ঞান আয়ত্ত কৰিব লগা হয়। যিবোৰ কিতাপ শিক্ষানুষ্ঠানৰ পাঠ্যক্ৰমভুক্ত নহয়, তেনে কিতাপ পুথিভঁৰালত পঢ়িবলৈ পোৱা যায়। দৰাচলতে শিক্ষানুষ্ঠানৰ জ্ঞানে বিস্তৃত অধ্যয়নৰ পথহে মুকলি কৰে। পৃথিৱীৰ জ্ঞান আয়ত্ত কৰিবলৈ হ'লে পুথিভঁৰালত অধ্যয়নত আৱশ্যক হয়। তেনে পুথিভঁৰাল সামাজিক বা ব্যক্তিগত পুথিভঁৰালো হ'ব পাৰে। বৰ্তমান সময়ত পুথি অধ্যয়ন গ্ৰন্থ সংৰক্ষণ আৰু প্ৰচাৰ বিশ্বজুৰি হ'ব ধৰিছে। প্ৰতিবছৰে সমগ্ৰ পৃথিৱীত বৃহৎ পৰিমানৰ নতুন গ্ৰন্থ সৃষ্টি হৈছে আৰু ব্যাপক হাৰত গ্ৰন্থ অধ্যয়ন হ'ব ধৰিছে। গ্ৰন্থৰ চাহিদা বৃদ্ধি ফলত গ্ৰন্থ বিক্ৰীত ব্যাপক হাৰত বৃদ্ধি পোৱালৈ চাই ইয়াক এক আন্দোলন বুলিয়ে ক'ব



পাৰি। গ্ৰন্থ আন্দোলন শক্তিশালী কৰাৰ ক্ষেত্ৰত পুথিভঁৰালে প্ৰধান হোতা যি মানৰ সভ্যতাক উচ্চ স্তৰলৈ গতিশীল কৰিব পাৰে। পুথিভঁৰালৰ ইতিহাস গ্ৰন্থ সৃষ্টিৰ সমানে পুৰণি। পুথি সংগ্ৰহ পুথিভঁৰালৰ আৰম্ভণি বুলি কোৱা হয়। খৃঃ পূঃ ৮০০০ বছৰ মানৰ পৰা পুথি সংগ্ৰহৰ ব্যৱস্থা ভাৰতবৰ্ষত আৰম্ভ হৈছিল বুলি পোৱা যায়।





# সামাজিক মাধ্যম আৰু শিক্ষাৰ্থী

শিক্ষাৰ্থীৰ কাৰণে সামাজিক মাধ্যমৰ ব্যৱহাৰ কৰাটো একপ্ৰকাৰে ভাল যদিও ইয়াৰ দ্বাৰা যথেষ্ট অপকাৰো হোৱা দেখা যায়। যদি শিক্ষাৰ্থীগৰাকীয়ে সামাজিক মাধ্যমবোৰৰ সঠিক ব্যৱহাৰ কৰে, তেতিয়া ইয়াৰ যোগেদি বহু নজনা কথা শিকিব পাৰি। সামাজিক মাধ্যমত বিভিন্ন প্ৰশ্নৰ উত্তৰ লাভ কৰাত সহজ হয়। আনহাতে ইয়াৰ কু-প্ৰভাৱে শিক্ষাৰ্থীৰ জীৱন বিপদাপন্ন কৰি তুলিব পাৰে। তদুপৰি সামাজিক মাধ্যম বৰ্তমান সময়ত মনোৰঞ্জনৰ এৰাব নোৱাৰা মাধ্যম হিচাপে পৰিণত হৈছে। কিন্তু মনোৰঞ্জনৰ সমসাময়িকভাৱে সামাজিক মাধ্যমবোৰত বিভিন্ন অসৎ চৰিত্ৰৰ লোকে হেক কৰি শিক্ষাৰ্থীৰ জীৱন বিপদাপন্ন কৰি তোলাৰ আশংকাও আছে। গতিকে সামাজিক মাধ্যমৰ ব্যৱহাৰ কৰোতে সচেতন হোৱা প্ৰয়োজন।

সামাজিক মাধ্যম বৰ্তমান সৃষ্টিশীল প্ৰতিভা বিকাশৰ মাধ্যম হিচাবেও ব্যৱহাৰ হোৱা দেখা গৈছে। নিজৰ সৃষ্টিৰাজী সামাজিক মাধ্যমৰ যোগেদি প্ৰকাশ কৰি ইয়াৰ দ্বাৰা উৎসাহ অনুপ্ৰেৰণাৰ লগতে শিক্ষাৰ্থীয়ে প্ৰতিভা বিকাশ কৰিবলৈ সক্ষম হ'ব পাৰে।

**প্ৰস্তুতি বৰা**




# বুৰঞ্জীৰ গদ্য


## ৰুক্মিনী দলে

অসমীয়া সাহিত্যৰ ইতিহাসত মধ্যযুগত ৰচিত বুৰঞ্জী সাহিত্যৰ এক বিশিষ্ট আসন আছে। অসমীয়া সাহিত্যৰ ভঁৰাললৈ আগবঢ়োৱা বুৰঞ্জী সাহিত্য আহোমসকলৰ অনন্য অৱদান। আহোমসকলেই অসম দেশৰ বুৰঞ্জী লিপিবদ্ধ কৰা প্ৰথম বাটকটীয়া। ত্ৰয়োদশ শতিকাৰ তৃতীয় দশকত আহোমৰ প্ৰথম ৰজা স্বৰ্গদেউ চুকাফাই অসমৰ উত্তৰ-পূব চুকেদি পাটকাই পৰ্বত পাৰ হৈ অসমত প্ৰৱেশ কৰাৰ পাছতেই তিনি পণ্ডিতক বুৰঞ্জী লিখিবলৈ নিৰ্দেশ দিয়াৰ কথা বুৰঞ্জীত উল্লেখ আছে। আহোম ৰজাসকলৰ পৃষ্ঠপোষকতাত বুৰঞ্জীসমীহ প্ৰায় ষোড়শ শতিকাৰ পৰা ঊনবিংশ শতিকালৈ ৰচনা কৰা হয়। বুৰঞ্জীসমূহ প্ৰথমতে টাই ভাষাতে লিখা হৈছিল। কিন্তু আহোমসকলে অসমত ৰাজ্য স্থাপন কৰাৰ পাছত থলুৱা



তিৰোতা বিয়া কৰাই অসমীয়া ভাষাক আহোম ৰাজচ'ৰাৰ ভাষা হিচাপে আঁকোৱালি লোৱাৰ পাছত অসমীয়া ভাষাতো বুৰঞ্জী প্ৰণয়ন কৰিবলৈ ধৰিলে। বুৰঞ্জীসমূহত প্ৰধানকৈ আহোম ৰজাসকলৰ ৰাজনৈতিক জীৱন বুৰঞ্জী লিপিবদ্ধ কৰা হৈছিল। অসমীয়া ভাষাত ৰচিত সৰহ সংখ্যক বুৰঞ্জী গদ্য মাধ্যমত লিখা। বুৰঞ্জী গদ্যৰ ভাষা নিতান্তই সহজ-সৰল আৰু পোনপটীয়া। বুৰঞ্জী গদ্যত সাধাৰণ মানুহৰ কথনভংগীৰ উপৰি ৰাজকীয় কথনভংগীৰ ঠাঁচ এটাও পৰিলক্ষিত হয়। বুৰঞ্জীসমূহৰ গদ্য ভাষাত তৎসম, তদ্ভৱ শব্দৰ উপৰি মাজে মাজে




দেশৰ শব্দ, আহোম ভাষাৰ শব্দ আৰু হিন্দী, আৰবী, ফাৰ্চী আদি ভাষাৰ শব্দৰ প্ৰয়োগ মন কৰিবলগীয়া। বুৰঞ্জী গদ্যসমূহত কিছুমান সুকীয়া গদ্যশৈলীৰ বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। তলত সেই সমূহৰ সম্পৰ্কে চমু আলোচনা আগবঢ়াবলৈ চেষ্টা কৰা হ'ল-

কেইখনমান বুৰঞ্জী হ'ল- 'পুৰণি অসম বুৰঞ্জী', 'তুংখুঙীয়া বুৰঞ্জী', 'অসম বুৰঞ্জী', 'সাতসৰী অসম বুৰঞ্জী', 'জয়ন্তীয়া বুৰঞ্জী', 'কছাৰী বুৰঞ্জী', 'ত্ৰিপুৰা বুৰঞ্জী', আদি বহুতো বুৰঞ্জীয়ে অসমীয়া সাহিত্যৰ ভেটি চহকী কৰিছে।

বুৰঞ্জীৰ গদ্যত সহজ-সৰল ঘৰুৱা শব্দাৱলী ব্যৱহাৰে বৰ্ণনীয় বিষয়ক অধিক স্পষ্ট কৰি তুলিছে। বুৰঞ্জী গদ্যত আহোমৰ ৰজা আৰু ৰাজবিষয়া সকলৰ মাজত প্ৰচলিত ৰাজকীয় গাম্ভীৰ্যপূৰ্ণ কথোপকথনৰ নমুনাও পোৱা যায়। কথোপকথন ৰীতিত যথাসাময়িক কথনভংগীৰ ঠাঁচ এটাও পোৱা যায়। বুৰঞ্জীৰ গদ্যত সমসাময়িক জনজীৱনৰ প্ৰতিফলন ঘটিছে। বুৰঞ্জীৰ গদ্যত চিত্ৰধৰ্মী প্ৰকাশভংগীত পৰিলক্ষিত হয়।

ইয়াৰ উপৰি বুৰঞ্জী গদ্যত নাটকীয় কথনভংগী, বৰ্ণনা, নীতিৰ সংক্ষিপ্ততা, মিশ্ৰিত অসমীয়া ভাষাৰ প্ৰয়োগ, প্ৰত্যক্ষ উক্তিৰ প্ৰয়োগ, দেশী-বিদেশী বহুতো ভাষা বৈশিষ্ট্য বুৰঞ্জীৰ গদ্যত দেখিবলৈ পোৱা যায়।

## জানিবলগীয়া তথ্য

- নীলমণি ফুকন (ককা) দেৱক সদ্যহতে কি বঁটাৰে বিভূষিত কৰা হৈছিল?
ঃ জ্ঞানপীঠ বঁটা
- বৰ্তমান অসমৰ ৰাষ্ট্ৰীয় উদ্যান কেইখন?
ঃ ৭ খন।
- অসমত শেহতীয়াকৈ সংযোগ কৰা ৰাষ্ট্ৰীয় উদ্যানখনৰ নাম কি?
ঃ ৰাইমনা ৰাষ্ট্ৰীয় উদ্যান
- কাৰ শাসন কালত কাঠ-বাঁহৰ প্ৰথম ৰংঘৰ প্ৰতিষ্ঠা কৰা হৈছিল?
ঃ ৰুদ্ৰ সিংহ
- কোনবিধ গছক অসমৰ জাতীয় গছ হিচাবে জনা যায়?
ঃ হোলোং



# শব্দ প্ৰদূষণৰ ভয়াৱহ ৰূপ

প্ৰিয়ংকা টাইদ




পৰিৱেশত বায়ু তথা পানী প্ৰদূষণে যেনেকৈ পৃথিৱীখন গ্ৰাস কৰি পেলাইছে, ঠিক তেনেকৈ শব্দ প্ৰদূষণো দিনে দিনে বাঢ়ি গৈছে। বায়ু তথা পানীৰ প্ৰদূষণ ৰোধ কৰাৰ ব্যৱস্থা লৈছে। কিন্তু শব্দ প্ৰদূষণক এতিয়াও গুৰুত্ব সহকাৰে লোৱা হোৱা নাই। ইয়াক ৰোধ নকৰিলে ভয়ানক ৰূপত পৰিণত হ'ব।

শব্দ প্ৰদূষণৰ ফলত হ'ব পৰা সমস্যা হ'ল মানসিক অস্থিৰতা বা অশান্তি, টোপনি ভালদৰে নোহোৱা, হৃদযন্ত্ৰৰ ৰক্তচাপজনিত ৰোগ, শ্ৰৱণশক্তিৰ দুৰ্বলতাৰ লগতে আন বহুতো বিসংগতিয়ে দেখা দিব পাৰে। মানুহৰ লগতে সমূহ জীৱ-জন্তু, চৰাই-চিৰিকটিবোৰেও এই প্ৰদূষণৰ বাবে নানা সমস্যাত ভূগিব লগা হয়। জনসংখ্যা বৃদ্ধি লগে লগে গাড়ী-মটৰৰ সংখ্যা সাংঘাতিকভাৱে বাঢ়ি যোৱাৰ ফলস্বৰূপে যান-বাহনৰ ইঞ্জিনৰ শব্দবোৰ অতি মাত্ৰা বৃদ্ধি হৈছে। চিকিৎসালয় সমূহত No Horn ফলক বুলি লগোৱা থাকে। কাৰণ ৰোগী

চোৱাৰ সময়ত চিকিৎসক তথা চিকিৎসাকৰ্মী সকলে ৰোগীক অতি গুৰুত্ব তথা মনোযোগেৰে পৰীক্ষা-নিৰীক্ষা কৰা প্ৰয়োজন। সেয়ে যিকোনো অতিশব্দই চিকিৎসাকৰ্মীৰ লগতে ৰোগীকো বিপদত পেলাই। আনহাতে স্কুল-কলেজৰ ওচৰত হোৱা যিকোনো বিকৃত শব্দই শিক্ষকৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মনোযোগত ব্যাঘাত জন্মায়। আমি দীপাৱলীত ব্যৱহাৰ কৰা ফটকাৰ শব্দই মানুহৰ স্বাস্থ্যৰ লগতে আন জীৱৰ স্বাস্থ্যৰ ওপৰতো প্ৰভাৱ পেলায়। অকস্মাৎ হোৱা ডাঙৰ শব্দই চৰাইৰ হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ মৃত্যু হোৱা বুলি প্ৰমাণিত হৈছে। আনহাতে এচাম মানুহে পাৰ্টি কৰাৰ নামত গোটেই ৰাতি উচ্চস্বৰত গান বজাই আন এক শব্দ প্ৰদূষণেৰে ওচৰ-চুবুৰীয়াৰ বাবে এটা অস্বস্তিকৰ পৰিৱেশ সৃষ্টি কৰি আহিছে।

ঘৰত ব্যৱহাৰ কৰা বিভিন্ন যন্ত্ৰপাতি যেনে- ৰেডিঅ', টিভি, আদি কল-কাৰখানাত ব্যৱহাৰ কৰা বিভিন্ন যন্ত্ৰপাতি আদি শব্দ প্ৰদূষণৰ উৎস। জীৱৰ



স্বাভাৱিক জীৱন যাত্ৰাত চিঞৰ-বাখৰ এটা অবিচ্ছেদ্য অংগ। এই চিঞৰ-বাখৰ এটা নিৰ্দিষ্ট সীমা অতিক্ৰম কৰি গ'লে মানুহৰ পৰিৱেশ বিনষ্ট হয়। শব্দ প্ৰাবল্য ৮৫ ডেছিবেলতকৈ বেছি হ'লে মানুহৰ শ্ৰৱণ শক্তি নষ্ট হয়।




## অনলাইন শিক্ষাৰ সুবিধা-অসুবিধা

সমগ্ৰ বিশ্বতে কৰোণা মহামাৰীয়ে সন্ত্ৰাস সৃষ্টি কৰাৰ ফলত সকলো প্ৰকাৰৰ লগতে শিক্ষাৰ পৰাও ছাত্ৰ-ছাত্ৰীসকলৰ একপ্ৰকাৰ বঞ্চিত হোৱাৰ উপক্ৰম হৈছিল। তেনে সময়তে পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি অনলাইন শিক্ষা ব্যৱস্থাৰ প্ৰচলন আৰম্ভ হ'ল।

যিহেতু অনলাইন শিক্ষা ব্যৱস্থাটো আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে নতুন, সেয়ে ছাত্ৰ-ছাত্ৰীসকলৰ আগ্ৰহ দেখা পোৱাৰ লগতে অনলাইন পাঠদানসমূহ ৰেকৰ্ডিং কৰি ৰাখি পুনৰ ইয়াৰ পৰা বুজিবলৈ সহজ হয়। তদুপৰি শ্ৰেণীকোঠাত উদ্ভৱ হোৱা নানা সমস্যাসমূহ অনলাইন পাঠদান পক্ৰিয়াত সুবিধা কৰি ল'ব পাৰি।

এই অনলাইন শিক্ষা ব্যৱস্থাৰ কেতবোৰ অসুবিধাও নথকা নহয়। অনলাইন শিক্ষা ব্যৱস্থাৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে ম'বাইল, লেপটপ আদি ক্ৰয় কৰাটো বাধ্যতামূলক হৈ উঠিছে। অত্যাধিক ম'বাইল তথা কম্পিউটাৰৰ সৈতে ব্যস্ত থকাৰ ফলত চকুৰ লগতে অন্যান্য স্নায়ুজনিত ৰোগ হোৱা দেখা যায়। অন্যহাতে একাংশ ছাত্ৰ-ছাত্ৰীয়ে অভিভাৱকসকলক অনলাইন পাঠদান গ্ৰহণ কৰা বুলি কৈ ইণ্টাৰনেট, ভিডিঅ' গেম আদিত ব্যস্ত হৈ থকাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক দিশত ক্ষতিৰ সন্মুখীন হোৱাও দেখা গৈছে।

**ৰিয়া হাজৰিকা**

# শিশু মনোবিজ্ঞানৰ জ্ঞান বিকাশৰ ঐতিহাসিক দৃষ্টিভংগী আৰু মতবাদ

## টাছকিয়া ৰহমান বৰুৱা

শিশুটিয়ে মাতৃগৰ্ভত স্থিতি লোৱাৰ পৰা আৰম্ভ কৰি কৈশোৰ কালৰ আৰম্ভণিলৈকে যিমান সময়ৰ প্ৰয়োজন হয় আৰু শূণ্যৰ পৰা বাৰ বছৰ বয়সৰ সময়ছোৱাক শিশু পৰ্যায় বা শিশুৰ সময় বুলিব পাৰি।

শিশুৰ শৈশৱকালীন আচৰণ বা শিশু মনোবিজ্ঞান সম্বন্ধে প্ৰাচীন কালৰ পৰাই যথেষ্ট গুৰুত্ব দিয়া হৈছিল যদিও কুৰি শতিকাৰ পৰা বিজ্ঞান সন্মতভাৱে শিশু মনোবিজ্ঞানৰ অধ্যয়নৰ প্ৰয়োজনীয়তাৰ বিকাশ আৰু জনপ্ৰিয়তা বৃদ্ধি পাইছে। শিশুৰ 'বিকাশ' হোৱাৰ ধাৰণাটো





এক স্বচ্ছতা, স্পষ্ট আৰু আনকি স্ব-প্ৰমাণিত ধাৰণা যেন লাগে শিশু সৰুকৈ জন্ম হয়, পৃথিৱীখন সীমিত উপায়েৰে জ্ঞানে, আন লোকক শৰীৰ বা মনত নিজৰ পৰা পৃথক বুলি কম বা কোনো বুজা বুজি নাপায় আৰু সামাজিক সম্পৰ্ক বা নৈতিকতাৰ কোনো বুজাবুজি নাই। সেইবাবে ডাঙৰ হৈ ভৌতিক আৰু সামাজিক পৃথিৱীৰ বিষয়ে শিকে। বিভিন্ন সহযোগিতামূলক সামাজিক গোটত যোগদান কৰে। আৰু শুদ্ধ আৰু ভুলৰ অধিক জটিল অনুভূতি বিকাশ কৰে।

**দাৰ্শনিক দৃষ্টিভংগী বা তত্ত্বঃ**

শিশু অধ্যয়নৰ দিশত দাৰ্শনিক সকলৰ দৃষ্টি প্ৰথমে আকৰ্ষিত হয়। খ্ৰীষ্ট জন্মৰ ৪০০ বছৰৰ পূৰ্বে তথা খ্ৰীষ্টীয় প্ৰথম শতিকাত গ্ৰীক দাৰ্শনিক প্লেটোৱে পোন প্ৰথমবাৰৰ বাবে শিশু বিকাশ আৰু শিশু শিক্ষাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি মত পোষণ কৰিছিলে যে, "প্ৰতিটো শিশুৰেই যোগ্যতা আৰু ক্ষমতাৰ ব্যক্তিগত পাৰ্থক্য পৰিলক্ষিত হয়। যি শিশুৰ যেনে যোগ্যতা বা ক্ষমতাৰ অধিকাৰী তাক তেনেদৰেই শিক্ষা দিব লাগে।" শিশু বিকাশ আৰু শিক্ষাৰ ক্ষেত্ৰত তেওঁ বহুকেইটামান দিশ আঙুলিয়াই দিছিল। তেওঁ শিশুক ব্যক্তিগতভাৱে নিৰীক্ষণৰ ব্যৱস্থা কৰি তাৰ ভেটি শিশুৰ জন্মগত পাৰ্থক্য বা সম্ভাৱনা আহৰণৰ নিজস্ব প্ৰয়োজনীয়তা বা স্বাভাৱিক যোগ্যতাৰ ওপৰত গুৰুত্ব দি শিশুৰ পূৰ্ণতা সম্ভুত সম্ভাৱনাসমূহ কাৰ্যকৰী কৰি শিশুৰ বিকাশৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এনে দৃষ্টিভংগীৰ বাবেই প্লেটোক শিশু শিক্ষা বিষয়ৰ পিতৃ দেৱতাস্বৰূপ তথা জন্মদাতা বুলি ক'ব পাৰি।

শিশুৰ বিকাশৰ বাবে প্ৰদান কৰা ক্ৰিয়াভিত্তিক শিক্ষানীতি আৰু পদ্ধতি বৰ্তমান অধিক জনপ্ৰিয় হৈ উঠিছে।

**জৈৱিক তত্ত্ব বা দিশ ঃ** শিশু মনোবিজ্ঞানৰ দিশত জীৱবিজ্ঞানীসকলৰ দৃষ্টিভংগীও লেখত ল'বলগীয়া। ১৯ শ শতিকাত মানৱ বিৱৰ্তন সম্পৰ্কীয় নতুন তত্ত্ব উদ্ভাৱন কৰি বিখ্যাত জীৱবিজ্ঞান চাৰ্লছ ডাৰউইনে বিশ্বত আলোড়নৰ সৃষ্টি কৰে। তেওঁ ১৮৭৭ চনত তেওঁৰ বিখ্যাত গ্ৰন্থ 'A Biological Sketch of on Infant' প্ৰকাশ কৰি শিশু বিকাশ তথা মনোবিজ্ঞান দিশলৈ নতুন তত্ত্বৰ সম্ভেদ আগবঢ়ালে। এই গ্ৰন্থখনৰ জড়িয়তে শিশু বিকাশৰ ক্ষেত্ৰত থকা জৈৱিক দিশটোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰে। তেওঁৰ প্ৰাকৃতিক নিৰ্বাচন তত্ত্ব আৰু ক্ৰম-বিৱৰ্তনবাদ তত্ত্ব এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখযোগ্য।

**আত্মজীৱনীমূলক তত্ত্ব ঃ**

শিশুৰ মনোবৈজ্ঞানিক বিকাশৰ প্ৰথম প্ৰণালীবদ্ধ নিৰীক্ষণৰ তথ্যপাতিক বিষয় হিচাপে লৈ আত্মজীৱনীমূলক তত্ত্ব প্ৰকাশিত হ'ল। টিয়েডমেন নামৰ মনোবিজ্ঞানীজনে জন্ম পৰা আঠ বছৰীয়া শিশুৰ জীৱন-বুৰঞ্জী ৰচনা কৰিছিল। এনে জীৱন বুৰঞ্জী মূল ভেটি হৈছে শিশুৰ বিকাশ নিৰীক্ষণ যুগুতোৱা তত্ত্ব।

**মনোবৈজ্ঞানিক পৰিমাপনৰ তত্ত্ব ঃ**

শিশু মনোবিজ্ঞানৰ ক্ষেত্ৰত মনোবৈজ্ঞানিক দৃষ্টিভংগী আগবঢ়োৱাৰ ক্ষেত্ৰত আমেৰিকাৰ মনোবিজ্ঞানীসকলে বিশেষ অৰিহণা যোগায়। বিজ্ঞানী ষ্টেনলি হ'লে ১৮৮৩ চনত 'Contents of children's mind on entering school' নামৰ গ্ৰন্থ আৰু ১৯০৪ চনত Adolescence নামৰ গ্ৰন্থ দুখন প্ৰকাশ কৰি শিশু অধ্যয়নৰ প্ৰতি সমগ্ৰ বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰে।

**মনঃসমীক্ষণবাদ বা মনোবিশ্লেষণ তত্ত্ব ঃ**

ভিয়েনাৰ স্নায়ু বিশেষজ্ঞ আৰু চিকিৎসক চিসমাণ্ড ফ্ৰয়ড এ কুৰি শতিকাৰ দ্বিতীয় দশকৰ ভিতৰতে মনঃ সমীক্ষণবাদ বা মনোবিশ্লেষণ চিন্তাধাৰা গঢ় দি তোলে। এই তত্ত্বতে পোন প্ৰথমবাৰৰ বাবে মনোবিজ্ঞানীক জগতত শৈশৱকালীন অভিজ্ঞতাৰ পুং খেদি শিশু বিকাশত শৈশৱকালৰ ভূমিকা সম্পৰ্কে উল্লেখযোগ্য বৰঙণি আগবঢ়াইছিল। তেওঁ অচেতন মনৰ

বিশ্লেষণ পদ্ধতিৰ দ্বাৰা মানসিক ৰোগ নিৰাময়ৰ উপায় অধ্যয়ন কৰিছিল আৰু চিকিৎসা ব্যৱস্থা গ্ৰহণ কৰিছিল। তেওঁৰ মতে মানসিক অস্বাভাৱিকতা মানসিক ৰোগ আদিত ব্যক্তিৰ অৱদমিত আশা-আকাংক্ষাৰ প্ৰভাৱ দেখা যায়। ব্যক্তিৰ মানসিক ৰোগ নিৰাময়ৰ বাবে তেওঁ সম্মোহন পদ্ধতি, তাৰ লাঘৱ পদ্ধতি বিৰোচন মুক্ত অনুসংগ পদ্ধতি আদিৰ সহায় লোৱাৰ ওপৰত গুৰুত্ব দিছিল।

**১৭ শ শতিকাৰ সময়ত শিশু মনোবিজ্ঞানৰ ধাৰণাঃ**

১৭ শ শতিকাৰ পৰাই শিশু অধ্যয়ন সম্পৰ্কীয় বৈজ্ঞানিক দৃষ্টিভংগীৰ আৰম্ভণি হয় শিশুৰ শিক্ষা আৰু শিশুৰ অস্তিত্ব সম্বন্ধে প্ৰথমে দাৰ্শনিক জন ল'কে অনুভৱ কৰিছিল আৰু মনপোষণ কৰিছিল যে শিশুৰ স্বাভাৱিক প্ৰবৃত্তিবিলাক নিয়ন্ত্ৰণ কৰি শিশুৰ অভ্যাস গঠন কৰিব লাগে। শিশুৰ অস্তিত্ব আৰু শিক্ষা সম্বন্ধে প্ৰথমে অনুভৱ কৰাৰ বাবেই জন লকক শিশু শিক্ষাৰ পিতৃ স্বৰূপ বুলি গণ্য কৰা হয়।

১৭শ শতিকাৰ আৰম্ভণিতে শিক্ষা ব্যৱস্থাত বৈজ্ঞানিক দৃষ্টিভংগী প্ৰৱৰ্তনৰ সমৰ্থন কৰা বহু কেইজন দাৰ্শনিকৰ ভিতৰত জন এমচ কমেনিয়াচ আছিল উল্লেখযোগ্য। তেওঁ শিশুৰ ব্যক্তিগত ৰ পাৰ্থক্য অধ্যয়নৰ প্ৰয়োজনীয়তা সমন্ধে 'School Infancy' নামৰ গ্ৰন্থ ৰচনা কৰি ১৬২৮ চনত প্ৰকাশ কৰে।

**১৮ শ শতিকাৰ সময়ত শিশু মনোবিজ্ঞানৰ ধাৰণা ঃ**

১৮ শ শতিকাত কেইবাজনো দাৰ্শনিকে নতুন নতুন দিশৰ অৱতাৰণা কৰি শিশু শিক্ষাৰ নতুন ভাৱধাৰাৰ প্ৰৱৰ্তন কৰিছিল। এই সময়ত প্ৰত্যক্ষ আৰু পৰোক্ষ এই দুটা শিক্ষণ ব্যৱস্থা প্ৰৱৰ্তিত হ'ল। প্ৰত্যক্ষ শিক্ষা ব্যৱস্থা দাৰ্শনিক তত্ত্বৰ ওপৰত নিৰ্ভৰশীল। দাৰ্শনিক সকলে শিশুৰ স্বতঃস্ফূৰ্ত বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এনে দিশৰ স্বাভাৱিক অধ্যয়নৰ ভেটিতে শিশু শিক্ষা বুনিয়াদ গঢ়লৈ উঠে। এই ক্ষেত্ৰত জন ল'ক, ৰুছো, হাবাট, স্পেনচাৰ, পেষ্টালজি আদি দাৰ্শনিক সকলৰ ভূমিকা উল্লেখযোগ্য।

১৮ শ শতিকাত শিক্ষাবিদ তথা দাৰ্শনিকসকলে শিশু বিকাশৰ বাবে মুক্ত বিকাশ প্ৰক্ৰিয়া প্ৰাধান্য দিয়ে। এনে দৃষ্টিভংগীৰ ভেটিতে ফ্ৰৱেলে কিণ্ডাৰগাৰ্টেন পদ্ধতি উদ্ভাৱন কৰি শিশু শিক্ষা ক্ষেত্ৰত এক বিজ্ঞানসন্মত শিক্ষানীতি আগবঢ়ালে। ফ্লৱেলক মেৰে কিণ্ডাৰগাৰ্টেন পদ্ধতি জন্মদাতা বুলি কোৱা হয়।

**১৯ শ শতিকাৰ সময়ত শিশু মনোবিজ্ঞান ধাৰণা ঃ**

১৯ শ শতিকাৰ প্ৰথমাৰ্ধত ১৮২৬ চনত আদৰ্শৱাদী দাৰ্শনিক ফ্লৱেলে তেওঁৰ বিখ্যাত গ্ৰন্থ 'Education of Man' প্ৰকাশ কৰে। এই মৌলিক গ্ৰন্থখনতে তেওঁৰ কিণ্ডাৰাগাৰ্টেন শিশু শিক্ষাৰ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা হয়। ১৯ শতিকাৰ বিখ্যাত জীৱবিজ্ঞানী ছাৰ্লচ ডাৰউইনৰ প্ৰকাশিত প্ৰাকৃতিক নিৰ্বাচন তত্ত্ব আৰু ক্ৰম বিৱৰ্তন তত্ত্ব প্ৰকাশিত হয়। তেওঁৰ ক্ৰমবিৱৰ্তন তত্ত্বই শিশু মনোবিজ্ঞানত বিশেষ প্ৰভাৱ বিস্তাৰ কৰিলে। ১৮৭৭ চনত প্ৰকাশ কৰা A Biological Sketch of an Infont নামৰ গ্ৰন্থখনে শিশু বিকাশৰ ক্ষেত্ৰত থকা জৈৱিক দিশৰ প্ৰভাৱৰ বিস্তাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰে। তেওঁৰ বিৱৰ্তন তত্ত্বই এই কথা প্ৰতিপন্ন কৰিলে যে শিশুৰ ক্ৰিয়াকলাপত প্ৰকাশিত হয়। ফলত শৰীৰ বিজ্ঞানে প্ৰাধান্য লাভ কৰে।

কুৰি শতিকাৰ আৰম্ভণিত কৰোণা মহামাৰীয়ে এক ভয়াবহ ৰূপ ল'লে। মানুহবোৰ ঘৰৰ পৰা ওলাব নোৱাৰা হ'ল। অ'ফিচ, চাকৰীত যাব নোৱাৰা হ'ল, লগতে ছাত্ৰ-ছাত্ৰী বা শিক্ষাৰ্থী সকলেও কলেজত যাব নোৱাৰা হ'ল। সেই সময়ছোৱাত শিশু সকলক ম'বাইল ফ'ন, কম্পিউটাৰ, লেপটপ আদিৰ দ্বাৰা Onlineত Class কৰিবলৈ কিছুমান App খুলি দিয়া হ'ল, যাতে ছাত্ৰ-ছাত্ৰী সকলৰ পঢ়া-শুনাত কোনো ধৰণৰ বাধা নাহে। যদি এনে ব্যৱস্থা কৰি দিয়া নহ'ল হয়, তেতিয়া শিশুসকল ঘৰত সোমাই আমনি লগতে তেওঁলোকৰ বিকাশত বাধা আহি পৰিলে হয়। শিশু সকলক মানসিক, শাৰীৰিক ভাৱে সুস্থ ৰাখিবলৈ এই সময়ছোৱা ঘৰতে বহু ধৰণৰ কলা কৌশল কৰিবলৈ দিয়া হৈছিল। যাতে শিশু সকল শাৰীৰিক, মানসিক ভাৱে সবল, সুস্থ হওঁক। সকলোবোৰ দিশত আগবাঢ়ি যাব পাৰে। সেই অৱস্থাত শিশুসকলক সঠিক নিৰ্দেশনা দিয়াটো শিক্ষক সকলৰ বাবে অলপ কঠিন হৈছিল কিয়নো সকলোবোৰ কাম Online ত কৰিবলগীয়া হৈছিল।

কুৰি শতিকাত শিশু অধ্যয়নৰ পূৰ্বৰ ভেটি সমূহ এৰি শিশুৰ ব্যক্তিগত আৰু দলীয় আচৰণসমূহক অধ্যয়নৰ মূল বিষয় হিচাপে বিবেচনা কৰিবলৈ লোৱা হৈছিল। আৰু প্ৰত্যক্ষ পৰ্যবেক্ষণ আৰু অভিজ্ঞতাৰ ওপৰত অত্যাধিক গুৰুত্ব প্ৰদান কৰা হৈছিল। বিজ্ঞান সন্মতভাৱে শিশুৰ আচৰণ সমূহ অধ্যয়ন কৰি কুৰি শতিকাত শিশু মনোবিজ্ঞানক অধিক গুৰুত্ব প্ৰদান কৰা হৈছিল।

# দৰ্শনৰ দৃষ্টিকোণৰ পৰা আত্মহত্যা

## তুলুমণি চক্ৰৱৰ্তী

আত্মহত্যাৰ সৈতে কিছুমান দাৰ্শনিক প্ৰশ্ন জড়িত হৈ আছে। সেয়ে প্ৰাচীন কালৰে পৰা দাৰ্শনিক সকলে আত্মহত্যা সম্পৰ্কে আলোচনা কৰি আহিছে। প্লেটোৱে 'Phaedo' নামৰ ডায়েলগখনত আত্মহত্যা সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰিছে। 'The Law' নামৰ গ্ৰন্থখনতো তেওঁ আত্মহত্যা সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰিছে। এই গ্ৰন্থখনত তেওঁ আত্মহত্যাক অক্ষমণীয় বুলি উল্লেখ কৰিছে। অৱশ্যে এই ক্ষেত্ৰত তেওঁ চাৰিটা ব্যতিক্ৰমৰ বিষয়ে উল্লেখ কৰিছে। এই ব্যতিক্ৰম কেইটা হ'ল-


১। যেতিয়া এজন লোকৰ মন নৈতিকভাৱে কলুষিত হয় আৰু তেওঁৰ চৰিত্ৰই সা-সম্পত্তি ৰক্ষা কৰিব নোৱাৰে।

২। যেতিয়া আইনীভাৱে এজন লোকক নিজকে হত্যা কৰিবলৈ কোৱা হয়। উদাহৰণস্বৰূপে-চক্ৰেটিছক বিহ্‌পান কৰোৱা।

৩। যেতিয়া এৰাব নোৱাৰা দুৰ্ভাগ্যই এজন লোকক আত্মহত্যা কৰিবলৈ বাধ্য কৰে।

৪। যেতিয়া ব্যাপক অন্যায়ৰ বাবে লজ্জানত হৈ আত্মহত্যা কৰে।

ইয়াৰ বাদে আন ক্ষেত্ৰত আত্মহত্যাক প্লেটোৱে কাপুৰুষালি আখ্যা দিছে। এৰিষ্ট'টলে





ইচ্ছাকৃত আৰু নিজকে অন্যায় নকৰা আত্মহত্যাক অনুমোদন জনায়। কিন্তু ইয়াৰ বাদে আন ক্ষেত্ৰত আত্মহত্যা কৰাটো ভুল বুলি এৰিষ্ট'টলে গণ্য কৰে। অৰশ্যে ষ্টইকসকলে আত্মহত্যাক যুক্তিসংগত বুলি মতপোষণ কৰে।

খ্ৰীষ্টান নৈতিকতা অনুসৰি আত্মহত্যা কৰাটো ভুল। ছেইণ্ট থমাছ একুইনাছে আত্মহত্যা নিষিদ্ধ কৰাৰ সপক্ষে যুক্তি আগবঢ়াই কৈছে যে আত্মহত্যা কৰাটো স্বাভাৱিক আত্মপ্ৰেম বিৰোধী। আত্মপ্ৰেমৰ জৰিয়তে আমি নিজকে সংৰক্ষণ কৰোঁ। তেনেদৰে আত্মহত্যাই ঈশ্বৰৰ প্ৰতি দায়িত্ব উলংঘা কৰে। ঈশ্বৰে জীৱনটো দান হিচাপে আগবঢ়াইছে। আমি নিজৰ জীৱনাৱাসান ঘটালে জাগতিক অস্তিত্বৰ বাবে ঈশ্বৰে নিৰ্ধাৰণ কৰা সময়ক উলংঘা কৰোঁ।

আত্মহত্যা সম্পৰ্কে দৰ্শনৰ দুটা পৃথক দৃষ্টিভংগী আছে। এই দুটা দৃষ্টিভংগী হ'ল-

(১) কাণ্টীয় দৃষ্টিভংগী

(২) উপযোগিতাবাদী দৃষ্টিভংগী

**১) কাণ্টীয় দৃষ্টিভংগী ঃ**

কাণ্টে পৰিণাম নিৰপেক্ষ তত্ত্বৰ পোষকতা কৰে। তেওঁৰ মতে পৰিণামৰ কথা চিন্তা নকৰি মানুহে নিজৰ কৰ্তব্য কৰিব লাগে। কাণ্টীয় দৃষ্টিভংগী অনুসৰি এজন ব্যক্তি হ'ল স্বাধীন ইচ্ছাযুক্ত নৈতিক কৰ্তা। আত্মহত্যাৰ জৰিয়তে এজন ব্যক্তিয়ে তেওঁৰ নিজৰ প্ৰতি থকা কৰ্তব্য উলংঘা কৰে। গতিকে, আত্মহত্যাই নিজৰ জীৱন ৰক্ষা কৰাৰ প্ৰতি থকা দায়িত্ব আৰু নৈতিক নিয়ম উলংঘা কৰে।

**২) উপযোগিতাবাদী দৃষ্টিভংগী ঃ**

উপযোগিতাবাদী দৃষ্টিভংগীয়ে আত্মহত্যাৰ পৰিণাম বিবেচনা কৰে। আত্মহত্যাই পৰিয়ালৰ আন ব্যক্তি আৰু সমাজৰ ওপৰত পেলোৱা প্ৰভাৱ বিবেচনা কৰে। সেই অনুসৰি যদি এজন ব্যক্তিয়ে আত্মহত্যা কৰিলে তেওঁৰ দুখ-যন্ত্ৰণা দূৰ হয় আৰু আনৰো উপকাৰ হয় তেন্তে আত্মহত্যা গ্ৰহণযোগ্য। যদি কোনো এজন ব্যক্তিয়ে আত্মহত্যা কৰিলে ভালৰ পৰিৱৰ্তে অধিক বেয়া হয় তেন্তে ই গ্ৰহণযোগ্য নহয়।

মতামত

# নাৰী সুৰক্ষা আৰু আইন

বিশ্ব মানৱ অধিকাৰৰ ঘোষণা পত্ৰৰ দ্বাৰা কোৱা হৈছে যে- জন্মগতভাৱে প্ৰতিটো শিশু সমান। অৰ্থাৎ সকলোৰে সম-অধিকাৰ, সম-মৰ্যাদা আছে। কিন্তু আজিৰ এই বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ যুগতো লিংগভিত্তিক বৈষ্যম্য দেখা পোৱা যায়। ই অতি পৰিতাপৰ কথা। পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত কণ্য ভ্ৰূণ হত্য, ধৰ্ষণ, অপহৰণ, যৌতুক দাবী, ঘৰুৱা হিংসা, নাবালিকা ধৰ্ষণ, কৰ্মস্থানত যৌণ নিৰ্যাতন ইত্যাদি অপৰাধ আজিও সমাজত চলি আছে। দেশৰ আইন ব্যৱস্থা কঠোৰ কৰিবলৈ চৰকাৰে নানান আইন প্ৰণয়ন কৰিছে যদিও এই অপৰাধসমূহ নোহোৱা কৰিবলৈ সক্ষম হোৱা নাই।

**দীপশিখা ৰয়**

# নীতিশাস্ত্ৰৰ স্বৰূপ পৰিসৰ আৰু উপযোগিতা

**উদীপ্তা বৰা**

নীতিশাস্ত্ৰ শব্দটোৰ ইংৰাজী প্ৰতিশব্দ Ethics । ইংৰাজী Ethics শব্দটোৰ মূল হৈছে গ্ৰীক শব্দ Ethica। আকৌ Ethica শব্দটো উৎপত্তি হৈছে Ethos শব্দৰ পৰা। Ethose শব্দই মানুহৰ ৰীতি-নীতি, প্ৰথা বা অভ্যাসক সূচীত কৰে। গতিকে, Ethics শব্দৰ বুৎপত্তিগত অৰ্থ হৈছে মানুহৰ ৰীতি-নীতি বা অভ্যাস সম্বন্ধে কৰা আলোচনা।

**নীতি শাস্ত্ৰৰ স্বৰূপ বা প্ৰকৃতি ঃ**

নীতি শাস্ত্ৰৰ স্বৰূপ বা প্ৰকৃতি সম্পৰ্কে বিভিন্ন দাৰ্শনিক সকলে ভিন্ন ধৰণে ব্যাখ্যা কৰিছে। কোনো কোনো দাৰ্শনিকে নীতিশাস্ত্ৰক বিজ্ঞান হিচাপে ব্যাখ্যা দাঙি ধৰিছে। বিজ্ঞান হ'ল প্ৰকৃতিৰ কোনো এটা বিভাগ সম্পৰ্কে সুসংবদ্ধ, যুক্তিনিষ্ঠ, সুনিশ্চিত, যথাৰ্থ আৰু প্ৰামাণিক জ্ঞান। আন কোনো দাৰ্শনিকে আকৌ নীতিশাস্ত্ৰক কলা বুলি ক'ব বিচাৰে। যি বিদ্যাই কোনো নিৰ্দিষ্ট উদ্দেশ্য সাধনৰ বাবে নীতি-নিয়মৰ শিক্ষা দিয়ে, তাকেই কলা বিদ্যা বুলি কোৱা হয়। বিজ্ঞান আৰু কলাৰ সংজ্ঞা বিশ্লেষণ কৰি নীতিশাস্ত্ৰৰ লগত তুলনা কৰিলে দেখা যায় যে বিজ্ঞানৰ বৈশিষ্ট্যসমূহ নীতিশাস্ত্ৰৰ



ক্ষেত্রত প্রযোজ্য। সেয়ে নীতিশাস্ত্র কলা নহয়, এক প্ৰকাৰৰ বিজ্ঞান। বিজ্ঞানক পুনৰ দুটা ভাগত বিভক্ত কৰিছে

(১) বিষয়নিষ্ঠ বা বস্তুনিষ্ঠ

(২) আদৰ্শনিষ্ঠ বিজ্ঞান

যি বিজ্ঞানে কোনো বস্তুৰ প্ৰকৃত স্বভাৱ, প্ৰকৃতি বা লক্ষণৰ বিষয়ে আলোচনা কৰে, আৰু ইয়াৰ উৎপত্তি আৰু বিকাশৰ বৰ্ণনা দিয়ে তাকে বস্তুনিষ্ঠ বিজ্ঞান বুলি কোৱা হয়। যেনে- পদাৰ্থবিজ্ঞান, ৰসায়ন বিজ্ঞান ইত্যাদি।

আনহাতে, যি বিজ্ঞানে কোনো এটা আদৰ্শ বা মানদণ্ডক মাপকাঠি হিচাপে লৈ বিষয়বস্তুৰ মূল্য নিৰ্দ্ধাৰণ কৰে তাক আদৰ্শনিষ্ঠ বিজ্ঞান বুলি কোৱা হয়। উদাহৰণ স্বৰূপে তৰ্ক বিজ্ঞান। ইয়াৰ আদৰ্শ হৈছে সত্যতা।

নীতি বিদ্যা পৰম শ্ৰেয়ক আদৰ্শৰ মাপকাঠি হিচাপে লৈ মানুহৰ আচৰণ আৰু ঐচ্ছিক ক্ৰিয়াৰ নৈতিক মূল্য নিৰ্ধাৰণ কৰে। নীতি বিদ্যাই মানুহৰ আচাৰ-আচৰণ আলোচনা কৰোতে বস্তুনিষ্ঠ বিজ্ঞানৰ দৰে সেইবোৰৰ স্বৰূপ, উৎপত্তি, বিকাশ আলোচনা নকৰে। কিন্তু পৰম শ্ৰেয়ক লাভ কৰিবলৈ সেই আচৰণ কেনে হোৱা উচিত সেইটোহে নীতিবিদ্যাৰ মূল বিষয়বস্তু। নীতি বিদ্যাই আচৰণৰ উচিত অনুচিত মাপকাঠি নিৰ্ণয়ৰ মাজেদি জীৱৰ যাপন কৰি ইয়াৰ নিৰ্দিষ্ট লক্ষ্য বা আদৰ্শত উপনীত হ'বলৈ মানুহৰ মনত অনুপ্ৰেৰণা জন্মায়। এতেকে নীতিবিদ্যাৰ স্বৰূপ হৈছে আচৰণৰ আদৰ্শনিষ্ঠ বিজ্ঞান। ইয়াৰ আদৰ্শ হৈছে পৰম কল্যাণ বা পৰমশ্ৰেয়।

ইয়াৰোপৰি, নীতি বিজ্ঞান ব্যৱহাৰিক বিজ্ঞান হয় নে নহয় এই বিষয়ে নীতিশাস্ত্ৰবিদসকল একমত নহয়। যি বিজ্ঞানে কোনো উদ্দেশ্যে বা লক্ষ্যত উপনীত হ'বলৈ কিছুমান নীতি-নিয়মৰ প্ৰৱৰ্তন কৰে তাকে প্ৰায়োগিক বিজ্ঞান বোলে। যেনে- চিকিৎসা বিজ্ঞান। চিকিৎসা বিজ্ঞানে মানুহৰ স্বাস্থ্যৰ আদৰ্শ সম্পৰ্কে আলোচনা নকৰে। ৰোগৰ পৰা মুক্ত হৈ সুস্বাস্থ্য লাভ কৰিবলৈ কি উপায় অৱলম্বন কৰিব লাগে সেই বিষয়ে জ্ঞান দিয়ে।



অধ্যাপক মেকেঞ্জিৰ মতে নীতি বিদ্যা কেৱল আদৰ্শনিষ্ঠ বিজ্ঞান, ই ব্যৱহাৰিক বিজ্ঞান নহয়। কিয়নো তেওঁৰ মতে নীতিবিদ্যাই নৈতিক জীৱনৰ আদৰ্শৰ স্বৰূপহে নিৰ্ণয় কৰে। কিন্তু এই আদৰ্শত উপনীত হ'বলৈ কোনো নীতি নিয়ম প্ৰৱৰ্তন নকৰে। সেয়ে নীতিশাস্ত্ৰ ব্যৱহাৰিক বিজ্ঞান নহয়।

আনহাতে, মুৰহেড, ছেথ আদি নীতিশাস্ত্ৰবিদসকলৰ মতে সকলো বিজ্ঞানতে তাত্ত্বিক আৰু ব্যৱহাৰিক উভয় দিশ আছে। তেওঁলোকৰ মতে এই দুয়ো দিশৰ সমন্বয় কৰিহে মানুহে জ্ঞান বিজ্ঞানৰ অগ্ৰগতি সাধন কৰিব পাৰে। তত্ত্বৰ দিশৰ পৰা পোৱা জ্ঞান ব্যৱহাৰিক জীৱনত অনুশীলন নকৰিলে সেই জ্ঞান যথাৰ্থ জ্ঞান হ'ব নোৱাৰে। গতিকে ছেথৰ মতে নীতিবিদ্যা একেলগে তাত্ত্বিক আৰু প্ৰায়োগিক উভয়ে। কিন্তু ছেথ আৰু মুৰহেডৰ মত সম্পূৰ্ণৰূপে গ্ৰহণযোগ্য নহয়। চিকিৎসা বিজ্ঞান আদিক যি অৰ্থত ব্যৱহাৰিক বিজ্ঞান বুলি কয় সেই অৰ্থত নীতি বিদ্যাক ব্যৱহাৰিক বিজ্ঞান বুলি ক'ব নোৱাৰি।

আদৰ্শনিষ্ঠ বিজ্ঞান হিচাপে নীতিবিদ্যাই আদৰ্শৰ স্বৰূপ নিৰ্ণয় কৰে। পৰম কল্যাণ বা পৰমাৰ্থ নিৰ্ণয় কৰাই নীতিশাস্ত্ৰৰ উদ্দেশ্য। কিন্তু এই পৰম কল্যাণ লাভৰ উপায় নীতিশাস্ত্ৰই নিৰ্ধাৰণ নকৰে। নৈতিক আদৰ্শ সমূহ কি ধৰণে ব্যৱহাৰিক জীৱনত প্ৰয়োগ কৰিব লাগে তাৰ জ্ঞান নীতি বিদ্যাই নিদিয়ে। আমাৰ নৈতিক আদৰ্শসমূহ বাস্তৱ জীৱনত ৰূপায়িত কৰিবলৈ কোনো উপায় বা নীতি নিয়ম প্ৰৱৰ্তন নকৰে। গতিকে, বিজ্ঞান হিচাপে নীতি বিদ্যা তত্ত্বনিষ্ঠ আদৰ্শবিজ্ঞান।

গতিকে উপৰোক্ত আলোচনাৰ পৰা বুজিব পাৰি যে দৈনন্দিন জীৱনত নীতিশাস্ত্ৰৰ লগত আমাৰ এক এৰাব নোৱাৰা ঘনিষ্ঠ সম্পৰ্ক আছে। কিয়নো নীতি শাস্ত্ৰ অধ্যয়নে আমাৰ চৰিত্ৰ, আচৰণ, ব্যৱহাৰৰ ওপৰত প্ৰভাৱ পেলায়, কিন্তু প্ৰভাৱ নীতিশাস্ত্ৰ অধ্যয়নৰ অনিবাৰ্য পৰিণতি নহয়।

**নীতিশাস্ত্ৰৰ আলোচ্য বিষয়বস্তু বা পৰিসৰ ঃ**

নীতিশাস্ত্ৰক নৈতিক দৰ্শন বুলি কোৱা হয়। নৈতিক দৰ্শনৰ ইংৰাজী প্ৰতিশব্দ 'Moral Philosophy'। Moral শব্দটো আহিছে লেটিন ভাষাৰ 'Mores'ৰ পৰা।

Mores শব্দৰ অৰ্থ হৈছে ৰীতি-নীতি, অভ্যাস আদি। গতিকে ভাষাগত দিশৰ পৰা নীতিশাস্ত্ৰক মানুহৰ ৰীতি-নীতি বা অভ্যাসৰ বিজ্ঞান বুলি কোৱা হয়।

যিহেতু প্ৰত্যেক বিজ্ঞানেই প্ৰকৃতিৰ একোটা নিৰ্দিষ্ট বিভাগ সম্পৰ্কে আলোচনা কৰে আৰু সেই নিৰ্দিষ্ট বিভাগ সম্পৰ্কে শৃংখলাবদ্ধ আৰু নিৰ্ভুলভাবে আলোচনা কৰা বিজ্ঞানৰ উদ্দেশ্য। নীতিশাস্ত্ৰও এক প্ৰকাৰৰ বিজ্ঞান। ই নৈতিক নিয়ম সমূহ বিজ্ঞানসন্মত ভাবে আলোচনা কৰে। এই সম্পৰ্কে তলত উল্লেখ কৰা হ'ল-


(১) নীতিশাস্ত্ৰৰ উদ্দেশ্য হৈছে সমাজত বাস কৰা মানুহৰ আচৰণৰ নৈতিক মূল্য আৰু আদৰ্শ নিৰ্দ্ধাৰণ কৰা। অৱশ্যে সকলো মানৱ আচৰণ নীতিশাস্ত্ৰৰ আলোচ্য বিষয় নহয়। ঐচ্ছিক আৰু অভ্যস্ত আচৰণ সম্পৰ্কে নীতিশাস্ত্ৰই আলোচনা কৰে।

(২) নীতিশাস্ত্ৰই ঐচ্ছিক ক্ৰিয়াৰ স্বৰূপ, ঐচ্ছিক ক্ৰিয়াৰ লগত জড়িত সকলো বিষয় যেনে- উদ্দেশ্য, কামনা, অভিপ্ৰায়, উৎস আদি সম্পৰ্কে আলোচনা কৰে।

(৩) নীতিশাস্ত্ৰই এটা মানৱ আদৰ্শ অনুসৰি কৰ্ম বিচাৰ কৰে। এই আদৰ্শ হৈছে পৰম শ্ৰেয় বা পৰম কল্যাণ। এই চৰম আদৰ্শ লাভত সহায় কৰা কাৰ্যক ভাল আৰু এই আদৰ্শ লাভত বাধাৰ সৃষ্টি কৰা কামক বেয়া বুলি বিবেচনা কৰা হয়। নীতিশাস্ত্ৰৰ চৰম আদৰ্শ সম্পৰ্কে বিধিবাদ, সুখবাদ, যুক্তিবাদ পূৰ্ণতাবাদ আদি কেইবাটাও মতবাদ আছে। আৰু নীতিশাস্ত্ৰই এই মতবাদসমূহ আলোচনা কৰি গ্ৰহণযোগ্য মতবাদ দাঙি ধৰে।

(৪) কৰ্তব্য, নৈতিক অধিকাৰ, ধৰ্ম বা সদগুণ, অধৰ্ম বা অৱগুণ আদিও নীতিশাস্ত্ৰৰ আলোচ্য বিষয়।

(৫) নীতিশাস্ত্ৰৰ আন এটা আলোচ্য বিষয় হ'ল- ব্যক্তিত্ব, বুদ্ধিবৃত্তি বা বিচাৰশক্তি আৰু ইচ্ছাৰ স্বাধীনতা সম্পৰ্কে আলোচনা



কৰা।

(৬) নৈতিক ভাব, অনুভূতি, নৈতিক বিচাৰ শক্তি আদি নৈতিক বিচাৰৰ লগত জড়িত বিষয়সমূহ নীতিশাস্ত্ৰই আলোচনা কৰে।

ওপৰত উল্লেখ কৰা মূল বিষয় সমূহৰ উপৰিও চৰম লক্ষ্যক ব্যাখ্যা কৰিবলৈ যাওঁতে নীতিশাস্ত্ৰই বহুতো সমস্যাৰ বিষয়ে আলোচনা কৰিব লগা হয়। মানুহৰ নৈতিক চৰিত্ৰৰ ওপৰত প্ৰভাৱ পেলোৱা সামাজিক, মনোবৈজ্ঞানিক, ৰাজনৈতিক, ধৰ্মীয়, দাৰ্শনিক আদি বিষয় সমূহো নীতিশাস্ত্ৰই অধ্যয়ন কৰে। ঐচ্ছিক ক্ৰিয়া, ইচ্ছাৰ স্বাধীনতা, কামনা অনুভূতি আদি মনোবৈজ্ঞানিক বিভিন্ন বিষয় নীতিশাস্ত্ৰৰ পৰিসৰ অন্তৰ্গত। ব্যক্তি আৰু সমাজৰ সম্বন্ধ, অপৰাধ আৰু শাস্তি, ৰাষ্ট্ৰৰ লগত ব্যক্তিৰ সম্পৰ্ক, ৰাষ্ট্ৰৰ লগত নৈতিকতাৰ সম্পৰ্ক আদিও নীতিশাস্ত্ৰৰ আলোচ্য বিষয়। গতিকে, নীতিশাস্ত্ৰৰ পৰিসৰ অতি ব্যাপক।

**নীতিশাস্ত্ৰ অধ্যয়নৰ উপযোগিতা বা প্ৰয়োজনীয়তা ঃ**

নীতিশাস্ত্ৰই মানৱ জীৱনৰ দৈনন্দিন কাৰ্যাৱলীত এক সক্ৰিয় ভূমিকা গ্ৰহণ কৰি জীৱনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি আহিছে। মানৱ আচৰণত নীতিশাস্ত্ৰই পৰোক্ষভাৱে হ'লেও প্ৰভাৱিত কৰি নৈতিক ভাৱে মানুহক উন্নীত কৰে। নৈতিকভাৱে উন্নীত এনে মানুহে সুস্থ-সবল সমাজ ৰাষ্ট্ৰৰ ভেটি ৰচনা কৰে। উইলিয়াম লিলিৰ মতে, নীতিশাস্ত্ৰ অধ্যয়নে নিৰপেক্ষভাৱে যিকোনো আচৰণৰ ভাল-বেয়া বিচাৰ কৰাত সহায় কৰে আৰু নৈতিক আদৰ্শৰ প্ৰতি সজাগ কৰে। নীতিশাস্ত্ৰৰ উপযোগিতা সম্পৰ্কে তলত উল্লেখ কৰা হ'ল-

(১) সমাজত প্ৰচলিত ভাল-বেয়া, ন্যায়-অন্যায়, উচিত-অনুচিত আদি লৌকিক ধাৰণাসমূহৰ বিষয়ে নীতিশাস্ত্ৰই সঠিক জ্ঞান দিয়ে। লৌকিক নীতিসমূহ স্পষ্ট আৰু স্বচ্ছ নহয়। এইবোৰ বহু সময়ত কু-সংস্কাৰৰ পৰা সৃষ্টি। নীতিশাস্ত্ৰই বিচাৰ বিশ্লেষণেৰে কু-সংস্কাৰ আঁতৰ কৰি নৈতিক বিচাৰৰ পথ মুকলি কৰে।




(২) নীতিশাস্ত্র অধ্যয়নে নৈতিক নিয়মৰ সঠিক প্ৰয়োগত সহায় কৰে। ই আমাক ব্যৱহাৰিক আচৰণ ভাল হোৱাত সহায় কৰে।

(৩) নীতিশাস্ত্ৰই নৈতিক দৃষ্টিভংগী তীক্ষ্ণ কৰি কৰ্তব্যবোধ সজাগ কৰি তোলে। ফলস্বৰূপে কৰ্তব্যৰ দ্রুত ৰূপায়ন সম্ভৱ হয়।

(৪) নীতিশাস্ত্ৰৰ আলোচ্য বিষয়ত শেহতীয়াকৈ সংযুক্ত হোৱা প্ৰায়োগিক নীতিশাস্ত্ৰই সামাজিক ন্যায় প্ৰতিষ্ঠাত বিশেষ অৰিহণা যোগায়। লগতে পৃথিৱীখন জীৱৰ বাসপোযোগী কৰি ৰখাত প্ৰায়োগিক নীতিশাস্ত্ৰই গ্ৰহণ কৰা ভূমিকা বিশ্বজুৰি সমাদৃত হৈছে।

(৫) প্ৰায়োগিক নীতিশাস্ত্ৰই ন্যায় প্ৰতিষ্ঠা আৰু মানৱ অধিকাৰৰ সম্পৰ্কত সজাগতাৰ সৃষ্টি কৰিছে।

গতিকে, জ্ঞানৰ বাবে হওক বা ব্যৱহাৰিক ক্ষেত্ৰতেই হওক নীতিশাস্ত্ৰৰ অধ্যয়ন অতি প্ৰয়োজনীয়। কিন্তু নীতিশাস্ত্ৰ অধ্যয়নৰ উপযোগিতালৈ বহুতে নঞৰ্থক মতো আগবঢ়াইছে। নীতিশাস্ত্ৰ অধ্যয়নে আমাৰ দৈনন্দিন জীৱনৰ কৰ্তব্য পালনৰ ক্ষেত্ৰত কোনো প্ৰকাৰে প্ৰভাৱিত কৰিব নোৱাৰে বুলি তেওঁলোকে মত প্ৰকাশ কৰিছে। নীতিশাস্ত্ৰ অধ্যয়ন কৰা ব্যক্তিয়ে নৈতিক কাম কৰিবই বুলি নিশ্চিতকৈ ক'ব নোৱাৰি বুলিও তেওঁলোকে যুক্তি প্ৰকাশ কৰিছে। কিন্তু নীতিশাস্ত্ৰ অধ্যয়নলৈ নঞৰ্থক দিশ আগবঢ়োৱা সকলৰ মত গ্ৰহণযোগ্য নহয়। নীতিশাস্ত্ৰৰ কাৰ্যকাৰিতা আৰু উপযোগিতাক অস্বীকাৰ কৰিব নোৱাৰি। সমাজ আৰু মানৱতাৰ উন্নয়নৰ বাবে নীতিশাস্ত্ৰ অপৰিহাৰ্য।

# নাৰী সুৰক্ষা আৰু আইন




তুমি নাৰী অনন্যা...
নাৰী তুমি অৰ্ধ আকাশ...

নাৰীৰ জীৱনটো সৰ্বগুণেৰে অলংকৃত কৰি আগুৱাই নিবলৈ আমাৰ সমাজ আৰু অভিভাৱসকলৰ দায়িত্ব অনস্বীকাৰ্য। নাৰী মমতাময়ী, নাৰী করুণাময়ী, আদৰ্শ, দয়া, মমতা, সহনশীলতা, ধৈৰ্য তথা ত্যাগৰ অধিকাৰী নাৰীক সৃষ্টিৰ মূল চালিকা শক্তি হিচাপে গণ্য কৰা হয়।

অৰ্ধ-আকাশ প্ৰতীক নাৰী বৰ্তমান সময়ত সুৰক্ষিত নে? নাৰী সুৰক্ষা আইনৰ দ্বাৰা নাৰীক নিৰাপত্তা দিয়া সম্ভৱনে? বৰ্তমান সমাজত জন অৰণ্য নে বণ অৰণ্য? এই প্ৰশ্নসমূহ আজি আমাৰ মনত পুনৰাবৃত্তি হ'ব ধৰিছে।

চৰকাৰীভাৱে ইখনৰ পাছত সিখন আইন প্ৰৱৰ্তন কৰাৰ পাছতো আজিৰ নাৰী সুৰক্ষিত নহয়। নাৰী হৈ জনম লোৱাতোৰেই নাৰীৰ অপৰাধ নেকি?

**চয়নিকা বৰ্মন**

# চৰকাৰে বস্ত্ৰ উদ্যোগক বিপ্লৱলৈ ৰূপান্তৰ কৰক

## মিতালী গগৈ



বিহুৱানৰ পৰা গা মচালৈ, অতিথি আদৰাৰ পৰা মণিকূটৰ থাপনালৈকে গামোচাখন নাই ক'ত? গামোচাখন ভগদত্ত ৰজাৰ দিনৰে পৰাই প্ৰচলন হৈ আহিছে। বিভিন্ন জনগোষ্ঠীৰ মাজত বেলেগ বেলেগ নামেৰে গামোচা প্ৰচলিত হ'লেও মৰ্যাদা একেই।

আয়ে বৈয়ে দিয়া/ফুলামকৈ গামোচা
মূৰতে মাৰি লৈ পাগ ঐ/গোবিন্দাই ৰাম।।

তাহানি আয়ে মৰমৰ দীঘ দি, চেনেহৰ বানিৰে বৈ দিয়া গামোচাখন অসমীয়া জাতিৰ সাহ। শৌৰ্য, বীৰ্য অহংকাৰৰ প্ৰতীক এই বিহুৱানখন নহ'লে কিহৰ অসমীয়া। ফুলাম ভমকাফুলীয়া বিহুৱানখন আমাৰ গৰ্ব। অসমীয়া জাতিৰ চেনেহ জৰীৰে গঁথা বিহুৱানখনত মৰম, শ্ৰদ্ধা, অহংকাৰ, জাতীয় গৌৰৱ সকলো নিহিত হৈ আছে। বিহুৱানখন নহ'লে বিহুটি হাতত মলঙিয়াব। সৰুৱে ডাঙৰক মানুহৰ বিহুৰ দিনা বিহুৱানখন দি ওলগ জনায়। কনিষ্ঠসকলকো এই বিহুৱানেৰে পহিলা ব'হাগত মৰম আৰু শ্ৰদ্ধা জনায়। তাহানি ছুল চাই টিপতে চেনিমায়ে চেনাইধনক বিহুৱানখন দি আহুদি কৰাৰ কথাও বিহু নামত আছে। অসমীয়া



সংস্কৃতিৰ বৰঘৰত গামোচাৰ সুকীয়া মৰ্যাদাই এতিয়া ৰাষ্ট্ৰীয় প্ৰেক্ষাপটতো উজ্জ্বলিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কান্ধত। অতিশয় ভাল লগা, শুভংকৰ কথা। মূলত চহা আৰু অনাখৰী লোকসকলে প্ৰচলন কৰা বিহুত গামোচাখন বিহুৱান হিচাপে ব্যৱহৃত হ'লেও পিছলৈ সকলো মানুহে গামোচাখন আদৰি ল'লে। "তাঁতৰ শালত সৰগ ৰচা অসমীয়া শিপিনীয়ে" (মহাত্মা গান্ধী) গামোচাখন চল্লিশৰ সূতা (বা ধদুৰা সূতা) আশী সূতা, পকোৱা সূতা, হেজাৰ পকোৱা সূতাৰে বৈ উলিওৱা হয়। এতিয়াও ভিতৰুৱা গাঁৱত অসমীয়া শিপিনীৰ তাঁতৰ শালৰ গৰকীৰ দপদপনিত, মাকোৰ খিটখিটনিয়ে গামোচা খনৰ বিজয়ধ্বজা উৰুৱাই আহিছে। গামোচা অসমীয়া সমাজৰ এটি অপৰিহাৰ্য অংগ। শ্ৰাদ্ধ আদিত দেউৰী বিলনীয়াই মুখত বন্ধাৰ পৰা হাঁচতিলৈকে ব্যৱহাৰ কৰে। হাঁচতিখন গামোচাতকৈ কিছু চুটি। এই হাঁচতিৰে তামোল পাণ বন্ধাৰ লগতে সকাম-নিকামৰ প্ৰসাদো বান্ধিছিল। এতিয়া পলিথিন গৰ্বিত উপস্থিতিত ভকতে হাঁচতি এৰি দিলে।

কাৰোবাৰ ঘৰত সকাম-নিকাম পাতিলে মাৰোৱাৰী বনিয়াই মাহ-প্ৰসাদৰ লগতে পলিথিন বস্তু-তালিকাত ভৰাই দিলে। পণ্ডিত, বুৰঞ্জীবিদ ড° সূৰ্যকুমাৰ ভূঞাই গামোছাক আঠ ভাগত ভাগ কৰিছে- ১। ভমকাফুলীয়া বা ৰচণ্ডা গামোচা, ২। বিহুৱান বা গামোচা, ৩। পানী গামোচা (এই গামোচাত সাধাৰণতে ফুল নাথাকে) ৪। ফুটুকী দিয়া গামোচা, ৫। কঁকাল বন্ধা বা কমৰ বন্ধা গামোচা ৬। টঙালী মৰা গামোচা, ৭। মূৰত মৰা গামোচা, ৮। টিয়নী গামোচা (এইখড় গা ধুবলৈ ব্যৱহাৰ কৰে)

বিহুৱানখনত লতা ফুল থাকে। এই বিহুৱানখন ভৰিত লগোৱা নহয়। অতিকৈ চেনেহৰ অতিকৈ আদৰৰ অতিকৈ চেনেহৰ এই গামোচাখন, বিশেষকৈ বিহুৱানখনৰ মৰ্যদাৰ বিষয়ে বহুতে নাজানে। বিহুৱান আৰু গামোচা একাকাৰ কৰি য'তে-ত'তে লিখা-মেলা কৰে। ফেচবুকতো পাণ্ডিত্য জাহিৰ কৰে। আনহাতে গামোচাখন দৰা বৰণৰ গামোচা হিচাপে দৰাক দিয়া গোঁসাই থাপনাত গামোচা আৰু অনাকতা গামোচা (এইখন নামনি অসমৰ মানুহে পূজা-পাৰ্বন আৰু বিবাহৰ দিনা ধৰ্মীয় কাৰ্যত ব্যৱহাৰ কৰে।) অৱশ্যে আনাকটাখন গামোচাতকৈ ভালেমান দীঘল।

সম্প্ৰতি অসমৰ মৰ্যাদা, সন্মানৰ প্ৰতীক বিহুৱান/গামোচাখন বহিৰাগত বণিয়াৰ বাবে সংকটত পৰিছে। (বহিঃ ৰাজ্যৰ পৰা আমদানিকৃত গামোচাই ৰাজ্যৰ বজাৰ বেৰি ধৰিছে। কলকাতা আদিত বোৱা গামোচা কম দামত যোগান ধৰি অহাৰ ফলত অসমীয়া শিপিনীয়ে বোৱা গামোচা ও বজাৰত সুলভ নহয়। মূল্যও বেছি। অসম চৰকাৰে আত্মসহায়ক গোটবোৰলৈ দিয়া সাহাৰ্যৰ টকাৰে প্ৰতিটো গোটে যাতে অঞ্চলভিত্তিত বিহুৰ আগৰে পৰাই গামোচা বৈ উলিয়াই বজাৰত সুলভ মূল্যত যোগান দিব পাৰে, তাৰ এক কাৰ্যকৰী পদক্ষেপ লোৱা উচিত। গাঁৱৰ মহিলাসকলক বয়নশিল্পৰ যোগেদি গামোচা ব'বলৈ উৎসাহিত কৰি হস্ততাঁত আৰু

বস্ত্ৰশিল্প আৰু খাদী আৰু গ্ৰামোন্নয়ন বিভাগৰ যোগেদি প্ৰতিটো অঞ্চলতে বিহুৰ সময়ত অসমীয়া গামোচা (সুলভ মূল্যত) যোগান ধৰাৰ এক কাৰ্যকৰী পদক্ষেপ হাতত লৈ গামোচাৰ যোগেদি বস্ত্ৰ বিপ্লৱ গঢ়ি তুলিব পাৰি। তেতিয়া গামোচাৰো মান ৰ'ব আৰু শিপিনীসকলো লাভান্বিত হ'ব। নহ'লে প্ৰধানমন্ত্ৰী ডাঙৰীয়াই গামোচাৰ মৰ্যাদা দিছে বুলি মুখেৰে কৈ থাকিলেই নহ'ব (গামোচাক বস্ত্ৰ শিল্পৰূলৈ ৰূপান্তৰ কৰিব পাৰিলেহে অসমৰ বজাৰত বহিঃ ৰাজ্যৰ গা মচিব নোৱাৰা, পানী চুকিব নোৱাৰা গামোচা বন্ধ হ'ব। ২০১৭ চনত এই বিষয়ক লৈ এচামলোকে লেখাৰে অসম চৰকাৰক দৃষ্টি আকৰ্ষণ কৰিছিল, যদিও বিহুৰ সময়ত বহিঃ ৰাজ্যৰ গামোচাৰ বিৰুদ্ধে মাৰোৱাৰী দোকানত অভিযান চলালেও পাট, কাপোৰ, শুৱালকুছিৰ দোকানসমূহত বহিঃৰাজ্যৰ গামোচাৰে সৰ্বাধিক মাহজুৰি পতা বিহুটোত, বছৰ ধৰি পতা, নানান অনুষ্ঠান প্ৰতিষ্ঠানত কিমান যে গামোচাৰ প্ৰয়োজন হয়। অসম চৰকাৰে কেৱল মুখেৰে নকৈ কাৰ্যক্ষেত্ৰত হাতে-কামে কৰি গামোচা উৎপাদনত থলুৱা



শিপিনী সকলক পাৰ্যমানে সহায় কৰক। আমাৰ সাতাম পুৰুষীয়া ঐতিহ্য, সংস্কৃতি আৰু পৰম্পৰা ৰক্ষা কৰা গামোচাখনে তেতিয়াহে তাঁতশালত মাকো, গৰকাৰ দপদপনিৰ মাতত বাচি থাকিব। উন্নত শিৰে বন্দিত হৈ।

*(সংগৃহীত লেখা)*

মতামত

# কলেজীয়া আড্ডা আৰু বৌদ্ধিক চৰ্চা

এখন সেউজীয়া পৃথিৱী, তাৰ মাজত শুভ্ৰ সাজ, লগতে কলপতীয়া দুপাত্তাখনৰ সৈতে এজাক তৰুণী। শ শ গৰাকী তৰুণীৰ বুকুত অপৰিসীম স্বপ্ন, এগৰাকী সুপ্ৰতিস্থিত ব্যক্তি হোৱাৰ। তাৰ মাজতে পাঠদান শেষ কৰি শিক্ষকজন ওলায় যোৱাৰ লগে লগে তৰুণীসকল হৈ পৰে আড্ডাত মচগুল। কিছুমান তৰুণী নিজৰ পঢ়া-শুনাৰ কথাতে মগ্ন হৈ থাকে আৰু আন কিছুমানে কাৰো কথালৈ কাণ-যাৰ নকৰি নোটচ্ লিখাত ব্যস্ত হৈ থাকে। তাৰ মাজতে কিছুমানে নিজৰ প্ৰেম, বিৰহ, বিবাদ, বেদনাবোৰৰ বিষয়ে আড্ডাত ব্যস্ত হয়। কিছুমানে ঘৰত কি কি খালে, ক'ত ক'ত যাব তাক লৈ ব্যস্ত। মুঠতে নিজৰ নিজৰ কল্পনা গধুৰ আলাপ-আলোচনা। কিছুমানে আকৌ খিৰিকীখনতে বৈ কলেজৰ সেউজীয়া পৃথিৱীখন চাই তাতে বিভোৰ হৈ থাকে আৰু তাৰ মাজৰে কোনোবা এগৰাকীয়ে কবিতা লিখাত ব্যস্ত হৈ পৰে।

এনেদৰেই পাৰ হৈ যায় কলেজীয়া আড্ডা। শিক্ষাগুৰুসকলে মমৰ দৰে গলি গলি পোহৰ বিলোৱা এই লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ বৌদ্ধিক, মানসিক, শাৰীৰিক তথা শৈক্ষিক সকলোতে সেউজনগৰী, চিৰসেউজ হৈ ৰওক, তাৰেই কামনা।

**প্ৰদীতা বনিয়া**

# পৰিৱেশ প্ৰদূষণ আৰু আমাৰ সমাজ

ৰৌজলিন আলী

**আৰম্ভণি ঃ**

"যতেই পৰিষ্কাৰ/ত'তেই সংস্কাৰ।"


অৰণ্যৰ বাণীয়েই বিশ্বৰ প্ৰথম বাণী। বাণীশূণ্য জল-স্থল অন্তৰীক্ষত যি সংগীত প্ৰথম উচ্চাৰিত হৈছিল, সেই বাণী আছিল অৰণ্যৰেই। পৃথিৱীত প্ৰাণৰ আবিৰ্ভাৱৰ মুহূৰ্তত ভূ-গৰ্ভৰ পৰা প্ৰথম আহ্বান যি শুনিছিল তাৰ নাম বৃক্ষ, অৰণ্য বৃক্ষৰেই ৰচনা। বিশ্বৰ সকলো জীৱকূল শ শ কোটি বছৰ ধৰি অৰণ্যৰ স্নিগ্ধ ছাঁত লালিত-পালিত হৈছে। এই অৰণ্যয়েই এদিন লালন-পালন কৰিছিল ভাৰতৰ সভ্যতা, সংস্কৃতি আৰু মনীষাক। কিন্তু বৰ্তমান যুগৰ যন্ত্ৰ সভ্যতাই প্ৰাচীন ভাৰতৰ সহজ-সুন্দৰ প্ৰাকৃতিক আৰেষ্টনিক নিঃচিহ্ন কৰি দিছে। আধুনিক সভ্যতা আৰু যন্ত্ৰৰ দপদপনিত আজি উদাৰ আকাশ আৰু মুকলি বতাহ দূষিত। চৌপাশৰ সেউজ আচৰণ মানুহৰ নিৰ্বিচাৰ হননৰ পৰিণতিত বিপন্ন, বিধ্বস্ত। জনজীৱনৰ



স্বাভাৱিক বিস্তাৰৰ ফলত অৰণ্য সংকুচিত হৈ জন্ম হৈছে নগৰ-মহানগৰ। সেয়ে প্ৰথম বাণীৰ উচ্চাৰক আজি মূক, স্তব্ধ। নগৰীয়া জীৱন যান্ত্ৰণাৰ আক্ৰান্ত কবিৰ কণ্ঠত আজি আকুল প্ৰাৰ্থনা, "ওভতাই দিয়া মোৰ সেউজ অৰণ্য।"

**পৰিৱেশ আৰু প্ৰদূষণ ঃ**

পৰিৱেশ শব্দটোৰ ইংৰাজী প্ৰতিশব্দ "Environment" শব্দটো ফ্ৰান্সৰ "Environ" শব্দটোৰ পৰা আহিছে। এই শব্দৰ অৰ্থ হৈছে চৌপাশ। সেয়েহে পৰিৱেশ হৈছে ক্ষুদ্ৰাতিক্ষুদ্ৰ অণুজীৱৰ পৰা আৰম্ভ কৰি বৃহৎ আকাৰৰ প্ৰাণী, উদ্ভিদসহ সমস্ত জীৱজগত; যি অঞ্চলৰ আহাৰ-পানী, বতাহ খাই জীয়াই থাকে, যি অঞ্চলক আশ্ৰয়ৰ স্থান হিচাপে নিৰ্বাচন কৰে আৰু ডাঙৰ-দীঘল হৈ বংশ বিস্তাৰ কৰিব পাৰে, তেনে স্থান বা জীয়াই থকা উপাদানৰ চৌপাশকে সামগ্ৰিকভাৱে প্ৰাকৃতিক পৰিৱেশ বুলি কোৱা হয়। পৰিৱেশবিদ সকলৰ ভাষাত পৰিৱেশ হ'ল প্ৰধানতঃ মাটি, বায়ু, পানী, উদ্ভিদ আৰু প্ৰাণী এই পাঁচটা উপাদানৰ উপযুক্ত সমন্বয়। পৰিৱেশৰ এই উপাদানসমূহ পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল। এই নিৰ্ভৰশীলতাই মানুহ আৰু প্ৰকৃতিৰ মাজত এক সমতাৰ সৃষ্টি কৰে, যিটো জীৱন ধাৰণৰ বাবে অতি প্ৰয়োজনীয়। কিন্তু বৰ্তমান সময়ত ক্ৰমান্বয়ে এই




সমতা প্ৰদূষণৰ সোঁতত হেৰাই যোৱাৰ উপক্ৰম হৈছে।

প্ৰদূষণ শব্দটো ইংৰাজী প্ৰতিশব্দ "Pollution" শব্দটো লেটিন শব্দ "Pollutionem ৰপৰা আহিছে। যাৰ অৰ্থ হৈছে লেতেৰা, অপৰিষ্কাৰ। প্ৰদূষণ হৈছে যেতিয়া কোনো অনিষ্টকাৰী পদাৰ্থ আমাৰ চৌপাশে থকা মাটি, পানী আৰু বায়ুত প্ৰৱেশ কৰি এইবোৰৰ স্বাভাৱিক গুণ (যেনে- মাটিত থকা খনিজ পদাৰ্থ, বেক্টেৰিয়া, কেঁচু আদি অনেক সৰু সৰু জীৱ পানীত থকা অক্সিজেন, হাইড্ৰ'জেন) নষ্ট কৰি জীৱ জীয়াই থকাৰ অনুপযোগী কৰি তোলে, তেনে পৰিঘটনাকে পৰিৱেশ প্ৰদূষণ বুলি কোৱা হয়। বিভিন্ন প্ৰকাৰৰ প্ৰদূষণ যেনে-বায়ু প্ৰদূষণ, জলপ্ৰদূষণ, ভূমি প্ৰদূষণ আদি। আকৌ প্ৰদূষক অনুসৰি হোৱা প্ৰদূষণসমূহ যেনে- তাপ প্ৰদূষণ, তৈল প্ৰদূষণ, তেজস্ক্ৰিয় প্ৰদূষণ, শব্দ প্ৰদূষণ, গোটা আৱৰ্জনাৰ প্ৰদূষণ, সাগৰীয় প্ৰদূষণ ইত্যাদি।

**পৰিৱেশ প্ৰদূষণ হোৱাৰ মূল কাৰণসমূহ ঃ**

প্ৰাচীন উপাখ্যানত বৰ্ণিত আদম আৰু ইভে যেতিয়া আপেল খাই বাকলি সমূহ দলিয়াই পেলাইছিল সেইয়া আছিল পৰিৱেশ প্ৰদূষণৰ আৰম্ভণি। বিজ্ঞানীসকলৰ মতবাদ অনুসৰি যিদিনাই আদিম মানুহে শিলে শিলে ঘঁহনি খুৱাই জুইৰ আৱিস্কাৰ কৰিছিল সেইদিনাৰ পৰাই পৰিৱেশৰ বায়ু দূষিত হৈ পৰিছে। পৰিৱেশ প্ৰদূষণৰ বাবে মানৱ সমাজক মূল হোতা বুলি কোৱা হয় যদিও প্ৰকৃতিৰ অৱিহণাও অৱশ্যে নুই কৰিব নোৱাৰি। কিয়নো মহাকাশৰ পৰা অহা অতিবেঙুনীয়া ৰশ্মি, আগ্নেয়গিৰী, ভূমিকম্প আদিয়েও পৰিৱেশ প্ৰদূষণৰ এক অন্যতম ভূমিকা পালন কৰে।

পৰিৱেশ প্ৰদূষণৰ মূল কাৰণসমূহ ফঁহিয়াই চালে দেখা যায় যে- প্ৰথমতে, জনসংখ্যা তীব্ৰহাৰত বৃদ্ধি পোৱাৰ লগে লগে খাদ্য সমস্যা, বাসস্থানৰ সমস্যাও দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে। এই সমস্যাসমূহ দূৰ কৰিবলৈ মানৱ সমাজ কেৱল প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল হ'বলগীয়া হোৱাত প্ৰকৃতিৰ বুকুৰ পৰা যথে-মধে সম্পদ আহৰণ কৰি প্ৰাকৃতিক পৰিৱেশ বিনষ্ট কৰিছে।

দ্বিতীয়তে, উদ্যোগীকৰণ, নগৰীকৰণ, প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ আদি অপৰিকল্পিত কাৰ্যব্যৱস্থাৰ ফলতো পৰিৱেশ প্ৰদূষণ হোৱা দেখা গৈছে।

তৃতীয়তে, আৱৰ্জনা, গেলা-পচা বস্তু, কল-কাৰখানা বৰ্জিত দ্ৰব্য, ধোঁৱা-ছাই আদিয়েও পৰিৱেশ দূষিত কৰাত সহায় কৰে।

চতুৰ্থতে, আণৱিক শক্তিকেন্দ্ৰৰ পৰা ওলোৱা তেজষ্ক্ৰিয় পদাৰ্থ, চালফাৰ নাইট্ৰ'জেন, হেল'জেন আদি যৌগসমূহেও পৰিৱেশ প্ৰদূষণত অৱদান আগবঢ়ায়।

**মানৱ স্বাস্থ্যৰ ওপৰত প্ৰদূষণৰ প্ৰভাৱ ঃ**

এটা সময়ত বায়ু মণ্ডলত আছিল প্ৰাণ-প্ৰদায়িনী অফুৰন্ত অক্সিজেন, পানী আৰু খাদ্যত আছিল সতেজ বিশুদ্ধতা। যাৰ ফলত প্ৰাণীজীৱন দ্ৰুতভাৱে বিকশিত হৈছিল। প্ৰাকৃতিকভাৱে সৃষ্টি হোৱা অৰণ্যসমূহ আৰু গছ-গছনিৰে ভৰা শ্যামল, পৰ্বত-পাহাৰ সমূহে জলবায়ু পবিত্ৰ কৰি ৰাখিছিল আৰু ধুমুহা, বৰষুণ আদিও নিয়ন্ত্ৰণ কৰিছিল। অৰণ্যৰ গছ-গছনিয়ে জীৱৰ প্ৰভূত ক্ষতিকাৰক কাৰ্বন-ডাই-অক্সাইড পৰিশোধনৰ 'ৰূপকাৰ স্বৰূপ' অৰণ্যভূমি ধ্বংস কৰি প্ৰকাৰন্তৰে নিজেই নিজৰ সমাধি ক্ষেত্ৰ ৰচনা কৰিছে।

পৰিৱেশ প্ৰদূষিত হোৱাৰ ফলত জীৱ জগতত জীৱন যাত্ৰাৰ জটিল পৰিস্থিতি সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। যাৰ পৰিণতিস্বৰূপে মানুহ স্বাস্থ্যজনিত বেমাৰ-আজাৰত আক্ৰান্ত হ'বলগীয়া হৈছে। স্নায়ুৰোগ, যক্ষ্মা ৰোগ আদি ৰোগবোৰ পৰিৱেশ প্ৰদূষণৰ অন্যতম ফচল।

দ্বিতীয়তে, কৰ্কট ৰোগৰ দ্ৰুত প্ৰসাৰ তথা বিকলাংগ সন্তান জন্মৰ মূলতেই হ'ল পৰিৱেশৰ প্ৰয়োগ কৰা ৰাসায়নিক দ্ৰব্যৰ কু-প্ৰভাৱ যিবোৰ প্ৰত্যক্ষভাৱে বায়ু, মাটি, পানী, খাদ্যদ্ৰব্যত সহজে উপলব্ধ।

তৃতীয়তে, কৃত্ৰিম উপায়েৰে প্ৰস্তুত কৰা ৰাসায়নিক পদাৰ্থ যেনে- সীহ, আৰ্চেনিকৰ পৰা প্ৰাণীৰ প্ৰাণস্বৰূপ "পানী" মাৰাত্মকতাৰে দূষিত হোৱাৰ ফলত টাইফয়ড, কলেৰা, ডায়েৰিয়া, ডিচেণ্ট্ৰি আদিৰ দৰে বিভিন্ন ৰোগে দেখা দিয়ে।

চতুৰ্থতে, ইণ্ডিয়ান কাউন্সিল অব মেডিকেল ৰিচাৰ্চৰ মতে, আন্তৰ্জাতিক শব্দৰ পৰিমাণ ৩৫ ডেচিবেলৰ পৰা ৪৫ ডেচিবেল হোৱা উচিত বুলি মন্তব্য আগবঢ়াইছে যদিও কল-কাৰখানাৰ শব্দৰ পৰিমাপ ১২০ ডেচিবেল পৰ্যন্ত হোৱাৰ ফলত কাৰখানাৰ নিকটৱৰ্তী লোকৰ ৬০ শতাংশই কম-বেছি পৰিমাণে বধিৰ হোৱা দেখা যায়।

পঞ্চমতে, পৰিৱেশ প্ৰদূষণত ইন্ধন যোগোৱা আন এক উপাদান হৈছে গোটা আৱৰ্জনা। এই আৱৰ্জনাসমূহ পেলোৱা ঠাইত বেমাৰৰ বীজাণু কঢ়িওৱা এন্দুৰ, নিগনি, মাখিয়ে বংশবৃদ্ধি কৰে। পৰিণামস্বৰূপে প্লেগ, ডেংগু আদিৰ দৰে মহামাৰী বিপদ সমূহে মানৱ স্বাস্থ্যক বাৰুকৈয়ে প্ৰভাৱিত কৰে।

ইয়াৰোপৰি, পৰিৱেশ দূষিত হোৱাৰ ফলত প্ৰকৃতিৰ অনুপম সৌন্দৰ্য বিনাশ হোৱাৰ লগতে মানুহৰ পৰম্পৰা, ঐতিহ্য, সাংস্কৃতিক বিনোদন, আদিৰ বিকাশত বাধা সৃষ্টি হোৱা দেখা গৈছে। প্ৰদূষণৰ বাবে পৃথিৱীৰ চাৰিওফালে আৱৰি থকা অৰ্থাৎ পৃথিৱীৰ ৰক্ষা কৱচ "অ'জন" গেছৰ স্তৰত বিস্তৰ ক্ষতি হৈছে যাৰ কাৰণে সূৰ্যৰ পৰা অহা অতি বেঙুনীয়া ৰশ্মিক বাধা দিয়া এই গেছৰ স্তৰত আঘাত সানি পৃথিৱীক ৰক্ষণাবেক্ষণ দিয়া কঠিন হৈ পৰিছে।

মুঠৰ ওপৰত, পৰিৱেশ প্ৰদূষণৰ ফলত যে কেৱল মানৱ স্বাস্থ্যতেই বিস্তৰ ক্ষতি হয় এনে নহয়, ই সমস্ত জীৱ-জগতক বিপদাপন্ন কৰি তুলিছে। "নতুন জানানে" নামত পুথিত উল্লেখ কৰা মতে, "পৃথিৱীৰ নগৰসমূহত ১০৮ কোটিলোক বায়ু প্ৰদূষণজনিত ৰোগত ভূগিছে, ১৫ নিযুত লোকৰ খাদ্য অভাৱত মৃত্যু হৈছে, বীজাণুযুক্ত দূষিত পানী সেৱনৰ ফলত



প্ৰতিদিনে ২৫,০০০ লোকৰ মৃত্যু হোৱাৰ কথা জানিব পৰা গৈছে।” গতিকে এই ক্ষেত্ৰত সজাগ হোৱাটো সকলো ব্যক্তিৰ দায়িত্ব আৰু কৰ্তব্য হোৱা উচিত।


**সমাধানৰ উপায় ঃ**

সাৱধানতাই সমাধানৰ উপায়। কাৰণ পৰিৱেশ দূষিতকৰণ সমস্যা যিমান জটিল সিমান ভয়াবহ। এই জটিল সমস্যাটো সমাধানৰ ক্ষেত্ৰত প্ৰত্যেক ব্যক্তিৰ কৰণীয় বহু কাম আছে। যিহেতু ‘গছ থাকিলেহে মানুহ থাকিব” সেয়েহে ধুনীয়া ধৰণীখন নিকাকৈ ৰখাৰ আটাইতকৈ উত্তম পন্থাটোৱেই হ’ল বৃক্ষৰোপণ কাৰ্য। যাৰ ফলত পৰিৱেশ দূষিতকৰণ বহু পৰিমাণে ৰোধ কৰিব পাৰি।

যোৱা পাঁচ বছৰৰ পূৰ্বে মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই আৰম্ভ কৰা “স্বচ্ছ ভাৰত অভিযান” নামৰ আঁচনিৰ জৰিয়তেও আমাৰ চৌপাশ কিছু পৰিমানে প্ৰদূষণমুক্ত হোৱা দেখা গৈছে।

আন্তৰ্জাতিকভাৱে প্ৰণয়ন কৰা বিভিন্ন আইন যেনে- বন্যপ্ৰাণী সুৰক্ষা আইন- ১৯৮০, বায়ু প্ৰদূষণ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ আইন- ১৯৮০, বায়ু প্ৰদূষণ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ আইন- ১৯৮১, পৰিৱেশ সুৰক্ষা আইন-১৯৮৬, সুন্দৰলাল বহুগুণাই আৰম্ভ কৰা “চিপ্‌কো আন্দোলন-১৯৭০” আদি আঁচনি তথা আন্দোলনৰ দ্বাৰাও বিভিন্ন দেশ পৰিৱেশ সংৰক্ষণৰ প্ৰতি সজাগ হোৱা দেখা গৈছে।

পৰিৱেশ প্ৰদূষণৰ ফলত হোৱা অপকাৰিতাসমূহৰ পৰা হাত সাৰিবলৈ উপায় বিচাৰি বিজ্ঞানী, প্ৰকৃতিবিদ, সমাজ-সচেতন ব্যক্তি, অনুষ্ঠান-প্ৰতিষ্ঠান, বিভিন্ন সংগঠন আদি আগবাঢ়ি আহিছে। বৈজ্ঞানিক




ব্যৱস্থাপনাৰ দ্বাৰা জীৱজগতৰ লগতে প্ৰাকৃতিক সম্পদৰাজিক ৰক্ষা কৰা বা ভৱিষ্যত জীৱনধাৰাক ৰক্ষণাবেক্ষণ দিবলৈ যি প্ৰয়োজন তাক বাস্তৱায়িত কৰাৰ উদ্দেশ্যেই পোন-প্ৰথমবাৰৰ বাবে ১৯৭২ চনৰ ৫ জুন তাৰিখে ছুইডেনৰ ষ্টকহ’মত এখন মানৱ পৰিৱেশ আইন সন্মিলন অনুষ্ঠিত কৰে। তেতিয়াৰ পৰাই প্ৰতি বছৰে ৫ জুন তাৰিখটো “বিশ্ব পৰিৱেশ” দিৱস হিচাপে পালন কৰা হয়। এই দিৱস পালনৰ জৰিয়তে সৰ্বসাধাৰণ লোকৰ পৰিৱেশ ৰক্ষাৰ শিক্ষা, পৰিৱেশবিহীন পৃথিৱীৰ ভয়াবহতা আদি ভালেমান দিশৰ ওপৰত সজাগতা আনিবলৈ প্ৰয়াস কৰা হয়। সেয়েহে দেশৰ সকলো নাগৰিক, ছাত্ৰ-ছাত্ৰী, বেচৰকাৰী সংস্থা, সংগঠন আদি সকলোৱে পৰিৱেশ ৰক্ষা কৰিবলৈ আগবাঢ়ি আহিব লাগিব, তেতিয়াহে আমাৰ এই সুন্দৰ নিকা ধৰাখনক ভৱিষ্যত বংশধৰসকলক উপহাৰ দিব পাৰিম আৰু পৰিৱেশ দিৱস পালন কৰাও সাৰ্থক হ’ব।

**সামৰণি ঃ**

সঁচাকৈ, গছহে আমাৰ ৰক্ষক। এটি শিশুৰ বাবে এজোপা গছ- এই শ্লোগানটোক কাৰ্যকৰী কৰি তুলিব পাৰিলে এদিন নাগৰিক জীৱন সেউজ কোলাত, শান্ত-স্নিগ্ধ, শীতল ছাঁত জীৱন-যাপন কৰিব পাৰিব। আধুনিক জীৱনে দ্ৰুতগতিত উন্নতি কৰাৰ ফলত আমি যান্ত্ৰিক জীৱনক আঁকোৱালি ল’বলৈ বাধ্য হৈ পৰিছো কিন্তু নিয়ন্ত্ৰিতভাৱে ব্যৱহাৰৰ ওপৰতে নিৰ্ভৰ কৰিব পৰিৱেশৰ ভাৰসাম্যতা আৰু সমাজৰ কল্যাণ। “Save Tree Save Life”- এই মন্ত্ৰত দীক্ষিত হৈ আমি আমাৰ ধৰণীখনক উত্তৰ পুৰুষৰ বাবে সেউজীয়াৰে উপচাই সুন্দৰ যথোপযোগী কৰি যাব পাৰো, তাৰবাবে অন্ততঃ নিজৰ জন্মদিনত সকলোৱে আঁহক এজোপা বৃক্ষ ৰূপণ কৰোঁহু এই ক্ষুদ্ৰ প্ৰচেষ্টাৰ ধাৰাবাহিকতা যাতে অক্ষুন্ন থাকে তাৰেই কামনাৰে.......।

*(লেখিকা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী)*



# অসমৰ চাহ জনজাতি লোকসকল

চিম্পী দত্ত

"অসম দেশৰ বাগিছাৰে ছোৱালী
ঝুমুৰ তুমুৰ নাচি কৰো ধেমালী
হে লচ্‌মী নহয় মোৰে নাম চামেলি...."
- চামেলি মেম্‌চাব

এই গীতটি চাহ জনজাতিৰ কৃষ্টি সংস্কৃতি ঠেুৰি পৰিছে। এক প্ৰধান উপনৈ যাৰ অবিহনে বিশাল বৰলুইতৰ দৰে অসমীয়া সংস্কৃতি আধৰুৱা হৈ ৰ'ব। অসম দেশৰ প্ৰাকৃতিক পৰিৱেশটো এক সেউজীয়া চাদৰেৰে ঢাকি ৰখা চাহ বাগান সমূহে অসমৰ সৌন্দৰ্য আৰু এগুন বৃদ্ধি কৰিছে। যাৰ আঁৰত আছে চাহ জনজাতি লোক সকল। তেওঁলোক কঠোৰ পৰিশ্ৰমে অসমৰ প্ৰাকৃতিক সৌন্দৰ্য এক সুকীয়া স্থানত স্থান পায়। অসমৰ চাহ-জনজাতি লোক সকল হৈছে চাহ বাগিছাৰ শ্ৰমিক সকল আৰু তেওঁলোকৰ নিৰ্ভৰশীলতাক বুজাবলৈ ব্যৱহাৰ কৰা হৈছে। যিসকলে সমগ্ৰ অসম বিয়পি থকা চাহ বাগিছাৰ ভিতৰত নিৰ্মিত শ্ৰমিক কোৱাটাৰত বাস কৰে। তেওঁলোকৰ পৰিয়াল সমূহ ঘাইকৈ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ সিঁচৰিত হৈ থকা প্ৰায় জ্জ্বঙ্খ চাহ বাগিছাৰ ভিতৰত বাস কৰে। তেওঁলোকক ব্ৰিটিছ চৰকাৰে অসমৰ চাহ উদ্যোগ আৰু চাহ বাগিছা সমূহত কাম কৰিবলৈ শ্ৰমিক হিচাপে অসমলৈ আনিছিল।

ঊনৈশ শতিকাৰ আৰম্ভণিতে বহুতো খেলি মেলি আৰু অৰাজক অৱস্থাই দেখা দিছিল। এইবোৰ আছিল অসমৰ ৰাজনৈতিক দৃশ্যপটৰ কিছু সাল-সলনি হোৱাৰ সময় সেই সময়ত কিছুমান নতুন ৰেঙনীয়ে অসমৰ পূব আকাশত ভুমুকি মাৰিছিল আৰু তেনে এক ৰেঙনী চাহ-শিল্পৰ শুভা গমন ঘটায়। ৰজ্জ্বচ্ব খৃষ্টাব্দত ৰৰ্বাট ব্ৰুচে মণিৰাম দেৱানৰ লগত লগ হৈ অসমত চাহ বাগিছাৰ আৱিস্কাৰ কৰিছিল। অসমত বনৰীয়া চাহ গছৰ সদৰি হোৱাত ইংৰাজ সকলৰ গাত তত নাইকীয়া হ'ল। অসমত চাহ খেতিৰ ব্যৱসায়িক সম্ভাৱনা দেখি ইংৰাজ সকলে চাহ খেতি কৰিবলৈ মন মেলিলে। কিন্তু এটা প্ৰধান সমস্যাৰ সৃষ্টি হৈছিল চাহ খেতি

কৰিব পৰাকৈ যথেষ্ট সংখ্যক থলুৱা শ্ৰমিক অভাৱ। এই সমস্যা সমাধান কৰিবলৈ ইংৰাজসকলে চলে বলে আৰু কৌশলেৰে ভাৰতবৰ্ষৰ বিভিন্ন স্থানৰ যেনে আমি পাৰো যে- বিহাৰ, উৰিষ্যা, পশ্চিমবংগ, অন্ধ্ৰপ্ৰদেশ, মধ্যপ্ৰদেশ আদি ঠাই পৰা অসমলৈ শ্ৰমিক সৰবৰাহ কৰিবলৈ ধৰিলে। ইয়াৰ ভিতৰত ওৰাং, বাউৰি, মুণ্ডা, ভূমিজ, তেলেগু, পানিমে, প্ৰধান, বনিয়া আদি জাতি উপজাতি আৰু খেলৰ প্ৰায় ৰচম্ভ খন মান সংমিশ্ৰণত সৃষ্টি হ'ল অসমৰ চাহ শ্ৰমিকৰ এওঁলোকে সমষ্টি।

চাহ জনজাতি বেছিভাগ লোকেই পাৰম্পৰিক হিন্দু ধৰ্ম আৰু আদিম লোক ধৰ্মৰ অন্যতম প্ৰাকৃতিক উপাসনা কৰা চাৰি শাৰণা ধৰ্ম পালন কৰে। খ্ৰীষ্টান মিছনেৰী সকলৰ চাহ জনজাতীয় বহু সংখ্যক লোকে ধৰ্মান্তৰিত হৈ খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰিছে। খৰিয়া, চাওঁতাল, কুৰখ আৰু মুণ্ডা সকলৰ মাজত খ্ৰীষ্টান ধৰ্ম বেছি জনপ্ৰিয়।

ভাৰতৰ বিহাৰ, ঝাৰখণ্ড, পশ্চিমবংগ আদিৰ ৰাজ্যৰ দৰে অসমৰ চাহ জনজাতীয় লোক সকলে ভাদ মাহৰ একাদশী তিথিত



কৰম পূজা পালন কৰে। মাদল বজাই সমূহীয়াকৈ কৰা ঝুমুৰ নৃত্য এই অনুষ্ঠানৰ অন্যতম আকৰ্ষণ। একেদৰে পুহ মাহৰ সংক্ৰান্তিৰ দিনাখন তেওঁলোকে টুচু পূজা পালন কৰে।

অসমৰ উজনি অসমত চাহ জনজাতিৰ ঘনত্ব বেছি যদিও বৰাক উপত্যকা আৰু বড়োলেণ্ড ক্ষেত্ৰীয় পৰিষদৰ অন্তৰ্গত জিলা সমূহতো তেওঁলোকৰ উল্লেখযোগ্য বসতি আছে। বড়োলেণ্ডৰ মুঠ ৰজ্জশতাংশ আৰু বৰাক উপত্যকাৰ ৰৰ শতাংশ লোক চাহ জনগোষ্ঠী সম্প্ৰদায়ৰ।

পানীৰ পিছতে চাহ হৈছে পৃথিৱীৰ দ্বিতীয় সৰ্বাধিক জনপ্ৰিয় পানীয়। ভাৰতৰ ভিতৰত অসমত সৰ্বাধিক চাহ উৎপাদন হয়। এই সাফল্য আঁৰৰ মেৰুদণ্ড হ'ল চাহ জন-জাতীয় লোক সকল। তেওঁলোকে দৈনন্দিন জীৱনত কঠোৰ পৰিশ্ৰম কৰি অসমৰ লগতে ভাৰতৰ সকলো চাহ বাগিছা জীয়াই ৰাখিছে। তেওঁলোকে চাহ বাগিছা সমূহতে সপোন দেখে। চাহ বাগিছা সমূহতে জীৱনৰ প্ৰতি পল ৰঙীন কৰাৰ চেষ্টা কৰে।



# অসমৰ লোকবাদ্য

## প্ৰণিতা বৰা

অসমৰ গাঁৱে-ভূঞে সিঁচৰতি হৈ থকা লোকবাদ্য সমূহ হ'ল অসমীয়া সংস্কৃতিৰ এক পৰিচায়ক। অসমৰ শিল্পী সত্তাই বজোৱা এই ভিন্ন বাদ্য সমূহে অসমীয়া সংস্কৃতিৰ সম্ভাৰ সমৃদ্ধ কৰাত প্ৰচুৰ অৰিহণা যোগাইছে। অসমৰ সম্পদ হিচাপে চিহ্নিত সাঁচিপতীয়া পুথিসমূহত এই বাদ্যযন্ত্ৰৰ উল্লেখ আছে। পুৰণি বুৰঞ্জীত পঞ্চশব্দৰ বিৰৰণ আছে। শংখ, মৃদংগ, পাখোয়াজ, দুন্দুভি আৰু ঢোল এই পাঁচোটা বাদ্যক একেলগে পঞ্চশব্দ বোলে। মহাপুৰুষ দুজনাৰ অন্যতম সৃষ্টি বৰগীতত বাদ্যযন্ত্ৰৰ বিষয়ে পোৱা যায়। এই লোকবাদ্য সমূহ পোন প্ৰথমে কোনে, কেতিয়া আৱিস্কাৰ কৰিছিল তাৰ কোনো সঠিক প্ৰমাণ তথা উল্লেখ নাই যদিও এই লোকবাদ্য সমূহ গ্ৰাম্য চহাসকলৰে অপূৰ্ব সৃষ্টি বুলি জনা যায়। অসমৰ কেইটামান লোকবাদ্যৰ চমু বিৰৰণ তলত দাঙি ধৰা হ'ল।








ঢোল ঃ ঢোল অসমৰ জনসংস্কৃতিৰ সকলোতকৈ গুৰুত্বপূৰ্ণ বাদ্য বুলি ক'ব পাৰি। অসমৰ সকলো জনগোষ্ঠীৰে যি কোনো উৎসৱত ঢোল অপৰিহাৰ্য। সেয়েহে অসমৰ ভিন্ন ঠাইত ভিন্ন প্ৰকাৰৰ ঢোল আৰু বৈশিষ্ট্যগত বাদন প্ৰণালী আছে। ঢোলক অসমীয়া সকলে দেৱবাদ্য ৰূপে গণ্য কৰে। ঢোলৰ উৎপত্তি কৈলাসত আৰু তাৰ পৰাই পাণ্ডৱ অৰ্জুনে ইয়াক মতলৈ নমাই অনা বুলি লোককথাত পোৱা যায়। ঢোলৰ আকাৰগত বৈশিষ্ট্যও দেখিবলৈ পোৱা যায়। এসময়ত ঢোলৰ ছেৱেৰে মতলীয়া কৰিব পৰা ডেকাকহে অসমীয়া গাভৰুৱে জীৱন সংগিনী কৰিবলৈ বাছনি কৰিছিল। অৰ্থাৎ ঢোল বজাব পৰাটো এসময়ত অসমীয়া ডেকাৰ পৌৰযোত্বৰ প্ৰতীক ৰূপে গণ্য কৰা হৈছিল। ঢোলক মানুহৰ প্ৰজনন শক্তিৰ পৰিচায়ক বুলি ধৰা হৈছিল।

পেঁপা ঃ অসমীয়া সংস্কৃতিৰ পৰিচায়ক স্বৰূপ লোকবাদ্য সমূহৰ ভিতৰত এক মোহনীয় বাদ্য হ'ল ম'হৰ শিঙৰ পেঁপা আহোম স্বৰ্গদেউ সকলৰ শাসন কালত ৰাজ্যৰ শুভ মুহূৰ্তত 'ৰংশিঙা' আৰু অশুভ মুহূৰ্তত 'খং শিঙা' বজাই প্ৰজাক জাননী হৈছিল। পেঁপা শব্দটো মূলতে চীন-তিব্বতীয় শব্দ। তিব্বতত ব্যৱহাৰ হোৱা পেঁপা জাতীয় বাদ্যতো অসমৰ পেঁপাতকৈ দীঘল আৰু পিতলেৰে তৈয়াৰী। বিহুত ব্যৱহৃত পেঁপাৰ প্ৰচলন তথা গঠন সম্পৰ্কে লিখিত বুৰঞ্জী বিচাৰি পোৱা নাযায়। পৰম্পৰাগত ভাৱে ম'হ পালকে বজোৱা এই পেঁপা কালক্ৰমত কৃষিকাৰ্যত জড়িত চহা শিল্পীৰ হাতলৈ আহে আৰু পূৰ্ণাংগ লোকবাদ্যত পৰিণত হয়। অসমৰ ভিন্ন জনগোষ্ঠীৰ মাজত পেঁপা ভিন্ন নামেৰে পৰিচিত। মিচিং সকলে ইয়াক পেম্পা, ডিমাছা সকলে সুৰি, ৰাভাসকলে ছিংগ্ৰা আৰু চাহ জন-জাতিসকলে পেঁপাটি বুলি কয়।

টকা ঃ অসমৰ লোকবাদ্য সমূহৰ ভিতৰত অন্য এক অতি পৰিচিত আৰু সহজে পোৱা বাদ্য হ'ল টকা। এই বাদ্যৰ ব্যৱহাৰ অতি সহজ। টকা বাঁহেৰে নিৰ্মিত হোৱা বাবে অসমৰ চহা জীৱনত এই বাদ্যটি অতি সুলভ বিহু গীতৰ প্ৰাথমিক তাল আছিল হাতচাপৰি, আৰু কালক্ৰমত হাতচাপৰিৰ চন্দকে প্ৰয়োগ কৰি টকাৰ উৎপত্তি হ'ল। টকা বিহুৰ এক অপৰিহাৰ্য অংগ।

বাঁহী ঃ বাঁহীক থলুৱা বাদ্য বুলি সম্পূৰ্ণৰূপে অভিহিত কৰিব নোৱাৰিলেও অসমীয়া সংস্কৃতিৰ ক্ষেত্ৰত বাঁহী এক অপৰিহাৰ্য বাদ্য। বিশেষকৈ ভগৱান শ্ৰীকৃষ্ণৰ বাদ্য ৰূপে অসমৰ পৰম্পৰাগত বৈষ্ণৱ সমাজত বাঁহীৰ ব্যৱহাৰ পৱিত্ৰ আৰু শ্ৰদ্ধেয়। বাঁহীক অসমত বংশী, বেনু, মুৰুলী, বাশী আদি ভিন্ন নামেৰে জনা যায়। বাঁহীৰ উৎপত্তি চীন দেশত বুলি ঠাৱৰ কৰা হয় যদিও ভাৰতত লোকসংগীতত বাঁহীৰ ব্যৱহাৰ অতি প্ৰাচীন।

খোল ঃ খোল লোকবাদ্য বিধ মৃদংগৰে এক আধুনিক ৰূপ বুলি ক'ব পাৰি। আজি প্ৰায় পাঁচশ বছৰৰ পৰা ভাৰতৰ ভিন্ন ঠাইত বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰৰ লগে লগে নাম কীৰ্ত্তনৰ বাবে খোলৰ প্ৰচলন হয়। বিশেষকৈ, পূব ভাৰতৰ অসম, বঙ্গ, মণিপুৰ আৰু উৰিষ্যাত এই বাদ্যৰ প্ৰচলন অতি বেছি। বঙ্গত এই বাদ্যক ধৰ্মীয় বাদ্য ৰূপে সন্মান কৰি 'শ্ৰীখোল' বোলা হয়। বৰগীত আৰু সত্ৰীয়া নৃত্যৰ বাবে খোল হৈছে এক অপৰিহাৰ্য তাল বাদ্য।

অসমৰ খোল বাদন বিশ্বত চিনাকী দিয়াৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত স্বৰ্গীয় মণিৰাম দত্ত বায়ন মুক্তিয়াৰ আৰু ৰাষ্ট্ৰীয় বঁটা প্ৰাপ্ত শ্ৰীৰসেশ্বৰ শইকীয়া বায়ন দেৱৰ নাম বিশেষভাৱে উল্লেখযোগ্য।



# আধুনিক জীৱনত বিজ্ঞান

## মিলিয়ানী কুজুৰ

**আৰম্ভণি ঃ** বিজ্ঞানৰ অগ্ৰগতি আধুনিক জগতৰ এক উল্লেখযোগ্য পদক্ষেপ। আধুনিক জীৱন চেতনাক সম্পূৰ্ণৰূপে পৰিচালনা কৰিছে বিজ্ঞানে। ই এফালে যেনেকৈ আধুনিক জীৱনক সুখ স্বাচ্ছন্দ্যৰে ভৰাই তুলিছে আনপিনে আকৌ দুৰ্যোগৰ কলা মেঘেৰেও জীৱনক আচ্ছন্ন কৰি পেলাইছে। তথাপিও বিজ্ঞানৰ কৃপা অবিহনে জীৱন ধাৰণ অসম্ভৱ।

**ভূমিকা ঃ** বৰ্তমানৰ সময় হৈছে সম্প্ৰতি প্ৰযুক্তি বিজ্ঞানৰ যুগ। অনুসন্ধিৎসু মানৱ মনে আৱিস্কাৰৰ স্পৃহাৰে বিজ্ঞানৰ জন্ম দিলে। প্ৰাচীনকালৰ পৰা প্ৰকৃতিৰ ৰহস্যময়তাই মানৱ মনক অভিভূত কৰিছিল, সেই ৰহস্য উদঘাটনৰ প্ৰয়াসকেই বৈজ্ঞানিক চিন্তাৰ সূত্ৰপাত হ'ল। ইয়ে মানুহক গোটেই প্ৰকৃতি জগতক প্ৰদানত কৰাৰ ক্ষমতা দান কৰিলে। বিজ্ঞানৰ এক অভিনৱ আৱিস্কাৰ হ'ল, বিদ্যুৎ শক্তি। এই শক্তিৰেই আজি মানুহে গোটেই বিশ্বতে তাৰ অভিযান চলাবলৈ সমৰ্থ হৈছে। মাটিৰ তলৰ খনিৰ পৰা তেল, কয়লা আহৰণ কৰি শক্তিৰ উৎস ৰচনা কৰি মানুহ হৈ পৰিল আত্মনিৰ্ভৰশীল। নতুন নতুন শিল্প উদ্যোগ পৰিচালিত হৈছে এই শক্তিৰ দ্বাৰা। বিজ্ঞানৰ যোগেদি গ্ৰহ নক্ষত্ৰৰ আৱিস্কাৰ কৰি, তালৈ নানা ধৰণৰ যান পঠাই মানুহে বিশ্বৰ বুকুত নিজৰ অস্তিত্বৰ কথা ঘোষণা কৰাৰ লগতে দৈনন্দিন জীৱনতো

বিজ্ঞানৰ নানা অৱদানৰ যোগেদি সুখ স্বাচ্ছন্দ্যৰ অধিকাৰী হৈছে। ৰাতিপুৱা শুই উঠাৰ পৰা ৰাতি শোৱালৈকে বিজ্ঞানৰ বিভিন্ন সমলৰ মাজেদি মানুহে নিজস্ব প্ৰয়োজনীয় কাম-কাজ সমাধা কৰিবলৈ লৈছে। টুথপেষ্ট, চাবোন, সুগন্ধি তেল, পাউদাৰ আদি সকলো বৈজ্ঞানিক প্ৰযুক্তিৰ যোগেদি তৈয়াৰ কৰা বস্তু আমি সদায় ব্যৱহাৰ কৰো। ফ্ৰিজত বস্তু থৈ তাক আমি নিজ ইচ্ছানুসৰি ব্যৱহাৰ কৰিব পাৰো। ঠাণ্ডা পানীয় ঘৰতে তৈয়াৰ কৰি ল'ব পৰাৰ ব্যৱস্থাও তাৰ যোগেদি কৰিব পাৰি। আজিকালি প্ৰায় ঘৰতে টেলিফোন থাকে। আনকি গাঁও অঞ্চলতো ইয়াৰ প্ৰসাৰ ঘটিছে। দৈনন্দিন জীৱনত ই এটা বৰ লাগতিয়াল বস্তু। কাৰণ ইয়াৰ যোগেদি দ্ৰুতভাৱে যোগাযোগ ব্যৱস্থা কৰিব পাৰি। কাপোৰ ধোৱা মেচিনৰ ওলোৱাৰ পৰা মানুহৰ শাৰীৰিক পৰিশ্ৰমৰ বিশেষ লাঘৱ হৈছে। কাপোৰ ধুই বৈদ্যুতিক ইষ্ট্ৰিৰ যোগেদি কম সময়ৰ ভিতৰতে কাপোৰ ইষ্ট্ৰি কৰি ল'ব পাৰি। বিদ্যুত শক্তিৰ প্ৰভাৱত ঘৰুৱা নানা কাম তাৰ যোগেদি সম্পন্ন কৰা হয়, খুব কম আয়াসতে। এইবোৰৰ উপৰিও আনন্দ বিনোদনৰ কাৰণে বিজ্ঞানে যথেষ্ট অৰিহনা আমাক উপহাৰ দিছে। তাৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য হ'ল অনাতাঁৰ বা ৰেডিঅ'। ইয়াৰ যোগেদি গীত-মাত শুনাৰ লগতে দেশ বিদেশ বিভিন্ন বা বাতৰি অতি কম সময়ৰ ভিতৰতে বহি পাব পাৰি। টেপ-ৰেৰ্কডাৰৰ যোগেদি গীত মান শুনাৰ লগে লগে প্ৰয়োজনীয় তথ্যবোৰ ৰেকৰ্ড কৰি থব পাৰি। দূৰদৰ্শনৰ যোগেদি গোটেই বিশ্বৰ তাৎপৰ্যপূৰ্ণ ঘটনাবোৰ ঘৰতে বহি চাব পৰা হৈছে আৰু ইয়াৰ ফলত যথেষ্ট সময় ৰাহি হয়।



টকা-পইচা থকা মানুহবোৰ অতি কম আয়াসতে সকলো আনন্দ উপভোগ কৰিব পৰা হৈছে এই বিজ্ঞানৰ বলতে।

**বিজ্ঞানৰ বিভীষিকা ঃ** বিজ্ঞানে এফালে যেনেকৈ আমাক সুখ স্বাচ্ছন্দ্য দিছে ঠিক তেনেকৈ আকৌ আনফালে আকৌ ইয়াৰ ভয়ংকৰ ৰূপেৰে চমৎকৃত কৰিছে। বিজ্ঞানৰ আটাইতকৈ ডাঙৰ অভিশাপ হ'ল আনৱিক বোমাৰ প্ৰয়োগ। যোৱা মহাযুদ্ধত ইয়াৰ ভয়ংকৰ ৰূপ গোটেই জগতে প্ৰত্যক্ষ কৰিছে। হিৰোচিমা আৰু নাগাচাকিত ফুটোৱা সেই বোমাত লাখ লাখ মানুহে প্ৰাণ আহুতি দিয়াৰ উপৰিও তাৰ প্ৰতিক্ৰিয়া আজিও অনুভূত হৈয়ে আছে। সম্প্ৰতি উন্নয়নশীল দেশবোৰে আনৱিক বোমাৰ পৰীক্ষাৰে পৃথিৱীৰ পৰিবেশৰ ভাৰসাম্য নষ্ট কৰি পেলাইছে আৰু তাৰ ফলত নানা ধৰণৰ বেমাৰ আজাৰে বিশ্বৰ মানুহক পঙ্গু কৰাৰ উপক্ৰম কৰিছে। জলবায়ুৰ অভূতপূৰ্ব পৰিৱৰ্তন ঘটিছে। বিজ্ঞানৰ উন্নতিৰ লগে লগে শিল্প উদ্যোগৰ প্ৰসাৰ ঘটিছে। এইবোৰে পৃথিৱীৰ পৰিৱেশ প্ৰদূষিত কৰিছে। স্বয়ংক্ৰিয় মেচিনৰ অত্যাধিক প্ৰসাৰে নিবনুৱাৰ সমস্যাক আৰু বেচি ভয়াবহ কৰি তুলিছে। ইয়াৰ যোগেদি এফালে যেনেকৈ খুব কম সময়ৰ ভিতৰত কাৰ্যালয়বোৰতো কাম-কাজ সম্পন্ন হয় আনফালে আকৌ বহু মানুহৰ

নিয়োগৰ পথো ই বন্ধ কৰিছে। পশ্চিমীয়া দেশবোৰত যন্ত্ৰ মানৱৰ ব্যৱহাৰৰ ফলত মানবীয় আৱেগ অনুভূতিৰো অবক্ষয় ঘটিছে।

**বিজ্ঞানৰ প্ৰয়োগত মানবীয় মহত্ব ঃ** মানবীয় মহত্বৰ বিকাশ অবিহনে বিজ্ঞানৰ প্ৰয়োগৰ কেতিয়াও মঙ্গলজনক হ'ব নোৱাৰে। বিজ্ঞানে এফালে যেনেকৈ ভোগৰ সামগ্ৰীবোৰৰ জন্ম দিছে ঠিক তেনেকৈ ধ্বংসাত্মক পথৰো সন্ধান দিছে। কিন্তু বিজ্ঞানৰ প্ৰয়োগৰ আঁৰত মানুহ থাকে। সেই মানুহৰ শুভ বুদ্ধিৰ ওপৰতে বিজ্ঞানৰ শুভফল নিৰ্ভৰশীল। মানুহৰ অন্তৰৰ দানবীয় প্ৰবৃত্তিৰ বিকাশ ৰোধ কৰিব নোৱাৰিলে বিজ্ঞানে কোনো প্ৰকাৰৰ মঙ্গল সাধন কৰিব নোৱাৰে। সেয়ে মানবীয় গুণৰ পূৰ্ণ বিকাশ সম্ভৱ নহ'লে বিজ্ঞানে তাৰ মঙ্গলময় আশীৰ্বাদেৰে এই ধৰণীক শুৱনি কৰিবলৈ সমৰ্থ নহয়।

**বিজ্ঞানৰ প্ৰসাৰ ঃ** আজি পৃথিৱীৰ উন্নত দেশবোৰত ইয়াৰ প্ৰসাৰ যথেষ্ট সেয়ে দেশবোৰ দেশে উন্নতিৰ চৰমসীমা পাইছে মানুহৰ জীৱন ধাৰণৰ সকলো সমস্যাকে ই লাঘৱ কৰিছে। উন্নত যন্ত্ৰপাতিৰ ব্যৱহাৰেৰে কৃষি শিল্পৰে যথেষ্ট উন্নতি সাধন কৰি সেইবোৰ দেশক সম্পদশালী কৰি তুলিছে এই নব্য প্ৰযুক্তি বিজ্ঞানে। সম্প্ৰতি ভাৰতবৰ্ষতো ইলেক্ট্ৰনিকচৰ যথেষ্ট প্ৰসাৰ ঘটিছে। যুগৰ লগত তাৰ মিলাই দেশৰ শিল্প আৰু কৃষিৰ ক্ষেত্ৰত ইয়াৰ প্ৰয়োগ কৰা হৈছে। চাহ শিল্প, খেতি পথাৰ আৰু শিল্প উদ্যোগত ইয়াক প্ৰয়োগ কৰি এইবোৰ দিশত এক নতুন বিপ্লৱ সম্ভৱ কৰিবলৈ ভাৰতীয় বৈজ্ঞানিক সকলেও নিৰন্তৰ প্ৰয়াস চলায় আছে। ভাৰতৰ বিভিন্ন বিমান বন্দৰ, ৰেল ষ্টেচন আৰু জাহাজ বন্দৰবোৰ আধুনিক প্ৰযুক্তি বিজ্ঞানৰ যোগেদি নব্য ৰূপ দিয়াৰ প্ৰয়াস আৰম্ভ হৈছে। আকাশত কৃত্ৰিম উপগ্ৰহ উৎক্ষেপনৰ যোগেদি যোগাযোগ, আৱহাৱাৰ খবৰ সংগ্ৰহ আদি কাৰ্য সুকলমে সমাধা কৰা হৈছে।

উন্নত দেশবোৰৰ সাহাৰ্য্যত ভাৰতে বিজ্ঞানৰ দিশত যথেষ্ট অগ্ৰগতি লাভ কৰে আৰু সম্প্ৰতি ই উন্নত দেশবোৰৰ সমপৰ্যায় লাভ কৰিবলৈ সমৰ্থ হৈছে।

**সামৰণি ঃ** বিজ্ঞানক মানৱ কল্যাণৰ অৰ্থে প্ৰয়োগ কৰিবলৈ পৃথিৱীৰ সমূহ জনগণ দৃঢ় প্ৰতিজ্ঞা হ'ব লাগে। তাৰ ধ্বংসমুখীনতাক ৰোধ কৰাৰ একমাত্ৰ উপায় হ'ল মানুহে সম্ভাৰ সৃষ্টি। গ্ৰহ নক্ষত্ৰৰ বুকুত মানুহ বিচাৰি আজি বিজ্ঞানে হাবাথুৰি খাইছে। এই অন্বেষণ অব্যাহত থাকিলেহে মানুহৰ সামগ্ৰিক মঙ্গল সম্ভৱপৰ কিন্তু তাৰ পৰিৱৰ্তে যদি এটা গ্ৰহৰ সামান্য ধূলিকনাৰ ধ্বংস কৰা কাৰ্যত ই প্ৰবৃত্ত হয় তেনেহ'লে বৈজ্ঞানিকসকলৰ ইমান দিনৰ সাধনা অথলে যাব। গতিকে বিজ্ঞানৰ প্ৰসাৰৰ লগে লগে এফালে মানবীয় বিকাশ যেনেকৈ সম্ভৱপৰ হৈছে আনফালে আকৌ মানুহৰ অধিকাৰবোৰকো কাঢ়ি লোৱা হৈছে। এই বিশ্বক মানুহৰ বাসৰ উপযোগী কৰি তোলাই বিজ্ঞানৰ কাম। মানবীয় অধিকাৰবোৰ বা মানবীয় ধ্বংস ইয়াৰ লক্ষ্য নহয়। সেয়ে বিজ্ঞানৰ যুগত এই দিশলৈ লক্ষ্য ৰাখিলেহে পৃথিৱী ধুনীয়া হ'ব পাৰে। এই কথা প্ৰত্যেক দেশৰ মানুহে চিন্তা কৰিলেহে এই বিশ্ব আৰু অধিক ৰমনীয় হৈ পৰিব। গতিকে বিজ্ঞানক জনকল্যাণমুখী কৰিবই লাগিব।






# মানৱ স্বাস্থ্যৰ ওপৰত পৰিৱেশ প্ৰদূষণৰ প্ৰভাৱ

লাকী বৰুৱা

**আৰম্ভণি ঃ** সভ্যতাৰ চূড়ান্ত শিখৰত আৰোহণ কৰিবলৈ অগ্ৰসৰ হোৱা জীৱশ্ৰেষ্ঠ মানুহে নিজকে পৰিৱেশৰ দাস কৰি ৰখাৰ হীনমন্যতাক প্ৰশ্ৰয় দিয়াৰ পৰিৱৰ্তে প্ৰাকৃতিক পৰিৱেশক প্ৰত্যাহ্বানহে জনাইছে আৰু প্ৰকৃতিক জয় কৰি প্ৰকৃতিৰ সকলো শক্তিকে মানৱ কল্যাণত নিয়োজিত কৰিবলৈ প্ৰয়াস কৰিছে। সমস্যাৰ সৃষ্টি হৈছে সেইখিনিতে। প্ৰকৃতিক যিদৰে দুৰ্বাৰ সাহসেৰে মানুহে পদানত কৰিবলৈ প্ৰচেষ্টা চলাই আহিছে, সেইদৰেই প্ৰকৃতিয়েও স্বাভাৱসুলভ নীৰৱতাৰেই মানুহৰ শক্তিৰ বিৰুদ্ধে, প্ৰতিৰোধৰ দুৰ্জয় বেহু ৰচনা কৰিব লাগিছে। ফলত মানুহ আৰু প্ৰকৃতিৰ মাজত সৃষ্টি হৈছে দুৰ্ধৰ্ষ সংঘাতৰ। এই সংঘাতৰেই প্ৰতিফলন হৈছে প্ৰদূষণ।

**পৰিৰেশ প্ৰদূষণ ঃ** 'পৰিৰেশ' শব্দটোৰ সাধাৰণ অৰ্থ বুলিলে আমি আমাৰ চৌপাশৰ সমাজ আৰু সেই সমাজত বসবাসকাৰী মানুহখিনিকে বুজোঁ। কিন্তু বিজ্ঞানীসকলে পৰিৰেশ শব্দটোক বৃহত্তৰ অৰ্থত ব্যৱহাৰ কৰিছে। বিজ্ঞানীসকলৰ ভাষাত পৰিৰেশ হ'ল প্ৰধানতঃ পাঁচটা উপাদানৰ উপযুক্ত সমন্বয়। এই পাঁচটা উপাদান হ'ল- মাটি, পানী, বায়ু, উদ্ভিদ আৰু প্ৰাণী। অৰ্থাৎ কেৱল জীৱজগতেৰেই নহয়, জীৱজগতক আৱৰি যি সামগ্ৰিক প্ৰকৃতি আছে সেয়াই হ'ল আমাৰ পৰিৰেশ। পৰিৰেশৰ বিভিন্ন উপাদানসমূহ পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীলতাই মানুহ আৰু প্ৰকৃতিৰ মাজত এক সমতাৰ সৃষ্টি কৰে, যিটো জীৱন ধাৰণৰ বাবে অতি প্ৰয়োজনীয়।

কেতিয়াবা কোনো অনিষ্টকাৰী পদাৰ্থ আমাৰ চৌপাশে থকা মাটি, পানী আৰু বায়ুত প্ৰৱেশ কৰি এইবোৰৰ স্বাভাৱিক বৈশিষ্ট্যবোৰ (যেনেঃ মাটিত থকা খনিজ পদাৰ্থ, বেক্টেৰিয়া, কেঁচু আদি অনেক সৰু সৰু জীৱ, পানীত থকা অক্সিজেন, হাইড্ৰজেন আৰু বায়ুত থকা অক্সিজেন, হাইড্ৰ'জেন, কাৰ্বন-ডাই-



অক্সাইড আদি) নষ্ট কৰে। তাৰ ফলত বায়ু, পানী, মাটি জীৱ-জগতৰ ব্যৱহাৰৰ অনুপযোগী হৈ পৰে আৰু জীৱ-জগতৰ ক্ষতি সাধন হয়। পৰিৰেশ এনেদৰে দূষিত হোৱা ঘটনাই হ'ল প্ৰদূষণ বা পৰিৰেশ দূষিতকৰণ। প্ৰদূষণ সৃষ্টি কৰা পদাৰ্থবোৰক প্ৰদূষক বোলা হয়।

**বায়ু প্ৰদূষণ ঃ** যিদিনাই আদিম মানুহে শিলে শিলে ঘঁহনি খুৱাই জুইৰ আৱিস্কাৰ কৰিছিল, সেইদিনাৰ পৰাই বতাহ দূষিত হৈ আহিছে। শক্তি উৎপাদন কেন্দ্ৰ, গাড়ী-মটৰৰ ধোঁৱা, উদ্যোগ, কাৰখানা, উৰাজাহাজ, পেলনীয়া আৱৰ্জনা জ্বলোৱা এইবোৰৰ পৰাই ঘাইকৈ বায়ু দূষিত হয়। সকলোবোৰ দূষিতকৰণৰ ভিতৰত বায়ুৰ পৰা হোৱা দূষিতকৰণেই আটাইতকৈ বেছি আৰু ভয়াবহ। বায়ুৰ পৰা হোৱা দূষিত কৰণৰ বহু কুফল আছে। প্ৰতিবাৰত আমাৰ উশাহত গড়ে প্ৰায় বাঠি হেজাৰ ধূলিকণা নাকেৰে শৰীৰত ভিতৰলৈ সোমায়। তাৰ শতকৰা ০.২ ভাগ হাওঁফাওঁ পায়গৈ। বায়ু দূষিত হ'লে এনে দূষিত বায়ুও আমাৰ বাবে যথেষ্ট ক্ষতিকাৰক হ'ব পাৰে। বায়ু প্ৰদূষণে আমাৰ শৰীৰত ক্ষতি সাধন কৰাৰ উপৰি প্ৰস্তৰ মূৰ্তি, কংক্ৰিট, ইটা, ৰঙীন চিত্ৰ আদিও নষ্ট কৰে।



**জল প্ৰদূষণ ঃ** পানী দূষিত কৰা পদাৰ্থসমূহ ঘাইকৈ উদ্যোগ, কৃষি পাম আৰু পেলনীয়া আৱৰ্জনাৰ পৰা আহে। ঘৰুৱা পেলনীয়া বস্তু, সংক্ৰামক ৰোগৰ বীজাণু, কীটনাশক, তৃণনাশক আদি দ্ৰব্য, গা-কাপোৰ আদি ধোৱা চাবোন, বাচন-বৰ্তন চাফা কৰা পাউদাৰ, বিভিন্ন প্ৰকাৰৰ ৰাসায়নিক পদাৰ্থ আদিয়েই পানী দূষিতকৰণৰ মূল কাৰণ। পানী দূষিত হোৱাৰ ফলত মানুহৰ শৰীৰৰ যথেষ্ট অনিষ্ট হোৱাৰ লগতে পানীত থকা মাছ-কাছ আদি জলচৰ জীৱ-জন্তুৰো ক্ষতি হয়। পানীত হোৱা এই প্ৰদূষণৰ কাৰণেই

বিভিন্ন জলচৰ পানীৰ সংখ্যা দিনে দিনে কমি আহিছে।

**শব্দ প্ৰদূষণ ঃ** কিছুমান ক্ষেত্ৰত শব্দয়ো পৰিৱেশ দূষিত কৰে। শব্দৰ প্ৰবলতা জুখিবৰ বাবে 'ডেছিবেল' নামৰ এটা একক ব্যৱহাৰ কৰা হয়। এটা শব্দতকৈ আন এটা শব্দ এক ডেছিবেল বেছি হ'লে প্ৰথমটোতকৈ দ্বিতীয়টো ১.২৬ গুণ ডাঙৰ শুনা যায়। ৮০-৯০ ডেছিবেল মানৰ শব্দই আমাৰ কোনো অপকাৰ নকৰে। ৭০ ডেছিবেল মানৰ শব্দই অৰ্থাৎ ৭০ ডেছিবেল অতিক্ৰম কৰাৰ লগে লগে আমি অস্বস্তিবোধ কৰো। ১০০ ৰ পৰা ১২০ ডেছিবেল মান পালেগৈ আমি কাণত যন্ত্ৰণা অনুভৱ কৰো। তাতকৈও বাঢ়ি গৈ যেতিয়া ১৪০ ৰ ওপৰ হয়গৈ তেতিয়া আমাৰ শাৰীৰিক আৰু মানসিক দুয়ো ধৰণেৰে ক্ষতি হয়। মজিয়াত পিন এটা পৰাৰ শব্দ ২ ডেছিবেল। আনহাতে ছাইৰেনৰ শব্দ ১৫০ ডেছিবেল। ঘৰত বেৰত ওলমি থকা দেৱাল ঘড়ীটোৰ পৰা আৰম্ভ কৰি আকাশ কঁপাই যোৱা জে'ট্ বিমান আদিৰ শব্দবোৰ আমাৰ চৌপাশৰ পৰিৱেশ দূষিত কৰিছে। শব্দৰ পৰা হোৱা এই দূযিতকৰণে শ্ৰৱণ যন্ত্ৰৰ অনিষ্ট কৰে, শৰীৰৰ স্বাভাৱিক ক্ৰিয়া-কলাপৰ কম-বেছ ঘটায় আৰু মানসিক বিকৃতিও ঘটাব পাৰে।

**স্থল প্ৰদূষণ ঃ** মাটিত অধিক পৰিমাণে দিয়া ৰাসায়নিক সাৰ, কীটনাশক দ্ৰব্য প্ৰয়োগ, বনভূমি আৰু তৃণভূমি ধ্বংস কৰা এইবোৰৰ পৰাই মাটি প্ৰদূষিত হয়। মাটিৰ ওপৰত থকা আন সকলো প্ৰাণী আৰু উদ্ভিদ এই জীৱবোৰৰ ওপৰত নিৰ্ভৰশীল। মাটি ধ্বংস কৰিলে সেয়ে মাটিৰ ওপৰত থকা সমগ্ৰ জীৱজগতৰে অনিষ্ট হয়। কীটনাশক দ্ৰব্যই মাটিৰ উপকাৰী বেক্টেৰিয়া আৰু আন ক্ষুদ্ৰাতিক্ষুদ্ৰ জীৱবোৰ মাৰি পেলায়। তদুপৰি বিভিন্ন কাৰণত মানুহে হাবি-বন কাটি মাটি মুকলি কৰে। গৰু-ম'হ চৰাইয়েও ঘাঁহনি-বননি ধ্বংস কৰে। একে কাৰ্যই মাটি প্ৰদূষিত কৰি জীৱজগতৰ অনিষ্ট সাধন কৰে। গছ-গছনি কটাৰ ফলত জলবায়ু আৰু বতৰৰো পৰিৱৰ্তন ঘটে। কাৰণ গছ-গছনিৰ লগত বতৰ আৰু জলবায়ুৰ ওতঃপ্ৰোত সম্বন্ধ আছে। আমাৰ অসমতে বছৰি প্ৰায় ১৮০ বৰ্গ কিলোমিটাৰ অঞ্চল গছ-গছনি কাটি পেলোৱা হয়। গছ-গছনি নাথাকিলে বৰষুণৰ পৰিমাণ কমি যায়। মাটি শুকাই টান হৈ পৰি গছ-গছনি গজিব নোৱাৰা হয়। গছ-গছনিয়ে পৃথিৱীৰ বহুতো অঞ্চলত হোৱা প্ৰবল বতাহক বাধা দিয়ে।




গছ কাটিলে আৰু সৰু উদ্ভিদ-ঘাঁহনি নষ্ট কৰিলে বতাহৰ কোবাল সোঁতে মাটিৰ ক্ষয় সাধন কৰে। পৰিৱেশ এইদৰে দূষিত হোৱাৰ ফলত পৃথিৱীত ১১ কোটি হেক্টৰ মাটিৰ এক বিৰাট অংশ মানুহৰ ব্যৱহাৰৰ অনুপযোগী হৈ পৰিছে।

**পৰিৱেশ প্ৰদূষণ আৰু মানৱ স্বাস্থ্য ঃ** পৰিৱেশ হৈছে এক প্ৰভাৱ যি জৈৱিক আৰু অজৈৱিক উপাদানৰ পৰিৱৰ্তন আনিব পাৰে। পৰিৱেশ মুখ্যত তিনিটা ভাগত বিভক্ত কৰিব পাৰি। যেনে- পাৰ্থিৱ, জৈৱিক আৰু সামাজিক।

পাৰ্থিৱ ঃ পাৰ্থিৱ বা ভৌতিক পৰিৱেশ হ'ল মূলতঃ জড় বস্তু আৰু পাৰ্থিৱ কাৰকসমূহ যেনে-- বায়ু, পানী, মাটি, ঘৰ-দুৱাৰ, জলবায়ু, ভূগোল, তাপ, পোহৰ, শব্দ, বিকিৰণ ইত্যাদি যিবোৰৰ সৈতে মানুহৰ



ওতঃপ্ৰোতভাৱে সম্পৰ্ক থাকে।

জৈৱিক ঃ জৈৱিক পৰিৱেশ হৈছে আমাৰ চৌপাশে থকা জীৱসমূহ আৰু গোটেই মানৱজাতিও ইয়াৰ অন্তৰ্ভুক্ত। চকুৰে মনিব নোৱাৰা জীৱ যেনে- ভাইৰাছ, বেক্টেৰিয়া আদি। কীট-পতংগ, জন্তু, গছ-গছনি আদিও জৈৱিক পৰিৱেশৰে অন্তৰ্গত।

সামাজিক ঃ সামাজিক পৰিৱেশ বুলিলে আমি আমাৰ সমাজত প্ৰচলিত ৰীতি-নীতি, নিয়ম, সংস্কৃতি, ধৰ্ম, জাতি, ব্যৱসায়, উপাৰ্জন, দৰিদ্ৰতা, শিক্ষা-দীক্ষা, নগৰীকৰণ, অনুপ্ৰৱেশ আদিকে বুজোঁ।

মানুহৰ স্বাস্থ্যৰ ওপৰত পৰিৱেশৰ বহুত প্ৰভাৱ আছে। পৰিস্থিতি তন্ত্ৰ (Eco-system) ৰ ভিত্তিতে মানুহৰ জীৱন প্ৰক্ৰিয়া চলি থাকে। মানুহৰ জীৱন প্ৰক্ৰিয়া নিয়াৰিকৈ চলিবলৈ পৰিৱেশৰ লগত ভাৰসাম্যতা ৰক্ষা কৰি চলিব লাগিব।

সু-স্বাস্থ্যৰ বাবে সু-পৰিৱেশৰ বিশেষ দৰকাৰ। পৰিৱেশ বিপন্ন হ'লে মানুহৰ স্বাস্থ্যৰ প্ৰতিও ভাবুকিৰ সৃষ্টি হয়। বৰ্তমান বিশ্বৰ প্ৰকৃতি আৰু পৰিৱেশত হোৱা বিপৰ্যয়বোৰৰ বাবে জাৰ্মানীৰ পেটেন কোফাৰে (Pettenkofer) মানুহকে জগৰীয়া কৰিছে। প্ৰাকৃতিক পৰিৱেশত মানুহৰ দ্বাৰা সংঘটিত হোৱা পৰিৱৰ্তনৰ ফলত জড়জগত আৰু জীৱজগতত তাৰ যথেষ্ট ক্ষতিকাৰক প্ৰভাৱ পৰে।

পৰিৱেশৰ পৰিৱৰ্তনৰ ফলত পৰিৱেশৰ উপাদানৰ স্বাভাৱিকতা বা ভাৰসাম্যতা নাথাকি কম বা বেছি হৈ উঠি প্ৰদূষণৰ সৃষ্টি কৰে। এই পৰিৱেশ অৱনতিৰ ফলত হোৱা বায়ু-পানী আৰু মাটি দূষিত হোৱাৰ ফলস্বৰূপে মানুহৰ স্বাস্থ্যৰ তীব্ৰ ভাবুকিৰ সৃষ্টি কৰিছে আৰু এক জটিল সমস্যাৰ ৰূপ লৈছে।

উন্নত জীৱন যাপনৰ প্ৰয়োজনীয়তাই বৰ্তমান নগৰ অঞ্চলত যান-বাহন, কল-কাৰখানা, শিল্প উদ্যোগ আদি দ্ৰুতভাৱে বাঢ়ি যোৱাত সহায় কৰিছে। প্ৰায় সকলোবোৰ উদ্যোগ, কল-কাৰখানা আৰু বিভিন্ন যান-বাহনৰ পৰা নিৰ্গত হোৱা অ'ক্সাইড জাতীয় গেছ, ধূলিবালি, ধোঁৱা আদিয়ে বায়ুমণ্ডল দূষিত কৰিছে। তদুপৰি এই কলকাৰখানা, শোধানাগাৰ আদিৰ পৰা আৱৰ্জনা হিচাপে ওলোৱা অনিষ্টকাৰী ৰাসায়নিক পদাৰ্থ, কৃষিকাৰ্যত ব্যৱহাৰ হোৱা কীটনাশক ঔষধ, ৰাসায়নিক সাৰৰ মাত্ৰাধিক ব্যৱহাৰে পানী আৰু মাটি প্ৰদূষণ কৰিছে। বিশুদ্ধ খোৱা পানীৰ অভাৱৰ ফলত মানুহ বিভিন্ন ৰোগত আক্ৰান্ত হৈছে। নদী, উপনদীবোৰত বিদ্যুৎ প্ৰকল্প স্থাপন কৰি সেই অঞ্চলৰ জলবায়ু দূষিত হোৱাৰ সম্ভাৱনা বৃদ্ধি হৈছে। পাৰমাণৱিক শক্তি আহৰণৰ বাবে বিভিন্ন দেশে পৰীক্ষামূলক বিস্ফোৰণ ঘটাই বায়ু, পানী, মাটি প্ৰদূষিত কৰি তুলিছে। জনসংখ্যাৰ বিস্ফোৰণৰ ফলত হাবি-বননি ধ্বংস কৰি জীৱ-জন্তুৰ স্থানবোৰ জনবসতিৰ স্থান হৈ পৰিছে। প্ৰাকৃতিক সম্পদ নিঃশেষ হৈ গৈ আছে। নতুন নতুন নগৰাঞ্চল সৃষ্টি হোৱাৰ ফলত বহুতো নতুন বস্তিৰ সৃষ্টি হৈছে আৰু এই ঘন বসতিপূৰ্ণ বস্তি অঞ্চলসমূহৰ বাবে পৰিৱেশ দূষিত হৈছে আৰু বহু বেমাৰৰ উৎপত্তিস্থল হৈ পৰিছে।

এই ক্ৰমবৰ্দ্ধমান পৰিৱেশ প্ৰদূষণ আৰু পৰিৱেশ ধ্বংসমুখী কৰা কাৰ্যৰ ফলত উদ্ভৱ হোৱা বিভিন্ন ৰোগ আৰু স্বাস্থ্য সমস্যাসমূহ আৰু ইয়াৰ ভয়াবহতাৰ প্ৰতি লক্ষ্য ৰাখি ১৯৭২ চনৰ ৫ জুনত ৰাষ্ট্ৰসংঘৰ উদ্যোগত চুইডেনৰ ষ্টক্‌হ'মত পৰিৱেশ সংৰক্ষণ বিশ্ব সন্মিলন পতা হয়। এই সন্মিলনে মানুহ আৰু পৰিৱেশৰ সম্বন্ধৰ ওপৰত আলোকপাত কৰে আৰু দূষিত পৰিৱেশৰ ফলত সৃষ্টি হোৱা আৰু হ'ব পৰা সমস্যাৰ ওপৰত আলোচনা কৰা হয়। এই সন্মিলনতে বিশ্ব পৰিৱেশ সংৰক্ষণৰ বিভিন্ন দিশ আলোচনা কৰি সকলোৰে গ্ৰহণযোগ্য দৃষ্টিভংগীৰে আৰু নীতি গ্ৰহণেৰে অনুপ্ৰাণিত আৰু পৰিচালিত হোৱাত গুৰুত্ব দিয়ে। মানৱ সমাজৰ উপকাৰৰ বাবে দেশ আৰু ৰাইজ সকলোৰে সংযুক্ত প্ৰচেষ্টা চলোৱাৰ সংকল্প লোৱা হয়। ইয়াৰ উপৰিও প্ৰতি বছৰৰ ৫ জুন তাৰিখটো 'বিশ্ব পৰিৱেশ দিৱস' হিচাপে পালন কৰি মানুহৰ মাজত পৰিৱেশ সচেতনতাৰ ভাৱ জগাই তোলাৰ প্ৰয়াস কৰা হৈছে।

পৰিৱেশ আৰু স্বাস্থ্যৰ বিষয়ে সবিশেষ জনাৰ মূল উদ্দেশ্য হ'ল যাতে আমি আমাৰ পাৰিপাৰ্শ্বিক অৱস্থা স্বাস্থ্যসন্মত কৰি ৰাখিব পাৰো আৰু আমাৰ পৰিৱেশে আমাক সু-স্বাস্থ্যৰ অধিকাৰী হোৱাত সহায় কৰে। অনাময় (Sanitation) হৈছে স্বাস্থ্য সুৰক্ষাৰ বিজ্ঞান। নেশ্বনেল ফাউণ্ডেচন অৱ.ইউ.এছ.এ. National Founation of U.S.A. ৰ মতে অনাময় হৈছে জীৱন ধাৰণৰ এক উপায়।

**সামৰণি ঃ** প্ৰদূষণ মহাব্যাধিয়ে সমগ্ৰ বিশ্বতে বিভীষিকাৰ সৃষ্টি কৰিছে; মানৱ জাতিৰ অস্তিত্বই প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। সেয়েহে প্ৰতিজন নাগৰিকেই ইয়াৰ বিৰুদ্ধে সদা জাগ্ৰত হৈ থকা উচিত।

*(লেখিকা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী।)*

# জলবায়ু পৰিৱৰ্তন এক প্ৰাকৃতিক বিপৰ্যয়

## স্বস্তিকা বৰবৰা

জলবায়ু হৈছে কোনো এখন ঠাইৰ উষ্ণতা, বৃষ্টিপাত, আদ্ৰতা, বতাহ পোহৰৰ প্ৰাৱল্য আদিৰ দৈনন্দিন বায়ুমণ্ডলীয় অৱস্থা। অতি কমেও ৩০-৪০ বছৰ পৰ্যন্ত এনে বতৰৰ গড় অৱস্থাই হৈছে জলবায়ু পৰিৱৰ্তন। অৰ্থাৎ জলবায়ু পৰিৱৰ্তন হৈছে জলবায়ুৰ অৱস্থাৰ ভিন্নতা। গতিকে জলবায়ু পৰিৱৰ্তনৰ ফলত উষ্ণতা বৃদ্ধি, বৃষ্টিপাতৰ পৰিৱৰ্তন, বতৰৰ খৰাং অৱস্থাৰ বৃদ্ধি, অতিপাত শীত আদিৰ দৰে সমস্যাই দেখা দিয়ে। জলবায়ু পৰিৱৰ্তন সেয়ে সমগ্ৰ বিশ্বৰ বাবে এক জটিল বিষয় হিচাপে থিয় দিছে।




১৯৯০-১৯২২ চনত জলবায়ু পৰিৱৰ্তনৰ অধ্যয়ন কৰা আন্তজাৰ্তিক সন্থাই (IPCC- Intergovernmental Panel on Climate Change) প্ৰকাশ কৰা তথ্যমতে সেউজগৃহ প্ৰভাৱৰ ফলত গোলকীয় উষ্ণতা বৃদ্ধিয়ে পৃথিৱীৰ জলবায়ুৰ অত্যাধিক পৰিৱৰ্তন আনিছে। প্ৰকাশিত তথ্য অনুসৰি প্ৰতি ১০০ বছৰত গোলকীয় উষ্ণতা ০.৫° ছেণ্টিগ্ৰেডৰ পৰা ১° ছেণ্টিগ্ৰেডলৈ বৃদ্ধি পাইছে।

আধুনিক যুগত মানৱ সমাজৰ কাৰ্যকলাপে প্ৰকৃতিৰ ওপৰত যি বিৰূপ প্ৰভাৱ পেলাইছে তাৰ ফলতে জলবায়ু পৰিৱৰ্তন হোৱা দেখা যায়। এনে পৰিৱৰ্তনৰ ফলত বায়ুমণ্ডলীয় উত্তাপ বৃদ্ধিৰ লগতে মেৰু অঞ্চলৰ বৰফ তথা হিমবাহ সমূহ গলিবলৈ ধৰিছে। ফলত সাগৰৰ জলপৃষ্ঠ বৃদ্ধি হ'বলৈ ধৰিছে। যাৰবাবে বানপানী, ছুনামী আদি সৃষ্টি হৈছে। এনেবোৰ কাৰণৰ বাবে খেতি-পথাৰ বিনষ্ট হৈ বিভিন্ন




ঠাইত অকাল-অনাটন, দুৰ্ভিক্ষই দেখা দিছে। লগতে সাগৰৰ উপকূলীয় অঞ্চলত বাস কৰা জনসাধাৰণে উষ্ণ প্ৰবাহৰ কবলতো পৰিছে।

জলবায়ু পৰিৱৰ্তনৰ বাবে গোলকীয় উষ্ণতা বৃদ্ধিয়ে খৰাং বতৰ সৃষ্টি কৰিছে যাৰ পৰিপ্ৰেক্ষিতত বনাঞ্চল সমূহত বনজুই সৃষ্টি হৈ বনাঞ্চল সমূহ মৰুভূমি মৰুভূমি সদৃশ পৰিৱেশৰ দিশে গতি কৰিছে। আৰু লগতে জৈৱ-বৈচিত্ৰতাও অনিষ্ট সাধন কৰিছে।

জলবায়ু পৰিৱৰ্তনত জনসংখ্যা বৃদ্ধি, উদ্যোগীকৰণ, নগৰীকৰণ আদিয়ে প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে যথেষ্ট পৰিমানে প্ৰকৃতিৰ ওপৰত প্ৰভাৱ পেলাইছে দ্ৰুত জনসংখ্যা বৃদ্ধিৰ ফলত জৈৱ ইন্ধনৰ অত্যাধিক ব্যৱহাৰ বাঢ়ি গৈছে। এই জৈৱ ইন্ধন সমূহৰ দহনৰ বাবে বায়ুমণ্ডলত কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ বাঢ়িছে। যাৰবাবে বায়ুমণ্ডলত উষ্ণতা বৃদ্ধি পাইছে। এই জৈৱ ইন্ধন ব্যৱহাৰৰ ফলত নিৰ্গত হোৱা ছালফাৰ আৰু নাইট্ৰজেন অক্সাইড বোৰ বায়ুমণ্ডলত জলীয় বাষ্পৰ লগত বিক্ৰিয়া কৰি ছালফিউৰিক আৰু নাইট্ৰিক এচিড তৈয়াৰ কৰে আৰু এইবিলাক বৰষুণৰ পানীৰ লগত লগ হৈ এছিড বৰষুণ হিচাপে পৃথিৱীলৈ নামি আহে। এই এছিড বৰষুণে বিশেষকৈ প্ৰকৃতিত থকা জলচৰ প্ৰাণী আৰু উদ্ভিদৰ ওপৰত কু-প্ৰভাৱ পেলায়। সেয়ে আমি এই ইন্ধন সমূহৰ ব্যৱহাৰ কমাব লাগিব। আৰু এনেধৰণৰ ইন্ধনৰ সলনি বিকল্প ইন্ধন হিচাপে সৌৰশক্তি, বায়ুশক্তি আদি উৎপাদন বৃদ্ধি কৰিব লাগিব। কিন্তু সেউজ গৃহ নিৰ্গমন হ্ৰাস কৰাটো মানৱ সমাজৰ সন্মুখত এক প্ৰত্যাহ্বান হিচাপে দেখা দিছে। সেয়ে বিভিন্ন দেশৰ জনসাধাৰণৰ মাজত পৰিৱেশ সুৰক্ষাৰ বাবে সচেতনতা সৃষ্টিৰ উদ্দেশ্যৰে ৫ জুন তাৰিখটো বিশ্ব পৰিৱেশ দিৱস হিচাপে পালন কৰি অহা হৈছে। ইয়াৰ উপৰিও ১৯৭০ চনৰ ২২ এপ্ৰিল তাৰিখটো ধৰিত্ৰী দিৱস হিচাপে পালন কৰি অহা হৈছে।

এই দিশত বিশ্ব স্বাস্থ্য সংস্থাই দিয়া শেহতীয়া তথ্য অনুসৰি জলবায়ু পৰিৱৰ্তনৰ কু-প্ৰভাৱ অনাগত দিনত ২০৩০-২০৫০ চনৰ ভিতৰত প্ৰতিবছৰে প্ৰায় আঢ়ৈ লাখ লোক ডায়েৰিয়া, মেলেৰিয়া, ডেংগু আদি ৰোগত প্ৰভাৱিত হ'ব। লগতে যথেষ্ট সংখ্যক শিশু পুষ্টিহীনতা ৰোগত ভুগিব বুলি আশংকা প্ৰকাশ কৰিছে। গতিকে গোলকীয় উষ্ণতা হ্ৰাস কৰি জলবায়ুৰ সুস্থিৰ বাতাবৰণ ৰক্ষা কৰিবৰ বাবে ২০১৫ চনত পেৰিছত পেৰিছ চুক্তি গ্ৰহণ কৰা হৈছিল। ইয়াৰ উপৰিও যাদৱ পায়েংক ধৰি প্ৰকৃতি প্ৰেমি ব্যক্তিসকলে জলবায়ু পৰিৱৰ্তনে যি পৰিৱেশ তন্ত্ৰ তথা জীৱকূললৈ যি ভাবুকি আনিছে সেয়া দূৰ কৰিবৰ বাবে পৃথিৱীত অপৰ্যাপ্ত বৃক্ষ ৰোপণ কৰিছে। এইবোৰ কাৰ্যকলাপে মানুহক যথেষ্ট অনুপ্ৰেৰণা যোগাইছে।

সেয়ে ওপৰৰ আলোচ্য বিষয় সমূহৰ পৰা আমি সিদ্ধান্ত উপনীত হ'ব পাৰো যে, সাম্প্ৰতিক কালৰ জীৱন নিৰ্বাহৰ শৈলী সলনি কৰি প্ৰকৃতিৰ অনুকূলে প্ৰযুক্তি কৌশল ব্যৱহাৰ কৰি আমি সুস্থিৰ জলবায়ু বাতাবৰণ সৃষ্টি কৰিব লাগিব।

A r t i c l e

# Bwisagu of Bodos

## Sumitra Goyari

Swithw Dana thangbai…
Mandar bibarabw geolang bai
Duo khouoni Gwdivi denkhw
Dongphang Laiphagni gwrlwi bilaibw
Boraibai Honwi boraibai
Deglaini Rongjali Bwisagukhou…

Bwisagu is one of the most important festival observed by Boro community. It is celebrated in the month of mid April or month of Bwisakh. The term Bwisagu consist of two syallable Bwisw means age and agu means starting or start.

According to Boro people, The first seven days of the Bwisakh month (mid of April) plays a significant role in their life. Each day is associated with



different creature. The first day is for 'Mwshou' (the cow or cattle). On this day, cows are taken to bath in the river. The second day is for Mansi (men), on this day people worship their God and ancestors. The third day is for swima (dog), fourth day is for Oma (pig) fifth day for dao (birds) and sixth for ducks and other creatures. The seventh day is for receiving relatives and friends. And finally it concludes by giving farewell to Bwisagu in a social place.



The last day of shwithw (Chaitra) month is observed as Bwisagu for 'Mwshou' (Cow or cattle). On this day, the cattles are decorated with black pastures. It is prepared by the black ashes and musturd oil. This pasture is applied on the body by using the gours head or bamboo stick. Vegetables like bitter gourd, gourd tumeric, brinjal are cut into pieces and carried to the river. The cattles are marched towards the river side to make them both. The cattle owners beat them softly with 'Bangringkhab' (Diglilofi), Thamph wikharb (Makhiloti) Raidwg (Bet) and throws pieces of gourds, tumeric etc. and sings a song praising them.



The second day is observed as Mansi (men) bwisagu. The day starts with enlighting an eastern lamp near Bathou Bwrai (God) and worshipping their ancestors. Beside that every individual kneels down near their seniors seeking blessings from them. Everyone exchange their love and affection by giving Aronnai and gifts to one another. Then household receives their visiting relatives friends etc warm heartly.

As the time passes, people gathers around to dance and sing in everyone's house. Everyone puts on beautiful attires. Men wear Gamsha and Aronnai and play on the Siphung (flute), Kham (drum), Serja (violin) and Jotha (Cymbals) on the other hand womens wear Dokhona Regeregang Fasra, they used Gangana, Jabsring and dancing in the tune of Kham, siphung and serja.

In the last of Bwisakh month people arrange Bwisagu bidai phwrbw (Farewell of Bwisagu) and gave good wishes for the year.

Article

# Srimanta Sankardeva and Satras of Assam

## Geetarthi Saikia

Srimanta Sankardeva is a great religious leader for Assamese culture. Srimanta Sankardeva was a $15^{th}$ $16^{th}$ century Assamese polymath, a saint scholar poet, playwright, dancer,actor, musician and socio-religious reformer.

He is widely credited with building on past cultural relics and devising new forms of music (Borgeet), theatrical performance (Ankia Naat, Bhaona), dance (Sattriya), literary language (Brajawali).

Satra was founded by Simanta Sankardeva. The Satras were an institute of the Neo-Vaishnavite Movement by Sankardeva. The word 'Satra' originates from 'Satapath Brahman' and others Vedas. It was a system of meditation. But in the period of Neo-Vaishnavite Movement Satra is a fully Devotional Institute. The first Satra was set up by Simanta Sankardeva, Madhabdeva





and Damodardeva and they gave a definite shape to the structural and organizational aspects of this institution. The 'Satra' word basically means by two words 'Sat' and 'Tra' which means 'Truth' and 'relief'

**Origin and development of Satra :** The origin of the satras is the term from 'Rig Veda' and Satapath Brahman in Assam. The Satra institution is associated and merged in the Socio-cultural structure of the society. At first Satras developed at Bordowa and Barpeta. After that it is developed mainly at Majuli and other side of Assam.

**Structure of Satra :** The structural pattern of a Satra is marked by the existence of a Namghar; a Manikut, Karapat and two to four rows of hatis.

**Namghar :** Namghar is also called Kirtanghar. It is the large prayer hall. The main activities of the Satra are performed in Namghar. Sankardeva established the first Namghar at Bordewa in Nagaon district.

According to Charitputhi at the early stage, namghar constructions of Borpeta Satra's wall were setup with bamboo and woods.

**Manikut:** Manikut also known as 'Bhojghar'. It is an actually a house of the jewel. Manikut is the actual Shrine where the Guru Asana on the idol of deity or sacred scripture is kept Manikut is also called Debagriha. Because 'Deba' means Lord. Another word Bhajghar, the word Bhaj means bent like the snapped branch of tree.

**Batchara :** Batchara is also called Karapat Batchara is the entrance of a Satra, which is usually marked by a small gate. The word Batchara means two words. 'Bat' means Path, 'Chara' means small house like gate.

**Hati** : Hati means rows or set of the residence area for the monksor bhakats. The word 'Hati' is derived from Sanskrit hatta, meaning a market or a fair.

**Types and division of Satras** : After the death of Sankardeva; Satras were developed by four divisions. At first it is divided into two sect. Mahapurushiya and Damodariya. But it is enlarged to four division like- Brahma Sanghati, Nika Sanghati, Purusa Sanghati means association or organization.

**Brahma Sanghati :** This Sanghat created by Damodar Deva. Brahma Sanghati represents mainly Vedic related culture with Sankari philosophy. Brahma Sanghati mainly depends on the 'Deva'. The Auniati, Dakhinpat, Garamur and Kurubahi Satra became the richest and most influential Satras of Brahmaputra Sanghati.

**Purusa Sanghati :** Purusa Sanghat founded by Purusottam Thakur. This Sanghati believed that 'Naam' is the supreme power of God. Purusattom Thakur proclaimed that Sankardeva is the only Guru of the sect and the other religious heads as Acharyas.

**Nika Sanghati :** 'Nika' the word means clean. It is also known as Nistha Sanghati. After the death of Madhavdeva this Sanghati was started. Badala Padma ata, Mathura Das Burha Ata and Keshabharan Ata



considered the trio of Nika Sanghati. The always believed the bhakat or monk. Barpeta and Kamalabari are the Nika Sanghati Satra.

**Kala Sanghati:** 'Kala' this word derived from 'Kaljha' the devotees of this gave supreme importance to the 'Guru'. According to Kala Sanghati, Guru is like God. They belived the Gurubad. Gopal Ata is the founder of Kala Sanghati. Mayamora are the Kala Sanghat Satra.

**Satra and Majuli** : Majuli one of the world's largest inhabited river islands has several Satra-vaushnavite monasteries, some dating back to the 16th century. In 15th century the first Satra was founded in Majuli.

**Auniati Satra:** Auniati Satra was founded by Niranjan Pathakdeva, the Satra is famous for "Paalnam" and "Apsara dances". Also remarkable is its extensive assortment of ancient artfacts of Assamese old ancient artfacts, Assamese old utensils, jewellery and handicrafts.


**Dakhinpat Satra**: Dakhinpat Satra was founded by Banamalidev, an exponent of Raasleela, which is now observed as one of the main festivals of Assam. During Rasotsava severel thousand dervotees visit these holy Satras every year.

**Garamur Satra** : Garamur Satra was founded by Lakshmikanta deva. During the end of autumn, traditional Raasleela is shown with great enthusiasm some ancient weapons called "Bortop" are preserved here.

**Kamalabari Satra** : Kamalabari Satra was founded by Bedulapadma Ata. It is a centre of art, culture, literature and classical studies. The finest boats on the island are made here. It has a branch in Uttar Kamalabari Satra and in several states of India and abroad.

**Shamaguri Satra** : Shamaguri Satra is famous for worldwide or it's Mask making tradition. The best time to visit Majuli is during the Raas festival in November.

**Contribution of the Satra** : Contribution of the Satra to Assamese social evalution like Bhaona



and other cultural activities of the devotees and villagers can be seen Satra is an institute of Assamese civilization and it's contributions in the field of Assamese culture is so high. Satra is like a centre of social activity, elevation of background classes, centre of education and moral function. These type of various contributions are made by the Satra to the Assamese society.

**Conclusion :** The Satra influenced on the religious, social, cultural, educational and economic life of the Assamese people. Satradhikar, Deka Satradhikar and other devotees are the idol persons for the Assamese society.

The above discussion shows that Satras were the head centre for spreading the Sankari culture and Satra. Institution provided a new dimension to the Assamese society through the multifarious activities which are always by the Assamese society.

*(Writer is an ex student of the College)*

**About Assam:** Assam is situated in the North-East of India and is the largest northeastern state in terms of population while second in terms of area. Assam covers an area of 78,438 km2 (30,285 sq miles). The state is bordered by Bhutan and the state of Arunachal Pradesh to the north; Nagaland, Arunachal Pradesh and Manipur to the east; Meghalaya, Tripura, Mizoram, and Bangladesh to the south; and West Bengal to the west. A significant geographical aspect of Assam is that it contains three of six physiographic divisions of India – The Northern Himalayas (Eastern Hills), The Northern Plains (Brahmaputra plain), and Deccan Plateau (Karbi Anglong).

*Collected from Internet.*

A
r
t
i
c
l
e

# The Importance of Teachers And Parents In Our Lives

**Sorina Pagag**

Importance of teachers and parents in any child's life is of a monitor, mentor, facilitation, guide and godfather. When parents are out to earn, children are taken care by the teachers. Teachers are earning by taking care of other's children. Only difference is that teacher helps children in earning a certificate of education, where as parents help the children to write examination well. A parent has to keep check on their children regarding their physical activities, academic and emotions but has to maintain the healthy space too. Teachers have to maintain the children's education and personality of grass root level so that whatever shall be learned today will become his personality tomorrow. Teachers and parents are also responsible for-




- To build a relationship with us by listening and understanding us and this way we learn to tolerate and love others.
- To let us fail and misbehave and then be the companion in our struggle so that we develop the power within.
- To give us freedom and responsibility so that we learn and become independent.
- To create an environment where we develop creativity, passion and purpose to excel in our lives.

• They can provide proper guidance to students and can assist them in realizing their dreams.

• They can prepare the student for a bright carreer and to face challenges in life.

Inculcating certain important habits like reading and writing from an early stage can help us to face the competitive world. A student studying in 12th standard is very concerned about what major subjects to choose for Degree among various options like History, Geography, Anthropology, English, Education, etc. Many students undergoing professional courses are unsure about their carrieer prospects. Teachers can offer good carreer related advice to the students by consulting with professionals and other specialist. Parents and teachers should make sure that students don't get influenced by socio-economic factors like proverty, influence of neighbours, peers, and so on. Working hand-in hand, teachers and parents can be an important catalyst in carreer development of students. Parents are the first



mentor of the child and the teacher is the second. Both have an immense contribution and responsibility in shaping child's personality. A good parent – teacher relationship leads child to be positive towards attending school and college.

*"Tell me and I forget,*
*Teach me and I remember*
*Involve me and I learn."*

*— Benjamin Franklin*




# Social Media

Social Media is a collective term for websites and applications that focus on communication, community-based input, interaction, content sharing and collaboration. People use Social Media to stay in touch and interact with friends, family and various communities.

Social Media platform allow users to have conversations, share information and create web content. There are many forms of Social Media, including blogs, micro-blogs, social networking. Social Media like YouTube, Facebook, Twitter, Pinterest, Snapchat.

***Chwrdrika Nargray***

# পৰিৱেশ সংৰক্ষণত অৰণ্য মানৱ যাদৱ পায়েঙৰ অৱদান

প্ৰিয়া টাকু



**যাদৱ পায়েঙৰ চমু পৰিচয় ঃ**

গছ থাকিলেহে মানুহ থাকিব। অৰ্থাৎ গছ আৰু মানুহৰ মাজত এৰাব নোৱাৰা সম্পৰ্ক। প্ৰকৃতি ৰক্ষাৰ বাবে আগবাঢ়ি আহিল যোৰহাটৰ ককিলামুখৰ ১ নং মিচিং গাঁৱৰ নিবাসী অৰণ্য মানৱ যাদৱ পায়েং। যাদৱ পায়েঙৰ জন্ম হৈছিল ১৯৫৯ চনৰ ৩০ অক্টোবৰত। সেই সময়ৰ শিৱসাগৰৰ আৰু বৰ্তমান যোৰহাট জিলাৰ ককিলামুখৰ বৰযোগ গাঁৱত জন্ম হৈছিল। তেখেতৰ পিতৃৰ নাম লক্ষীৰাম পায়েং আৰু মাতৃৰ নাম আফুলী পায়েং। পিতৃ-মাতৃৰ ১১ টা

সন্তানৰ ভিতৰত যাদৱ পায়েং তৃতীয় সন্তান। দিচৈ কাষৰ ব্ৰাহ্মণ গাঁৱৰ যদুনাথ বেজবৰুৱাৰ তত্বাৱধানত যাদৱ পায়েঙে ৯০ নং বালি গাঁও প্ৰাথমিক বিদ্যালয়ত শিক্ষাৰ পাতনি মেলিছিল। যাদৱ পায়েঙে যদুনাথ বেজবৰুৱাৰ পৰা পৰিৱেশ সংৰক্ষণ আৰু জীৱ-জন্তুৰ প্ৰতি মৰম-ভালপোৱাৰ মনোভাৱ জ্ঞান আহৰণ কৰিছিল। দশম শ্ৰেণীলৈকে পঢ়া পায়েঙে প্ৰৱেশিকা পৰীক্ষা নিদিয়াকৈয়ে ঘৰলৈ উভতি আহিছিল।

**পৰিৱেশ সংৰক্ষণত যাদৱ পায়েঙৰ ভূমিকা ঃ**

প্ৰকৃতিপ্ৰেমী যাদৱ পায়েঙে যেতিয়া স্কুল এৰি ঘৰলৈ উভতি আহিছিল তেতিয়া দেখে যে ঔনা চাপৰিত ব্ৰহ্মপুত্ৰৰ বানে পেলাই থৈ যোৱা বলুকাত প্ৰখৰ ৰ'দত সাপ বেঙকে আদি কৰি সৰু-সুৰা অজস্ৰ জীৱ-জন্তু মৃত্যু মুখত পৰিছিল। তেতিয়াই প্ৰখৰ খৰাঙত মৃত্যুৰ ক্ষণ গণি থকা অসহায় এডাল সাপ তেওঁ দেখা পাইছিল। দৰদী হৃদয়ৰ গৰাকী পায়েঙে সাপবোৰ ৰক্ষা কৰাৰ ক্ষেত্ৰত ওচৰ-পাজৰৰ বয়োজেষ্ঠ সকলৰ পৰা পৰামৰ্শ লওঁতে পায়েঙ দেৰক কৈছিল- পৃথিৱীৰ আটাইতকৈ ওখ ঘাঁহ জোপা ৰোবলৈ। পায়েং দেৰে কথাযাৰ বুজি নোপোৱাত আকৌ প্ৰশ্ন কৰিলে- ঘাঁহ-গছ ৰোলে ছাঁও হ'ব হ'লে জীৱ-জন্তু চৰাই চিৰিকটিয়ে বাহ ল'ব, গছ গছনি হ'ব। তাৰ পিছত এইজনা মহান মানুহজনে ৫০ জোপা বাঁহপুলি পায়েঙৰ হাতলৈ আগবঢ়াইছিল। সেই বাঁহবোৰ লৈ মোলাই নামৰ ঠাই ডোখৰলৈ লৈ গৈ লগত দুই কলহ পানী লৈ গৈছিল। আৰু বাঁহ পুলিবোৰ যাতে, জীয়াই থাকে তাৰ যত্ন লৈছিল। এনেদৰে বাঁহ গছবোৰ লাহে লাহে কৈ ডাঙৰ হ'বলৈ ধৰিছিল। তাৰ পিছত প্ৰতি বছৰে গছ-বিৰিখ ৰোপণ কাৰ্য তেওঁৰ অভ্যাসত পৰিণত হৈছিল। কালক্ৰমত ১৯৭৯ চনৰ পৰা গছ ৰুবলৈ আৰম্ভ কৰিছিল। মোলাই নামেৰে খ্যাত যাদৱ পায়েঙৰ গছ-গছনিবোৰ ডাঙৰ হৈ হাবিলৈ পৰিণত হৈছিল। যাক বিশ্বই আজি মোলাই কাঠনি বুলি চিনি পায়। মোলাই কাঠনি বৰ্তমান ৪০৫০ বিঘা মাটিত ব্যাপ্ত। পায়েঙৰ মোলাই কাঠনিৰ বিশাল পৰিয়ালৰ ভিতৰত মূল্যৱান ৰঙা চন্দন, বগা চন্দন, চিচু গছ, শলখ, গমাৰী, তিতা চপা, পমা আদি মূল্যৱান বিৰিখৰ উপৰি বিভিন্ন ধৰণৰ ঔষধি বন লতাৰে আৱৰা। যেতিয়া মোলাই কাঠনিলৈ পৰিণত হৈছিল তেতিয়া মোলাই কাঠনিলৈ হাতী, বাঘ, হৰিণা, গঁড় অন্যান্য চৰাই চিৰিকতি, জীৱ-জন্তুৰ আগমন হ'বলৈ ধৰিলে। বাঘবোৰে পায়েঙৰ পোহনীয়া জন্তু ম'হ, গৰু, গাহৰি, হাঁহ, কুকুৰা ইত্যাদি ভক্ষণ কৰিছিল। যদিও পায়েঙে বেয়া পোৱা নাছিল। কাৰণ সেইবোৰেই বাঘৰ খাদ্য। বৰঞ্চ মানুহে বন-জংঘল ধ্বংস কৰাৰ ফলত বাঘ, হাতী আদি জন্তুবোৰৰ খাদ্য আৰু চৰণীয়া ঠাইৰ নাটনি হোৱাৰ বাবে তেওঁ মানুহকে দোষাৰোপ কৰিব খোজে। শগুণ, শামুকভঙা, বগলী, বৰটোকোলা, শাপলী, হাঁহ, কাউৰী, বাদুলী, কপৌ আদি বিভিন্ন ধৰণৰ পৰিভ্ৰমী চৰাই-চিৰিকতি পায়েঙৰ মোলাই কাঠনিৰ এৰাব নোৱাৰা পৰিয়াল। সেই সময়ত এচাম লোকে গছবোৰ কাটিবলৈ আহিছিল। তেতিয়া পায়েঙদেৰে বাধা প্ৰদান কৰি কৈছিল "গছ-গছনিবোৰ কটাৰ আগতে মোক কাটিব লাগিব, তেতিয়াহে এই গছবোৰ কাটিব পাৰিব।" তেনেকৈ বাধা দিয়াত মানুহবোৰে গছ নকটাকৈ গুচি যায়। আকৌ আন এটা সমস্যা মোলাই পায়েঙে সন্মুখীন হ'বলৈ ধৰিলে। যেতিয়া হাতীবোৰে হাবিত বসবাস কৰিবলৈ ধৰিলে তেতিয়া গাঁৱৰ ৰাইজে পায়েঙক ক'লে এই হাবি জংঘলবোৰত থকা হাতীৰ জাক আহি আমাৰ খেতি পথাৰৰ শস্যবোৰ অনিষ্ট কৰিছে। গতিকে গছ-গছনি হাবি জংঘলবোৰ কাটি পেলাবলৈ গাঁৱৰ মানুহে পায়েঙক হেঁচা প্ৰয়োগ কৰিছিল। তেতিয়া পায়েঙে উত্তৰ দিছিল মই যেতিয়ালৈকে জীয়াই থাকিম তেতিয়ালৈকে এই হাবি জংঘল গছ-গছনিবোৰ জীয়াই থাকিব। যদিহে, হাতীৰ জাকবোৰে খেতি পথাৰ শস্য আদি অনিষ্ট কৰিছে তেনেহ'লে ফৰেষ্ট অফিচত অভিযোগ কৰক অথবা প্ৰশাসন বা চৰকাৰৰ ওচৰত অভিযোগ কৰিবলৈ গাঁৱৰ ৰাইজক আহ্বান জনায়। পৰিৱেশ কৰ্মী 'ভাৰতৰ অৰণ্য মানৱ' যাদৱ পায়েঙক সাক্ষাৎ কৰিবলৈ অহা অভ্যাগত সকলে তেওঁক গামোচা পিন্ধোৱাতকৈ মোলাই কাঠনিলৈ গৈ এজোপা গছ ৰুই দিলে তেওঁ অধিক সুখী হয়। পোহনীয়া গৰু, ম'হৰ বাবদ তেওঁ বছৰি তিনি হাজাৰ টকা চৰকাৰক কৰ হিচাপে আদায় দিয়ে।

**পদ্মশ্ৰী যাদৱ পায়েঙে লাভ কৰা বঁটাসমূহ ঃ**

পৰিৱেশ ৰক্ষাৰ বাবে যাদৱ মোলাই পায়েঙে ৰূপায়ন কৰা মহান কৰ্মৰ প্ৰতিদান স্বৰূপে ২০১২ চনত নতুন দিল্লীস্থিত জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ে তেওঁক ভাৰতৰ 'অৰণ্য মানৱ' (Forest Man of India) উপাধি প্ৰদান কৰে। সেই বছৰৰে তদানীন্তন ভাৰতৰ ৰাষ্ট্ৰপতি ড° এ.পি.জে আব্দুল কালামে ২.৫০ লাখ টকাসহ হীৰাখচিত বঁটা প্ৰদান কৰে। ২০,২১,২২ নৱেম্বৰ, ২০২১ চনত পেৰিচৰ U.N Global conference ত তেওঁক সম্বৰ্দ্ধনা জনোৱা হয়। প্ৰকৃতিৰ নীৰৱ সাধক যাদৱ পায়েঙক ২০১৫ চনত ভাৰত চৰকাৰে ভাৰতৰ চতুৰ্থ সৰ্বোচ্চ অসামৰিক বঁটা 'পদ্মশ্ৰী' প্ৰদান কৰে। তেওঁক এতিয়ালৈকে চীন, শ্ৰীলংকা, টাইৱান, চুইজাৰলেণ্ড, ফ্ৰান্স, বাংলাদেশ আদি দেশ সমূহে নিমন্ত্ৰণ আৰু সম্বৰ্দ্ধনা প্ৰদান কৰিছে।



# নৱবৈষ্ণৱ সংস্কৃতিৰ আকৰ নামঘৰ আৰু সত্ৰ

## উদেষ্ণা সন্দিকৈ

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে প্ৰৱৰ্তন কৰা নৱ-বৈষ্ণৱ ধৰ্মৰ ধৰ্মীয় অনুষ্ঠান দুটিৰ এটি হৈছে নামঘৰ আৰু আনটি হৈছে সত্ৰ। শংকৰদেৱৰ প্ৰচাৰৰ কেন্দ্ৰস্থল নামঘৰক কেন্দ্ৰ কৰিয়েই প্ৰৱৰ্তিত 'একশৰণ হৰিনাম ধৰ্ম'ই অসমীয়া প্ৰচাৰ আৰু প্ৰসাৰতা লাভ কৰি বৰ্তি থাকিবলৈ সক্ষম হৈছে। গুৰুজনাই প্ৰথমে নগাঁৱৰ বৰদোৱাত নামঘৰ প্ৰতিষ্ঠা কৰিছিল। ক্ৰমে অসমৰ সৰ্বত্ৰে তেখেতৰ আদৰ্শৰে নামঘৰ গঢ় লৈ উঠে।

সমাজৰ মহান ৰূপকাৰ শ্ৰীমন্ত শংকৰদেৱ ঃ

নৱবৈষ্ণৱ ধৰ্ম বা একশৰণ হৰিনাম ধৰ্মৰ প্ৰৱৰ্তক শ্ৰীমন্ত শংকৰদেৱৰ আৱিৰ্ভাৱৰ সময়ত অসম তথা তাহানিৰ বৰ অসমত অৰ্থাৎ উত্তৰ-পূব ভাৰতৰ বৃহৎ ভূ-খণ্ডত সমাজ আছিল শতধা বিদীৰ্ণ, নাছিল ঐক্য, সম্প্ৰীতি, সুস্থ সামাজিক বাৰ্তাবৰণ, আৰ্থিক স্বচ্ছলতা , শিক্ষা-দীক্ষা আৰু সাহিত্য-সংস্কৃতি। আধ্যাত্মিকতাৰ নামত ধৰ্মই যি সৃষ্টি কৰিছিল অনৈক্য, দৰিদ্ৰ আৰু অজ্ঞানতা। ধৰ্ম আছিল লোক নিষ্পেষণৰ আহিলা মাথোন। এইবোৰ আছিল সামাজিক অধঃপতনৰ ভয়ংকৰ উদাহৰণ। কিন্তু শ্ৰীমন্ত শংকৰদেৱৰ, সমাজৰ এই ঋণাত্মক দিশ সমূহ বুজি পাই যোগাত্মক দিশ সমূহৰ বিস্তাৰ আৰু বিকাশ ঘটাই এই বৃহৎ সমাজখনৰ অভূতপূৰ্ব

ৰূপান্তৰ ঘটালে। সেইকাৰণে তেওঁ আধ্যাত্মিক গুৰু হিচাপে যিমান অবিস্মৰণীয়, সমাজ-সংস্কাৰক হিচাপে সিমানেই অবিস্মৰণীয় আৰু অদ্বিতীয়।



নামঘৰৰ মূলগৃহটি য'ত প্ৰধানকৈ নাম কীৰ্তন কৰা হয়, সেই ঘৰটোকে নামঘৰ বা কীৰ্তন ঘৰ বোলে। শ্ৰীকৃষ্ণৰ বা হৰিৰ উপাসনাৰ অৰ্থে নামকীৰ্তন কৰা হয় বাবে ইয়াৰ অন্য এটা নাম হৰি মন্দিৰ। নামঘৰৰ সাতটা খোটালীক সপ্ত বৈকুণ্ঠৰ লগত তুলনা কৰা হয়। অৰ্থাৎ নামঘৰ হ'ল মৰ্ত্যৰ বৈকুণ্ঠপুৰী। এটা কথা মন কৰিবলগীয়া যে নামঘৰৰ একেবাৰে পশ্চিম ফালৰ কোঠাটোত অৰ্ধবৃত্তাকাৰ কৰি টুপ সাজে। এই টুপটোক ঘৰিয়াল টুপ বোলে। এনে টুপ সঁজাৰ কাৰণ হ'ল প্ৰসঙ্গ প্ৰণালীত নামাচাৰ্য সহ ভকতসকলে অৰ্ধবৃত্তাকাৰে প্ৰসঙ্গ কৰিবলৈ বহাৰ নিয়মৰ লগত সাদৃশ্য দেখা যায়। নামঘৰৰ খুটা বৰচ'টি, দমৰা আদিত সুন্দৰকৈ লতা-ফুল কাটি হেঙুল হাইতালেৰে বোলাই ধুনীয়াকৈ সজোৱা হয়। এনে কাৰুকাৰ্যই অসমীয়া শিল্পীৰ ভাস্কৰ্যবিদ্যাৰ পৰিচয় দাঙি ধৰে।

সত্ৰ ঃ

সত্ৰ হৈছে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱ অসমত নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে স্থাপন কৰা এক অনুষ্ঠান। প্ৰথমতে অসমত ৬৬৫ খন সত্ৰ আছিল যদিও এতিয়া তাৰে বেছিভাগৰে অস্তিত্ব নাই। ইয়াৰ ভিতৰতে ৬৫ কেৱল মাজুলীতে স্থাপন কৰা হৈছিল যাৰ ভিতৰত বৰ্তমান ২২ খনহে আছে। ধৰ্ম চৰ্চাৰ উপৰিও সত্ৰ সমূহ মহাপুৰুষীয়া তথা অসমীয়া সংস্কৃতি যেনে বৰগীত, সত্ৰীয়া নৃত্য, চালি নৃত্য, ঝুমুৰা নৃত্য, দশাৱতাৰ নৃত্য আদিৰ লগতে পুৰণি পুথি-পাতি আৰু আন আন বুৰঞ্জীমূলক সমলৰ ভঁৰাল। এই থানবোৰেই কালক্ৰমত বৈষ্ণৱ ধৰ্মৰ প্ৰাণকেন্দ্ৰ "সত্ৰ" নামেৰে জনাজাত হয়। অসমত নৱ বৈষ্ণৱ ধৰ্মৰ আমোলত শংকৰদেৱে ধৰ্ম প্ৰচাৰৰ বাবে কিছুমান কাল থকা স্থানসমূহেই "সত্ৰ"।

## মহাবিদ্যালয় গ্ৰন্থাগাৰত আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ




মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ হোৱা উচিত। কিয়নো বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ সহায়ত কোনো এটা তথ্য সংগ্ৰহৰ ক্ষেত্ৰত অতি কম সময়তে আমি লাভ কৰিব পাৰো। ইণ্টাৰনেট সেৱা, কম্পিউটাৰ আদিৰ ব্যৱহাৰ কৰি ছাত্ৰীসকলে সময়ৰ সদ্ব্যৱহাৰ কৰাৰ লগতে ইয়াৰ দ্বাৰা তথ্য লাভৰ যোগেদি উপকৃত হ'ব পাৰিব।

**অঞ্জলী সোনোৱাল**



# ধৰ্ম আৰু বিজ্ঞানৰ দৃষ্টিৰে খাদ্য বিচাৰ

**কাকলি বৰা**

এখন সুস্থ সমাজ ধৰি ৰাখিবলৈ যিদৰে ধৰ্ম আমাৰ সকলোৰে বাবে প্ৰয়োজনীয়, ঠিক সেইদৰে আমাৰ দেহ, মন, শৰীৰ আৰু অন্তৰখন শুদ্ধ কৰি ৰাখিবলৈ খাদ্যৰ প্ৰয়োজন। মূল গছজোপাক ধৰি ৰাখিবলৈ যিদৰে এজোপা গছৰ ঘাই শিপাৰ আৱশ্যক ঠিক একে দৃষ্টিভংগীৰেই আমাৰ শৰীৰটোক মূলত ভালে ৰাখিবলৈ সু-খাদ্যৰ আৱশ্যক। কথাতেই কয় "দেহা থাকিলেহে বেহা"।

মূলত আমাৰ খাদ্য সমূহক তলত দিয়াৰ দৰে ভগাব পাৰি-

| <u>খাদ্য</u> | <u>খাদ্যৰ উৎস সমূহ</u> |
|---|---|
| সাত্বিক আহাৰ | গাখীৰ, ফলমূল, ভাত, শাক-পাচলি |
| তামসিক আহাৰ | মাছ, মাংস, কণী ইত্যাদি |
| ৰাজসিক আহাৰ | মদ, কানি, ভাং ইত্যাদি |

**ধৰ্ম আৰু খাদ্যৰ সম্পৰ্ক ঃ**

ধৰ্মই আমাৰ মাজত প্ৰেম, ন্যায়, সুস্থ, একতা, ভক্তিভাৱ আদি গঠন কৰাৰ উপৰিও খাদ্যৰ ক্ষেত্ৰত সাত্বিক, তামসিক আৰু ৰাজসিক আহাৰে আমাৰ শৰীৰৰ প্ৰতিটো ভিন-ভিন অংগক ক্ৰিয়া কৰে। শাস্ত্ৰমতে যজ্ঞ কৰিলে বৃষ্টি হয়, বৃষ্টি হ'লে শস্য হয়, শস্যৰ পৰা অন্ন

হয়, অন্নৰ পৰা ৰস হয়, ৰসৰ পৰা তেজ হয়, তেজৰ পৰা মাংস, মাংসৰ পৰা মেদ, মেদৰ পৰা হাড়, হাড়ৰ পৰা মজ্জা আৰু মজ্জাৰ পৰা বীজ উৎপন্ন হয়। এতেকে ধৰ্ম আৰু আহাৰ গ্ৰহণৰ মাজত ওতঃপ্ৰোত সম্পৰ্ক আছে। সাত্ত্বিক, তামসিক আৰু ৰাজসিক আহাৰৰ ওপৰত গুৰুত্ব ৰাখি কোনবিধ আহাৰ আমাৰ স্বাস্থ্য কাৰণে ভাল আৰু কোনবোৰ আহাৰ বেয়া তাৰ ওপৰত বিচাৰ নথকা নহয়। সাত্ত্বিক আহাৰৰ পৰা পোৱা গুণ সমূহৰ ভিতৰত আমাৰ মন শুদ্ধ হয়, শৰীৰটো গুৰু বা ভকতৰ দৰে হয়, খং-ৰাগ হ্ৰাস পায়, অহংকাৰ দূৰ হয়, আয়ুস বাঢ়ে আৰু নিৰোগী হয়। ইয়াৰ উপৰিও সাত্ত্বিক আহাৰৰ পৰা জন্ম হোৱা সন্তান ধৰ্ম পৰায়ণ, সৎ গুণৰ অধিকাৰী, নিৰোগী, ঈশ্বৰৰ প্ৰতি বিশ্বাসী হয়। তামসিক আহাৰ গ্ৰহন কৰা লোকৰ খং-ৰাগ বৃদ্ধি হয়, অধৈৰ্য, ঠেকমনৰ, ৰুগীয়া আৰু অল্পায়ুস হয়। আনহাতে ৰাজসিক আহাৰ গ্ৰহণ কৰা লোকৰ স্বভাৱ অহংকাৰী, খং-ৰাগ বৃদ্ধি, ৰুগীয়া আৰু ভক্তিহীন হয় বুলি শাস্ত্ৰ সমূহত উল্লেখ আছে।

**বিজ্ঞানৰ দৃষ্টিৰে খাদ্য বিচাৰ ঃ** বিজ্ঞানৰ ভাষাত খাদ্য বুলি ক'লে সাধাৰণতে দুই ধৰণেৰে বুজো। সুখাদ্য আৰু আনবিধ হ'ল কু-খাদ্য। সু-খাদ্য অৰ্থাৎ সুষম আহাৰ। সুষম আহাৰ বুলি ক'লে খাদ্যত থকা সকলো উপাদানক যেনে কাৰ্বহাইড্ৰেট, প্ৰ'টিন আৰু মেদ আদিকে বুজা যায়। উল্লিখিত সকলো উপাদানক পুনৰ




পুষ্টিকৰ খাদ্য বুলি কোৱা হয়। তলত পুষ্টিকৰ খাদ্যৰ উৎসসমূহ তালিকা সহ দেখুওৱা হ'ল-

| খাদ্য | খাদ্যৰ উৎস সমূহ |
|---|---|
| কাৰ্বহাইড্ৰেট | তৰমুজ, আম, মাকৈ, চাউল, আলু, অমিতা |
| স্নেহ পদাৰ্থ | ঘিঁউ, মাখন, নাৰিকল তেল, গাখীৰ ইত্যাদি |
| ভিটামিন A | মাছ, মাংস, গাখীৰ, সেউজীয়া শাক-পাচলি |
| ভিটামিন B | মাছৰ যকৃৎ, হালধি |
| ভিটামিন C | কেঁচা জলকীয়া, আমলখি, নেমুটেঙা |
| ভিটামিন D | ঘিঁউ, মাছ, মাংস, গাখীৰ |
| ভিটামিন E | অঙ্কুৰণ বীজত পোৱা যায় |
| খনিজ লৱন | কণী, গাখীৰ |
| প্ৰটিন | গাখীৰ, মাছ-মাংস, পনীৰ |
| মেদ | বাদাম, মাছ আদি |




আনবিধ খাদ্য হ'ল কুখাদ্য, যাক আমি 'এলকহল'ৰ দৰে ৰাগিয়াল খাদ্য বুলি কওঁ। যেনে- মদ, ভাং, ড্ৰাগচ্ আদি। বিজ্ঞানৰ মতে 'এলকহল' মানে যি খাদ্য সেৱন কৰিলে দেহৰ বা শৰীৰৰ অপকাৰ হয়, মনলৈ অশান্তি আনে, পৰিৱেশ বিনষ্ট কৰে আৰু শৰীৰৰ ভাৰসাম্য কমি যায় ইত্যাদি। এতেকে ধৰ্মীয় আৰু বিজ্ঞানৰ দৃষ্টিৰে আমাৰ দেহক সবল, সুন্দৰ কৰি ৰাখিবলৈ হ'লে সাত্ত্বিক আহাৰৰ ওপৰত গুৰুত্ব দিয়া উচিত।



# অসমৰ জলসম্পদ

**কুন্তলা মগৰ**

"সুজলা-সুফলা, শস্য-শ্যামলা মলয়া-শীতলা, গিৰিমালা-বিনন্দিতা" ৰম্যভূমি অসম প্ৰকৃতিৰ লীলাভূমি। প্ৰকৃতিয়ে অসমৰ বুকুত সোণ গজায়। অসমক নদী-মাতৃক দেশ বুলি কোৱা হয়। নদীমাতৃক অসমভূমিত "সকলো আছিল, সকলো আছে" কিন্তু একোৱেই নাই। চিৰদিন অসমৰ কল্যাণকামী, হিত-সাধনকাৰী লুইতৰ বলিয়া বানে অসমৰ বুকুত প্ৰলয়ৰ সৃষ্টি কৰিছে।

চিৰদিন পানীৰে পৰিপুষ্ট লুইত আৰু ইয়াৰ উপনৈসমূহ বাৰিষা মৌচুমীয়ে বৰষি যোৱা প্ৰচুৰ জলধাৰা উফন্দাই তুলি বুৰঞ্জী বিস্মৃত যুগৰে পৰা অসমত বানপানীৰ সৃষ্টি কৰি আহিছে। অসমৰ ইতিহাসত পোনপ্ৰথমবাৰৰ বাবে ১৯৩৪ চনত নগাঁও জিলাত কপিলীৰ প্ৰলয়ংকাৰী বলিয়া বানৰ নিষ্ঠুৰ আঘাত অনুভৱ কৰে। সেই বানৰ ফলত নগাঁও জিলাৰ মধ্য আৰু পশ্চিম খণ্ডত প্ৰলয়ৰ সৃষ্টি কৰি, ৰাস্তা, ঘাট, দলং, পথাৰত লহপহকৈ বাঢ়ি অহা হালি-জালি ৰঙত ব্যাকুল সেউজীয়া শস্যবোৰ সমূলঞ্চে বিনাশ কৰি, হাজাৰ হাজাৰ মানুহৰ ঘৰ-দুৱাৰ, সা-সম্পদ, গৰু-ম'হ, মৃত্যুৰ মুখত পৰিবলগা হৈছিল। ভাৰতত নদী উপত্যকা আঁচনি গ্ৰহণ কৰি দামোদৰ ভেলী প্ৰজেক্ট, ভাক্ৰা-নাংগল প্ৰজেক্ট আৰু অন্যান্য নৈ-উপনৈ নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰা হৈছে। পথাৰত পানী যোগান ধৰা হৈছে। জলধাৰ তৈয়াৰ কৰি মীন মহল খোলা হৈছে। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ অসমৰ প্ৰতি আহুকলীয়া, অমনোযোগী মনোভাৱ, অৱহেলাৰ কাৰণে অসমৰ নৈ-উপনৈ সমূহ নিয়ন্ত্ৰণৰ ব্যৱস্থা হোৱা নাই। অথচ এই নদীবোৰ নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা হ'লে প্ৰচুৰ পৰিমাণৰ জলবিদ্যুৎ উৎপাদন হ'ব আৰু বানপানীৰ কৰাল গ্ৰাসৰ পৰাও অসমে মুক্তি লাভ পাব। অসমৰ তীব্ৰবেগী নৈবোৰৰপৰা কম আয়াসতে যিমান পৰিমাণৰ জলবিদ্যুৎ উৎপাদন হ'ব, তাৰ সহায়ত সমগ্ৰ ভাৰতৰ কল কাৰখানা চলিব আৰু ভাৰত কৃত্ৰিম জোনালীৰে উদ্ভাসিত হৈ উঠিব। আনহাতেদি বানপানীৰ কৰাল গ্ৰাসৰ পৰা মুক্ত অসম পুনৰ সুজলা-সুফলা, শস্য-শ্যামলা হ'ব।

# পৰিৱেশ প্ৰদূষণ আৰু আমাৰ কৰণীয়


## আচিফা শ্বামচি


**আৰম্ভণি ঃ**

"সেউজী, সেউজী, সেউজী অ'
সেউজী ধৰণী ধুনীয়া"...

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ উক্ত ৰচনাটি যেন সপোন হৈ পৰিছে। চাৰিওফালে সেউজীয়াৰ পৰিৱৰ্তে ক'লা ধোঁৱাই আৱৰি ধৰিছে ধৰণীখনক। প্ৰকৃতিৰ বিৰুদ্ধে গৈ মানৱ জাতিয়ে নিজৰ বিপদ নিজে চপাই লৈছে। প্ৰকৃতিৰ বিৰুদ্ধাচৰণৰ এক ভয়ানক পৰিণাম হৈছে প্ৰদূষণ।

প্ৰদূষণ হৈছে পৰিৱেশৰ উপাদানসমূহৰ পৰিমানগত ভাৰসাম্যহীনতা। প্ৰদূষণৰ আলোচনা পৰিৱেশৰ ধাৰণাৰ অবিহনে অসম্পূৰ্ণ। সাধাৰণতে কোনো এক জীৱন প্ৰজাতিৰ



চৌপাশে থকা সকলো ধৰণৰ জৈৱিক আৰু অজৈৱিক কাৰকসমূহকে তাৰ পৰিবেশ বোলে। সহজ অৰ্থত পৰিৱেশ হৈছে মানুহৰ জীৱন আৰু বিভিন্ন কাম-কাজৰ ওপৰত প্ৰভাৱ পেলোৱা চাৰিওফালৰ প্ৰাকৃতিক আৰু সামাজিক অৱস্থা।

পৰিৱেশক তিনিটা ভাগত বিভক্ত কৰিব পাৰি। সেইবোৰ হ'ল- (ক) প্ৰাকৃতিক পৰিৱেশ, (খ) মানৱসৃষ্ট পৰিৱেশ (গ) সামাজিক পৰিৱেশ।

বায়ু, পানী, মাটি, অৰণ্য, বন্যপ্ৰাণী ইত্যাদি প্ৰাকৃতিক উপাদানক লৈ প্ৰাকৃতিক পৰিৱেশ গঠিত হয়। পৰিৱেশ ক্ৰিয়া, ঘৰ-দুৱাৰ, প্ৰযুক্তিবিদ্যা, যাতায়ত, উপযোগিতা, সংস্থাপন ইত্যাদি লৈ মানৱসৃষ্ট পৰিৱেশ গঠিত হয়। আনহাতে সমাজৰ প্ৰচলিত ৰীতি-নীতি, নিয়ম, সংস্কৃতি, ধৰ্ম, জাতি, ব্যৱসায়, উপাৰ্জন, দৰিদ্ৰতা, শিক্ষা-দীক্ষা, নগৰীকৰণ, অনুপ্ৰৱেশ আদিয়ে সামাজিক পৰিৱেশক বুজায়।

**পৰিৱেশ প্ৰদূষণ আৰু ইয়াৰ প্ৰকাৰঃ**

মানুহৰ দৈনন্দিন কাৰ্যকলাপে পৰিৱেশক প্ৰভাৱিত কৰে। কেতিয়াবা কোনো অনিষ্টকাৰী পদাৰ্থ আমাৰ চৌপাশে থকা মাটি, পানী, বায়ুত প্ৰৱেশ কৰি এইবোৰৰ স্বাভাৱিক বৈশিষ্টবোৰ নষ্ট কৰি পেলায়। ইয়াৰ ফলত বায়ু, পানী, মাটি, জীৱ-জগতৰ ব্যৱহাৰৰ অনুপযোগী হৈ পৰে আৰু জীৱ-জগতৰ বিস্তৰ ক্ষতি সাধন হয়। পৰিৱেশৰ এনেদৰে দূষিত হোৱা ঘটনাটোকে প্ৰদূষণ বা পৰিৱেশ দূষিতকৰণ বোলা হয়। পৰিৱেশ প্ৰদূষণ কৰা পদাৰ্থবোৰক প্ৰদূষক বোলে।

প্ৰদূষণক বিভিন্ন ভাগত বিভক্ত কৰিব পাৰি। সাধাৰণতে প্ৰদূষণক পাঁচটা ভাগত বিভক্ত কৰিব পাৰি। ভাগবোৰ হ'ল-

(ক) জল প্ৰদূষণ
(খ) স্থল প্ৰদূষণ
(গ) বায়ু প্ৰদূষণ
(ঘ) শব্দ প্ৰদূষণ
(ঙ) তেজস্ক্ৰিয় প্ৰদূষণ

**(খ) জল প্ৰদূষণ ঃ** খোৱা পানী বা সমুদ্ৰৰ লুণীয়া পানীত যদিহে এনে কোনো জৈৱিক-অজৈৱিক বা ৰাসায়নিক পদাৰ্থৰ পৰিমাণ যথেষ্ট পৰিমাণে বৃদ্ধি পায়, যিবোৰে পানীৰ গুণাগুণ নষ্ট কৰে, তেনে পৰিস্থিতিত পানী প্ৰদূষণ হোৱা বুলি কোৱা হয়।

জল প্ৰদূষণ সৃষ্টি কৰা প্ৰদূষকবোৰৰ ভিতৰত অন্যতম হৈছে খেতি পথাৰত ব্যৱহৃত বিষাক্ত কীটনাশক তথা ৰাসায়নিক সাৰ, উদ্যোগ, সমূহৰ পৰা ওলোৱা ৰাসায়নিক পদাৰ্থ আদি।

বিশুদ্ধ পানী জীৱজগতৰ এক অপৰিহাৰ্য উপাদান। পানীৰ



অবিহনে জীৱই জীৱন নিৰ্বাহ কৰা অকল্পনীয়। কথাতে কোৱা হয় 'পানীয়ে প্ৰাণীৰ প্ৰাণ।' এইষাৰ কথাৰ পৰাই জীৱৰ বাবে পানীৰ অপৰিহাৰ্যতাৰ প্ৰমাণ পাব পাৰি।

কিন্তু অতি দুৰ্ভাগ্যৰ বিষয় যে, বৰ্তমান পানী প্ৰদূষণে এক ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। বিশ্ব স্বাস্থ্য সংস্থাৰ ১৯৯৩ চনৰ এক সমীক্ষাৰ অনুসৰি ভাৰতৰ সকলো ৰোগৰ শতকৰা ১১ ভাগ আৰু সোঁচৰা ৰোগৰ ২১ ভাগ উদ্ভৱ হয় প্ৰদূষিত পানীৰ কাৰণেই। বৰ্তমান ভাৰতৰ ৭০ শতাংশ নদী আৰু জান-জুৰিয়ে প্ৰদূষিত পানী বহন কৰি আছে।

বিভিন্ন কাৰকে পানী প্ৰদূষিত কৰে। তলত সবিশেষ আলোচনা কৰা হ'ল-

- কল কাৰখানাৰ পৰা নিৰ্গত হোৱা ধাতৱ পদাৰ্থবিলাক বৰষুণৰ পানীয়ে মাটিৰ ওপৰিভাগৰ পৰা উটুৱাই নি নৈ, বিল, পুখুৰী, নাইবা ডাঙৰ জলাশয় আদিত পেলাই পানী প্ৰদূষিত কৰে। এই ধাতৱ পদাৰ্থবিলাকত ক্লৰিণকষ্টিক, ছ'ডা, ফেনল, এম'নিয়া, আৰ্ছেনিক আদি বিষাক্ত পদাৰ্থ থাকে।

**নগৰীকৰণ ঃ** চহৰ-নগৰৰ মানুহৰ ঘৰত দৈনিক সৃষ্টি হোৱা আৱৰ্জনাবোৰ প্ৰায়েই নদ-নদী, পুখুৰী আদিত পেলোৱা হয়। এই আৱৰ্জনাবোৰৰ ভিতৰত পলিথিন বেগ, ৰবৰ, ধূলি, বালি, ঘৰচীয়া প্ৰাণীৰ মল-মূত্ৰ, ঔষধ আদিয়ে প্ৰধান। এইবোৰে পানী প্ৰদূষিত কৰে।

**যান বাহনৰ দ্বাৰা প্ৰদূষণ ঃ** নদী, হ্ৰদ, সাগৰ আদিত চলা যান-বাহনবোৰৰ পৰা ওলোৱা তৈলজাতীয় বিষাক্ত পদাৰ্থই পানী প্ৰদূবিত কৰে। যুদ্ধ-বিগ্ৰহ বা দুৰ্ঘটনাগ্ৰস্ত কাৰণত তেলবাহী জাহাজ সাগৰত নিমজ্জিত হোৱাত জল প্ৰদূষণ হয়।

**কৃষিকাৰ্যৰ পৰা প্ৰদূষণ ঃ** জনসংখ্যা বৃদ্ধিৰ ফলত কম মাটিত অধিক ফচলৰ আশাত নানান মাৰাত্মক কীটনাশক নাইবা সাৰৰ ব্যৱহাৰ কৰা হয়। শস্যই গ্ৰহণ কৰাৰ পাছত বহুতো ৰাসায়নিক দ্ৰব্য মাটিত ৰৈ যায়। বৰষুণৰ পানীয়ে সেইবোৰ

জলাশয়ত পেলাই পানী দূষিত কৰে।

**পানী বা জল প্ৰদূষণ নিয়ন্ত্ৰণ ঃ** পানী প্ৰদূষণৰ ৰোধৰ বাবে কিছুমান পদক্ষেপ গ্ৰহণ কৰা প্ৰয়োজন। তলত এই বিষয়ে আলোচনা কৰা হ'ল।

(১) উদ্যোগ, নলা-নৰ্দমা আদিৰ পানীৰ লগত অহা বৰ্জিত দ্ৰব্যসমূহ পৃথকীকৰণ কৰি নিষ্কাষণ কৰা প্ৰয়োজন। পানীত দ্ৰবীভূত হৈ থকা বিষাক্ত পদাৰ্থবোৰ পৰিশোধন প্ৰক্ৰিয়াৰে পৃথক কৰাৰ ব্যৱস্থা কৰিব লাগে।

(২) কীটনাশক দ্ৰব্য ব্যৱহাৰৰ পৰিৱৰ্তে কীটৰ জৈৱিক নিয়ন্ত্ৰণৰ ওপৰত গুৰুত্ব দিব লাগে।

(৩) গোবৰ গেছ প্ৰকল্প স্থাপন কৰি বৰ্জিত মলমূত্ৰ বা আন পদাৰ্থবোৰ পুনৰাৱৰ্তন কৰা প্ৰয়োজন।

(৪) নদ-নদী সমূহত গা ধোৱা, কাপোৰ ধোৱাৰ পৰা বিৰত থাকিব লাগে।

(৫) বনানীকৰণৰ জৰিয়তে মাটিৰ খহনীয়া ৰোধ কৰিব লাগে।

(৬) উদ্যোগসমূহে যাতে বৰ্জিত পদাৰ্থসমূহ পানীত পেলাই প্ৰদূষিত কৰিব নোৱাৰে তাৰ বাবে আইন প্ৰণয়ন কৰি উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

**স্থল প্ৰদূষণ ঃ** ত্ৰুটিপূৰ্ণ কৃষি পদ্ধতি, অত্যাধিক ভূতলৰ খনন, উদ্যোগ তথা চহৰৰ আৱৰ্জনা নিষ্কাষণৰ সঠিক পদ্ধতিৰ অভাৱৰ ফলত পৃথিৱীৰ উপৰিভাগৰ মাটিভাগৰ গুণগত মানদণ্ডৰ অৱনতি ঘটাকে সাধাৰণতে স্থল প্ৰদূষণ বোলে।

উদ্যোগীকৰণ, সাৰ-কীটনাশক দ্ৰব্যৰ ব্যৱহাৰ, তেজস্ক্ৰিয় পদাৰ্থ মিহলি হোৱা আদিৰ প্ৰভাৱত মাটি প্ৰদূষিত হয়।

ভূমি বা মাটি প্ৰকৃতিৰ এক বিস্ময়কৰ সৃষ্টি। শিল আৰু মাণিকৰ ভৌতিক, ৰাসায়নিক, আৰু জৈৱিক ক্ষয়ীভৱনে মাটিৰ সৃষ্টি কৰে। মাটি গঠন প্ৰক্ৰিয়া অতি মন্থৰ আৰু জটিল। এক ইঞ্চি মাটি গঠন হ'বলৈ ৩০০ ৰপৰা ১০০০ বছৰ কালৰ প্ৰয়োজন



হয়। দুৰ্ভাগ্যবশতঃ প্ৰকৃতিৰ এই অমূল্য সম্পদ এতিয়া প্ৰদূষণৰ কবলত। মাটি প্ৰদূষিত কৰা কাৰকবোৰ হ'ল-

(ক) কৃষিভিত্তিক কাৰক ঃ খেতি পথাৰত প্ৰয়োগ কৰা মাত্ৰাধিক সাৰ আৰু কীটনাশকবোৰে মাটি দূষিত কৰে, মাটিৰ গুণাগুণ নষ্ট কৰে।

(খ) ঔদ্যোগিক কাৰক ঃ কল কাৰখানাবোৰৰ বৰ্জিত বিষাক্ত পদাৰ্থবোৰ মাটিত পেলোৱাৰ ফলত মাটি প্ৰদূষিত হয়। কলকাৰখানাৰ আৱৰ্জনাবোৰত এম'নিয়া, পাৰা, সীহ, কেডমিয়াম, ছায়েনাইড আদি বিষাক্ত পদাৰ্থ থাকে। এইবোৰে মাটি প্ৰদূষণত অৰিহণা যোগায়।

ইয়াৰোপৰি পৰীক্ষাগাৰ, চিকিৎসালয় আদিৰ পৰা ওলোৱা আৱৰ্জনাবোৰো মাটি প্ৰদূষণৰ এক প্ৰধান কাৰক।

(গ) দৈনন্দিন কাৰ্য-কলাপ ঃ আমি দৈনন্দিত ব্যৱহাৰ কৰা কিছুমান অপচনশীল বস্তু যেনে- পলিথিন বেগ, বিভিন্ন প্লাষ্টিকৰ সামগ্ৰী আদিবোৰে মাটি প্ৰদূষণত সহায় কৰে। প্লাষ্টিক জাতীয় বস্তুৰ উপযুক্ত নিষ্কাষণৰ অভাৱে এই সমস্যাক গুৰুতৰ কৰি তুলিছে।

(ঘ) আণৱিক শক্তি উদ্যোগ ঃ আণৱিক শক্তি উদ্যোগৰ পৰা ওলোৱা আৱৰ্জনাত তেজস্ক্ৰিয় পদাৰ্থ থাকে। এই আৱৰ্জনাবোৰ মাটিত পেলোৱাৰ ফলত মাটি দূষিত হয়। বৃহৎ পৰিমাণে সংঘটিত হোৱা এই প্ৰদূষণে মানৱ স্বাস্থ্যৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে।

(ঙ) অৱক্ষয় ঃ অৱক্ষয় হৈছে মাটি প্ৰদূষণৰ এক অন্যতম কাৰক। গছ-গছনিয়ে মাটিৰ ওপৰৰ তৰপটো খামুচি ধৰি ৰাখে। বৰ্তমান নিৰ্বনানীকৰণৰ ফলত মাটিৰ ওপৰৰ তৰপটো বৰষুণৰ পানীয়ে অতি সহজে খহাই নিব পাৰিছে। ইও এক প্ৰকাৰৰ ভূমি প্ৰদূষণ।

**মাটি প্ৰদূষণ নিয়ন্ত্ৰণৰ উপায় ঃ** বৰ্তমানৰ মাটি প্ৰদূষণৰ ভয়াবহতাৰ প্ৰতি লক্ষ্য ৰাখি এই সমস্যা নিয়ন্ত্ৰণৰ বাবে কিছুমান উপায় অৱলম্বন কৰাটো অতি জৰুৰী হৈ পৰিছে। এই সমস্যা সমাধানৰ বাবে কিছুমান উপায় তলত উল্লেখ কৰা হ'ল--

(ক) মাটি প্ৰদূষণ ৰোধ কৰিবলৈ বৃহৎ উদ্যোগ, কল কাৰখানা আদিৰ পৰা ওলোৱা আৱৰ্জনাবোৰ নিষ্কাশন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

(খ) কৃষিকাৰ্যত ৰাসায়নিক সাৰ কীটনাশক আদি ব্যৱহাৰৰ পৰিৱৰ্তে পচন সাৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিব লাগে।

(গ) অপচণশীল আৱৰ্জনা সমূহ য'তে ত'তে নেপেলাই ইয়াৰ পুনৰ ব্যৱহাৰৰ ওপৰত গুৰত্ব দিব লাগে।

(ঘ) বনানীকৰণৰ জৰিয়তে ভূমিস্খলন ৰোধৰ ব্যৱস্থা কৰিব লাগে।

(ঙ) তেজস্ক্রিয় দ্রব্যবোৰ মাটিত পেলাব নালাগে।

**(গ) বায়ু প্রদূষণ ঃ** সাধাৰণ অৱস্থাত বায়ুমণ্ডলত কিছুমান পদাৰ্থৰ অবাঞ্চিত উপস্থিতি বা বায়ুমণ্ডলত থকা বিভিন্ন উপাদানবোৰৰ অতিৰিক্ত উপস্থিতিয়ে মানুহৰ লগতে অন্য জীৱ-জন্তু বা উদ্ভিদ জগতৰ ওপৰত যি অনিষ্টকাৰী প্রভাৱ পেলায় তাকে বায়ু প্রদূষণ বোলা হয়।

বায়ু প্রদূষণে বিভিন্ন শ্বাসজনিত বেমাৰৰ লগতে চৰ্মৰোগৰ বৃদ্ধিত সহায় কৰে। বায়ুপ্রদূষণে জীৱজগতক বাৰুকৈয়ে ক্ষতিগ্রস্ত কৰিছে। বিভিন্ন বিষাক্ত গেছ যেনে Co (কাৰ্বন মন' অক্সাইড), $CO_2$ (কাৰ্বন ডাই অক্সাইড), $H_2S$ (হাইড্ৰ'জেন ছালফাইড), $SO_2$(ছালফাৰ ডাই-অক্সাইড) আদিয়ে বায়ুমণ্ডল প্রদূষিত কৰাত অৰিহণা যোগাইছে।

বিভিন্ন কাৰণত বায়ু প্রদূষণ হ'ব পাৰে। তলত এই বিষয়ে আলোচনা কৰা হ'ল-

(ক) নগৰীকৰণ ঃ

সঘনে গঢ়ি উঠা নগৰবোৰে বায়ু প্রদূষণত মুখ্য ভূমিকা পালন কৰে। নগৰসমূহত গৃহ নিৰ্মাণত ব্যৱহৃত ইটা, বালি, চিমেণ্ট আদিৰ পৰা দূষিত ৰেডন গেছ নিৰ্গত হৈ বায়ু দূষিত কৰে। নগৰ অঞ্চলত কল কাৰখানাৰ পৰিমাণ বেছি হোৱা হেতুকে প্রদূষণো বেছি। স্তূপীকৃত আৱৰ্জনা আৰু নগৰ অঞ্চলৰ নৰ্দমাৰ আৱৰ্জনাত থকা জৈৱ পদাৰ্থৰ পচনক্রিয়াত হাইড্ৰজেন ছালফাৰ ($H_2S$) গেছ উৎপন্ন হয়। জাৰণৰ সহায়ত অক্সিজেন যুক্ত ছালফাৰ ডাই অক্সাইডৰ সৃষ্টি হয়। কেতিয়াবা $H_2S$ গেছ নিৰ্গত হৈ বায়ুমণ্ডলত থকা পানীৰ বাষ্পৰ লগত লগ লাগি ছালফিউৰিক এচিডলৈ ($H_2SO_4$) পৰিৱৰ্তিত হয় আৰু এচিড বৰষুণ হৈ পৃথিৱীলৈ নামি আহে।


(খ) উদ্যোগিক প্রদূষক ঃ

কল-কাৰখানাসমূহ বায়ু প্রদূষণৰ উৎস। উদ্যোগসমূহৰ পৰা নিৰ্গত হোৱা কাৰ্বন মন' অক্সাইড (Co) কাৰ্বন-ডাই-অক্সাইড ($CO_2$), ছালফাৰ ডাই অক্সাইড($SO_2$), নাইট্ৰজেন অক্সাইড ($NO_2$) ক্লৰিন, ফ্লৰিন আদিয়ে বায়ু প্রদূষিত কৰে।

ইয়াৰোপৰি সূৰ্যৰ পৰা অহা অতি বেঙুনীয়া ৰশ্মিৰ প্রভাৱত বায়ুমণ্ডলৰ হাইড্ৰ'কাৰ্বন আৰু নাইট্ৰজেন অক্সাইডে অজন ($O_3$) সৃষ্টি কৰি বায়ুমণ্ডলক মাৰাত্মকভাৱে দূষিত কৰিছে।

(গ) যান-বাহন ঃ

বায়ুমণ্ডল প্রদূষণৰ বাবে যান-বাহনৰ ধোঁৱা শতকৰা ৬০ ভাগ দায়ী। এই ধোঁৱাত কাৰ্বন মন' অক্সাইড, কাৰ্বন ডাই অক্সাইড



($CO_2$), নাইট্ৰজেন অক্সাইড আদি থাকে। এইবোৰে বায়ু প্রদূষিত কৰে।

(ঘ) ইন্ধনৰ দহন ঃ

ইন্ধন হিচাপে ব্যৱহৃত কয়লা, খৰি, গোবৰ, কেৰাচিন আদিৰ অসম্পূৰ্ণ দহনৰ ফলত কাৰ্বন-মন'-অক্সাইড সৃষ্টি হয়। কয়লাত ছালফাৰ থাকে আৰু দহনৰ ফলত ছালফাৰ ডাই অক্সাইড সৃষ্টি হৈ বায়ু দূষিত কৰে।

**বায়ু প্রদূষণ নিয়ন্ত্রণ ঃ**

বায়ু প্রদূষণ নিয়ন্ত্রণৰ বাবে ল'বলগীয়া ব্যৱস্থা তলত উল্লেখ কৰা হ'ল-

(ক) বৃক্ষৰোপণ বায়ু প্রদূষণ ৰোধৰ অন্যতম উপায়। গছ-গছনিয়ে বায়ুমণ্ডলৰ পৰা বিষাক্ত কাৰ্বন-ডাই-অক্সাইড শুহি লয় আৰু অক্সিজেন গেছ এৰে।

(খ) স্কাবাৰ ব্যৱহাৰ কৰি বায়ুমণ্ডলৰ পৰা $SO_2$ গেছ পৃথকীকৰণৰ ব্যৱস্থা কৰিব লাগে।

(গ) পুৰণি যান-বাহন চলোৱাত বাধা আৰোপ কৰি কেটালাইটিক কনভাৰ্টাৰ ব্যৱহাৰ কৰি দূষিত পদাৰ্থবোৰ পৰিৱেশত অহাৰ আগতে দহন কৰা প্রয়োজন।

(ঘ) উদ্যোগ সমূহৰ পৰা ধোঁৱা নিৰ্গত হোৱা চিমনীবোৰ ওখ কৰিলে দূষিত বায়ু ওপৰলৈ উঠি যাব আৰু পৰিৱেশৰ ওপৰত ইয়াৰ প্রভাৱ কমিব।

**(ঘ) শব্দ প্রদূষণ ঃ**

শব্দ হ'ল অণুৰ সংঘৰ্ষত সৃষ্টি হোৱা এক কম্পন বা তৰংগ, যি কোনো মাধ্যমৰ দ্বাৰা আহি আমাৰ কাণত অনুভূত হয়।

শব্দই যেতিয়া জীৱৰ স্বাভাৱিক জীৱন যাত্ৰাত আমনি দিয়াৰ উপৰিও শাৰীৰিক আৰু মানসিক দিশত ব্যাপক ক্ষতি

সাধন কৰে তেতিয়া তাক শব্দ প্ৰদূষণ বোলে।

শব্দ প্ৰদূষণে শ্ৰৱণ ইন্দ্ৰিয়ৰ ক্ষতিসাধন কৰে। ইয়াৰ ফলত অনিদ্ৰা, কাৰ্যক্ষমতা হ্ৰাস, স্নায়ৱিক বিফলতা আদি হ'ব পাৰে। শব্দ প্ৰদূষণৰ কাৰকবোৰ হ'ল-

(ক) যান বাহন চলোৱা শব্দ, হৰ্ণ আৰু চাইৰেনৰ শব্দই শব্দ প্ৰদূষণ সৃষ্টি কৰে। উৰাজাহাজে এইক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লয়। উল্লেখ্য যে, এখন উৰা জাহাজৰ উৰণ আৰু অৱতৰণে ১৪০-১৫০ ডেচিবেল শব্দৰ সৃষ্টি কৰে।

(খ) কল-কাৰখানা, উদ্যোগ আদিত ব্যৱহৃত যন্ত্ৰই শব্দ প্ৰদূষণ কৰে।

(গ) বোমা বিস্ফোৰণৰ সময়ত সৃষ্ট শব্দই প্ৰদূষণৰ সৃষ্টি কৰে।

**শব্দ প্ৰদূষণ নিয়ন্ত্ৰণ ঃ**

শব্দ প্ৰদূষণ নিয়ন্ত্ৰণৰ উপায় তলত উল্লেখ কৰা হ'ল-

(ক) জনবসতি পূৰ্ণ অঞ্চলৰ পৰা বহু আঁতৰত উদ্যোগ স্থাপন কৰিব লাগে।

(খ) বৃক্ষৰোপণে শব্দ প্ৰদূষণ ৰোধ কৰে। ৰাষ্ট্ৰীয় ঘাইপথ, উদ্যোগ, বিমান বন্দৰ আদিৰ কাষত বৃক্ষৰোপণ কৰিব লাগে।

(গ) সামাজিক অনুষ্ঠানবোৰত অপ্ৰয়োজনীয় শব্দ সৃষ্টি কৰিব নালাগে।

(ঘ) দীপাৱলীৰ সময়ত ফটকা বা আতচবাজী ব্যৱহাৰৰ পৰা বিৰত থাকিলে ভাল।

**তেজস্ক্ৰিয় প্ৰদূষণ ঃ**

বৰ্তমানৰ বিজ্ঞান প্ৰযুক্তিৰ যুগত ৰাসায়নিক দ্ৰব্যৰ ব্যৱহাৰৰ মাত্ৰা বাঢ়িছে। ৰাসায়নিক দ্ৰব্যসমূহৰ পৰা হোৱা প্ৰদূষণক তেজস্ক্ৰিয় প্ৰদূষণ বোলে।

শেহতীয়াকৈ এইবিধ প্ৰদূষণক প্ৰদূষণৰ প্ৰধান প্ৰকাৰৰ মাজত অন্যতম বুলি ধৰা হৈছে। তেজস্ক্ৰিয় প্ৰদূষণৰ কাৰকবোৰ হ'ল-

(ক) উদ্যোগৰ বৰ্জিত ৰাসায়নিক পদাৰ্থবোৰ তেজস্ক্ৰিয় প্ৰদূষণৰ ঘাই কাৰণ।

(খ) কৃষিকাৰ্যত ব্যৱহৃত ৰাসায়নিক দ্ৰব্যও তেজস্ক্ৰিয় প্ৰদূষণ সৃষ্টি কৰে।

(গ) আৱৰ্জনা দহনৰ ফলত নিৰ্গত গেছবোৰে ৰোগৰ পৰা হাত সাৰি থাকিব পাৰো।

হেনৰী ডি থৰো নামৰ পৰিৱেশ বিজ্ঞানী এজনে কৈছে- "আমাৰ গ্ৰহটো অৰ্থাৎ পৃথিৱী খনেই যদি বসবাসৰ অনুপযোগী হয়, তেনেহ'লে সুন্দৰ ঘৰ এটাৰ প্ৰয়োজন ক'ত?" সঁচাকৈয়ে যদি আমি এক পৰিস্কাৰ, স্বাস্থ্যকৰ, সৌন্দৰ্যময় আৰু নিৰাপদ পৰিৱেশত বাস কৰিব খোজো তেনেহ'লে আৱৰ্জনা শোধনকাৰ্য তথা বিশ্বত ভয়ানক সমস্যাৰূপে দেখা দিয়া পৰিৱেশ প্ৰদূষণসমূহ নিৰ্মূল কৰাত আমি গুৰুত্ব আৰোপ কৰিব লাগিব।

পৰিৱেশ প্ৰদূষণ ৰোধ কৰি স্বাস্থ্যকৰ পৰিৱেশ সৃষ্টিৰ বাবে ঐক্যবদ্ধ সহযোগিতাৰ প্ৰয়োজন। আমাৰ পৰিৱেশ সুৰক্ষিত কৰিবলৈ মাটি, পানী, বায়ু আদি প্ৰদূষণৰ পৰা মুক্ত কৰি ৰাখিব লাগিব।

পৰিৱেশ সুৰক্ষাৰ বাবে প্ৰদূষণবোৰ সমূলাংশে নাশ কৰিবলৈ আমি যত্নবান হ'লে মানৱ জাতি ৰক্ষা পৰিব। অন্যথা মানৱ জাতিৰ বিপৰ্যয় অনিবাৰ্য। সুস্থ পৰিৱেশে সুস্থ মনৰ সৃষ্টি কৰে, সুস্থ মনে সুস্থ চিন্তা গঢ় দিয়ে।

**নিৰাময়ৰ উপায় ঃ**

(ক) ঔদ্যোগিক আৱৰ্জনা নিষ্কাশন

(খ) ৰসায়নিক দ্ৰব্য ব্যৱহাৰ হ্ৰাস

(গ) বৃক্ষ ৰোপণ

**পৰিৱেশ প্ৰদূষণ আৰু মানৱ স্বাস্থ্য ঃ**

পৰিৱেশ আৰু মানৱজাতি ওতঃ প্ৰোতভাৱে জড়িত। পৰিবেশৰ পৰিস্থিতিতন্ত্ৰৰ ভিতৰতে মানুহৰ জীৱন প্ৰক্ৰিয়া চলি থাকে। মানুহৰ জীৱন নিয়াৰিকৈ চলিবলৈ পৰিবেশৰ লগত ভাৰসাম্য থকা দৰকাৰ।

সুস্বাস্থ্য সুপৰিৱেশৰ ওপৰত নিৰ্ভৰশীল। বৰ্তমানৰ প্ৰদুষিত পৰিৱেশে মানৱ স্বাস্থ্যৰ বিপৰ্যয় মাতি আনিছে। পৰিৱেশৰ ক্ৰমাগত বিপৰ্যয়ে মানৱ জাতিৰ প্ৰতি ভাবুকি সৃষ্টি কৰিছে। পৰিৱেশ আৰু মানৱ স্বাস্থ্য একে মুদ্ৰাৰ ইপিঠি সিপিঠি। সুস্থ পৰিৱেশে সুস্থ মানসিকতাৰ বিকাশ ঘটায়। আমাৰ পৰিৱেশ যেতিয়া নিকা হয় তেতিয়া আমি সম্ভাব্য ৰোগৰ পৰা হাত সাৰিব পাৰিম।

**সামৰণি ঃ**

পৰিৱেশ প্ৰদূষণ এক গোলকীয় সমস্যা। সেয়ে সমগ্ৰ বিশ্ব এই সমস্যাৰ প্ৰতি সচেতন হৈ এই সমস্যা সমাধানৰ বাবে আগবাঢ়ি অহা উচিত।

অতি গৌৰৱৰ বিষয় যে ভাৰতবৰ্ষই হ'ল বিশ্বৰ ভিতৰত প্ৰথম দেশ যিয়ে পৰিৱেশ সুৰক্ষা আৰু সংৰক্ষণৰ ব্যৱস্থা সংবিধানত অন্তৰ্ভুক্ত কৰিছে। উল্লেখ্য যে, ১৯৭২ চনৰ ৫ জুনত ষ্টকহমত বহা আন্তৰ্জাতিক মানৱ-পৰিৱেশ সম্পৰ্কীয় সন্মিলনত পৰিৱেশ সুৰক্ষা আৰু সংৰক্ষণৰ বিষয়ে পোন প্ৰথমবাৰৰ বাবে আলোচনা কৰা হয় আৰু তাৰ পাছৰে পৰা ৫ জুন তাৰিখটো বিশ্ব পৰিৱেস দিৱস হিচাপে পালন কৰি অহা হৈছে।

ইয়াৰ দ্বাৰা উৎসাহিত হৈ আমি আমাৰ পৰিৱেশ সংৰক্ষণৰ বাবে আগবাঢ়ি অহা উচিত।

*(লেখিকা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী)*



# दुरदर्शन और उसकी उपयोगिता


## जिम्पीरेखा शइकीया


विज्ञान ने मानव को जो आधुनिकतम साधन प्रदान किये हैं, उनमें दुरदर्शन मुख्य हैं। यह ऐसा संचार साधन है, जिसके माध्यम से हम सुदूर दृश्यों को तत्काल देख सकते हैं।

मनोरंजन के इस साधन का आविष्कार सर्वप्रथम 1925 ई. में इग्लैंड में हुआ। भारत में उसकी प्रथम स्थापना सितेबर 1951ई. में प्रारम्भ हुआ था। आज देश के हर कोने में टेलीविजन का जाल सा बिक्ष गया है। हाल ही में कई चेनेल खुल जाने से अब रात-दिन मनेरंजन का कार्यक्रम चलता रहता है।


इसमें जिन वस्तु या व्यक्ति का चित्र प्रेषित करना होता है, उसे सर्वप्रथम एक विशेष कैमरे में प्रतिबिम्बित किया जाता है। फिर एक एक बिदुं के प्रकाश एंव अधंकार को बिद्युत तेरगों में बदल दिया जाता है। फिर ये विद्युत तरेगें रेडियो तरंगों में बदल दी जाती है। इसके उपरांत टेलीविजन का एन्टीना इन तरंगों को ग्रहण कर लेता है और टेलीविजन में कार्यरत यन्त्र उन तरंगों में बदल देते है। इस प्रकार टेलीविजन प्रसारण केन्द्रं से जिस व्यक्ति या वस्तु का चित्र प्रसरित किया जाता है, एंटीना की सहायता से उसका प्रतिरुप दुर स्थत टेलीविजन सेट पर तुरन्त दिखायी देने लगता है।


शिक्षा तथा मनोरंजन दोनों द्रष्टिकोण से दुरदर्शन का अत्यधिक महुत्व है। चलचित्र जो देखने और सुनने का आनंद प्रदान करता है, वही आनंद घर में बैठकर, कमरे में बैठकर हम टेलीविजन से प्राप्त करते है।

कृषि प्रधान देश भारत में निरक्षरता अधिक है। देश की जनता को साक्षर बनाने के उद्देश्य से देश में दुरदर्शन केंन्द्रों का जाल बिचा दिया गया है। फिर भी यह वंछित उद्देश्य पूर्ति में असफल रहा है।

अगले पंने में टेलीविजन ज्ञान-विज्ञान के क्षेत्र में बड़ा प्रभावकारी होगा। पर दु:ख की यह है की वर्तमान काल में बहुत से सतारुढ़ दल अपने उद्देश्य की पुर्ति में इसका अधिक उपयोग करता है। कुछ भी हो, इसकी उपयोगिता निविर्वाद है।

# অ অ অ
# নু নু নু
# ভ ভ ভ
# ৱ ৱ ৱ





# আৱিষ্কাৰ কৰোঁ আহক


**নিপন পাংগিং**

**সহকাৰী অধ্যাপক**

**বুৰঞ্জী বিভাগ**


প্ৰায় সৰ্বত্ৰে আলোচিত হৈ থকা বিষয়বোৰৰ পুনৰাবৃত্তি কৰিব বিচৰা নাই। ভাবিছোঁ ক'ৰ পৰা আৰম্ভ কৰো। কোনটো বিষয়ক লৈ লিখোঁ। লকডাউন, নে ভ'কেল ফ'ৰ ল'কেল, সামাজিক দূৰত্ব নে আন্‌লকৰ পৰা আৰম্ভ কৰোঁ নে Unicef ৰ দ্বাৰা আয়োজিত Leading Minds- Corona Virus Children-Support for families নামৰ অন্‌লাইন আলোচনাচক্ৰত উপস্থিত থাকি আলোচনাত বিশেষ ভাৱে গুৰুত্ব দিয়া সামাজিক গুৰুত্ব (Social Protection)ৰ কথা কওঁ, পিচে য'ৰ পৰাই নকৰক লাগে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'সবার উপরে মানুষ সত্য, তাহার উপরে নাই' এইষাৰ - সদায় প্ৰাসংগিক হৈ আছে আৰু থাকিব। গতিকে, মানুহেই আমাৰ এই লেখাৰ মূল বিষয়।


লকডাউনৰ পূৰ্বে আমাৰ সময়ৰ বৰকৈ অভাৱ। জীৱনটোক এবাৰ বৈ চোৱাৰ, জীয়াই থকাৰ আনন্দখিনি ভগাই লোৱাৰ সময়ৰ অভাৱ। জীৱনটোক উপলব্ধি কৰিবলৈ যেন আহৰি নাই। আমি সকলো নিজ নিজ কাৰ্যত ব্যস্ত। সেই ব্যস্ততাত নাথাকে সামাজিক দায়বদ্ধতা, নাথাকে সততা কিম্বা নৈতিকতা। কিয়নো সেই ব্যস্ততা যে আমাৰ বাবে হৈ পৰিছে এক বোজা। এৰা, ব্যস্ততাৰ বোজা। সেই বোজাৰ পৰা নিজক মুক্ত কৰাৰ এক প্ৰতিযোগিতা আৰম্ভ

হয়। য'ৰ পৰা আৰম্ভ হয় এক সামাজিক বিশৃংখলতা। অশান্তিৰ বাতাৱৰণ। ফলত মানুহৰ মাজত নাথাকে কোনো আন্তৰিকতা। সেয়ে, হয়তো 'মানুহ' ক দুৰ্নামৰ পৰা ৰক্ষা কৰিবলৈ আমি দানৱ অথবা নৰপিশাচৰ নাম দিওঁ। কিন্তু নামৰ পৰিৱৰ্তনে জানো মানুহক মানৱীয় অনুভূতি ঘূৰাই দিব। ব্যস্ততাৰ বোজাই আপোনাক-মোক মানুহৰ পৰা যন্ত্ৰলৈ ৰূপান্তৰিত কৰিছে। চকু মুদি শান্তভাৱে উশাহটোও আমি ল'ব পৰা নাই। এৰা, সকলোৰে মূৰত একো একোটা বোজা। শিক্ষাৰ্থীৰ হ'মৱৰ্ক-নম্বৰৰ বোজা, কৃষকৰ দুৰ্যোগৰ বোজা, শ্ৰমিকৰ পেটৰ ভোক নিবাৰণ কৰাৰ বোজা, নিবনুৱাৰ চাকৰি বিচৰাৰ বোজা, শিল্পীৰ সৃষ্টিৰ বোজা, শিক্ষকৰ শিক্ষানুষ্ঠানৰ ফলাফলৰ বোজা, চাকৰি জীৱিৰ ফাইলৰ বোজা, সংবাদ মাধ্যমৰ টি. আৰ. পি.ৰ বোজা, ৰাজনীতিকৰ দলীয় বোজা আদিকে ধৰি মুঠতে সকলোৰে ওপৰত এক বোজা। পিচে, এইটোও সঁচা যে কিবা নহয় কিবা এটা বোজা থাকিবই। সেই বোজাই বিশৃংখলতা আনে কোনে আনতকৈ আগতে নমাব পাৰে তাক লৈ হোৱা অসুস্থ প্ৰতিযোগিতাৰ জৰিয়তেহে। সেই প্ৰতিযোগিতাই নিজৰ বোজাটোৰ বাদে আনৰ বোজাক অদেখা কৰি তোলে। ফলত পৰস্পৰৰ মাজত সহযোগিতা সম্ভৱ হৈ নুঠে। যাৰ ফলত সহযোগিতাৰে পৰস্পৰে পৰস্পৰৰ বোজা সহজতে আঁতৰ কৰাৰ কোনো পৰিৱেশ নাথাকে। বোজাৰ ভৰ ক্ৰমাৎ বেছি আৰু অসহনীয় হৈ পৰে যিয়ে নেকি মানুহৰ পৰা মনুষ্যত্ব লাহে লাহে লুপ্ত কৰি তোলে। মানুহে নিজৰ বাদে আনক নিচিনা হয়, নিজৰ বাদে আনক নেদেখা হয়। আৰু সেই মুহূৰ্তৰ পৰাই মানুহ গুচি দানৱ হয়। কিন্তু মানুহ জানো থমকি



ৰ'ব। নিজৰ পৰা আৰু কিমান লুকুৱাব, চৌদিশে যেন এতিয়া এক নীৰৱতা। মানুহক পুনৰ মানুহ কৰি তোলাৰ বাবেই যেন প্ৰকৃতিয়ে বাধ্যতামূলক নীৰৱতা প্ৰদান কৰিছে। কিন্তু হয়তো পাৰ হৈ যোৱা সময়, কাৰোবাৰ বাবে আপোনজনক হেৰুৱাই শেষ নোহোৱা বিষাদৰ ৰাতি, হয়তো কাৰোবাৰ বাবে এই সময় নিজক পুনৰ আৱিষ্কাৰ কৰাৰ সময়। হয়তো এই সময় জীৱনক চোৱাৰ সময়। উত্থান-পতনক সহজ ভাৱে লৈ জীৱনটোক নতুন গতি দিবলৈ সংকল্প লোৱাৰ সময়। জীৱনৰ প্ৰতি কিমান বিতৃষ্ণা জাগিলে আত্মহননৰ দৰে সিদ্ধান্ত লৈ জীৱনটোক শেষ কৰি দিয়া সকলৰ পৰা সমাজে শিকনি লৈ অভিভাৱকৰ দায়িত্ব লোৱাৰ সময়। কিমান আঘাত সহি সহি জীৱনৰ পৰা আঁতৰি যাব লগা হ'ল তাক জানি পুনৰ কাৰোকে তেনে আঘাত নিদিয়াৰ শপত লোৱাৰ সময় এয়া। সামাজিক সমতা, সামাজিক ন্যায়, সম্পদৰ সমবিতৰণ ব্যৱস্থা প্ৰতিষ্ঠা কৰাৰ সময় এয়া। সামাজিক দূৰত্বতকৈ সামাজিক সুৰক্ষা, সামাজিক চিন্তা-চৰ্চা, সামাজিক দায়বদ্ধতা আদিৰ দৰে শব্দক প্ৰাধান্য দিয়াৰ সময় এয়া। যুক্তি আৰু প্ৰমাণীকৰণক সাৰথি কৰি শান্তি-প্ৰগতিলৈ গতি কৰাৰ সময় এয়া।

প্ৰিয় মানুহ, আমি কেৱল অত্যাধুনিক যন্ত্ৰ-পাতি আৱিষ্কাৰতে সীমাবদ্ধ নাথাকি আমাৰ মাজত থকা মানৱীয় অনুভূতিক পুনৰাবিষ্কাৰ কৰোঁ আহক। সততা-সংস্কৃতিৰ লগতে আনজনৰ ওপৰত থকা বোজাক, নিজকে মানুহৰূপে চিনাকি দিব পৰা উপাদানৰ আৱিষ্কাৰক হওঁ আহক। চকু দুটা মুদি 'ইউৰেকা' বুলি এবাৰ কৈ চাওঁকচোন !



# মোৰ জীৱনৰ প্ৰথমখন ভাওনা

## বৰ্ণাশ্ৰী কোঁচ

প্ৰাক্ শংকৰী যুগৰ অসমৰ সমাজখন অজ্ঞানতা আৰু অন্ধবিশ্বাসে গ্ৰাস কৰি পেলাইছিল। তাৰ প্ৰমাণ অসমৰ সাংস্কৃতিক আৰু সামাজিক ইতিহাসৰ পৰাই পাব পাৰি। এচাম লোকৰ প্ৰৰোচনাত পৰি শাক্ত, শৈৱ আৰু তান্ত্ৰিকতাবাদে সামাজিক আৰু সাংস্কৃতিক দিশবোৰ ভাগ কৰি পেলাইছিল। ইয়াৰ মূলতঃ সেই সময়ত এটা শুদ্ধ ভক্তি ধৰ্মৰ অভাৱ। পঞ্চদশ-ষোড়শ শতিকাত মহাপুৰুষ শংকৰদেৱৰ নেতৃত্বত অসমত যি নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰম্ভ হয় তাৰ দ্বাৰা অসমৰ জাতীয় জীৱনত এক বৈপ্লৱিক পৰিৱৰ্তন ঘটিল। এই পৰিৱৰ্তনে অসমৰ ধৰ্ম, সমাজ, সাহিত্য কলা আদি বিষয়ত এক নতুন দিগন্তৰ সূচনা কৰিলে।

অসমৰ ভক্তি ধৰ্মৰ মূল গুৰি ধৰোঁতা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ। মহাপুৰুষজনাৰ প্ৰৱৰ্তিত এই ভক্তি ধৰ্মক নৱবৈষ্ণৱ ধৰ্ম বুলিও কোৱা হয়। "ভাওনা" মহাপুৰুষ জনাৰ অপূৰ্ব সৃষ্টিৰ ভিতৰত অন্যতম লেখত ল'বলগা অনুষ্ঠান। এই বিষয়ে অনেক জ্ঞানীলোকে অনেক ভাৱে আলোচনা দাঙি ধৰিছে। আমি এই ভাওনাৰ লগত জড়িত সঙ্গীত সম্বন্ধে যদি চিন্তা কৰি চাওঁ অঙ্কীয়া নাট, নাটক থলি যিহেতু নামঘৰ আৰু নাটৰ অভিনয়ৰ দ্বাৰা মঞ্চৰূপ দি দৰ্শকক যি ভগৱৎ ভক্তিমুখী কৰাৰ গুৰুজনাৰ অভিপ্ৰায়, ই অতি মহান কাম।

গতিকে তেনে এটা আদৰ্শক অনুপ্ৰাণিত হৈ মই ভাওনা কৰিবলৈ মন মেলিছিলোঁ।

ভাওনা একবিংশ শতিকাৰ আজিও গ্ৰাম্য তথা নগৰ অঞ্চলৰ আমোদজনক অনুষ্ঠান। আমাৰ ঘৰ লক্ষীমপুৰ জিলাৰ ঢকুৱাখনা মহকুমাৰ পৰা ৬/৭ কিঃমিঃ দূৰত্বত থকা ১ নং থেকেৰাগুৰি গাঁৱত। সৰুৰে পৰা আমাৰ ঘৰখনৰ সদস্যসকল ধৰ্মীয়, সাহিত্য-সংস্কৃতি আদিৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত হৈ থকা দেখা পাইছো। গতিকে ময়ো তাৰ ব্যতিক্ৰম নহয়। শংকৰদেৱ, মাধৱদেৱৰ তিথিৰ উপৰিও ধৰ্মীয় বহুতো কাৰ্যত অংশগ্ৰহণ কৰি আহিছোঁ। মোৰ দেউতা শ্ৰীযুত কেশৱ কোঁচ আৰু সমবয়সীয়া ভাই শ্ৰীমান বেদান্ত বিকাশ কোঁচ যেতিয়া জেঠ মাহৰ গধূলি প্ৰতিখন গাঁৱে-ভূঞে দবা, শংখ, মৃদং, খোল, বাজে আমাৰ গাঁৱৰ নামঘৰত চাকি বন্তিৰে পোহৰাই তুলি বৰ নামঘৰত ভাওনাৰ আখৰাৰ বাবে দুয়ো ঘৰৰ পৰা ওলাই গৈছিল, তেতিয়া, মোৰো মন যায়, এইখন সমাজত ভাওনা কৰি চোৱাৰ। ক্ৰমান্বয়ে দিনবোৰ বাগৰি গৈ আকৌ বছেৰেকীয়া ভাওনা, আগকৰা ভাওনা আদি বৰ নামঘৰত উদ্‌যাপন কৰা হয় তেতিয়া মোৰো বহুত মন যায় এবাৰলৈ হ'লেও ভাওনা কৰিবলৈ। কিন্তু আমাৰ গাঁৱৰ সমাজত বিগত ৩ টা বছৰৰ আগলৈকে কোনো নাৰীক ভাওনাত ভাও ল'বলৈ দিয়া নাছিল। আমাৰ সমাজৰ উচ্চ শিক্ষিত লোকসকলে সেই ভাৱধাৰা আঁতৰাই সকলো ক্ষেত্ৰতে যে নাৰী সমান আৰু নাৰীয়ে যে কোনো কাৰণতে অজলা বা অবলা নহয় তাকে প্ৰমাণ কৰি যোৱা, বছৰৰ পৰা চেমনীয়া শিশু সকলক ভাওনা প্ৰদৰ্শন কৰিবলৈ দিয়া হৈছিল।

শ্ৰীযুক্তা কাঞ্চনী বৰুৱাৰ বৰপুত্ৰ শ্ৰীমান দেৱজিৎ বৰুৱা আৰু তেওঁ সহধৰ্মিনী শ্ৰীমাতু বৰুৱা আৰু তেওঁলোকৰ সমূহ পৰিয়ালবৰ্গই উচৰ্গা কৰা "অৰুণাভ কুমাৰ নাথৰ" (মূল উৎস) "ভাগৱতৰ দশম স্কন্ধ বিপ্ৰ দামোদৰ আখ্যান দন্তবক্ৰৰ মুক্তি লাভ" নামৰ আগ কৰা ভাওনা খনত মোৰ সৌভাগ্য ক্ৰমে "সুশীলা" নামৰ মুখ্য চৰিত্ৰত অভিনয় কৰিবলৈ সুবিধা পালো।

কলেজ হোষ্টেলৰ পৰা মই পঞ্চম যান্মাসিকৰ দ্বিতীয় মূল্যায়ন পৰীক্ষাত বহিয়ে চূড়ান্ত পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে ঘৰতে থাকি পঢ়াৰ সিদ্ধান্ত ল'লো। তেতিয়া ইংৰাজী জানুৱাৰী মাহ "২০২২"। ২৪ জানুৱাৰী শুক্ৰবাৰৰ দিনা আবেলি আমাৰ ঘৰলৈ দেৱজিৎ খুৰাৰ সৰু ভায়েক কলিয়া দা (ভাল নাম সত্য বৰুৱা) আহিছিল। মায়ে আখল ঘৰত ব্যস্ত আছিল। তেওঁ ভিতৰলৈ সোমাই আহি মাক মোৰ কথা সুধিছিল, "সৰুমাই বাই (মাক সকলোৱে গাঁৱৰ সৰুমাই বুলিয়ে মাতে) আইজনী ঘৰত আছে নে? হোষ্টেলত আছে! তাইক এইবাৰ আমাৰ বৰ নামঘৰত অনুষ্ঠিত হ'ব লগা ভাওনাখনিত এটি ভাও দিয়াৰ কথা ভাবিছোঁ। শুনিছো, আগতে তাই হেনো ওচৰৰ স্কুল, কলেজ সমূহত সৰু সুৰা নাটকত অভিনয় কৰে? এইবাৰ ভাবিছো তাইৰ প্ৰতিভাবোৰক আমাৰ ৰাইজেও উপভোগ কৰক।" ইতিমধ্যে মা আৰু কলীয়া দাই পাতি থকা কথাখিনি মই কাষৰ কোঠালিৰ পৰা শুনি আছিলোঁ। বিশ্বাসেই কৰিব পৰা নাছিলোঁ যে সৰুৰে পৰা দেখি থকা সেই সপোনটি যে কলীয়া দাই আজিয়ে যে বাস্তৱ ৰূপ দিব। কথাখিনি শুনাৰ পাছত মই আনন্দত আত্মহাৰা হৈ পৰিছিলোঁ....। সেই আনন্দ এই মুহূৰ্তত মই ভাষাৰে বুজাব নোৱাৰিম। ক'ব নোৱাৰাকৈ মই ৰূমৰ পৰা ওলাই আহি আখল ঘৰত উপস্থিত হ'লো। মোক দেখি তেওঁ ক'লে আইজনী এইবাৰ তই আমাৰ নামঘৰত ভাও ল'ব লাগিব। তোক আমি এটি ভাও দিম বুলি আলোচনা কৰিছোঁ। তই কিন্তু ভাওনা খনিত ভাও ল'বই লাগিব। আমি সকলো তোৰ লগত থাকিম। মই যে, একে উশাহতে কয়ে পেলালো হ'ব কলীয়া দা, মই নিশ্চয় কৰিম।



জানুৱাৰী মাহৰ ৩১ তাৰিখৰ পৰা আমাৰ ভাওনাৰ আখৰা আৰম্ভ হয়। গধূলি গা-ধুই গোঁসাই ঘৰত চাকি বন্তি জ্বলাই, নামঘৰত দবা, শংখ বজোৱাৰ পাছতে সন্ধিয়া ৬-৩০ বজাৰ পৰা ৯.০০ বজালৈ বৰ নামঘৰত প্রতিদিনে আখৰা আৰম্ভ হয়। আখৰা আৰম্ভৰ আগমুহূৰ্তত সকলো ভাওৰীয়া নামঘৰত নিৰ্দিষ্ট সময়ত একত্রিত হয়, আৰু এফাঁকি প্রার্থনাৰে নাটখনিৰ শুভাৰম্ভ কৰা হয়। ভাওনাৰ ধৰ্মীয় পৰম্পৰা আৰম্ভ হয় গাঁচি খোলা বা নাট মেলা পৰ্বৰে। মাহ-প্ৰসাদেৰে থাপনাত সেৱা জনাই পৰিৱেশনৰ বাবে নিৰ্ধাৰণ কৰা নাটৰ আনুষ্ঠানিক আখৰাৰ আৰম্ভণি এই অনুষ্ঠানেৰে সূচিত হয়। প্রথম দিনা চৰিত্র সমূহ সকলোকে বিতৰণ কৰি দিয়াৰ লগতে তেওঁলোকক চৰিত্রৰ বচন বা বকলা সমূহ বিলাই দিয়া হয়।

আখৰাৰ বাবে নামঘৰলৈ মোক অনা নিয়া কৰিছিল সদায় মায়ে। তেওঁ নিজৰ কাম-বন ক্ষতি কৰি মোৰ লগতে ভাওনাৰ মজিয়াত বহি আখৰা চাইছিল। আখৰাৰ সময়ত মোৰ মাতটো অলপ সৰুকৈ ওলোৱাৰ বাবে গাঁৱৰ বয়োজেষ্ঠ লোক সকলে অলপ টান কৈ কৈছিল যদিও পাছলৈ সম্পূৰ্ণ ঠিক হৈছিল। ভাও আখৰাৰ বাবে কোনো প্রশিক্ষক অহা নাছিল। শিকাবলৈ তথাপিও আমাৰ শ্ৰেষ্ঠ নাট্যকাৰ গাঁওখনৰ ভিতৰৰ কলীয়া দা (সত্য বৰুৱা) কে আদি কৰি ৰাজেন কোঁচ আৰু বিশিষ্ট দুই এজনে কেনেদৰে কৰিব লাগে শিকাই দিছিল। মোৰ পঞ্চম যান্মাষিকৰ চূড়ান্ত পৰীক্ষা ফেব্রুৱাৰী মাহৰ ২৩ তাৰিখৰ পৰা অনুষ্ঠিত হোৱাত হোষ্টেল আহিব লগা হৈছিল। প্রায় ১১ দিনমান হে ভালদৰে আখৰা কৰিবলৈ সুবিধা পাইছিলো। পৰীক্ষাৰ শেষ কৰি ভাওনাৰ আগত মাত্র ৪ দিন মই ভালকৈ কৰিবলৈ সময় পাইছিলোঁ। আখৰাৰ শেষ দিনা 'বৰ আখৰা' বুলি কোৱা হয়। সেইদিনা মোৰ খুব ভয় লাগিছিল। জানোচা ক'ৰবাত কিবা ভুল হয়হু জানোচা মই পাহৰিয়ে থাকিম। ভয়তে মোৰ হাত কঁপিব ধৰিছিল। আমাক আখৰা শিকোৱা কলিয়া দা




(সত্য বৰুৱা) ৰ লগতে গাঁৱৰ জ্যেষ্ঠ গন্য-মান্য ব্যক্তি সকলোৱে মোক উৎসাহ যোগাইছিল। লগতে মোৰ সহপাঠী বিউতি, ভাস্কৰ, ভলোকা (প্ৰাণজিৎ), মুনুকন দাস ইত্যাদি ইত্যাদি সকলোৱে। আখৰাৰ শেষত এভাগ শৰাই-শলিতা দি মাহ-প্ৰসাদেৰে নামঘৰত প্রার্থনা জনোৱা হয়। গায়ন-বায়ন, সূত্ৰধাৰ আৰু শ্ৰীকৃষ্ণৰ ভাও লোৱা প্ৰায় ভাৱৰীয়া সকলৰ লগতে ময়ো গৃহস্থৰ লগতে সকলোৱে সুকলমে যাতে ভাওনাখন পাৰ হৈ যায় তাৰ বাবে ভগৱানৰ শ্ৰীচৰণত সেৱা জনাইছিলো।

ভাওনা দিনা অৰ্থাৎ ইংৰাজী মাৰ্চ মাহৰ ৯ তাৰিখে নামঘৰত এটি পবিত্র অনুষ্ঠানৰূপে পালন কৰাৰ পাছত, মাহ-প্রসাদ আৰু লঘু আহাৰ গ্রহণ কৰি মই ৰাতিৰ বাবে সাজু হ'লো। গধূলি ৬.৩০ বজাত নামঘৰত উপস্থিত হৈ সেৱা কৰি চ'ৰা ঘৰৰ নাটৰ চৰিত্র অনুসৰি ভাৱৰীয়া সকলক বাছনি কৰি দিয়া সাজ পোচাক পৰিধান কৰিবৰ বাবে গ'লো। নামঘৰৰ দৰে পবিত্র স্থানত এটি মুখ্য চৰিত্ৰত অংশ গ্ৰহণ কৰিবলৈ, কেইবাখনো গাঁৱৰ গাঁওবাসীৰ মাজত ভাওনা প্রদর্শন কৰিবলৈ মই নিজকে সাজু কৰি, সম্পূৰ্ণ প্ৰস্তুতিৰে সৈতে নামঘৰৰ মজিয়াত উপস্থিত হৈছিলোঁ।

"বিপ্ৰ দামোদৰ আখ্যান দন্তবক্ৰৰ মুক্তি লাভ" এই নাটক খনৰ সৰ্বমুঠ চৰিত্র আছিল ১৭ টা। তাৰে মোক ভাগত ল'বলৈ কোৱা হৈছিল সুশীলা নামৰ চৰিত্ৰটো। জগতৰ পতি অগতিৰ গতি শ্ৰীকৃষ্ণৰ বাল্যবন্ধু পৰম মিত্ৰ সুদামাৰ পত্নী সুশীলা চৰিত্ৰটো অত্যন্ত দুখ-যন্ত্রণাৰে জৰ্জৰিত জীৱন অধ্যায়। চৰিত্ৰটোৰ মাজেৰে নাটকখন ফুটাই তুলিব লাগিছিল বা ফুটাই দেখুৱাব লগা হৈছিল এনেদৰে। যিহেতু শ্ৰীকৃষ্ণ আৰু সুদামা বাল্যকালৰ পৰাই পৰম মিত্ৰতা আৰু দুয়ো সন্দিপুনিৰ গুৰুৰ গৃহত থাকি শিক্ষা লাভ কৰাৰ কথা সুদামাৰ দ্বাৰাই ফুটাই তোলা হৈছিল। সুদামা এজন

দৰিদ্ৰ ব্ৰাহ্মণ আৰু শ্ৰীকৃষ্ণৰ মহা ভক্ত আছিল। তেওঁ মায়াময় সংসাৰৰ অনেক দুখ-যন্ত্ৰনাৰে বসবাস কৰিব লগা হৈছিল এটা সৰু ভগা পঁজাত। খুজি-মাগি যি পাই তাৰে ক্ষুধা নিবাৰণ কৰিব লগা হয় আৰু মাত্ৰ তেওঁ একান্ত মনে শ্ৰীকৃষ্ণৰ নাম লৈছিল। সেয়ে সুশীলাই যেতিয়া সুদামাক ভিক্ষা খুজি শুদাহাতেৰে অহা দেখে তেতিয়া সন্তানৰ ক্ষুধাতুৰ মুখ দেখি চকুৰ পানীৰে গংগাজল উথলি উঠে। তেনে পৰিস্থিতিত সুদামাই পত্নী সুশীলাক অনেক বুজনি দিয়ে যদিও পত্নী সুশীলা যেন আজি অবুজ। পত্নী সুশীলাই আজি সুদামাক সুঁৱৰাই থাকে যে, ক্ষুধা নিবাৰণ কৰিবৰ বাবে অন্ন নাই, পৰিধান কৰিবৰ বাবে বস্ত্ৰ নাই, পত্নীৰ এই অলপমান সুখ, অলপমান শান্তি আশা কৰি যি ক্ৰন্দন হয় অহৰ্নিশে। সেয়ে স্বামী সুদামাই এটা শেঁতা হাঁহি মাৰি দুখৰ পাচতে সুখ আহে, দুখ নাথাকিলে থাকিব জানো সুখৰ কিবা অৰ্থ? সংসাৰৰ সকলো জীৱই পূৰ্বজন্মৰ ফল ভোগ কৰিবই লাগে। তাকে পুনৰ এবাৰ পত্নী সুশীলাক সুঁৱৰাই ভিক্ষা মাগিবৰ বাবে গুচি যায়।

শ্ৰীকৃষ্ণই সুদামাক লগ পাবৰ বাবে বহুতো নতুন নতুন পৰীক্ষা, বিভিন্ন লীলাৰ পাতনি মেলে। মোৰ দ্বিতীয় দৃশ্যটো আছিল- ভিক্ষাৰ বাবে ওলাই যোৱা স্বামী সুদামা বহুপৰ ঘৰলৈ উলটি নহাত আকৌ অনাহাৰে থাকিব লাগিব বুলি তেওঁ শ্ৰীকৃষ্ণক দুখ মনেৰে কাকুতি-মিনতি কৰিবলৈ ধৰিলে। তেনেতে ভিক্ষাৰ পাত্ৰ লৈ হঠাৎ শুদাহাতেৰে ঘূৰি অহা সুদামাৰ মুখ খনলৈ চাই তেওঁৰ যেন সৰগখন ভাঙি পৰা দৰেই অস্থিৰ হৈ ৰৈ যায়। বিষণ্ণ মন আৰু বিষাদেৰে সুশীলালৈ দৃষ্টি নিক্ষেপ কৰি তেওঁ কয়,- উত্তৰ দিশত ভিক্ষা বিচাৰি যাওঁতে এঘৰত উৎসৱ পাতিছিল তাত তেওঁক সুস্বাদু ক্ষীৰ খাবলৈ দিয়াত সন্তান



আৰু পত্নীৰ কথা ভাবি ঘৰলৈ ৰাওনা হওঁতেই এজন পথিকৰ আঘাত হোৱাত সকলো অন্ন, চিন্ন-ভিন্ন হৈ মাটিত বিলীন হয়। সুশীলাৰ যেন ধৈৰ্য সীমা হেৰাই গৈছে। তাই আউলি-বাউলি হৈ কৃষ্ণক দোষাৰূপ কৰি কান্দিবলৈ ধৰে। শান্ত কৰিবলৈ অনেক বুজনি দিয়ে যদিও সুদামা বিফল। সুশীলাই দ্বাৰকাপতি শ্ৰীকৃষ্ণৰ বাল্যবন্ধু সুদামাক দ্বাৰকালৈ গৈ এবাৰ সাক্ষাত কৰিবৰ বাবে অনুৰোধ কৰিবলৈ ধৰিলে। তেওঁ পত্নী সুশীলাক মিছাতেই ৰোষ নকৰিবা কৃষ্ণৰ প্ৰতি, নিষ্ঠুৰ নিয়তি আৰু নিদাৰুণ ভাগ্যৰ পৰিহাসত ভুঞ্জিছো দুখ-যান্ত্ৰণা আমি বুলি বুজাই দিয়ে। প্ৰভুৰ পৰীক্ষাত উত্তীৰ্ণ হ'লেই আমাৰ দুখৰ অন্ত পৰিব বুলি ধৈৰ্য ধৰিবলৈ বুজনি দিয়ে। কিন্তু সুশীলাই কাকুতি-মিনতি কৰি তেওঁক দুখৰ কথা কৃষ্ণক ক'বৰ বাবে পঠায়। কিন্তু সুদামাই স্বাৰ্থৰ বশীভূত হৈ কৃষ্ণৰ পৰা দান ভিক্ষা কৰিব নোৱাৰো কদাপি, তেওঁৰ মই ভক্ত, ক্ষুদ্ৰ স্বাৰ্থৰ লালসাত পৰি দানভিক্ষা কৰি মিত্ৰৰ সন্মুখত আত্মসন্মান জলাঞ্জলি দিব নোৱাৰো বুলি তেওঁ অনেক আসোঁৱাহ কৰিছিল পত্নীৰ ওচৰত। পাচত অনেক অনুৰোধৰ অন্তত তেওঁ শ্ৰীকৃষ্ণৰ ওচৰলৈ যাবৰ বাবে মান্তি হয়।

তৃতীয় দৃশ্যটোত অত্যন্ত দুখ আৰু লগতে সুখৰ এক দৃশ্য আছিল। য'ত আছিল এক আশাৰ উমি উমি জ্বলাৰ পোহৰ। সুশীলাই সুদামাক দ্বাৰকালৈ যাবৰ বাবে আগবঢ়াবলৈ আহে। যোৱাৰ সময়ত সুদামাই পত্নী সুশীলাৰ লগতে তেওঁলোকৰ সন্তানক উদ্দেশ্য বহুতো বুজনি দিয়ে। যাবৰ সময়ত বন্ধু শ্ৰীকৃষ্ণৰ বাবে এমুঠি চাউল আৰু এমুঠি চিৰা টোপোলা কৰি স্বামীৰ হাতত অৰ্পণ কৰে। সেই মুঠি চাউল দ্বাৰকাপতিক দিবলৈ মিত্ৰ সুদামাই অস্বীকাৰ কৰে। সুশীলাই কয়,- 'দৰিদ্ৰ ভিক্ষুক হ'লেও কাৰোবাৰ গৃহলৈ গ'লে শুদাহাতে যাব নালাগে।" শেষত দুয়ো নিজৰ নিজৰ লক্ষ্যৰ ফালে প্ৰস্থান হয়।

নাটকখনৰ সকলোতকৈ মোৰ মন চুই যোৱা দৃশ্যটো হ'ল এই আমাৰ তৃতীয়

দৃশ্যটো আৰু পৰম মিত্ৰ সুদামা আৰু শ্ৰীকৃষ্ণৰ মিলন। মিত্ৰলৈ বুলি লুকুৱাই থোৱা চাউলৰ টোপোলাটো কৃষ্ণই থাপমাৰি নি এমুঠি চাউল খায় পেলায়। দ্বিতীয় মুঠি খাবলৈ লওঁতেই ৰুক্মিণীয়ে কৃষ্ণৰ হাতত ধৰি মৃদু স্বৰত কাণৰ কাষলৈ গৈ কোৱা কথাবোৰ আজিও মনত বাজি থাকে।

আনহাতে, ৰুক্মিণীৰ স্বয়ম্বৰত যদুপতি কৃষ্ণৰ হাতত অসুৰ গণে পোৱা অপমানৰ প্ৰতিশোধ লোৱাৰ বাবেই শাল্ব, দন্তবক্ৰ আদি দৈত্যই ভীষণ যুদ্ধ কৰে। যুদ্ধত দৈত্যৰ মৃত্যু হয়।

যিহেতু মই দৰিদ্ৰ ব্ৰাহ্মণৰ পত্নী সুশীলা ভাওৰ চৰিত্ৰত আছিলো। গতিকে, পৰিধান কৰিবৰ বাবে মোক এখন মুগা ৰঙৰ মলিয়ন মেখেলা, এটা বগা ব্লাউজ আৰু এখন মলিয়ন ফটা চাদৰ দিছিল। যেতিয়া মোৰ মুখ মণ্ডলত মিশ্ৰিত ৰঙৰ অনুলেপন সানি দিছিল আৰু কাপোৰ সাজ পিন্ধাই দিছিল কিবা যেন এক বুজাব নোৱাৰা দুখে বুকুখনত খুন্দা মাৰি ধৰিছিল। যেন সেই সুখবোৰ মোৰ চকুৰ পানীৰে বৈ আহি 'চোঁঘৰত' পৰিবহি। মোক কাপোৰ পিন্ধাত সহায় কৰি আছিল মোৰ মৰমৰ ভাইটোৱে। নামঘৰৰ ভিতৰত গায়ন-বায়নৰ শব্দৰে চৌপাশ মুখৰিত হৈ পৰিছিল। সেই সময়ত বাহিৰত ভাওনা চাবলৈ হিলদল ভাঙি মানুহৰ সমাগম ঘটিছিল। এক উখল-মাখল পৰিবেশৰ সৃষ্টি হৈছিল। বহুতো শুভাকাংক্ষীয়ে ইতিমধ্যে মোৰ ফটো তুলিছেহি। লগতে সকলোৱে শুভেচ্ছা জনাইছে। মাজে মাজে মায়ে আহি সাহস দিয়াৰ লগতে অলপমান গৰম পানীও যতনাই থৈ যাইহি।

ভাওনা খন উদ্বোধন কৰিবলৈ আহিছিল "হাৰ্হি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান বিষয়ৰ শিক্ষক তথা মোৰ পূজনীয় শিক্ষাগুৰু শ্ৰীযুত থানেশ্বৰ বড়া দেব ছাৰ। ছাৰে সুন্দৰভাৱে এক গুৰুজনাৰ ওপৰত ভা  ষণ প্ৰদান কৰে, আৰু এটি ঘোষাৰে সমাপ্তি কৰে। দেৱজিৎ খুৰাৰ পৰিয়ালৰ সেৱাৰে আৰু ৰাইজৰ মংগল উৰুলিৰে ভাওনাখন শুভাৰম্ভণি হয়। সূত্ৰকে আদি কৰি কৃষ্ণ (হৰিমিশ্ৰ দাস) নাৰায়ণ (পাপু) ৰুক্মিণী (বিউতি) ইত্যাদি বহুতো চৰিত্ৰ ইতিমধ্যে ভাও কৰিছোঁ। মোৰ প্ৰৱেশ আছিল ৭ নম্বৰত। মই ভয়ে ভয়ে 'চোঁ-ঘৰ বা সেউজ ঘৰ'ৰ পৰা ওলাই আহি প্ৰৱেশ দ্বাৰত ৰ'লোহি। লগে লগে প্ৰৱেশৰ গীত বাজি উঠিল..

(ৰাগ - ধনশ্ৰী, তাল - একতাল)
"প্ৰৱেশয় সভা মাজে বিপ্ৰ দামোদৰৰ পত্নী।
সুশীলা নামক তান পত্নী বিষাদিত মন।।
কৃষ্ণৰ ভকত ইটো-বৈষ্ণৱ মহান।
ৰাম হৰি ৰাম হৰি বোলা সৰ্বজন।।"

ভাওনা প্ৰদৰ্শনৰ বাবে নামঘৰৰ মাজ-মজিয়াত সুশীলা চৰিত্ৰটোৰ মাজলৈ সোমাই পৰিছিলোঁ। নামঘৰত ভাওনা উপভোগ কৰি থকা এনে কোনো এজন লোক নাছিল যি জনৰ চকুৰে এটুপি চকুলো বৈ অহা নাছিল। গাঁৱৰ প্ৰতিজন সদস্যৰ আশীৰ্বাদ মূৰত লৈ মই আৰম্ভ কৰিছিলো এযাৰি-দুশাৰীকৈ বচন। যিমান পাৰোঁ মই ৰাইজক মুগ্ধ কৰিবলৈ মনে প্ৰাণে চেষ্টা কৰিছিলোঁ। কষ্টৰ ফল পাবলৈ সক্ষম হৈছিলো প্ৰতিজন ভাৱৰীয়াই। ওচৰৰ প্ৰতিখন গাঁৱৰ লগতে আলহী হিচাপে চাবলৈ অহা মাজুলী, ঢকুৱাখনা, জীয়ামৰীয়া, ঘিলামৰা, লখিমপুৰ আদি ঠাইৰ মানুহেও আমাৰ ভাওনা দেখি বাঃ বাঃ দিছিল। লগতে, মোৰ ভাওত মুগ্ধ হৈ কেইবাজনো লোকে মোক পুৰস্কৃত কৰিছিল। সেই সময় খিনি এক বুজাব নোৱাৰা আনন্দ আছিল।

ভাওনাৰ শেষত নাট সামৰণিৰে ভাওনাৰ সমস্ত পৰ্বৰ সমাপ্তি ঘটোৱা হয়। ভাওনাৰ তৃতীয় ৰাতি এই সামৰণি অনুষ্ঠান পতা হয়। সেইদিনা, সেই সময়তো গায়ন-বায়ন, ভাৱৰীয়া সকলোৱে শৰাই-শলিতা আগবঢ়াই নাটৰ আগপিছ, বুঢ়া-টুটা দোষ মৰিষণৰ কাৰণে ভগৱানৰ ওচৰত সেৱা জনায়। "মুক্তি মঙ্গল ভটিমানে" পুৱতি নিশা নামঘৰ মুখৰিত হৈছিল-

"নমো নমো নাৰায়ণ জগত কাৰণ..
ব্ৰহ্মাহাৰে সেৱা কৰে যাহাৰ চৰণ
মুকুত সকলে সদা যাৰ গুণ গাই...।"

মোৰ এই লেখনিৰ শেষত, নিজৰ অভিজ্ঞতাৰ পৰা এটা কথাই ক'ব পাৰো যে, বিজ্ঞানৰ যুগত মহিলা সকলে পুৰুষৰ সমানে স্থান অধিকাৰ কৰি অহাৰ লগতে সংস্কৃতি জীয়াই ৰাখিব পৰাকৈ, মহিলা সকলক উৎসাহ দিব পৰাকৈ মোক এখন বহল সমাজলৈ উলিয়াই অনাত মুখ্য ভূমিকা গ্ৰহণ কৰা মোৰ মা, দেউতা, মৰমৰ ভাইটি বাবলু, যি হোষ্টেলৰ পৰা আহি মোক ঘৰত ভাওনাৰ আখৰা শিকাইছিস, তাৰ পাচতে কলীয়া দাস, ৰাজেন দা, মিণ্টু দা, ৰাজু দা ৰ সমৰ্থনত এখোজ আগবাঢ়ি যাবলৈ মোক যি উৎসাহ, প্ৰেৰণা যোগালে তাৰ বাবে আজি মই ইয়াৰ যোগেদি পুনৰ বাৰ ধন্যবাদ জনাইছোঁ। আৰু তেওঁলোকৰ লগতে মোৰ গাঁৱৰ প্ৰতিজন সদস্য আৰু শুভাকাংক্ষী সকলৰ ওচৰত সদায় ঋণী হৈ ৰ'ম। পুৰুষৰ সমানে সমানে মহিলা যে আগবাঢ়ি গৈছে তাকে দেখুওৱাৰ পাৰি এজনী শিক্ষিত যুৱতী হৈ বা অসমৰ এগৰাকী যুৱতী হিচাপে মই এনে এখন বৰ সমাজত স্থান পাবলৈ সক্ষম হৈ বা নিজৰ গাঁও খনৰ লগতে অসমীয়া সমাজৰ, নাৰী সমাজত এটা মুখ্য স্থান লাভ কৰিবলৈ পাই নিজকে সমাজখনৰ মাজত মূৰ দাঙি থিয় হ'বলৈ পাই গৌৰৱ অনুভৱ কৰিছোঁ। সেই নিৰ্দিষ্ট দিনটো মোৰ জীৱনৰ মানস পটত চিৰদিন সজীৱ হৈ ৰ'ব।



# স্মৃতিৰ এটি পৃষ্ঠা... এল জি চিৰ বুকুত

চয়নিকা বৰ্মন


সময়ৰ কাঁটাডাল ঘূৰিয়ে থাকিব, ৰৈ যাব মাথো স্মৃতি। ডায়েৰীৰ পৃষ্ঠাবোৰ সজীৱ কৰি ৰাখিব তিতা মিঠা এসোপামান ঘটনাই আৰু আমিবোৰ হৈ পৰিম ব্যস্ত পথৰ একোজন যাত্ৰী। এই যে এল জি চিৰ বুকুৰ মাজত পাৰ কৰিলো ৩ টা বছৰ হয়তু এই তিনিটা বছৰে মোক জীৱনটোৰ সৈতে নতুনকৈয়ে পৰিচয় কৰাই দিলে। ভাবিবলে গ'লে বহু কথাই দোলনি দি যায় কিন্তু সেইবোৰ সামৰিব পৰাকৈ যে শব্দৰ অভাৱ।

সৰুৰ পৰাই মনত এটা হেপাঁহ পুহি ৰাখিছিলো যে ঘৰৰ পৰা দূৰত পঢ়িম। লাহে লাহে হেপাঁহটো পূৰণ হ'ল এড্‌মিছন পালো লখিমপুৰ বালিকা মহাবিদ্যালয়ত আৰু থাকিম মহাবিদ্যালয় ছাত্ৰী নিবাসত। এই যে হেপাঁহটো আছিল ঘৰৰ পৰা দূৰত পঢ়াৰ মনলে এবাৰো অহা নাছিল যে দূৰত পঢ়িলে ঘৰৰ পৰা দূৰত থাকিবও লাগে। নিৰ্দিষ্ট দিনটোত আহি পালো হোষ্টেল। মাই কৈছিল মই যাওঁ, তই ভালদৰে থাকি পঢ়া-শুনা কৰিবি, তেতিয়াহে বুকুৰ কিজানি ভিতৰখন কঁপি উঠিছিল, মনলৈ আহিছিল যে মাই এতিয়া মোক অকলশৰে থৈ যাব ইয়াত। মা গ'লগৈ মোক এখন অচিনাকী পৃথিৱীত এৰি। সেইদিনা ৰাতিলৈ আকৌ ধুমুহা আহিছিল আৰু মই বতাহ-ধুমুহালৈ কিমান ভয় কৰিছিলো কিন্তু সেই সময়ত যদি মা মোৰ সৈতে নাথাকে তেতিয়া মই বহুত কান্দিছিলো আৰু সেইদিনা মাই মোক এৰি যোৱা দুখটো আছিলেই আকৌ এই বতাহ-ধুমুহাজাক! সকলোৰে যেন যিমান পাৰে মোক ঘৰলৈ মনত পেলোৱাবলৈ সাজু। গোটেই ৰাতিটো বহুত কান্দিলো। সকলোৰে বুজনীত লাহে লাহে ময়ো ঘৰৰ কথা মনত পেলাই কান্দিব এৰিলো। লাহে লাহে কলেজ আৰম্ভ হ'ল মই ব্যস্ত হৈ পৰিলো মোৰ সপোনৰ যাত্ৰাত কিন্তু এইটো সঁচা যে



প্ৰত্যেকটো শনিবাৰতেই মোৰ এপ্লিকেচন থাকিবই ঘৰ যাবৰ বাবে, দেওবাৰটো ঘৰত থাকি সোমবাৰে আকৌ ক্লাছ পোৱাকৈ গুছি আহিছিলো। দিনবোৰ এনেকৈয়ে পাৰ হৈছিল। বহুত নতুন নতুন বন্ধু লগ পালো তাৰে কিছুমান মুখা পিন্ধাও আছিল। লাহে লাহে স্বাভাৱিক হ'ব ধৰিলে সকলোবোৰ। লগ পোৱা নতুন মানুহবোৰৰ সান্নিধ্যত মোৰ ঘৰলৈ অহা যোৱা কৰাটোও কমি আহিল। এল জি চিৰ বুকুত যেন মই মাৰ বুকুৰ ওম বিচাৰি পালো। এল জি চিৰ প্ৰতিটো হাঁহি, প্ৰতিটো চিঞৰ প্ৰত্যেক জোপা গছৰ পাতৰ লগত যেন মোৰ আবেগ জড়িত হৈ পৰিল আৰু এল.জি. চিয়ে মোক এটা পৰিচয় দিলে, হাজাৰজনী ছোৱালীৰ সাতোৰঙী সপোনবোৰ পূৰণ কৰাৰ এটা দায়িত্ব দিলে। ইমান ডাঙৰ এটা দায়িত্ব পালন কৰিবলৈ মই কিমান দূৰ যোগ্য আছিলো সেয়া মই নাজানো কিন্তু মই মোৰ দায়িত্বৰ সফল ৰূপায়নৰ সদায় চেষ্টা কৰিছিলো কিন্তু তাৰ মাজতেই আহিল মানৱধ্বংসী কৰোণা আৰু আমিবোৰ ঘৰৰ চাৰিবেৰৰ মাজত আবদ্ধ হৈ পৰিলো। কাপোৰ কানি পিন্ধি ঘৰলৈ যাওঁতে এবাৰো ভবা নাছিলো যে ইমান দিনৰ বাবে যাবগৈ লাগিব বুলি। ঘৰত কটোৱা সেই দিনকেইটাত বুজি উঠিছিলো যে হোষ্টেলৰ চাৰিবেৰৰ মাজতেই আচলতে মই মোক বিচাৰি পাইছিলো। দিনবোৰ বাঢ়ি গৈ থাকিল লগতে কৰোণাৰ সংক্ৰমনো। হোষ্টেলৰ পৰা গৈ আকৌ ঘৰখনত নিজকে নতুনকৈ খাপ খুৱাব লগীয়া হৈছিল। অৱশেষত যেনিবা আহিব পালো এল জি চিৰ বাকৰিলৈ পিছে কাপোৰ কানি বান্ধি আকৌ উভতিব লগীয়া হ'ল কেইদিনমানতেই। এইবাৰ কিন্তু কম দিনৰ ভিতৰতে ঘৰৰ পৰা আহিব পালো। কৰোণা একেবাৰে শেষ নহ'লেও ল'বলগীয়া সাৱধানতাবোৰেৰে আৰম্ভ কৰিছিলো কলেজৰ ক্লাচবোৰ। তাৰপাছত লাহে লাহে স্বাভাৱিক জীৱন এটাৰ গঢ় দিব ধৰিছিলোহে এতিয়া আকৌ এই আপোন মহাবিদ্যালয়খনক এৰিবৰে দিন পালেহি। শিক্ষাগত অৰ্হতা কিমান ল'ব পাৰিলো সেয়া পৰীক্ষাৰ নম্বৰে নিৰ্ণয় কৰিব কিন্তু অনাগত দিনবোৰত বহল এখন সমাজৰ খোজত খোজ মিলাব পৰাকৈ যে এই তিনিটা বছৰত মানসিক ভাৱে সবল হ'লো সেয়া মই মুখ খুলি ক'ব পাৰো। ঘৰখনৰ আলসুৱাজনী হৈ আহিছিলো আৰু এসোপামান ভাল লগাৰ সৈতে সাহসীজনী হৈ ওলাই যাব ওলাইছো। এল জি চিৰ বুকুত কটোৱা এই তিনিটা বছৰ সজীৱ হৈ থাকিব সদায় মোৰ জীৱন ডায়েৰীৰ মধুময় পৃষ্ঠাবোৰত। বিৰিখে পাত সলোৱাৰ দৰে আৰু কিছুদিনৰ পাছতেই এল জি চিৰ বুকুত হাঁহিব এজাক নতুন মুখে। এল জি চিৰ হাঁহিবোৰ চিঞৰবোৰ আৰু প্ৰত্যেকজোপা গছৰ পাতবোৰ হৈ পৰিব এজাক নতুন মুখৰ আৱেগ।






# অনুভৱ মোৰ দৃষ্টিৰে...

## খ্যাতিশ্ৰী হাজৰিকা

মানুহ গতিশীল প্ৰাণী। গতিশীলতাই মানুহৰ মনলৈ অনাবিল সুখ আৰু প্ৰশান্তি কঢ়িয়াই আনে। সৰুৰে পৰাই মই ফুৰি খুউব ভালপাওঁ। কিন্তু এইবাৰৰ যাত্ৰাই আমাক এক নতুন সোৱাদ দিছিল। লকডাউনৰ কাৰণে প্ৰায় দুবছৰ ঘৰত আৱদ্ধ থকাৰ পিছত হঠাৎ আমাৰ সকলোৰে অৰ্থাৎ পঞ্চম ষান্মাসিকৰ ছোৱালীবোৰৰ মনলৈ ফুৰিবলৈ যোৱাৰ কথা আহিল। পিছত সকলোৰে সিদ্ধান্ত ল'লো যে আমি 'কাজিৰঙা' চাবলৈ যাম। লগে লগে আমি আমাৰ সিদ্ধান্ত ছাৰ-বাইদেউসকলক জনালোঁ। তেওঁলোকে সন্মতি প্ৰদান কৰাৰ লগে লগে আমাৰ গা সাতখন আঠখন কৰিবলৈ ধৰিলে। এখন মিটিং পাতি আমি ২৭ জনী ছোৱালীৰ লগতে ছাৰ বাইদেউ মুঠ ৩০ জন যাত্ৰী যোৱাটো ঠিক কৰা হ'ল আৰু দিন ধাৰ্য কৰা হ'ল নৱবৰ্ষৰ পহিলাতে অৰ্থাৎ ৩ জানুৱাৰীৰ দিনা।

প্ৰায় ২৫ তাৰিখ মানৰ পৰা যেন আমাৰ দিন ৰাতি নাযায় নুপুৱায় লাগিবলৈ ধৰিলে। অৱশেষত সেই বিশেষ দিনটোত অৰ্থাৎ ৩ জানুৱাৰীত আমাৰ যাত্ৰাৰ আৰম্ভণি হ'ল। নতুন হেঁপাহ, নজনাক জনাৰ ইচ্ছাৰে, নেদেখাক দেখাৰ ইচ্ছাৰে আমি সকলো মহাবিদ্যালয় চৌহদত গোট খালো। গাড়ী অহাৰ লগে লগে আমি সকলোৰে নিজৰ নিজৰ যাৱতীয় সা-সামগ্ৰী লৈ নিজ নিজ চিটত বহিলো আৰু নেদেখাজনৰ ওচৰত সেৱা জনাই পুৱা ৬.০০ বজাত বিদ্যালয়ৰ চৌহদৰ পৰা যাত্ৰা আৰম্ভ কৰিলো। আমি প্ৰায় ৮.০০ মান বজাত ধেমাজি পালো আৰু সকলোৰে পুৱাৰ আহাৰ গ্ৰহণ কৰিলো। তাৰ পৰা আকৌ আমাৰ যাত্ৰা আৰম্ভ হ'ল

আৰু ৯.০০ মান বজাত বগীবিল দলঙত উঠিলোগৈ। কিছু সময়ৰ পিছতে গাড়ীত গান বাজিবলৈ আৰম্ভ কৰাত আৰু সকলোৱে নাচি বাগি স্ফূৰ্তি কৰি কৰি প্ৰায় ১২.০০ মান বজাত আমি ঐতিহাসিক আহোম ৰাজধানী শিৱসাগৰ পালোগৈ। ক'ভিড প্ৰট'কলৰ বাবে আমি শিৱদৌলৰ ভিতৰত সোমোৱাৰ সুযোগ হেৰুৱালো যাৰ বাবে আমাৰ মনটো সেমেকি উঠিছিল যদিও ৰংঘৰত সোমোৱাৰ লগে লগে আমি সকলোৱে সেই দুখ পাহৰি গ'লো। সকলোৱে ৰংঘৰ নিৰীক্ষণ কৰি ফটো উঠিলো। তাৰ পৰা ওলাই অহাৰ পিছতেই আমি পুনৰ আকৌ আমাৰ যাত্ৰা আৰম্ভ কৰিলোঁ। প্ৰায় ১.৪০ বজাত মিনিটিত জাঁজী ধাবাত সকলোৱে দুপৰীয়াৰ ভাতসাজ তৃপ্তিৰে গ্ৰহণ কৰি পুনৰ যাত্ৰা আৰম্ভ কৰিলো। আমি ৩.৩০ মান বজাত নুমলীগড় পালো আৰু দেওপাহাৰ চাবলৈ বুলি ৰাওনা হ'লো। সৌভাগ্যক্ৰমে আমি Anthropology Survey of India ৰ মুখ্য বিষয়া H.N. Dutta ছাৰক লগ পালো। তেওঁ দেওপাহাৰত থকা প্ৰতিটো বস্তুৰে সুন্দৰকৈ বৰ্ণনা কৰিছিল। আমি সকলোৱে তেওঁৰ মুখৰ পৰা দেওপাহাৰত থকা শিলত খোদিত দেৱ-দেৱীৰ মূৰ্তি, তোৰণ আৰু তাৰ অলৌকিক কাহিনী শুনি অভিভূত হৈ পৰিছিলো। সকলোৱে এইবোৰ ভালদৰে নিৰীক্ষণ কৰাৰ সময়লৈকে প্ৰায় পশ্চিম আকাশত বেলি লহিয়াইছিলগৈ। সন্ধিয়া হোৱাৰ আগে আগেই আমি পুনৰ গাড়ীত বহিলো আৰু এইবাৰ আমাৰ পাল আহিল বহু অপেক্ষাৰত 'কাজিৰঙা' অৰ্থাৎ 'কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান'। আমি আগতেই বুক কৰি থোৱা গেষ্ট হাউচ (ইলোৰা গেষ্ট হাউচ) পাওঁতে ৭.০০ মান বাজিল। সকলোৱে নিজ নিজ বেগপাতি লৈ ৰুমত সোমাই হাত মুখ ধুই অকনমান জিৰণি লৈ পুনৰ ৮.৩০ মান বজাত ওচৰৰে এখন ধাবা (Dreamland)ত ৰাতিৰ আহাৰ গ্ৰহণ কৰি পুনৰ হোটেললৈ আহি শুই পৰিলোঁ।

পিছদিনা পুৱা সোনকালে শুই উঠি গা-পা ধুই পুৱা ৮.০০ মান বজাত কাজিৰঙালৈ অৰ্থাৎ ভিতৰলৈ যাত্ৰা আৰম্ভ কৰিলো। তাত আমি সকলোৱে দলত ভাগ হৈ পাঁচখন জীপগাড়ীত যাত্ৰা আৰম্ভ কৰিলো। চাৰিওফালে অটব্য হাবি। যেন জয়াল কাজিৰঙা। কিন্তু আমাৰ আনন্দই এই জয়ালতাক নোহোৱা কৰিলে। তাত আমি গঁড়, হাতী, বিভিন্ন প্ৰজাতিৰ হৰিণ, দোৱা কাছ, মহ, বিভিন্ন ধৰণৰ চৰাই দেখিবলৈ পালো। যাওঁতে ভাবিছিলো আমি ৰখাই খুউব ফটো তুলিম কিন্তু জীপৰ ড্ৰাইভাৰজনে আমাক বুজাইছিল যে আমি তাত গাড়ীৰ পৰা নামি ফটো উঠিব নোৱাৰো, অকল View Point সমূহতহে ফটো উঠিব দিয়া হয়। কিছু সময় যোৱাৰ পিছতে আমি View Point পালো। তাত গাড়ী ৰখাই দিয়াত চৰাই আৰু চাৰিওফালে থকা জংঘলৰ কাষেদি বৈ অহা নৈখনৰ এক নান্দনিক দৃশ্য উপভোগ কৰিলো। সকলোৱে ফটো উঠি পুনৰ যাত্ৰা আৰম্ভ কৰিলো। অৱশ্যে আমি যিমান আশাৰে গৈছিলো সেইয়া পূৰ্ণ নহ'ল। কাজিৰঙাত বাঘ চোৱাৰ আমাৰ এক ডাঙৰ আশা আছিল। কিন্তু গোটেই ঘূৰাৰ পাছতো নেদেখাত আমাৰ মনবোৰ সেমেকি আহিছিল। লাহে লাহে আমি কাজিৰঙাৰ পৰা ওলাই আহিলো। হয়তো ভগৱানৰ ইচ্ছা আছিল আমি বাঘ দেখাতো, ঘূৰি আহোতে আমি কাজিৰঙাৰ প্ৰৱেশ পথতে বাঘ দেখিবলৈ পালো। এইবাৰ মনৰ আনন্দ দুগুণ হৈ পৰিল। সেই দৃশ্য উপভোগ কৰাৰ পিছতে দুই এপদ সামগ্ৰী কিনি হোটেললৈ বুলি ৰাওনা হ'লো।

হোটেলত প্ৰায় ১২.০০ মান বজাত সকলোৱে নিজৰ বেগ পাতি লৈ পুনৰ যাত্ৰা অৰ্থাৎ আমাৰ ওভতনি যাত্ৰা আৰম্ভ কৰিলো। আহোতে আমি হালধীবাৰী বুঢ়ীমাই মন্দিৰ দৰ্শন কৰি নেদেখা জনৰ ওচৰত সুকলমে ঘৰ পোৱাৰ আশীষ বিচাৰি আহিলো। সকলোৰে মনবোৰ সেমেকা হৈ পৰিছিল, আমি সকলোৱে কিছুসময় জিৰণি ল'লো। প্ৰায় ১.৩০ মান বজাত আমি সকলোৱে তেজপুৰত দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰিলো। বাছে নিজ গতিত পুনৰ ছন্দ ল'লে আৰু আমিও অলপ সময় পুনৰ জিৰণি ল'লো। আবেলি প্ৰায় ৪.৩০ মান বজাত আমি বৰগাং পালো। তাৰে এখন হোটেলত চাহ আৰু মিঠাই খালো। ইয়াৰ পিছতহে আমাৰ গাত শক্তি আহিল যেন লাগিল। গাড়ীত উঠাৰ লগে লগে ডাঙৰকৈ গান বাজিল আৰু আমিও শেষৰ সময় বুলি উঠি পৰি নাচিলো।

অৱশেষত আমি ৭.৩০ মান বজাত লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ চৌহদ পালোহি। বহুসংখ্যকৰে অভিভাৱক আহি ঘৰলৈ লৈ গৈছিল। কিছুমানৰ বাবে হোষ্টেলত থকাৰ ব্যৱস্থা কৰা হৈছিল। শেষত, আমি সকলোৱে অশেষ স্মৃতি বুকুত বান্ধি নিজৰ ঘৰ পালোহি।

অতীতক বাদ দি বৰ্তমান আৰু ভৱিষ্যত সম্ভৱ নহয়। আমি সকলোৱে ইতিহাসক ভালদৰে বুজি সময়ৰ সৎ ব্যৱহাৰ কৰা উচিত। তাৰোপৰি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ক্ষেত্ৰতো ল'বলগা সাৱধানতা বহুখিনি দৃষ্টিগোচৰ হ'ল। উদাহৰণস্বৰূপে বিলুপ্তপ্ৰায় প্ৰাণীৰ আমি সংৰক্ষণৰ যৎপৰোনাস্তি চেষ্টা চলোৱা উচিত। দুদিনীয়া এই ভ্ৰমণে যথেষ্ট অভিজ্ঞতাৰ লগতে বহুতো স্মৃতি দিলে। যাক আজীৱন বুকুত কঢ়িয়াই ফুৰিম।




# আন্তঃমহাবিদ্যালয় ভলীবল প্ৰতিযোগিতাত অংশগ্ৰহণৰ অনুভৱ

**ৰাণী পেগু**

খেল ধেমালি হৈছে আমাৰ স্বাস্থ্যৰ বাবে এক অপৰিহাৰ্য বিষয়। সেয়েহে, মাজে সময়ে শৰীৰ আৰু মন ভালে ৰাখিবৰ বাবে এনেধৰণৰ খেল-ধেমালি সমূহৰ অংশগ্ৰহণ কৰাটো দৰকাৰী। তলত মই অংশ গ্ৰহণ কৰা ভলীবল প্ৰতিযোগিতাৰ বিষয়ে অৱগত কৰিব বিচাৰিছোঁ।

"এই পৃথিৱী এক ক্ৰীড়াঙ্গন
ক্ৰীড়া হ'ল শান্তিৰ প্ৰাঙ্গন।
এই পৃথিৱী এক ক্ৰীড়াঙ্গন
ক্ৰীড়া হ'ল শান্তিৰ প্ৰাঙ্গন।"- ড° ভূপেন হাজৰিকা

আমি প্ৰতিদিনেই অভ্যাস কৰিছিলো ভলীবল প্ৰতিযোগিতাখনৰ বাবে। আমাৰ চাৰ আছিল আমাৰ পিতৃস্বৰূপ। সদায় সন্ধিয়া ৪ বজাৰ পৰা ৬ বাজি ৩০ বজালৈ ভলীবল খেলাৰ বাবে আমি ওলাই আহিছিলো। যেনেকৈ অভ্যাস কৰিছিলো তেনেকৈয়ে সফলো হৈছিলোঁ।

আমি ২০২১ চনৰ নৱেম্বৰৰ ১১ তাৰিখৰ দিনা সকলো ভলীবল খেলুৱৈয়ে পুৱা ৮ বজাত কলেজত একেলগ হৈছিলো। আমি পাওঁতে ছাৰ বাইদেউ সকলহে উপস্থিত আছিল। কিন্তু দুখৰ কথা আমাক ভলীবলৰ বাবে দিন ৰাতি কষ্ট কৰা কালিদাস ব্ৰহ্ম ছাৰে আমাৰ লগত যাব নোৱাৰিছিল। হ'লেও আমি নিজৰ ওপৰত বিশ্বাস ৰাখিছিলো। আমি ব্ৰহ্ম ছাৰক সেৱা জনাই পুৱা ১০ বজাত যুব মহোৎসৱলৈ যাত্ৰা কৰিলো। আমাৰ লগত ছাৰ আৰু বাইদেউ দুগৰাকী গৈছিল। বাছখনতে আমাক সাহস দিছিল। আমাক কৈছিল তোমালোকে

জয়ী হৈ আহিব লাগিব। আমি সকলোৱে আশ্বাস দিছিলো আমি জয়ী হৈ আহিম বুলি। প্ৰায় ১১ বাজি ৩০ মিনিটত আমি ব্ৰহ্মপুত্ৰৰ ওপৰত দীৰ্ঘতম দলং বগীবিলত নামিছিলো আৰু সকলো আনন্দত মতলীয়া হৈ ফটো মাৰিছিলো। তাৰ পিছত ১ বজাত যাত্ৰা আৰম্ভ কৰিলোঁ। মৰাণত ২ বজাত সকলোৱে বাছখনৰ পৰা নামি এখন হোটেলত ভাত খালোঁ। আমাৰ বহুত ভোক লাগিছিল। তাৰ পিছত অলপ সকলোৱে জিৰণি লৈ আমি ৩ বাজি ২০ মিনিটত আকৌ যাত্ৰা আৰম্ভ কৰিলোঁ। সন্ধিয়া ৫ বজাত হেমনাথ শৰ্মা কলেজ (শিৱসাগৰ)ত আমি পালোহি আৰু



অতি আনন্দিত কথাটো আছিল যে কলেজখন অতি সুন্দৰকৈ ৰখা হৈছিল। বাছৰ পৰা নামি আমাৰ ছাৰে সেই কলেজৰ ছাৰ এজনক সুধিলে কলেজৰ এজন হোষ্টেল কৰ্তৃপক্ষই আমাক লৈ গৈছিল। হোষ্টেলত অলপ জিৰণি লোৱাৰ পিছত সন্ধিয়া ৭ বজাত সকলো ছাত্ৰীৰ তথ্যৰ শুদ্ধতা প্ৰমাণ কৰা কাৰ্যৰ বাবে শাৰীপাতি থাকিব লগা হৈছিল। সকলো সামৰাৰ পিছত ৰাতি ৯ বজাত হোষ্টেলৰ কৰ্তৃপক্ষ গৰাকীয়ে আমাক ভাত খাবলৈ মাতি আনিছিল আৰু তেনেকৈয়ে এদিন পাৰ কৰিছিলোঁ। ১২ নৱেম্বৰ ২০২১ দিনা ৰাতিপুৱা ৬ বজাত সকলো কলেজলৈ বুলি ওলালো আৰু কলেজৰ খেলপথাৰখন ভাল নে বেয়া সেই সকলোবোৰ ভালদৰে চাইছিলো। প্ৰায় ১০ বজাত খেলখনৰ বাবে পতাকা উত্তোলন কৰা হৈছিল। আমি তাৰ পিছত আৰম্ভ কৰিছিলো ভলীবল খেলৰ অভ্যাস। আমাৰ লগত টিংখাং কলেজ অৰ্থাৎ লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ বিপৰীতে টিংখাং কলেজ ভলীবল প্ৰতিযোগিতা। প্ৰথম ৰাউণ্ডত দুয়োখন কলেজৰ খেল আৰম্ভ হৈছিল। খেলৰ নিয়মসমূহ আমাক সকলো কথা অৱগত কৰিছিল। ১৭ টা বলৰ বিপৰীতে আমি ৮ টা বলত বিজয়ী হৈছিলো অৰ্থাৎ ২৫ টা বলৰ ভিতৰত টিংখাং কলেজৰ টিমে ১৭ টা বল পাবলৈ সক্ষম হৈছিল। আমাক দৰ্শকে ইমানেই সহযোগ কৰিছিল যে সকলোৱে আমাৰ কাৰণে চিএঞৰিছিল। আমি তেতিয়া বহুত সাহস পাইছিলো। দ্বিতীয় ৰাউণ্ড দ্বিতীয় দিনা হ'ব বুলি ঘোষণা কৰাৰ পিছত হোষ্টেললৈ গ'লো। তাৰ পিছত আমি



সকলো ছাৰ-বাইদেউক ফোন কৰিছিলোঁ আৰু আনন্দেৰে কৈছিলো আমি আজি বিজয়ী হ'লো। ৰাতি হোষ্টেলৰ ভিতৰত কাৰ কিমান যোগ্যতা আৰু দক্ষতা আছে সকলোবোৰ ছাৰ বাইদেউয়ে আমাৰ পৰীক্ষা কৰি চাইছিল। আমি বহুত সুখী হৈছিলো আৰু মই মিচিং ঐনিতম নাচিছিলো। সঁচাকৈ সেই দিনটো স্মৃতি হৈ ৰ'ব।

তৃতীয় দিনা, ১৩ নৱেম্বৰ ২০২১ তাৰিখে সকলো খেলৰ বাবে সাজু হ'লো আৰু পুৱা ১০ বজাত খেলপথাৰ পালোঁ। সেইদিনা দ্বিতীয় ৰাউণ্ডত শিৱসাগৰ কলেজৰ লগত ভলীবল খেলখন আছিল। তেতিয়াও আমাৰ মনত বিশ্বাস আছিল যে আমি জিকিমেই। তাৰ পিছত খেলখন


আৰম্ভ হ'ল। খেলখন দুয়োটা টীমৰে বহুত ভাল হৈছিল। এখন খেল ৩ টা ৰাউণ্ডত খেলিবলৈ দিছিল আৰু আমি ২ টা ৰাউণ্ডত বিজয়ী হৈছিলো। অৰ্থাৎ ২০ টা বলৰ বিপৰীতে আমি ২৫ টা বলেৰে বিজয়ী হৈছিলো। তাৰ পিছত ছেমি ফাইনেলত প্ৰৱেশ কৰিলো। ছেমি ফাইনেলত নিতাই পুখুৰী আৰু শিৱসাগৰ কলেজৰ ভলীবল টীমটোৰ খেল চাই মুগ্ধ হৈছিলোঁ। আমি ছেমিফাইনেলত ১৬ পইণ্টত পৰাজয় হৈছিলোঁ। সকলোৱে ভাগৰি পৰিছিলো। বহুতে দুখতে কান্দিছিলো। আমাৰ সপোন ভাঙি পৰিছিল। তাৰ পিছত ৰেফাৰী জনে আমাক মাতিছিল আৰু কৈছিল তোমালোকৰ টিমটোৱে আৰু এবাৰ খেলিবলৈ সুবিধা পাবা বুলি। তাৰ পিছত আমি আনন্দিত হৈছিলো। অলপ জিৰণি লোৱাৰ পিছত (ভাতপানী খোৱাৰ পিছত) ৩.৩০ বজাত তিনিচুকীয়া কলেজৰ ভলীবল টীমৰ লগত ফাইনেল খেলখন অনুষ্ঠিত হৈছিল। নিজকে জিকিমেই বুলি প্ৰতিজ্ঞা কৰিছিলো আৰু লগতে নৰ্থ লখিমপুৰ কলেজ, এল.টি.কে. কলেজ আৰু খেলপথাৰত থকা সকলোৱে আমাক সহযোগ কৰিছিল। তাৰ পিছতে খেল আৰম্ভ হ'ল। প্ৰথম ৰাউণ্ডত আমি জিকিলো দ্বিতীয় ৰাউণ্ডত তিনিচুকীয়া কলেজ ভলীবল টীম বিজয়ী হৈছিল আৰু তৃতীয় ৰাউণ্ডত আমি মুঠ ১৫ পইণ্টৰ ভিতৰত ১৫ আৰু বিপৰীত দলে ১১ পইণ্ট পাবলৈ সক্ষম হৈছিল। অৰ্থাৎ আমাৰ দল বিজয়ী হ'ল। সকলোৱে যি আনন্দ ভাষাৰে বুজাব নোৱাৰো। কাৰণ আমাৰ সপোন পূৰণ হ'ল। আমি কলেজৰ ছাৰ, বাইদেউ সকলোকে ম'বাইলত ভিডিঅ' কল কৰি সকলো দেখুৱাই দিলো। পুৰস্কাৰৰ বাবে সকলো সাজু হ'লো আৰু পুৰস্কাৰ প্ৰদান কৰা ঠাইত এজনী এজনীকৈ মাতি প্ৰমাণ পত্ৰ আৰু ব্ৰঞ্জৰ মেডেল আৰু ভলীবল খেলৰ অনুভৱ আৰু মতামত লোৱা হৈছিল। ছাৰ, বাইদেউ আৰু সকলো খেলুৱৈৰ লগতে আমাৰ কলেজক সোণালী ট্ৰফী দিয়া হৈছিল আৰু আমি হেমনাথ শৰ্মা কলেজৰ ছাৰ বাইদেউ সকলোৰে লগত ফটো মাৰিছিলো। ১৪ নৱেম্বৰ ২০২১ দিনা আমি লখিমপুৰলৈ বুলি যাত্ৰা কৰিছিলোঁ কিন্তু শিৱসাগৰ পাওঁতে ৰৈ ৰংঘৰ চাবলৈ গ'লো। তাৰ পাছত তলাতলঘৰ চালো। ঐতিহাসিক জিলাখন তেনেকৈয়ে ঘূৰি চালো। আমি অতি হেঁপাহেৰে পুনৰ যাত্ৰা আৰম্ভ কৰিলো। কলেজখনত আহি পোৱাৰ লগে লগে আনন্দ নামি আহিছিল আৰু ছাৰ-বাইদেউৰ লগতে আমাৰ কলেজৰ সন্মানীয় শ্ৰদ্ধাৰ অধ্যক্ষ ড° সুৰজিত ভূঞা ছাৰে গৌৰৱেৰে কৈছিল প্ৰথমবাৰৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ-মহোৎসৱ আন্তঃক্ৰীড়া প্ৰতিযোগিতাত আমাৰ কলেজ বিজয়ী হ'ল তাৰ বাবে সুখী। আমাৰ ক্ৰীড়া বিভাগৰ তত্বাৱধায়ক কালিদাস ব্ৰহ্ম ছাৰে আমাৰ বাবে ৰৈ আছিল আৰু সকলোৱে ছাৰক যি পাইছিলো সকলোবোৰ ছাৰৰ হাতত অৰ্পণ কৰিছিলো। পিছদিনা আমাক কলেজৰ হৈ সম্বৰ্ধনা জনোৱা হৈছিল। এই সকলোবোৰ আমাৰ বাবে স্মৃতি হৈ ৰ'ব।




## মহাবিদ্যালয় গ্ৰন্থাগাৰত আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ

মহাবিদ্যালয় গ্ৰন্থাগাৰত আধুনিক প্ৰযুক্তিবিদ্যাৰ যথেষ্ট প্ৰয়োজন আছে, যাতে মহাবিদ্যালয়ৰ ছাত্ৰীসকলে গ্ৰন্থাগাৰৰ বিভিন্ন প্ৰয়োজনীয় গ্ৰন্থবোৰ সফলভাৱে অধ্যয়ন কৰিব পাৰে। আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰে ছাত্ৰীসকলক গ্ৰন্থাগাৰত তেওঁলোকৰ প্ৰয়োজনীয় গ্ৰন্থবোৰৰ বিষয়ে জনাত আৰু অধ্যয়ন কৰাত সহায় কৰে। ছাত্ৰীসকলৰ অধিক সুবিধাৰ বাবে গ্ৰন্থাগাৰত কম্পিউটাৰ-ইণ্টাৰনেট উপলব্ধ হ'ব লাগে।

**বিজুমণি হাওঁৰা**



# এক কাল্পনিক কথোপকথনৰ আধাৰত জীৱনৰ প্ৰশ্ন

উদ্দিপ্তা বৰা

"আহিবা এদিন পদুম পুখুৰী পাৰলৈ
সন্ধ্যা....
কম মই মোৰ কৰ্তব্যৰ আৱৰ্তন কাহিনী....
তোমাৰ চকুৰ আঁৰৰ মোৰ কাহিনীবোৰ জানিবা।"

"মই তেওঁক কৈছিলো মোৰ জীৱন বৰ কঠিন, তেওঁ সম্পূৰ্ণ দৃঢ়তাৰে কৈছিল মই থিয় হ'ম তোমাৰ কাষত।"

সদায় পৰিস্ফুত মুখখন এদিনো সেমেকা নহয় তেওঁৰ, ওঁঠত হাজাৰটা সপোন কঢ়িয়াই ফুৰা সেই সপোন কুঁৱৰীৰ উৎসাহত দুগুণ উৎসাহ পোৱা যায়। তেওঁৰ এক বিশেষ কথাই আমনি সদায় কৰে। "তুমি বৰ লাকী"। এই কথাই যেন শিৰোনত কৰি প্ৰতিদিন ন-মনেৰে আগবাঢ়ো।


আহিছিল তেওঁ সেইদিনা সেই পদুমপুখুৰীৰ পাৰলৈ। পুখুৰী পাৰৰ সন্ধ্যাবোৰ বৰ ৰোমাণ্টিক। ওঁঠত সেই সাহস ভৰা হাঁহিটো লৈ কাষত থিয় দিছিল তেওঁ। সদায় সোধাৰ দৰে সুধিছিলো "কি হ'ল, কিবা প্ৰব্লেম?" একো উত্তৰ নিদি মাত্ৰ মূৰ জোকাৰিলে।

অন্যহাতে, তেওঁ অহা দেখি কোবাকুবিকৈ পাছফালে লুকুৱাই থোৱা বিশেষ নিচা জাতীয় পানীয়ত চকু পৰে বুলিও বুকু ধপ্‌ধপ্‌নি আছিল। নাযানো সেই চিন্তাতেই নেকি কি হাত-ভৰি গা অৰ্থাৎ সৰ্বশৰীৰ কঁপনি আৰু ঘামত তিতি গৈছিল। বহু সময় একাদিক্ৰমে

চাই চাই কিবা এটা ধৰিব পাৰি তেওঁ তপৰাই সুধিছিল গা অসুখ নে অন্য কিবা? এনেদৰে অকস্মাত প্ৰশ্নৰ সন্মুখীন হৈ ল'ৰা-লৰিকৈ জেপ খেপিয়াই ৰুমালখন ওলিয়াই নিচাৰ আঁৰৰ ঘাম খিনি মচি পেলোৱা হৈছিল। মিছাৰ আঁৰৰ ভয়াবহতাৰ কথা হয়তো সেই সময়ত আৰু কোনেও নুবুজিব। কিন্তু তেওঁ সেইবোৰ আওকাণ কৰি লক্ষ্যলৈ কিমান দূৰ সুধিলে। নিশ্চুপ আৰু অস্বস্তিত ইফালে সিফালে কৰা মুখ দেখি তেওঁ ধৰিবই পাৰিছিল হয়তো....।

বহু সময়ৰ অন্তত কথাখিনি তেওঁক ক'লো যে বৰ্তমান পৰিস্থিতি অতি শোচনীয়। কিবা কৰ্ম সন্ধান উলিয়াই সেই কৰ্মত নিয়োজিত হ'বলৈ অতি কষ্টকৰ। কিয়নো সময়বোৰ আজিকালি এক শ্ৰেণীৰ বাবে অতি দুৰ্ভগীয়া। এক বিশেষ শ্ৰেণীৰ বাবেহে সুবিধাজনক। প্ৰকৃতিৰ নিয়ম ভংগ কৰি ৰক্তৰে ৰক্তাক্ত হোৱা সেই মানৱৰ পৃথিৱীৰ আঁৰত একো নহয়। সকলো কিনা-বেচা হয়। কথাখিনি শুনি উঠি তেওঁ হুমুনিয়াহ সলাই পেলালে।

নম্ৰতাৰ প্ৰতীক স্বৰূপ তেওঁ নিচা পানী ধৰা পেলাই হাঁহি হাঁহি বুজাইছিল জীৱনৰ লগত খেলিব নালাগে। জীৱনত খেলিব লাগে। অৰ্থাৎ জীৱনত



হোৱা ঘটনাত জীৱনক দায়ী নকৰি নিজক দায়ী কৰি সেই দায়ী জনৰ প্ৰায়শ্চিত্ত হিচাপে সফলতাৰ মন্ত্ৰ মাতিব লাগে। য'ত সুখৰ শেৱালী বুটলিব পাৰি।

শিক্ষাবিহীন আৰু কৰ্ম বিহীন জীৱন যে এক আপদ সেই কথা নিজৰ মন মগজুত ৰাখি সফলতাৰ জখলা বগাবলৈ শিকনি দিয়া তেওঁ বাৰুকৈয়ে মন চুই গ'ল। অন্তৰ জিনিব পৰা তেওঁৰ সেই বক্তব্যৰ আঁৰৰ ব্যক্তি হিচাপে নিজকলৈ আগবাঢ়ি যোৱাৰ স্বৰ্ণ পথ প্ৰশস্ত কৰাত বাৰুকৈয়ে সহায়ক হ'ল। নিচাৰ সুৰত বিভোৰ সেই দিনবোৰ পদুম পুখুৰী পাৰৰ কাল্পনিক বাৰ্তালাপৰ জৰিয়তে আজি সফলতাৰ সুৰলৈ পৰিণতৰ দিশে এখোজ.....

মতামত

# মহাবিদ্যালয় গ্ৰন্থাগাৰত আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ

বৰ্তমান আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ উন্নত হোৱাৰ দিনত মহাবিদ্যালয়ত বিভিন্ন নতুন নতুন ব্যৱস্থা ল'ব লাগে। কিয়নো মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ উন্নত কৰিলেহে ছাত্ৰীসকলৰ দৈনন্দিন সমস্যাসমূহ সমাধান হ'ব। মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটো যথেষ্ট আহল-বহল হোৱাৰ আৱশ্যক আছে, সকলোধৰণৰ পাঠ্যপুথিৰ উপৰিও সমল গ্ৰন্থ বিচাৰিলেই পোৱাকৈ সুবিধাজনক প্ৰযুক্তিৰ ব্যৱহাৰ হ'ব লাগে। বহুতো ছাত্ৰীয়ে আৰ্থিক দৈন্যতাৰ হেতুকে পাঠ্যপুথি বা সমল গ্ৰন্থ ক্ৰয় কৰি পঢ়িবলৈ সমৰ্থ নহয়, ইয়াৰ উপৰি নানা বাতৰি-কাকত, আলোচনীসমূহ ছাত্ৰীসকলৰ বাবে গ্ৰন্থাগাৰত উপলব্ধ হ'ব লাগে। তেতিয়াহে ছাত্ৰীসকলে পাঠ্যক্ৰমৰ শিক্ষাৰ লগতে সমসাময়িক তথ্যসমূহ অধ্যয়নৰ যোগেদি সফল হ'ব।

**হালিমা বেগম**



# বন্ধত আত্মীয়ৰ ঘৰলৈ যোৱাৰ মাদকতা

**বৰষা ৰায়**

বন্ধ বুলি ক'লেই শৈশৱৰ দিনৰপৰা বৰ্তমানৰ কলেজীয়া দিনলৈকে মোৰ মনত বিভিন্ন ধৰণৰ স্মৃতি সজীৱ হৈ উঠে। গৰম বন্ধ বুলি ক'লে সকলো ল'ৰা-ছোৱালীৰ মনত এটাই আনন্দ। মামাৰ ঘৰলৈ যাম, মইয়ো ইয়াৰ ব্যতিক্ৰম নাছিলো আৰু এতিয়াও নহয়।

কলেজীয়া জীৱনৰ ব্যস্ততা সামৰি আগবাঢ়োতে সময়ে এই সৰু সৰু হেঁপাহবোৰ আঁতৰাই লৈ যোৱা বহুদিনেই হ'ল যদিও কভিড সদৃশ পৰিস্থিতিত আমি স্কুল কলেজ বহু দিন বন্ধ পাইছিলো। এই জটিল সময়ে আত্মীয় স্বজনৰ ঘৰলৈ যাবলৈ সুযোগ দিয়া নাছিল।

সেয়েহে, এইবাৰ বহুদিনৰ মূৰত মই পঞ্চম ষান্মাসিকৰ পৰীক্ষা শেষ কৰি মামাৰ ঘৰলৈ যাম বুলি থিৰাং কৰিছিলো। সেইদিনা আছিল দেওবাৰ, কুকুৰাৰ ডাকত টোপনিৰ পৰা চকু মেলিয়েই মই এক সুখৰ শিহৰণ অনুভৱ কৰিছিলো।

সেইদিনা পুৱাৰ পৰাই মোৰ মনটো মামাৰ ঘৰলৈ বহুদিনৰ মূৰত যাম বুলি হেঁপাহেৰে উৎফুল্লিত হৈ আছিল। বিছনাৰ পৰা উঠি নিত্য কাৰ্য কৰি আজৰি হওঁ মানে ৪ মানেই সময় হৈছিল।

মোৰ নিজৰ লাগতিয়াল বস্তু সামৰি মাক মাত লগাই ৯.৩০ মান বজাত মই মামাৰ ঘৰলৈ ওলাই আহিছিলো।

গোগামুখৰ শ্ৰীমন্তপুৰ নামৰ এক ভিতৰুৱা অঞ্চলত মোৰ মামাৰ ঘৰ। মোৰ মামাৰ ঘৰখন ভাল লগাৰ বহু কাৰণ আছিল। দুইকাষৰ ধাননি পথাৰ, দীঘলীয়া পদূলি, শাৰী-শাৰীকৈ থকা তামোল গছ। আৰু ফুলি থকা ডাঙৰ ডাঙৰ সোণাৰু কেইজোপাই গাঁওখনৰ

পৰিৱেশ আৰু মনোমোহা কৰি তোলে। যিটো মোৰ খুবেই প্ৰিয়।

কথাবোৰ ভাবি ভাবি কেতিয়ানো মই মামাৰ ঘৰৰ আগফালে সোণাৰু জোপাৰ তল পালোহি গমেই পোৱা নাছিলো। বতাহত ভাঁহি অহা কেঁচা নৰাৰ গোন্ধটোৱে মতলীয়া কৰিছিল নঙলাডাল খুলি মামাহঁতৰ ঘৰৰ পদূলিত ভৰি দিয়েই মই এক অনাবিল সুখ অনুভৱ কৰিছিলো। বহু দিনৰ মূৰত যিহেতু আপোন মানুহবোৰ লগ পাইছিলো।

আইতাই সেইদিনাও চোতালত বহি মোৰ বাবে বাট চাই ৰৈ আছিল। সকলো একেই আছিল। সময়ে একো সলনি কৰিব পৰা নাছিল। মামাই মই ভালপোৱাবোৰ বিধে বিধে গোটাইছিল। মামীয়ে তাঁত লগাবলৈ শিকাইছিল আৰু আইতাই সৰু কালৰ দৰে শুৱাৰ সময়ত মূৰত হাত বোলাই আছিল। আমাৰ মাজত বহু কথা-বতৰা হৈছিল।

মামীৰ লগত পিছবেলা সময়ত চুবুৰীয়া ইঘৰ-সিঘৰলৈ ওলাই গৈছিলোঁ। সেই দিনকেইটা মোৰ ভাল লগা সকলোবোৰ পাইছিলো। আজৰি সময় পালে ইণ্টাৰনেটৰ পৃথিৱীখনত সোমাই পৰা মইজনীয়ে চোন। সেই মামাৰ ঘৰত থকা দিনকেইটাত ম'বাইলটোৰ কাষেই চুপা নাছিলো।

সময় যিহেতু ৰৈ নাথাকে কেতিয়ানো ৫টা দিন পাৰ হৈ গ'ল, ধৰিবই নোৱাৰিলো। ৰাতিপুৱাই শুই উঠি নামঘৰত জ্বলোৱা চাকি গছৰ তলত মূৰ দোঁৱাই মই তেওঁলোকৰ দীৰ্ঘায়ু কামনা কৰি পুনৰ একে বাটে ঘৰলৈ বুলি ওলাইছিলো।

আহিবৰ পৰত আইতাই মূৰত হাত বোলাই জীৱন বাটত আগুৱাই যোৱা বুলি আশীৰ্বাদ কৰিছিল। আৰু মইও তেখেতৰ চৰণ চুই পুনৰ অতি কম সময়ৰ ভিতৰত লগ পোৱাৰ প্ৰতিশ্ৰুতিৰে, সিক্ত নয়নেৰে সৈতে মই মোৰ ঘৰ অভিমুখে আগবাঢ়িলো।

অৱশেষত মই মোৰ অভিজ্ঞতাৰ পৰা কওঁ যে সময় পালে সকলোৱে নিজৰ আত্মীয় স্বজনৰ কাষলৈ যোৱাটো উচিত। কাৰণ সময়ৰ সোঁতত আমাৰ মাজৰ পৰা সম্পৰ্ক আৰু আত্মীয়তাসমূহ একেবাৰে নোহোৱা হৈ পৰা দেখা গৈছে।

আজিকালি প্ৰায় সকলোৱে ইণ্টাৰনেটৰ যুগত কেৱল ম'বাইল ফোন, ভিডিঅ' গেমচ্, সামাজিক মাধ্যমৰ মাজত নিজক আৱদ্ধ কৰি ৰাখে, কিন্তু সেয়া নকৰি বা কমকৈ কৰি আমি যদি আমাৰ আত্মীয় সকলক অকণমান সময় দিওঁ আমি আমাৰ জীৱনৰ বহু ভাল লগা কিবা কিবি লাভ কৰিব পাৰিম।




মতামত

# মহাবিদ্যালয় গ্ৰন্থাগাৰত আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ

আধুনিক সমাজখনত প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ অতি দ্ৰুতভাৱে বৃদ্ধি পাইছে। প্ৰযুক্তিৰ ব্যৱহাৰৰ ফলত বহুতো জটিল কাম সুচল হৈ পৰিছে। মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত প্ৰযুক্তিৰ ব্যৱহাৰৰ যোগেদি ছাত্ৰীসকলৰ বিচাৰ-বুদ্ধিমত্বা উন্নত কৰিব পাৰিব। লগতে গ্ৰন্থাগাৰটো যাতে ছাত্ৰীসকলৰ দৈনন্দিন ব্যৱহাৰৰ অপৰিহাৰ্য হৈ উঠে, তাৰ বাবেও আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ সময়ৰ দাবী বুলি ক'ব পাৰি।

**কাবেৰী সন্দিকৈ**



# এটা স্মৰণীয় ভ্ৰমণ অভিজ্ঞতা

**প্ৰস্তুতি বৰা**

২০১৫ চনৰ ২২ আগষ্টৰ দিনা আমি মুম্বাই অভিমুখে যাত্ৰা আৰম্ভ কৰিলো। আমি ১০ বজাত ৰেলত উঠি তাতিবাহাৰ ষ্টেচনৰ পৰা গুৱাহাটী পালোগৈ। ককা-আইতা, মা-দেউতা, ভাইটি আৰু মই মুখ-হাত ধুই চাহ খাই ১০ বজাত মুম্বাই যোৱা ৰেলত উঠিলো। চাৰি দিনৰ মূৰত আমি মুম্বাই পালোগৈ। মুম্বাইত নাচিক বুলি কোৱা ঠাইখনত আছিলো। তাত মামাৰ ঘৰত থাকি তম্বুকেচৰ বুলি কোৱা ঠাই এখনলৈ গ'লো। তালৈ ১৫ কিলোমিটাৰ ওপৰলৈ যাব লাগে। তাত গোদাবৰী নদীখন ক'ৰ পৰা আৰম্ভ হৈছে সেয়া দেখিলোঁ। জনশ্ৰুতিমতে গৌতম বুদ্ধই যেতিয়া পৃথিৱীত পানী নাই বুলি কৈছিল শিৱই পানী উলিয়াইছিল। সেই ঠাইত গৰুৰ মূৰ্তি এটা বনোৱা হৈছে। তাৰ পৰা গোদাবৰী নদীখন আৰম্ভ হৈছে। আৰু এদিন ৩৬০ কিঃমিঃ ওপৰলৈ গৈছিলো। সেই ঠাইডোখৰৰ নাম আছিল সীৰ্দী। তাত এটা শনি মন্দিৰ আছিল। মানুহে কোৱা মতে গাত শনি লাগিলে এই মন্দিৰ দৰ্শন কৰিলে শনি গুচি যায়। তাৰ ওচৰৰ দোকানবোৰত দৰ্জা নাই আৰু দোকানৰ পৰা চাকি তেল লওঁতে পইচা দিব নালাগে। মন্দিৰৰ পৰা ঘূৰি আহোঁতে পইচা দিব লাগে। আৰু পইচা নিদিলে ভগৱান শিৱই দোষ দিয়ে। এঠাইত চাকি দিলে আন এঠাইত পৰেগৈ। সেই মন্দিৰ দৰ্শন কৰি আমি সাঁই বাবা মন্দিৰলৈ গ'লোঁ। সেই মন্দিৰতো সোণৰ আছিল। তাত এজোপা নিম গছ আছিল। সেই নিম জোপা মিঠা। সেইখিনিতে আমি এখন হোটেলত সোমাইছিলো। ৰাতি ৯ বজাত হোটেলখন বন্ধ কৰে। হোটেলখনত একেবাৰতে ১০,০০০ মানুহে খাব পাৰে। সাঁই বাবা হোটেল বাবে দাম কম। তাত কুম্ভমেলা চাবলৈ গ'লো। ভাইটি আৰু মই উটৰ পিঠিত উঠিলোঁ। কিমান যে ভাল লাগিল। সাগৰ দেখিলো। এপাছি মাছৰ দাম সাগৰৰ পাৰত মাত্ৰ ২০ টকা। ৰাৱণে সীতাক হৰণ কৰি নিয়া ৰখা গুহাটো দেখিলো। পাণ্ডৱ সকলৰ গুহাটো দেখিলো। লক্ষ্মণে শূৰ্পনখাৰ নাক কাটিছিল বাবে সেই ঠাইডোখৰৰ নাম 'নাচিক' হ'ল।

Feeling



# Superstition

## Lipika Roy

My aunt who visited us last Sunday spent the whole afternoon with us and bored us with live chatter about her cat and the number of rats she had killed. We were waiting for her to leave but were too polite to say so. At last she realised that she must go. But just at the doorstep, she gave a huge sneeze saying that it was a sign of bad luck. She decided to stay for another hour. Next when she decided to leave, a black cat crossed her path at the gate and again she said it was a bad omen and she stayed back a little longer.

Some people believe in superstition and their entire life seem to be guided by them. Breaking of a mirror means seven years of bad luck. Over flowing of milk is a sign of good luck.


People have believed in superstitions since time immemorial. Many people consider number thirteen as unlucky and if thirteen is a Friday it is even worse. Having a horse shoe in the horse brings good luck.

The ancient legend has it that when Samyukta was expecting Pritviraj Chauhan to come and take her away, she felt her muscles twitch and considered it as a sign of good luck.

In the modern times, believing in superstitions is a sign of backwardness and ignorance. There is no scientific justification to support them. Only blind belief and lack of judgement make people believe in superstition. It is important that rational thinking must guide our beliefs.

Superstitious beliefs can cause misery it beliefs may be harmless but when it affects our lives and hurt or harm others, it can be dangerous.

# সাহিত্য - সমালোচনা



সাহিত্য - সমালোচনা
সাহিত্য - সমালোচনা
সাহিত্য - সমালোচনা
সাহিত্য - সমালোচনা
সাহিত্য - সমালোচনা
সাহিত্য - সমালোচনা

# নৰকান্ত বৰুৱাৰ 'ইয়াত নদী আছিল' কবিতাত প্ৰয়োগ হোৱা প্ৰতীক চিত্ৰকল্পৰ এক আলোচনা



**চবিনা য়াছমিন**

নৰকান্ত বৰুৱাদেৱৰ 'ইয়াত নদী আছিল' কবিতাটো আধুনিক কবিতাসমূহৰ ভিতৰত লেখত ল'বলগীয়া কবিতা। য'ত প্ৰতীক আৰু চিত্ৰকল্পৰ অতি সুন্দৰকৈ প্ৰকাশ পাইছে। প্ৰতীক আৰু চিত্ৰকল্প আধুনিক কবিতাসমূহৰ এক উল্লেখযোগ্য বৈশিষ্ট্য, যিটো নৰকান্ত বৰুৱাদেৱৰ অন্যতম সাৰ্থক সৃষ্টি।

উক্ত কবিতাটিৰ নামাকৰণ ব্যঞ্জনাধৰ্মী। য'ত লুকাই আছে অৱক্ষয়ৰ বাৰ্তা। আধুনিক সভ্যতাই মাতি অনা মহাসংকটে মানুহৰ সামাজিক মানসিক তথা বৌদ্ধিক জীৱন কিদৰে মৰুতুল্য কৰি তুলিছে তাৰেই ইংগিত বহন কৰিছে।

নৰকান্ত বৰুৱাই একালত থকা নদীখনৰ স্মৃতি ৰোমন্থনেৰে লিখিছে- 'ইয়াত নদী আছিল' কবিতাটো। নদী শক্তি আৰু গতিৰ প্ৰতীক। বিপৰীতমুখী গতিৰ ধাৰাক আৰু বাহক হিচাপে কবিতাটোত নদীৰ বিপৰীত বিন্দুত চিহ্নিত হৈছে তিলতিলকৈ বাঢ়ি অহা এখন মৰুভূমিৰ মৰ্মান্তিক ছবি। কবিতাটোৰ প্ৰথম স্তৱকটোত পথাৰখনত শস্যসম্ভৱা হোৱাত সাধাৰণতে নদীৰ ঢলে সহায় কৰে। কবিয়ে উল্লেখ কৰিছে যে যদি তাৰ বিপৰীতটো হয়? নদীয়ে যদি বলাৎকাৰ কৰে পথাৰক আৰু সেই কাৰ্যৰ দ্বাৰা ওপজাৰ আগন্তুক হোৱা পথাৰৰ সন্তানক যদি কবৰ দিয়ে? সাগৰ নিজে তাৰ তীৰত নগৰখনৰ প্ৰাণশক্তি। আকৌ সেই সাগৰেই যদি অকস্মাতে নগৰখন মহটিয়াই পেলায়? ক'বলৈকে অস্বাভাৱিক যেন লগা এনে ঘটনাৱলী কবিয়ে শুনিছোঁ আৰু দেখিছোঁ বুলি কৈছে-

"দেখিছোঁ নদীৰ ঢলে বলাৎকাৰ কৰা পথাৰক
পলসে কবৰ দিয়া গৰ্ভৱতী শস্যৰ সন্তান....
........যোৱা শ্মশানৰ প্ৰশান্তিৰ গান।"

ইয়াত দেখাটো কবিৰ প্ৰত্যক্ষ অভিজ্ঞতা আৰু শুনাটো পৰোক্ষ কিন্তু এনে ঘটনা নঘটাকৈ থকা নাই। প্ৰকৃতিৰ বিপৰীত দিশত ঘটনাবোৰ ঘটিছে। প্ৰাকৃতিক ভাৱে যি স্বাভাৱিক সি ঘটা নাই, যি অস্বাভাৱিক সিহে ঘটিছে, কিন্তু এনে সংঘাতৰ আঁৰত কি আছে? এই প্ৰশ্নটো অৱতাৰণ কৰিবলৈ কবিয়ে যত্ন কৰিছে। ইয়াৰ মাজতে যে ধ্বংসবাণী লুকাই আছে তাকে উপস্থাপন কৰিছে।

উক্ত কবিতাটিৰ দ্বিতীয় স্তৱকটো কবিয়ে কৈছে যে আধুনিকতাৰ নাম সভ্যতাৰ নামত মানুহে প্ৰকৃতি জগতৰ যি ক্ষতিসাধন কৰিছে তাৰ ভয়াবহ ফল হিচাপে মানুহে ইতিমধ্যেই নানান দুৰ্ভোগ, ভুগিবলৈ আৰম্ভ কৰিছে। কবিয়ে নদীক মনৰ নদী, মানৱীয় গুণ বিশেষত্বৰ নদী অৰ্থাৎ এক সভ্যতাৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰিছে। কবিয়ে নিজৰ কথা কওঁতে অপকাৰ্য কৰা বুলি কৈছে আৰু এনে বহু কাম ইতিমধ্যে কৰি আহিছে। তেওঁ যেতিয়া তেনে অপকাৰ্য কৰিছিল তেতিয়া তাৰ মাজত এক ধৰণৰ অমানুষিক আনন্দ লাভ কৰিছিল। সেইবোৰ কৃতকাৰ্যৰ বাবে তেওঁ যে দুৰ্বহ পৰিণাম মূৰ পাতি ল'ব লগাত পৰিব এয়া তেওঁ জানে। তেওঁ পলাব খোজা নাই পৰম সাহসেৰে তেওঁ কৈছে যে একালৰ কৰ্মৰ বাবে যি ভুগিবলগীয়া আছে তাক তেওঁ হাঁহিমুখে গ্ৰহণ কৰিব পাৰিব। কাৰণ তেওঁৰ মতে 'মই যে দিওঁ দুঃস্বপ্নকো স্বপ্নৰ মৰ্যাদা'।

পৃথিৱীৰ কঠিন জৰায়ু ভাঙি-ছিঙি ওলাই অহা বন্দী সূৰ্যকণাই ধ্বংসৰ মাজত লুকাই থকা সৃষ্টিৰ শক্তিৰ ব্যঞ্জনা কঢ়িয়াই আনিছে। এই সূৰ্যকণা চিৰকাল জাগৰূক হৈ থাকে নতুন সৃষ্টিৰ বাবে।

বাস্তৱৰ পৃথিৱীখনত ইতিহাসৰ প্ৰথম দিনটোৰ পৰাই মৰুভূমি সৃষ্টিৰ প্ৰস্তুতি অৰ্থাৎ ধ্বংসযজ্ঞ আৰম্ভ হৈছে। কবিৰ মনৰ পৃথিৱীখনলৈও মৰুময় অভিজ্ঞতাৰ আগমন হৈছে। যি অকাৰ্য কৰি তাৰ অশুভ পৰিণাম হাঁহিমুখে গ্ৰহণ কৰিব পৰা সাহসেৰে কবিয়ে নিজকে সাহসী বুলি ক'ব খুজিছে, সেই অশুভ পৰিণামৰ কথা ভাবি কিন্তু তেওঁৰ অন্তৰাত্মাই চিৎকাৰ কৰি উঠিছে। প্ৰকৃতিৰ পৰিৱৰ্তনময় চিত্ৰ কেতবোৰৰ মাজেদি কবিয়ে এই অনুভৱ বৰ্ণানা কৰিছে এনেদৰে -

"কিন্তু মৰুভূমি আহে
লাহে লাহে মাহে মাহে বছৰে বছৰে"

আধুনিক জীৱন যাত্ৰাই তথা কথিত সভ্যতাই মাতি অনা অৱক্ষয়ৰ মন্থৰ অথচ অতি ভয়াবহ ৰূপ মৰুভূমিৰ চিত্ৰকল্পৰ মাজেৰে মূৰ্ত হৈ উঠিছে। মৰুভূমিক কবিয়ে এখন শুকান নিস্তেজ পৃথিৱীৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰিছে। শুহি পেলাইছে প্ৰাণৰ সকলো ৰস। নৈয়ে সৃষ্টি কৰা ধ্বংসকাৰ্যত সৃষ্টিৰ সম্ভাৱনা লুকাই থাকে। কিন্তু মৰুভূমিৰ মাজত থাকে কেৱল অৱক্ষয় আৰু ধ্বংস। য'ত সকলো সৃষ্টিৰ প্ৰক্ৰিয়া বন্ধ হৈ যায়। গোপন ব্যাধিৰ দৰে বাহ্যিক দৃষ্টিত প্ৰথমে অদৃশ্য, তাৰ পাছত মন্থৰ গতিৰে আৰু অৱশেষত দ্ৰুত নিশ্চিতভাৱে দৃশ্যমান হোৱা দীৰ্ঘস্থায়ী বিষক্ৰিয়াৰ যন্ত্ৰণা। ইয়াত গোপন ব্যাধিক পৃথিৱীলৈ নামি অহা অদৃশ্যমান ধ্বংসক বুজোৱা হৈছে। মানুহৰ দুষ্কৰ্মৰ ফলত পৃথিৱী

*আধুনিকতাৰ নামত সভ্যতাৰ নামত মানুহে প্ৰকৃতি জগতৰ যি ক্ষতিসাধন কৰিছে তাৰ ভয়াবহ ফল হিচাপে মানুহে ইতিমধ্যেই নানান দুৰ্ভোগ, ভুগিবলৈ আৰম্ভ কৰিছে। কবিয়ে নদীক মনৰ নদী, মানৱীয় গুণ বিশেষত্বৰ নদী অৰ্থাৎ এক সভ্যতাৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰিছে।*




হয়তো কিছুমান কাম সময়তকৈ আগতেই হ'ব। যিহেতু আঁহতৰ খোৰোঙৰ কপৌফুল ব'হাগ মাহত ফুলে আৰু ব'হাগতে সৰে। তামৰঙী আকাশক কবিয়ে মানুহৰ জ্ঞানৰ বিকৃতিৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰিছে। বৰ্তমান সময়ত মানুহৰ মন-মগজু ক্ৰমান্বয়ে সংকীৰ্ণ হৈছে, জ্ঞানৰ বিকৃতি ঘটাৰ ফলত কোনো কথা দকৈ চিন্তা কৰিব নোৱাৰা অৱস্থা হৈ পৰিছে। অৰ্থাৎ 'তামৰঙী আকাশ' ফুটছাই বৰণৰ পৃথিৱী আদি ব্যাকাংশৰ জৰিয়তে কবিয়ে সম্ভাৱনাশূণ্য বন্ধ্যা জীৱন আৰু নিষ্প্ৰাণ পৰিৱেশৰ কথা ভয়াবহ দৃশ্য অংকন কৰিছে।

স্ৰোতবিহীন নদী একোখন লাহে লাহে মৰাসুঁতিত পৰিণত হোৱা জুৰিয়ে গৈ শিলনিৰ ৰূপ ধাৰণ কৰা ইত্যাদি ছবি মৰুভূমিৰ ক্ৰম বিস্তাৰিত ৰূপ। নদী কেতিয়াও নিজৰা হ'ব নোৱাৰে। বৰ্তমান সময়ত সকলোবিলাক দিশ সংকীৰ্ণ হৈ গৈ আছে। মানুহৰ মন মগজু নৈতিকতা সকলো ক্ষীণকায় হৈ পৰিছে। জিএঙাক কবিয়ে মানুহৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰিছে। যিহেতু বৰ্তমান সময়ত মানুহে অলপ সেউজীয়াৰ কাৰণে হাবাথুৰি খাব লগা হৈছে আৰু ভৱিষ্যতেও হাবাথুৰি খাব লগা হ'ব। যিবোৰ মানুহৰ কৰ্মৰ কাৰণেই অৱক্ষয় ঘটিছে। তাকে ক'বলৈ গৈ কবিয়ে উপস্থাপন কৰিছে-

"নদীক নিজৰা কৰি জুৰিক শিলনি কৰি
বালিৰ দ'লৈৰে গঢ়ে গছ লতা ফুলৰ সমাধি
ছয়া-ময়া জিএঙা এটি বালিয়ে বালিয়ে উৰি
পানীৰ কাৰণে ঘূৰি
ক'ৰবাত বাট হেৰুৱায়
মৰুভূমি আহে এইদৰে
লাহে লাহে মাহে মাহে বছৰে বছৰে"

কবিতাটোত পঞ্চম স্তৱকটোত কবিয়ে অতি কৌশল পূৰ্ণ ভাৱে আনুভূতিক উত্তেজনাৰ সৃষ্টি কৰিছে। নীলা হৈছে বেদনাৰ প্ৰতীক। আহিনত কেতিয়াও আঘোণ আহিব নোৱাৰে। ইয়াত কবিয়ে প্ৰকৃতিৰ বিপৰীতজনক পৰিৱেশৰ কথা কৈছে। আচলতে ধান আঘোণতহে পকে, কিন্তু আহিনত ধান পকা মানে অপৰিপক্কভাৱে পকিছে। ইয়াত প্ৰকৃতিৰ দ্বাৰা মানৱ জাতিৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰিছে।

ব'হাগৰ ঢল, নিজৰাৰ ৰূপালী কৰি তোলা উজানৰ বগা মাছ, আহাৰৰ ক'লা মেঘ আদি সৃষ্টিৰ আমোঘ শক্তি এতিয়া অনুপস্থিত। মৰুভূমিৰ ক্ৰম আগ্ৰাসনে আধুনিক পৃথিৱীৰ বুকুৰ পৰা এই শক্তি দূৰীভূত কৰিছে। 'আঘোণ' সৃষ্টি সম্ভাৱৰ প্ৰতীক যদিও তাৰ উপস্থিতিয়ে ভৱিষ্যতৰ অনিশ্চতাৰ ইংগিত বহন কৰিছে। আহিনৰ পথাৰ শ্যামলী, তাত ভৱিষ্যতৰ সম্ভাৱনা লুকাই থাকে। কিন্তু সি হৈ পৰিছে আঘোণৰ দৰে সোণালী বৰণৰ। অকালতে শইচ শুকাই বিনষ্ট হোৱাৰ যন্ত্ৰণা আনিছে। সৃষ্টি ক্ষমতাৰ প্ৰতীকস্বৰূপ আহাৰৰ ক'লা মেঘ, প্ৰেম এতিয়া সভ্যতাৰ সুউচ্চ পাহাৰক অতিক্ৰম কৰি আহিব নোৱাৰে সেইবাবেই জীৱন হৈ পৰিছে ৰুক্ষ। কবিয়ে পাহাৰটোক বাধাৰ প্ৰাচীৰ ৰূপে ঠিয় কৰাইছে। সেয়েহে কবিৰ মনত প্ৰশ্ন হয়-প্ৰেমতকৈ প্ৰেমহীনতা বাৰু ক্ৰমে বেছি শক্তিশালী হ'বলৈ আৰম্ভ কৰিছে নেকি? তাকে উল্লেখ কৰি পৰৱৰ্তী স্তৱকত লিখিছে-

"বৰষুণ?
ধাননিত নগজিল জোৱাৰ বজৰা আমৰ বনত
দোঁ নেখালে খেজুৰি
কেৱল ফুলিব সিজু, মাজনিশা তৰাৰ পোহৰে
ৰেণু তাৰ বালিদাঁহী সাপক বিলাব। দুবৰি ছাটি
কাঁইটীয়া বনে
ৰাতিৰ বতাহে আহি ছটিয়াব শুকান বৰফ
দিনৰ পোহৰে তাত ঢালি দিব কমলাৰঙৰ গৰম লোহা।"

উক্ত স্তৱকটো 'সিজু' 'বালিদাঁহী সাপ' 'কাঁইটীয়া বন' 'বৰফ' আদি প্ৰতিটো প্ৰতীকেই মৰুময় জীৱনৰ বন্ধ্যাত্ব আৰু ক্ৰুৰতাৰ

ব্যঞ্জনা আনিছে। শ্যামলী পথাৰত এতিয়া জোৱাৰ বজৰাৰ খেতি নাই। আমৰ বনত নাই দোঁ খোৱা খেজুৰি। এইবোৰ ঠাইত ফুলিব মৰুভূমিত গজা সিজু আৰু কাঁইটীয়া বন। ৰাতিৰ হিম চেঁচা বতাহ আৰু দিনত লোহা গলাব পৰা সূৰ্যৰ উত্তাপ এয়ে হ'ব এতিয়া চিনাকি ছবি অৱশ্যে এনেদৰে মৰুভূমিৰ আগ্ৰাসনৰ এক ভয়াবহ ছবি মূৰ্ত হৈ উঠিলে ও কবিয়েও তাৰ মাজতো পানীৰ আশা কৰিছে। পানীয়ে মৰুভূমিক জীপাল কৰি তোলাৰ দৰে প্ৰেম, ভালপোৱা, দয়া, মমতা আদিয়ে মানৱীয় প্ৰমূল্যসমূহেও মৰুময় নীৰস জীৱনক প্ৰাণশক্তি যোগাব পাৰে। কবিয়ে পানী শব্দটো পোনে পোনে উল্লেখ নকৰিলেও উটৰ দীঘল ছাঁ, শুই ৰব হাড় হৈ সাগৰৰ বাবে বুলি প্ৰকাৰন্তৰে পানীৰ সম্ভাৱনাকে আশা কৰিছে। তাকে বুজাবলৈ কবিয়ে উল্লেখ কৰিছে এনেদৰে-

"উটৰ ডিঙিৰ ছাঁ দীঘল ডিঙিৰ ছাঁ শুই ৰ'ব
হাড় হৈ সাগৰৰ বাবে"

জগতখনত এনেকৈ কলা কলাকৈ বাঢ়ি অহা মৃত্যু প্ৰৱণতা অৱশ্যেই ৰোমাঞ্চেৰে পৰিপূৰ্ণ। ইয়াত আছে দেহা শিহঁৰাব পৰা উত্তেজনা আৰু ভয়ংকৰৰ মুখামুখী হৈ অনুভৱ কৰা ৰোমাঞ্চ। এনে ৰোমাঞ্চক ক'ব পাৰি আত্মনিপীড়নৰ যোগেদি আনন্দ লাভৰ প্ৰৱণতা। কবিৰ ভাষ্যত এনে ৰোমাঞ্চ হৈছে-

মতে সৌন্দৰ্য থাকিব লাগে, ধ্বংসস্তুপৰ মাজেৰে কেতিয়াবা সৌন্দৰ্যৰ সৃষ্টি হয়। সমাজখন যেন সকলো ফালৰ পৰাই ক্ষয় হৈ গৈছে। কিন্তু মানুহে ক্লীৱৰ দৰে জড় বস্তুৰ দৰে সকলো অনায়াসে গ্ৰহণ কৰি আছে। ইয়াক শুধৰাবলৈ কেতিয়াও চেষ্টা কৰা নাই।

"বালিৰ বতাহে জানো পাহাৰত ভাস্কৰ্য গঢ়েহি?
গঢ়ে বিভীষিকা।"

মৰুভূমিত বালিৰ বতাহ বলি মৰুকক্ষত থকা শিলাময় পাহাৰৰ গাত শ শ কিলোমিটাৰ প্ৰতি মিনিটৰ বেগত বলা বতাহৰ গতিশীল বালিয়ে আঘাত কৰোঁতে কৰোঁতে শিলৰ পাহাৰ ক্ষয়ীভূত হোৱাৰ ফলত পাহাৰৰ শিলৰ ৰূপ চাবলগীয়া হয়। কিন্তু সেই ভাস্কৰ্য সৃষ্টি কৰাটো মৰু বতাহৰ উদ্দেশ্য নহয়। মৰু বতাহৰ উদ্দেশ্য হৈছে ধ্বংস কৰা।

কবিৰ মতে বালিৰ বতাহে পাহাৰত কেতিয়াও ভাস্কৰ্য গঢ়িব নোৱাৰে। ইয়াত কবিয়ে বিপৰীতধৰ্মী চিত্ৰকল্প প্ৰয়োগ কৰিছে। যিহেতু সমাজত ঘটি থকা অকৰ্ম বিলাকে কেতিয়াও ভৱিষ্যত প্ৰজন্মক এখন সুস্থ সমাজ গঢ় দিব নোৱাৰে। আৰু সেই সমাজখনত যদি ৰোমাঞ্চ আছে, সৌন্দৰ্য আছে, সেই সৌন্দৰ্যক গ্ৰহণ কৰিবলৈ কবি প্ৰস্তুত নহয়।

*তৃপ্তি-অতৃপ্তি, সৃষ্টি-সম্ভাৱনা, অতীত ভৱিষ্যত ইয়াত একো নাই, আছে মাত্ৰ এক ক্ষয়িষ্ণু বৰ্তমান। অনায়াসে গ্ৰহণ কৰাৰ ক্লীৱতা দুয়োটা চৰিত্ৰৰ বিশেষত্ব।*

"এইদৰে শেষ হোৱা......এই যে ৰোমাঞ্চ মৰণৰ
ইয়ে প্ৰৌঢ়া ৰমনীৰ ৰমন-বিলাস অনভিজ্ঞ
কিশোৰৰ স'তে। য'ত
গ্লানিৰ অতৃপ্তি নাই, তৃপ্তি অশান্ত নাই
ধ্বংসৰ সৌন্দৰ্য নাই, কেৱল ক্ষয়ৰ অবিলতা
অনায়াস গ্ৰহণৰ কেৱল ক্লীৱতা"

ইয়াত প্ৰৌঢ়া ৰমনীৰ উৎকট বাসনাৰ চিকাৰ হোৱা অনভিজ্ঞ কিশোৰটোৰ ভৱিষ্যত ভয়াবহতাৰ ইংগিত আছে। তৃপ্তি-অতৃপ্তি, সৃষ্টি-সম্ভাৱনা, অতীত ভৱিষ্যত ইয়াত একো নাই, আছে মাত্ৰ এক ক্ষয়িষ্ণু বৰ্তমান। অনায়াসে গ্ৰহণ কৰাৰ ক্লীৱতা দুয়োটা চৰিত্ৰৰ বিশেষত্ব। কবিয়ে কবিতাটোত উল্লেখ কৰা প্ৰৌঢ়া ৰমনী হ'ল ধৰিত্ৰী আৰু অনভিজ্ঞ কিশোৰ হ'ল অকাৰ্য কাম কৰি তৃপ্তি পাইছে কিন্তু শান্তি পোৱা নাই। কবিৰ

কবিতাটোৰ শেষত কবিয়ে কৈছে-

"তাতো যি ৰোমাঞ্চ আছে, যদি আছে
হে জীৱন
নালাগে আশ্ৰয় তাৰ
ভাগৰ লাগিছে মোৰ গঢ়ি গঢ়ি নতুন বিদ্ৰোহ"

কবিৰ মানসপটত প্ৰতিভাসিত হৈ উঠা এইখন মৰুভূমি আধুনিক জীৱনৰ পটভূমি। আধুনিক জীৱন সুখ স্বাচ্ছন্দ্যৰ পৰিপূৰ্ণ যেন লাগিলেও ভৱিষ্যতৰ এই জীৱন মধুৰ নহয়। মানৱ জাতি যেন গৈ আছে সৃষ্টিহীন পৃথিৱীৰ দিশে। এইখন মৰুভূমি মানৱ সমাজলৈ প্ৰকৃতিৰ দান নহয়। মানুহে নিজৰ বাবে নিজৰ অজ্ঞাতে সৃষ্টি কৰি লোৱা মৰুভূমি। আধুনিক সভ্যতাৰ সকলো উপকৰণ গ্ৰহণ কৰি কোনোবা ৰোমাঞ্চিত হ'লেও হওক। কবিয়ে তাত আশ্ৰয় ল'ব খোজা নাই। মানৱীয় মূল্যবোধৰ সন্ধান কৰি কবি ভাগৰুৱা।

# মৃণাল কলিতাৰ ‘বকুল ফুলৰ দৰে’ পঢ়াৰ এক সুকীয়া অনুভৱ



**পূজাশ্ৰী ফুকন**

কিতাপে মানুহৰ মনত যোগাত্মক চিন্তাৰ বিকাশ ঘটায় আৰু মানুহৰ মনটো সুস্থিৰ কৰি ৰাখে। কোনো এখন কিতাপ পঢ়াৰ পাছত মানুহৰ মনত বিভিন্ন ধৰণৰ অনুভৱৰ সৃষ্টি হয়। তেনে এখন কিতাপ হৈছে মোৰ আটাইতকৈ প্ৰিয় মৃণাল কলিতাৰ ‘বকুল ফুলৰ দৰে’। উপন্যাসখনত নিৰ্মল, অসীম, অনুভৱ মাষ্টৰ, জিলমিল মাষ্টৰণী,মহেন্দ্ৰ মাষ্টৰৰ মাজত বন্ধুত্ব, দৰিদ্ৰতা, জীৱন সংগ্ৰাম,শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজৰ সম্পৰ্ক আদি সহজ-সৰল ভাষাত খুব ধুনীয়াকৈ বৰ্ণনা কৰিছে।

অসীম যিয়ে আৰ্থিক অনাটনৰ বাবে স্কুল যোৱা বাদ দিছিল। লোকৰ ঘৰত কাম কৰা মাক, মদপী দেউতাক আৰু একমাত্ৰ ভনীয়েক আজলীৰ কথা চিন্তা কৰিয়ে দুৰ্গম পাহাৰৰ শিল ভাঙি ভাঙি কোনোমতে পৰিয়ালটোৰ  জোৰা-টাপলি মাৰিছিল। ক্লাছত একনম্বৰ

হৈয়ো নিৰ্মল সন্তুষ্ট হোৱা নাছিল। ক্লাছত প্ৰতিবাৰেই একনম্বৰৰ হোৱা তাৰ বন্ধু অসীমৰ পঢ়াৰ প্ৰতি গুৰুত্ব নিদিয়া কথাটোত সি চিন্তিত হৈছিল। জন্মৰে পৰা হৃদযন্ত্ৰৰ ৰোগত ভুগি থকা নিৰ্মলৰ সেই হাহিমুখীয়া মুখখনৰ ভিতৰত যে এটা করুণ কাহিনী সোমাই আছে কোনে বুজিব। তথাপিও বন্ধু অসীমক তাৰ আগৰ স্থানলৈ ঘূৰাই আনিবলৈ নিস্বাৰ্থভাৱে সহায় আৰু চেষ্টা কৰিছিল। সিহঁতৰ স্কুলৰ গণিতৰ শিক্ষক খঙাল মহেন্দ্ৰ মাষ্টৰে এসময়ত জুৰেল বুলি মতা অসীমক পঢ়া-শুনাৰ প্ৰতি ধাউতি নোহোৱাৰ বাবে নানাধৰণৰ গালি-শপনি পাৰিছিল। একপ্ৰকাৰে সি মহেন্দ্ৰ মাষ্টৰৰ গালি-শপনিৰ বাবেও স্কুল যোৱা বাদ দিছিল। স্কুলখনলৈ নতুনকৈ অহা গণিতৰ শিক্ষক অনুভৱ মাষ্টৰৰ আগমনে গণিতক ভূত দেখাদি দেখা ল'ৰা-ছোৱালীবোৰ গণিত বিষয়টোৰ প্ৰতি আকৰ্ষিত হৈছিল। উপন্যাসখনৰ জৰিয়তে বৰ্তমান আমাৰ প্ৰচলিত শিক্ষাব্যৱস্থাৰ দোষ-ক্ৰুটিবোৰ আঙুলিয়াই দিছে। লগতে আমাৰ মানুহৰ ভিতৰৰ লাহে লাহে মৰি যোৱা হৃদয়খন জীয়াই তুলিবলৈ চেষ্টা কৰিছে। অনুভৱ মাষ্টৰ আৰু নিৰ্মলৰ প্ৰচেষ্টাত অসীম পুনৰ স্কুললৈ গৈছিল। পঢ়াৰ প্ৰতি থকা অসীমৰ যি ৰাপ তাৰ বাবে সি লোকৰ ঘৰে ঘৰে বাতৰি-কাকত বেচি বেচি তাৰ ধনেৰেই নিজৰ পঢ়াৰ খৰচ উলিয়াইছিল। উপন্যাসখনত অসীম আৰু অনুভৱ মাষ্টৰৰ কথা-বতৰাবোৰ ইমান ধুনীয়াকৈ বৰ্ণনা কৰিছে যে এজন শিক্ষক হৈয়ো অনুভৱ মাষ্টৰে বন্ধুৰ দৰে তাক কথাবোৰ ইমান সৰলভাৱে কেনেকৈ বুজাইছিল। জীৱনটো আমি মাথো এবাৰেই পাওঁ, খেলুৱৈসুলভ মনেৰে কথাবোৰ ভাবিব লাগে, জীৱনটো প্ৰতিদিনেই উদযাপন কৰিব লাগে।

ইমান কষ্টৰ মাজতো নিৰ্মল আৰু অসীমে দশম শ্ৰেণীৰ পৰীক্ষাত কোনেও ভাবিব নোৱাৰা এটা ৰিজাল্ট কৰি দেখুৱালে। দুয়োটাই ষ্টেণ্ড কৰিলে আৰু মহেন্দ্ৰ মাষ্টৰে খুব জোৰেৰে দুয়োকে সাৱটি ধৰিলে সেইদিনাই প্ৰথম সিহঁতে মহেন্দ্ৰ মাষ্টৰৰ চকুলো দেখিছিল। সেইদিনাৰ পৰাই মদৰ বটলৰ পৰা মূৰ নোটোলা অসীমৰ দেউতাকে মদ খাবলৈ এৰি দিছিল। প্ৰচলিত শিক্ষাব্যৱস্থাৰ ফোপোলা ৰূপটোৰ বিষয়ে চিন্তিত হোৱা জিলমিল মাষ্টৰণী, একমাত্ৰ অসীমৰ কথা চিন্তা কৰিয়েই দশম শ্ৰেণীত গণিত পঢ়ুৱাবলৈ বাদ দিয়া মহেন্দ্ৰ মাষ্টৰ, নিস্বাৰ্থভাৱে তাক সহায় কৰা বন্ধু নিৰ্মল, অসীমৰ মদাহী দেউতাক, অসহায় মাক, ভনীয়েক আজলী, আৰু আধুনিকতাৰ বজৰুৱা সোঁতত উটি যোৱা গাঁৱৰ মানুহবোৰ, সৎ উদ্দেশ্যৰে সমাজৰ বাবে কিবা এটা কৰিব খোজা নাৰী কেলেংকাৰীৰ জড়িত থকা বদনাম পোৱা অনুভৱ মাষ্টৰ আৰু লেখকৰ ব্যতিক্ৰমী চিন্তাৰ বুজ ল'বলৈ মৃণাল কলিতাৰ 'বকুল ফুলৰ দৰে' উপন্যাসখন সকলোৱে পঢ়াটো উচিত বুলি ভাবোঁ।

বৰ্তমান এই উপন্যাসখনে সকলোৰে মাজত সমাদৰ লাভ কৰিছে। প্ৰতিটো চৰিত্ৰ, প্ৰতিটো সংলাপ আৰু লিখনশৈলী ইমান সহজ আৰু সুন্দৰকৈ প্ৰকাশ কৰিছে যে প্ৰাথমিক বিদ্যালয়ৰ সাধাৰণ




ছাত্ৰ-ছাত্ৰীয়েও কিতাপখন পঢ়ি বুজিব পাৰিব। আৰম্ভণি আৰু সুন্দৰ পৰিসমাপ্তিৰ জৰিয়তে লেখক সফল হৈছে বুলি আমি ক'ব পাৰোঁ। উপন্যাসখন পঢ়িলে আমাৰ মনত এক নতুনধৰণৰ চিন্তাধাৰাৰ সৃষ্টি হ'ব। প্ৰত্যেকটো পৃষ্ঠা বাৰে বাৰে পঢ়িও আমনি নলগা এখন সফল উপন্যাস। মাজে মাজে দুচকু সেমেকি উঠিব। এই উপন্যাসখন কৈশোৰ কালৰ উপযোগীকৈ ৰচিত যদিও সকলোৱে পঢ়াটো দৰকাৰ। প্ৰতিগৰাকী শিক্ষক, প্ৰতিগৰাকী অভিভাৱক আৰু প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে পঢ়িব পৰাকৈ এখন অতি উপযুক্ত গ্ৰন্থ। কিতাপখন পঢ়াৰ পাছত কিতাপখন শেষ হৈ নাযায়, শুনি থকাৰ পিছতো উপন্যাসখন শেষ হৈ নাযায়। ই মনৰ ভিতৰত কোনোবা এটা কোণত ৰৈ যায় চিৰদিন।

শেষত, আধুনিক অসমীয়া সাহিত্যৰ এগৰাকী গল্পকাৰ তথা 'বকুল ফুলৰ দৰে' উপন্যাসখনৰ বাবে মৃণাল কলিতাক এজন সফল লেখক বুলিব পাৰি। ২০২১ চনৰ ডিচেম্বৰ মাহৰ ৩০ তাৰিখে 'বকুল ফুলৰ দৰে' উপন্যাসখনৰ বাবে সাহিত্য অকাডেমিৰ 'শিশু সাহিত্য বঁটা লাভ কৰে।



# কিতাপ আমাৰ শ্ৰেষ্ঠ বন্ধু

**মাইনা চুতীয়া**

*"Book Gives A soul to the Universe using to the mind,*
*Flight to the imaginations and life to everything."*
*-Plato*

মানুহ হৈছে সামাজিক প্ৰাণী। মানুহে কেতিয়াও অকলশৰে জীৱন অতিবাহিত কৰিব নোৱাৰে। সেইবাবে মানুহক এজন সংগী বা বন্ধুৰ প্ৰয়োজন হয়। বৰ্তমান আধুনিকতাৰ ধামখুমীয়াত মানুহে নিজৰ স্বাৰ্থৰ কথা বেছিকৈ চিন্তা কৰে। কেৱল নিজৰ লাভৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰা দেখিবলৈ পোৱা যায়। গতিকে মানুহৰ মাজত থকা সম্পৰ্কৰ পবিত্ৰ এনাজৰীডাল শেষৰ সময়লৈকে বৰ্তি থকা পৰিলক্ষিত নহয়। কিন্তু, মানুহে এজন প্ৰকৃত বন্ধু বা সংগীৰ সন্ধানত সদায়ে থাকে। তেওঁলোকে সেইজনক বন্ধু হিচাপে বিচাৰে যাৰ উপস্থিতিত বিনাদ্বিধাই হৃদয়ৰ সমস্ত সুখ অথবা দুখ প্ৰকাশ কৰিব পাৰে।

কিতাপ হৈছে মানুহৰ আটাইতকৈ শ্ৰেষ্ঠ সংগী। কিতাপে আমাৰ পৰা প্ৰতিদান স্বৰূপে একো আশা নকৰে। বৰঞ্চ আমাক আনন্দহে প্ৰদান কৰে। ইয়াৰ জৰিয়তে আমি যথেষ্ট পৰিমানে জ্ঞান অৰ্জন কৰিব পাৰো। কিতাপে আমাক এখন কল্পনাৰ পৃথিৱীলৈ লৈ যায়। ইয়াৰোপৰি কিতাপে আমাক ব্যক্তিত্বৰ বিকাশ সাধন কৰাৰ লগতে সহানুভূতিশীল হোৱাত সহায় কৰে। কিতাপৰ অধ্যয়নে আমাৰ মনৰ অৱসাদ বহু পৰিমানে দূৰ কৰাত সহায় কৰে।

আমাৰ মানসিক ধাৰণাৰ বিকাশ মতামত প্ৰকাশ কৰাৰ ক্ষেত্ৰত যথেষ্ট পাৰ্গত কৰি তোলে। বিভিন্ন ধৰণৰ উৎকৃষ্ট লেখনীয়ে আমাক কষ্ট সহিষ্ণু কৰি তোলাত অনুপ্ৰেৰণা যোগোৱাৰ লগতে আমাৰ মনত পুহি ৰখা অপ্ৰয়োজনীয় চিন্তাসমূহ আঁতৰ কৰাত যথেষ্ট সহায় কৰে। এইক্ষেত্ৰত আমি হোমেন বৰগোহাঞিৰ ছাৰৰ 'অন্তহীন প্ৰেৰণা' নামৰ গ্ৰন্থখনৰ বিষয়ে উল্লেখ কৰিব পাৰো। কিতাপখনৰ জৰিয়তে আমি জীৱনত যথেষ্ট পৰিমানে লাভান্বিত হ'ব পাৰিম।

কিতাপে কেৱল যে সৃষ্টিশীলতাৰ বিকাশ সাধন কৰে এনে নহয়, আমাক বহুতো গুৰুত্বপূৰ্ণ তথ্যও প্ৰদান কৰে। যিগৰাকী ব্যক্তিয়ে নিয়মিত ভাৱে অধ্যয়ন কৰে তেওঁ জীৱনত যথেষ্ট সুখ লাভ কৰাৰ লগতে আভ্যন্তৰীণ উৎকৰ্ষ যথেষ্ট পৰিমাণে সাধন হোৱা দেখা যায়। কিতাপে আমাৰ জীৱনত যথেষ্ট প্ৰভাৱ পেলোৱা পৰিলক্ষিত হয়। যেতিয়া আমি অত্যন্ত সুখী বা অত্যন্ত দুখী অনুভৱ কৰো সেই সময়ত আমাক উৎসাহ প্ৰদান কৰা দেখা পোৱা যায়। এইক্ষেত্ৰত কিতাপক আমাৰ দৈনন্দিন জীৱনৰ মাৰ্গ দৰ্শন কৰোতা বুলি অভিহিত কৰিব পাৰো।

এখন ভাল কিতাপৰ অধ্যয়নে আমাৰ জীৱনৰ সেই সময়খিনি বহু পৰিমাণে লাভান্বিত কৰি তোলে। কাৰণ ই আমাক চিন্তামুক্ত কৰি তোলে। গতিকে নিয়মিতভাৱে কিছু সময় উলিয়াই হ'লেও এখন ভাল কিতাপ পঢ়াৰ অভ্যাস কৰাটো আমাৰ বাবে অত্যন্ত আৱশ্যকীয়। কিয়নো কিতাপখনৰ জৰিয়তে এটা সুন্দৰ বাৰ্তা লাভ কৰাৰ লগতে আমাৰ জ্ঞানৰ ভঁৰালটো কিছু পৰিমাণে হ'লেও টনকীয়াল কৰি তুলিব পাৰি।

গতিকে এতিয়া কথাটো হ'ল যে কিতাপ আমাৰ আটাইতকৈ শ্ৰেষ্ঠ বন্ধু। কিতাপখনো আমাৰ বাবে ভাল আৰু বেয়া দুয়োটা হ'ব পাৰে। সেইক্ষেত্ৰত গুৰুত্বপূৰ্ণ কথাটো হ'ব যে আমি কেনেধৰণৰ কিতাপ অধ্যয়নৰ বাবে নিৰ্বাচন কৰিম। কিতাপ এখন নিৰ্বাচন কৰাৰ ক্ষেত্ৰত পাঠক যথেষ্ট পৰিমানে সতৰ্ক হোৱাটো নিতান্তই প্ৰয়োজনীয়। কিয়নো এখন ভাল কিতাপে আমাৰ সামৰ্থ বৃদ্ধি কৰে আৰু এখন বেয়া কিতাপে আমাৰ চিন্তাধাৰা অৱনতি ঘটোৱাৰ ক্ষেত্ৰত যথেষ্ট ভূমিকা পালন কৰে।

গতিকে শেষত কওঁ যে কিতাপ হৈছে আমাৰ শ্ৰেষ্ঠ বন্ধু। এক সুবৰ্ণময় সময়ৰ সুগন্ধিময় আভা হৈছে কিতাপ। এখন সুস্থ সমাজ গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে কিতাপৰ অধ্যয়নে। এজন ৰোমানৰ বিখ্যাত দাৰ্শনিক ভাষাৰেই কওঁ- 'A room without books is like a body without a soul'- Marcus Tullius.




## CBCS পাঠ্যক্ৰম




CBCS পাঠ্যক্ৰমে শিক্ষাৰ্থীসকলক নিৰ্ধাৰিত পাঠ্যক্ৰমৰ পৰা পাঠ্যক্ৰম বাচনি কৰাত সুযোগ দিছে। এই পাঠ্যক্ৰমবোৰ মূল্যাংকন কৰিব পাৰি। মূল্যাংকন প্ৰণালীত আধাৰিত কৰি সংগ্ৰহমূলক গ্ৰেড্ পইণ্ট সৃষ্টি কৰিছে। শিক্ষাৰ্থীসকলক আন্তঃঅনুশাসনমূলক পাঠ্যক্ৰম, দক্ষতা পাঠ্যক্ৰম আদি বাচনি কৰিবলৈ অনুমতি প্ৰদান কৰিছে আৰু শিক্ষাৰ্থীসকলৰ প্ৰয়োজনীয় শিক্ষা, আগ্ৰহ অনুসৰি বেলেগ পাঠ্যক্ৰমতকৈ এই পাঠ্যক্ৰম সম্পূৰ্ণ দক্ষতাপূৰ্ণ আৰু নমনীয় বুলি ক'ব পাৰি।

**পুষ্পাঞ্জলী দলে**

# মই অলপতে পঢ়া এখন গ্ৰন্থ

**পূৰবী দত্ত**

মই আজিলৈকে যিমানবোৰ গ্ৰন্থ পঢ়িছো আটাইবোৰেই মোৰ প্ৰিয়। কিন্তু কেইদিনমানৰ আগতে পঢ়া এখন গ্ৰন্থই মোৰ জীৱনত সাঁচ বহুৱাই গ'ল। গ্ৰন্থখনৰ নাম আছিল 'মোৰো এটা সপোন আছে।' এই গ্ৰন্থখন লিখিছিল ড° ৰুবুল মাউতে। তেখেতে এই গ্ৰন্থখনৰ জৰিয়তে নিজৰ জীৱন সংগ্ৰামৰ কাহিনী দাঙি ধৰিছে। অতি সৰুৰে পৰা কঠোৰ দৰিদ্ৰতাকো নেওচি কেনেদৰে কঠোৰ পৰিশ্ৰম কৰি নিজৰ সপোন গঢ়াত সফল হৈছিল এই সকলো খিনি কথা লিখকে তেওঁ আত্মজীৱনীমূলক গ্ৰন্থখনত প্ৰকাশ কৰিছে।




ড° ৰুবুল মাউত আছিল গাঁৱলীয়া চহা জীৱনত বাস কৰা অতি সাধাৰণ ঘৰৰ ল'ৰা। তেখেতৰ জন্ম হৈছিল অসম অৰুণাচল সীমান্তৰ কৈলাসপুৰৰ টঙনা ন-গাঁও নামৰ গাঁৱত। তেওঁ সৰুৰে পৰা কঠোৰ সংগ্ৰাম কৰি জীৱনৰ কঠোৰতম পৰিস্থিতিকো মোকাবিলা কৰিবলৈ সক্ষম হৈছিল। তেওঁ সৰুৰে পৰা অতি তীক্ষ্ণ বুদ্ধি সম্পন্ন আৰু মেধাৱী ছাত্ৰ আছিল।

ড° ৰুবুল মাউতে তেওঁৰ জীৱন জোৰা সংগ্ৰামৰ ফলত বৰ্তমান এজন প্ৰতিষ্ঠিত বিজ্ঞানী হিচাপে নিজকে পৰিচয় দিবলৈ সক্ষম হয়। তেওঁ শৈশৱ-যৌৱনত দৰিদ্ৰতা আৰু নানান প্ৰতিবন্ধকতাৰ বিৰুদ্ধে অশেষ সংগ্ৰাম কৰিও এদিন আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাচাছুচেট বিশ্ববিদ্যালয়ৰ পৰা 'জিন এডিটিঙ'ৰ বিষয়ত গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰে। এই গ্ৰন্থখনৰ পৰা এটা কথা প্ৰমান হ'ল যে "দৰিদ্ৰতা জীৱন গঢ়াৰ বাটত কেতিয়াও হেঙাৰ হ'ব নোৱাৰে।" যদি মনত ইচ্ছা আৰু সপোন থাকে তেনেহ'লে সকলো কামতেই আমি সফলতা লাভ কৰিব পাৰিম। ইয়াৰ উৎকৃষ্ট উদাহৰণ- 'মোৰো এটা সপোন আছে।'

*(লেখিকা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী)*

अनुवाद
अनुवाद
साहित्य
साहित्य साहित्य
साहित्य
अनुवाद
अनुवाद







# अनुवाद की परिचय


## एमी मेहजाफी हुसैन

सहायक अध्यापिका, हिन्दी विभाग


'बूढ़ी आई की कहानियाँ' असमीया लोककथाओ का एक संग्रह है, जिसे प्रसिद्ध असमीया लेखक और कवि लक्षीनाथ बेजबरुआ द्वारा संकलित किया गया है 7 यह असमीया साहित्य की सबसे लोकप्रिय ग्रंथों में से एक है। इसका प्रथम प्रकाशन 1911 में हुआ था। बेजबरुआ द्वारा संपादित यह ग्रंथ पहला शिशु साहित्य के रुप में प्रसिद्ध है। असमीया साहित्य में 'बूढ़ी आईर हाधू' का अत्यंत महत्व है यह किताब असम के घर घर में शोभायमान है। हर बच्चा इनकी कहानियाँ सुनकर, पढ़कर नैतिक शिक्षा ग्रहण करता है। बेजबरुआ ने उल्लेख किया है कि प्रत्येक कहानी में कुछ न कुछ संदेश और नैतिक ज्ञान अवश्य होते है। साथ ही असमीया समाज, संस्कृति, परिवेश, लोकविश्वास, परम्पराएँ, रहन सहन, आदि का सुपरिचय मिलता है। इन्हे पढ़कर सभी मनोरंजन के साथ सीख भी ग्रहण करते है। यहां बहुत ही रोचक तरीके से पशु पक्षियों को बातें करते हुए प्रस्तुत किया गया है जो अत्यन्त मनभावन और आकर्षक बन पड़ा है।




'बूढ़ी आईर हाधू' की लोकप्रियता और महत्व के कारण ही आज अनेक भाषाओ में इसका अनुवाद किया गया है। अपने पंचम छमाही के विद्यार्थियों से इन कहानियों का हिन्दी अनुवाद करने का उद्योग किया था, सभी ने बड़े ही उत्साह से कहानियों का अनुवाद और विश्लेषण किया जो काफी सराहनीय है। उनमें से श्रेष्ठ तीन अनुदित कहानियों को आपके समक्ष रखा गया है। सभी विद्यार्थियों को आंतरिक शुभकामनाएँ।

# जल दैवता और खड़ी कटीयार साधु

## परिणीता फुकन

बुढ़ी आईर साधु में उल्लेखित- 'जल दैवता और खड़ी कटीयार साधु' की कथानक को हम इस प्रकार देख सकते है।

एक गाँव में एक लकड़ी काटने वाला आदमी था। वह दिनभर जंगल में लकड़ी काटता था और उसको बाजार में बेचकर अपनी घर चलाता था। एक दिन वह एक नदी के किनारे की जंगल पर लकड़ी काट रहा था। अचानक उसकी हाथो से उसका कुल्हाड़ी नदी में गिर गया। वह कुल्हाड़ी हो उनका जीविका का साधन था। इस प्रकार कुल्हाड़ी को नदी में गिर जाने की दुख से वह उपाय हीन होकर नदी के किनारे बैठकर रोने लगा। लकड़ी काटनेवाला आदमी (खड़ीकटीया) को इस प्रकार रोटे देखकर पानी के अन्दर से जल देवता आकर एक सोने की कुल्हाड़ो को दिखाकर पुछा- 'हे लकड़ी काटनेवाला (खड़ी कटीया) यह तुम्हारी खोया हुआ कोल्हाड़ी है क्या?' उसने जल-देवता के हाथ की ओर देखकर कहा- 'हे जल देवता ये मेरी कुल्हारी नही है।' ये उत्तर सुनकर जल देवता पानी के अन्दर जाकर एक चांदी का कुल्हाड़ी लेकर दिखाया। वह तब भी ये उसकी नही है बताया। इस बार जल देवता उसकी कुल्हाड़ी को दिखाया। वह सुदकी कुल्हाड़ी को देखकर खुशी में रोने लगा और बोला यही उसकी अठली कुल्हाड़ी है। लकड़ी काटनेवाला आदमी की साधुपन से मुग्ध होकर तीनो कुल्हाड़ी उसको दे दिया।



आदमी जंगल से आकर पुरी घटना गाँव की लोगो के सामने प्रकाश किया। और अन्य एक व्यक्ति उसी जगह मे जाकर अपनी मर्जी से अपनी कुल्हाड़ी को पानी में गिराकर रोने लगा। तब पिछली बार की तरह ही जलदेव उसके सामने आकर सोने की कुल्हाड़ी को दिखाया। तब उस व्यक्ति ने उसी कुल्हाड़ी को खुदका बताया। जलदेवता को उसकी झुठ से गुच्छा आया और वह पानी के अन्दर चला गया और लौटकर नहीं आया। फलस्वरूप बिछाड़ा ने खुदका कुल्हाड़ी भी खौ बैठा।

# तीखर और चुटिवाई

## जेसमिन वेगम

तीखर और चुटिवाई कहानी का कथानक दो अनाथ बच्चों की करूणा भरी जीवन और उनकी पीड़ा को लेकर आधारित है। कहानी में तीखर और चुटिवाई नामक दो भाई-बहन की बुद्धि की अभिव्यक्ति की है। दोनों की माता-पिता बचपन में ही देहान्त हो जाने के कारण उनलोगो को अनेक कष्ट सहना परा। एक दिन तीखर को जब पिठा खाने का मन हुआ, तो उसने अपनी बहन को बताया। बहन ने जव उसे पिठा खाने का कुछ भी सामान घर पर नही होने की बात बताई, तो तीखर ने बड़े ही कुशलता से दुसरों की घर से धान का जुगाड़ करके दिया। तेल लाने के लिए वह एक तेलीशाला में गया और उसके मालिक को कहा कि मुझे बड़े भुख लगी है कुछ खाने के लिए दो। जब मालिक कुछ लाने के लिए अन्दर गया तो वह तेल लेकर भाग गया। अब तीखर को गुड़ जुटाने की बारी है। रास्ते में जाते जाते उसने देखा की कुछ लोग गन्ने से गुड़ निकाल रहे है। तभी उसके मन में एक बुद्धि आया। वह जाके एक जगह पर आग लगा दिया। जब आग जलने लगे तीखर भागकर आकर गन्ना पीछने वाले लोगो को कहा कि चारो तरफ आग लग गया है। अब आपलोगो के घर भी जल जाएगें। यह बात चुनकर सबलोग आग बुझाने के लिए दौड़कर गए। इस अवसर पर तीखर ने एक गुड़ भरी गागरि को उठाकर अपने बहन को दिया। गुड़ मिलने पर चुटिबाई बहन खुश हुए। वह पीठा बनाने ही वाली थी की उसे याद आया लकरी नही है। तुरन्त ही तीखर लकड़ी लाने के लिए जंगल में गया और पेड़ काटने लगा। तभी पास आकर एक सेर ने उसे पुछा कि- ''कौन है तु? ऐसे पेड़ काट रहे हो। यह मेरा जंगल है।'' सेर को देखकर तीखर थोड़ा डर गए फिर भी वह गम्भीर होकर बोला कि- ''आप तो मेरे बड़े भाई जैसे हो! हमारे घरपर पिठाखोआ का आयोजन किया है। इसलिए हम आपको निमन्त्रण देने आए है।'' यह बात सुनकर सेर बहत खुश हुए और उसे दो-चार ज्यादा लकड़ी ले जाने के लिए कहा। समय आने वह पीठा खाने के लिए आना भी चाहा। तीखर अपने घर की तरफ दिखाकर बोला कि जव ही वहा से घुआं निकलेंगे आप चले आना। यही बोलकर तीखर ने लकड़ी लाया और दोनों ने पीठा बनाकर खाया। सेर को इसका कोई पता नही चला। दुसरे दिन वह घर के अंगन में थोड़ा आग जलाया और वहन के हाथो से तीन पीठा बनवाया। एक बरा चाउल का और वाकी दो कच्चु और चूण का। धुआं देखकर सेर तीखर के घर आते है। पहला पीठा खाकर उसे बहत अच्छा लगा फिर कच्चुवाला पीठा खाकर उसको खुजली हुई और जब चुण वाला पीठा खाया उसके मुह पर चौट आया। वह साँस नही ले पाया और सेर का मृत्यु हो गया। यही पर कहानी समाप्त होता है।

# चम्पावती

## विष्णुप्रिया नरह

रसराज लक्ष्मीनाथ बैजबरुवा जी के अनेक साधुओ में 'चम्पावती' साधु एक रोमांसक साधु रहा है। यह साधु अत्यन्त मनोरम, हृदयस्पर्शी तथा प्रकृति की पीड़ा बहुत प्रकट होता है।

'चम्पावती' साधु के अनुसार 'चम्पावती' कहानी तथा साधु का तत्व इस प्रकार होगा-

तक्ष्मीनाथ बेजवरूवा जी द्वारा रचित चम्पावती साधु एक मनोरम साधु है इस कहानी के अनुसार- एक समय में एक बड़ा धनवान व्यक्ति था उनका दो पत्नी थी एक का नाम लागि और दुसरे का नाम एलागि। उन दोनो का एक एक पुत्री सन्तान थी। एलागि का पुत्री का नाम चम्पावती था। वह धनवान व्यक्ति एलागि और चम्पावती को इतना भी महत्व नही दिया था। और वह सभी बाटे तथा कार्य 'लागि' के मुताविक हो करता था। एक दिन चम्पावती के पिता उसे खेती की धान की देखने के लिए भेज देते। है और चम्पावती वहा पक्षी को भगाने के लिए गाना गाती है-

*हुर हुर वता चराई/मुर धान नाखावि तुक दिम गीटाकराई/तभी वहाँ से आवाज आता है कि-/*

*धानो खाम चावोलो खाम/चम्पावतीक विया कराई घरलै जाम*

यह सुनकर चम्पावती दर जाता है और वह अपनी माँ को बता देती है। माँ दरकर पिता को बता देने से पिता एक दिन खेत में गाँववासीवो को लेकर जाता है। तभी पिताने कँहा कि तुम जो भी हो प्रकत हो जाओ। तुमसे में अपनी बेटी की शादी कराऊगाँ तभी एक बड़ा सा अजगर प्रकट हो जाता है और उस अजगर के साथ चम्पावती को विया करा देती है, और एक कमरे में ही चम्पावती और उस अजगर को एक साथ रखा जाता है और सुबाह होता है तो चम्पावती की पुरी शरीर सोने से भड़ी-परी थी। यह देखकर चम्पावती को छोतेली मा 'लागि' अपनी लालच में आकर अपनी बेटी को भी एक अजगर के साथ विवाह करने के लिए जिद करता है। और कही से एक अजगर लेकर उसे भी विवाह कर देती है। अंत में वह अजगर उसके बेटी को पुरी तरह से खा जाती है। और इनसब का जिम्मेदार भी चम्पावती और उसकी माँ को ही मानता है और दोनो को ही अत्याचार करता है।

इसी कारण चम्पावती के पति एक घना जंगल में उन दो को ले जाता है और वहाँ ही माँ बेटी हाँसी खुशी जीवन विताता है और कई साल के बाद चम्पावती की माँ ज्वर से देहान्त हो जाता है और चम्पावती अकेली पड़ जाता है। एक दिन एक बुढ़ी औरत चम्पावती के पाच आकर चम्पावती को उनका पति के बारे में सब बता देता है कि उनका पति एक देवता है वह स्वर्ग में रहता है। और रात में सोने का वेस्त करते ही वह देबा कि पुरुष। उनके सामने था वह पुरुष को अपना सेवा किया उसके वाद वह दोनो हसी खुशी जीवन बिताने लगा। उसके वाद चम्पावती के पति के छ: साल के लिए परदेश जाने के कारण पति की राक्षसी माँ ने चम्पावति को मारने का बहुत सी कोतुहल किया किन्तु वह मार नही सकी एक दिन जब छ: साल के वाद चम्पावती के पति वापस वहाँ आ गया तो वह राक्षसी माँ के साथ रहने के कारण वद राक्षसी माँ चम्पावती को एक चिठ्ठी देती है कि वह ''चम्पावती को खा देगी'' तभी उनका पति यह बाते समझ जाते है और वह अपने ही राक्षसी माँ को मार देता है और वह रासी जंगल को छोड़कर चम्पावती उसके पति एक नगर स्थापित कर के इसी खुशी रहते है।



# চুটিগল্প



# লক্ষ্যভ্ৰষ্ট

চয়নিকা চেতিয়া

পূৱালী আকাশত বেলিটিয়ে জুমি চাইছে কি নাইচোৱা। হাতত দাখন লৈ ওলাই গৈছে তেওঁ। অভ্যাসতকৈ আজি অলপ সোনকালেই শোৱাপাটী এৰিছিলো মই। তেওঁ যোৱাফালে চাই ৰৈ থকা মাক সুধিছিলো।

ঃ মা, দেউতা ক'লৈ গৈছে?

মাই কিজানি চকুৰ কোণৰ নিয়ৰ দুটোপাল মোহাৰিয়ে কৈছিল-

ঃ কাইলৈ তোক হোষ্টেল পঠাব লাগিব নহয় তাকে কাৰোবাৰ ঘৰত কিবা কাম পায় নেকি বিচাৰি গৈছে।

মাৰ চকুপানী দুটোপালে মোক কষ্ট দিছিল সঁচা কিন্তু আবেগিক হৈ মোহাৰি দিয়া নাছিলো তেওঁৰ চকুলো কাৰণ মোৰ খঙ উঠিছিল কাইলৈ মই যাবগৈ লাগিব আৰু এতিয়ালৈকে পইচা যোগাৰেই কৰিব পৰা নাই। অঁ, কাইলৈ যামগৈ মই ঘৰৰ মৰমবোৰ নেওচি সপোনৰ পম খেদি এখন নতুন পৃথিৱী অভিমুখে।

আজি বহুদিনৰ মূৰত হোষ্টেলৰ পৰা ঘৰলৈ আহি সকলোৱে মোৰ প্ৰতি হেঁপাহবোৰ দেখি দেখি আবেগ এটাই হেঁচি ধৰিছে। মাই আতৌ-পিতৌ কৰি যতনাই দিছে মাছৰ টেঙা দিয়া আঞ্জাকণ। এই প্ৰথম গৰাহ মাৰিছিলোহে খঙটো উঠিলেই নহয় ইমান ধুনীয়াকৈ শাককণ বনাই নিমখ কমকে দিলে।

ঃ মা, এইসোপা খাব পাৰে নেকি?

ঃ কিয়? কি হ'ল?

ঃ নিজে খাইছোৱা, কি হ'ল গম পাবা নহয়।

মাই হেঁপাহেৰে ৰন্ধা মাছৰ আঞ্জাকণত আৰু মই হেঁপাহেৰে খাবলৈ সানি লোৱা ভাত কেইটাত হাতখন ধুই উঠি গুছি আহিলো। মাই মুখেৰে একো নামাতিলে,ময়ো এবাৰো নাছালো তেওঁৰ চকুলৈ। হঠাৎ ফোনটো বাজি উঠিল। দেখিলো মৃন্ময়ীয়ে কৰিছে।

ঃ হেই মিছ মহাৰাণী ঘৰ পাই ক'ল এটাও কৰিব পাহৰিলি।

আৰম্ভ হ'ল বন্ধুত্বৰ লেথাৰি নিচিগা কথা। সঁচাকৈ কথাৰ ভঁৰাল এই মৃন্ময়ীজনী।

কলেজ গৈয়ে ভাল লাগিছিল তাইক। এই ২০ বছৰীয়া জীৱনটোতেই তাই যেন সকলো দেখিছে পৃথিৱীৰ ভাল বেয়া সকলো ৰূপ। নেদেখিবনো কিয়, দেউতাকে চাকৰি কৰে তাইৰ বন্ধ পালেই ফুৰিব যায় সিহঁতে। তাইৰ লগত কথা পাতি পাতি থাকোতে কিমান সময় যে হ'লগৈ ধৰিবয়ে নোৱাৰিলো।

ঃ বাৰু হ'ব দে এতিয়া

অৱশেষত বাইদেউৰ কথাৰ অন্ত পৰিল। দেখিলো আকাশখনে ৰ'দালিক বিদায় দিবলে সাজু হৈছে। সেন্দুৰীয়া বৰণ উলমি ৰৈছে সকলোতে। এবোজা খৰি পিঠিত লৈ সৌৰা পদুলি মুখত দেউতা। আহিবৰে পৰা লগেই পোৱা নাই তেওঁক। খৰিবোজা পিৰালিত থৈ মোৰফালে চাই হাঁহি এটা মাৰি সুধিলে-

ঃ মাজনী কেতিয়া পালিহি তই

ঃ ৩ টা মান বাজিল। তুমি ক'ত আছিলা আহিবৰে পৰা দেখা দেখি নাই যে?

ঃ মই ৰবীন বৰতাহঁতৰ জেউৰা এখন ভেটিব গৈছিলো আহোতে আকৌ যতীনৰ ঘৰত গছ এজোপা ভাগিল তাকে অলপ সহায় কৰি দিলো।

ঃ হ'ব হ'ব, বাপেকে জীয়েকে পিছত কথা পাতিব। আপুনি দিনটো একো এটা খোৱাই নাই নহয় সোনকালে খাই লওঁকহি।

মাৰ কথাষাৰত যেন দেউতাৰ ভোকতো উথলি উঠিল।

ঃ ব'লা ব'লা বৰ ভোক লাগিছে হে।

মা দেউতা সোমাই গ'ল ভিতৰলৈ মই বাৰান্দাতে ৰ'লো। গৰম ভাত তেতিয়ালৈ পঁইতা ভাত হ'লগৈ। মাই যতনাই দিয়া পঁইতাভাতে মাছৰ জোলকনেৰে দেউতাই ভাতকেইটাযে বৰ তৃপ্তিৰে খাইছিল সেইকথা মই বাৰান্দাৰ পৰাই গম পাইছিলো।

ঃ হেৰা, আজি ছোৱালী আহিব বুলিয়েই ইমান ধুনীয়াকে শাককণ বনাইছা নে, আনকালে দেখোন এনেকুৱা নালাগে।

চালি দিয়া জুহালখনৰ পৰা অহা উচ্চস্বৰৰ হাঁহিটোৱে যেন মাৰ মনত মই সিঁচি দিয়া আন্ধাৰকণ পোহৰাই দিলে কিন্তু মোৰ মনত কিজানি মেঘে গাজি উঠিল। বাৰে বাৰে ভাবি ৰ'লো দেউতাৰ ভোকৰ ভাতকেইটাত সঁচাকৈ নিমখ কম হোৱা নাছিল নে, নে মাৰ মৰহা মুখখন দেখিয়েই কৈছিল এইষাৰ কথা।

পূজাৰ বন্ধ শেষ, আজিৰ পৰা আকৌ কলেজ আৰম্ভ। মৃন্ময়ী নাহে আজি কলেজ গতিকে মই আজি বেলেগৰ লগত বহিব লাগিব। মৃন্ময়ীৰ লগত কলেজৰ প্ৰথম দিনটোৰ পৰাই আমি একেলগে বহিছিলো। বহুতৰ লগত চিনাকিও নাই মোৰ। মনে মনে গৈ অচিনাকি ছোৱালীকেইজনীমানৰ লগতেই বহিলোগৈ মই।

ঃ হাই..., মই ঝৰ্ণা

ছোৱালীকেইজনীৰ এজনীয়ে মাতিলে। ময়ো মোৰ পৰিচয় দিলো মুঠতে সম্পূৰ্ণ ক্লাছটো আমি কথা পাতিলো, নাম্বাৰ ল'লো। ভাল লাগি গ'ল। এবাৰ এজনীয়ে হঠাৎ সুধিলে-

ঃ দেউতাই কি কৰে তোমাৰ..?

মোৰ হাঁহি থকা মুখখন শেতা পৰি গ'ল। সিহঁতে গুৰুত্ব নিদিলে বেলেগ কথা আৰম্ভ হ'ল কিন্তু মোৰ মনত বাজি ৰ'ল প্ৰশ্নটো, কি কৰে মোৰ দেউতাই? পাৰিমনে মই পাৰিমনে সিহঁতক ক'বলে যে মোৰ দেউতা ৰাতিপুৱাই ওলাই যায় কাম বিচাৰি কেতিয়াবা দিনটো লঘোনে থাকি কাম কৰে আৰু মাই চোকা ৰ'দত ক'লা পৰি যোৱা দেউতাৰ পিঠিখন চাই মাথো হুমুনিয়াহ কাঢ়ে- মানুহজন বুঢ়া হৈছে। পাৰিমনে সিহঁতক ক'ব দুচলীয়া ঘৰটোৰ এখন সৰু বিচনাত টাপলি দিয়া কম্বলৰ তলত ৰচা মোৰ সপোনবোৰ পূৰণৰ বাবে মোৰ দেউতাই হাজিৰা কৰে।

মৃন্ময়ী আজি কলেজ আহিল। আহিয়েই চিধা মোক গালি দিলে।

ঃ কিয় আছিলি সিহঁতৰ লগত। মই এদিন নাহোঁতেই একেবাৰে সিহঁত কেইজনীৰহে লগ হ'লি নে?

ঃ আৰে তই যেনেকৈ ভাবিছ আচলতে সিহঁত তেনেকুৱা নহয়।

ঃ হ'ব মোক শিকাব নালাগে। সিহঁত কেনেকুৱা মুঠতে তই যদি সিহঁতৰ লগত থাকিব বিচাৰ তেন্তে মোক আৰু নামাতিবি কেতিয়াও।

তেনেকুৱাতেই ঝৰ্ণাই মাতিলে মোক-

ঃ সন্ধানী, মোৰ অলপ কাম আছিল এফালে যাব লাগে, ক্লাছ শেষ হোৱাৰ পাছত যাম হঁা..

মই না নক'লো কাৰণ এনেই মোৰ বন্ধু কম তাতে যদি তাই বেয়া পায়, মৃন্ময়ীৰ নো কি তাই হাজাৰ হ'লেও বেয়া নাপায় মোক।

কিজানি এয়াই আছিল মোৰ জীৱনৰ আটাইতকৈ ভুল সিদ্ধান্তটো। এই এটা সিদ্ধান্তই শেষ কৰি পেলালে সন্ধানী-মৃন্ময়ীৰ বন্ধুত্ব আৰু কিজানি লক্ষ্যভ্ৰষ্ট কৰি পেলালে সপোনৰ পম খেদি ফুৰা ছোৱালীজনীক। সঁচাই এয়াই আছিল মোৰ জীৱনৰ ভুল সিদ্ধান্তটো। আজি কপালত সেন্দুৰৰ ৰঙ আঁকি কাৰোবাৰ বন্দিনী হৈ অনুভৱ কৰিব পাৰিছো ভুলটো হৈছিল সেইখিনিতেই।

# মগনিয়াৰ

## বনশ্ৰী বৰুৱা

মই বাটে দি গৈ থাকোতে এজন মানুহক দেখি সেই ঠাইতে মই তবধ মানিলোঁ। মানুহজনলৈ বহু সময় ধৰি ভালদৰে নিৰীক্ষন কৰাৰ পাছত মই গম পালোঁ যে, তেওঁ এজন মগনিয়াৰ। লোকৰ ঘৰে ঘৰে, ৰাস্তাই - পথে মানুহৰ পৰা বস্তু খুজি-মাগি দিন কটোৱা তেওঁ এজন ৭০ বছৰীয়া বৃদ্ধলোক। গাৰ ছাল হোটোৰা হোটোৰ হোৱা, গাৰ হাড় ওলোৱা বৃদ্ধজন নিজৰ ভোক নিৰ্বাৰিণৰ বাবে কি যে দুৰ্দশাত পৰি এইদৰে জীৱন কটাইছে, ভাবিয়েই মোৰ দুচকুৰে চকুলো নিগৰিল। মানুহজনক দেখি মোৰ মনত বহুত প্ৰশ্ন ভাহি উঠিল। " এই পৃথিৱীত ভগৱানে সৃষ্টি কৰা জীৱৰ ভিতৰত মানুহেই শেহতীয়া জীৱ। শুনিছো মানুহ শেহতীয়া জীৱ হোৱা হেতুকে ভগৱানে মানুহক বৰ ভাল পায়, তেওঁলোক বিপদত পৰাটো নিবিচাৰে আৰু তেওঁলোকৰ অপকাৰ হোৱাটো আৰু মানৱ জাতিয়েও কাৰোবাক অপকাৰ কৰাটো ভগৱানে কোনোপধ্যে সাধাৰন ভাৱে মানি নলয় আৰু



ভগৱানে সেই ভূলৰ প্ৰতুত্তৰ নিশ্চয় দিয়ে। তথাপি কিয় এই মগনিয়াৰ জনে এইদৰে যন্ত্ৰনা কাতৰ জীৱন কটাবলগীয়া হৈছে, মই একো বুজিব নোৱাৰিলোঁ। কিছু সময়ৰ পিছত দেখোঁ থৰক-বৰক কৰি সেই বৃদ্ধ মানুহজন মোৰ ফালেই খোজ লৈছে। ক্ষন্তেক পিছতে তেওঁ মোৰ ওচৰ পালেহি আৰু মোৰ ফালে চাই দুহাত মেলি দিলে। মোৰ বোধ হ'ল তেওঁ মোৰ পৰা কিছু সহায় বিচাৰিছে। মই মোৰ লগত থকা মোনাটোত হাত ভৰাই এখন বিশ টকীয়া কাগজৰ নোট পালোঁ আৰু সেইখন মানুহজনৰ হাতত দিলোঁ। মই উপলব্ধি কৰিলোঁ যে বিশ টকীয়া নোটখন পাই তেওঁৰ মনটো আনন্দতে আত্মহাৰা হৈ উঠিল। মানুহজনৰ চকুজুৰিলৈ চাই মোৰ এনেকুৱা লাগিল তেওঁ বহুদিনৰ পৰা এই নোটখন লৈয়ে অপেক্ষা কৰি আছিল আৰু আজি তেওঁৰ অপেক্ষাৰ অন্ত পৰিল। অৱশেষত তেওঁ মোক শেতাঁ পৰা ওঠঁ দুখনৰ মাজেৰে ওলোৱা অপৰিস্ফুত হাঁহিৰে সম্ভাষণ জনায় তাৰ পৰা গুছি গ'ল আৰু ময়ো সেই ঠাইৰ পৰা ঘৰমুৱা হ'লো।



# ভুল

## কৰিশ্মা বৰুৱা

কিমাননো সহিব আৰু, হ'ল বুলিয়েইনো মানুহে ইমান কথা শুনাব লাগেনে, সন্তান এটিৰ মুখ দেখুৱাব পৰা নাই বুলিয়েই জেউতীক আজিকালি গাঁৱৰ মাংগলিক অনুষ্ঠানবোৰলৈ নিমন্ত্ৰণ নজনোৱা হ'ল। ঘৰততো আৰু এপালি চৰা। ওলওতে-সোমোওতে শাহুৱেকৰ গেঙেৰি শুনিয়েই থাকিব লাগে। তথাপিও তাই শান্তি পালেহেতেন যদি তাইৰ নিজৰ মানুহটোৰ এই উদাসীন ৰূপটো নেদেখিলেহেতেন। আজি সাতটা বছৰে এই ৰামধনক তাই বুজিয়েই নাপালে। কামলৈ বুলি ৰাতিপুৱাই ওলাই গৈ সন্ধিয়া ঘৰ সোমোৱা মানুহটোৱে এদিনলৈও তাইক দিনটোৰ কথা সুধি নাপালে। নিত্য নৈমিত্তিক কথা কেইযাৰৰ বাদে ৰামধনে হয়তো জেউতীৰ বিষয়ে একোৱেই নাজানে। তাইৰ ভাললগা বেয়ালগা আজিলৈকে সুধি নোপোৱা মানুহটোৰ প্ৰতিও তাইৰ একো অভিযোগ নাই। মাথো ভগৱানক সদায়েই খাটে যেন অকনমানি এজনক পঠিয়াই সকলোকে সুখী কৰি তোলে।

প্ৰতিমাহেই বৈ থকা সেই বিশেষ দিনকেইটাতো যেতিয়া একো পৰিৱৰ্তন নহয়, অন্তৰৰ নিভৃত কোণত সংগোপনে বাঢ়ি অহা সপোনটোৱেও মেলানি মাগে। কোঠাৰ এচুকত থকা সৰু বিচনাখনত আকৌ কেইদিনমানৰ বাবে উচুপনিবোৰ ঘন হৈ আহে।

এইবাৰ দেখোন তাইৰ গা নোধোৱা এমাহেই হ'লহি। গাটোও তাইৰ কিবা এটা বেয়া লাগি থাকে অনবৰতে। বমি বমি ভাৱ এটাও আহি থাকে। ভাবিবলৈ ভয় লাগে বুলি নভৱাকৈ থকা সপোনবোৰে আকৌ অগাদেৱা কৰি থাকে। কওঁ নকওঁকৈ থাকোতেই দুমাহেই পাৰ

হ'ল জেউতীয়ে গা নোধোৱা।

অৱশেষত কেনেবাকৈ শাহুৱেকক কথাটো ক'লে। খোৱাৰ প্ৰতি অনিহা আৰু তলপেটটোৰ পৰিৱৰ্তন দেখি এইবাৰ শাহুৱেকৰ মুখখনো বন্ধ হ'ল। চিঞৰি থকা মানুহজনীয়েও বোৱাৰীয়েকক আদৰ কৰিবলৈ ল'লে। খন্তেকৰ বাবে হ'লেও সেইদিনা বহু বছৰৰ পাছত ৰামধনে তাইৰ ওচৰতে বহি বহু দেৰি থৰ হৈ চাই ৰ'ল। ক্ৰমাৎ হোৱা পৰিৱৰ্তনবোৰে তাইক আহিবলগীয়াজনৰ প্ৰতি আৰু অকনমান মোহিত কৰিলে।

খবৰটো পোৱাৰ পাছদিনাৰ পৰা ৰামধনে কামলৈ নোযোৱা হ'ল। প্ৰথমাৱস্থাত কথাষাৰ থিকেই আছিল। জেউতীয়ে ভাবিছিল হয়তো সি ঘৰতেই কাম বন কৰিব। কিন্তু পাছলৈ দেখিলে যে সি অনবৰতে কিবা যেন চিন্তাত বিভোৰ হৈ থাকে। কেতিয়াবা তাইলৈ থৰ হৈ চাই ৰয় আৰু কেতিয়াবা আঠু দুটাত মুখখন গুজি জোলোকা লাগি বহি থাকে। অস্বাভাৱিক আচৰণবোৰে জেউতীক চিন্তাত পেলাইছিল যদিও বাঢ়ি অহা তলপেটটোৰ তথা ভাবিলেই মনটো ভৰি পৰিছিল। আহিবলগীয়া জনক লৈ ন আশাৰে সপোনবোৰ সজাইছিল। চাওঁতে চাওঁতে ন মাহেই সোমাইছিল। খোৱা বোৱা সঠিকভাৱে কৰিব নোৱাৰাৰ হেতুকেই হয়তো জেউতীৰ স্বাস্থ্যৰ অৱনতি ঘটিছিল। শাহুৱেকে ন পোৱাতীসকলৰ এনে হয়েই বুলি তাইক সকাহ দি আহিছিল। কিন্তু এদিন দুপৰীয়া তাই ঢলি পৰিছিল। অসহ্য যন্ত্ৰণাত চট্‌ফটাই থকা তাই শাহুৱেকেই ওচৰ চুবুৰীয়াৰ সহায়ত হাস্পাতাল পোৱাইছিলগৈ। এটা সময়ত চিকিৎসকে আহি খবৰটো জনাইছিল- জেউতী আৰু নাই, আজি দহমাহ দিনে তাই বাঢ়ি অহা পেটতোত ঔটেঙাৰ সম্পূৰ্ণ কঠিন অবয়ব এটাহে কঢ়িয়াই ফুৰিছিল। সময়ৰ লগে লগে অৱয়বটো ডাঙৰ হৈ আহিছিল আৰু মানুহজনীক দুৰ্বল কৰি পেলাইছিল।



মতামত

# নাৰী সুৰক্ষা আৰু আইন

নাৰী মানৱ জাতিৰ আয়ুসৰেখা। নাৰী অবিহনে পৃথিৱীত সৃষ্টিৰ গতিশীলতা কোন দিশে ধাৱমান হ'ব তাক অনুমান কৰিব নোৱাৰি। নাৰী অবিহনে নাথাকিব জীৱন অথবা নাথাকিব কোনো সমাজ। মহিলাৰ সুৰক্ষাৰ আইনসমূহ বহু ক্ষেত্ৰত আসোঁৱাহপূৰ্ণ আৰু সেইবোৰ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰতো ক্ৰটি দেখা যায়। যৌতুকবিৰোধী আইন, ১৯৬১ লগতে বিবাহ বিচ্ছেদ হোৱা মহিলাৰ সুৰক্ষা সম্পৰ্কীয় সুৰক্ষা আঁচনিসমূহ যথেষ্ট দুৰ্বল। আজি বাটে-ঘাটে যৌন হাৰাশাস্তিৰ পৰা মহিলা সুৰক্ষিত হোৱা নাই। প্ৰত্যেক মানুহে সম-মৰ্যাদা আৰু সম-অধিকাৰ লৈ জন্মগ্ৰহণ কৰে। গতিকে নাৰী সুৰক্ষা আইনসমূহে এতিয়ালৈকে নাৰীক সম-মৰ্যাদা বা সম-অধিকাৰ দিবলৈ সক্ষম হোৱা নাই বুলি অনুভৱ হয়।

**প্ৰণিতা লাগাছু**



# উপলব্ধি

## পূজাশ্ৰী ফুকন

এজনী ছোৱালী আছিল। তাইৰ ঘৰ লখিমপুৰ জিলাৰ কুঁহিয়াবাৰী গাঁৱত। ছোৱালীজনী বৰ আশাবাদী আছিল। হাইস্কুল শিক্ষান্ত পৰীক্ষা দি উঠি তাই বায়েকৰ ঘৰলৈ যাবলৈ মন মেলিলে। বায়েকৰ ঘৰলৈ যাব, ভাগিনৰ লগত খেলিব, ইমান দিনৰ মূৰত বায়েকজনীক দেখিব, মনটোক কিবা এটাই ভাল লগাই গ্ৰাস কৰি পেলাইছিল। কিন্তু সেই সময়তে বিশ্বত কৰোনা মহামাৰীয়ে ছানি ধৰিলেহি। তাই ভবাই নাছিল টে কৰোনা ভাইৰাছবিধ ইমান বিপদজনক। অসমীয়াত এষাৰ ডাকৰ বচন আছে- "ভবা কথা নহয় সিদ্ধি বাটত আছে কণা বিধি।" মহামাৰীৰ পৰা ৰক্ষা পাবলৈ সকলোতে লকডাউন ঘোষণা কৰিলে। যাৰ ফলত গাড়ী-মটৰৰ চলাচল বন্ধ হ'ল। আচম্বিতে সমগ্ৰ আশাটো আশা হৈয়ে ৰ'ল। চৰকাৰে ইদিন পিছত সিদিনকৈ লকডাউনৰ মাত্ৰা বৃদ্ধি কৰিবলৈহে ধৰিলে। অন্য সকলোৰে দৰে তাইৰো ঘৰতে সোমাই থাকি আমনি লাগিবলৈ ধৰিলে। অন্য সকলোৰে দৰে তাইৰো ঘৰতে সোমাই থাকি আমনি লাগিবলৈ ধৰিলে। ইফালে বাপতি সাহোন বিহুটিও কাষ চাপিছে, সেয়েহে তাই ভাবিলে ৰুমালকে লগাওঁ। কথামতেই কাম। ভবাৰ দৰেই কম দিনৰ ভিতৰতে তাই তাঁত জুটিও শেষ কৰিলে বিহুৰ পিছত আকৌ তাই ঘৰতে থাকি ৰং-বিৰঙৰ কাগজেৰে

ভায়েকৰ লগত বিভিন্ন ধৰণৰ ফুল বনাই ঘৰখন সুন্দৰকৈ সজালে। ফুলগছ ৰুলে, তাৰ প্ৰতিপালন ও কৰিবলৈ ধৰিলে চাওঁতে চাওঁতে মেট্ৰিকৰ ৰিজাল্ট দিব হ'ল। কি হ'ব কি নহ'ব বুলি উৎকণ্ঠাৰে মনটো ভৰি পৰিল। যথাসময়ত ফলাফল ওলাল আৰু তাই হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হ'ল।

ফলাফল ঘোষণা হোৱাৰ পিছত ঘৰখনত উখল-মাখল পৰিৱেশ। তাই ভাবিলে যদি মই বাহিৰা কিতাপ পঢ়িলোহেতেন হয়তো মোৰ ৰিজাল্ট আৰু অলপ ভাল হ'লহেতেন। তাইৰ বায়েকে সদায় কয় যে স্কুলৰ কিতাপ পঢ়াৰ উপৰিও আন বাহিৰা কিতাপ পঢ়িব লাগে। তেতিয়া বাক্যৰ গাঁঠনি আৰু লিখা ভাষাবোৰ সুন্দৰ হয়। কিন্তু তাই বায়েকৰ কথা কেতিয়াও শুনা নাছিল। বায়েকে পঢ়াৰ কথা ক'লে কয় যে- "পঢ়ি শুনিনো কিমান মানুহ ডাঙৰ হৈছে।" এইটো কথা ঠিক যে ভাত খালেহে ডাঙৰ হ'ব পাৰি, ভাত খালে কেৱল মানুহৰ শৰীৰটোহে ডাঙৰ হয়, কিন্তু কিতাপ পঢ়িলে মানুহৰ মনৰ চিন্তাধাৰা ডাঙৰ হোৱাৰ লগতে মানসিক শক্তিৰে বিকাশ সাধন হয়।

তাই এতিয়া উপলব্ধি কৰিলে যে বায়েকে সদায় ভাল আৰু সঁচা কথাই কৈছিল। আৰু তেতিয়াৰ পৰাই তাই বিভিন্ন ধৰণৰ গল্প, উপন্যাস আৰু আত্মজীৱনী আদিবোৰ পঢ়িবলৈ আৰম্ভ কৰিলে। আজিকালি তাই নিজেও গল্প লিখিবলৈ আৰম্ভ কৰিছে।



তাই আজি বায়েকক অন্তৰৰ পৰা ধন্যবাদ জনালে। কাৰণ যদি তাইক বায়েকে বাহিৰা কিতাপ-পত্ৰ পঢ়িবলৈ উৎসাহিত নকৰিলেহেতেন তাইৰ আজি ইমান সুন্দৰ লিখনি নহ'লহেতেন।


গতিকে সসময় কেতিয়াও অবাবত নষ্ট কৰিব নালাগে। এটকা দুটকা পইচা সঞ্চয় কৰি হ'লেও গল্প উপন্যাস, প্ৰবন্ধ, আত্মজীৱনী সাধু আদি ভাল ভাল কিতাপ কিনি পঢ়িব লাগে। যাৰফলত মানুহৰ উন্নত চিন্তাধাৰা, লিখনশৈলী, অন্যায়ৰ বিৰুদ্ধে নিজৰ উন্নত বিচাৰ বুদ্ধিৰে উচিত ব্যৱস্থা গ্ৰহণ কৰিব পাৰি।

মতামত

# নাৰী সুৰক্ষা আৰু আইন

বৰ্তমান সমাজ ব্যৱস্থাত নাৰীসকল সুৰক্ষিত বুলি ক'ব নোৱাৰি। নাৰীক শিক্ষা আৰু সম-অধিকাৰ দিয়া ব্যৱস্থাটো সম্পূৰ্ণ ফলপ্ৰসু হ'লেহে এটা জাতি, এখন সমাজৰ লগতে দেশৰ সৰ্বাংগীন উন্নতি হোৱা বুলি ক'ব পাৰি। কাৰণ নাৰীয়েই হৈছে ভৱিষ্যত প্ৰজন্মৰ জন্মদাত্ৰী। চৰকাৰে নাৰী সুৰক্ষাৰ বাবে প্ৰণয়ন কৰা আইনসমূহৰ বিষয়ে অৱগত হৈ নিজৰ অধিকাৰৰ সুযোগ বৰ্তমানেই প্ৰায়সংখ্যক মহিলাই ল'বলৈ সক্ষম হোৱা নাই। নাৰীৰ বিৰুদ্ধে সংঘটিত অপৰাধ-প্ৰতিশোধ তথা নিয়ন্ত্ৰণৰ বাবে চৰকাৰে অধিক ব্যৱস্থা হাতত লৈ সচেষ্ট হ'ব লাগে।

**পুৰৱী চুতীয়া**



# ভূতৰ কুকুৰ

## সীমা চুলতানা

সকলো গাঁৱৰ মানুহে মিলি গাঁৱৰ ভূতটোক জ্বলাই দিয়ে। আৰু গাওঁবাসী ঘৰলৈ যায়। মাজনিশা ভূতটো পুনৰ জীৱিত হয় আৰু ৰামু নামৰ ব্যক্তিৰ ঘৰৰ পদূলিত কুকুৰ এটা শুই থকা দেখা যায়। ভূতটোৱে কুকুৰটো কামুৰি দিয়াত কুকুৰটো ভুকি ভুকি হাবিলৈ গুচি যায়। ৰাতিপুৱা ৰামুৱে পদূলিত ভূতটোক দেখা পাই পত্নীক মাতিলে আৰু গাঁৱৰ কেইজনমান লোকৰ সৈতে ভূতটোক পুতি দিয়ে। লাহে লাহে দিনবোৰ পাৰ হ'ল। ৰামুৰ কুকুৰটোক ভূতটোৱে কামুৰি দিয়াৰ বাবে কুকুৰটো ভূতৰ ৰূপ ল'বলৈ ধৰে আৰু ৰাতি ৰাতি আচৰিত মাত উলিয়াই। কুকুৰটোৰ এনে ৰূপ দেখি ঘৰৰ লোকে গাঁওবাসীক ক'বলৈ ধৰিলে কুকুৰটো গাঁৱত ঘূৰি থাকিলে আমাৰ বাবে বিপদ। গতিকে কুকুৰটোক বান্ধি থোৱাই ভাল হ'ব। কুকুৰটো বান্ধি থোৱাৰ লগতে কুকুৰটোক জ্বলাই দিয়াৰ কথাও ক'লে। এই কথা শুনি ৰামুৰ পত্নীয়ে ক'বলৈ ধৰিলে- কুকুৰটোৰ কি ভুল, ভূতটোৰ বাবে আমাৰ কুকুৰটো কিয় মৰিব, মই কুকুৰটো মৰিব দিব নোৱাৰো। কুকুৰটোৱে গৃহস্থৰ কথা শুনি কান্দিবলৈ ধৰিলে আৰু ভুকিবলৈ আৰম্ভ কৰিলে। তেনে সময়তে ৰামুৰ পত্নীয়ে দুৱাৰখন খুলি দিয়ে আৰু কুকুৰটো হাবিলৈ গুচি যায়। গাঁৱৰ লোকসকলে ক'বলৈ ধৰিলে তোমাৰ এই কৰ্ম ভাল হোৱা নাই, তোমাৰ এই কৰ্মৰ বাবে আৰু বিপদ হৈ পৰিল।

# অব্যক্ত বেদনা

## অন্বেষা দত্ত

মইনাবাৰী উচ্চ মাধ্যমিক বিদ্যালয়খনৰ নাম অঞ্চলটোৰ সকলোৰে মুখে মুখে। বিদ্যালয়খনৰ সুন্দৰ পৰিৱেশ, নিয়মীয়া পাঠদান, ভাল ফলাফল, মুঠৰ ওপৰত সকলোতে আগবঢ়া বুলি এটা সুনাম আছে। ছাত্ৰ-ছাত্ৰীসকলো উৎসাহী। শিক্ষকসকলে পঢ়া শুনাৰ লগতে খেলা-ধূলা, সাহিত্য-সংস্কৃতি সকলো ফালেই আগুৱাই নিছে। ছাত্ৰ-ছাত্ৰীসকল স্কুললৈ আহিয়েই ফুলনি বাগিচা চফা কৰা, ফুলত পানী দিয়া, শ্ৰেণীকোঠা সৰা-পোচা কৰিহে পাঠগ্ৰহণ আৰম্ভ কৰে। বিদ্যালয়খনত চকিদাৰ নাই। শ্ৰেণীৰ বৰ্গমন্ত্ৰীয়েই সকলোতে আগ ভাগ লয়। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে আগৰ পৰাই শিক্ষক দিৱস আৰু সৰস্বতী পূজা আহিলেই এখন হাতেলিখা আলোচনী আৰু প্ৰাচীৰ পত্ৰিকা উলিয়ায়।



এইবাৰো তাৰ ব্যতিক্ৰম নহ'ল। প্ৰধান শিক্ষক শ্ৰীযুত হৰিদেৱ ছাৰে ছাত্ৰ-ছাত্ৰীসকলক সৰস্বতী পূজাৰ আয়োজনৰ কথা ক'লেহি। দশম শ্ৰেণীৰ মাধৱক আলোচনীৰ সম্পাদকৰ দায়িত্ব দিলে। কথা মতেই কাম। সেইদিনাৰ পৰাই সকলো ছাত্ৰ-ছাত্ৰীয়ে হাতে কামে লাগি গ'ল। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ হাতৰ আখৰেৰে লিখা গল্প কবিতাবোৰ সম্পাদকৰ হাতত জমা দিলেহি। মাধৱে লিখনিবিলাকা শিক্ষকসকলৰ জিৰণি কোঠালৈ নি ছাৰ-বাইদেউসকলক চাবলৈ দিলে। ছাৰ-বাইদেউসকলেও এইবাৰ দুগুণ উৎসাহেৰে কাম কৰিছে। কাৰণ চৰকাৰে কৈ আছে যে এইবাৰ তেওঁলোকৰ স্কুলখন প্ৰাদেশিকীকৰণ কৰা হ'ব। মানস, ৰবীনহঁতেও বেতুপাট অংকনত ব্যস্ত। কল্পনা, পূৰবী মুতফিকাহঁতেও প্ৰাচীৰ পত্ৰিকাৰ কাৰণে স্কুল চুটীৰ পাছত বাৰান্দাতে লেপেটা খাই বহি ড্ৰয়িং পেপাৰত লিখি আছে। কাৰণ সিহঁতৰ হাতৰ আখৰ ধুনীয়া। দুজনীমানে আকৌ সৰস্বতী বেদীত ৰংগোলী কেনেকৈ আঁকিব শিকি আছে। সিহঁতৰ গাত তৎ নাই। পূজালৈ বেছি দিন নাই। দুজনমানে পূজাৰ বজাৰৰ দায়িত্ব লৈছে। লগতে কমল ছাৰকো লৈ লৈছে। বীনা বাইদেউৱে মাজে মাজে ছোৱালীবোৰক উৎসাহ দি আছে। পূজা বুলি ছোৱালীবিলাকে কিন্তু অন্য স্কুল-কলেজৰ নিচিনাকৈ বেলেগ পোচাক নিপিন্ধে। সদায়ে ইউনিফৰ্মযোৰ পিন্ধি আহে কাৰণ এই সাজযোৰেই মইনাবাৰী স্কুলৰ চিনাকী।

স্কুল প্ৰাদেশিকীকৰণ ঘোষণা কৰিলে, কিন্তু সকলোকে হতবাক কৰি তেওঁলোকৰ



স্কুলখনৰ পৰা এক কিলোমিটাৰ আঁতৰৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়খনৰ লগত একেলগ কৰি দিলে। ছাত্ৰ-ছাত্ৰীসকলে আজিহে গম পালে সিহঁতৰ ছাৰ বাইদেউসকলে ইমানদিনে দৰমহা নোপোৱাকৈ পঢ়াই আছিল বুলি। ছাৰ বাইদেউসকলৰ ইমান ত্যাগ।

শিক্ষকসকলৰ লগতে ছাত্ৰ-ছাত্ৰীসকলো এতিয়া বিমোৰত পৰিল। সিহঁতে কি কৰিব এতিয়া। নিজ হাতেৰে প্ৰতিপালন কৰি থকা স্কুলখন বাৰু কাৰ হাতত এৰি যাব? বেলেগ স্কুলত গৈ বহিবলৈ চিট পাবনে? ইয়াত একেখন বেঞ্চতে বহা বন্ধুকেইটাই লগত তাত গৈ একেলগে বহিবলৈ পাৰিব নে নাই? এনে অলেখ প্ৰশ্ন আজি সিহঁতৰ সন্মুখত। এই সন্মুখলৈ অহা প্ৰশ্নবোৰৰ উত্তৰ দিবলৈ আজি কোনো নাই। সকলো নিৰুপায়। মাত্ৰ সিহঁতে আজি ঈশ্বৰক চিএঞৰি চিএঞৰি প্ৰাৰ্থনা কৰিছে- হে ঈশ্বৰ, আমাক আমাৰ নিজৰ স্কুলৰ পৰা আঁতৰাই নিনিবা। এইয়া আমি আমাৰ নিজ হাতেৰে গঢ়া সুন্দপ ফুলনি বাগিছা। আমাৰ সুন্দৰ শ্ৰেণীকোঠা, ছাৰ বাইদেউসকলৰ অকৃত্ৰিম মৰম আৰু ভালপোৱাৰ পৰা বঞ্চিত নকৰিবা।

এনে এটা অনাকাংক্ষিত পৰিস্থিতিৰ বাবে মইনাবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত সৰস্বতী পুজা অনুষ্ঠিত কৰিব নোৱাৰাৰ লগতে আলোচনীখনো উলিয়াব পৰা নহ'ল। কাৰণ স্কুল আজি বন্ধ।



# এন্ধাৰৰ মুকুতামণি

## হিয়া দাস

ঃ মা, মই গৈ থাকোঁ। ফোন কৰি থাকিম মাজে সময়ে। মিণ্টুৰ জন্মদিনৰ মিঠাই ৰাখি থ'বা মোলৈ। তাইৰ গিফটোও মই কাইলৈকে দিম। তাইক বুজাবা।

ঃ মই বুজালে তাই বুজে কথাবোৰ। চাৰি বছৰীয়া হ'লেও তাই এতিয়াৰে পৰাই বুজন হৈ উঠিছে। মোৰ আকৌ চিন্তা তোমালৈহে।

ঃ এহ্ মা, তুমিও যে আৰু ! অযথা চিন্তাবোৰ কৰি থাকা। বিবাহ অনুষ্ঠানত জানো কোনোবাই ভাগৰুৱা অনুভৱ কৰে? স্ফূৰ্তি-তামাচাৰে কিদৰে চৌবিছ ঘণ্টা পাৰ হৈ যায় গমেই পোৱা নাযায়। পিছদিনা আহি তোমাৰ হাতৰ ভাতসাঁজ খোৱাৰ লগে লগে শৰীৰত আকৌ দুগুণ শক্তি লাভ কৰোঁ।

ঃ ডিঙিত ভালদৰে মাফলাৰখন মেৰিয়াই থ'বা নীল, কাহ এতিয়াও সম্পূৰ্ণ কমা নাই তোমাৰ।

ঃ অ' মোৰ আজলী মা, ইমান ভয় নাখাবা। মই ভালেই থাকিম। পৰহিলৈ আকৌ ত্ৰিকাল মন্দিৰত অষ্টপ্ৰহৰ হৰি-নাম যজ্ঞ। গতিকে মই ভালে থাকিব লাগিব মা।

হঠাৎ গাড়ীৰ হৰ্ন শুনা গ'ল। ব্যস্ত হৈ পৰিল নীল। লৰালৰিকৈ হাতত লাখুটিডাল লৈ যাবলৈ ওলাল। নীলে ঘৰৰ সকলোকে মাত লগালে। মাকক ক'লে-

ঃ মা, মই আহিছোঁ। পুৱা উভতিম। ভাত ৰান্ধি থ'বা, আৰু শুকান মাছৰ চাটনি। চাৰে আঠমান বজাত আহি পাম।

কথাখিনি শেষ কৰি গাড়ীত বহিল নীল।

গাড়ীখন অদৃশ্য নোহোৱালৈকে মাকে উদাস দৃষ্টিৰে চাই ৰ'ল।

'নীল সত্যম', এজন দৃষ্টিহীন ৩২ বছৰীয়া যুৱক। সুঠাম দেহ, একোছা ডাঠ চুলি, তীক্ষ্ণ নাক, সপ্ৰতিভ।

কলা শাখাত স্নাতক নীল সত্যমে লক্ষ্ণৌৰ ভাটখাণ্ডে মিউজিক ইউনিভাৰ্ছিটিৰ পৰা সংগীতৰ বিশাৰদ লাভ কৰে।

গুৱাহাটীত কম্পিউটাৰ প্ৰশিক্ষণ সমাপ্ত কৰি গুৱাহাটীৰে এটা উপকণ্ঠত স্কুল এখনত সংগীত শিক্ষক হিচাপে ২০১৬ চনৰ পৰা ২০২০ চনলৈকে সুচাৰুৰূপে নিজৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰি আহিছিল।

২০২০, ক'ভিড মহামাৰীয়ে সমগ্ৰ বিশ্বত চানি ধৰাৰ আগমুহূৰ্ততে কোনো অজ্ঞাত কাৰণত স্কুলখন বন্ধ হৈ গৈছিল।

এখন স্কুল বন্ধ হ'ল বুলিয়েই ছাত্ৰ-ছাত্ৰীৰ শিক্ষা গ্ৰহণৰ ধাৰা ব্যাহত হোৱা নাছিল। ব্যাহত হোৱা নাছিল নীল সত্যমৰ সহযোগী শিক্ষক-শিক্ষয়িত্ৰীসকলৰ আৰ্থিক উপাৰ্জনৰ ধাৰা।

কিন্তু নীল সত্যমৰ?

দেশৰ হাজাৰ হাজাৰ নিবনুৱাৰ ভয়াৱহ তালিকাখনত অনাকাংক্ষিতভাৱে নীল সত্যমৰ নামটোও সন্নিবিষ্ট হৈ গৈছিল !

সৰুৰে পৰা স্কুল, কলেজ, লক্ষ্ণৌৰ সংগীত বিশ্ব বিদ্যালয় । শিক্ষা সমাপ্ত কৰিয়েই অন্য এখন স্কুলত কৰ্ম জীৱনৰ ব্যস্ততা।

কিন্তু...?

কিন্তু হঠাৎ পৃথিৱীলৈ আহিল স্থবিৰতা । এটা ভাইৰাছে দ্ৰুত গতিত সলনি কৰি পেলালে সমগ্ৰ পৃথিৱীৰ পৰিভাষা। উফফ.... কি ভয়াৱহ পৰিনাম!

অনিশ্চিত কালৰ সাক্ষী হ'বলৈ গৃহবন্দীত্বক আকোঁৱালি শুভদিন বাবে বাট চাই ৰ'ল নীল সত্যম।

ঃ হেল্ল। খাইছোঁ মা। তুমি চিন্তা নকৰিবা। বৰযাত্ৰী পাবহিয়েই আৰু।

ঃ মিণ্টুৰ জন্মদিনৰ প্ৰসাদ আৰু মিঠাই ৰাখি থৈছোঁ তোমালৈ। তাই বাৰে বাৰে সুধি আছে খুৰা কেতিয়া আহিব? মোলৈ কি আনিব...? আৰু বহুতো প্ৰশ্ন তাইৰ। ফোনৰ সিমূৰত শুনা গ'ল মাকৰ মুখত সন্তুষ্টিৰ হাঁহি।

ঃ হয় নেকি? পুৱাই গৈ মই তাইক চাৰপ্ৰাইজ দিম। আচ্ছা মা মই এতিয়া ফোন ৰাখিছোঁ তুমি খাই বৈ শুই থাকা।

সংযোগ বিচ্ছিন্ন কৰি মোবাইলটো পকেটত ভৰাই থৈ কী-বোৰ্ডত পুনৰ আঙুলি বোলালে নীল সত্যমে।

২০২০ ৰ আগষ্টমানৰ পৰা ক'ভিডকালীন পৰিস্থিতিত কিছু শিথিলতা আহিছিল। স্বাভাৱিক অৱস্থালৈ ঘূৰি আহিবলৈ তোলপাৰ লগাইছিল মানৱ নামৰ প্ৰাণীবিধে।

মানৱসৃষ্ট ভাইৰাছবিধে বহু ব্যক্তিগত খণ্ডত বেয়াকৈ প্ৰভাৱ পেলাইছিল। নীল সত্যমৰ ককায়েক দুজন ইয়াৰ উদাহৰণ।

এদিন সংগীতৰ শিক্ষাগুৰু নীল সত্যমে আৰ্থিক সকাহ বিচাৰি যোগ দিলে এটা অখ্যাত ব্ৰেণ্ডপাৰ্টিত। আৰু এটা দহজনীয়া কীৰ্তন দলত।



নিম্ন মধ্যবিত্ত পৰিয়ালৰ যুৱক নীল সত্যম। মাক, দুজন ককায়েক, দুজনী বৌয়েক, তিনিটা মৰম লগা কণ ভতিজা-ভতিজীয়ে ভৰা সংসাৰ।

নাই, অন্ধকাৰক সাৰটি ঘৰতে বহি থাকিব নোৱাৰে নীল সত্যমে। নীলক কৰ্ম সংস্থাপনৰ প্ৰয়োজন। ব্যস্ততাৰ প্ৰয়োজন। আৰু অৰ্থৰো।

বিবাহ-সবাহত পুৱাই ওলায় যায় ছয়-সাতজনীয়া ব্ৰেণ্ড পাৰ্টিটোৰ এজন সদস্য নীল সত্যম। ব্ৰেণ্ডপাৰ্টিত নৱতম সংযোজিত বাদ্যবিধ ' কী-বোৰ্ড ' বাদক নীল সত্যম।

অক্লান্ত, অবিশ্ৰান্ত তেওঁলোক, ব্ৰেণ্ডপাৰ্টি। বিয়াৰ দিনাৰে পৰা বজাবলৈ আৰম্ভ কৰি পিছদিনা বিবাহকাৰ্য সমাপন নোহোৱালৈকে বজাই থকাটোৱে তেওঁলোকৰ মুখ্য কাম।

নহয়-নহয়। চাহৰ, ভাতৰ সময়খিনিত বিৰতি পায় তেওঁলোকেও।

ৰভাতলীত একোণত বহি আপোনমনে কী-বোৰ্ডত সুৰৰ লহৰ তোলে নীল সত্যমে। অনুভৱৰ তৃতীয় চকুৰেই সি দেখে বিবাহ অনুষ্ঠানত লগ পোৱা সুন্দৰ মনৰ মানুহবোৰ। আৰু কুৎসিত মনৰ মানুহবোৰো।

এইখন ক্ষেত্ৰত বহু তিক্ত অভিজ্ঞতাও লাভ কৰিছে নীলে। একে ঠাইতে বহি বহি বাদ্য বজাই বজাই যেতিয়া কিছু মুহূৰ্তৰ বাবে আঙুলিবোৰ স্থবিৰ হৈ পৰে তেতিয়াই তাত উপস্থিত থকা কিছুমানে তুচ্ছতা প্ৰকাশ কৰে-

ঃ কিয় বৈ গ'লা? বজোৱা, বজোৱা। বজাবলৈকে

তোমালোকক ভাৰা দি আনিছোঁ। ৰৈ থাকিবা কিয়? ঢোল পেঁপাৰ মাতে অহৰহ ৰজনজনাই থাকিব লাগিব। বজোৱা, বজোৱা।

কেতিয়াবা প্ৰচণ্ড ক্ষোভো জাগে নীল সত্যমৰ। সকলো তাতেই এৰি গুচি যাবলৈ মন যায় গুৱাহাটীৰ উপকণ্ঠৰ সেই স্কুলখনলৈ-য'ত সি সংগীতৰ শিক্ষক হিচাপে এটা সন্মানজনক কৰ্তব্যত নিয়োজিত আছিল যোৱা পাঁচটা বছৰে। কণ কণ ছাত্ৰ-ছাত্ৰীৰ মুখৰ ছাৰ শব্দটোৱে তাক অনন্য ৰূপ-ৰঙৰ অনুভৱ প্ৰদান কৰিছিল।

কিন্তু....?

কিন্তু আজি সেই স্কুলো নাই। চাকৰিও নাই।

সন্মান...?

আছে, আছে। নিজৰ দৃষ্টিত সি কেতিয়াও আত্মসন্মান হেৰুৱা নাই, কৰ্ম কৰি গৈছে। কৰ্মৰতো সৰু বৰ নাথাকে। চৌবিছ ঘণ্টা একেখন চকীতে বহি বাদ্যযন্ত্ৰ বজায় । সুৰৰ তালে তালে বিবাহ নামৰ এটা অত্যন্ত জাকজমকতাপূৰ্ণ অনুষ্ঠানৰ মাজেৰে এহাল ডেকা-গাভৰুৰ এটা বৰ্ণিল সপোন বাস্তবায়িত হয়।

ব্ৰেণ্ডপাৰ্টি অবিহনে ডেকা-গাভৰুৰ জীৱনৰ এই দ্বিতীয় অধ্যায় যেন আধৰুৱা।

ক'ত ছোৱালীৰ বিদায়ৰ সেই কৰুণ মুহূৰ্তৰ সাক্ষ্য বহন কৰে একোটা ব্ৰেণ্ডপাৰ্টিয়ে।

বুজে। নীল সত্যমে সকলো বুজে। বুজাৰ ক্ষমতা আছে বাবেই সি পৰিস্থিতিৰ লগত মোকাবিলা কৰিছে।

জীৱনমুখী ল'ৰা সি। জীৱনৰ প্ৰতিটো দিনেই সি নতুন নতুন অভিজ্ঞতা আহৰণ কৰিব বিচাৰে। কাম কৰিব বিচাৰে। এদিন নীলৰ বন্ধু এজনে পঢ়ি শুনাইছিল তাক বিশিষ্ট লেখক ' অনুৰাধা শৰ্মা পূজাৰী ' ৰ সাহিত্য অকাডেমি বঁটাপ্ৰাপ্ত উপন্যাস- 'ইয়াত এখন অৰণ্য আছিল ', তাৰেই কেইশাৰীমান মন-মগজুত ৰৈ গৈছিল।

একো কাম নাথাকিলে সময় এক বন্ধ পানীৰ ডোবা। অজস্ৰ কাম থাকিলে সময় জলপ্ৰপাত, দুখৰ সময় নাযায়-নুপুৱায়, সুখৰ সময় এটা ফৰ্মুটিৰ দৰে, আহিল আৰু গ'ল।

তাতে কি হ'ল তাৰ চকু দৃষ্টিহীন? অন্তৰ্দৃষ্টিৰে যে সি সদায় সুন্দৰৰ সন্ধান কৰে।

সুন্দৰৰ আৰাধনা কৰে।

সুন্দৰতাই তাক বিমোহিত কৰে।

চৌবিছ ঘণ্টীয়া কৰ্তব্যৰ অন্তত পাৰ্টিটোৱে দহ হেজাৰ টকা পাব। প্ৰত্যেকৰে ভাগত ডেৰ হেজাৰ।

কাইলৈ পুৱাই মিষ্টুৰ কাৰণে সি এটা স্কুল বেগ কিনিব । আনন্দত আলোড়িত কণমানিজনীৰ চিঞৰ-বাখৰবোৰে তাৰ কষ্টখিনি সাৰ্থক কৰি তুলিব।

এই চেগতে ডাঙৰ ককায়েকেও ভালেখিনি সকাহ পাব। পৰহিলৈ আকৌ সি কীৰ্তনৰ দলটোৰ লগত যাব। ত্ৰিকাল মন্দিৰ কমিতিয়ে আয়োজন কৰা অষ্টপ্ৰহৰ হৰি-নাম যজ্ঞত গাব-

' হৰে কৃষ্ণ হৰে কৃষ্ণ<br>
কৃষ্ণ কৃষ্ণ হৰে হৰে<br>
হৰে ৰাম হৰে ৰাম<br>
ৰাম ৰাম হৰে হৰে...।'

এনে অনুষ্ঠানবোৰত উজাগৰী নিশা কীৰ্তন গোৱাৰ বিনিময়ত নীলে লাভ কৰে ডেৰ-দুহেজাৰ টকা।

সৰু ককায়েকৰ ল'ৰা-ছোৱালীহালকো দুটা স্কুল বেগ দিব লাগিব। তাক পঢ়ুৱাবলৈ ককায়েক দুটাই কমখন কষ্ট কৰিছিলনে! তাৰ সীমিত সামৰ্থ্যৰে সি পৰিয়ালটোৰ সহায়ক হোৱাৰ প্ৰয়াস নিৰন্তৰ কৰিব।

কৰ্পৰেট চে'ৰত জানো সি নিজৰ ভাগ্য পৰীক্ষা কৰিব পাৰিব?

সময়ে বিচৰা ধৰণে সি আগুৱাই যাব।

ব্যস্ত হৈ থাকিব বিচাৰে সি। বিবাহ বা অন্য ধৰ্মীয় অনুষ্ঠানবোৰত তাৰ বাবে ইতিবাচক কথাটো হ'ল বহুতো লোকেৰে পৰিৱেষ্টিত পৰিবেশত সি হতাশামুক্ত হৈ থাকিব পাৰে। বিভিন্ন লোকৰ মৰম পাবলৈ সক্ষম হয়। সি নিবিচাৰে যদিও সহানুভূতিৰো পাত্ৰ হয় কেতিয়াবা।

কিছু অৰ্থ সঞ্চয় কৰিব সি। বিশ্বৰ ক'ভিড পৰিস্থিতি স্বাভাৱিক অৱস্থালৈ ঘূৰি অহাৰ পিছত ঘৰতে এখন সংগীত বিদ্যালয় আৰম্ভ কৰিব সি। সেয়া বহুদিনীয়া সপোন ।

বিবাহৰ কাৰ্যসূচী শেষ হৈছে। আনন্দ আৰু বিদায়ৰ সন্ধিক্ষণত কান্দি কান্দি কইনাজনী গুচি গৈছে আত্মাৰ লগৰীজনৰ হাতত ধৰি। সপোনৰ ঘৰখন সজাবলৈ।

ভাগৰত লেবেজান সকলো। ৰভাতলীৰ কোলাহলপূৰ্ণ পৰিৱেশ এতিয়া নীৰৱ-নিতাল

ব্ৰেণ্ডপাৰ্টিৰ সদস্য কেইজনমান চকীতে টোপনিয়াবলৈ ধৰিছে।

গাঁৱত পুৱাৰ ব্যস্ততা আৰম্ভ হৈছে।

কিমান সময় হৈছে? মোবাইলৰ ট'ক বেকৰ সহায়ত নীলে গম পালে, ৬ বাজিবলৈ আৰু দহ মিনিট বাকী।

পাৰিশ্ৰমিক আদায় দিয়াৰ দিয়াৰ লগে লগে পোহৰ পোহৰ মনেৰে বিদায় লৈ গুচি ব্ৰেণ্ডপাৰ্টিটোৰ লগত সি।

*( অতিথি লেখিকা)*



# ডাইন-বিদ্যা

## (চাহ-জনগোষ্ঠীয় সমাজত প্ৰচলিত সাধু)


## আচিফা শ্বামচি


একটা দেশ হে একটা গাঁও ৰহে। ওৱাকেৰ সামনে একটা পাহাৰো ৰহে। ঔই পাহাৰটাৰ নাম মাহুল। ঔইটাৰ সংগে মিলাইকে গাঁও কা ভী নাম মাহুল পাহাৰী। বৰ’ চুন্দৰ গাঁও। ঔই গাঁও মে দুইটা বহিন ৰহে। বৰ’ছুকৰীটাৰ নাম ৰূপী আৰ’ ছট’ ছুকৰীটাৰ নাম বিন্দী। গাঁওকে সামনে একটা ঝৰ্ণা ভী হে। দুই-বহিন..ঔই ঝৰ্ণাকে পাছ দিন ভৰ খিলখিলাই ৰহে।

মাহুল পাহাৰী গাঁও মে একটা টুৱৰ ছুকৰা ভী আহে। ঔৱাকেৰ নাম চান্দ্ৰৰায়। গাঁও কে ঘৰ ঘৰমে গৰু-ছাগল আহে। টুৱাৰ চান্দ্ৰৰায় ঔই চব কৌ বাগাল কৰে নে জাইলা। ঔই ৰকম চান্দ্ৰৰায়কে দিন যায় লাগে। একদিন চান্দ্ৰৰায় কৌ তাঁতীকেৰ মাইকীটা পাহাৰ চে জাংগলী ফুল আনেক বললা। ঔই ফুলগিলা তাই কাপৰা মে বনে লা। লাল, গেন্দা হৰেক ৰকম ফুল। মাহল পাহাৰ মে এত না চুন্দৰ চুন্দৰ ফুল আহে। এই বাতটা একদম গাঁও মে বলাবলি হৈ গেলেক। চব চান্দ্ৰৰায় কৌ ফুল আনেক লাগে বলেন লাগে। ৰকম ৰকম ফুল দেখে ৰূপী আৰু বিন্দী ভী ফুল আনবে বলে ন। ওচ দিন চে গাঁওকে কেৰ খাতিৰ চান্দ্ৰৰায় জাংগলী ফুল আনেক লাগে। ফুল আনতে আনতে মাহুল পাহাৰটা একদম খালী হৈ

গেল। এই বাতটা একদিন পাহাৰ কে দেৱতা দেখলে। চান্দ্ৰৰায় চৰগিলা ফুল তৰে দেখকৰ একদিন দেৱতা ঔৰাকেৰ চামনে হাজিৰ....

ঃ তুই ম'ৰ পাহাৰকে ফুল কাহে তুলিলাহু

চামনে পাহাৰ দেৱতা দেখকৰ চুৰৰ চান্দ্ৰৰায় চুচ্ কাই ৰহে। ধীৰে ধীৰে বলেলা...

ঃ পৰভু...হামি কুছ নাই জানি। গৰীব টুৰৰ ছুকৰা। গাঁওকে মানুহগিলা মনটা সুখী কৰকে খাতিৰ ফুলগিলা তুলি আৰ' কুছ নাই। নাহ'লে ক'ন দিন ম'কে গৰু বাগাল চে নিকলাই দেবে কি জানি?

ঔৰাকেৰ বাত ছুনী দেৱতা ব'লে...

ঃ ঠিক আহেহু তকে মই তকে একটা বিদ্যা ছিখাম। ডাইন-বিদ্যা। তুই একটা কাম ক'ৰ.. এখন ঘৰ যা। আৰ' একদিন আছ বি হৌ। একদম ছঁচা লৈকে ফাৰ চাই আই মা বেক। আৰ' আতে হি পাহাৰকে ওপৰ চে মকে তিনবাৰ হাকাবি। এই বাতটা ক'ন নাই ব'লবে আৰ'।

চন্দ্ৰৰায় ঘৰ ঘূৰকে আলে। একমৰ কাপ ৰা লেকৰ ঝৰ্ণাকে পাৰ আলে। তখন ৰূপী আৰু বিন্দী ঔৰাকে দেখ্ তানি। তাকে দেখকৰ দুই বহিনা পুচন নে লাগে....

ঃ একদিনেৰ লহৰ চহৰ। আজ চান্দ্ৰৰায় ফাৰ চাৰ কি ৰকম কৰ'হু

বহুত সময় কে বাদ চান্দ্ৰৰায় বাত গিলা বল্ লেক যে কি ৰকম ফজিৰ দেৱতা দেখলেক। কি ৰকম বাত কৰলেক। কি ৰকম ছঁচা লৈকে ফাৰ চাই যাই কে জ্ঞান ছিকায়, কি ৰকম তিনিবাৰ হাকামি বল্ বে ঘৰ ভেজ লেক্। ৰূপী আৰু বিন্দী চাৰা বাত মন দি চুন লেক। আৰ' তৰে সংগে হামিভী যাব বলকে। জিদ ধৰলেক। চান্দ্ৰৰায় ভী একদম ঘূলীৰ কাড়া। নাই নিবে তৌ নাই নিবে। দেৱতা মকে এক লাই হাকামি। তৌ মই একলহে যাব। ঘূৰকে আলে চে দুইজন কৌ ছিকায় দিম।

ঃ তিবে ঠিক আহে। হাম্‌নি নাই যাবে। লেকিন তুই দেৱতা খাতিৰ একটা হাড়িয়া কলচী লে যাবি। পৰভুকে বলৰে হামদেৰ বহুত দুখ আহে, হামদেৰ খাতিৰ ত'ৰ পাহাৰ দেৱতাকে। হাড়িয়া কলচী দে আবে। হামদেৰ দুখ দূৰ কৰকে খাতিৰ তুই ঔৰাকেৰ চামনে একবাৰ মুৰ্ত্তিয়া মাৰি আছ বে হৌ। হামি কাল ইহাই তৰে খাতিৰ হাড়িয়া কলচী লে আনবে। তুই যাতে যাতে লে যাবে হৌ। পিছদিনা দুইটা কলচী লেকে ঝৰ্ণা পাৰে দুই বহিন হাজিৰ হইলা। চান্দ্ৰৰায় কে দেখকে দুনো ঝগড়া লাগলে।

ঃ মৰ কলচীটো লে যাবি..। চান্দ্ৰৰায় দুইথা কলচী নিতে



নাই পাৰে।

ঃ মৰ কলচী লে যাবি... তৰটা নাই নিবে। মৰতা নিতে লাগে।

নিজৰ কলচীটা ঘৰ ঘূৰাই নাই নিম বুলি দুই বহিনা যুঁজ কৰতে লাগে। ঔই ৰকম ঝগড়াকে মাজে ৰূপী একবাৰ ঠকুৰাই দিনে বলতে লাগে...

ঃ ঠিক আহে। ছট' বহিন বিন্দী। ইচ বাৰ ঔৰাকেৰ কলচীটাই লে যা চান্দ্ৰৰায়। অ'ৰ পাহাৰ ত' এতনা দূৰ আহে।

ত' মৰ কলচী হাড়িয়া তুই ইহাই খাইক লাগি। একটা কলচী তৰ খাতিৰ। একটা দেৱতা খাতিৰ। এক কলচী হাড়িয়া খাই চান্দ্ৰৰায় ধুমাই গেলেক। ৰূপী জলদা জলদি চান্দ্ৰৰায়ৰ কাপ ৰাগিলা পিন্ধকে পাহাৰ দিগে চল যাহে। ঔৰাকেই পিছে পিছে বিন্দীও যাই হাবিমে লুকাই ৰহে। দেৱতাই চান্দ্ৰৰায় বল্‌কে ৰূপীকে ডাইন বিদ্যা ছিখালেক।

এই ৰকম মানুহৰ মাজে ডাইন বিদ্যা চলতে লাগে।

*(লেখিকা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী)*



# কাৰপুম পুংলি

## গৰিমা বৰুৱা

পুৰণি কালত এখন গাঁৱত কাৰপুম নামৰ ডেকা আৰু পুংলি নামৰ এজনী ধুনীয়া ছোৱালী আছিল। সিহঁতৰ মাজত পৰস্পৰ গভীৰ প্ৰেমত পৰিছিল। দুয়ো পক্ষৰ মাজত দুয়ো দুয়োৰে জীৱন সংগিনী কৰি ল'বলৈ বাধা আহি পৰিছে। তথাপিতো দুয়ো দুয়োকে মনে মনে জীৱন সংগী কৰিবলৈ শপত খাই লৈছিল। কিন্তু আপত্তি সকলোৰে পিতৃ-মাতৃ, পৰিয়ালবৰ্গ, গাঁও সকলো।

এদিনাখনৰ কথা, কাৰপুনে সহ্য কৰিব নোৱাৰি গাঁৱৰ মানুহক মাতি এখন মিতিং পাতিলে আৰু নিজে পুংলিক ভালপোৱাৰ কথা প্ৰকাশ কৰিলে। এই ভালপোৱা অনৈতিক নহয় তাকো জনালে। দুয়োৰে গভীৰ ভালপোৱা আছে গতিকে বিয়াত মান্তি হ'ব লাগে। এনে কথা শুনি সিহঁতহালৰ পিতৃ-মাতৃ, পৰিয়ালবৰ্গ লগত একো নাই হৈ আপত্তি কৰিলে। এইখন বিয়া হ'ব নোৱাৰে, দুয়োকে বেলেগ বেলেগ ঠাইত ৰখাৰ ব্যৱস্থা কৰিব লাগে। এই কথা শুনি কাৰপুন আৰু পুংলিৰ বৰ ভয় লাগিল আৰু নিজ নিজ ঘৰলৈ যোৱাৰ দিহা কৰিলে।

দিন বাগৰি গৈ আছে। কাৰপুন আৰু পুংলি লগ নোপোৱা হৈ পৰিল। দুয়ো শুকাই-খীনাই যাবলৈ ধৰিলে। এদিনাখন দুয়ো-দুয়োকে লগ পালে, দুয়ো দুয়োৰে সকলো মনৰ কথা ব্যক্ত কৰি দুয়ো বেজাৰ কৰিলে। এই বেজাৰ দুয়ো সহ্য কৰিব নোৱাৰি কাৰপুন আৰু পুংলি পলাই দুয়ো ডাঠ হাবিত সোমাল। এই কথা দুয়ো পক্ষৰ পৰিয়ালৰ লোক খঙত একো নাই হৈ পৰিল। এনেতে পৰিয়ালৰ লোক সকলে গাঁৱৰ মানুহক জনালে আৰু সিদ্ধান্তত উপনীত হ'ল যে পুংলি আৰু কাৰপুনক বিচাৰি উলিয়াবই।

কথামতেই কাম। গাঁৱৰ লোকসকল দলবান্ধি পুংলি আৰু কাৰপুনক বিচাৰি ওলাল। দুয়োকে বিচাৰি হাবি চলাথ কৰি পিয়াপি দিলে। শেষত পুংলি আৰু কাৰপুনক বিচাৰি পালে। পুলি আৰু কাৰপুনে কথাটো গম পাই আগতীয়াকৈ বুদ্ধি পাতি ইফালৰ পৰা সিফালে তাৰ উপায় নেদেখি সাৰিবৰ বাবে আকাশলৈ উৰা মাৰে। পিছে আকাশলৈকো সিহঁতক বিচাৰি যোৱাত পৃথিৱীৰ চাৰিওফালে দৌৰি শেষত আকাশতে অদৃশ্য হ'ল। সিহঁতে মানুহবোৰক চাবৰ বাবে সৰু সৰু ফুটা উলিয়াই অলেখ লেখ চাই থাকিল। একো একোটা ঠাইতে সৰু সৰু বহুত ফুটা কৰি চাই জিৰণি লৈছিল আৰু ৰাস্তাই ৰাস্তাই ফুৰি ফুটা কৰি চাইছিল। সেই সৰু সৰু ফুটাবোৰেই তৰাৰ পোহৰ যেন দেখে আৰু থুপ পাতি জিলিকি থকাবোৰ হ'ল কাৰপুন পুংলি। সাধু কথাত শুনা যায়। অৰ্থাৎ থুপপাতি থকা তৰাবোৰক কাৰপুন পুংলি বুলি কোৱা সাধু কথাত শুনা যায়।

# अपराजिता

## वेवी दत्त

निहारिका अपनी स्कुल की किताब दुढ़ँ रही है। उसकी मा भी उसकी मदद कर रही है। उसे पंहली बार स्कुल की किताब दुँढ़े में इतना समय लग रहा हैं। क्योंकि एक महीने से स्कुल की छुट्टी थी। कुछ देर बाद निहारिका को किताब मिल गया और हर एक प्रयोजनीय चीज स्कुल वेग में रख ली। स्कुल पास में ही था इसलिए वह अकेलेही स्कुल के लिए निकल पड़ी। रास्ते में निहारिका को चक्कर आ गया और वह बीच सड़क पर गिर पड़ी। आगे में आती हुई एक गाड़ी निहारिका के पेड़ो के उपर से चला गया। सड़क के पास खड़े लोगों ने उसे अस्पताल ले गये और घरवार्ली को खबर दी। किस्मत से निहारिका तो बस गयी लेकिन उसके दोनों पेड़ काटना पड़ा। निहारिका अब चल नही सकती। इस घटना के बाद पुरी तरह टुट गयी। वह धीरे धीरे अपनी से दुर रहने लगी। वह किसी के सामने आना पसन्द नही करती थी। पहले तो बह सभी के साथ हासकर बात करती थी, लेकिन इस घटना बाद वह किसी के साथ बात करना पसन्द करती और अपने कमरे में ही रहती थी।

स्कुल के सभी शिक्षक शिक्षिका निहारिका की खबर लेने आये। निहारिका पढ़ने में बहुत तेज थी और साहित्य में भी रुसी थी। उसका बचपन से सिफ एक ही सपना था एक सु-लेखिका बनना। इस घटना के बाद ना तो बह पढ़ना चाहती थी ना साहित्य में कुछ करना चाहती थी। उसने अपने आप पे ही भरोसा करना





बंद कर दिया था लेकिन फिर उसके शिक्षकों ने उसे बहुत अच्छे से समझाया कि, शारिरीक अक्षमता जीवन कभी भी रुकावत नही दाल सकती। धीरे धीरे मानो उसकी खोई हुए ताकत हिम्मत और आत्मविश्वास बापस आने लगी। उसनें अपने साहस के कारण मेट्रिक परीक्षा में सफलता से उत्तीर्ण हुई और साहित्य में ज्यादा से ज्यादा ध्यान देने लगी।

समय वितता गया। धीरे धीरे निहारिका ने किताब लिखना शुरु कर दिया। जल्द ही उसकी किताब चारो तरफ फेलने लगी और उसकी किताबों कि मागं बढ़ने लगी। अब वह एक सु-लेखिका के रुप में अपना जीवन बिता रही है। अगर शिक्षकों ने उसे नहीं समझाया होता तो ना ही उसका आत्मविश्वास वापस आता ना ही वह अपना वचपन का सपना पुरा कर पाती।

सचमुच शिक्षक हमारे लिए बहुत मायने रखते है। उनलोगों की आर्शीवाद भगवाण के आर्शीवाद से कम नही होते। शिक्षक एक रास्ते के तरह होते है, वह अपने जगे से कभी नहीं हिलते लेकिन उनके शिष्य को उनके मंजिलो तक पहुँचा देते है। हर एक शिक्षक शिक्षयत्री बिना स्वार्थ के हि हर छात्र को सफल व्यक्ति बनाने में कोए कचर नही छोड़ते।



অংকন ঃ তুৰিণা নেওগ



# দুটা অণুগল্প

এমী মেহজাফী হুছেইন

## লখিমী

নীনাই ঘৰটো চাফ চিকুণ কৰোঁতে, কোঠাটোৰ এচুকত এলাগী হৈ পৰি থকা চেতাৰ খনলৈ চাই চাই হুমুনিয়াহ কাঢ়িলে। বিয়াৰ আগতে তাইৰ সংগীতৰ প্ৰতি আগ্ৰহ দেখি সকলো মুগ্ধ হৈছিল, কিন্তু বিয়াৰ পাচত বাজে কাম বুলি কত যে কথা শুনিছে। এইবোৰ ভাৱি থাকোতেই বাহিৰৰ পৰা দৌৰি আহি কণমানি লুনাই মাকক সাৱতি ধৰিলে- "মা,মা, তোমাক চবেই লখিমী বুলি কয় যে, ময়তো ডাঙৰ হ'লে তোমাৰ নিচিনা লখিমী হ'ম!" মাকে তাইক সাৱতি ধৰি উচুপি উঠিল - " নালাগে সোণ! ডাঙৰ হৈ তুমি সকলো নিজৰ মতেই কৰিবা যি ভাল লাগে! লখিমীয়ে বহুত সহ্য কৰিব লাগে, বহুত ত্যাগ কৰিব লাগে, তুমি লখিমী নহ'বা কেতিয়াও...! "

## হাথিয়াৰ

জোতাৰ দোকানত নীতুৱে কেইবাজোৰো জোতা পিন্ধি চালে কিন্তু পচন্দ নোহোৱাৰ ভাৱত খুলি থৈ দিয়ে। দোকানীজনে বেলেগ এযোৰ জোতা আনি দি ক'লে - "এইযোৰ পিন্ধি চোৱা, খুউব চ'ফ্‌ট..!" তাই জোতাযোৰ চাই চকু দুটা ডাঙৰ কৰি লৈ বক্ৰ হাঁহিৰে ক'লে - " চ'ফ্‌ট ..? মোক এযোৰ অতি হাৰ্ড জোতাহে লাগে...ইমান হাৰ্ড যে, এক্‌কে গোৰতে যাতে...!" এইবাৰ মানুজনৰ লগতে সকলোৰে চকুবোৰ ডাঙৰ হৈ গ'ল।

# নাট্য কলা



[redacted]



# কাম চৰাইৰ ৰঙা ঠোঁট


## হিৰণ্য সভাপণ্ডিত

মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ


**<u>নাটকৰ বিষয়বস্তু ঃ</u>**

পাৰিবাৰিক বান্ধোন-সামাজিক শৃংখল আৰু নাৰীৰ নিজস্ব সত্তাৰ সংঘাত পুৰাতন। একৈশ শতিকাৰ শিক্ষিত নাৰীৰ ক্ষেত্ৰত এই পুৰাতন সংঘাতে সময়ে সময়ে মৰ্মস্পশী ৰূপ লাভ কৰাৰো বাতৰি পোৱা যায়।তেনে এটি বাতৰিৰ আঁত ধৰি কাম চৰাইৰ ৰঙা ঠোঁট নাটখনি ৰচনা কৰা হৈছে।

<u>চৰিত্ৰ ঃ</u>

১) সংস্কৃতি সভাপণ্ডিত ঃ ইণ্টাৰন্‌শ্বিপ সম্পূৰ্ণ কৰা এগৰাকী ডাক্তৰ

২) এজোপা চেগুন গছ ঃ সংস্কৃতিৰ আজন্ম সুহৃদ, নাটকীয় কেন্দ্ৰীয় ভাৱনাৰ ৰূপক।

> *“কাম চৰাইৰ ৰঙা ঠোঁট, তাতে দিলে সেন্দুৰৰ ফোঁট, দেউতা ঐ আই মোৰ ঐ দুৰৈকৈ নিদিবি মোক”।*

(সময় নিশা এঘাৰ বজা। মিড চেণ্টাৰ জ'ন। তাই আপ্ লেফ্‌ট জ'নৰ আন্ধাৰখিনিৰ ফালে চাই সংলাপ ক'ব।।)

সংস্কৃতি ঃ পাপা প্লিজ.........এনেকুৱা কিয় কৰিছা। মা-ভাইটি-পাপা তোমালোকে মোক নুবুজা কিয়?

(আন্ধাৰৰ ফালৰ পৰা এটা ফাইল উৰি আহি তাইৰ গাত পৰিব।)

সংস্কৃতি ঃ পাপা......। পাপা মোৰ মাৰ্কশ্বিট..... মোৰ চাৰ্টিফিকেট (বুটলিব) পাপা ফাটি যাব।

(পাপাকে তাই ইণ্টাৰন্‌শ্বিপ খাটোতে পিন্ধা কেইটামান এ'প্ৰনো আন্ধাৰৰ মাজৰ পৰা গালৈ দলিয়াই দিব।)

সংস্কৃতি ঃ এ'প্ৰন কেইটা কিয় দলিয়াইছা। আৰে' ধূলি লাগিব পাপা।

(তাই হাতপাতি ধৰিব। জোকাৰি চাফা কৰিব।)

OF ঃ এই ডালো ল'।

(এডাল ষ্টেথিস্কোপ তাইৰ মুখলৈ মাৰি পঠাব। সংস্কৃতিৰ মুখত লাগি নাকেৰে তেজ ওলাব।)



সংস্কৃতি ঃ আহ, পাপা তেজ। দিচ ইজ ব্লাড চেক! পাপা মোৰ তেজ ওলাইছে।
(দৰজা বন্ধ)
(লগে লগে এখন দুৱাৰ বন্ধ হৈ যোৱাৰ স্পষ্ট শব্দ)
পাপা! পাপা মোৰ তেজ ওলাইছে পাপা.....
মা! (এখন খিৰিকি বন্ধ হৈ যোৱাৰ স্পষ্ট শব্দ।)
মা- মোৰ তেজ ওলাইছে মা।
ভাইটি- মোৰ তেজ ওলাইছে ভাইটি (আন এখন খিৰিকি বন্ধ হোৱাৰ স্পষ্ট শব্দ।)
পাপা.....মোৰ তেজ ওলাইছে পাপা.......
মা- মোৰ তেজ ওলাইছে।
পাপা মোৰ তেজ ওলাইছে
পাপা.....মা....ভাইটি...
মোৰ তেজ ওলাইছে
(নী-ৰ-ৱ-তা-নী-ৰ-ৱ-তা-ৰ-ভাষা)
পাপা মোৰ তেজ ওলাইছে
পাপা....মা...ভাইটি...
মোৰ তেজ ওলাইছে
(নী-ৰ-ৱ-তা-নী-ৰ-ৱ-তা-ৰ-ভাষা)
*"কাম চৰাইৰ ৰঙা ঠোঁট, তাতে দিলে সেন্দুৰৰে ফোঁট দেউতা ঐ আই মোৰ ঐ দূৰৈকৈ নিদিবি মোক।"*
পাপা.....মা....ভাইটি....(সংলাপ কেইটা দোহাৰি যাওঁ নাযাওঁ কৈ ৰাইট ডাউন ষ্টেজৰ গেটখনৰ ফালে গৈ থাকিব লুক বেক।)
(নী-ৰ-ৱ-তা-নী-ৰ-ৱ-তা-ৰ-ভাষা)

সংস্কৃতি ঃ পাপা....মা...ভাইটি....
(সংগীতৰ প্ৰসংগ)
"কাম চৰাইৰ ৰঙা ঠোঁট, তাতে দিলে সেন্দুৰৰে ফোঁট দেউতা ঐ আই মোৰ ঐ দূৰৈকৈ নিদিবি মোক।"
(এবাৰ গেটখনৰ চিটকালীডাল খুলিব খোজে। আকৌ হাতখন কোচাই আনে। পুনৰ এবাৰ গেটখন খোলে আকৌ জপাই দিয়ে, খোলে জপাই দিয়ে। শেষত ওলাই দুখোজ দিব। লুক বেক, লেফ্‌ট ডাউন জ'ন।

এজোপা চেগুন গছ। লাহে লাহে, চেগুন জোপাৰ পৰা দুখন হাত প্ৰসাৰিত হ'ব। প্ৰথমে চেগুন জোপাই হাতৰ আঙুলি কেইটাৰে সংস্কৃতিক নিজৰ কাষলৈ মাতিব। সংস্কৃতিয়ে অভিমান কৰি অসন্মতি সূচক ভাৱে মূৰ জোকাৰে। এইবাৰ চেগুনে হাতৰ সৰু গাঁথি ভাঙি তাইক কাষলৈ মাতে। সংস্কৃতিয়ে অসন্মতি প্ৰকাশ কৰে। পুনৰ চেগুনে হাত বাউলি দি সংস্কৃতিক মাতে। সংস্কৃতি বাউল হৈ দৌৰি আহি চেগুন জোপাক সাৱতি ধৰে। চেগুন জোপাৰ মুখখন দৰ্শকে দেখা পাব।)

চেগুন ঃ তই মোক এৰি থৈ যাবলৈ ওলাইছ হাঁ? নামাতো তোক। বেয়া ছোৱালী তই, মোৰ বান্ধৱী নহয়।

সংস্কৃতি ঃ চেগুন....চেগুন...। তই মোৰ আত্মাৰ সুহৃদ। তোৰ আৰু মোৰ জন্মৰ মাথো এঘণ্টাৰ ব্যৱধান। মোৰ জন্মৰ দিনাই পাপাই তোক আনি ইয়াত ৰুইছিল। পাপাৰ ভাৱনাত তই মোৰ ফাৰ্নিচাৰৰ কাঠ হবি। চিন্তা নকৰিবি মই ফাৰ্নিচাৰ হ'বলৈ নিদিও। কিন্তু আজি এই মাজ ৰাতিখন মোৰ জীৱন পৰিস্থিতিটোৱেই এনেকৈ সলনি হৈ গ'ল মই দিগ্‌-বিদিগ্‌ হেৰাই পেলাইছো। মোৰ আশৈশৱৰ ওমলাঘৰ খনৰ দুৱাৰ খিৰিকি বন্ধ হৈ গ'ল অ' চেগুন। পাপাই মোক একেবাৰেই নুবুজিলে (কান্দে)।

চেগুন ঃ অই তই তেনেকৈ নাকান্দিবিচোন। মই তোৰ দুখ সহিব নোৱাৰো। পাপাটো বেয়া অ' একদম বেয়া, তেওঁ তোকনো কেতিয়া বুজি পালে।

চেগুন ঃ সংস্কৃতি... ক্লাছ ফাইভত থাকোতে তই বিহুনাচ শিকিবলৈ কৰ্মশালা এটাত জইন কৰিবলৈ কিমান যে মন কৰিছিলি...

Flash Back-1

চেগুনে মুখত এটা পেঁপা লৈ গছ জোপাৰ পৰা ওলাই আহি বজাব। সংস্কৃতি ক্লাছ ফাইভলৈ উভতি যাব। বিহু নাচৰ কৰ্মশালা এটাৰ আৰম্ভণিৰ পৰিৱেশ সৃষ্টি হ'ব।) পেঁপা উচ্চ স্তৰত বাজিব। সংস্কৃতিয়ে হেঁপাহ পলুৱাই নাচৰ চেও দিব।



ঃ নাচনী ওলাব নালাগে।

(চেগুন পুনৰ গছৰ মাজত সোমাই যাব।)

সংস্কৃতি ঃ ই ই ই পাপা....

চেগুন ঃ তইক্লাচ এইটত পঢ়ি থাকোতে যে জুবিনক এবাৰ....

Flash Back-2

(জুবিনৰ "মায়া মাথো মায়া" গানটো বাজিব। সংস্কৃতি সন্মোহিত হোৱাৰ ভংগী চেগুনে জুবিনৰ আও ভাও ধৰিব।)

সংস্কৃতি ঃ পাপা মই জুবিনক এবাৰ একেবাৰে ওচৰৰ পৰা চাব খোজো। জুবিনক... জুবিনক এবাৰ চুই চাব খোজো।

(চেগুনে এটা চৰ সংস্কৃতিৰ গালত বহুৱাই দিব। চৰটো আচলতে পাপাকৰ আছিল, চেগুন পুনৰ গছৰ ভিতৰত সোমাব)

Flash Back-3

সংস্কৃতি ঃ আ-আ-আ-আ- পাপা.....

চেগুন ঃ ক্লাছ নাইন-টুৱেল্‌ভ... এটা শব্দই যে তোৰ মাথাটো ঘোলা কৰিছিল

(এখন পুৰণা স্কুটাৰৰ চাউণ্ড ইফেক্ট... সংস্কৃতিয়ে কাণত আঙুলি ভৰাই বিতৃষ্ণাৰ ভাব দেখুৱাব..... মাথা গৰম হৈ যোৱা জেষ্টাৰ দেখুৱাব।)

চেগুন ঃ ন লেফ্‌ট-ন ৰাইট.....। গ্ৰেইট চামনেচে আগে দেখো। (চ'ল) (Direction)

(স্কুটাৰৰ আবাজ....)

সংস্কৃতি ঃ ঘৰ-স্কুল-ঘৰ টিউচন...ঘৰ...স্কুল ঘৰ....টিউচন....ঘৰ (Direction) এটা পিকনিক নাছিল- এটা বাৰ্থডে নাছিল... এখন নাটক নাছিল-জুবিনক এটা কালচাৰেল নাইট নাছিল...

চেগুন ঃ গ্ৰেইট....চামনে চে আগে দেখো.... (Direction).. স্কুটাৰৰ আবাজ....

চেগুন ঃ তোৰ বাৰু ক্লাছ ইলেভেনৰ এক্সাৰ্চনৰ ষ্টৰিটো মনত আছেনে...

Flash Back-4

সংস্কৃতি ঃ সাগৰ দেখিছা?

চেগুন ঃ দেখা নাই কেতিয়াও!

সংস্কৃতি ঃ ময়ো দেখা নাই! শুনিছো তথাপি নীলিম সলিল ৰাশি,

চেগুন ঃ বাধাহীন উৰ্মিমালা আছে দূৰ দিগন্ত ব্যাপী।

সংস্কৃতি ঃ বৰ ভয় লাগে সমুদ্ৰক, তথাপি সমুদ্ৰ নিজে নিৰ্বিকাৰ।

চেগুন ঃ বুজিব নোৱাৰো কিনো ৰহস্য লুকাই আছে সমুদ্ৰৰ গভীৰ বুকুত।

সংস্কৃতি ঃ কিহৰ সংগীত শুনো.... মৃত্যু অথবা জীৱনৰ....

চেগুন ঃ ভয় লাগে সেইবাবে বৰ ভয় লাগে...

সংস্কৃতি ঃ নহয়, ভাল লাগে...বৰ ভাল লাগে, আচৰিত ভাল লাগে, চাম চাম চাম সাগৰ চাম। আমি এক্সাৰ্চন যাম, এক্সাৰ্চন যাম, সাগৰ চাম... (Direction)

OF ঃ নোৱাৰ যাব

সংস্কৃতি ঃ অউব....অউব...পাপা....

SEQ-5

চেগুন ঃ হায়াৰ চেকেণ্ডেৰী পাছ কৰি তই এইম্‌চট মেডিকেল চিট পোৱাৰ পাছত পাপাই মানুহৰ আগত কি বুলি লেবেল মাৰিছিল জান? "I am the proud father of Sanskriti Sabhapandit. আচলতে মোৰ ল'ৰাটোহে ছোৱালীজনীৰ নিচিনা হ'ব লাগিছিল"।

সংস্কৃতি ঃ ভুল আছিল পাপা। ভাইটি মোৰ দৰে হোৱা হেঁতেন পাপা সুখী হ'ল হয়। লাগিলে মই ভাইটিৰ দৰেই নহও কিয়। আই ফিল... পাপাই মাত্ৰ দেউতাক হোৱাৰ কৰ্তব্য পালন

কৰিছিল। মাত্ৰ 45 daysৰ Medical crash course coaching এটা, তাকো এশবাৰ ৰিকুৰেষ্ট কৰাৰ পাছত। পাপাৰ চকুত মই কোনো দিনেইটো Investment ৰ বিষয় নাছিলো। কিন্তু ভাইটিয়ে সম্পূৰ্ণ দুটা বছৰ Medical Coaching কৰি বৰ্তমান বেংগালুৰত প্ৰাইভেটকৈ ইন্‌জিনিয়াৰিং পঢ়ি আছে। Yes, he is always the matter of investment.



চেগুন + সংস্কৃতি ঃ Half of the Indian population too are woman. Woman have always been discriminated against and have suffered and are suffering discrimination in silence. Self sacrifice and self-denial are their nobility and fortitude and yet they have been subjected to all inequities, indignities, incquality and discrimination.

-Justice K.Rama Swamy

(বহু ছোৱালীৰ মাত ইয়াত কোৰাচ হ'ব)

SEQ-6

চেগুন ঃ এতিয়া কাক বাচি লবি- ডাঃ চাহিদুল ইছলাম নে মা, পাপা, ভাইটি?

সংস্কৃতি ঃ সকলোকে, মই সকলোকে বিচাৰো।

চেগুন ঃ বৰ্তমান যে তই জীৱনৰ দুটি বাটৰ এজন পথিক। কোনটো বাটেৰে পেলাবি খোজ ডাঃ চাহিদুল নে পাপা....।

সংস্কৃতি ঃ পাপাক মই স্পষ্টভাৱে জনাই দিছিলো- মানৱতাৰ সেৱাৰ মাজেৰে মই এখন উপাধিবিহীন জগতৰ বাসিন্দা হৈ পৰিছো...

চাহিদুল-পাপা

পাপা- চাহিদুল...

চাহিদুল-পাপা

পাপা- চাহিদুল...

( ১ নং ফ্লেচবেকৰ বিহু নাচৰ পৰিৱেশটো ৰিপিট হ'ব। কিছু নীৰৱ হ'ব।)

সংস্কৃতি ঃ ইয়েচ ডাঃ চাহিদুল। ডাক্তৰ হোৱাৰ উপৰিও গোৱালপাৰাৰ চাহিদুলে ভালকৈ ঢোল বাব জনে। চাহিদুল কেন বিট্‌দা ঢোল ভেৰি ৰেল (পুনৰ ১ নং ফ্লেচবেকৰ বিহু নাচৰ পৰিৱেশটো ৰিপিট হ'ব।

SEQ-7

চেগুন ঃ তই মোক এৰি থৈ গুচি যাবি সংস্কৃতি....।

সংস্কৃতি ঃ চাহিদুল আহিবি সি মোক নিবলৈ আহিব।

চেগুন ঃ মাটিত খামুচি ধৰি থাকিও চৰাই দৰে আকাশত উৰিবলৈ মই তোৰ পৰাই শিকিছিলো সংস্কৃতি। তই মোক গাই শুনাই পাগল কৰি দিয়া গানটো আকৌ এবাৰ গা-না।

"চৰাইৰ দৰে আকাশত উৰি ফুৰিম মই
ধুনীয়া ফুল পাহি দেখি তাতে পৰিম মই"

(গানটো বাজি উঠিব। চেগুন জোপাৰ ওচৰলৈ সংস্কৃতি আহি থাকিব। চেগুনে গা গছৰ মাজৰ পৰা হাত বাওলি দি থাকিব। সংস্কৃতি আহি চেগুনক সাৱতি ধৰিব।)

চেগুন ঃ মোকো তোৰ লগতে লৈ যানা...।

সংস্কৃতি ঃ তোৰ শিপাবোৰ যে বৰ দকৈ পোট গৈ আছে চেগুন। তোক মাটিবোৰে খামুচি ধৰি আছে অ' চেগুন।

চেগুন ঃ মোক মাটিবোৰৰ পৰা মুকলি কৰিবিনে?

সংস্কৃতি ঃ চেগুন....

চেগুন ঃ মুকলি কৰিবিনে, মুকলি কৰিবিনে....।

সংস্কৃতি ঃ চেগুন.........চেগুন...........।

(সংস্কৃতিয়ে চেগুনক মাটিৰ পৰা টানি উলিয়াবলৈ যত্ন কৰে। (Direction)





# ডিজিটেল ইণ্ডিয়াৰ মানুহ

## প্ৰিয়ংকা লাগাছু

<u>মঞ্চৰ নিৰ্দেশনা ঃ</u>

ড্ৰইং ৰূমৰ দৃশ্য। ৰূমটোৰ  এফালে চোফা চেট থাকিব আৰু আনফালে চকী দুখন। মাজত এখন টেবুল আৰু টেবুলৰ ওপৰত ফুলদানি এটা থাকিব।

আঁৰ কাপোৰ উঠাৰ পিছত ঃ চেফা চেটৰ এটা চুকত বহি চুইটিয়ে হাতত স্কীণ টাচ্ছ ফোন লৈ মুখ জোঙা কৰি চেলফি লৈ থাকিব। দেউতাকে বাহিৰৰ পৰা মাত দি সোমাই আহিব।

| | | |
|---|---|---|
| দেউতা | ঃ | মাজনি কি কৰি আছ' অ'! ইমানপৰে বিচাৰি আছো, তই আকৌ ইয়াত নক্সা কৰি বহি আছ। আহচোন, মোক অলপ সহায় কৰি দেহি...। ফুলনিৰ বন নিৰাব লাগে। |
| চুইটি | ঃ | পাপা! তুমি দেখিছানে, মই বিজি আছো। |
| দেউতা | ঃ | তইনো কিহত ইমান বিজি আছ... পঢ়ি আছ নে মাৰৰ কাম কৰি দিছ? |
| চুইটি | ঃ | পাপা! তুমিও যে আৰু নহয়। |
| দেউতা | ঃ | তইনো ফোনটো টিপি টিপি কি কৰি আছ? |
| চুইটি | ঃ | পাপা তুমি বুজি নাপাবা। .... অ শুনানা পাপা (সুৰ সলাই) |

দেউতা ঃ অথনিৰেপৰা শুনিয়ে আছো চোন... ক'তা...

চুইটি ঃ অ' পাপা! বস্তু এটা খুজিম দিবানে?

দেউতা ঃ আগতে ক'চোন বাৰু, কি বস্তু!

চুইটি ঃ কম নহয়, আগতে বঁহাচোন (হাতত ধৰি টানি বহুৱাব) চাহ খাবানে?

দেউতা ঃ নেখাওঁ দে এতিয়া, বনখিনি নিৰোৱা হ'লে দিবি, ব'লচোন মোক অলপ লাগি দেহি..!

চুইটি ঃ ওহোঁ.. নখত লেতেৰা লাগিব (নখলৈ চাই)

দেউতা ঃ অ মানে নখ লেতেৰা হয় বুলি কামো নকৰিবি, তেনেহ'লে ভাতো নেখাবি (ওলাই যাব খোজে)

চুইটি ঃ পাপা! (মাতি ৰখায়)

দেউতা ঃ আকৌ কি হ'ল...? (ঘূৰি চায়)

চুইটি ঃ মই সহায় কৰি দিম নহয়...। কথা এটা ৰাখিবা? (উৎসুকত আগবাঢ়ে)

দেউতা ঃ কি কথা আকৌ...?

চুইটি ঃ মানে পাপা, টকা চাৰিহেজাৰ লাগিছিলে?

দেউতা ঃ কি....! টকা চাৰিহেজাৰ (আচৰিত হৈ খেংখেঙাব)

চুইটি ঃ কি মানে! মাত্ৰ চাৰিহেজাৰহে, সেইটো ইমান টান পোৱানে?

দেউতা ঃ অ' তোৰ বাপেৰে টকা গছৰ যে, চিঙিবি আৰু যিমান লাগে... টকা গছত লাগি আছে?

চুইটি ঃ অকণমান কথাতে কিয় খং উঠে বাৰু তোমাৰ! মই তেনে ভাবি কৈছো নেকি কিবা।

দেউতা ঃ পৰহিদিনা এ.টি.এমৰ পৰা তই পইচা উলিওৱা নাছিলি... ইমানসোপা পইচা ক'ত পেলালি...।

চুইটি ঃ অ' সেইটো আঠ হেজাৰ আছিলে.. হেৰি.. মাক এণ্ড্ৰয়ড ফোন এটা লৈ দিলো নহয়, গম নোপোৱা নেকি...? (মুখত মাত মিঠা হয়)

দেউতা ঃ (আচৰিত হৈ) মাৰক ফোন লৈ দিছ... তোৰ আঁকৰি মাৰে সেইডালৰ কিতো মূল্য বুজিব, নিজৰ নামটোকেই ইংৰাজীত লিখিব নাজানে। (ঠাট্টা কৰি)

চুইটি ঃ ইছ্... মাক তেনেকৈ নকবা দেই! কোনে ক'লে মাই ফোন চিপিব নাজানে বুলি? আমাৰ মা সেই আগৰজনী হৈ থকা নাই। মায়ে ফোনটোৰ ফেচবুক, হোৱাট্ছ এপ সকলো জানে... তুমিহে চৰকাৰী চাকৰিয়ালটো হৈও একো নাজানা...।

দেউতা ঃ হ'ব, হ'ব... বাপেৰক অঁকৰা বনাবৰ চেষ্টা নকৰিবিহঁক...।

চুইটি ঃ এইবোৰ বাদ দিয়া... অ' পাপা Please...

দেউতা ঃ টকা চাৰিহেজাৰ কিয় লাগে?

চুইটি ঃ আকৌ সকলো কৈহে খুজিব লাগিব নেকি...!

দেউতা ঃ টকা এনেই পোৱা বস্তু নেকি? যি লাগে বুলিলেই দিব লাগে, বিনা কাৰণত টকা দিব নোৱাৰি নহয়।

চুইটি ঃ বিনা কাৰণত ময়ো খোজা নাই নহয়....

দেউতা ঃ তেনেহ'লে...?

চুইটি ঃ কালিলৈ মোৰ ফ্ৰেণ্ডৰ বিয়া... মই নগ'লে তাই বহুত বেয়া পাব... লগতে তাই মোৰ Best Friend হয়।

দেউতা ঃ যাবি.. তোক কোনে মানা কৰিছে... সেইবুলি টকা চাৰিহেজাৰৰ কি Present দিবি..?

চুইটি ঃ মোক Present ৰ কাৰণে টকা নেলাগে নহয় চুলি Streight কৰিবলৈহে লাগে।

দেউতা ঃ অ তেনেহ'লে বিয়াঘৰত চুলি Streight নহ'লে সোমাব নিদিয়ে হ'বলা...। হ'ব তোৰ এয়া চুলিয়ে ভাল... মেটেকা মূঢ়া নহয়টো...। চুলি Streight নকৰিলেও তোক মোৰ ছোৱালী বুলি এনেই চিনি পাব...।

(চুইটিৰ মাক বিনা ফোন টিপি টিপি সোমাই আহিব)

বিনা ঃ অ' চুইটি.... চোৱাচোন এইটো মোৰ ফটোত কমেণ্ট কৰিছে, কি বুলি Reply দিলে ভাল হয় চাচোন... মোক দেখুৱাবি... (ব্যস্ত হৈ)

দেউতা ঃ অ... তই আকৌ ৰচকি...ৰঙিলী হৈ ক'ত ওলাইছ হে... মোৰ পাটগাভৰু..?

বিনা ঃ হেৰি... কি কৈছে আপুনি... মোক কি পাটগাভৰু যেন লাগিছে! সঁচাইনে...? (আনন্দতে নিজৰ কাপোৰ ঠিকঠাক কৰি

চায়)

দেউতা ঃ (ভোৰভোৰাই) ৰামায়ণৰ শূৰ্পনখা যেন লাগিছে।

বিনা ঃ হে কি কৈছে হে... আপোনাৰ কি হৈছে.... মই বুজা নাই...?

দেউতা ঃ নালাগে মোক বুজিব... মই নহ'লেও তঁহতি ভালে-কুশলে জীয়াই থাকিবিহঁক...।

বিনা ঃ হেৰি... আপোনাৰ সঁচাকৈ কি হৈছে বাৰু বুজাই কওকচোন (ওচৰতে বহে)

দেউতা ঃ তঁহতি মোৰ মূৰটো খালিয়েই... এই তহঁতক যেনি তেনি পুহিবলৈ ৰখা মোৰ চাকৰিটো খাবি...।

বিনা ঃ কি কয় হে... চিধা চিধিকৈ কওক..

চুইটি ঃ সিনো আৰু কিতো ক'ব.. তাৰ পৰা চুলি Strait কৰিবলৈ টকা চাৰিহেজাৰ খুজিছিলো... তাৰপৰাই খং উঠিব লাগিছে।

বিনা ঃ অ' এইটো কথা.. হেৰি আপুনি নিজৰ সন্তানটোলৈকে টকা নঘটি কালৈ ঘটিছে .. নে মৰোতে লৈ যাব... পুৰণি দিনৰ কথা হ'লে বেলেগেই আছিল... ধনগুলৈ হৈ ৰখি থাকিবলৈ... চাও দিয়ক (দেউতাৰ চোলাৰ জেপৰ পৰা টকা চাৰিহেজাৰ উলিয়াই দিয়ে। দেউতা ভেবা লাগি চাই থাকিব)

চুইটি ঃ (পইচাটো হাতত লৈ) Thanks you so much! মা You are my best mom! (মাকক সাৰতি চুমা খাই আৰু দৌৰ মাৰি বাৰিহলৈ ওলায় যায়।

বিনা ঃ হেৰি.. আপুনি কেলেই



এনেকুৱা বাৰু, টকা চাৰিহেজাৰৰ বাবে মিছা মিছিকৈয়ে ছোৱালীজনীৰ মন বেয়া কৰালে। জীয়ৰী হৈ থাকোতেহে তাইক পাম... এদিন যেতিয়া তাইক আনৰ হাতত গতাম তেতিয়া পিন্ধাম উৰাম বুলিলেও নাপামগৈ (দেউতাক মুখ মেলি চাই থাকিব..। বিনা খেংখেঙাই উঠিব) হেৰি কি হ'ল অ... অবাক লাগি চাই আছে যে... আজিকালি গাভৰু ছোৱালীৰ হাতত টকা লাগেই মোৰ ছোৱালী বুলিহে কম টকাত চলে... বেলেগ ছোৱালীবোৰক চাবচোন কি ষ্টেন্ডাৰ্ড...(শলাগিব)

দেউতা ঃ (বিনাৰ কথাৰ পতিয়ন দি) নতুনকৈ ফোন কিনিলি হ'বলা..

বিনা ঃ অ.. (মিছিকিয়াই) ঘৰত সদায় অকলে বেয়া লাগে কাৰণে চুইটিয়ে স্কীণ টাছ ফোন লৈ দিছে। চাওকচোন তাই কিমান দয়ালু... ভালেই হ'ল অন্ততঃ ঘৰত অকলে থকাৰ সময়ত মোবাইলটোৰ লগতে লাগি থাকিব পাৰিম.... হোৱাইট এপ ফেচবুক চ'ব আছে আৰু... (শেষ হ'ব নিদি)

দেউতা ঃ সেইকাৰণে আজিকালি অফিচৰ পৰা অহা গিৰিয়েকটোক পানী এগিলাচ দিয়াৰ সময় নাই- গিৰীয়েকটোয়ে আজি পুৱাৰপৰা ভোকে লঘোণে কাম কৰি আছে চাহ একাপ দিয়াৰ কাণ্ডজ্ঞানকণ নাই...।

বিনা ঃ হয় পায়.. ফোনটোত লাগি থাকোতে সময় কেনেকৈ পাৰ হৈ যায়...গমকে নাপাই নহয়। নতুনকৈ শিকিছো

যে সেইকাৰণে সময়টো অলপ বেছিকৈ লাগিছে। ফেটবুকতো কমেণ্ট আহি আছে... কেনেকৈ Riply নিদিয়াকৈ থাকিম কওকচোন। আপুনিও যদি এইবোৰত সুমায় নহয় বেলেগ কামত মনেই নবহিবগৈ। অ চাওঁ.. চেলফি এটা লওঁ অলপ চাপি আহক (ফোনটো লৈ চেলফি লয়) এ আপোনাক কেনেকুৱা লাগিছে... ফটোত উঠিবও নাজানে... চাওঁ মুখখন অলপ বেকা কৰি দিয়ক (আকৌ চেলফি ল'ব)

দেউতা ঃ (খেংখেঙাই উঠিব) এহ্ ৰচোন ৰ.. এইবোৰ তহঁতি মাক জীয়েকে মিলি কি কৰি আছ অ'.. চব পাগল হলিহঁত নেকি? নে মোবাইলৰ ভূতে পালে...? মাক নাই জীয়েক নাই মুখখন সোণালী কাপটোৰ গতে ৰঙা কৰি ল'ব আৰু তাতে বেকা কৰি নিদিলেই নহয়.. কিহৰ নক্সা এইবোৰ হে..

বিনা ঃ অ এইটো আপুনি নক্সাহে পালে নহয়... ইমান দিনে টাউনৰ সমাজত থাকিও গাঁৱলীয়া ভূতটোৱে হৈ থাকিলহ'ক.. (ফোন টিপি থাকিব)

দেউতা ঃ হ'ব হ'ব... অত বছৰে এই গিৰীয়েৰৰ টকাৰে বিহু মাৰি আছ? আকৌ বুলে মই গাঁৱলীয়া ভূতহে হ'লো।

বিনা ঃ হেৰি...! আপোনাক আৰু কি বুজাম কওক আজিকালি ...

দেউতা ঃ মই জানো.. তহঁতৰ আগত মই সদায় বেয়াই হওঁ.. ক'ত ছোৱালী কি কৰিছে.. ভালকৈ পঢ়া শুনা কৰিছেনে নাই... বেয়া সংগ



লৈছে নেকি... সেইবোৰতো তোৰ কাণ্ডজ্ঞান নাথাকেই... মই ক'লেও বেয়াৰ নামত প্ৰথম ময়েই ওলাওঁ....। মাক বাপেকটো হৈ যদি আমিয়ে এনেকৈ এৰি দিলে এদিন তাইৰ জীৱনো ধ্বংস হ'ব আমাৰো সন্মান যাব... সেইটো খাতাং। জীয়েক একা মাক একা.. কিযে কৰিব ওলাইছে... ধ্বংস কৰিহে এৰিবি ছাগৈ... (খং কৰি)

বিনা ঃ এৰা আপোনাক কিহে পালে হে... তাই এতিয়া সৰু ছোৱালী নহয়, নিজৰ ভাল বেয়াৰ প্ৰতি চিন্তা কৰিব পাৰে.. তাতনো আমি কিয়বা সোমাব লাগে... অ আৰু কি ক'লে... অ হেৰি মোবাইলে হেনো মানুহক নষ্ট কৰে কোনে ক'লে হে...। নষ্ট কৰা হ'লে কেলেই এইবোৰ সৃষ্টি কৰিব আমাৰ ভালৰ বাবেহে এইবোৰ উলিয়াইছে...। আজিকালি মোবাইলৰ ফেচবুক, হোৱাটছ্ এপ্ ইনছটাগ্ৰামৰ যুগ.. এইবোৰ আজিকালি

চলেই আৰু চলোৱাটো দৰকাৰি। মইয়ো চলাও... বুজিছে এইবোৰ নজনা মানুহক লোকে অকৰা কয়... আপোনাৰ কথা যদি ওচৰ চুবুৰীয়াই গম পায়... আপোনাক কি ক'ব জানে... (অলপ হাঁহি) চৰকাৰী চাকৰিয়াল হৈও একো নাজানে বুলি হাঁহিব।

দেউতা ঃ হেৰা...হ'ব দিয়া.. তোৰ কথাবোৰেই সঁচা হওক গোসানীআই.. পিছে সেই মুখ বেকা কৰা মুখত ৰং সনা ক'ত শিকিলিহ'ত অ'...

বিনা ঃ আও...কি... পূজাত যে নিউজত দিয়ে আপুনি দেখা নাইনেকি? ছোৱালীবোৰে কেনেকৈ মূৰ্তিৰ সন্মুখত চেল্‌ফি লৈছিল... ধুনীয়া ধুনীয়া দামি দামি শাৰী..লেহেংগা, পিন্ধি ছোৱালীবোৰে ফেশ্বন দিছিল। ৰ'ব আপোনাক দেখাই দিছো... (চেলফি লয়) এইটো কয় চেল্‌ফি। এইটো মই ইনছটাগ্ৰামত দিম Me and my husband.... (নিজে নিজে ভূ-ভুৱাই ভিতৰলৈ যাব খোজে)

দেউতা ঃ আচৰিত কালিয়ে নিজৰ নাম লিখিব নজনা মানুহজনী আজি মোক ঠাণ্ডা কৰি গুচি গ'ল.. ভঙা ভঙা ইংৰাজী কয়... (নিজকে নিজে) দেখিছেনে বাৰু ইয়াকে কয় আধুনিক যুগ ..ওহো নহয় কলিৰ যুগ...

বিনা ঃ (ঘূৰি আহিব) হেৰি... চাওকচোন এয়া Meesho ত এয়া ধুনীয়া ধনীয়া শাৰী দি আছে Order দিও দেই আপোনাৰ একাউণ্টৰ পইচাৰে পে কৰিম দেই বেছি নহয়.. তিনিখনহে শাৰী..।

দেউতা ঃ নেলাগে কিনিব... ঘৰতে শাৰী নধৰা হৈ আছে। এবাৰ দুবাৰহে পিন্ধিছ'।

বিনা ঃ মই জানো নহয় (খেংখেঙাই উঠিব) বৰ্বৰ কৃপনটো..টকাৰ কথা উলিয়াবহে লাগে তাৰ মাথা গৰম হৈ যায়। (উচাৎ মাৰি গুচি যায় আৰু নেপথ্যৰ পৰা চিএঁৰ মাৰে) মই এইবোৰ নাজানো দেই মূঠৰ ওপৰত মই শাৰী Order দিলো ...কৈ দিছো..।

দেউতা ঃ (নেপথ্যৰ মাত শুনি ভালকে পিঠি আউজি বহি লয়) কি গতি কাল আহিলে ঐ... ইয়াকে চাগৈ কলি যুগ কয়... চব সলনি হ'ল... কত আমাৰ সেই গাঁৱলীয়া জীৱন... কত এয়া এই পৰিস্থিতি মযেই ছাগৈ এই পৰিস্থিতিত পিছ পৰি আছো...

বিনা ঃ (ওলাই আহে) হ'ব হ'ব দিয়ক... নোখোজো আপোনাৰ পৰা পইচা.. এইবাৰ পৰা মইয়ো কাম কৰিম নিজে ঘটিম।

দেউতা ঃ (বহাৰ পৰা উঠি) হেৰ' তহঁতৰ কাৰণেতো পইচা ঘটিছো সেইবুলিয়ে অযথা খৰচ কৰিব নোৱাৰো নহয়... ছোৱালী ডাঙৰ হৈছে বিয়া দিব লাগে... মোৰো Retire হ'বলে হ'ল এতিয়া যদি টকা নাসাচো আগলৈ পস্তাবি আৰু এই বুঢ়া কালত তোৰ এইবোৰ কৰাৰ সময় নাই...

বিনা ঃ হ'ব হ'ব.. শিষ্টাচাৰ শিকাব নালাগে.. আজিৰ যুগৰ হৈ হোৱাইচ এপ, ফেচবুক কি সেইটো নাজানে বৰ কথা চহকী হ'ব ওলাইছে। অতবছৰে চাউনত থাকিলো তথাপিও গাঁৱৰ ভুচুং পশুটোৰে হৈ থাকিল। আপোনাৰ লগত বিয়াত বহি মযেই ভুল কৰিলো (প্ৰস্থান)

দেউতা ঃ (অলপ ভাবি) অ মানে এও মোক হোৱাটছ এপ, ফেচবুক নজনাৰ কাৰণে মোক অকৰা পালে... ভুচুং পশুটো হ'লো মই (দৰ্শকলৈ) হেৰি আপোনালোকে শুনিলেনে বাৰু ইয়াকে কয় "ডিজিটেল ইণ্ডিয়া" বাৰু যি হয় দেখা যাব। মইয়ো এইবাৰৰ পৰা এনে বহি থকা বিধৰ নহও..। ৰহ মইয়ো এনড্ৰইড ফোন লৈ লও.. ফেচবুক খুলিম.. হোৱাটছ এপ খুলিম... তেতিয়া দেখুৱাম নহয় মজাটো.. (সুমাব খুজে) অ' হেৰি (ঘূৰি আহে) আপোনালোকো সাৱধান .. এইবোৰ নজনা বুলি গম পালে আপোনালোকৰো মোৰ দশাই হ'ব (প্ৰস্থান)

(আঁৰ কাপোৰ পৰে)

# প্ৰতিযোগিতা শিতান





# মোৰ প্ৰিয় ব্যক্তি হীৰেণ ভট্টাচাৰ্যৰ সৈতে কাল্পনিক সাক্ষাৎকাৰ

**আকাংক্ষা দত্ত**

শুক্লপক্ষৰে কোনোবা এটা দিন। বাহিৰৰ মিঠা জোনাকখিনি জিৰজিৰকৈ সোমাই আহিছিল মোৰ খিৰিকিৰে। কোঠাটো নীলাৰে উপচি পৰিছিল। জোনাকৰ মায়াসনা আবেশে দুচকুলৈ নমাই আনিছিল নিদ্ৰাৰ ঢল। এই ঢলৰ বুকুত উটি ফুৰিছিল মোৰ ভাবনা গধুৰ মনটো। লুংলুঙীয়া বাট এটাৰে উৰা মাৰিছিলো সুগন্ধি পখিলাৰ আঁত বিচাৰি। হঠাৎ সেউজীয়াবোৰৰ বুকুত দেখা পালোঁ এখন ফলক-

বুটা-বছা আখৰেৰে লিখা "স্নেহতীৰ্থ"। বৰ আপোন লাগিল মনৰ মাজত। জপনা খুলি সোমাই গলোঁ দুৱাৰ অভিমুখে দূবৰি গচকি। ওপৰলৈ মূৰ তুলি দেখা পালোঁ ৰূপালী ৰঙৰ ঢৌ খেলা চুলিৰ এজন ক্ষীণ, দীৰ্ঘদেহী মানুহ মোৰ ফালে আগুৱাই আহি আছে। মনতে বাজি উঠিল -

"ৰূপালী ৰং চুলিত লাগিছে, বেয়া নেদেখি লাগক; সোণালী খিনি মচি নিদিবা।"

তেখেতৰ পিন্ধনত এটা বনিয়ন আৰু পায়জামা, অলপ ধোৱা বৰণৰ। ওঁঠেকে নিগৰি আহিল, এখেতেই চাগে সুগন্ধি পখিলাৰ আঁত! ক্ষণিকতে ফৰকাল হৈ পৰিছিল মনটো। কিন্তু খৰকৈ আগুৰাব খোজা ভৰি দুখন যেন অজান শক্তিয়ে চেপা মাৰি ধৰিছে। ইমান সময়ে দূৰত থকা মানুহজন আহি কায পালেহি।

"আইজনী, বাট ভুল কৰি এইখিনি পালা হ'বলা?" মই অলপ সাহস গোটাই ক'বলৈ চেষ্টা কৰিলোঁ-

'মহাশয়, মই সুগন্ধি পখিলাৰ আঁত ... মানে কবি জনক বিচাৰি আহিছোঁ। মোৰ কথা শেষ হ'বলৈকে নাপালে, তেখেতৰ কপালৰ চেলাউৰি থূপ খালে আৰু কৈ উঠিল-

"কতিয়াৰ পৰা মই তোমাৰ মহাশয় হ'লোঁ? আৰু তুমি মোৰ শিষ্যা হোৱা হ'লে মনত থাকিলে হয়। তুমি মোৰ নাতিৰ যুৰীয়া। এতেকে মোক 'ককা' বুলিবা।

তেখেতৰ কথাবোৰে মুহূৰ্ততে শ্ৰদ্ধাৰ ভেটি দৃঢ় কৰি তুলিলে। মুখৰ পৰা অজানিতে সৰি পৰিল-- "সুগন্ধি ককা"। এমোকোৰা হাঁহি মাৰি মূৰত হাত বুলাই তেখেতে মোক ভিতৰলৈ লৈ গ'ল। নিজকে উদ্দেশ্যি কৈ গ'ল-

"বহু দিনৰ মূৰত নাতিনী এজনী পাইছোঁ, তাইক বোলে সুগন্ধি পখিলাৰ আঁত লাগে।"

মোৰ ২২ বছৰীয়া মনটো পলকতে শিশু হৈ উঠিল। মনতে ভাবিলো, সুধিম বোলা কথাবোৰ জানো সুগন্ধি ককাক সুধিব পাৰিম!

মোক জলকা মাৰি থকা দেখি তেখেতে কৈ উঠিল-

"কি মন কৰি অহা হ'ল বা? আজিকালি তোমালোকবোৰৰ লগত কথা পাতিবলৈ সুবিধাই নিমিলে। তুমি যে মোক বিচাৰি ইমান দূৰ আহিলা মোৰ ভাল লাগিছে। গতিকে নিসংকোচে তোমাৰ উদ্দেশ্য মোৰ আগত ক'ব পাৰা।"

অনুমতি পালোঁ যদিও কথাবোৰ আৰম্ভ ক'ৰ পৰা কৰোঁ ভাবিয়ে আউল লাগিল........।

ঃ ককা মই আচলতে আপোনাৰ সাক্ষাৎকাৰ ল'বলৈ আহিছোঁ। এটা প্ৰতিযোগিতা পাতিছে, বিষয় 'প্ৰিয় ব্যক্তিৰ সৈতে সাক্ষাৎকাৰ'। মা দেউতাৰ পিছতে মোৰ প্ৰিয় ব্যক্তি হিচাপে হৃদয়ত আপোনাক শ্ৰেষ্ঠ আসনত ৰাখিছোঁ।

হাঁহি থকা মুখখনৰ ৰং বোৰ সলনি কৰি তেখেতে ক'লে -

ঃ "তুমিটো জানাই এই কবিৰ আৰু একো নাই"

সৰু মানুহ, তাৰ পিছতো মোৰ পৰা কি জানিব আহিছা, সেইটো মই নিজে ধৰিব পৰা নাই। তথাপিও মোৰ নাতিনী জনীৰ মুখত হাঁহি দেখিবলৈ মোৰ বুকুৰ জলঙাৰ পৰা যি লাগে কৰি দিম দেই!

ঃ আপুনি কেনে আছে মোৰ সোধাই হোৱা নাই নহয়, স্বাস্থ্য ঠিকে- থাকে আছে নে ককা?

ঃ (হাঁহি) এনেকৈয়ে আছোঁ,

"দুখ মোৰ কোলাৰ কেচুৱা

বাৰে বাৰে দুহাতেৰে দাঙি ল'ব লাগে।"

ঃ আপুনি দুখৰ কথা ক'লে যে আপোনাৰ কিবা দুখ আছে নেকি?

ঃ আচলতে বুকুত বহুত দুখ আছে, সেই দুখ জাতিৰ বাবে, দেশৰ বাবে, দুখ মোৰ মাতৃভূমিৰ বাবে।

ঃ ককা, কেনেকৈ আপুনি ইমান সৰল মনৰ?

ঃ আমি খাটি খোৱা চহা অসমীয়া মানুহ। জটিলতা মনত পুহিব নাজানো বাবে মই সৰল।

ঃ আপুনি চহা মানুহ বুলি ক'লে; আচলতে চহা জীৱন আপোনাৰ প্ৰিয় নেকি?

ঃ মোৰ ল'ৰালি গাঁৱৰ বুকুত এৰি আহিছোঁ, অসমৰ বিভিন্ন ঠাইত। যৌৱনৰ আদিভাগতহে গুৱাহাটীলৈ আহিছোঁ। খাটি খোৱা তেজ বান্ধিহে মই যৌৱন পালোঁ। সেইয়ে চহা জীৱনৰ কণা মোৰ সিৰাই সিৰাই।

ঃ আপোনাক সকলোৱে 'প্ৰেমৰ কবি' বুলি ক'ব খোজে। তদুপৰি আপুনি লিখিছে 'প্ৰেম নিশ্চয় এনেকুৱাই/আৱৰণ খুলি হৃদয় জুৰাই' - ইয়াৰ ৰহস্য বা কি?

ঃ (পুনৰ হাঁহি) মোৰ এই প্ৰেম মাতৃভূমিৰ বাবে, মানুহৰ বাবে। তথাপিও কওঁ-

"প্ৰেমৰ কথাতো আৰু আনক ক'ব নোৱাৰি,

নিশ্বাসৰ দৰে নিশব্দে যেন বিচাৰি ফুৰে

শব্দ, বৰ্ণ আৰু পোহৰৰ উৎস।"

ঃ ককা, আপোনাক লগ পাবলৈ মোৰ কিয় ইমান মন যায় জানেনে, আপোনাৰ সৰলতা আৰু সাৱলীল কথাবোৰে মোৰ অন্তৰাত্মা চুই যায়, নতুনকৈ আগুৱাই যোৱাৰ পথ দেখুৱায়। কেনেকৈ বাৰু ইমান ধুনীয়াকৈ শব্দবোৰ মিলাই লিখে?

ঃ (হাঁহি) আইজনী, তোমাৰ কথাবোৰে মোক আপ্লুত কৰিছে। আচলতে কি জানা, মই লিখোঁ বুলি নিলিখো নহয়, মনৰ ভাববোৰহে টুকি যাওঁ। আৰু তোমালোক পাঠকসকলে আঁকোৱালি লৈ কবিতাৰ মহত্ব প্ৰদান কৰা।

ঃ আপোনাৰ বাবে কবিতাৰ সংজ্ঞা বেলেগ নেকি?

ঃ আচলতে কবিতা মাথোঁ ভাৱৰ প্ৰকাশ। য'ত অৰ্থবোৰ

অস্পষ্ট ভাবে লুকাই থাকে। ই কেতিয়াও গল্প বা উপন্যাস হ'ব নোৱাৰে।

ঃ ককা, আপুনি কবিতা লিখিবলৈ কেতিয়া আৰম্ভ কৰিছিল?

ঃ কৈশোৰ পাৰ হোৱাৰ পিছত।

ঃ আচলতে প্ৰতিটো মহান কামৰ আঁৰত কাৰোবাৰ প্ৰেৰণা লুকাই থাকে। ককা, কবিতা লিখাৰ 'প্ৰেৰণা' আপুনি ক'ৰ পৰা পাইছিল?

ঃ প্ৰেৰণা বুলি ক'বলৈ বিশেষ নাই। সমাজত ঘটি থকা কথাবোৰেই 'প্ৰেৰণা।'

ঃ ককা, কিবা পৰিৱেশ প্ৰয়োজন হয় নেকি কবিতা লিখাৰ বাবে?

ঃ মই তেনেকৈ লিখি পোৱা নাই। মন গ'লে অ'ত - ত'ত লিখি পেলাওঁ।

ঃ আপোনাৰ কবিতাৰ কিবা বিশেষ নিয়ম আছে নেকি?

ঃ কবিতাৰনো কি নিয়ম থাকিব, মাত্ৰ ই অন্তৰাত্মা চুব পাৰিব লাগিব।

ঃ কবি আৰু কবিতাৰ সম্পৰ্ক কেনেকুৱা হয়?

ঃ কবিতা এক ভাষাৰ মূৰ্তি আৰু কবি হৈছে জীৱনদাতা।

ঃ কবিতা লিখাৰ বাবে আপুনি অনুশীলন কেনেদৰে কৰে?

ঃ তুমিটো জানাই পঢ়ুৱৈ ন'হলে শব্দ চহকী হোৱা অসম্ভৱ। লিখিবলৈ হ'লে প্ৰথমে পঢ়িবই লাগিব। কিন্তু কবিতা লিখাৰ বাবে যে কবিতাই পঢ়িব লাগিব তেনে কথা নাই। ইয়াৰ কথাটো অলপ বেলেগ। অভিজ্ঞতাৰ পৰাহে কবিতা হয়।

ঃ আপুনি শব্দৰ ক্ষেত্ৰত চহকী হোৱা কথা ক'লে, মই জানিব বিচাৰিম অসমীয়া ভাষা শব্দৰ ক্ষেত্ৰত চহকী নে?

ঃ মইনো কি ক'ম! আমি জানো অসমীয়া শব্দবোৰ ব্যৱহাৰ কৰোঁ? ব্যৱহাৰ নকৰিলে চহকী নে দুখীয়া জানিমনো কেনেকৈ?

ঃ আপুনি চাগে যথেষ্ট অধ্যয়ন কৰে?

ঃ (অলপ ভাবি) শৈশৱ আৰু কৈশোৰত মই যথেষ্ট পঢ়িছিলোঁ, আজিকালি কমিল বুজিছা! আগতে পঢ়াবোৰৰ সামান্য জ্ঞানেৰে বৰ্তমানটো চলাই আছোঁ আৰু।

ঃ 'আমোলমোল শেৱালিৰ গোন্ধ'ৰ লগতে আৰু বহু গীতৰ গীতিকাৰ হিচাপে আপুনি পৰিচিত। কবিতা আৰু গীতৰ মাজত কিবা পাৰ্থক্য আছে বুলি আপুনি ভাৱে নেকি?

ঃ আচলতে কবিতাবোৰত সুৰকাৰে সুৰ দিলে গীত হৈ পৰে। গতিকে মই কবিতা আৰু গীতৰ মাজত কিবা পাৰ্থক্য নেদেখোঁ।

ঃ ' শইচৰ পথাৰ মানুহ' নামৰ কবিতা পুথিখনত আপোনাৰ চিত্ৰকৰ মনটোৰ আভাস পোৱা যায়। ইয়াৰ বিষয়ে কি ক'ব ককা?

ঃ মই চিত্ৰকৰ নহয় আইজনী, মাথোঁ মোৰ অনুভৱ খিনিক লৈ শব্দবোৰ তুলিকাৰে সজাইছিলোঁ।

ঃ নতুন কবি আৰু কবিতা সম্পৰ্কত কি ক'ব আপুনি?

ঃ পৰিবৰ্তনেই স্থায়ী। গতিকে নতুন সকলোবোৰেই শিল্প।

ঃ ককা ,অহাৰে পৰা মনত আপোনাৰ ঘৰত থকা 'স্নেহতীৰ্থ' শব্দটোৱে খু-দুৱাই আছে, এনেকৈ কিয় ৰখা হ'ল?

ঃ মোৰ মা 'স্নেহলতা ভট্টাচাৰ্য' আৰু দেউতা, 'তীৰ্থনাথ ভট্টাচাৰ্য'। মা-দেউতাৰ নামৰ পৰাই 'স্নেহতীৰ্থ' হৈছে।

ঃ ককা, 'কাব্যৰত্ন' সন্মান দিয়াৰ পিছত আপুনি কোৱা কথা শাৰী আজিও মনত পৰে, 'উপাধিটো নামৰ আগত নে পিছত লিখে মই নাজানো, আপোনালোকৰ মৰম বুলিয়ে গ্ৰহণ কৰিলোঁ।' এই ক্ষেত্ৰত কি ক'ব খুজিব?

ঃ কবিৰ বাবে পাঠকেই শ্ৰেষ্ঠ পুৰস্কাৰ আৰু এই বঁটা-বাহন পৰিশ্ৰমৰ ফলশ্ৰুতি।

ঃ আপুনি আৰু কিমান দিনলৈ লিখি যোৱাৰ কথা ভাবিছে?

ঃ মনৰ ভাবৰ নদীখন যেতিয়ালৈকে বৈ থাকিব।

ঃ ককা, মোক আপুনি কি ক'ব বিচাৰিব?

ঃ (মূৰত হাত বুলাই) আইজনী, এতিয়াৰ দৰে সৰলমনা হৈ আগবাঢ়ি যোৱা, শব্দবোৰৰ অনুশীলন কৰা, প্ৰচুৰ অধ্যয়ন কৰা । আকাংক্ষা হৈয়ে উজলি উঠা।

কিছু সময়ৰ আৱেশসিক্ত মৌনতা। বাহিৰত নীড়মুখি পখীৰ কলৰৱ, মোৰ চোন উভতিবৰে হ'ল!

মনে মনে আওঁৰালো--

"আঁহো বুলি মই ওলাই আহিব নোৱাৰোঁ
কপাহী কামিজটো পিন্ধোতেই ইমান পৰ
কেনেকৈ আঁহো পদূলিমূৰৰ ধূলিয়ৰি
মাধবীজোপাত
নজ্বলিলে জোনাকী পোহৰ..."

কিন্তু নাহিলে জানো হ'ব? গতিশীলতাইটো জীৱন! বুকুত হাজাৰ ব্যথা লৈ চলচলীয়া চকুৰে ভৰি দুখন চুই কৈ উঠিলো "সুগন্ধি ককা বিদায়" ককাৰ দুচকুৰে নিগৰি আহিল -

"দুখৰ কপাহ গুটিয়া বৰষুণ যাক সিঁচি থৈ গুচি গ'লাগৈ তুমি ঠিকনাহীন দিকচৌ বাটেৰে.... !"

উচুপি উঠা দেখি কাষত থকা 'মা'ই মাত লগালে, কি হৈছে অ' সোণ, কান্দিছা কিয়? খপ্‌জপ্ কৈ সাৰ পাই দেখো ককা নাই!

মাক ক'লো - 'মা, মই লগ পালোঁ সুগন্ধি ককাক'।

পঢ়া মেজখনলৈ চাই দেখো পুৱাৰ কোমল পোহৰত উজ্জ্বলি উঠিছে।



# মোৰ প্ৰিয় ব্যক্তি বিষ্ণুপ্ৰসাদ ৰাভাৰ সৈতে কাল্পনিক সাক্ষাৎকাৰ


## গৌৰাংগ শৰ্মা


'শিল্পীৰ পৰা বিদ্ৰোহীলৈ, গানৰ পৰা ষ্টেনগানলৈ, গান্ধীৰ পৰা মাৰ্ক্সলৈ, ডিমাপুৰৰ পৰা মধুপুৰলৈ, মঞ্চৰ পৰা জনসাধাৰণৰ অজ্ঞাতবাসলৈ আৰু অৱশেষত তেজপুৰৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হৈ বিধানসভালৈ তেওঁৰ এক বৈচিত্ৰ্যময়, সংঘাতপূৰ্ণ আৰু বিশাল জীৱন পৰিক্ৰমা আৰু ইয়াৰ মাজেৰেই আহি আহি তেওঁ আজি ৰাইজৰ হিয়াৰ আমঠু হৈ পৰিছে, মৃত্যুৰ পিছতো জনতাৰ হৃদয়ত তেওঁৰ প্ৰাণস্পন্দন লুইতৰ সোঁতৰ দৰে প্ৰবাহিত হৈ আছে। পাহাৰ-ভৈয়াম, দিহিং-দিচাং, উজনি-নামনি, জাতি-উপজাতি আদিৰ ভেদাভেদ পৰিহাৰ কৰি এখন শ্ৰেণীহীন সমাজ গঢ়াৰ সপোন দেখা তেওঁ, আন কোনো নহয় ঐক্য আৰু সমন্বয়ৰ প্ৰতীক গণশিল্পী কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা। আজি আমাৰ মাজত উপস্থিত থকা ৰাভাদেৱক সৰ্বপ্ৰথমে মই গৌৰাংগ শৰ্মাই তেখেতক কৃতজ্ঞতা জ্ঞাপন কৰিছো লগতে সংগ্ৰামী অভিনন্দন জনাইছোঁ।

- ধন্যবাদ।

❖ ভালনে আপোনাৰ?

- হয়। আছোঁ ভাল বেয়াৰ মাজেৰে..

❖ আপুনি আমাক এৰি থৈ যোৱা তেৰন্ন বছৰ হল। জীয়াই থকা কালত আপুনি অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰি শ্ৰমজীৱী জনতাৰ অধিকাৰৰ হকে মাত মাতিছিল, অশেষ কষ্ট-ত্যাগ স্বীকাৰ কৰিব লগা হৈছিল। গতিকে মৃত্যুৰ পিছৰ কালছোৱাত আপুনি পৰলোকত প্ৰকৃত সুখ-শান্তি লাভ কৰা বুলি অনুভৱ কৰেনে?

• সঁচা কবলৈ গলে মৃত্যুৰ ইমান বছৰৰ পিছতো মোৰ মনটো আজিও অসম, অসমীয়া ভাষা-সাহিত্য, সমাজ, কলা-কৃষ্টিৰ চিন্তাতে ভাৰাক্রান্ত হৈ থাকে। বানপানী, গড় হত্যা, সত্ৰৰ মাটি বেদখলৰ পৰা আৰম্ভ কৰি নাগৰিকত্ব সংশোধনী আইন, বিদেশী অনুপ্রৱেশকাৰীলৈকে এনেকুৱা এশ এবুৰি সমস্যাত ককবকাই থকা অসমখন দেখিলে মোৰ অন্তৰখনে হাহাকাৰ কৰি উঠে। দুখ-যন্ত্ৰনাত কাতৰ খিলঞ্জীয়া লোকসকলৰ আৰ্তনাদ শুনিও মই একোকে কৰিব নোৱাৰো, নিজকে অসহায় যেন লাগে। জাতিগত সংঘৰ্ষ, নাৰীৰ বিৰুদ্ধে অপৰাধ, ড্ৰাগছ বা আন মাদকদ্ৰব্যৰ প্ৰতি বাঢ়ি অহা আসক্তি এইবোৰ দেখি মই অস্থিৰ হৈ পৰো।

❖ এই সমস্যাবোৰৰ কিবা সমাধান আছে বুলি আপুনি ভাবেনে?

• নিশ্চয়কৈ আছে। প্ৰয়োজন মাথো একতা আৰু সজাগতাৰ...সাধাৰণ জনতা নিজৰ স্থিতিত অটল থাকিব লাগিব সেয়া লাগিলে ৰাজনৈতিকেই হওক বা সামাজিক স্থিতিয়েই হওক।

❖ অসমীয়া জাতিটো খুব আন্দোলন প্ৰিয় বুলি এটা বদনাম আছে। আপুনি ভাবেনে আন্দোলন কৰিলে সমস্যাৰ সমাধান হব..?

• গণতন্ত্ৰত নিঃসন্দেহে আন্দোলনৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে কিন্তু তাতোকৈ গুৰুত্বপূৰ্ণ মানুহ সজাগ হৈ উপযুক্ত প্ৰাৰ্থীক ভোট দিয়াটো।

❖ এই সমস্যাবোৰ সমাধান কৰিবলৈ ভগৱানে যদি আপোনাক পুনৰ পৃথিৱীলৈ পঠাই, সেই সুযোগ-সুবিধা গ্ৰহণ কৰিব নে? অসমতে জন্মগ্ৰহণ কৰাৰ ইচ্ছা নে অইন কৰবাত..?

• নিশ্চিতভাৱে অসমত। অসম মোৰ প্ৰিয় ঠাই, মোৰ জন্মভূমি, কৰ্মভূমি। চিৰ বিনন্দীয়া আই অসমীৰ প্ৰতি যি সংকট নামি আহিছে, সেই আহ্বানৰ প্ৰতি মই সঁহাৰি দিবই লাগিব।

❖ সাম্প্ৰতিক সময়ত আপুনি অসমৰ আটাইতকৈ জটিল সমস্যা কোনটো বুলি ভাবে?

• সমস্যাবোৰ একেই আছে। মোৰ দৃষ্টিত তেতিয়াৰ আৰু এতিয়াৰ সময়ৰ মাজত ব্যৱধান থাকিলেও সমাজ ব্যৱস্থাত বিশেষ একো পৰিৱৰ্তন অহা নাই। চৰকাৰে দেশখন লুটি পুতি খাইছে, সাধাৰণ জনতা আজিও শোষিত, নিষ্পেষিত, নিপীড়িত হৈয়ে আছে। গাওঁৰ কৃষক-শ্ৰমিকক ভোট বেংকত পৰিণত কৰি হিতাধিকাৰী সৃষ্টি কৰি মাহিলী টকা-পইচা কেইটামান দি সাময়িক সকাহ দিছে যদিও তেওঁলোকৰ আৰ্থ-সামাজিক স্থিতিৰ প্ৰতি কাৰো ভ্ৰূক্ষেপ নাই। তেওঁলোকক সেই ঠেক গণ্ডীৰ পৰা মুক্ত কৰি স্থায়ী সমাধানৰ ব্যৱস্থা কৰিব লাগে।

❖ তাহানিৰ আৰু আজিৰ সময়ৰ মাজত কিছু পাৰ্থক্য মন কৰিছেনে?

• তাহানি দেশ স্বাধীন হৈছিল যদিও সেয়া আচলতে ভাৰত চৰকাৰৰ হাতত ব্ৰিটিছৰ দমনমূলক নীতিৰ হস্তান্তৰহে আছিল মাত্ৰ। চৰকাৰে এচাম ধনী জমিদাৰ, চোৰাং বেপাৰী, মহাজন, পুঁজিপতি আদিৰ সুবিধাৰ বাবেই আইন কাৰ্যকৰী কৰিছিল যি আইন প্ৰকৃততে আছিল ধনীক ৰক্ষা কৰা আৰু দুখীয়াক পেটে ভাতে মৰা আইন। আজিও ক্ষমতা কেৱল মুষ্টিমেয় এচাম পুঁজিপতিৰ হাততে কেন্দ্ৰীভূত হৈ আছে যাৰ ফলত সাধাৰণ খাটি খোৱা জনতা মূল্যবৃদ্ধি, উচ্ছেদৰ নিচিনা প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। চৰকাৰে সাম্প্ৰদায়িকতাৰ বীজ সিঁচি সমাজখন ভাগ ভাগ কৰিছে।

❖ কিন্তু চৰকাৰে দৰিদ্ৰ জনতাৰ বাবে বিভিন্ন আঁচনিও তৈয়াৰ কৰিছে..?

• কিন্তু তাৰ লাভ কিমানে পাইছে? গোটেই জীৱন মই কৃষক-বনুৱাৰ সম-অধিকাৰৰ বাবে সংগ্ৰাম কৰিলোঁ কিন্তু আজি কৃষকে আত্মহত্যা কৰিবলৈ বাধ্য হৈছে, পথাৰ-বজাৰ বহিৰাগতৰ হাতত, চাহ শ্ৰমিকে দিন মজুৰিৰ বাবে সংগ্ৰাম কৰি আছে।

❖ প্ৰথমে শংকৰদেৱ, পিছলৈ গান্ধীবাদী আৰু শেষত সকলো বাদ দি আপুনি মাৰ্ক্সবাদ আৰু লেনিনবাদৰ আশ্ৰয় ললে। আপোনাৰ ৰাজনৈতিক চেতনাত যি পৰিৱৰ্তন ঘটিল, ইয়াৰ আঁৰত কোনবোৰ কাৰকে ক্ৰিয়া কৰিছিল?

• গান্ধীবাদী নীতিৰ প্ৰতি আকৃষ্ট হৈছিলোঁ। শংকৰদেৱৰ ধৰ্মীয় দিশটোতকৈ তেওঁৰ বৈপ্লৱিক সমাজ সংস্কাৰ আৰু সাংস্কৃতিক কৰ্মৰাজিৰ প্ৰতি আকৰ্ষণ বেছি আছিল। কিন্তু মাৰ্ক্সীয় ধ্যান ধাৰণাই মোৰ চঞ্চল অস্থিৰ জীৱনলৈ সাগৰ সংগমৰ পূৰ্ণতা আৰু গভীৰতা আনি

দিলে। ইমান দিন মোৰ মনত চলি থকা ভাৱবাদী চিন্তাধাৰাৰ প্ৰলেপটো গুচাই মোক বাস্তৱবাদী কৰি তুলিলে বুলি কলেও ভুল কোৱা নহব।

❖ শংকৰদেৱ জীয়াই থাকিবনে অসমীয়াৰ চেতনাত..?

• শংকৰ সংঘই শংকৰদেৱক ধৰ্মগুৰু হিচাপে প্ৰতিষ্ঠা কৰাত লাগিছে। বেয়া লাগে যেতিয়া বৈদিক আচাৰ বিধিৰে পতা যিকোনো অনুষ্ঠানত সংঘৰ ভকত নাযায়। মই নিজেও চিৰ জীৱন অস্পৃশ্যতাৰ বিৰোধ কৰি এখন উদাৰ সমাজৰ কথা চিন্তা কৰিলোঁ, এতিয়া সাধাৰণ জনতাই গুৰুজনাৰ আদৰ্শক পাহৰিলে যেন অনুভৱ হয়..

❖ মাৰ্ক্সবাদ লেনিনবাদ এতিয়াও প্ৰাসংগিক বুলি ভাবেনে?

• নিশ্চিতভাৱে। কিন্তু সেয়া হব লাগিব গণতান্ত্ৰিকভাৱে। মই ষ্টেনগান হাতত লৈছিলোঁ যদিও কেতিয়াও হিংসাৰ আশ্ৰয় লোৱা নাছিলোঁ। পুঁজিবাদী ব্যৱস্থাই সাধাৰণ কৃষক বা শ্ৰমিকৰ কেতিয়াও উন্নতি সাধন কৰিব নোৱাৰে। সেয়ে ধনতন্ত্ৰ ধ্বংস কৰি সমাজতন্ত্ৰ প্ৰতিষ্ঠা কৰিবই লাগিব।

❖ এজন গীতিকাৰ বা নৃত্য শিল্পী হিচাপে আপুনি যথেষ্ট সুনাম কঢ়িয়াই আনিব পাৰিলে হয়, কিন্তু সমাজবাদী মনটোৱে আপোনাৰ সাংস্কৃতিক প্ৰতিভাখিনি বিকশিত হোৱাত হেঙাৰ হিচাপে থিয় দিলে নেকি?

• কথাটো ওলোটা। মই শিল্পী হৈছোঁ ৰাইজৰ আশীষতহে, তেওঁলোকৰ সুখ দুখৰ সমভাগী হোৱাৰ ফলত মই বুজি গীত, গল্প আৰু নৃত্য-নাটিকাক মাধ্যম হিচাপে লৈ তেওঁলোকক জগাবলৈ চেষ্টা কৰিছিলোঁ।

❖ ইয়াৰে প্ৰকাশ ঘটিছিল আপোনাৰ বহুবোৰ গীত, কবিতা, গল্প আনকি এক মাত্ৰ উপন্যাস 'মিচিং কনেঙ'তো, নহয় জানো?

• হয়, 'ভাং ভাং ভাং', 'ব'ল ব'ল ব'ল ব'ল', 'হে বিপ্লৱী বীৰ অধিনায়ক হে', 'ৰক্ত লিখনিৰে লিখি যাম' আদি গীতসমূহ খুব ক্ষোভেৰে লিখিছিলো।

❖ প্ৰেমৰ কথালৈ আহোঁ। আপুনি নিজকে এজন সফল প্ৰেমিক বুলি ভাবেনে?

• মই চাৰিবাৰ বিবাহবাসত আবদ্ধ হৈছিলোঁ। প্ৰতিবাৰেই নিয়তিৰ কি কৰুণ পৰিহাস! প্ৰথম আৰু তৃতীয় পত্নীৰ বিয়োগ ঘটিল। ডেকা কালত 'লগন উকলি গল', 'নাহৰ ফুলে নুশুৱাই' আদি গীত লিখিছিলো। পত্নী বিয়োগৰ পিছত 'পৰজনমৰ শুভ লগনত' লিখিছিলো। কিন্তু পিছত পৰিপক্ক হৈ উঠাত বুজিছিলোঁ যে প্ৰেম কেৱল প্ৰেয়সী বা পত্নীৰ মাজতেই সীমাবদ্ধ হৈ নাথাকে।

❖ সাম্প্ৰতিক সময়ৰ এটি প্ৰশ্ন অখিল গগৈৰ নিচিনা প্ৰতিবাদী কণ্ঠক ৰুদ্ধ কৰিবৰ বাবে চৰকাৰে কিছুমান ভুৱা আইন জাপি দিছে। আপুনি যিহেতু নিজেই এজন সংগ্ৰামী আছিল, আপোনাৰ মতামত কি এই প্ৰসংগত।

• মই ভাবো এয়া গণতন্ত্ৰৰ প্ৰতি ভাবুকি। কিন্তু আমাৰ দিনতো চৰকাৰৰ এনেকুৱা স্বেচ্ছাচাৰী নীতি দেখিবলৈ পাইছিলোঁ। মোক ধৰি দিয়াৰ বিনিময়ত দহ হেজাৰ টকা পুৰস্কাৰ ঘোষণা কৰিছিল। পিছত কাৰাবন্দী কৰি ৰাখিছিল যদিও ন্যায়িক প্ৰক্ৰিয়াটোৰ ওপৰত মোৰ সম্পূৰ্ণ বিশ্বাস আছিল।

❖ আপুনি যিদৰে পিছত তেজপুৰৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল, অখিল গগৈও কিন্তু শিৱসাগৰৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হৈছে।

• সেইয়া ভাল কথা। গণতন্ত্ৰত ৰাইজেই ৰজা। অখিল গগৈয়ে ৰাজপথৰ আন্দোলন বাদ দি এতিয়া সদনত গণতান্ত্ৰিকভাৱে নিজৰ মত ৰখা উচিত।

❖ আপুনি সুখময়-বিলাসী জীৱন এটা ত্যাগ কৰি কিয় এই কণ্টকময়, সংঘাতপূৰ্ণ, সংগ্ৰামী জীৱন এটি বাছি ললে?

• হয়, মই উত্তৰাধিকাৰ সূত্ৰে নিজৰ দেউতাৰ পৰা ২০০০ বিঘা মাটি লাভ কৰিছিলোঁ। তুমি কোৱা কথাটো হয় যে চৰকাৰৰ অধীনত কাম কৰি মই বিলাসী জীৱন এটা কটাব পাৰিলো হয়, কিন্তু ওৰে জীৱন মোক শ্ৰমজীৱী মানুহৰ দুখ-দুৰ্দশাই অহৰহ খেদি ফুৰিছিল। তেওঁলোকক সংগঠিত কৰাৰ বাবেই মই এই পথ বাছি ললোঁ।

❖ বৰ্তমান যুৱ প্ৰজন্মকলৈ আপুনি আশাবাদী নে?


• হয়। খুব আশাবাদী। তেওঁলোকে মোৰ আদৰ্শ, কৰ্মৰাজী জীয়াই ৰাখিব বুলি মোৰ দৃঢ় বিশ্বাস আছে।

❖ জুবিন গাৰ্গে এই ক্ষেত্ৰত বিভিন্ন কাম হাতত লৈছে..

• মই গম পাওঁ। মোৰ নামত 'কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেচন' খুলি দান-বৰঙনিৰে বানপীড়িত লোকক সহায় কৰিছে। সাংস্কৃতিক কাৰ্যসূচীও হাতত লৈছে। ভাল পাইছোঁ মই।

❖ শেষত আপোনাক পুনৰ ধন্যবাদ জনাই আজিলৈ সামৰিছোঁ।

• ধন্যবাদ।



# মোৰ প্ৰিয় ব্যক্তিৰ সৈতে কাল্পনিক সাক্ষাৎকাৰ

হোমেন গগৈ

(সিদিনা মই এটি সপোন দেখিলোঁ। সপোনৰ পটভূমি আছিল ভাৰতবৰ্ষৰ স্বাধীন হোৱাৰ সময়। ভাৰতবৰ্ষৰ আজাদ হোৱাৰ পিছ মুহূৰ্ত্তত এজন কমৰেডক লগ পালোঁ। কথাৰ উজানত হঠাতে আক্ষেপ কৰি তেওঁ এষাৰ কথা ক'লে,"যে আজাদী ঝুঠা হৈ।" কিন্তু তেওঁ তেনেকৈ কিয় ক'লে মই বুজি নাপালোঁ। এনেকৈয়ে এই কথাৰ উমান বিচাৰি তেওঁৰ সৈতে মোৰ কথোপকথন আৰম্ভ হয়।)

মই : সমগ্ৰ ভাৰতবৰ্ষই আজি উদযাপন কৰিছে স্বাধীনতাৰ এই শুভ লগন। পৃথিৱীৰ প্ৰতিনিধি সকলে অভিনন্দন যাচিছে, গান্ধীক সাধুবাদ দিছে; আৰু আপুনি কৈছে এই স্বাধীনতা মিছা! কোন হয় আপুনি, কিয় এনেকৈ কৈছে?

তেওঁ : মই ৰাভা, পুৰা নাম বিষ্ণুপ্ৰসাদ ৰাভা। স্বাধীনতাৰ উন্মাদ তেজস্বীত মই আৰু আমিও স্নান কৰি আহিছোঁ। সহনশীল আৰু শোষণৰ ভৰত আমি কটাইছো অগণন নিদ্ৰাবিহীন ভয়াৰ্ত অথচ বুকু উফোন্দ পতা বিপ্লৱ ।

মই : আপোনাৰ নাম মই শুনিছো, পঢ়িছো মই আপোনাক। সেইদিনা আপোনাৰ ছবিৰে ভাৰতীয় ডাক টিকট লগাই চিঠি এখনো পঠিয়াইছো বিয়াগোম চৰকাৰী আমোলা লৈ মোৰ পিতাই দেশৰ বাবে ত্যাগ কৰা তেজ আৰু

সেই তেজে ডোঙা বন্ধা ঠাই ডোখৰৰ ম্যাদি পট্টা বিচাৰি। আজি আপোনাৰ সৈতে এনেকৈ লগ হৈ কথা-বাৰ্তা কৰিব পাৰিছো; এয়াই মোৰ ভৱিষ্যতৰ দিনৰ সোণে পখালি লোৱা সময় বুলি প্ৰতিপন্ন হ'ব।

ৰাভা ঃ (তেওঁ পথৰ কাষত পৰি থকা অসহায় লোক এজনলৈ দেখুৱাই মোক ক'লে) প্ৰিয়তম, পেটৰ তাড়নাত ছটফটাই ফুৰা সৌ বিপ্লৱী জনক যেতিয়াই তুমি স্বাধীনতা দিবলৈ সক্ষম হ'বা, তেওঁৰ কোচত এটা খাদ্যৰ টোপোলা নহয় তেওঁৰ হাত দুখন টঙাই দি কাইলৈ নাঙলৰ সীৰলুৰে মাটি ফালি খুদকণ আৰ্জি ল'ব পৰাকৈ জীৱনটো স্থিতপ্ৰজ্ঞ কৰি দিবলৈ সক্ষম হ'বা তেতিয়া হে তুমি ভাবি ল'বা যে ৰাভা তোমাৰ সৈতে কমৰেড গঢ়িছে।

মই ঃ কমৰেড ৰাভাদেৱ, আপোনাৰ নামেৰে, আপোনাৰ অনুকৰণত জীৱন-আজীৱন মই সাধনা কৰি আহিছো। সুবিধা পালেই আপোনাৰ তাণ্ডৱ নৃত্যত চকু স্তব্ধ কৰোঁ, আপোনাৰ 'কুইন ইমপ্ৰেছ সোণৰ পদক'ত চকু তধা লগাই চাওঁ, আপোনাৰ হাতৰ পৰশেৰে উজ্জীৱিত 'জগত গুৰু শংকৰদেৱৰ' কীৰিতি বখানো, আপোনাৰ কল্যাণ খৰমাণত চকুৰ লোতকে গধূৰ কৰে উদাসীন বুকু, আপোনাৰ "ভাং ভাং ভাং ভাং" ছন্দত ছন্দোবদ্ধ হৈ তেজৰ চেকুৰ বোৰ সক্ৰিয় কৰি লওঁ, আপোনাৰ "পৰ জনমৰ" প্ৰণয়ত উদ্যম গঢ়ি এই জনমৰ কলুষিত সমাজ নিৰ্মলতাৰ স্বাৰ্থত আইৰ চৰণত সেৱা নিবেদি এই যোৱন উচৰ্গা কৰিলোঁ ইতিমধ্যে। আপুনি ৰৈ গ'ল কাৰণেই মই আৰু মোৰ দৰে অনেক মিলি আমি কমৰেড গঢ়িছো। আপোনাৰ নামেৰে এই জীৱন-যৌৱন হপিলো কমৰেড ৰাভাদেৱ।

ৰাভা ঃ প্ৰিয়তম, আৱেগৰ যন্ত্ৰণা আৰু আৱেগৰ পালন আন এক বিপ্লৱ কিম্বা সংগ্ৰাম। সেয়ে তোমাক কওঁ আৱেগ তেতিয়ালৈকে বৈধ যেতিয়ালৈকে তোমাৰ বিবেকৰ উপস্থিতিয়ে সংগ দি যাব; নহ'লে তুমি মুধা ফুটা কোনোবা উৰি ফুৰা মানুহ বুলিয়েই সমাজে কৈ যাব যদিওবা তুমি মনে-প্ৰাণে সমাজৰ সুমতি বিচাৰিছিলা। সেয়ে প্ৰিয়তম, তুমি এনে কৰা যি সমাজৰ শেষৰজনলৈকে তোমাৰ দ্বাৰা উপকাৰ সাধন হয়।

মই ঃ হয় কমৰেড ৰাভাদেৱ, আপুনি বিশুদ্ধ কথাই কৈছে। আপোনাৰ জীৱন বৃত্তান্ত শুনিছোঁ অনেক, যেন জীৱন-যৌৱনৰ সংগ্ৰামেৰে বিভক্ত টুকুৰা-টুকুৰ হৈ সৃষ্ট কৃষ্টি-সংস্কৃতি, ভাষা-সাহিত্য, চিত্ৰশিল্প-নৃত্য অজস্ৰ সংস্কৰণৰ দ্বাৰা পূৰ্ণতা প্ৰাপ্ত হৈ সংগঠিত এখন পূৰ্ণাঙ্গ আল্পনা। তথাপিও আপুনি যেন ক'ৰবাত ধূসৰীয়া ধোঁৱাবোৰৰ মাজত তমসা-তমসা লগা সূৰুযৰ ৰক্তিম আভাৰ কৃপণালিৰে ৰৈ গ'ল অসম তথা আপোনাৰ সপোনৰ ভাৰতবৰ্ষৰ বুকুত আধা ডুবিও উজাই যোৱাৰ বঠা থকা নাৱ খনৰ দৰেই। কিয় এনেকুৱা হ'ল বুলি আপুনি ক'ব বিচাৰে?

ৰাভা ঃ (অকণমান মিচিকিয়ালে তেওঁ); মই নিষিদ্ধ আছিলোঁ প্ৰিয়তম। মোৰ বুকুত যিয়ে বন্দুকৰ গুলিৰে বিদ্ধ কৰিব পাৰিব তেওক চৰকাৰৰ দ্বাৰা পুৰস্কৃত কৰা হ'ব বুলি ঘোষণা কৰা হৈছিল। মোৰ বুকুৰ, মোৰ জীৱনটো যে এখন ৰাষ্ট্ৰৰ বাবে জোৱা খেল আছিল সেয়া ভাবি মই স-গৌৰৱেৰে পোন হওঁ। মই ভাগি পৰিলে পুনৰাই উজ্জীৱিত হৈ পৰো এই কথা সুঁৱৰি যে মোৰ জীৱনৰ মূল্য আছে (পুনৰ এটি মিচিকনি হাঁহি)।

কথা কেইটা শুনি মোৰ বুকুত কিবা এটাই খুন্দা মাৰি গৈছিল প্ৰচণ্ডৰে। মোৰ আৰু তেওঁৰ প্ৰতি পুনৰাই কিবা এটা প্ৰশ্ন উচ্চাৰণ কৰিবলৈ মুখৰ পৰা একো এটা ওলাই নাহিল। মাত্ৰ তেওঁ যাতে মোৰ পৰা এটি কৌতূহলী দৃষ্টি পায় তাৰ প্ৰতি মই চেষ্টা অব্যাহত ৰাখিলোঁ। আৰু তেওঁক কৰযোৰে সেৱা আগবঢ়াই এখনি আলোকচিত্ৰ ৰাখিবলৈ যত্ন কৰোঁ!

পুনৰাই এটি হাঁহিৰ উজ্জ্বলতা সানি থৈ উচ্চাৰণ কৰি গ'ল,"য়ে আজাদী জ্বুঠা হৈ।" (লগতে দেখা পালোঁ মই তেওঁৰ মুখত এটি আক্ষেপৰ চাৱনি ।)



# আপোনাৰ জীৱনৰ চিন্তা, কৰ্ম আৰু মতাদৰ্শ ঃ চৰ্চা আৰু প্ৰয়োগ

**বৰষা বৰ্মন**

আইৰ পেটৰ পৰা ওলাই আহি প্ৰথমবাৰ চকু মেলাৰ পৰা শেষ নিশ্বাস এৰা সেই ক্ষণলৈ আমি জী থাকো জীৱন। এই সময়ছোৱাত আমি মুখা-মুখি হোৱা বিক্ষিপ্ত অনুভৱৰ অভিজ্ঞতাৰ পৰাই অন্তত এটা কথা নিশ্চিত যে বাস্তৱ জটিলতাৰ নামাংকণ। সেয়েই চাগে জীৱনো বৰ জটিল। ই মাত্ৰ তিনিটা আখৰৰ সমষ্টি নহয়, ই নিজেই এক দুৰ্বোধ্য ৰহস্য। কাৰোবাৰ মতে যদি জীৱন এক পাৰাপাৰহীন মৰুদ্যান, কাৰোবাৰ বাবে ই অমিয়া ৰূপৰাশিৰে উজ্জীৱিত সেউজীয়া। এজনে যদি কয় এই জীৱন মৰুৰ বুকুত তৃষ্ণাতুৰ পথিকৰ আকুল খোজবোৰ আমাক দেখুৱায় কল্পনাৰ বিপৰীতে বাস্তৱৰ প্ৰকৃত ৰূপ তেন্তে থকাৰ মাধুৰ্য্যতা। জীৱন বুলি ক'লে মত ভিন্ন। কিন্তু সকলো ভিন্ন হোৱাৰ পিছতো যিখিনি মিলি যায় সেইখিনিয়েই গূঢ়াৰ্থ, সেইখিনিয়েই জীৱনৰ মূলমন্ত্ৰ।

জন্মৰে পৰা আজিলৈ প্ৰত্যেকেই প্ৰতিনিয়ত এখন সংগ্ৰাম কৰে, জীয়াই থকাৰ সংগ্ৰাম। খাদ্যৰ তাড়নাত এমহীয়া কেঁচুৱাটোৱে চিঞৰা অথবা মৃত্যুৰ আগমুহূৰ্তলৈ জীয়াই থকাৰ স্বাৰ্থত, পেটৰ ভোকত মুৰৰ ঘাম মাটিত পেলোৱালৈ প্ৰত্যেকেই প্ৰতিনিয়ত সৰ্বজনীন এক অনামী সংগ্ৰামত লিপ্ত সেনানী। এই সংগ্ৰামক মৰ্মে মৰ্মে উপলব্ধি কৰিয়েই হয়তো অসমীয়াৰ হিয়াৰ আমঠু ভূপেন হাজৰিকাই গাইছিল- "সংগ্ৰাম আন এটি নাম জীৱনৰে..."। এই সংগ্ৰামেই আমাক জীয়াই ৰাখে। এই সংগ্ৰামেই আমাক কৰি তোলে জীৱন জীয়াৰ যোগ্য। আগবঢ়াৰ পথত সময়ে আমাৰ জীৱনত প্ৰায়েই উপৰ্যুপৰি ঢালি দিব যন্ত্ৰণাৰ এমুঠিমান গৰল। তথাপি আমি থমকি ৰ'লে নহ'ব। হোমেন বৰগোহাঞিৰ কোৱাৰ দৰে কোনো যন্ত্ৰণাই অসহ্যও নহয়, চিৰস্থায়ীও নহয়। আমাৰ সৰ্বশক্তিমান আত্মাৰ সেই শক্তি আছে যি শক্তিৰে আমি আমাৰ প্ৰশান্তি অখুন্ন ৰাখিব পাৰো। সেয়ে আমিও জীৱন পথত ৰূঢ় বাস্তৱৰ মুখামুখি হৈ ভাঙি নপৰি দুগুণ উৎসাহেৰে জীৱনৰ এই গতিময় প্ৰবাহত আগুৱাব লাগিব। কিয়নো জীৱনৰ জটিল ক্ষণত নিজক চম্ভালি আগুওৱাৰ প্ৰচেষ্টাই জীৱনৰ ধৰ্ম।

সময়ৰ সৈতে খোজ মিলাই অতিক্ৰম কৰি অহা জীৱন পথত সন্মুখীন হোৱা প্ৰতিটো অভিজ্ঞতাই মানুহক পৰিপুষ্ট কৰি আনে। এই অভিজ্ঞতাবোৰেই মানুহক শিকাই প্ৰত্যাহ্বানসমূহৰ মুখা-মুখি হৈ জীয়াই থকাৰ কৌশল। অৱশ্যে জীৱনে দিয়া জ্ঞানবোৰ বুজিবলৈ আমি সেই মুহূৰ্তলৈ অপাৰগ যি মুহূৰ্তলৈ আমি মগজুৰ দুৱাৰ খুলি চিন্তা কৰিবলৈ নিশিকিম। আচলতে এই চিন্তাশক্তিৰ বাবেই সকলো ইতৰ প্ৰাণীৰ পৰা আমি অৰ্থাৎ মানুহ পৃথক। কিন্তু এই চিন্তাশক্তিক সঠিক দিশে আগবঢ়াই নিয়াই হৈছে আটাইতকৈ কঠিন কাম। সেই কাৰণেই চাগে মানুহৰ সৰ্বশ্ৰেষ্ঠ কীৰ্তিও হ'ল চিন্তাশক্তিৰ কীৰ্তি।

আকৌ অভিজ্ঞতাৰ সমষ্টি জীৱন। এই অভিজ্ঞতাবোৰ আহে কৰ্মৰ পৰা। কৰ্মই ধৰ্ম। কৰ্মই হ'ল মানুহৰ সৰ্বশ্ৰেষ্ঠ প্ৰাৰ্থনা। সুস্থ জীৱন কটাবলৈ মানুহে কামক ভাল পাবলৈ, কামৰ পৰা আনন্দ লাভ কৰিবলৈ শিকিব লাগিব। মানুহক অন্তহীনভাৱে সৃষ্টিশীল কৰি ৰাখিছে কেৱল কামে। কাম এৰিলেই মানুহ মানুহ হৈ নাথাকিব। সেয়েই কেৱল চিন্তা কৰাতেই ক্ষান্ত নাথাকি সেই চিন্তাক বাস্তৱত কৰ্মক্ষেত্ৰত প্ৰয়োগ কৰাহে প্ৰকৃত জ্ঞানীজনৰ কাম। আচলতে মানুহ যদি প্ৰকৃত অৰ্থত মানুহ হ'বলৈ হয় তেন্তে কাম কৰিবই লাগিব। ইয়াৰ বিপৰীতে নিষ্কৰ্মাৰ জীৱন অৰ্থহীন। প্ৰকৃতাৰ্থত মনুষ্যত্বৰ প্ৰকাশ ঘটে এই চিন্তা, অনুভৱ আৰু কৰ্মৰ মাজেৰেই।

এটা সুস্থ জীৱন কটাবলৈ হ'লে আমি কেৱল চিন্তা আৰু কৰ্মৰ কৰিলেই নহয়। আমাক পৰিচালনা কৰিবলৈ আমাৰ থাকিব লাগিব এটা সুস্থিৰ মতাদৰ্শ যিয়ে ভাঙি পৰা সময়ত আমাক সাহস দিব, এন্ধাৰত হেৰাই যোৱা সময়ত জোনাকীৰ দৰে হ'লেও বাট দেখুৱাব। মতাদৰ্শৰ প্ৰয়োজনীয়তা কি বুজাৰ আগৰে পৰাই আনৰ দৰে ময়ো নিজক কিছুমান নিয়মৰ মাজত বান্ধি থৈছিলোঁ। কচৰৎ কৰিছিলোঁ অহৰহ। আৰু এসময়ত এইবোৰেই হৈ পৰিছিল মোৰ জীৱনৰ আদৰ্শ। মই দুখ, কষ্টবিহীন জীৱন এটা কল্পনা নকৰোঁ। কামনা নকৰোঁ এটা সংঘৰ্ষবিহীন জীৱন। শান্ত সাগৰে দক্ষ নাৱিকৰ জন্ম দিব নোৱাৰাৰ দৰে গতানুগতিক জীৱনে জন্ম দিব নোৱাৰে প্ৰকৃত জীৱন সংগ্ৰামীক। কবি সমীৰ তাঁতীয়ে লিখিছিল- "যি জীৱন যন্ত্ৰণাৰ জুইত পুৰি উজ্জ্বল হোৱা নাইয তাক কি সতে জীৱন বুলি কওঁ? "সংগ্ৰামবিহীন জীৱনত হয়তো সৌন্দৰ্য্য থাকিব পাৰে কিন্তু তাত মাধুৰ্যতা নাথাকে। সেয়ে সংঘৰ্ষবিহীন জীৱন কামনা নকৰি প্ৰবল আত্মবিশ্বাস, সাহস, সততাক সাৰথি কৰি সংঘৰ্ষক জয় কৰি আগবঢ়াৰ কৌশল আমি শিকা উচিত। এই প্ৰসংগত প্ৰাচীন কালৰ গ্ৰীকসকলৰ মাজত প্ৰচলিত "ষ্টইক" দৰ্শনৰ কথা উনুকিয়াব পাৰি। এই দৰ্শন মতে, "সুখ-দুখ, শুভ-অশুভ সকলো ঘটনাৰ প্ৰতি সম্পূৰ্ণ নিৰ্বিকাৰ মনোভাব গ্ৰহণ কৰাটোৱেই মানুহৰ আত্মৰক্ষাৰ একমাত্ৰ উপায়। আনকি চৰমতম যন্ত্ৰণাকো মানুহে গ্ৰহণ কৰিব পাৰিব লাগিব উদ্ধত উদাসীনতা তথা উপেক্ষাৰে।"


আচলতে এনেকুৱা মানুহ কম ওলাব যিয়ে আজিলৈ যন্ত্ৰণাৰ মুখা মুখি হৈ পোৱা নাই। আচলতে প্ৰত্যেকজন মানুহৰেই জীৱনত এনে এক সময় আহে য'ত তেওঁ নিজক হেৰুওৱাৰ উপক্ৰম হয়। শিপা পচি যোৱা গছৰ দৰে বিৰাটকায় জীৱনটো থকাৰ পিছতো ছাঁ দিয়াৰ সাহসকণ হেৰুৱাই পেলায়। ঠিক সেইখিনি সময়ত নিজক নেহেৰুৱাই আমি নিজৰ আদৰ্শ সুঁৱৰিব লাগে। সেই যন্ত্ৰণাক কেৱল মাথোঁ অনুভৱ নকৰি তাক বৌদ্ধিক স্তৰলৈ লৈ গৈ অৰ্থাৎ যন্ত্ৰণাৰ কাৰ্য-কাৰণ সম্পৰ্ক বিচাৰ-বিশ্লেষণ কৰিবলৈ চেষ্টা কৰি তাৰ সমাধানৰ পথ উলিয়াবলৈ চেষ্টা কৰিলে আমাৰ যন্ত্ৰণা সহ্য কৰাৰ শক্তি বহু পৰিমাণে বৃদ্ধি হোৱাৰ লগতে ই সমস্যা সমাধানৰ পথহে সুগম কৰে। কিয়নো ঔপন্যাসিক মৃণাল কলিতাদেৱে কোৱাৰ দৰে সমস্যাৰ পৰা পলালে সমস্যাৰ সমাধান নহয়। জীৱনত সমস্যা থাকেই। সকলোৰে জীৱনত সমস্যা আছে। হয়তো পৰিমাণত পাৰ্থক্য। কিন্তু সুখৰ সৰিয়হ এমুঠিৰ বাবে দুখ নথকা ঘৰ বিচাৰি পোৱাটো সঁচাকৈয়ে অসম্ভৱ। অনাকাংক্ষিত বহুতো ঘটনা আমাৰ সৈতে ঘটি থাকে। আচলতে বিপৰ্যয়ে নহয়, বিপৰ্যয়ক আমি কেনেকৈ গ্ৰহণ কৰিম সেয়াইহে আমাৰ ভাগ্য গঢ় দিব। এঠাইত পঢ়িছিলোঁ ৰোমান সম্ৰাট তথা দাৰ্শনিক মাৰ্কাছ অৰেলিয়াছে লিখিছিল- "কোনো মানুহৰ জীৱনত এনে কোনো দুৰ্ভাগ্য বা যন্ত্ৰণা ঘটিব নোৱাৰে, যিটো সহ্য কৰিবলৈ প্ৰকৃতিয়ে মানুহক প্ৰস্তুত কৰি পঠোৱা নাই।" কথাষাৰ ময়ো গভীৰভাৱে বিশ্বাস কৰোঁ। সামৰ্থ বাবেই জীৱনে আমাৰ কঠিন পৰীক্ষা লয় আৰু আমি সেই পৰীক্ষাত নিজক নেহেৰুৱাই উত্তীৰ্ণ হ'ব লাগে। দুখৰ দিনত নিজক চম্ভালিব পৰাজনেহে নিজৰ সফলতাক চম্ভালিব পাৰে।সেয়ে এই জুইকুৰাত পুৰি সোণৰ দৰে চিকমিকোৱা মানুহবোৰ মোৰ সদায় প্ৰিয়। দুখৰ ধুমুহাজাকত উটি ভাহি নগ'লে সুখৰ সূৰ্য্যোদয় চাব পাৰি বুলি গভীৰভাৱে বিশ্বাসী বাবেই হয়তো দুখ-যন্ত্ৰণাৰ জুইত পুৰিলেহে আমাৰ জীৱনলৈ সুখৰ দিনবোৰ উভতিব বুলি মোৰ বিশ্বাস। সেয়ে মোৰ জীৱনৰ মতাদৰ্শ বুলি ক'লে দুখৰ দিনত হতাশাত ভাঙি নপৰি সুস্থিৰ পৰিকল্পনাৰে তথা আত্মবিশ্বাসেৰে আগবাঢ়ি গৈ নিজৰ কৰ্মক্ষেত্ৰত সততা আৰু দৃঢ়বিশ্বাসেৰে কাম কৰাৰ প্ৰচেষ্টাত ব্ৰতী হোৱাই আমাৰ বাবে মংগল। সুখবোৰ যিহেতু অস্থায়ী দুখবোৰো স্থায়ী নহয়। ৰথৰ চকাৰ দৰে এবাৰ সুখ, এবাৰ দুখ আহি থকাৰ দৰেই

জীৱনটোক এটা চলন্ত চকাৰ লগত ৰিজাই আমি আগবঢ়া উচিত নিজৰ লক্ষ্য অভিমুখী, সপোনমুখী যাত্ৰাত। কিয়নো সপোনেই আমাক জীয়াই ৰাখে। প্ৰকৃততে জীৱনৰ সঞ্জীৱনী সুধাই হ'ল আশা। যিয়ে আশা হেৰুৱাইছে তেওঁ সৰ্বস্ব হেৰুৱাইছে। গভীৰ আত্মবিশ্বাস, বিপুল কৰ্মোদ্যম, দৃষ্টি সুস্পষ্ট থকা মানুহৰ আশাই মূল্যবা সম্পদ। সেয়ে জীৱনৰ জটিল ক্ষণত আশা নেহেৰুৱাই আগবাঢ়ি যোৱাৰ প্ৰচেষ্টাই মোৰ লক্ষ্য।

নিজৰ প্ৰতি দায়বদ্ধ প্ৰত্যেকজন ব্যক্তিয়েই জানে যে কোনো আদৰ্শই তেতিয়ালৈ মূল্যহীন যেতিয়ালৈ তাৰ দ্বাৰা আপুনি উপকৃত হোৱা নাই। আদৰ্শ হওক অথবা অন্য বস্তু তাৰ সুফল আমি তেতিয়াহে ভোগ কৰিবলৈ পাম যেতিয়ালৈ আমি তাৰ গ্ৰহণযোগ্যতা, লাভালাভ, কৰ্মক্ষেত্ৰত তাৰ প্ৰয়োগ সম্পৰ্কে পুংখানুপুংখভাৱে জ্ঞান আহৰণ কৰিম। হজম নোহোৱা আহাৰৰ নিচিনাকৈ জ্ঞানলৈ ৰূপান্তৰ নোহোৱা অভিজ্ঞতাৰ কোনো মূল্য নাথাকে বাবেই অভিজ্ঞতাৰ পৰা আমি শিকাৰ চেষ্টা কৰা উচিত। এৰৈশ বছৰীয়া অভিজ্ঞতাই শিকাইছে যে দুৰ্যোগৰ মাজত জীৱন বন্দনাৰে মুখৰিত হৈ নাথাকো বাবেই আমি হতাশাৰ চিকাৰ হওঁ। বাছি লওঁ জীৱনৰ পৰা পলোৱাৰ সহজ অথচ বৰ অসহজ পথ। সেয়ে হতাশা, যন্ত্ৰণা, বিমৰ্ষতা, জীৱন বিমুখীতাই লগ দিয়াৰ আগতেই নিজৰ প্ৰতিভা আৰু অভিৰুচিৰ সৈতে সংগতি ৰাখি এটা সুস্থিৰ লক্ষ্য নিৰ্বাচন কৰি লোৱা ভাল যিয়ে জীৱন পথত উজুতি খাই মুখ থেকেচা খাই পৰিলেও পুনৰ থিয় হোৱাৰ এটা কাৰণ দিয়ে। শক্তি আৰু সাহস দিয়ে। আমি প্ৰত্যেকেই পোনপ্ৰথমে নিজক, নিজৰ সত্তাক, নিজৰ যোগ্যতাক হাড়ে-হিমজুৰে বুজি পাবলৈ চেষ্টা কৰা উচিত কিয়নো জীৱন আমাৰ। আপোনাৰ কৰ্মক্ষেত্ৰত যদি এশজনৰ এশজনেই কয় যে আপুনি অসমৰ্থ আৰু তাৰ পিছতো আপুনি নিজৰ সামৰ্থ্যক জানি আত্মবিশ্বাসেৰে কাম এটা কৰে তেন্তে আপুনি সফল হ'ব। কিয়নো আপোনাৰ সৈতে আপুনি আছে। জীৱনত আমাৰ সৈতে কোনোবা থিয় হৈ থাকক অথবা নাথাকক, আমি যদি আমাৰ সৈতে থাকো তেন্তে পৃথিৱীত এনে কোনো শক্তি নাই যিয়ে আপোনাক হৰুৱাব পাৰে। সেয়ে আমি প্ৰত্যেকেই প্ৰথম নিজৰ হ'বলৈ চেষ্টা কৰা উচিত। নিজে নিজৰ বিশ্বাসী হোৱা উচিত। সাহস দিবলৈ হেজাৰজন থাকক, যদি নিজে হাৰ মানি লোৱা হয় তেন্তে কোনো এনেকুৱা শক্তি নাই যিয়ে আমাক জয়ী কৰাব পাৰে।

আকৌ সুখী হোৱাৰ দৌৰত আমি প্ৰত্যেকেই কোনোবাখিনিত নিজক হেৰুৱাই পেলাওঁ। বিলাসৰ মাজতে সুখ আছে বুলি অনুমান কৰি আমি মানৱীয় অনুভৱবোৰৰ শ্ৰাদ্ধ পাতো আৰু শেষত ক্ৰুশ্বৰ্য্যৰে ভৰি থকা জীৱনটোত বিচাৰি নোপোৱা হওঁ এমুঠি সুখৰ ছাঁ। কিন্তু যি সত্য মানুহে পিছত অনুভৱ কৰে সেয়াই হ'ল জীৱনৰ ডাঙৰ ট্ৰেজেদী। কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে 'পৰশ পাথৰ' কবিতাটোত লিখাৰ দৰেই আমি জীৱনত বিচৰা বিৰল সুখ আৰু আনন্দৰ মুহূৰ্তবোৰে আহি কেতিয়া পাৰ হৈ গুচি যায় আমি গমেই নাপাওঁ। পোৱাটোক আওহেলা কৰি নোপোৱাটোৰ পিছে পিছে মৰীচিকা খেদাৰ দৰে খেদি ফুৰোঁতেই আমাৰ জীৱন শেষ হৈ যায়। এদিন মৃত্যুৰ আগমুহূৰ্তত উইনষ্টন চাৰ্চিলক এজন বৃদ্ধই কৈছিল- "মই গোটেই জীৱন ধৰি এনে কিছুমান সমস্যা বা ঘটনাৰ বিষয়ে দুশ্চিন্তা কৰি কৰি নিজকে ক্ষয় কৰিলোঁ যিবোৰ ঘটনা মোৰ জীৱনত কেতিয়াও নঘটিল।" সেয়ে হয়তো কিছুমান ঘটনাৰ পূৰ্বানুমান কৰি তাৰ প্ৰভাৱৰ কথা কল্পনা কৰি থকাতকৈ বৰ্তমানত নিজৰ সাধ্যানুযায়ী কামবোৰ কৰাৰ চেষ্টা কৰা উচিত। কিয়নো বৰ্তমানেই সত্য। আজিৰ কৰ্মৰ ওপৰত নিৰ্ভৰ কৰিয়েই ভৱিষ্যতে ফল পাম। কৰ্মত বিশ্বাসী বাবেই শ্ৰীকৃষ্ণই কুৰুক্ষেত্ৰৰ যুদ্ধত অৰ্জুনক বুজোৱাৰ দৰেই কেৱল কৰ্মৰ ওপৰতহে আমাৰ হাত আছে,ফলাফলত নহয় বুলি প্ৰতিনিয়ত বিশ্বাস কৰি আগবঢ়াৰ চেষ্টা কৰি আহিছো।

এইটো কথা সত্য যে আদৰ্শ এটাৰ আলোচনা যিমানেই সহজ সিমানেই কঠিন তাক বাস্তৱত প্ৰয়োগ কৰাটো। তথাপিতো আমি অন্তত নিজে ভালে থকাৰ স্বাৰ্থত নিজক সলাবই লাগিব। আৰ্ণেষ্ট হেমিঙৱে "দ্য ওল্ড ম্যান এণ্ড দ্য চী" ত কোৱাৰ দৰে মানুহক ধ্বংস কৰা সম্ভৱ কিন্তু পৰাস্ত কৰা অসম্ভৱ সঁচা। কিন্তু নিজৰ সদভ্যাসৰ ওচৰত আমি সদায় শিৰনত কৰিবই লাগিব কিয়নো যিবোৰ অভ্যাসে আমাক প্ৰকৃতাৰ্থত মানুহলৈ ৰূপান্তৰ কৰিব পাৰে সেই অভ্যাসবোৰৰ ওচৰত আমি নিজক সমৰ্পণ কৰাই নহয় প্ৰতিনিয়ত তাৰ অনুশীলন কৰিবও লাগে যাতে জীৱনৰ যন্ত্ৰণাবোৰ পী খাই আমি জী উঠিব পাৰো পুনৰবাৰ। তাৰ বাবে লাগিব অদম্য ইচ্ছা আৰু উচ্ছাকাংক্ষা যিবোৰ আমি হৃদয়ংগম কৰিব পাৰিব লাগিব পৰম আগ্ৰহেৰে। যদি এই আদৰ্শেৰে উদ্বুদ্ধ হৈ নিজক বৌদ্ধিক তথা মানসিকভাৱে উন্নত কৰাৰ প্ৰয়াস আমি এতিয়াৰ পৰাই আৰম্ভ কৰোঁ তেন্তে মোৰ বিশ্বাস আমি এই পৃথিৱীতেই এখন নতুন পৃথিৱীৰ হয়তো জন্ম দিব পাৰিম য'ত সৰু সৰু বস্তুত মানুহে সুখী হ'বলৈ শিকিব। জ্ঞানৰ এনে এক শিখৰত আৰোহণ কৰিব পাৰিব য'ত মানুহে এটা সুখী জীৱন উদযাপন কৰিব পাৰিব।




# আপোনাৰ জীৱনৰ চিন্তা, কৰ্ম আৰু মতাদৰ্শ ঃ চৰ্চা আৰু প্ৰয়োগ

**অঞ্জু সন্দিকৈ বৰগোঁহাই**

নমস্কাৰ। প্ৰীতি সম্ভাষণ জনাই নিৰ্দিষ্ট বিষয়টি আলোচনাৰ মেজত উপস্থাপন কৰিব বিচাৰিছো। মাৰ্কিন কবি লং ফেলোৰে এটা বিখ্যাত ইংৰাজী কবিতা ‘A Psalm of Life’ এই কবিতাটিৰে অসমীয়া অনুবাদ আনন্দচন্দ্ৰ আগৰৱালা দেৱৰ ‘জীৱন সঙ্গীত’ কবিতাটিৰ এটি স্তৱকৰে পাতনি মেলিছোঁ। এই বিশেষ আলোচনাটি-

“সদায় চকুলো টোকা দুখত মগন থকা
ভোগ সুখ জীৱনৰ উদ্দেশ্য নহয়,
এনে ভাৱে কাম কৰা দিনে যেন আগবাঢ়া
প্ৰতিদিনে খোজ যেন আগলৈহে যায়।’

এই পদ্যফাঁকিয়ে যেন সোঁৱৰাই দিয়ে আমাক আমাৰ জীৱনৰ মহৎ কৰ্ম আৰু উদ্দেশ্যৰ কথা। ছাপন্ন শাৰী যুক্ত এই দীৰ্ঘ কবিতাটোৰ প্ৰথমৰ পৰা শেষলৈকে প্ৰতিটো শাৰীয়েই আমাৰ বাস্তৱ জীৱনৰ এটি সুন্দৰ বিশ্লেষণ দাঙি ধৰিছে। প্ৰকৃতিৰ এক অনবদ্য উপথাৰ হৈছে মানৱ জীৱন। মহাপুৰুষীয়া ধৰ্মশাস্ত্ৰ সমূহতো দেৱতা সকলে ভাৰতবৰ্ষত মানুহৰ জনম লোৱাৰ ইচ্ছাৰ কথা ব্যক্ত কৰিছে। এই দুৰ্লভ মনুষ্য জন্মক যি জনে ভাল পায়, সেইজনৰ জীৱনেও ভাল পায়। জীৱনৰ প্ৰতি থকা প্ৰেমে মানুহক এক গভীৰ সুখৰ অনুভূতি প্ৰদান কৰে।

নিজক প্ৰকাশ কৰা সকলোৰে ধৰ্ম। মানুহেও বিভিন্ন সময়ত নিজকে প্ৰকাশ কৰিবলৈ বিভিন্ন প্ৰকাৰে চেষ্টা কৰি আহিছে। ভাষাৰ মাধ্যমেৰে মানুহে আত্ম প্ৰকাশৰ সুযোগ পায়। ইয়াৰ মাজেদিয়েই গঢ় লৈ উঠে কোনো এটা জাতিৰ জাতীয় সাহিত্য। সাহিত্য আচলতে মানৱ জীৱনৰ প্ৰতিবিম্ব। জীৱনৰ হাঁহি কান্দোন, আশা-আকাঙ্খা, আবেগ-অনুভূতিক ৰূপ দি লিখকৰ দৃষ্টি বা উপলব্ধিৰে সাহিত্য ৰচিত হয়। অতীতৰ পৰা বৰ্তমানলৈকে অসমীয়া

সাহিত্যই ভাৰতীয় ভাষা সাহিত্যৰ দৰবাৰত এক চিৰস্থায়ী অক্ষয়, মৰ্যদাৰ আসন লাভ কৰিছে। সেই ফালৰ পৰা আমি অসমীয়া সকল গৌৰৱৰ পাত্ৰ।

জীৱ বিজ্ঞানৰ বিচাৰত মানুহক দুলৰ্ভ প্ৰাণী বুলি কোৱা হয়। প্ৰতি এককোটি জীৱিত প্ৰাণীৰ ভিতৰত মানুহ মাত্ৰ এজনহে। ঈশ্বৰৰ আঁচনিত মানুহৰ স্থান অত্যন্ত গুৰুত্বপূৰ্ণ। সমাজ জীৱনৰ এজন অংশীদাৰ হিচাপে আমি প্ৰত্যেকেই আশা কৰোঁ 'মই এজন গুৰুত্বপূৰ্ণ ব্যক্তি, মোক যেন সকলোৱেই গুৰুত্ব দিয়ক'। আমাৰ পতি-পত্নী, ভাই-ভনী, পিতৃ-মাতৃ, সন্তান-সন্ততি, ঘৰৰ বনকৰা মানুহ, ফেৰিৱালা, প্ৰতিবেশী, বন্ধু-বান্ধৱ দোকানী আমাৰ গাড়ীৰ ড্ৰাইভাৰকে ধৰি সকলোৰে মাজত এই ইচ্ছা প্ৰবল ৰূপত থাকে। এই ইচ্ছা মানুহৰ সকলো ইচ্ছাতকৈ শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰিব বিচাৰে। এতেকে জীৱনৰ বাটত আগুৱাই যাবলৈ নিজকে গুৰুত্বপূৰ্ণ বুলি ভাবিবলৈ শিকাৰ আগ্ৰহ সৃষ্টি কৰিব লাগিব আমি প্ৰত্যেকেই।

পৃথিৱীৰ আটাইতকৈ কঠিন কামটোৱেই হৈছে জীৱনৰ বাটত সাফল্য লাভ কৰাৰ উপায় অন্বেষণ কৰা। বিভিন্ন পণ্ডিত দাৰ্শনিক তথা মনোবিজ্ঞানী সকলে মানুহৰ মনৰ আচাৰ-আচৰণ সম্পৰ্কে বিস্তৃত পৰীক্ষা নিৰীক্ষাৰ শেষত এই সিদ্ধান্তত উপনীত হৈছে যে মানুহৰ জীৱনত তিনিটা বিশেষ উপাদানে সফলতাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। সেই তিনি উপাদান হ'ল ক্ৰমে-

(১) বিচাৰ বুদ্ধি
(২) পৰিশ্ৰম
(৩) সুস্বাস্থ্য

লৰ্ড বিভাৰব্ৰুক নামৰ এজন মনোবিজ্ঞানীয়ে কৈছিল- 'যিজন মানুহৰ মাজত ইয়াৰে দুটা গুণ থাকে, তেওঁ জীৱনৰ বাটত বহুদূৰ আগুৱাই যাব পাৰে, তাৰে দুটা গুণৰ অভাৱ হ'লে জীৱন থৰক-বৰক হ'ব, আৰু এই তিনিটা গুণৰ অভাৱ হ'লে মানুহজনে তেওঁৰ লক্ষ্যত উপনীত হ'ব নোৱাৰে।

জীৱনত সাফল্য লাভ কৰিবলৈ আটাইতকৈ প্ৰয়োজনীয় গুণটোৱেই হৈছে, বিচাৰ বুদ্ধি। বিচাৰ বুদ্ধিয়েই হ'ল মনৰ গতিময়তাৰ চিন। শীতল মগজুৰে যুক্তি গ্ৰাহ্য উপায়েৰে সুশৃংখল ভাৱে যথাযথ সিদ্ধান্ত গ্ৰহণ কৰিব পাৰিলেহে ভুলৰ সম্ভাৱনা হ্ৰাস কৰিব পাৰি। প্লেটোৱে কৈছিল- "আপোনাৰ চিন্তাধাৰাক নিয়ন্ত্ৰণ কৰক। তেনে কৰিব পাৰিলে আপুনি যিকোনো কামকে কৰিব পাৰিব। বৰ্তমান কঠিন সময়ৰ দোমোজাত নিজৰ সন্তানৰ চিন্তাধাৰাক নিয়ন্ত্ৰণ কৰি শাৰীৰিক আৰু মানসিক স্বাস্থ্য অটুত ৰখাৰ ক্ষেত্ৰত সমাজৰ একো একোজন দায়িত্বশীল অভিভাৱক হিচাপে আমি প্ৰত্যেকেই নিজকে আত্মবিশ্লেষণ কৰি চোৱাৰ প্ৰয়োজনীয়তা আহি পৰিছে। তাহানিতে আমি লেতেকু পনিয়ল বিচৰা বয়সত আজিৰ শিশুৱে পিঠিত বেগ ভৰ্তি কিতাপৰ বোজা লৈ বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিবলৈ গৈ অনিচ্ছা সত্বেও ভাটৌৰ দৰে প্ৰতিমুহূৰ্ততে জ্ঞান আহৰণত ব্যস্ত থাকিব লগীয়া হৈছে। এনে আহুকলীয়া পৰিবেশত আমি অভিভাৱক সকলে পাহৰি গৈছো আমাৰ দায়িত্ববোধৰ কথা। আমাৰ অভিভাৱক সমূহৰ তুলনাত আজিৰ যুৱক-যুৱতীৰ হাতত আগতীয়াকৈ বহুগুণে বেছি দায়িত্ব আহি পৰিছে। এনে সন্ধিক্ষণত বিবেচনা, শৃংখলা, দায়িত্ববোধ আয়ত্ব কৰাৰ জোখাৰে অভিভাৱকে সহায় বা মনোযোগ নিদিলে যুৱক-যুৱতী সকলে মতলীয়া হাতীৰ দৰে কেউপিনে মহতীয়াই ফুৰিব। এনে বহু চাক্ষুস প্ৰমাণ আজি এইখন অসমতে সংঘটিত হৈছে। অতিমাত্ৰা বিলাসী জীৱন কটাবলৈ গৈ, দৰিদ্ৰতাৰ কবলত পৰি লগৰীয়াৰ সংগত পৰি বহু যুৱক-যুৱতীয়ে সমাজৰ বৰ বিহ স্বৰূপ মদ, ভাং, কানি বিভিন্ন ব্যৱসায়ত লিপ্ত হৈ সমাজলৈ অসুস্থ বাতাবৰণ কঢ়িয়াই আনিছে। সন্তানৰ ভৱিষ্যত সুখ কামনা কৰা বহু মাতৃও এনে কাৰ্যত জড়িত হোৱা আজিৰ দিনত দেখিবলৈ পোৱা যায়। এনে ঘৃণনীয় কাৰ্য-কলাপ ৰোধ কৰিবলৈ অভিভাৱক সকলৰ লগতে যুৱক-যুৱতী, প্ৰশাসন আগবাঢ়ি আহিব লাগিব। অৱশ্যে নিজৰ প্ৰকৃত দায়িত্বক আন্তৰিকতাৰে গ্ৰহণ কৰা বহু ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীৰ লগতে অভিভাৱকো আছে। 'যোগ্য-ভোগ্য বসুন্ধৰা'- বৰ্তমান সময়ত যোগ্যজনৰ হাতলৈ সমাজৰ কল্যাণৰ হকে ক্ষমতা হস্তান্তৰ হোৱা অতি প্ৰয়োজন। নহ'লে ভৱিষ্যতৰ ইতিহাসত এই প্ৰজন্ম ভণ্ড আৰু গুণ্ডাৰ প্ৰজন্ম ৰূপেও জনাজাত হ'ব। পশুবৎ চিন্তা হত্যাকাণ্ড, হিংস্ৰতা, বৰ্বৰতা আদি বাতাবৰস্ত কিছু ভ্ৰান্ত আৰু অসুস্থ চিন্তাৰেই প্ৰতিফলন।

এনে ঘটনাৰ প্ৰকৃত ছবিখন বিশ্লেষণ কৰিলে দেখা যায় যে দৰিদ্ৰতা আৰু নিৰক্ষৰতাই ইয়াৰ বাবে প্ৰধানতঃ জগৰীয়া। অসমৰ গাঁও অঞ্চল সমূহত প্ৰায় ৰূপ্ৰ.ৰূপ্ত শতাংশ লোকে বসবাস কৰে। ইয়াৰ ভিতৰত দৰিদ্ৰ আৰু নিৰক্ষৰ লোকৰ সংখ্যাই অধিক। পৃথিৱীৰ আটাইতকৈ দৰিদ্ৰ দেশ নাইজেৰিয়াতকৈ ভাৰতবৰ্ষত চ.প্ত গুণ দৰিদ্ৰ লোকে বসবাস কৰে। চল্পৰৰ চনত অসমৰ বিভিন্ন জাতি ধৰ্মাৱলম্বী লোকৰ ওপৰত কৰা পিয়ল অনুসৰি এই তথ্য পোহৰলৈ আহিছে যে মুছলমান লোকৰ শিক্ষিতৰ সংখ্যাই সৰ্বাধিক। আটাইতকৈ শিক্ষিত জৈন ধৰ্মাৱলম্বী ৰূছ.চ্ছ শতাংশৰ বিপৰীতে মুছলমান লোকৰ শিক্ষিতৰ হাৰ প্ৰায় চল্প শতাংশ (কুৰি শতাংশ)। ইয়াৰ উপৰিও এই তথ্যমতে

অসমৰ মুঠ জনসংখ্যাৰ ৩১.৯৮ শতাংশ লোকে দৰিদ্ৰ সীমা ৰেখাৰ তলত বসবাস কৰে। গতিকে এনে বৃহৎ সংখ্যক দৰিদ্ৰ আৰু নিৰক্ষৰ লোকে বিভিন্ন কাৰণ বশতঃ বহু অসামাজিক কাম-কাজত লিপ্ত হৈ উন্নতিৰ অন্তৰায় হিচাপে থিয় দিছে বৰ্তমান বিশৃংখলিত সমাজখনত। প্ৰায় ৬৩ শতাংশ মহিলা নিৰক্ষৰতাইও এই ক্ষেত্ৰত যথেষ্ট ইন্ধন যোগাইছে।

বিভিন্ন সময়ত আমি লোৱা ভুল পদ্ধতিৰ বাবেই আমি হতাশাগ্ৰস্ত হৈ অসুস্থ আৰু ক্লান্তি অনুভৱ কৰো। এনে অশান্ত জৰ্জৰ মানসিক অৱস্থাৰ পৰা আঁতৰাই আনি নিজৰ সন্তানৰ মনত প্ৰবল আত্মবিশ্বাসৰ ভাৱ জগাই তুলিবলৈ হ'লে অভিভাৱক সকলে তেওঁলোকৰ মনত সপোনৰ আকাঙ্খা জগাই তুলিব পাৰিব লাগিব। ভাৰতবৰ্ষৰ প্ৰয়াত ৰাষ্ট্ৰপতি আব্দুল কালামে 'সপোন দেখি সপোনৰ ভাৰত' গঢ়িবলৈ ছাত্ৰ-ছাত্ৰী সকলক আহ্বান জনাইছিল। সপোন দেখিবলৈ ল'লে আপোনাৰ সন্তানে ভাবিবলৈ ল'ব 'জীৱনৰ প্ৰতি মোৰ কোনো ক্ষোভ নাই, বৰং মই তাৰ প্ৰতি কৃতজ্ঞ আৰু উৎফুল্লিত। তেতিয়া আপোনাৰ সন্তানে ক্ষুদ্ৰতা, তুচ্ছতা হীনতা আদি নিচাৎসিকা গুণবোৰৰ পৰা, হেজাৰ মাইল দূৰৈত বসবাস কৰিব।

সফলতা লাভৰ দ্বিতীয়টো উপায় হৈছে পৰিশ্ৰম। বিখ্যাত ইতিহাসবিদ তথা অসম বুৰঞ্জীৰ "...." গ্ৰন্থৰ লিখক ছাৰ এডৱাৰ্ড গ্ৰেইট চাহাবে অসমৰ ইতিহাসৰ উত্থান পতনৰ সন্দৰ্ভত লিখিছে- "অসমৰ খিলঞ্জীয়া মানুহৰ পতন হয় ইয়াৰ জলবায়ুৰ বাবে। ইয়াৰ জলবায়ু এনেকুৱা যে ই মানুহক আৰামপ্ৰিয় আৰু এলেহুৱা কৰি দিয়ে। সেই কাৰণে ইয়াৰ ইতিহাস এনেকুৱা যে ইয়ালৈ অহা প্ৰথম চাম মানুহৰ ওপৰত পাছত অহা চামটোৱে ৰাজত্ব কৰিবলৈ সুবিধা পায়।" - এই তথ্যৰ আধাৰতে অসমৰ অদূৰ ভৱিষ্যতৰ শাসক তথা ভাগ্য নিয়ন্তা ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰা অহা ভাৰতীয় সকলেই হোৱাটো নিশ্চিত। অসমৰ কৃষি পথাৰ, বেপাৰ-বাণিজ্য, উদ্যোগ আদি সকলো অনা-অসমীয়াৰ হাতত হস্তান্তৰ কৰি আজি অসমীয়া জাতি ক্ৰমান্বয়ে দুৰ্বল আৰু নিশকতীয়া হৈ পৰিছে।

অসমীয়াত এবাৰ কথা আছে- "যত্ন কৰিলে ৰত্ন পায়।" বিশ্ব-বিখ্যাত মনিষী সকলৰ জীৱনী অধ্যয়ন কৰিলে এই কথা সহজতে উপলব্ধি কৰিব পাৰি। গভীৰ অধ্যাৱসায় আৰু একান্ত মানসিক সাধনাৰ আঁৰতে সেই সফলতা লুকাই থাকে। জন্মগত ভাবে মানুহে বহু সম্ভাৱনা লৈ আহে। উপযুক্ত পৰিৱেশত সেই সম্ভাৱনাই বটবৃক্ষৰ ৰূপ ধাৰণ কৰে। খেতি কৰিবলৈ হ'লে পথাৰডৰাত নামিব লাগিব। উন্নত বীজ আৰু উপযুক্ত সাৰ পানীয়েহে শস্যৰ বৃদ্ধিত ইন্ধন যোগায়। এতেকে উন্নত বীজ স্বৰূপ জীৱনৰ লক্ষ্য আৰু উদ্দেশ্য বাচি লৈ উপযুক্ত শিক্ষাৰে শিক্ষিত হৈ জীৱনত কৰ্মৰ দক্ষতা আহৰণ কৰিব পাৰিলেহে জীৱন সুখময় হ'ব। বৰ্তমান সময়ত অসমত ইণ্টাৰনেট গ্ৰাহকৰ সংখ্যা ১.১৫ কোটি। প্ৰতিদিনে কোটি কোটি টকা এই উপভোক্তা সকলে অপব্যয় কৰিছে। তাৰ তুলনাত দৈনিক কিমান উপাৰ্জন হৈছে তাৰ হিচাপ কোনোবাই কৰিছেনে? বৰ্তমান অসমৰ অৰ্থনৈতিক অৱস্থা অতি পুতৌ লগা। এই সংকট কালত অসমত ঘাটি বাজেটৰ পৰিমান হৈছেগৈ ৩৬ৰ কোটি। ইয়াৰ উপৰিও ভূতৰ ওপৰত দানহ পৰাদি। জলবায়ুৰ পৰিৱৰ্তনৰ বাবে অসমৰ, চাহ উদ্যোগেও চল্লিশ বৰ্ষৰ তুলনাত ছয় কিল'গ্ৰাম পৰ্যন্ত চাহৰ উৎপাদন হ্ৰাস পাইছে। যোৱা ত্ৰিশ বছৰৰ ভিতৰত এইটোৱেই চাহ উদ্যোগৰ ক্ষেত্ৰত সৰ্ববৃহৎ বিপৰ্যয় বুলি নৰ্থ ইষ্টাৰ্ণ টি এচচিয়েছনৰ প্ৰাক্তন অধ্যক্ষ মনোজ জালানে সদৰী কৰিছে। এতেকে জীৱনৰ বাটেৰে আগুৱাই যাবলৈ হ'লে অকল চিন্তাশক্তি থকাটোৱেই মুখ্য কথা নহয়, সেই শক্তিক কামত লগোৱাৰ চেষ্টা কৰাটোও এটা ডাঙৰ কথা।

কোনো এটা কাম আৰম্ভ কৰাৰ ক্ষেত্ৰত আটাইতকৈ কঠিন কামটোৱেই হৈছে নিজকে মানসিক ভাবে প্ৰস্তুত কৰাটো। আৰু আটাইতকৈ সহজ কামটোৱেই হৈছে অলপো পলম নকৰি মনত কোনো ভয় ভাবৰ জন্ম হোৱাৰ সুযোগ নিদি ঘপ্ কৰে কামটো আৰম্ভ কৰি দিয়া। এনেদৰে কাম কৰিব পাৰিলে মনৰ পৰা সকলো ধৰণৰ ভয়-সংকোচ আঁতৰ কৰি স্বচ্ছন্দে কাম কৰিব পাৰিব। সমস্যা সমাধানৰ বাবে এখন পৰিকল্পিত আঁচনিয়ে শ্ৰমৰ মাত্ৰা বহুখিনি লাঘৱ কৰিব পাৰে। কাম নকৰাকৈ বহি থাকিলে আমাৰ মাজৰ ভয়ৰ স্তুপটো ক্ৰমে বৃদ্ধি পাবলৈ আৰম্ভ কৰে। তেনেদৰে সি বাঢ়ি বাঢ়ি এটা সময়ত আমাক পঙ্গু কৰি পেলায়। সেয়ে আমাৰ ওপৰত যাতে ভয়ে প্ৰভুত্ব বিস্তাৰ কৰিব নোৱাৰে, তাৰবাবে মূৰলৈ অহা পৰিকল্পনাটোক তৎক্ষণাত বাস্তৱত ৰূপায়ন কৰাৰ চেষ্টা কৰিব লাগে।

অসমত বহু সম্ভাৱনাময় জীৱিকাৰ ক্ষেত্ৰ আছে। পৰ্যটন, মৎস্য উৎপাদন, ফলমূল সংৰক্ষণ, বিভিন্ন প্ৰজাতিৰ ফুলৰ খেতি, ধান আৰু মাহজাতীয় শস্যৰ খেতি, চাহ উদ্যোগ, মৌ পালন, সহজলভ্য বনৌষধি উদ্যোগ, তাঁত শিল্প, বাঁহ-বেতৰ উদ্যোগকে ধৰি একাধিক জীৱিকাৰ ক্ষেত্ৰৰ সম্ভাৱনা আছে এইখন অসমত। লাগে মাথো এটা উৎসাহী মন আৰু সু-সংগঠিত পৰিকল্পনা। অসমৰ বায়ু, পানী সেৱন কৰি ডাঙৰ-দীঘল হোৱা সন্তান সকলক অভিভাৱক সকলে এই ক্ষেত্ৰ সমূহলৈ লৈ যাবলৈ হাজাৰ বাধা বিঘিনীয়ে লঙঘন কৰি আগবাঢ়ি যাবলৈ মানসিক ভাবে প্ৰস্তুত হ'ব লাগিব। এই ক্ষেত্ৰত অসমৰ সুযোগ্য সন্তান যাদৱ পায়েং

আমাৰ বাবে অতি গৌৰৱ। তেখেতে ৰত্ন বছৰৰ বাবে মেক্সিকো ভ্ৰমণৰ পাৰপত্ৰ লাভ কৰিছে।

আলোচ্য বিষয়টিৰ তৃতীয় আৰু শেষ উপায়টি হৈছে সুস্বাস্থ্য। এখন সমাজৰ মানৱ সম্পদ বিকাশৰ মূল মন্ত্ৰ হৈছে সুস্বাস্থ্য। কেৱল বেমাৰ আজাৰৰ পৰা মুক্ত হোৱাটোৱেই সুস্বাস্থ্যৰ সংজ্ঞা হ'ব নোৱাৰে। শাৰীৰিক, মানসিক, সামাজিক, সংস্কৃতিৰ আৰু আধ্যাত্মিক ভাবে সুস্থ হৈ থকা অৱস্থাটোকহে সুস্বাস্থ্য বুলি কোৱা হয়। সুস্বাস্থ্য এটা পৰিস্কাৰ ইঞ্জিনৰ দৰে সক্ৰিয়, কাৰ্যক্ষম। মহাত্মা গান্ধীয়ে কৈছিল- "শিশুৰ দেহ মন আৰু আত্মাৰ সৰ্বতোমুখী বিকাশেই হৈছে শিক্ষা।" সুস্বাস্থ্যৰ অধিকাৰী হ'লেহে এই বিকাশ সম্ভৱ।

সু-স্বাস্থ্যৰ বাবে সুস্থ চিন্তাৰ প্ৰতি প্ৰয়োজন। এজন মানুহে যেনেভাবে চিন্তা কৰে, তেনে প্ৰতিফলনেই শৰীৰ আৰু মনৰ ওপৰত পৰে। এজন মানুহৰ আত্মা তেওঁৰ চিন্তাৰ দ্বাৰা ৰূপ লয়। বিখ্যাত চিকিৎসক ডাঃ যোচেফ ক্ৰিমস্কিয়ে তেওঁৰ বিখ্যাত 'দ্য ৱণ্ডাৰ অৱ মাইণ্ড' নামৰ গ্ৰন্থখনত লিখিছে যিকোনো টান বেমাৰৰে আটাইতকৈ ভাল প্ৰতিৰোধক হ'ল অন্তৰৰ প্ৰতিৰোধ। বাহিৰৰ জীৱাণু আৰু ভাইৰাছক আমাৰ অন্তৰৰ শক্তিয়ে ভালেখিনি প্ৰতিৰোধ কৰিব পাৰে এইটো এটা প্ৰমাণিত সত্য। এনে ধৰণৰ জটিল তত্বৰ আধুনিক নাম হ'ল 'ছাই'ক'ছমেটিক'। ইয়াৰ আভিধানিক অৰ্থ হ'ল শৰীৰ আৰু মনৰ মিলিত শক্তি। বৰ্তমান কৰুণা সংকট কালত এনে বহু ৰোগী এই বিশেষ পদ্ধতিৰ চিকিৎসাৰে আৰোগ্য লাভ কৰিছে। অৱশ্যে এই ক্ষেত্ৰত চৰকাৰ আৰু ক'ভিড যোদ্ধা সকলৰ ভূমিকা অনস্বীকাৰ্য। সাধাৰণ ভাবে মানুহ সুস্থ হৈ থাকিবলৈ তিনিটা কথা মানি চলাটো অত্যন্ত গুৰুত্বপূৰ্ণ

(ক) জীৱনী শক্তি আৰু সজীৱতাৰ বাবে চিন্তা কৰক।

(খ) সজীৱতা আৰু স্বাস্থ্যৰ চৰ্চা কৰক।

(গ) জীৱন শক্তি আৰু সজীৱতাৰ কাৰণে স্বাস্থ্য প্ৰাৰ্থনা কৰক।

লিখা মেলা, গ্ৰন্থ অধ্যয়ন, ছবি অঁকা, চিনেমা নাটক উপভোগ কৰা, নৃত্য, গীত, বাদ্য এইবোৰ হৈছে একো একোটা সৃষ্টিশীল কৰ্ম। ইয়াৰ জড়িয়তে মনৰ উৰ্বৰা শক্তি বৃদ্ধিৰ লগতে মানসিক স্বাস্থ্যৰ ভেঁটিও সবল হয়। এই সৃষ্টিশীল কামবোৰ কেতিয়াও আপোনা-আপুনি সম্ভৱ নহয়। ইয়াৰ বাবে ইচ্ছা জাগিব লাগিব আৰু মানসিক ভাবে প্ৰেৰণা পাব লাগিব। লেখন দক্ষতা বৃদ্ধি কৰিবৰ বাবে প্ৰথমতে আনৰ লেখা পঢ়ি নিজৰ মনটো কৰ্ষণ কৰি ল'ব লাগিব। ইয়াৰ বাবে কেতবোৰ ব্যৱস্থাপনাৰ অতি প্ৰয়োজন। সেই প্ৰয়োজনীয় চৰ্ত সমূহ হ'ল-

(ক) পৰিকল্পনা (খ) বৰ্ণনা (গ) বিশ্লেষণ (ঘ) তথ্যৰ শুদ্ধতা (ঙ) তুলনা (চ) সিদ্ধান্ত গ্ৰহণ।

- এই চৰ্তসমূহৰ মাজেৰেই আমি মন মগজু সবল কৰি লিখাৰ প্ৰয়াস কৰিব লাগে। কোনো এটা লেখা কিছু সময়জোৰ কৰি লিখাৰ পাছতেই ক'ব নোৱাৰাকৈয়ে মন আৰু মগজুৱে কাম কৰিবলৈ আৰম্ভ কৰে আৰু স্বতঃস্ফুট ভাৱে লিখি যোৱাৰ প্ৰেৰণা যোগায়। মানুহে লিখা-মেলাত মনোনিবেশ কৰা সময়তে বহু ভাল, বিচাৰ-চিন্তাৰ উদ্ৰেগ ঘটে আৰু নিজকে সু-সংগঠিত কৰাৰ এটা সুযোগ লাভ কৰে। এই আত্ম সংগঠন



এনে এটা বস্তু য'ত আত্মা, মন আৰু কামৰ উদ্দেশ্য একীভূত আৰু একাত্ম হৈ ছন্দময় এক গতি লাভ কৰে।

ভ্ৰমণ যিদৰে শিক্ষাৰ এক অংগ, ঠিক সেইদৰে ৰোগ নিৰাময়ৰ ক্ষেত্ৰটো এক মহৌষধ হিচাপে কাম কৰে। সেয়ে সময়, সুযোগ পালেই পৰ্বত-পাহাৰ, নৈ-নিজৰা, সমুদ্ৰ তীৰৰ সৌন্দৰ্য উপভোগ কৰিববলৈ যোৱাটো অতিশয় গুৰুত্বপূৰ্ণ। প্ৰকৃতিৰ শান্ত, সৌম্য, স্নিগ্ধ ৰূপে মনৰ হতাশা আৰু একঘেঁয়াসী জীৱনৰ অৱসাদ দূৰ কৰে। ভ্ৰমণৰ সমান্তৰাল ভাবে পৰ্যটন উদ্যোগ, ভৌগোলিক পৃথিৱীখনৰ অধ্যয়নৰ সুযোগ, প্ৰাকৃতিক সম্পদ সমূহৰ সৈতে চিনাকি প্ৰাচীন কীৰ্তিচিহ্ন সমূহ সংৰক্ষণ কৰাৰ বাসনাৰ উদ্ৰেক কৰি অভিভাৱক সকলে নিজ সন্তানৰ মনত এটা স্বদেশ প্ৰীতি মনোভাৱ গঢ় লৈ উঠাত অৰিহণা যোগাব পাৰে। ইয়াৰ মাজেদি মানুহৰ মাজত বন্ধুত্বসুলভ মনোভাৱ, ঐক্য আৰু সম্প্ৰীতিৰ এনাজৰী গঢ় লৈ উঠে। এইখিনিতে কবি আনন্দ চন্দ্ৰ আগৰৱালা দেৱ সেই কবিতা শাৰীকেইটালৈ মনত পৰে-

'সুখ দুখৰ মনেই কাৰণ
মনক কৰিবা থিত,
ত্যাগত সাধিবা পৰম সন্তোষ
সাধিবা লোকৰ হিত।"

সুখ-দুখ, অনাদৰ-অৱহেলা, অসূয়া-অপ্ৰীতিৰ লগতে এক স্বৰ্গীয় শক্তিও আমাৰ মাজতেই বিৰাজমান। সেয়ে সমস্ত সম্পদৰ ভিতৰত শ্ৰেষ্ঠ সম্পদ হৈছে ঈশ্বৰৰ আশীৰ্বাদ। বাইবেলত কোৱা হৈছে "ঈশ্বৰৰ ৰাজ্য তোমাৰ অন্তৰতেই বিৰাজমান।"- ইয়াৰ অৰ্থ হ'ল ঈশ্বৰৰ শক্তি আৰু সত্য নিজৰ মাজতেই লুকাই আছে। কঠোৰ মানসিক সাধনাৰ দ্বাৰা আমি সেই শক্তি আহৰণ কৰিব লাগিব। শংকৰদেৱ আৰু মাধৱদেৱৰ বিশাল সাহিত্যৰাজি এই মন্ত্ৰৰে দীক্ষিত।

আত্মবিশ্লেষণ বা বিচাৰবোধে মানুহক সংস্কাৰী কৰি গঢ় দিয়ে। মহাপুৰুষ মাধৱদেৱৰ জীৱনৰ কীৰ্তিস্তম্ভ স্বৰূপ ঘোষা শাস্ত্ৰ খনি এখনি আত্মবিশ্লেষণাত্মক উৎকৃষ্ট গ্ৰন্থ। ইয়াৰে এফাঁকি ঘোষা এইক্ষেত্ৰত প্ৰণিধানযোগ্য।

'আপুনি আপোন বন্ধু আপুনি আপোন শত্ৰু
আপুনি আপোন ৰাখে মাৰে।'

আমাৰ জীৱনৰ প্ৰধান বন্ধু আৰু প্ৰধান শত্ৰু আমাৰ মনটো। কাম, ক্ৰোধ, লোভৰ বশৱৰ্তী হৈ মানুহে নিজকে হত্যা, হিংসা, লুণ্ঠন, ধৰ্ষণ আদি অপকাৰ্যলৈ টানি নি নিজকে ধ্বংসৰ গৰাহলৈ ঠেলি দিছে। অতিমাত্ৰা ৰাজসিক আৰু তামসিক খাদ্য গ্ৰহণৰ ফলত বৌদ্ধিক আৰু আধ্যাত্মিক চিন্তা চেতনাৰ বিলোপ ঘটিছে। শিক্ষিত হ'লেও মানুহে নিজকে আত্ম নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে সুস্থিৰ চিন্তাৰে সাহসী আৰু মহীয়ান হ'ব নোৱাৰে। একমাত্ৰ পুথি অধ্যয়নেহে মানুহক এটি সুন্দৰ মানবীয় পথৰ সন্ধান দিব পাৰে। সেয়েহে সৰুকৈ হ'লেও প্ৰত্যেকৰে ঘৰত এটা পুথিভঁৰাল অতি আৱশ্যক। শংকৰ-মাধৱ, জ্যোতি-বিষ্ণুৰ সমস্ত জীৱন দৰ্শন তেওঁলোকৰ সাহিত্য-ৰাজিৰ মাজত নিহিত হৈ আছে। আজিৰ অসমীয়াই শ্বেলী, শ্বেক্সপীয়েৰক বিচাৰি যোৱাতকৈ অসমৰ মহান-মনিষী সকলৰ জাতীয় চেতনাবোধক জাগ্ৰত কৰিবলৈ চেষ্টা কৰা উচিত। হাতত যাঠি-জোং, বন্দুক-বাৰুদ তুলি লোৱাৰ পৰিৱৰ্তে মানবীয় দৃষ্টিকোণেৰে বিচাৰ-বিশ্লেষণ কৰি কোনো ঘটনাৰ আঁৰৰ প্ৰকৃত ৰহস্য উদ্‌ঘাটন কৰিব পাৰিলেহে প্ৰকৃতাৰ্থত আমাৰ চিন্তা চৰ্চাৰ সফল প্ৰয়োগ হ'ব।

মানুহৰ জীৱনটোৱেই হৈছে সংগ্ৰাম। অনাগত দিনত আহিবলগীয়া যিকোনো কঠিন পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ হ'লে আমি এতিয়া পৰাই মানসিক ভাবে দৃঢ় হ'ব লাগিব। বহু হেৰুৱাৰ মাজতো বৰ্তমান ক'ভিড সৃষ্ট পৰিবেশৰ অভিজ্ঞতাৰে নিজৰ জীৱনটোক নতুনকৈ যাপন কৰাৰ কৌশল আয়ত্ব কৰি ল'ব লাগিব। বৰ্তমান ন-ন চিন্তাৰ প্ৰযুক্তি সমূহ আঁকোৱালি লৈ আগবাঢ়িব লাগিব ৰূপান্তৰেদি নৱতম সৃষ্টিৰ শলিতা জ্বলাই। লগত লৈ যাব লাগিব মহাপুৰুষ সকলৰ জীৱন সঞ্জীৱনী মন্ত্ৰ আচাৰ্য-বিনোৱা ভাৱেৰ উক্তিৰে- "যিদিনাই অসমীয়াই নিজকে শংকৰ-মাধৱক পাহৰিব, সেইদিনা জগতৰ আৰু কোনো শক্তিয়ে অসমীয়াক নিঃশেষ হোৱাৰ পৰা ৰক্ষা কৰিব নোৱাৰিব।

বৰ্তমানৰ এই সুন্দৰ আৰু সময়োপযোগী লেখাটি বিভিন্ন গ্ৰন্থ অধ্যয়ন, সামাজিক মাধ্যম আৰু মোৰ দীৰ্ঘ লব্ধ অভিজ্ঞতাৰ ভেঁটিত যুগুতাবৰ বাবে চেষ্টা কৰা হৈছিল। বৰ্ণৰ বিন্যাস আৰু তথ্যৰ শুদ্ধতাৰ ক্ষেত্ৰত কিছু আসোঁৱাহ ৰৈ যোৱাটো স্বাভাৱিক। গতিকে ব্যক্তিগত ভাৱে মই পঢুৱৈ সমাজৰ ওচৰত ক্ষমাপ্ৰাৰ্থী। পৰিশেষত কবিৰ এই শ্বাশ্বত কবিতা ফাঁকিৰে সকলোৰে জীৱন ধন্য হওঁক তাকে কামনা কৰি মোৰ এই প্ৰয়াস সামৰিব বিচাৰিছোঁ।

শিকা সবে পৰিশ্ৰম শিকাহে নীতি ধৰম
নাভাবিবা সুখ-দুখ কিনো কপালত,
কৰ্তব্যৰ পাছে ল'ৰা ক্ৰমাগত কাম কৰা
ফলাফল ফলদাতা বিভুৰ হাতত।



# আপোনাৰ জীৱনৰ চিন্তা, কৰ্ম আৰু মতাদৰ্শ ঃ চৰ্চা আৰু প্ৰয়োগ

শেৱালি বৰুৱা শইকীয়া

অৱতৰণিকা ঃ "ময়ে জানা অন্তৰ্যামী, অধিষ্ঠিত
সকলোৰে হৃদয়ে হৃদয়ে,
মোৰে পৰা প্ৰবাহিত স্মৃতি আৰু জ্ঞান, মোতে লুপ্তমান;
সকলো বেদৰ জ্ঞানৰ চাকিৰে দেখা ময়েই
জ্ঞাতব্য সত্য,
বেদান্তৰো ময়ে গ্ৰন্থকাৰ, ময়ে জানা পৰম বেদজ্ঞ
(গীতা ঃ পুৰুষোত্তম যুগ - অসমীয়া অনুবাদ মহেন্দ্ৰ বৰা)

"জীৱন জীৱন বৰ অনুপম।" সঁচাকৈয়ে জীৱন বৰ অনুপম বুলি ক্ষণে অনুক্ষনে নীলা বাইদেউৰে কোৱাৰ দৰেই উপলব্ধি কৰো। মহা মহা পুৰুষৰ চানেকিৰ বোলেৰে জীৱনৰ বলুকাত আঁকিব পাৰোঁ অলেখ চিত্ৰ। আমাৰ সংসাৰখন এখন ৰংগ মঞ্চৰ দৰে। ভাৱৰীয়াই ভাও দি থাকে আৰু অভিনয় শেষ হ'লে নিজৰ স্থানলৈ উভটি যায়। মহান মনীষীসকলে তেওঁলোকৰ কৰ্মৰ মাজেৰে এই পৃথিৱীৰ বুকুত তেখেতসকলৰ আদৰ্শৰ বীজ ৰোপণ কৰি থৈ যায় সমাজখনৰ বাবে।

এই বিশ্বৰ বুকুত কোনোৱে জন্ম লয় অলপ আয়ুসেৰে আৰু হয়তো কোনোজনে

শতায়ু গৰকি যায় এই পৃথিৱীত। সময় নিৰৱধি নদীৰ দৰেই। সময়ৰ বুকুত আমি প্ৰতিজনেই জীৱনৰ প্ৰতি আকৃষ্ট হৈ থাকিলেও আমি মানুহে প্ৰকৃতিৰ এই সৰ্বশেষ সত্য 'মৃত্যু'ক স্বীকাৰ কৰিবই লাগিব। জীৱদেহ গঠন কৰা কোষবোৰত () থাকে। মানুহৰ আয়ুস এই () তে লিখা থাকে। যেতিয়া আয়ুস নাথাকে পৃথিৱীৰ শ্ৰেষ্ঠ চিকিৎসকেও মানুহক বচাব নোৱাৰে। জীৱকোষত থকা এই () ৰ পাতখিলাই ছাগে মানুহৰ আচল কঁপাল। মহৰ্ষি টলষ্টয়ে কৈছিল, "জীয়াই থকাটো ডাঙৰ কথা নহয়, ডাঙৰ কথাটো হ'ল তুমি আঁতৰি যোৱাৰ পিছতো মানুহৰ মনত তোমাৰ কৰ্মৰাজি, আদৰ্শ জীপাল হৈ থকাটোহে। কালবলুকাত খোজ ৰাখি থৈ যোৱা সম্ভৱ মাথোঁ সুকৰ্মৰাজিৰ দ্বাৰাহে।"

জীৱন সম্পৰ্কে এক সাৰ্থক যুক্তি কোনেও দাঙি ধৰিব নোৱাৰে। জীৱন মানেই এক অনন্ত বিস্ময়। দিগন্তই চুই যোৱা আকাশৰ নীলাবোৰৰ দৰেই জীৱনক বিচাৰি পাবলৈ আপোন সত্তাৰ মাজত আমি প্ৰাণান্তক শ্ৰম কৰিছো। মৰুভূমিৰ কেকটাছ জোপাৰ দৰেই নিজক থিয় কৰিবলৈ জীৱনৰ পৰ্বতসম বোজা প্ৰাণময় অনুভৱেৰে বোকোচাত কঢ়িয়াবলৈ শিৰত ধাৰণ কৰিবলৈ শিকিছো সাহসৰ অগ্নিবীৰ্য। আইৰ গৰ্ভত স্থিতি লোৱাৰে পৰা সংগ্ৰামৰ বীজ ৰোপন কৰিছো। আইৰ গৰ্ভৰ আন্ধাৰ ফালি ভূমিষ্ঠ হ'বলৈ কৰা সেই সংগ্ৰামৰ জুমুঠি লৈ ভূমিৰ পৰা মূমালৈ এই চিৰন্তন সংগ্ৰামৰ আছো জানো শেষ?

অন্তহীন জীৱন জিজ্ঞাসাৰে অলৌকিক ব্যঞ্জনাৰে মানুহে নিজকে মহিমামণ্ডিত ৰূপত প্ৰতিষ্ঠা কৰিবলৈ অপৰিসীম চেষ্টা অহৰ্নিশে কৰি আহিছে। এইয়াই মানুহৰ অনন্তকালৰ চিৰন্তন পৃষ্ঠা। সেয়েহে জীৱনৰ সহস্ৰ দুখ যন্ত্ৰণাও হৈ পৰে আনন্দ আৰু আশীৰ্বাদৰ এক দস্তাবেজ। 'মাডাম বোভাৰী' খ্যাতি ফৰাচী লেখক গুস্তভ ফ্ল বেয়াৰে এগৰাকী বান্ধৱীলৈ লিখিছিল - "() দুখ-যন্ত্ৰণাৰ আঙুলিয়ে চেপি ধৰিলেও জীৱনৰ অন্ধকাৰ পোতাশালত নিজকে নিক্ষেপ কৰিও আত্মাৰ অনন্ত স্পৰ্শৰে মানুহে জীৱনৰ অনুপম তুলিকাৰে আঁকিব খোজে সূৰ্যস্নাতা পৃথিৱীৰ এখন জীয়া ছবি। সেইবাবে ছাগে মহান মনীষীয়ে মানুহৰ অন্তহীন এই সংগ্ৰামৰ বুকুত তেওঁৰ অনুভৱী কলমেৰে () ত তেওঁ দৃঢ়তাৰে কৈছে, ()

মোৰ জীৱনৰ চিন্তা ঃ
মই কাইলৈ মৰিম
আজি বাচি থাকিবলৈ দিয়া
হে মোৰ স্ৰোতস্বিনী দুখ
মোৰ শীৰ্ণ শিৰৰ অৰণ্যেৰে
প্ৰবাহিত হৈ থাকা
মই ভাগৰা নাই।" (নীলা বাইদেউ)

নীলা বাইদেউৱে জীৱন সম্পৰ্কে কৈছে, "জীৱন এক জিজ্ঞাসা। এই জিজ্ঞাসাৰ শেষ নাই। জীৱন এক অনন্ত যাত্ৰাও এই যাত্ৰাৰ শেষ নাই।" উপনিষদত কৈছে, 'অধ্যয়নেই তপস্যা আৰু তপস্যাৰ উত্তৰ হৈয়েই সত্যই দেখা দিয়ে। সত্য বৃহৎ আৰু এক। উপনিষদত কৈছে, সত্যক জনাটোৱে মানৰ জীৱনৰ লক্ষ্য আৰু ভূমাৰ স্পৰ্শই এই উপলব্ধিৰ পথ।

ছান্দোগ্য উপনিষদত কৈছে, শিক্ষাৰ লক্ষ্য আৰু পৰম অৰ্থৰ কথা। কেৱল আক্ষৰিক জ্ঞানে পৰম তত্বৰ উপলব্ধি নিদিয়ে। ছান্দোগ্য উপনিষদ ও ভগৱান মনত কুমাৰৰ ওচৰত নাৰদে ব্ৰহ্মজ্ঞান লাভ কৰাৰ কথা এনেকৈ উল্লেখ আছে। নাৰদক সোধা হৈছিল, সকলোতকৈ শ্ৰেষ্ঠ কি? নাৰদে উত্তৰ দিছিল বাক। পুনৰ সুধিছিল বাকতকৈ শ্ৰেষ্ঠ কি? তেওঁ একাদিক্ৰমে উত্তৰ দিছিল - বাকতকৈ শ্ৰেষ্ঠ মন, মনতকৈ শ্ৰেষ্ঠ সংকল্প, সংকল্পতকৈ শ্ৰেষ্ঠ চিও, চিওতকৈ ধ্যান, ধ্যানতকৈ বিজ্ঞান, বিজ্ঞানতকৈ বল, বলতকৈ অন্ন, অন্নতকৈ জল, জলতকৈ তেজ, তেজতকৈ আকাশ, আকাশতকৈ স্মৃতি, স্মৃতিতকৈ আশা, আশাতকৈ প্ৰাণ ... প্ৰাণেই প্ৰাণক প্ৰাণদান কৰে।"

প্ৰখ্যাত দাৰ্শনিক বাষ্ট্ৰাণ্ড ৰাছেলে কৈছিল - "সোণালী কুঁৱলী দেখিবলৈ যিমানেই ভাল নহওক কিয় মই হ'লে সূৰ্যৰ পৰিষ্কাৰ পোহৰহে ভালপাওঁ।

শ্ৰদ্ধাৰ সাহিত্যিক হোমেন বৰগোহাঞিদেৱে কৈছিল যে, "সোণালী কুঁৱলীৰ মাজেদি দেখা নিসৰ্গৰ ৰূপ দেখিবলৈ সুন্দৰ হ'লেও সেইটো তাৰ আচল ৰূপ নহয়। একমাত্ৰ পৰিষ্কাৰ সূৰ্যলোকতহে সকলো বস্তুৰে প্ৰকৃত আৰু অবিকৃত ৰূপটো দেখা যায়। ঠিক সেইদৰে তীব্ৰ হৃদয়াবেগে জীৱনৰ বহুতো কথাকে আমাৰ কাৰণে অত্যন্ত আকৰ্ষণীয় কৰি তুলিলেও একমাত্ৰ যুক্তিৰ নিৰ্মল পোহৰতহে আমি সেইবোৰৰ আচল ৰূপটো দেখিবলৈ পাওঁ।

জীৱনত নিশ্চয় আবেগৰো ঠাই আছে। জীৱন কেতিয়াও যুক্তি সৰ্বস্ব হ'ব নোৱাৰে। কিন্তু প্ৰকৃতিত যেনেকৈ জাৰ-জহ, ৰ'দ বৰষুণ, আন্ধাৰ-পোহৰ আদি সকলো বস্তুৰে নিজৰ নিজৰ স্থান আৰু সময় আছে। প্ৰত্যেক মানুহৰ জীৱনত প্ৰেম এক অনন্য অনুভূতি। "কিন্তু ষ্টেনফৰ্ড বিদ্যালয়ৰ গৱেষকৰ মতে প্ৰেমৰ বয়স মাত্ৰ দুমাহ। এই দুমাহৰ পিছত প্ৰেম ৰূপান্তৰিত হয় এক অভ্যাসলৈ। আনকি বহুক্ষেত্ৰত প্ৰেম সহানুভূতিলৈয়ো পৰিণত হয়।"

জীৱন কেৱল এক জয় পৰাজয়ৰ পৃষ্ঠা হব নোৱাৰে। জীৱনত সফলতা বিচৰাৰ আকাংঙ্খা তীব্ৰতৰ হৈ গৈ থাকিলে ভিতৰৰ মইজনী মৰি শেষ হ'ব নিশ্চয়। পৃথিৱীখনক জয় কৰাৰ তীব্ৰ আকাঙ্খা আছিল গ্ৰীছৰ বিখ্যাত ৰজা মহাবীৰ আলেকজেণ্ডাৰৰ। তেওঁ ভাৰত বিজয় কৰিবলৈ আহি এগৰাকী পণ্ডিতক সুধিছিল, মোৰ বিশ্ববিজয়ৰ মনোকামনা পূৰ্ণ হ'বনে? তেতিয়া সন্ন্যাসী জনে উত্তৰত কৈছিল, "যেতিয়া তোমাৰ ভৰিৰ তলৰ পৃথিৱীখন ৰূপেৰে প্লাবিত হ'ব; তেতিয়া তোমাৰ মূৰৰ ওপৰৰ আকাশখন সোনেণৰে ছাটি ধৰিব, তেতিয়াই তোমাৰ মৃত্যু হ'ব। আলেকজেণ্ডাৰৰ মনৰ আকাংক্ষা আৰু অধিক তীব্ৰ হ'ল। বাঃ সোণ আৰু ৰূপেৰে ভৰি পৰিব তেওঁৰ মাটি আৰু আকাশ। কেইদিনমানৰ পিছত আলেকজেণ্ডাৰৰ অসুখ বাঢ়ি গৈছিল। তেওঁক প্ৰকাণ্ড ঘোঁৰাটো তুলি দিয়া হ'ল। ঘোঁৰাৰ জিনটো আছিল ৰূপেৰে তৈয়াৰী কৰা আৰু মূৰৰ ওপৰৰ প্ৰকাণ্ড ছাতিটো আছিল সোণৰ। ভৰিৰ তল ৰূপৰ, আকাশ সোণৰ। তেতিয়াহে আলেকজেণ্ডাৰে সকলো বুজি পালে। হয় মাথোঁ তিনিটা দশকৰ জীৱন কালতে তেওঁৰ সকলো আকাংক্ষা চূৰমাৰ হৈ গ'ল। তেওঁ শেষবাৰৰ বাবে কৈ উঠিল- "যন্ত্ৰণাত মুঠি মাৰি যোৱা মোৰ হাত দুখন খুলি দিয়া। উদং হাতৰ তলুৱা দুখনে দেখুৱাই দিয়ক একো নাই এই জীৱনত। বৃথা, সকলো বৃথা। মোৰ এই ঐশ্বৰ্য বিভূতি জানো মই মুঠি মাৰি ধৰিব পাৰিলো? ... মোৰ তীব্ৰ জয়ৰ আকাংক্ষাক জানো নিভাঁজ ৰূপ দিব পাৰিলো? আহঃ বৃথা এই বিশ্ব বিজয়। মৃত্যুৰ ওচৰতেইতো মই পৰাজিত হৈ গ'লো।"

জীৱনক মই হিচাপৰ তুলাচনীত বহুৱাই জীৱনৰ গভীৰতা জুখিব পৰা কোনো দিনেই নাছিলো। শৈশৱৰ সুখানুভূতিৰ মাজেৰে কটাইছিলো। যৌৱনত নিশ্চয় প্ৰেমত নিমগ্ন হৈছিলো। শিক্ষক হোৱাৰ আকাংক্ষা আছিল হৃদয়ৰ গভীৰত। কিন্তু উপযুক্ত হৈয়ো সপোনৰ পদূলিটোত বকুলফুলৰ সুবাস ছটিয়াই যাব নোৱাৰিলো। কিন্তু ব্যক্তিগত খণ্ডৰ বিদ্যালয় হ'লেও মই এমুঠি শিশুক পোহৰ সিঁচিবলৈ অহৰহ প্ৰয়াস কৰো। জীৱনত প্ৰচণ্ড ধুমুহাৰ মুখামুখি হৈছিলো। ২০১৩ চনৰ ২৫ জুন আছিল। মোৰ সপোনৰ আকাশখন খহি পৰিছিল মোৰ বুকুত। আমাৰ একমাত্ৰ সন্তান গৰাকী মানে মোৰ কলিজাৰ উঁশাহটো হেৰাই হৈছিল মৃত্যু নামৰ সেই প্ৰবল ধুমুহা জাকৰ মাজত। আকাংক্ষাৰ চৰাইজাকে বাট হেৰুৱাইছিল। শতিকাৰ প্ৰাচীন শিলালিপিত। মোৰ জীৱন দৰ্শন, মোৰ চিন্তা সকলোবোৰ মোৰ মামুনুৰ বুকুত বিলুপ্ত হৈ যাবলৈ বিচাৰিছিল। আচলতে ভুল কাৰ আছিল আজিও নাজানিলো। চিকিৎসকৰ ভুল সিদ্ধান্তই আমাক এন্ধাৰত নিক্ষেপ কৰিছিল। বুজি পাইছিলো বৈভৱৰ এইখন পৃথিৱীত এমুঠি বিশ্বাসৰ বৰকৈয়ে অভাৱ। আৰম্ভ হৈছিল মোৰ আমাৰ মামুনুবিহীন যন্ত্ৰণাৰ পৃষ্ঠাবোৰ। বুকুত অহৰহ এটা বিষ কঢ়িয়াই ফুৰিলো। এদিন নিজকে সেই দুখৰ খোলাটোৰ পৰা উলিয়াই অনাৰ প্ৰয়াস কৰিলো। মাতৃ হৈয়ো মোৰ মনৰ আকাশখন উকা হৈয়ে থাকিল। মই নিজকে এজোপা শিমলুৰ দৰে হাজাৰ ধুমুহাতো হাউলি পৰিব নোৱাৰাকৈ ৰখাৰ প্ৰয়াস কৰিলো। জীৱনৰ এই পোৱা-নোপোৱা দলিলখনত মামুনুৰে সন্তান হিচাপে দি যোৱা প্ৰাপ্তিৰে আজি মই বিজয়িনী হ'ব খোজো। দুখত কাতৰ হৈ থকা মোৰ প্ৰিয় মানুহজনৰ এটা হাঁহিয়ে মোৰ জীৱনৰ মূল্যবান উপহাৰ। আজি মই 'যশোদা মাতৃ' হ'ব পাৰিছো। মোৰ স্নেহেৰে আদৰি লৈছো। কাৰোবাৰ অসমাপ্ত সপোন। শ্ৰদ্ধাৰ মামনি বাইদেউৰ জীৱনক মহীয়ান কৰাৰ যি সংকল্প সেই সংকল্প তেখেতৰ আধালেখা দস্তাবেজৰ পাতে পাতে লিপিৱদ্ধ জীয়া কাহিনীয়ে জীৱনক নতুনকৈ সজাবলৈ সাহস দিয়ে। বাইদেউৰ জন্মকুণ্ডলী চাই তেখেতৰ মাতৃৰ মুখৰ আগতে কৈছিল, "এইজনী ছোৱালীক বিয়া দিয়াতকৈ দুটুকুৰা কৰি কাটি নদীত ভহাই দিয়াই ভাল হ'ব।" বাইদেউৰ সন্মুখত নৱগ্ৰহৰ জ্যোতিষীজনে উক্ত কথাখিনি অলপো বিচলিত নোহোৱাকৈ কৈছিল।

মামনি বাইদেউৰ প্ৰিয়পুৰুষজন তেওঁৰ জীৱনৰ পৰা হেৰাই যাওঁতে মাধৱেনৰ স্মৃতি বিজড়িত কথাবোৰে তেখেতক একেবাৰে বিধস্ত কৰি পেলাইছিল। অৱশেষত উপেন্দ্ৰ চন্দ্ৰ লেখাৰুছাৰে বাইদেউক দেখুৱাইছিল জীৱন জীয়াৰ মসৃন পথ। ৰামায়ণী সাহিত্যত গৱেষণা কৰি দিল্লী জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ সন্মানীয় পদত উপবিষ্ট হৈ জ্ঞানপীঠক বুকুত সাৱটি ল'বলৈ সক্ষম হৈছিল। কঁপালত ৰঙা বেলিৰ আবেলিটো আঁকি লৈ টিকটিকীয়া ৰঙাপাটৰ সাজযোৰেৰে বাইদেউৰে জীৱনক অংকন কৰিছিল নিজৰ হৃদয়ৰ আলয়ত। মানুহ যে নিজেই একোটা মাৰ্বল আৰু নিজেই ভস্কিৰ সেই কথা বাইদেউৰে প্ৰমাণ কৰি গ'ল। শ্ৰদ্ধাৰ হোমেন বৰগোহাঞি ছাৰে বাইদেউক প্ৰেৰণাদায়ক মন্তব্যৰে পত্ৰ প্ৰেৰণ কৰি সৃষ্টিৰ মাজেৰে আগুৱাই যাবলৈ অনুপ্ৰাণিত কৰিছিল। সেয়েহে ছাগে বাইদেউলৈ কবি নীলিম কুমাৰে লিখিছিল -

"পিন্ধি থাকিবা শিলৰ পোছাক
তেওঁ আহি তোমাৰ কলিজাটো হে খুজি বহি
লুকাই থ'বা তোমাৰ কলিজাটো
তোমাৰ প্ৰিয়জনৰ বুকুৰ তলত।"

(অঘৰী প্ৰেমিক)

শ্ৰদ্ধাৰ বাইদেউৱে তেখেতৰ আধালেখা দস্তাবেজৰ শেষত লিখিছে -

"ছাৰ উপেন্দ্ৰ চন্দ্ৰ লেখাৰুদেৱৰ মৃত্যু হোৱা অনেক দিন হ'ল। তেওঁ বান্ধি দিয়া তাবিজটো এতিয়াও মোৰ শৰীৰত আছে। তেওঁ শিকাই যোৱা মন্ত্ৰটোও মোৰ মনত আছে। এটা সঁচা কথা যে ছাৰে মোক সুখ্যাত লেখিকা নাইবা ডাঙৰ পণ্ডিত হ'বলৈ প্ৰেৰণা দিয়া নাছিল। ছাৰে মোক মানবীয় গুণেৰে বিভুষিত হ'বলৈ প্ৰেৰণা দিছিল। মনুষ্যত্বৰ সন্মুখত সকলো গুণেই তুচ্ছ আছিল। ছাৰৰ বাবে মানুহতকৈ শ্ৰেষ্ঠ এই সংসাৰত একো নাছিল।"

দুখৰ চোলাটো পিন্ধি নিজৰ দুখবোৰক অভেদ্য কবচলৈ ৰূপান্তৰিত কৰি মানৱৰ পূজা কৰি ভালপোৱা, সকলো পশু পক্ষীকে স্নেহৰ সঁজাটোত বন্দী কৰিছিল এই তপস্বিনী নাৰীগৰাকীয়ে। বাইদেউৰ জীৱনৰ এই বৰ্ণিল দস্তাবেজক নিজৰ চিন্তা চেতনাৰে জাগ্ৰত কৰি ৰাখিবলৈ অহৰহ চেষ্টা কৰোঁ। কলমৰ শক্তিশালী ভাষাৰে পাঠকক নাজানো আকৰ্ষণ কৰিব। বাইদেউৱে শিকাই গৈছে জীৱনক কেনেকৈ দুখৰ খোলাটোৰ পৰা উলিয়াই আনি এ আকাশ মুখৰ ৰং সিচিব পাৰি। দুখবোৰ মোৰ কোলাত আজীৱন থাকিব। তাক মই নোহোৱা কৰিব নিশ্চয় নোৱাৰো। সেয়েহে ছাগে কবি হীৰুদাই কোৱাৰ দৰেই মই ক'ব খোজোঁ --

"যি দুখকেই দিয়া
মই বহন কৰিব পাৰোঁ সেই দাহন।
অটম কৰ্ষিত অমৰ্ত্যৰ মাটিৰে পূৰ্ণ মোৰ
অবাক অৱগাহন।
দুখ যিয়েই নহ'ৰ বাস্তহাৰা বা উৎসাহী পৰ্যটক,
ৰাতিটো কটাই যা, তেজত মোৰ সাজি থৈছোঁ আলহী ঘৰ,
চৌকাষে ওল গনি-গছ, কোঠালিত ফুলৰ বিনীত স্তৱক।"

মোৰ জীৱনৰ কৰ্ম ঃ

"জীৱনৰ লগত          কৰা অনুপম
প্ৰতিটো প্ৰহৰ তুমি পূৰ্ণ কৰা
হাঁহিৰ সুবাসেৰে          মনৰ সাহসেৰে
অশ্ৰু বিন্দুবোৰ মুক্তা কৰা।
জীৱনবোধেৰে মন পূৰ্ণ কৰা।। (নীলা বাইদেউ)

মৃত্যুৰ হীমশীতল স্পৰ্শই আজিও মোৰ মন মগজুক ভাৰাক্ৰান্ত কৰে উজাগৰী নিশাবোৰ বুকুত। নিঃশব্দ বেদনাবোৰে নিসংগতাৰ ঠিকনাত হেৰোৱা দিনৰ স্মৃতি বিচাৰি অৱগাহন কৰে মনৰ কুটীৰত। বিভাৱৰীৰ কোলাত দুচকুৱে বিচাৰে মোৰ উশাহৰ আলফুল ঠিকনাৰ ছাঁত লুকুৱাই ৰখা মামুনুৰ মৰমৰ উমাল স্পৰ্শবোৰক। মোৰ আৰ্পিমৰ আঁৰে আঁৰে দুখবোৰে স্তুপীকৃত শৈলুবৈৰ দৰে আৱৰি ৰাখে। শৈৱলিনীৰ দৰেই স্ৰোতস্বিনী হৈ মই আজি জীৱনক কৰ্মৰে বোলাই দিব খোজোঁ। কৰ্মৰ তুলিকাৰে আঁকিব খোজোঁ সেউজীয়া দুবৰিৰ দলিচা।

নীলা বাইদেউৱে লিখিছিল -

"ধুমুহাত মই থৈ যাওঁ
মোৰ গতি।
এই পৃথিৱীৰ ধূলি উৰুৱাও
বৰ বৰ গছ উভালি পেলাওঁ
সৃষ্টিৰ ন সঁহাৰি বিলাওঁ
পুৰণিক দিও যতি
ধুমুহাত ...।"

শ্ৰদ্ধাৰ হোমেন বৰগোহাঞিদেৱে। "সাউদৰ পুতেকে নাও মেলি যায়" নামৰ আত্মজীৱনীমূলক উপন্যাসখনত 'বাপুকণ' নামৰ চৰিত্ৰটোৰ যোগেদি লিখিছিল "আনন্দৰ ৰাগীত বাপুকণ পাগল হৈ পৰিল। মৃত্যুৰ ৰাজ্যৰ পৰা পৃথিৱীলৈ আহিহে সি আৱিস্কাৰ কৰিলে এই পৃথিৱীখন কি অপৰূপ সুন্দৰ। ইয়াৰ প্ৰতিটো ধূলিকণা, প্ৰতিটো পোহৰ কণা, প্ৰতিখিলা সৰাপাত, প্ৰতিটো পশুপক্ষী প্ৰতিটো মানুহ সকলোৱেই কি আশ্চৰ্যভাৱে অসামান্যভাৱে সুন্দৰ।

ভগৱান শ্ৰীকৃষ্ণই গীতাত অৰ্জুনক কৈছে -

"নকৰো যদিহে কৰ্ম ময়েই কাৰণ হ'ংস জগতৰ পতনৰ,
ময়েই কাৰণ হ'ম জীৱনৰ য'ত স্খলনৰ
মোৰ বাবে গজিব গজাঁলি যতমানে বৰ্ণসংকৰৰ
মই নিজে দোষী হ'ম ধ্বংসৰ কাৰণ বুলি সকলো জনৰ।
(কৰ্মযোগ)

কৰ্মই মোৰ বাবে প্ৰধান ধৰ্ম আৰু কৰ্তব্য হৈ সন্মুখত ধৰা দিয়া সকলো কামকে মই কৰি যাবলৈ চেষ্টা কৰো। ব্যক্তিগত খণ্ডৰ স্কুলত শিক্ষকতাৰ চাকৰি টোৰ মাজেৰে দেশৰ ভৱিষ্যতৰ নাগৰিক হ'বলৈ আগবাঢ়ি যোৱা কণমানিসকলক জ্ঞানৰ এমুঠি সঁচা পোহৰ বিলাবলৈ যৎপৰোনাস্তি চেষ্টা কৰো। শিশুৰ মুখৰ হাঁহিবোৰে মোক মোৰ কৰ্ত্তব্যৰ বাবে সাজু কৰে। কৰ্ত্তব্যৰ ধাৰাল পথত মই ধাৱমান হওঁ সমাজৰ এগৰাকী সচেতন নাৰী হিচাপে। প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে মোৰ মামুনুৰ দৰেই। সিহঁতক প্ৰেৰণাৰ বিভিন্ন উৎসৰ মাজেৰে মহান মনীষীৰ জীৱনাদৰ্শৰে আগুৱাই নিবলৈ অহৰ্নিশে চেষ্টা কৰোঁ। সমালোচনা নহয় আত্মসমালোচনাৰ মাজেৰে নিজকে চিনি পাবলৈ চেষ্টা কৰোঁ।

মহৰ্ষি টলষ্টয়ৰ ঋষিৰ দৰে জীৱনৰ আঁৰৰ কথাবোৰে মানসিক ভাৱে সাহস দিয়ে। ঘৰৰ দাসবোৰক বন্দীত্বৰ জীৱনৰ পৰা মুকলি কৰি দি নিজকে মহামানৱৰ শাৰীলৈ উত্তৰণ ঘটাইছিল। টলষ্টয়ৰ জীৱনৰ প্ৰতিটো কথা, প্ৰতিটো কৰ্মই কেৱল মোৰ বাবেই নহয়, প্ৰত্যেকজন ব্যক্তিৰ জীৱনত ই অনন্য এক সেউজীয়া দলিল হৈ ৰ'ব।

বহুত বেছি অৰ্থৰে কাৰোবাক সহায় কৰিব নোৱাৰিলেও আমাৰ সীমিত উপাৰ্জনৰ পৰাই আৰ্তজনৰ বাবে কিছু সাহাৰ্য আগবঢ়াও। সংস্কৃতি আৰু শিক্ষাৰ ক্ষেত্ৰখনত উঠি অহা নৱপ্ৰজন্মৰ বাবে অৰিহণা দিবলৈ প্ৰয়াস কৰোঁ। সামাজিক গণ মাধ্যমত লগ পোৱা, মামুনুৰ দৰে বহুতো সন্তানৰ মাতৃ হৈছো। তেওঁলোকক আগুৱাই যোৱাৰ সঠিক পথ দেখুৱাইছো। দুখৰ খোলাত সোমাই নিজৰ সোণালী সময়বোৰ নিঃশেষ কৰিবলৈ বিচৰা মোতকৈ জ্যেষ্ঠ বহুকেইগৰাকী মাতৃ সদৃশ বাইদেউ বাস্তৱৰ পৃথিৱীৰ লগত চিনাকি কৰি দিছো। প্ৰতিভা আছে লিখিবলৈ সাহস নকৰা বহুকেইজনক কলম তুলি ল'বলৈ আগবঢ়াই আনিছো।

মই বহুত সংঘৰ্ষ কৰিছিলো মোৰ গাঁৱৰ সমাজখনৰ লগত। মামুনুৰে হঠাতে এৰি যোৱাৰ পিছত মই মোৰ কৰ্মক্ষেত্ৰলৈ যাবলৈ ওলাই গভীৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিলো। উদং কলিজাৰ ধপধপনি আৰু সমাজৰ এচাম শিক্ষিত পুৰুষ মহিলাৰ ভ্ৰূকুটি। মই স্কুল যোৱাৰ বাবে মোক বিদ্ৰূপ কৰিছিল। সিহঁতৰ কথাবোৰ আহি মোৰ কাণত পৰিছিল। মই বোলে ছোৱালীৰ কথা পাহৰি স্কুল যাব পৰা হ'লো। ৰঙীন কাপোৰ, মোৰ ওঠৰ হাঁহিটোৱে সিহঁতক কাঁইটৰ দৰে আঁচুৰিছিল। ময়ো দুখৰ সৈতে সহবাস কৰি কৰি উজাগৰী নিশা কটাই উদভ্ৰান্ত হৈছিলো। নিজক কষ্ট দিছিলো বহুত। অৱশেষত নিৰ্মল প্ৰভা বৰদলৈ বাইদেউ, মামনি বাইদেউ আৰু হোমেন বৰগোহাঞিৰ ছাৰৰ কিতাপৰ মাজত হেৰোৱা জীৱনটোৰ আঁত বিচাৰিছিলো। ক্ৰমশঃ মই নিজক শাসন কৰিব পৰা হৈছিলো। মোৰ প্ৰিয়জনক সজীৱ কৰি ৰাখিবলৈ মই কামৰ মাজত নিজক ডুবাই ৰাখিছিলো। স্কুলৰ পৰা অহাৰ পিছৰ সময়খিনিও মই নিজকে ব্যস্ত ৰাখিবলৈ দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীক পঢ়াবলৈ আৰম্ভ কৰিছিলো। এটি চতুৰ্থ শ্ৰেণীত পঢ়া কনমানিয়ে মাথোঁ এমাহৰ ভিতৰত তাৰ মাক-দেউতাকক হেৰুৱাই বধিৰ হৈ পৰিছিল। কণমানিটোক মই কথা পাতিবলৈ আকৌ শিকাইছিলো। এতিয়া যি প্ৰাণৱন্ত হৈছে। জীৱনৰ বাটত লগ পোৱা আনে তুচ্ছ জ্ঞান কৰা এনে বহু মানুহৰ মাজত জীৱনৰ প্ৰকৃত সংজ্ঞা বিচাৰি পাইছিলো। "বাটৰ দুবৰি বন গচকত পৰা তাৰো এটি পাতে দিয়ে সৰগৰ বতৰা।" (লক্ষ্মীনাথ বেজবৰুৱা)

মামুনুৰ অগস্তি যাত্ৰাই মোক শিকাইছিল জীৱনৰ প্ৰকৃত অৰ্থ। তাইৰ বাবে সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভা হৈছিল। মোৰ কণমানি জনীয়ে মোক শিকাইছিল মছজিদত আজানৰ শব্দ ভাঁহি আহোঁতে দুয়োহাত যোৰকৈ 'কৃষ্ণ' বুলি ক'বলৈ এই কৃষ্ণ শব্দটোত জীৱনৰ গভীৰতা ব্যাপ্ত হৈ আছে।

লিওটলষ্টয়ৰ 'আইভান ইলিচৰ মৃত্যু' নামৰ গল্পটোত ৰোগৰ যন্ত্ৰণাত কাতৰ হৈ আইভান ইলিচে জীয়াই থকাৰ তীব্ৰ আকাংক্ষাত নিজৰ অতীত জীৱনটো পৰীক্ষা কৰি চাবলৈ মন গৈছিল। ঠিক সেইদৰে জীৱনত মই ইতিমধ্যে পাই অহা মোৰ সন্তানৰ কৃতকাৰ্যতা আৰু সজ আচাৰ ব্যৱহাৰ আৰু মধুৰ বাক্যালাপ মোৰ বৰ্তমানৰ জীয়াই থকাৰ মূলধন। মাত্ৰ ১৪ বছৰ আঠ মাহ এই পৃথিৱীত থাকি মোক দি যোৱা প্ৰাপ্তিবোৰেই মোৰ বৰ্তমানৰ কৰ্মপ্ৰেৰণা। জীৱনক দুখৰ সৈতে সহবাস কৰিও অনুপম বুলি আজি ক'ব পাৰোঁ। সমাজৰ এচাম ব্যক্তিৰ ঋণাত্মক বাৰ্তাই মোক প্ৰকৃততে সাহস দিলে। মই এগৰাকী পত্নী, এগৰাকী মাতৃ হিচাপে দুখৰ অগ্নিবীৰ্যত নিজকে সেকি সমাজৰ প্ৰতাৰণাৰ 'জতুগৃহৰ' পৰা ওলাই আহিবলৈ সক্ষম হ'লো। দুখবোৰ আজিও একে আছে, মাথোঁ স্থান সলনি হৈছে। প্ৰতিটো সূৰ্যোদয় মোৰ বাবে দুখৰ মাজৰ নৱকিৰণ। মোৰ স্কুল চৌহদত অৰ্থাৎ মোৰ কৰ্ম জীৱনৰ স্থলী সেই বিদ্যালয়ৰ মন্দিৰ প্ৰাংগনত প্ৰৱেশ কৰাৰ লগে লগে কণমানিহঁতৰ খিলখিল হাঁহিৰ শব্দত মই এজাক কুঁহুমীয়া ৰ'দৰ উত্তাপত বিগলিত হওঁ। মই মোৰ কৰ্ত্তব্যত নিজক নিয়োজিত কৰি উজাগৰী নিশাৰ বেদনাবোৰক সংগোপনে নিচুকাব পাৰোঁ সাহসেৰে, জীৱনক ভাল পোৱা অনুপম বৰ্ণমালাৰ সৈতে মই আগবাঢ়ি যাওঁ এনেকৈয়ে প্ৰতিনিয়ত ভাগৰি নপৰো কেতিয়াওঁ।

উপসংহাৰ ঃ - মহীয়সী নাৰী হেলেন কেলাৰে কৈছিল "The best and the most beautiful things in the world can not be seen, ever touched, they must be felt with the heart, it is Love".

এই মহীয়সী গৰাকীক জীয়াই তুলিলে মানৱ দৰদী মহিলা মিছ চুলিভানে। লেৰেলি যোৱা বৃক্ষৰ পুলিটিক তেওঁ প্ৰেমৰ আলফুল স্পৰ্শৰে সেউজীয়া কৰিলে। যাদৱ পায়েং মানৱতাৰ এক জীৱন্ত উদাহৰণ। অৰণ্যৰ সেউজীয়াৰ মাজত বিচাৰি পাইছে জীৱনৰ প্ৰকৃত সত্য। প্ৰিয় নাৰী ফাগুনীয়াৰ বাবেই দশৰথ মাজিয়ে ভালপোৱাৰ বাট কাটি উলিয়াইছিল। পাষাণ শিলবোৰে তেওঁৰ কৰ্ত্তব্যৰ পথত বাধা দিব পৰা নাছিল। ২২ বছৰৰ অক্লান্ত সাধনাৰে পাহাৰ কাটি কাটি উলিয়াইছিল ৩৬০ ফুট দীঘল, ২৫ ফুট গভীৰ আৰু ৩০ ফুট বহল বাট। ভালপোৱাই অসাধ্য সাধন কৰাত

প্ৰেৰণা দিয়ে অহৰহ প্ৰিয়জনক।

পলক মুচ্চল নামৰ ২৯ বছৰীয়া যুৱতী গৰাকীয়ে গানৰ মাজেৰেই অসংখ্যজনৰ কলিজাৰ উশাহ ওভোটাই আনিছে। মধ্যপ্ৰদেশৰ প্ৰশান্তগাৰে হাত নোহোৱা মানুহক কৃত্ৰিম হাত সংৰোপন কৰাই জীৱনক মোহনীয় ৰূপত স্বীকাৰ কৰিছে। বৰ্ত্তমানলৈকে এই হৃদয়বান যুৱকজনে ১৫০০ মানুহক কৃত্ৰিম হাত দি হাঁহিবলৈ শিকাইছে।

নীলপৱন বৰুৱাই প্ৰেমৰ বন্দৰত আবদ্ধ কৰি দীপালি বাইদেউক প্ৰতিটো পুৱাই কঁপালত আঁকি দিছিল প্ৰতিশ্ৰুতিৰ ৰঙা বেলিটো।

"মানৱতাৰ পূজাৰী আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি আব্ৰাহাম লিংকনে তেওঁৰ পিতৃ যে এজন মুচী আছিল সেই কথাটো লৈ তেখেতে গৰ্ববোধ কৰিছিল।" মাদাৰ টেৰেছাৰ মানৱতাবোধৰ সংজ্ঞাক সাগৰৰ গভীৰতাৰে ছাগে জুখিব নোৱাৰি। ষ্টিফেন হকিং মানৱ সভ্যতাৰ অবিস্মৰণীয় বিজ্ঞানীজনাই ৭৬ বছৰীয়া জীৱনৰ প্ৰায় ৫০ বছৰ মৃত্যুক লাজ দি জীয়াই আছিল। কল্পনা কৰিও তেওঁৰ দেহটোৰ দুৰৱস্থাৰ ছবিখন অনুভৱ কৰিব নোৱাৰি। জুখিব নোৱাৰি জীৱনীশক্তি, ইচ্ছাশক্তিৰ দীঘ-বাণি। তেওঁ জীৱনক প্ৰদান কৰি গ'ল এক নতুন সংজ্ঞা।

জীৱনক বয়সেৰে নহয়, কামেৰে জুখি থৈ গ'ল বহুকেইজন মহান-মহীয়সীয়ে। জয়মতী কুঁৱৰী, আজলী তৰা নেওগ, কনকলতা, চুতীয়া ৰাণী সাধনী, আনন্দৰাম ঢেকিয়াল ফুকন, আনন্দৰাম বৰুৱা, স্বামী বিবেকানন্দ, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আদি অসংখ্য জনে নিজৰ কৰ্মৰ চানেকি ৰাখি থৈ গ'ৰুল।

টমাছ আলভা এডিছনে গোটেই জীৱন ধৰি তিল তিলকৈ গঢ়ি লোৱা অমূল্য গৱেষণাগাৰটো যেতিয়া জুইয়ে চাৰখাৰ কৰি পেলাইছিল তেওঁৰ চকুৰ সন্মুখত, সেই ভয়ংকৰ দৃশ্য দেখি তেওঁ হতাশা আৰু যন্ত্ৰণাত ভাগি পৰাৰ পৰিৱৰ্তে এডিছনে জীৱনটো নতুনকৈ আৰম্ভ কৰাৰ সুযোগ বুলিহে গ্ৰহণ কৰিলে। তেওঁ কৈছিল, "জুইয়ে তেওঁৰ গৱেষণাগাৰটো পুৰি ছাই কৰা নাই; জুইয়ে পুৰি ছাই কৰিলে তেওঁৰ অতীতৰ ভুলবোৰহে।" টমাচ আলভা এডিছনৰ দৰে মহান ব্যক্তিৰ কৰ্ম প্ৰেৰণাই জীৱনক আলোকিত কৰি শ্ৰেষ্ঠ শিক্ষা লাভৰ সুযোগ দিয়ে।

ঊনৈশ শতিকাৰ বিখ্যাত ইংৰাজ লেখক ছাৰটমাছ কাৰ্লাইলৈ বহু বছৰ ধৰি অসীম কষ্টেৰে লিখা ফৰাচী বিপ্লৱৰ বৃহৎ বুৰঞ্জীখন তেওঁৰ বন্ধু জন ষ্টুৱাৰ্ট মিলৰ ভুলৰ বাবে এজন লগুৱাই পেলনীয়া কাগজ বুলি জুইত পুৰি পেলাইছিল। এই খবৰটোৱে তেওঁক বিচলিত কৰিব নোৱাৰিলে। কামৰ মাজতেই জীৱনৰ চৰম আনন্দ আৰু সাৰ্থকতা বিচাৰি পোৱা কাৰ্লাইলে হতাশাত ভাগি নপৰি ফৰাচী বিপ্লৱৰ বুৰঞ্জী পুনৰ লিখিবলৈ আৰম্ভ কৰিলে আৰু লিখি শেষো কৰিলে। নিপুণ গদ্য শিল্পী কাৰ্লাইলে ফৰাচী বিপ্লৱৰ অলেখ ঘটনা আৰু চৰিত্ৰক কেৱল ভাষাৰে যাদুৰে জীৱন্ত কৰি তুলিছিল।

বিখ্যাত লেখক নোবেল বঁটা বিজয়ী আৰ্ণেষ্ট হেমিংৱে কৈছিল "A man can be destroyed but not defeated" আজিও তেখেতৰ অনন্য গ্ৰন্থ "The old man and the sea য়ে পাঠকক হাত বাউল মাতে। য'ত আছে জীৱন জীয়াৰ অনন্ত সাধনা। বৃদ্ধ চান্টিয়াগোৰ মাজত সেই সাধনা তেওঁ অনন্যভাৱে ৰোপন কৰিছে। সেয়া ছাগে জীৱনক ভাল পোৱাৰ এক অনুপম দৃষ্টান্ত।

মাইকেল এঞ্জেলোৱে তেখেতৰ চনেটৰ মাজেৰে কৈ গৈছে- "নিজৰ বিষয়ে ইমান উচ্চ ধাৰণা আগতে মোৰ নাছিল। কিন্তু এতিয়া তোমাৰ প্ৰেম মোৰ জীৱনৰ পাথেয়। সেইবাবে এতিয়া মোৰ আত্মাভিমান অতি উচ্চ। মই যেন এটুকুৰা খহটা পাথৰ, কিন্তু মোৰ গাত যেন এটুকুৰা জিলমিলীয়া বাখৰ চিকুনকৈ পতাই দিয়া হৈছে।

শাক্যমুনি গৌতম বুদ্ধই কোৱাৰ দৰেই আমি নিজৰ নিজেই সহায় হোৱা উচিত। মই আৰু মোৰ ছাঁটো যেন এটা আনটোৰ পৰিপূৰক হৈ থাকে। পৃথিৱীৰ সকলো মানুহেই ৰহস্যৰ গহ্বৰত নিজৰ শৰীৰ বিশেষকৈ মনটোক আবদ্ধ কৰি ৰাখে। হয়তো একেলগে বাস কৰা দুজন ব্যক্তিৰ মাজতো থাকি যায় এটা বিৰাট গেপ ...।

জীৱনক অনিন্দ্যসুন্দৰ ৰূপত প্ৰতিফলিত কৰি যোৱা নীলা বাইদেউৱে জীৱন জীৱন বৰ অনুপমৰ শেষ অধ্যায়ত লিখিছে, "শান্ত সুৰৰ মাজতে অৰণ্যৰ ছবিৰ মাজতে মোৰ এতিয়া বানপ্ৰস্থ। মই বাস কৰো অন্তৰৰ গুহাৰ ভিতৰত। মই আটাইকে লগ পাওঁ। কিন্তু নিজক লগ পাবলৈ চেষ্টাহে কৰি থাকোঁ। নাজানো এই প্ৰাপ্তি কেতিয়া।"

জীৱনক প্ৰাপ্তিৰে নুজুখি কৰ্মেৰে আগুৱাবলৈ মাথোঁ অহৰহ প্ৰয়াস কৰিছো।

"এন্ধাৰে এন্ধাৰে এটি জোনাকী
উৰি আহি মোৰ বুকুত শুলে।
তোমাৰ কথা ভাবিলে আকাশত
নিৰলে এটা তৰাফুল ফুলে। " (হীৰুদা)

লেখাটো প্ৰস্তুত কৰোতে নীলা বাইদেউ, মামনি, বাইদেউ আৰু বৰগোহাঞি ছাৰৰ গ্ৰন্থৰ সহায় লৈছো।



# আপোনাৰ জীৱনৰ চিন্তা, কৰ্ম আৰু মতাদৰ্শ ঃ চৰ্চা আৰু প্ৰয়োগ

**মাদিৰাম পাংগিং**

এজন লোকৰ ভাগ্য অৰ্থাৎ সাধাৰণ ব্যক্তিৰ পৰা অসাধাৰণ ব্যক্তিৰূপে কিহে সলনি কৰিব পাৰে? ইয়াৰ উত্তৰ প্ৰত্যেকৰে সুকীয়া সুকীয়া হ'ব পাৰে। কিন্তু মানুহৰ সৎ চিন্তা, সৎ কৰ্মই মানুহক মহান কৰিব যে পাৰে - ই সত্য।

জগতৰ চাৰি মুঠি জীৱন (উৰণ, বুৰণ, গজন, ভ্ৰমণ) সৃষ্টিকৰ্তা একমাত্ৰ ঈশ্বৰ কৃষ্ণ ভগৱন্ত। এই চাৰিমুঠি জীৱৰ ভিতৰত মনুষ্যকে শ্ৰেষ্ঠ জীৱ বুলি কোৱা হয়। কাৰণ মনুষ্যই ইতৰ প্ৰাণীতকৈ এটা অতি উত্তম গুণৰ অধিকাৰী হৈ মৰ্ত্যত জন্ম লাভ কৰে - সেয়া হৈছে বিবেক বা চিন্তা কৰিব পৰা শক্তি। এই চিন্তা শক্তিৰ সহায়তে মানুহে সংযত জীৱন-যাপন কৰাৰ উপৰিও জীৱনৰ সদ্‌গতিৰ অৰ্থে হৰি ভক্তি কৰি মনুষ্য জনম সাৰ্থক কৰিব পাৰি। কিন্তু এই চিন্তা হ'ব লাগিব আধ্যাত্মিক চিন্তা। সকলো জীৱৰে প্ৰতি মান্য অনুসাৰে মৰম চেনেহ শ্ৰদ্ধা ভক্তি, সহায়-সহানুভূতি প্ৰদৰ্শন কৰা তথা মানবীয় আচৰণ কৰাই আধ্যাত্মিকতা।

মানুহ সামাজিক প্ৰাণী। সমাজ অবিহনে কোনো মানুহ জীয়াই থকাটো সম্ভৱ নহয়। সকলোকে অৰ্থপূৰ্ণ জীৱন উপভোগ কৰিবলৈ আৰু প্ৰজাতিৰ পথত আগবাঢ়ি যাবলৈ

এখন সুস্থ সমাজৰ প্ৰয়োজন। এখন সুস্থ শান্তিপূৰ্ণ প্ৰগতিশীল সমাজ বৰ্তাই ৰাখিবলৈ সমাজৰ প্ৰতিগৰাকী ব্যক্তি সুস্থ মানসিকতা আৰু নৈতিক তথা সৎচৰিত্ৰৰ অধিকাৰী হোৱাটো নিতান্তই বাঞ্ছনীয়। অনৈতিক দুৰ্নীতি পৰায়ণ তথা অসৎ চৰিত্ৰৰ ব্যক্তি সুস্থ সমাজৰ বাবে বৰ্জনীয়। সেয়েহে সমাজৰ শান্তি, উন্নতি আৰু প্ৰজাতিৰ অৰ্থে প্ৰতিঘৰ মানুহ তথা প্ৰতিজন যুৱক-যুৱতি, পিতৃ-মাতৃ, ভাই-ভাতৃ সমাজ সচেতন আৰু আধ্যাত্মিক ভাবৰ হব লাগিব।

ভৱিষ্যতৰ আশা ভাৰসাৰ থল স্বৰূপ উত্তৰ পুৰুষক এক সুস্থ বাতাৱৰণৰ মাজেদি সু-নাগৰিক কৰি গঢ়ি তোলা আৰু সমাজৰ প্ৰয়োজনীয় মানৱ সম্পদ সৃষ্টি কৰাটো সকলো অনুষ্ঠানৰে গুৰি ধৰোঁতা সকলৰ দায়িত্ব আৰু কৰ্তব্য। এনে দায়িত্ব আৰু কৰ্তব্য সততাৰে পালন কৰিবলৈ আধ্যাত্মিক জ্ঞান আৰু একাত্মবোধৰ প্ৰয়োজন। সকলোৰে আত্মা একেজন ঈশ্বৰৰ অংশ বুলি জানি সকলোকে আপোন জ্ঞান কৰি নিঃস্বাৰ্থভাৱে সেৱা কৰাই ধৰ্ম।

শাস্ত্ৰৰ উত্তম ভাগৱতৰ উপদেশত কোৱা হৈছে - 'যত দেখা ভূত প্ৰাণী সবে বিষ্ণুহেন মানি হিংসা এৰি কৰা উপকাৰ।'

শোষণ, উৎপীড়ন, দুৰ্নীতি, স্বাৰ্থপৰতাই হিংসাকে সূচায়। এই বিলাকৰ পৰাই সমাজৰ শান্তি আৰু প্ৰগতিত বাধা আহি পৰে। উচ্চ-নীচ, জাতি ভেদ আদি সমাজৰ প্ৰগতিৰ হেঙাৰ স্বৰূপ হয়। আধ্যাত্মিক ভাৱৰ মানুহে এনে সমাজবিৰোধী আচৰণ কৰিব নোৱাৰে। আধ্যাত্মিক আচৰণে মানুহক সাধু-সন্ত মহাসন্তলৈ উত্তৰণ ঘটায়। সমস্ত প্ৰাণীতে ঈশ্বৰ আছে বুলি মানি উপকাৰ তথা সেৱা কৰাই ঈশ্বৰ সেৱা। এই সেৱাই প্ৰকৃততে মানৱ ধৰ্ম। এনে সেৱাৰ জৰিয়তেহে সমাজক সঠিক পথত আগবঢ়াই নিব পাৰি।

পঞ্চদশ শতিকাত আমাৰ অসমত মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱ গুৰুজনাৰ আবিৰ্ভাৱ হৈছিল সেই সময়ত সমাজৰ অৱহেলিত ঘৃণিতসকলৰ উদ্ধাৰৰ হেতুকে। এক বিজ্ঞানসন্মত প্ৰণালীৰে ছিন্ন ভিন্ন ভাৱৰ মানুহবিলাকক জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে জাতি জনজাতি সকলোকে অন্তৰত সম-মৰ্যদা আৰু পাৰস্পৰিক বিশ্বাসৰ ভাৱ জগাই তুলিবৰ অৰ্থে এক সাৰ্বজনীন অনুষ্ঠান সৃষ্টি কৰিলে। যাক নামকৰণ কৰা হ'ল নামঘৰ। ঈশ্বৰৰ নামত জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সকলোৰে অধিকাৰ আছে। নামঘৰত নাম লবলৈ, একেলগে বহিবলৈ, খাবলৈ সকলোকে সমতা প্ৰদান কৰা হ'ল কাৰণ ঈশ্বৰ সকলোৰে।

সকলোৰে হৃদয়ত একেজন ঈশ্বৰে জীৱ অংশে প্ৰৱেশ কৰি চৈতন্য শক্তি প্ৰদান কৰি আছে। এতেকে মানুহৰ মাজত জাতিভেদ, উচ্চ-নীচ ভাৱ থাকিব নোৱাৰে।

কিন্তু অতি দুখজনক আৰু দুৰ্ভাগ্যৰ কথা যে সাম্প্ৰতিক কালত শিক্ষানুষ্ঠান আৰু শিক্ষিতৰ সংখ্যা বাঢ়িছে, ধৰ্মানুষ্ঠান, অৰ্থনৈতিক আৰু ৰাজনৈতিক বিভাগবোৰ হৈছে। কিন্তু সামাজিক সমস্যা সমাধানকাৰী যোগ্য নেতৃত্বৰ অভাৱত, বিশেষকৈ স্বাৰ্থপৰ আৰু দুৰ্নীতিপৰায়ণ অযোগ্য লোকৰ হাতত সমাজৰ দায়িত্ব পৰাত বৰ্তমান সমাজ এক পঙ্গু অৱস্থাপ্ৰাপ্ত হৈছে। তথাকথিত শিক্ষাৰে শিক্ষিত হলেও আধ্যাত্মিক জ্ঞানৰ অভাৱত পৰি শিক্ষিত চামৰ অধিকাংশই ভোগবাদী চিন্তা আৰু কামত ব্যস্ত। সাজপোচাক, ঘৰ-দুৱাৰ, গাড়ী-মটৰ, আলি-পদুলিৰ ক্ষেত্ৰত উন্নতি হৈছে। কিন্তু আধ্যাত্মিক জ্ঞান আৰু অন্তৰ্মুখী চিন্তাৰ অভাৱত আধুনিক শিক্ষা উৎপাদিক সামগ্ৰী তথা উপাৰ্জিত ধনৰ অপ-প্ৰয়োগ হৈছে। হত্যা, ধৰ্ষণ, লুণ্ঠন, উৎপীড়ন, ৰাজহুৱা ধন আত্মসাৎ অপহৰণ আদি ঘটনাবোৰ সমাজৰ অনিষ্টকাৰী ব্যক্তিসকলৰ দ্বাৰা সংঘটিত হৈ আহিছে। এই ধৰণৰ সামাজিক ব্যাধিবোৰৰ মূল কাৰণ হৈছে আধ্যাত্মিক আৰু নৈতিক স্খলন। ন্যায়ালৰ বিচাৰ তথা শাস্তি বিধানে এই ব্যাধিবোৰৰ স্থায়ীভাৱে নিৰ্মূল কৰা সম্ভৱ নহয়। কাৰণ চৰিত্ৰৰ পৰিবৰ্তন সাধিবলৈ হৃদয়ৰ পৰিবৰ্তন কৰিব লাগিব আৰু হৃদয়ৰ পৰিবৰ্তন সাধিবলৈ আধ্যাত্মিক জ্ঞানৰ অনুশীলন লাগিব।

সামাজিক ব্যাধিৰ মূলতে হ'ল আধ্যাত্মিকতাহীন মানুহবিলাক। তেনে মানুহে পাপ, পুণ্য, নৈতিকতা আদি কথাবোৰ বুজি নাপায়। পাপসমূহ দূৰ কৰা আৰু এনে পাপৰ পৰা মানুহক আঁতৰাই ৰখাৰ উপায় একমাত্ৰ ঈশ্বৰ বিশ্বাস সৎ বা সাধু সঙ্গত সদালাপ, ভগৱন্তৰ গুণ নাম শ্ৰৱণ-কীৰ্ত্তন আৰু ঈশ্বৰৰ কৃপা লাভৰ বাবে তেওঁৰ বাণী পালন কৰি কৰ্ম কৰা। মহাপুৰুষ মাধৱদেৱে উপদেশ দি কৈছে -

শুনা সভাসদচয় নেৰিবা শাস্ত্ৰৰ নয়
হৰিগুণ ভাগৱত সাৰ।
সাধুসঙ্গ অনুসৰি শ্ৰৱণ কীৰ্ত্তণ কৰা
পৰিহৰা পাষণ্ড আচাৰ।। (নামঘোষা)

মহাপুৰুষসকলৰ আধ্যাত্মিক বাণী (উপদেশ) সমূহৰ সম্যক অধ্যয়ন, আলোচনা উপলব্ধি আৰু ব্যক্তি জীৱনত প্ৰয়োগ কৰিলেহে বা মানি চলিলেহে আধ্যাত্মিক জ্ঞানৰ সুফল লাভ কৰিব।

সাম্প্ৰতিক কালৰ সমাজবোৰত সৃষ্টি কৰা উচ্ছৃংখলতা আৰু অশান্তিৰ বাবে জেষ্ঠসকলে যুৱক-যুৱতীসকলক দোষাৰোপ কৰা হয়। কিন্তু বিজ্ঞানসন্মতভাৱে চিন্তা কৰিলে সামাজিক উচ্ছৃংখলতাৰ দোষৰ ভাগ জেষ্ঠসকলৰো কম নহয়। জ্যেষ্ঠসকলে বিশেষকৈ পিতৃ-মাতৃ আৰু শিক্ষকসকলে শিশুসকলক যি শিক্ষা দিয়ে তাকেহে পৰৱৰ্তী সময়ত প্ৰকাশ পায়। আধ্যাত্মিক জ্ঞান সম্পন্ন ভকতীয়া পিতৃ-মাতৃয়ে জন্ম দিয়া সন্তান উদণ্ড বা উচ্ছৃংখল কেতিয়াও নহয়। বেয়া অসুস্থ পৰিৱেশে দুই-একক প্ৰভাৱান্বিত কৰিব পাৰে। সেইদৰে শিক্ষানুষ্ঠান বিলাকত মানৱ সম্পদ গঢ় দিয়াত দায়িত্ব প্ৰাপ্ত গুৰুসকল সৎ আদৰ্শৱান আৰু আধ্যাত্মিক গুণ সম্পন্ন হলে অনুকৰণ প্ৰিয় শিক্ষাৰ্থী বা প্ৰশিক্ষাৰ্থী সকলো তেনে বিলাক গুণেৰে বিভূষিত কৰি সমাজৰ প্ৰয়োজনীয় নৈতিক চৰিত্ৰ সম্পন্ন আৰু সবল ব্যক্তিত্বৰ অধিকাৰী মানৱ গঢ়িব পাৰে।

সাম্প্ৰতিক কালত আধ্যাত্মিক আৰু নৈতিক বিষয় জড়িত থকা জন্মজয়ন্তী, ৰূপালী জয়ন্তী, সোণালী জয়ন্তী অধিবেশন উৎসৱবিলাকত যথেষ্ট সময়, অৰ্থ আৰু কায়িক শ্ৰমদান দিয়া হয়। উদ্দেশ্য মহান আৰু সৎ ব্যক্তিৰ সমাবেশত সামাজিক উন্নতিমূলক সৎ কথাই আলোচনা হয়। অশেষ কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি উদ্‌যাপন কৰা উৎসৱ আৰু সভা-সমিতি, আলোচনা চক্ৰতো সহযোগ কৰা সাধু, সন্ত মহন্তসকলৰ অমৃতবাণী উদ্যোক্তাসকলে আন্তৰিকতাৰে গ্ৰহণ কৰি ব্যক্তিগত আৰু সামাজিক জীৱনত প্ৰয়োগ কৰিলেহে কষ্ট আৰু অৰ্থ ব্যয় সাৰ্থক হব। গান্ধী জয়ন্তী উদ্‌যাপন কৰা সকলে যদি সত্য আৰু অহিংসাৰ আদৰ্শ দেখুৱায়, জ্যোতি-বিষ্ণুক স্মৰণ কৰা সকলে যদি কৃষ্ণ-সংস্কৃতি গ্ৰহণ আৰু প্ৰচাৰ কৰে শংকৰদেৱ-মাধৱদেৱৰ আৰ্বিভাৱ মহোৎসৱ পতাসকলে যদি এক শৰণ হৰিনাম ধৰ্মৰ তথা হৰি নামৰ মাহাত্ম্য উপলব্ধি কৰি গ্ৰহণ পালন আৰু প্ৰচাৰ কৰে তেতিয়া সমাজৰ ব্যাধিবোৰ আপোনা-আপুনি দূৰ নিশ্চয় হব, লাগে মাথো হৃদয়বোৰ সৎ গুণেৰে সোণালী কৰাৰ প্ৰয়াস।

সুস্থ মনৰ ব্যক্তিৰ দ্বাৰা গঠিত সমাজেই সুস্থ সমাজ। সুস্থ সামাজিক পৰিৱেশতহে মানৱতাবাদী উত্তৰ পুৰুষ তথা প্ৰকৃত দেশসেৱকৰ সৃষ্টি হয়। জীৱ শ্ৰেষ্ঠ মানুহ হিচাপে দেশ জাতি তথা মানৱ সেৱা আৰু প্ৰাণী সেৱাৰ কাৰণে প্ৰতিজন ব্যক্তি কায়িক, মানসিক আৰু আধ্যাত্মিকভাৱে সুস্থ হোৱাটো নিতান্তই প্ৰয়োজন। সাম্প্ৰতিক কালত ঘটা অপকৰ্মসমূহ সৃষ্টিৰ মূলতে হ'ল আধ্যাত্মিক চিন্তা চৰ্চাৰ অভাৱ। সেয়েহে সকলো সুস্থ মনৰ ব্যক্তি একত্ৰিত হৈ একক শক্তিৰে এখন সুস্থ সমাজ গঢ়ি তোলাটো আমাৰ নৈতিক কৰ্তব্য।

আমাৰ দেশ, জাতি তথা সমাজখনৰ প্ৰতি আমি প্ৰতিজনেই দায়বদ্ধ। প্ৰত্যেকৰে প্ৰচেষ্টাতহে সমাজত এক শান্তিময় পৰিবেশ বৰ্তি থাকে। বিজ্ঞানসন্মত চিন্তা প্ৰসুত আঁচনিৰে নিজ নিজ পৰিয়াল গঢ়ি তুলিব লাগিব আৰু সমসাময়িক ভাৱে বৃহত্তৰ সামাজিক পৰিৱেশ গঢ়ি তুলিবৰ বাবে দায়িত্বও কান্ধ পাতি লব লাগিব। এনে মানসিক প্ৰস্তুতিৰ কাৰণেও প্ৰতি ব্যক্তিৰে আধ্যাত্মিক ভাৱনাৰ প্ৰয়োজন। সুদৃঢ় ঈশ্বৰ বিশ্বাস আৰু শাস্ত্ৰৰ উত্তম গীতা-ভাগৱত অধ্যয়নৰ যোগে জীৱন পথত খোজ দিবলৈ গুৰুসকলে পথ দেখুৱাই গৈছে। সেই পথ অনুসৰণ কৰিলেহে এখন পৰম শান্তিময় আনন্দময় সমাজ গঢ়িব পৰা হব। মহাপুৰুষ মাধৱদেৱে লেখিছে - 'আনহাতে সবে মিছা ভক্তিৰ অভাবে' (নামঘোষা)। অৰ্থাৎ ঈশ্বৰৰ প্ৰতি-ভক্তিযুক্ত হৈ কৰা কৰ্মহে আচল ধৰ্ম।

ঈশ্বৰৰ প্ৰতি সুদৃঢ় বিশ্বাস আৰু ভক্তিৰ বলেৰে আত্মবোধ হয় অৰ্থাৎ নিজক চিনি পাব পাৰি। দেহ আৰু আত্মাৰ পাৰ্থক্য উপলব্ধি কৰিলে আত্মজ্ঞান বা আধ্যাত্মিক জ্ঞান লাভ হয়। সেয়ে সুস্থ সমাজ গঠনত আধ্যাত্মিকতাৰ প্ৰয়োজন অনস্বীকাৰ্য। আধ্যাত্মিক জ্ঞান অবিহনে মানুহৰ মনৰ তুষ্টি কোনো পাৰ্থিৱ সম্পদে সাধিব নোৱাৰে। পৰমেশ্বৰৰ প্ৰতি শ্ৰদ্ধাৱান আৰু ভক্তিৱান হলেহে মানুহে ইন্দ্ৰিয় সংযম কৰি কৰ্মতৎপৰতাৰে পৰম শান্তিৰ পৰিৱেশ ৰচনা কৰিব পাৰে। এনে এখন সুস্থ, শান্তিময় সমাজেহে ভৱিষ্যতৰ বাবে উত্তৰ পুৰুষক সুনাগৰিক তথা প্ৰকৃত ব্যক্তিত্ব সম্পন্ন দেশসেৱক তথা সমাজসেৱক হিচাপে গঢ়ি তোলাটো সম্ভৱ। ধন-সম্পদ, উচ্চ শিক্ষা আৰু পাণ্ডিত্যৰ লগত আধ্যাত্মিক জ্ঞানৰ সংযোগেহে প্ৰকৃত গণনেতা গঢ়ি তোলে। মহাত্মাসকলৰ জীৱন চৰিতে এই সত্যকে প্ৰতিপন্ন কৰে। সুনেতৃত্বৰ অভাৱত সমাজ আৰু দেশত বিশৃংখলতা আৰু অস্থিৰতাৰ সৃষ্টি হয়, সমাজ খণ্ড-বিখণ্ড হয়। আমাৰ অসমীয়া সমাজৰো তেনে অৱস্থাই হৈছে। সেয়েহে মহাপুৰুষ শঙ্কৰদেৱে দি যোৱা গীতা-ভাগৱত, কীৰ্ত্তন-ঘোষাৰ বাণীসমূহ তথা একশৰণ নামধৰ্মৰ অনুগামী হৈ আধ্যাত্মিক উপলব্ধিৰে এখন সুস্থ সমাজ গঢ় দিয়াত আত্মনিয়োগ কৰাটো জীৱশ্ৰেষ্ঠ প্ৰতিজন মানুহৰে কৰ্তব্য হোৱা উচিত।

*(প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা বয়োজ্যেষ্ঠ প্ৰতিযোগী)*



# নাৰীৰ সাহিত্য চৰ্চাৰ উত্তৰণত সামাজিক মাধ্যমৰ ভূমিকা


ৰূপজ্যোতি গগৈ

**আৰম্ভণি ঃ**

নাৰী হ'ল এখন দেশ, এটা জাতিৰ ভৱিষ্যত। নাৰীয়ে এখন সমাজক প্ৰতিনিধিত্ব কৰে। পণ্ডিত জৱাহৰলাল নেহৰুৱে মন্তব্য দিছিল যে 'এজন ল'ৰাক শিক্ষা দিয়া মানে এজন পুৰুষক শিক্ষিত কৰি তোলা, কিন্তু এজনী ছোৱালীক শিক্ষা দিয়া মানে হ'ল এটা পৰিয়ালক শিক্ষিত কৰি তোলা। ভাৰতীয় সমাজত স্ত্ৰী-শিক্ষা অতীজৰ পৰা চলি আহিছে যদিও নাৰীৰ প্ৰস্থিতি সময়ে সময়ে নিম্নগামী হোৱা দেখা যায়। নাৰীসকল সমাজৰ কিছুমান অপশক্তি যেনে- কু-সংস্কাৰ, অন্ধ-বিশ্বাস, ধৰ্মীয় গোড়ামী, সংকীৰ্ণতা, পৰ্দাপ্ৰথা, যৌতুক প্ৰথা, বাল্য বিবাহ আদিৰ দৰে ৰক্ষণশীল সামাজিক প্ৰথাৰ বলি হৈ আহিছে। সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, ধৰ্মীয় আদি দিশতো পুৰুষ আৰু নাৰীৰ মাজত ব্যৱধান আছে। যাৰ বাবে এই দিশবোৰত নাৰীসকল পুৰুষৰ ওপৰত নিৰ্ভৰশীল। বৰ্তমানে নাৰীজাতিৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে কৰা কাৰ্যপন্থাই এক নতুন দিগন্তৰ সূচনা কৰিছে। নাৰীৰ উত্তৰণৰ ক্ষেত্ৰত লোৱা গঠনমূলক কাৰ্যসূচীয়ে সময়ৰ লগত খোজত খোজ মিলাব পাৰিছে।

**নাৰীৰ উত্তৰণৰ সম্পৰ্কে চমু আলোকপাত ঃ**

নাৰী সমাজক বাদ দি পৃথিৱীৰ কোনো দেশেই উন্নতিৰ পথত অগ্ৰসৰ হ'ব নোৱাৰে। নাৰী আৰু পুৰুষৰ উমৈহতীয়া চেষ্টাৰ ফলতহে দেশ প্ৰগতিৰ পথত আগুৱাই যাব পাৰে। পুৰুষতান্ত্ৰিক সমাজত নাৰী জাতিৰ ওপৰত কৰা শোষণ, নিষ্পেষণ, লাঞ্চনা আদি সমাজ জীৱনৰ অশুভ দিশ সমূহে নাৰীৰ সামাজিক উত্তৰণত হেঙাৰ ৰূপে থিয় দিছে যদিও চৰকাৰ



আৰু সমাজ সচেতক সকলৰ প্ৰচেষ্টাত সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, শিক্ষা, সাহিত্য, সাংস্কৃতিক আদি প্ৰতিটো দিশতে পুৰুষৰ সমানে অধিকাৰ প্ৰদান কৰিছে। বিদূষী-মহীয়সী নাৰী গাৰ্গী, মৈত্ৰেয়ী, বীৰাঙ্গনা মূলা গাভৰু, ঝান্সীৰ ৰাণী লক্ষ্মীবাঈ, ৰাজনীতিজ্ঞ সৰোজিনী নাইডু, বিজয়লক্ষ্মী পণ্ডিত, ইন্দিৰা গান্ধী, সাহিত্যিক মামনি ৰয়চম গোস্বামী, নিৰ্মল প্ৰভা বৰদলৈ, ছহিদ কনকলতা আদি নাৰী সকলে ইতিহাসৰ পাতত সদায় জ্যোতিস্কৰ দৰে জিলিকি আছে।

চৰকাৰে নাৰীৰ উত্তৰণৰ বাবে স্ত্ৰী-শিক্ষাৰ প্ৰতি গুৰুত্ব আৰোপ কৰিছে। বাধ্যতামূলক ছোৱালী শিক্ষা, ছাত্ৰী সকলৰ মাচুল ৰেহাই, প্ৰাথমিক শিক্ষাৰ সম্প্ৰসাৰণৰ কাৰণে অধিক শিক্ষয়িত্ৰী নিয়োগ, জলপানি ব্যৱস্থা আদিয়ে নাৰী উত্তৰণৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছে। ইয়াৰ উপৰি নাৰীৰ বাবে সুৰক্ষিত আসনো চৰকাৰে ব্যৱস্থা কৰিছে। নাৰী সকলে নিজৰ একান্তৰ প্ৰচেষ্টাৰে সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত পুৰুষৰ সমানে আগবাঢ়ি গৈছে।

নাৰীৰ উত্তৰণৰ ক্ষেত্ৰত কেৱল ভাৰতবৰ্ষতে নহয় সমগ্ৰ বিশ্বতে ইয়াৰ জাগৰণ সৃষ্টি হৈছে। আন্তৰ্জাতিক অনুভূতিক জাগৰণৰ বাবে ৰাষ্ট্ৰসংঘই ১৯৭৫ চনৰ পৰা ১৯৮৫ চনলৈকে নাৰী-দশক বুলি নিৰ্ধাৰণ কৰি এই বিশেষ বৰ্ষত লোৱা কাৰ্যসূচীৰ সংকল্পসমূহ কাৰ্যত পৰিণত কৰিব বাবে ৰাষ্ট্ৰসংঘই দহ বছৰ সময় সীমা নিৰ্ধাৰণ কৰিছিল। এই দহ বছৰে কেৱল নাৰীবৰ্ষৰ কাৰ্যসূচীৰ সিদ্ধান্তসমূহ লক্ষ্যত উপনীত হ'বলৈ গঠনমূলক আঁচনি হাতত লোৱা হৈছিল। ইয়াৰ উপৰি ১৯৭৫ চনৰ পৰা প্ৰতিবছৰে ৮ মাৰ্চ তাৰিখে নাৰীৰ স্বধিকাৰ আৰু মৰ্যাদা প্ৰতিষ্ঠাৰ বাবে 'আন্তৰ্জাতিক নাৰী দিৱস' হিচাবে পালন কৰা হয়। এই বিশেষ দিনটো সমগ্ৰ বিশ্বৰ লগতে ভাৰত তথা অসমতো উদযাপন কৰা হয়।

**নাৰীৰ সাহিত্য চৰ্চা ঃ**

সাহিত্য হৈছে একোখন সমাজৰ দাপোণস্বৰূপ। যি দাপোণত প্ৰতিফলিত হয় সেই সমাজৰ অতীত, বৰ্তমান আৰু ভৱিষ্যত। সেইখন সমাজৰ মানৱীয় প্ৰমূল্যবোধৰ এক চূড়ান্ত নিদৰ্শন লিখিত ৰূপত প্ৰকাশ কৰাৰ নামেই হ'ল - 'সাহিত্য'।

সাহিত্য হৈছে এক প্ৰকাৰৰ শিল্প। বিভিন্ন সময়ত এই শিল্পৰ যোগেদি পুৰুষৰ সমান্তৰালকৈ নাৰীয়ে সাহিত্য চৰ্চা কৰি আলোড়নৰ সৃষ্টি কৰিছে। ভাৰতীয় কিছুমান আন্দোলন বা আন কোনো বিপ্লৱ সূচনা কৰিবলৈ সাহিত্যৰ সহায় লয়। এই সময়ৰ সাহিত্য চৰ্চাৰ ক্ষেত্ৰত নাৰী সকল পুৰুষতকৈ কোনো গুণে কম নহয়।

অসমীয়া সাহিত্য ক্ষেত্ৰখনতো বহুতো মহিলা সাহিত্যিকে নিজৰ সাহিত্য সৃষ্টিৰ এক সুকীয়া স্থানত নিজকে প্ৰতিষ্ঠা কৰিছে। তেওঁলোকৰ ভিতৰত নলিনীবালা দেৱী, স্নেহ দেৱী, নিৰুপমা বৰগোহাঞি, মামনি ৰয়চম গোস্বামী আদি উল্লেখযোগ্য।

**নাৰীৰ সাহিত্য চৰ্চা উত্তৰণত সামাজিক মাধ্যমৰ ভূমিকাঃ**

বৰ্তমান সময় প্ৰযুক্তিবিদ্যাৰ যুগ। বৰ্তমান সময়ত নাৰী সমাজে ঘৰৰ ভিতৰতে আবদ্ধ নাথাকি নিজৰ হাতত থকা এনড্ৰইড মোবাইলটোৰ জৰিয়তে আখল, সাহিত্য, সাংস্কৃতিক আদি দিশসমূহৰ জড়িয়তে নাৰী যে কোনো গুণে কম নহয় সেই বিষয়ে সুন্দৰকৈ পৰিস্ফুত হৈছে।

নাৰী সকলে সামাজিক মাধ্যম যেনে 'Facebook', 'WhatsApp', 'Youtube' আদি যোগেদি বাস্তৱ জীৱনৰ অনুভূতি, মন-মগজু, হৃদয়ৰ পূৰ্ণ-অপূৰ্ণ, আশা-আকাঙ্খা, ভাৱনা আদি সমন্বয়ৰ মূৰ্ত প্ৰকাশ ঘটাব পাৰিছে। এই সামাজিক মাধ্যম সমূহৰ জৰিয়তে সাহিত্য চৰ্চা কৰি বহুতে জনপ্ৰিয়তা অৰ্জন কৰাৰ লগতে নিজৰ সৃষ্টি যেনে-কবিতা, গল্প, উপন্যাস আদিবোৰ



একক ৰূপত গ্ৰন্থ আকাৰে প্ৰকাশ কৰি সমাদৰ লাভ কৰিছে।

ছপা মাধ্যমত সাহিত্য চৰ্চা কৰাৰ ক্ষেত্ৰত বহুতো সমস্যা সন্মুখীন হ'ব লগা হয়। লেখনৰ নিম্নমানদণ্ড, সীমিত সংখ্যক লেখা আদিৰ প্ৰকাশৰ বাবে সকলোৰে লেখা প্ৰকাশ নহয়। সেইবাবে সামাজিক মাধ্যমত সাহিত্য চৰ্চা কৰাটো বৰ্তমানৰ প্ৰাসংগিক মাধ্যম। লেখক সকলে নিজৰ লেখাসমূহৰ তলত পঢ়ুৱৈ মন্তব্য পোনে পোনে পোৱাৰ বাবে আৰু লিখিবলৈ হাবিয়াস জাগে।

সামাজিক মাধ্যমৰ ভিতৰত Facebook ৰ জগতখনত সাহিত্য চৰ্চা কৰা বেছিকৈ পৰিলক্ষিত হয়। Facebookত বিভিন্ন 'গ্ৰুপ' (group) আৰু 'Page' সমূহত সাহিত্যৰ বিভিন্ন দিশ যেনে- কবিতা, চুটিগল্প, অনুগল্প, গল্প, উপন্যাস, স্তৱক, লিমাৰিক, ৰস-ৰচনা আদি সমূহ প্ৰকাশ কৰিছে। অনলাইন সাহিত্যানুষ্ঠান সমূহে বিভিন্ন সময়ত প্ৰতিযোগিতা আয়োজন কৰি লেখক সকলক সাহিত্য চৰ্চাৰ অনুৰাগ বৃদ্ধি কৰিছে।

সাহিত্যিক সকলে সামাজিক মাধ্যমত সাহিত্য চৰ্চা কৰাৰ দিশলৈ চাই বিভিন্ন অনুষ্ঠান (গ্ৰুপ) জন্ম হৈছে। ইয়াৰে ভিতৰত সদৌ অসম কবিচক্ৰ, প্ৰতিভা বিকাশৰ মঞ্চ, হৃদয়, অঙ্গন, সদৌ অসম কবি মঞ্চ, সাহিত্য সমদল, সাহিত্যৰ অন্বেষণ, নদী আৰু নাৰী, সদৌ কবি সন্মিলন, উত্তৰণ সাহিত্য মঞ্চ, মলিয়তা সাহিত্য সমাজ, অৰ্দ্ধ আকাশ আদি বহুতো অনুষ্ঠানত সাহিত্যিক সকলে আত্মপ্ৰকাশ কৰিছে। এই অনুষ্ঠান সমূহৰ ভিতৰত 'অৰ্দ্ধ আকাশ', 'নদী আৰু নাৰী' আদি অনুষ্ঠান সমূহ নাৰীকেন্দ্ৰিক ইয়াত বিশেষকৈ নাৰীক অগ্ৰাধিকাৰ দিয়া দেখা যায়। অনলাইন গ্ৰুপ সমূহত লাইভ (live) যুগে কবিতা, গল্প আদি পাঠ কৰি কেইবাগৰাকী মহিলা লেখকে জনপ্ৰিয়তা অৰ্জন কৰিছে।

মুঠৰ ওপৰত এটা কথা ক'ব পৰা যায় যে বৰ্তমান নাৰীসকলে সাহিত্যৰ পথাৰত নামিবলৈ সামাজিক মাধ্যম সমূহে বিশেষভাৱে দায়িত্ব বহন কৰিছে।

**সামৰণি ঃ**

সময় গতিশীল। সময়ৰ লগত আমি সকলোৰে আগবাঢ়ি যাবই লাগিব। এফালে আধুনিক অসমীয়া সাহিত্য সংকটৰ পথত যদিও আনফালে একাংশই অনলাইন মাধ্যমৰ জৰিয়তে সাহিত্যৰ এক নতুন ধাৰা সৃষ্টিৰ বিপুল যুদ্ধত ব্ৰতী হোৱাৰ লগতে নাৰীৰ সাহিত্য চৰ্চাও উত্তৰণ ঘটিছে। এটা জাতি আৰু এটা ভাষা জীয়াই ৰাখিবলৈ নতুন নতুন সাহিত্য সৃষ্টিৰ বাবে সামাজিক মাধ্যমৰ যোগেদি নাৰীসকল আগবাঢ়ি অহাটো সেই জাতি আৰু ভাষাৰ বাবে অহংকাৰৰ কথা।



# নাৰীৰ সাহিত্য চৰ্চাৰ উত্তৰণত সামাজিক মাধ্যমৰ ভূমিকা


## অভিনৱ হাজৰিকা


**আৰম্ভণিঃ**

"I would venture to guess that Anon, who wrote so many poems without singing them, was offen a women"

- Virginia Wolf

এখন সমাজৰ সুস্থ পৰিচালনা আৰু সৰ্বদিশত অগ্ৰগতিৰ হেতু নাৰীশক্তিৰ সৰ্বাংগীণ অংশগ্ৰহণ অনস্বীকাৰ্য। জীৱন আৰু জগতৰ সমূহ ৰহস্য তথা প্ৰাকৃতিক আৰু মানৱসৃষ্ট সমূহ নিয়মৰ সুচল ৰূপায়ন নাৰীশক্তিৰ অবিহনে অসম্ভৱ। সমাজৰ প্ৰতি নাৰীশক্তিৰো আছে সীমাহীন ভূমিকা। সমাজখনৰ প্ৰতিটো দিশত নাৰী আৰু পুৰুষ, ইটো সিটোৰ পৰিপূৰক।

কিন্তু, সমাজ বিশেষকৈ ভাৰতীয় সমাজ ব্যৱস্থাত বহুসময়ত নাৰীৰ প্ৰতি পক্ষপাতদুষ্ট আচৰণ কৰা দেখা যায়। ভাৰতীয় সমাজ পুৰুষতান্ত্ৰিক। পুৰুষৰ অবিহনে নাৰীৰ অস্তিত্ব এই সমাজত প্ৰাসংগিক নহয় বুলি ভৱা হয়। গাৰ্গী, মৈত্ৰেয়ীৰ দৰে দুই-একৰ বাদে শতাব্দীৰ পাছত শতাব্দীজুৰি নাৰীসকলৰ সমাজ ব্যৱস্থাত নিশ্চুপ অংশগ্ৰহণ সহজেই দৃশ্যমান। কিন্তু, এই অমানিশাৰ গধুৰ আন্ধাৰ ক্ৰমান্বয়ে আতৰিব ধৰিছে নতুন দিনৰ হাতবাউলত। অপসৃয়মান সেই পুৰাতন পুৰুষতন্ত্ৰ। তাৰ ঠাইত ৰূপে-গুণে অনুপমা বহু নাৰীৰ দৃষ্টান্তকাৰী কৃতি-কৰ্ম। সমাজৰ পিচফালৰ পৰা আগফাললৈ অহাৰ কচৰৎ কৰা নাৰীশক্তি এতিয়া শক্তিসম্ভূত, একক আৰু অনন্য। তাৰেই নিটোল চানেকি আজিৰ সময়ৰ সাহিত্য চৰ্চাত ধৰা পৰে। সমাজক

নিজৰ হাতেৰে গঢ়া নাৰীশক্তিৰ সাহিত্য চেতনা মূৰ্তমান বৈ উঠিছে Facebook আদিৰ দৰে সামাজিক মাধ্যমটো। তলত তাকে সুবিস্তৃত ৰূপত লিপিবদ্ধ কৰা হ'ল।

**<u>নাৰীৰ পৰিসৰঃ</u>**

এখন ঘৰৰ চাৰিবেৰৰ মাজত আৱদ্ধ হৈ ৰোৱা ভাৰতীয় নাৰীৰ জীৱন বহু ক্ষেত্ৰত পুৰুষতকৈ সীমাবদ্ধ। পুৰুষসকলে এমুঠি অন্নৰ সন্ধান কৰি বা উপাৰ্জনৰ পথ বিছাৰি বাহিৰত ঘূৰি ফুৰে, ঘৰখনৰ বাহিৰৰ পৰা কৰিবলগীয়া সমূহ দায়িত্ব মূৰ পাতি লয়-এয়ে ভাৰতীয় সমাজৰ পূৰ্বাপৰ লক্ষণ। সেয়ে পুৰুষসকলৰ জীৱনাভিজ্ঞতাও বিচিত্ৰ আৰু চহকী। কিন্তু, নাৰীৰ জীৱনৰ কক্ষপথ স্বামী, সন্তান তথা ঘৰৰ প্ৰয়োজন সমূহেই মাথোঁ। তেনেস্থলত, এগৰাকী নাৰীয়ে কিদৰে সাহিত্য চৰ্চা কৰিব পাৰে সেয়া লৈ অনেকৰ মাজত প্ৰশ্নবোধক উঠিব পাৰে। কাৰণ, সমাজ নেদেখাকৈ সাহিত্য চৰ্চা কৰা অসম্ভৱ। পিছে, আশাপূৰ্ণা দেৱী, মহাশ্বেতা দেৱী, কৃষ্ণা চৰতিৰ পৰা মেনেহ দেৱীলৈ অসংখ্য নাৰীয়ে সেই প্ৰশ্নৰ উত্তৰ দি গৈছে যে, ঘৰৰ চাৰিবেৰৰ মাজৰ পৰাও সমাজ বীক্ষণ আৰু পৰীক্ষণ সম্ভৱ, ঘৰৰ চাৰিবেৰৰ মাজতো অনুভৱ কৰিব পাৰি সমাজৰ সোপানে সোপানে লুকাই থকা দুখ, কষ্ট, হাঁহি আৰু বেদনাক - নীৰৱে, গুপুতে।

বৰ্তমান অৱশ্যে সেই সীমাবদ্ধতাও আঁতৰি গৈছে। নাৰী আজি সৰ্বত্ৰ বিদ্যমান। জীৱনাভিজ্ঞতাও সৰহ আৰু বৈচিত্ৰ্যময়। সমান্তৰালকৈ মাহিত্য চেতনাও স্পৰ্শকাতৰ আৰু সুতীব্ৰ।

**সামাজিক মাধ্যমঃ**

বৰ্তমান সময়ত আমাৰ হাতে-হাতে থকা স্মাৰ্টফোন বা মোবাইলৰ পৰ্দাখনেই আমাৰ বাবে কিতাপ হৈ পৰিব পাৰে। জিলিক মাৰি উঠা ৰূপালী পৰ্দাৰ আঁৰত থাকে বহু এনে সংসাধন আৰু সম্পদ যাৰ দ্বাৰা ইলেক্ট্ৰনিক কিতাপ (E-book)ৰ ধাৰণাটোৰ উৎপত্তি হৈছে। আমাজনৰ Kindle এই ধৰণৰ সৰ্বপ্ৰথম আৱিষ্কাৰ। য'ত সঞ্চিত হৈ আছে বহু মিলিয়ন কিতাপ পত্ৰ। যিসমূহ নেকি লৈ ঘূৰি ফুৰাটো বা ক্ৰয় কৰাটো আমাৰ পক্ষে অসম্ভৱ। কিন্তু, সামান্য মোবাইল বা টেবলেট একোটাৰ বুকুতে সেই সকলো কিতাপ সোমাই পৰাত আমাৰ সকলোৰে সুবিধা হৈ পৰিল।

সেইদৰে, বৰ্তমান সময়ত মানৱ সভ্যতাক পৃথিৱীজুৰি একত্ৰে বান্ধি ৰখা কিছুমান মোবাইল Application যেনে Facebook বা Wordpress আদিয়ে সকলো মানুহলৈ এইদৰে কিতাপ পঢ়াৰ সুবিধা আনি দিলে। এতিয়া, কোনো বিশেষ সংসাধন বা ইলেক্ট্ৰনিক সামগ্ৰীৰ অবিহনেও আমি আমাৰ হাতে হাতে থকা মোবাইল বা স্মাৰ্টফোনৰ পৰ্দাত কিতাপ বা সাহিত্য



পঢ়িব আৰু লিখিব পাৰোঁ। পকাবন্ধা কিতাপৰ ক'লা-বগা আখৰৰ যি উমাল আৱেগ সেয়া অৱশ্যে এনে ই-কিতাপত নাথাকিব পাৰে, কিন্তু ই-কিতাপ বা সামাজিক মাধ্যমবোৰ সহজলভ্য, কমখৰচী আৰু সময়োপযোগী তথা আটাইতকৈ ডাঙৰ কথা এইবোৰ আজিৰ যুগত মানুহৰ অতি নিকটবৰ্তী। সেয়ে, কিতাপ-আলোচনীৰ দৰেই সামাজিক মাধ্যমতো বহু গল্প-উপন্যাস সৃষ্টি হৈছে। মানুহে আদৰি লৈছে।

অন্যহাতে, এখন ঘৰৰ সমস্ত জঞ্জাল মাৰি কিতাপৰ পাণ্ডুলিপি এখন লৈ প্ৰকাশকৰ দুৱাৰে-দুৱাৰে ঘূৰি ফুৰাটো এগৰাকী নাৰীৰ বাবে সম্ভৱ নহয়, কাৰণ ঘৰত স্বামী, সন্তান সকলো ৰৈ আছে তেওঁৰ মুখলৈ চায়, "মা আহি আমাক ভাত দিব" বুলি। তদুপৰি, বহু সমাজৰ মনত নাৰী কেৱল ৰন্ধা-বঢ়া ইত্যাদিতহে সক্ষম আৰু বাকী কামত অক্ষম বা অপৰিপক্ক তেনে এটা মনোভাৱ আছে, যি নাৰীৰ স্বাধীন চিন্তাক কৰ্ম ৰূপ দিয়াৰ অন্তৰায় স্বৰূপ। কিন্তু, সামাজিক মাধ্যমৰ আগমনে এই দুয়োটা অসুবিধাক তল পেলাইছে। প্ৰকাশৰ বাবে ইয়াত প্ৰকাশক নালাগে। নিজৰ wall বা timelineত এৰি দিলেই হ'ল আৰু কোনো ধৰণৰ বাধা-নিষেধ নাই (No Sanctions), যিয়ে নাৰীক নিজৰ হৃদয়ৰ কথাবোৰ জনমানসলৈ বোৱাই লৈ যাব।

তদুপৰি, অন্য এক সুবিধা হ'ল যে, বৃহৎ সংখ্যক পাঠকৰ উপস্থিতি। আজিকালি Facebook ৰ মজিয়াখন বহুত চহকী। ধনী-দুখীয়া সৰ্বস্তৰৰ মানুহে Facebook ৰ মাধ্যমেৰে নিজক সমাজৰ সৈতে জড়িত কৰি ৰাখে। সেয়ে, ইয়াত সমাজৰ সকলো লোকৰ অংশগ্ৰহণে যিকোনো সৃষ্টিৰাজিক প্ৰাপ্য সন্মান আৰু সমাদৰ প্ৰদান কৰে।

তলত সামাজিক মাধ্যমৰ সুবিধা সমূহ পুনৰ উল্লেখ কৰা হ'লঃ

১। কমখৰচী

২। স্বাধীন

৩। প্ৰকাশকৰ সমস্যা নাই

৪। বৃহৎসংখ্যক পাঠকৰ উপস্থিতি

৫। ব্যৱহাৰৰ বাবে সহজ।

**নাৰীৰ সৃষ্টিঃ**

সামাজিক মাধ্যমৰ সুবিধা নাৰী সকলে বহু পৰিমাণে গ্ৰহণ কৰিছে। অসমীয়া সাহিত্য জগতত বহুকেইগৰাকী নতুন মুখৰ আগমন ঘটিছ সামাজিক মাধ্যমৰ যোগেদি। আত্মসহায়ক গোট, ৰন্ধা-বঢ়া সম্পৰ্কীয় বা সাজ-সজ্জা বিষয়ক বহু Facebook গোট আছে যদিও, সাহিত্য চৰ্চাৰ মজিয়াখনৰ অভাৱ



আছিল, পিছে এতিয়া সেই সমস্যাও আঁতৰিল।

'গ্ৰন্থ-সুবাস', 'অসমীয়াত কথা-বতৰা', 'অৰ্দ্ধ-আকাশ' আদি Facebook গোটে অসমৰ সাহিত্য উদ্যোগক সবল কৰিছে। ভৰানী পেগুৰ 'ঐ পুলিৰ সপোনৰ দেশ', 'মধুলগন', শিৱানী বৰাৰ 'তাই হেনো পাটমাদৈ', 'বৰৰজা প্ৰমথেশ্বৰী', ইন্দ্ৰাণী শৰ্মাৰ 'JEC আৰু অৰ্ণৱ-আস্থা'; শিখা শৰ্মাৰ 'চিনৰিতা : the burning life' , 'অৰ্ধ-আকাশত' প্ৰকাশ হোৱা জয়শ্ৰী মেচ গগৈৰ গল্পবোৰৰ সংকলন 'অৰ্দ্ধ-আকাশৰ গল্প সমগ্ৰ' ইত্যাদি কিছু মাত্ৰ উদাহৰণ যি প্ৰকাশ পাইছিল Facebook গোটত, কিন্তু পাঠকৰ আদৰত এতিয়া হৈ পৰিছে সমাদৃত পকাবন্ধা কিতাপ। কেৱল গোটবোৰতেই নহয়, বহুসংখ্যক নবীন লেখিকাই নিজৰ Wall টো নিৰন্তৰে সাহিত্য চৰ্চা কৰি গৈছে, জনসাধাৰণে পঢ়ি গৈছে।

**সমস্যাঃ**

যিকোনো কামত কিছু বিক্ষিপ্ততা বা প্ৰতিবন্ধকতা থাকেই। নিঃসন্দেহে, সামাজিক মাধ্যমত এনে কিছু গল্প-কবিতাও প্ৰকাশ কৰে যিবোৰ মান অতি তুচ্ছ। সাহিত্যিক বুলি নিজকে জাহিৰ কৰাৰ উদ্দেশ্যেও বহুতে এনে কাম কৰে। অন্যহাতে, এচাম প্ৰতিস্থিত লেখকে Facebook ৰ সাহিত্য চৰ্চাক মান্যতা দিবলৈ সামান্য কুণ্ঠাবোধ কৰে। ফেচবুকীয়া সাহিত্যিক বুলি বহু সময়ত তুলুঙা মন্তব্যও প্ৰদান কৰে। কিন্তু, সেইবুলি এই সাহিত্য চৰ্চাৰ নৱতম আন্দোলনটি থমকি ৰোৱা নাই। ই আগবাঢ়ি গৈ আছে; বৈ আছে সমাজৰ পৰা সমাজৰ বুকুলৈ নিৰৱধি।

**সামৰণিঃ**

কোনো নতুন সৃষ্টি বা নতুন পদ্ধতিৰ আগমনে পুৰণিক নিঃশেষ কৰাৰ দৰে আমি আশা নকৰোঁ যে আমাৰ আদৰৰ কিতাপবোৰ নোহোৱা হওক। কিন্তু, কিতাপৰ লগে-লগে সাহিত্যচৰ্চাৰ বাবে মুকলি মঞ্চ সদৃশ সামাজিক মাধ্যমৰ মজিয়াত পূৰ্ণৰূপত বিকশিত হওক আমাৰ প্ৰতিভা, মূলতঃ ঘৰৰ নানা কামৰ তাগিদাত বন্দী হৈ ৰোৱা মা-আইতা-পেহী-জেঠাইহঁতৰ সৃষ্টিশীলতা। এয়া প্ৰকৃতাৰ্থত নাৰী সৱলীকৰণ বা সমাজ সবলীকৰণ কাৰণ সমাজৰ প্ৰতিটো শিশুৰ মূল্যবোধ আৰু প্ৰাথমিক শিক্ষাৰ তালিম দিয়ে এগৰাকী মাতৃয়ে। তাৰ লগে-লগে, নাৰী সকলৰ এই আন্দোলনে অনুপ্ৰাণিত কৰক অন্য বহু নতুন নাৰীক, সমবেত এই প্ৰজ্ঞাসন্ধানী যাত্ৰাত সঞ্জীৱীত হওক নাৰীশক্তি আৰু মানৱতাবাদৰ ক্ৰমশীৰ্ণা তথা জৰ্জৰিত প্ৰতিমূৰ্তি।

# বিশেষ লেখা



# বিষয় ঃ

# নৱপ্ৰজন্মৰ দৃষ্টিৰে মাজুলীৰ ৰাস মহোৎসৱ



# মাজুলীৰ ৰাস মহোৎসৱ

## দৰ্শনা শইকীয়া

"সুহুৰিত উৰুৱাই চাপৰিৰে বালি
জপিয়াই পাৰ হওঁ বৰনদী
ঢৌ চপৰিয়াই পানী চিটিকাই
ৰিঙিয়াই মাতো তোক মাজুলী"

'মাজুলী'... বৰনদীৰ জিলিকা বালি। কত হাঁহি কত হেঁপাহ ব্ৰহ্মপুত্ৰ নদীৰ মাজত থকা বিশ্বৰ বৃহত্তম নদীদ্বীপ মাজুলীত অসমীয়া সংস্কৃতিৰ 'মূল' টো যেন এতিয়াও অক্ষত অৱস্থাত আছে। সত্ৰ নগৰী মাজুলীৰ সংস্কৃতি অসমীয়া সংস্কৃতিৰেই এটি ক্ষুদ্ৰ সংস্কৰণ। মাজুলীৰ বাবে শৰৎ বুলিলেই যেন ৰাস। শৰৎকালত মাজুলীৰ সত্ৰসমূহৰ লগতে অৰ্ধশতাধিক মঞ্চত চলে কংস বধৰ আখৰা। মাজুলী পৰিৱৰ্তিত হয় লুইতৰ পাৰৰ বৃন্দাবনলৈ। গীতে-মাতে, খোলে-তালে চলি থাকে কংস বধৰ আখৰা। শৰতৰ চন্দ্ৰাৱলী ৰাতি হৈ পৰে অতি বিতোপন। শ্ৰীকৃষ্ণৰ বাঁহীৰ মাত শুনি ঘৰৰ কাম বন একাষৰিয়া কৰি সকলো ঢপলিয়াই আহে ৰাসৰ আখৰাতো। মাজুলীত মধুময়, মায়াময় হৈ পৰে শৰতৰ প্ৰতিটো নিশা। শৰতৰ বিতোপন পৰিৱেশত গকুল, মথুৰা, বৃন্দাবন হৈ পৰে মাজুলীৰ প্ৰতিখন ৰাসস্থলী। যিকোনো স্থানৰ পৰা গুঞ্জৰিত হৈ অহা ৰাসৰ গীতবোৰে উতলা কৰি তোলে মাজুলীবাসীৰ লগতে বৃহৎ আধ্যাত্মিক মহোৎসৱ উপভোগ কৰিবলৈ অহা প্ৰতিজন কৃষ্ণপ্ৰেমী দৰ্শকক। মাজুলীবাসীৰ ৰাসৰ প্ৰতি আছে এক সুকীয়া টান। অসমৰ বহু ঠাইত ৰাস উৎসৱ পালন কৰা হয় যদিও মাজুলীৰ ৰাসৰ আছে অন্য এক আকৰ্ষণ। মাজুলীবাসীৰ বাবে ৰাসেই হৈছে প্ৰধান আড়ম্বৰপূৰ্ণ ধৰ্মীয় উৎসৱ। শৰতত অসমৰ আন ঠাইত দুৰ্গা পূজাৰ পয়োভৰ যদিও মাজুলীত ৰাজহুৱাকৈ কোনো পূজাৰ উদ্‌যাপন নহয় সেয়ে মাজুলীবাসীৰ বাবে ৰাসেই হৈছে একমাত্ৰ বছেৰেকীয়া উৎসৱ য'ত মূলতঃ কৃষিজীৱী তথা বানে ধোৱা দ্বীপটোৰ ৰাইজে আনন্দৰ ৰস লৈ বছৰটোৰ

বাবে গা-মন টঙায়। ধান চপোৱাৰ আগে আগে শৰতৰ বিতোপন ৰাতিত হোৱা এই উৎসৱে আধ্যাত্মিকতাৰ সৈতে মানুহক নান্দনিক আনন্দ দিয়ে। ইয়াৰ লগতে আছে সমন্বয়ৰ দিশটো।

মাজুলীৰ দক্ষিণপাট সত্ৰত পোন প্ৰথমবাৰৰ বাবে ৰাস পালন কৰা হয়। ১৭৬২ শকৰ পৰা দক্ষিণপাট সত্ৰত এই উৎসৱ পালন কৰি অহা হৈছে। মাজুলীৰ ৰাসোৎসৱক দুভাগত ভগাব পাৰি। সত্ৰসমূহৰ ৰাস আৰু মঞ্চৰ ৰাস। সত্ৰসমূহৰ ৰাসত সহ-অভিনয়ৰ ব্যৱস্থা নাই। ইয়াত সত্ৰৰ ভকতসকলেই স্ত্ৰী চৰিত্ৰটো ৰূপায়ন কৰে। অৱশ্যে গড়মূৰ সত্ৰত সহ-অভিনয়ৰ ব্যৱস্থা আছে। আনহাতে মঞ্চৰ ৰাসসমূহটো সহ-অভিনয়ৰ ব্যৱস্থা আছে। সত্ৰৰ ভাওসমূহ মূলতঃ সত্ৰৰ ভকতৰ মাজতে সীমাবদ্ধ হৈ থাকে।

মাজুলীৰ ৰাসোৎসৱে কেৱল শ্ৰীকৃষ্ণৰ ৰাসলীলা প্ৰদৰ্শন নকৰে। ইয়াৰ সৈতে বহু বিষয়ৰো বিকাশ ঘটে। মূলতঃ সেই অঞ্চলটোৰ নৃত্য-গীতৰ প্ৰতি আগ্ৰহ থকা লোকসকলৰ প্ৰতিভাৰ বিকাশ আৰু প্ৰচাৰ হয়। ৰাসৰ লগত জড়িত থাকে মাজুলীৰ মুখাশিল্প। ৰাসেও মাজুলীৰ মুখাশিল্পক গতিশীলতা প্ৰদান কৰিছে।

শৰৎ কালত লক্ষ্মী পূৰ্ণিমাৰ পৰা ৰাস পূৰ্ণিমালৈ প্ৰায় এমাহজোৰা ব্যস্ততা। সত্ৰৰ বাহিৰত বিভিন্ন সংঘই মঞ্চত অনুষ্ঠিত কৰা ৰাসসমূহ হৈ পৰে জাতি-জনজাতিৰ মিলনভূমি। কুৰি শতিকাৰ সপ্তম-অষ্টম দশকৰ পৰাই বোলে এনে সমন্বয় প্ৰদৰ্শন কৰি আহিছে মাজুলীৰ সংঘবোৰৰ ৰাসে। এককথাত গুৰু দুজনাৰ সমন্বয় যাত্ৰাৰ বাৰ্তাবাহক। ৰাসৰ গীতৰ বাবে কোনো পুৰুষ কণ্ঠশিল্পী যদি 'পেগু' উপাধিৰ, নাৰী কণ্ঠশিল্পী গৰাকী হয়তো 'শইকীয়া', কোনোবা 'বৰা' যদি কৃষ্ণ, তেন্তে কোনো ৰাধা হৈছে 'সোণোৱাল'।

ৰাসৰ সৈতে মাজুলীৰ একাত্মৰ কাৰণ হৈছে এইখন এখন




বৈষ্ণৱ সংস্কৃতিৰ ঠাই। বৈষ্ণৱ সংস্কৃতি হৈছে কৃষ্ণকেন্দ্ৰিক। সেয়ে শ্ৰীকৃষ্ণৰ জন্মৰ পৰা যৌৱন কাললৈ প্ৰকাশ কৰা ৰাসলীলাত মাজুলীবাসীৰ লগতে অন্য জনসাধাৰণে আনন্দ লাভ কৰে।

সৰ্বমুঠভাৱে শৰৎ কালৰ ৰাসত মাজুলীবাসীৰ আনন্দই নধৰে হিয়া।




# মাজুলীৰ ৰাস মহোৎসৱ

## বিষ্ণুপ্ৰিয়া গোঁহাই

শৰৎ কালৰ পূৰ্ণিমা তিথিত আয়োজন কৰা ৰাসলীলা মাজুলী বাসীৰ বাবে আনন্দৰ আৰু মুখ্য উৎসৱ। মূলতঃ আধ্যাত্মিক তত্ত্বসমৃদ্ধ ৰাসলীলা অসমৰ বিভিন্ন প্ৰান্তত উদ্‌যাপন কৰা হয় যদিও মাজুলীৰ ৰাসলীলাত হোৱা আড়ম্বৰপূৰ্ণ অনুষ্ঠান বিশেষে সুকীয়া বৈশিষ্ট্য বহন কৰিছে বুলি ক'লে অতুক্তি নহয়।


ভক্তি ৰসৰ মধুৰ সমন্বয়েই ৰাসলীলা। শৰত কালৰ জ্যেস্না প্লাৱিত ৰাতিত পৰমভক্তা গোপীসকল প্ৰেমৰসত আপ্লুত কৰি তেওঁলোকৰ মনোবাঞ্চা পূৰণৰ উদ্দেশ্যে পৰমাত্মাৰূপী শ্ৰীকৃষ্ণই যি লীলাৰে বৃন্দাবন উৎফুল্লিত কৰি তুলিছিল সেই প্ৰেমলীলাই ৰাসলীলাৰ প্ৰতিপাদ্য বিষয়। অৱশ্যে ইয়াৰ অন্তৰ্নিহিত তাৎপৰ্য হৈছে জীৱাত্মা আৰু পৰমাত্মাৰ মিলন।

এটকা মহত্তৰ স্থল, সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ নদীদ্বীপ মাজুলী ৰাসলীলা প্ৰদৰ্শনৰ স্বৰ্ণক্ষেত্ৰ বুলিলে অতুক্তি নহয়। বৰ্ষাকালত বানৰ প্ৰচণ্ড হেঁচাত জুৰুলা হোৱা মাজুলী বাসীয়ে বৰ্ষান্তত নৱ উদ্যম আৰু প্ৰেৰণাৰে ৰাসলীলা উদ্‌যাপনৰ বাবে প্ৰস্তুত হয়।



লক্ষ্মীপূৰ্ণিমাৰ দিনাৰ পৰাই নাটকৰ আখৰা আৰম্ভ কৰি এমহীয়া পৰিক্ৰমাৰ অন্তত তিনিদিনীয়াকৈ ৰাস উদ্‌যাপন কৰা হয়। ঐতিহ্যমণ্ডিত দক্ষিণপাট সত্ৰত ৰাসলীলাৰ নাট্য কাহিনীৰ লগত সমান্তৰাল ভাৱে বৃন্দাবন চন্দ্ৰ মহাপ্ৰভুৰ পূজা অনুষ্ঠানে সত্ৰৰ পৰিবেশ আধ্যাত্মিক ৰসসিক্ত কৰি তোলে, চামুগুৰি সত্ৰ মুখৰে ব্যৱহাৰৰ চমৎকাৰী কৌশল ৰাসলীলাৰ অন্যতম বৈশিষ্ট্য।

উত্তৰ কমলাবাৰী সত্ৰ, নতুন কমলাবাৰী সত্ৰ, গড়মূৰ সত্ৰ, আউনীআটি সত্ৰ প্ৰমুখ্যে মাজুলীৰ বিভিন্ন প্ৰদৰ্শিত প্ৰায় পঞ্চাশটি মঞ্চত আয়োজন কৰা ৰাসলীলাৰ আকৰ্ষণীয়তাই দৰ্শকক বিস্ময় বিমুগ্ধ কৰি আহিছে। এইসমূহ দৰ্শনৰ বাবে দেশীয় আৰু বিদেশী পৰ্যটকৰ আগমনে সেই সময়ত মাজুলীক মৰততে সৰগীয় পৰিবেশ কৰি তোলে।



# মাজুলীৰ ৰাস মহোৎসৱ

**বনলতা দাস**


ৰাসোৎসৱ হৈছে এনে এটি উৎসৱ, য'ত ভগৱান শ্ৰীকৃষ্ণৰ জীৱনলীলাক উপভোগ কৰি প্ৰদৰ্শন কৰা হৈছে। ই মূলতঃ হৈছে এটি ধৰ্মীয় উৎসৱ।

ৰাসোৎসৱটো অসমৰ বিভিন্ন প্ৰান্ত উদ্‌যাপিত কৰা হয়। মাজুলীৰ দক্ষিণপাট সত্ৰত পোন প্ৰথমে এই উৎসৱৰ আৰম্ভ হয়। ভগৱান শ্ৰীকৃষ্ণই মৰ্ত্যত কৰা কৰ্মৰাজিক ৰাসোৎসৱৰ জৰিয়তে প্ৰতিফলিত কৰা হয়। তেওঁৰ ৰসপূৰ্ণ অৰ্থাৎ তাত্বিক ৰসেৰে সমৃদ্ধ কথাবস্তুক ৰাসলীলাৰ মাধ্যমেৰে আত্মাৰ পৰা পৰমাত্মালৈ, দৈনন্দিন জীৱনৰ সুখানুভূতিক আধ্যাত্মিকতালৈ আৰু প্ৰবৃত্তিসমূহক কলাত্মক ৰূপ প্ৰদান কৰি ৰাসলীলাত অংকন কৰা হৈছে।

অসমৰ বহু ঠাইতে ৰাসোৎসৱ পালন কৰা হয় যদিও মাজুলীৰ ৰাসৰ অন্যান্য এক আকৰ্ষণ আছে। মাজুলীৰ বাবে শৰৎ বুলিলেই যেন ৰাসোৎসৱৰ আয়োজন। ৰাসৰ সময়ত মাজুলীত দেশী-বিদেশী পৰ্যটকৰ ভিৰ দেখা যায়। আনহাতে মাজুলীবাসীৰ বাবে হৈছে ইয়েই প্ৰধান আড়ম্বৰপূৰ্ণ ধৰ্মীয় উৎসৱ। শৰতত অসমৰ আন ঠাইত দুৰ্গা পূজাৰ পয়োভৰ যদিও মাজুলীত ৰাজহুৱাকৈ কোনো পূজা উদ্‌যাপন নহয়। সেয়ে মাজুলীবাসীৰ বাবে ৰাস উৎসৱেই একমাত্ৰ বছৰেকীয়া উৎসৱ। মাজুলীৰ ৰাস সমূহক দুটা ভাগত ভাগ কৰিব পাৰি। সত্ৰসমূহত হোৱা ৰাসত সহ-অভিনয়ৰ ব্যৱস্থা নাই। ইয়াত সত্ৰৰ ভকত সকলেই স্ত্ৰী চৰিত্ৰটো অভিনয় কৰে। আনহাতে সত্ৰৰ বাহিৰৰ সংঘসমূহত হোৱা ৰাসত সহ অভিনয়ৰ ব্যৱস্থা আছে। সত্ৰৰ ভাওনাসমূহ মূলতঃ সত্ৰৰ ভকতৰ মাজতে সীমাবদ্ধ হৈ থাকে।

মাজুলীত লক্ষ্মী পূৰ্ণিমাৰ পৰা ৰাস পূৰ্ণিমালৈকে প্ৰায় এমাহ ৰাসৰ সৈতে কেৱল অভিনেতা, অভিনেত্ৰী আৰু আন কলা কুশলীসকলেই জড়িত নাথাকে। সেই সাংস্কৃতিক পৰিৱেশৰ দ্বাৰা সমগ্ৰ মাজুলীয়েই প্ৰভাৱান্বিত হয়। মাজুলীৰ ৰাস উৎসৱে কেৱল শ্ৰীকৃষ্ণৰ ৰাসলীলাৰে আখৰা প্ৰদৰ্শন নকৰে। ইয়াৰ সৈতে বহু বিষয়ৰো বিকাশ ঘটে। মূলতঃ গ্ৰাম্য সেই অঞ্চলটোৰ নাট নৃত্যৰ প্ৰতি আগ্ৰহ থকা শিশু, কিশোৰ-কিশোৰী, যুৱক-যুৱতী আৰু ডাঙৰসকলৰ প্ৰতিভাৰ বিকাশৰ লগতে ই প্ৰচাৰ কৰে। ইয়াৰ লগতে ৰাসৰ সৈতে জড়িত থাকে মুখাশিল্পৰ কথাও। ৰাসেই মাজুলীত মুখাশিল্পক গতিশীল কৰি ৰাখিছে। ৰাসেই সৃষ্টি কৰিছে মাজুলীৰ চিৰস্মৰণীয় কিছু কংস, কৃষ্ণ, ৰাধা ইত্যাদি।

*(লেখিকা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী)*



# শব্দ-শিল্প

শব্দ-শিল্প
শব্দ-শিল্প শব্দ-শিল্প
শব্দ-শিল্প

# শ্বহীদ

“ভাৰত মাতা কি জয় হো” বুলি
হিন্দু মুছলিম যুদ্ধত অ শ্বহীদ
তুমিয়েতু দিছিলা প্ৰাণ
নিজৰ তেজক নেওচি কৰি
সুখৰ সংসাৰ এৰি থৈ
তুমিয়েতু দিলা বলিদান।
মাতৃৰ মৰমক নেওচি কৰিলি
স্ত্ৰীৰ আশাক পূৰণ নকৰিলি
পুত্ৰক কৰি পিতৃহীন
দেশৰ হকে নিজ প্ৰাণ ত্যাগি
ৰঙা তেজক পানী কৰি
ৰাখিলি দেশৰ সন্মান।
স্বদেশৰ হকে জন্মা স্বদেশীসকল
স্বদেশৰ হকে চিন্ত শ্বহীদসকল
স্বদেশৰ মাটিতে মিলি গ'লা
স্বদেশক লৈ সপোন ৰচি
জীৱনৰ মৃত্যুদীপ্ত প্ৰেৰণাত
তুমিয়ে মোহ গৈ প্ৰাণ দি দিলা।

**প্ৰিয়ংকা লাগাছু**





# সোণোৱালী


পাহৰি যোৱা নাই সেই দিনবোৰ
পখিলাৰ দৰে উৰি গ'ল,
দুয়োফালে দুফাঁকি মেলি।
মনত আছে, এতিয়াও সেই সোণোৱালী দিনবোৰ।
পখিলাৰ পিছে পিছে খেদি ফুৰিছিলো
সমগ্ৰ অলিক কল্পনা মনত লৈ ফুৰিছিলো।
কেতিয়ানো হেৰাই গ'ল সেই দিনবোৰ
পুনৰ আহিবনে? সেই পাখি মেলা
সোণোৱালী দিনবোৰ
বাৰে বাৰে বাট চাওঁ
সেই দিনটো।
আশা কৰো পুনৰ আহিব
জীৱনৰ অন্তিম কালত আশাৰে বাট চাম
পুনৰ আহিবনে সেই দিনবোৰ?

**প্ৰিয়ংকা টাইদ**

# যাত্ৰা

এক কঠিন যাত্ৰা
নতুন যাত্ৰা
পথৰ কোনো চিন নাই
আহিব পাৰোনে উভতি
তাৰো কোনো ঠিক নাই।
যদি মই হেৰাই যাওঁ
এই ভিৰৰ মাজত
অসন্তোষ নহয় কাৰো।
ভাগৰুৱা শৰীৰটোৱে চিঞৰি উঠে
তথাপিও চোন যাত্ৰাৰ অন্ত নাই,
অন্তহীন জীৱন যাত্ৰাৰ যাত্ৰী মই
অচিনাকী বেশ, অচিনাকী দেশ
ক্লান্ত মোৰ মন
ক্লান্ত মোৰ শৰীৰ
তথাপি থমকি নৰয় মোৰ যাত্ৰা
দিনৰ পাছত দিন
এক কঠিন যাত্ৰা
এক নতুন যাত্ৰা
অবিৰত যাত্ৰা।।

**ভিটালী কলিতা**





# অচিন বাটৰ সুৰ

অভিনৰ ঠিকনা সন্ধানত
আজি নিৰ্জনতাৰ নিম্ন পঁজাৰ আলহী।
অমানিশা ভাঁহি অহা
ব্যাকুল বাঁহীৰ মাত
কোনে বজাইছে?
এই সুৰ যে মোৰ আপোন গানৰ
ধীৰে ধীৰে জীৱনৰ শোকৰ ছাঁয়াও
অদৃশ্য হ'ল অজানিতে , মনৰ পৰা,
জীৱনৰ কুসুম বনত যেন
ফুলিব বহুৰূপী ফুল।
অপূৰ্ব সৌন্দৰ্যতাৰ অচিন ঠাইখনেও
মোৰ সপোনৰ বাট হিচাবে।
নহ'লেনো মাজনিশা আহি
অসীমৰ মুক্ত পক্ষীজনীয়ে ক'বনে?
প্ৰতিবাদ, ক্ৰোধ, ধ্বংসৰ যে
দূৰত্ব বহুত এই স্বৰ্গৰ পৰা।
সঁচাকৈ, অচিন বাটৰ
চিনাকী বাঁহীৰ সুৰে
নৱ জীৱন দিলে।
ব্যৰ্থতাৰ সৌৰভ বিলায়
শান্তিৰ বন্তি জ্বলাই।

**মীনাক্ষী শইকীয়া**

# শূণ্যতা প্ৰিয় মোৰ

শূণ্যতাৰ সৈতে মোৰ মধুৰ সম্পৰ্ক
নাজানো শূণ্যতাই কি আমেজ দিয়ে?
প্ৰতিটো মুহূৰ্ততেই যেন
শূণ্যতাই হাত নেৰে.....হুঁ
এই যে সময়ৰ হিচাপ নকৰাকৈয়ে
তুমি আহা অহাৰ বাটেৰে গুচি যোৱা
এটি উৰন্ত পক্ষীৰ দৰে
জীৱনে সঘনাই মাতে শূণ্যতাৰ পথলৈ
মনটোৱে যেন একোকে নুবুজে আজি
প্ৰকৃতিৰ সুৰ মানৱৰ কোলাহল
সুমধুৰ ক্ষণবোৰ, স্মৃতিবোৰ
অন্তৰত লুকাই থকা দুখবোৰ
একোৱেই যেন নাজানে ক'ব।
অৰ্থহীন ভাষাৰ সুৰে
কাকনো কেনেকৈ কি বুজাব,
আশা-নিৰাশা
পোৱা নোপোৱা দোমোজাত
সকলোতে কেৱল শূণ্যতা
শূণ্যতাৰ লগত সম্পৰ্ক মোৰ
বহু দিনৰে
শূণ্যতা প্ৰিয় মোৰ।

**কৰিশ্মা ফুকন**






# শ্বহীদ তোমাক নমস্কাৰ

ঊনাশীৰ শেষৰ ফালে হঠাতে এদিন
কলিয়া ডাৱৰে ঢাকি দিলে
অসমীৰ শীতল আকাশ
বলীয়া হাতীৰ তাণ্ডৱ নৃত্য হ'ল আধাযুগ ধৰি
প্ৰবাহিত হ'ল তেজৰ প্ৰৱল সোঁত।
অসমীয়াও গা ধুলে চকুৰ পানীৰে
উলংগ দেহৰ দিলে পৰিচয়
সংসাদৰ মাজ-মজিয়াত
আবাল বৃদ্ধ বনিতাই পলে পলে
জন্মভূমি উদ্ধাৰৰ বাবে
মৰিলে স্বৰ্গ,তৰিলে বসুন্ধৰা
মহামন্ত্ৰে উদ্ভাসিলে আকাশ বতাহ
প্ৰাণ গ'ল, মান গ'ল, লুপ্ত হ'ল জাতিৰ সংহতি
খলকনি উঠিল বিশ্বত।
জন্মভূমি উদ্ধাৰৰ বাবে কাৰোবাৰ মচা গ'ল
শিৰৰ সেন্দুৰ
কিহেৰে পূজিম তোমাক, কি আছে আমাৰ
পূজাৰ বেদী পূৰ্ণ কৰি পুনৰ লোৱাহি জনম
জনালো তোমাক বীৰ, সহস্ৰ প্ৰণাম।

**সোনমনি পেগু**



# মহামাৰী

ই কোন মহামাৰী আছিল মনুস্য
হৃদয়ত
ৰঙীন পৃথিৱীৰ ৰঙীন মানুহ
ডুব গৈছে স্বাৰ্থপৰতাৰ ক'লা সাগৰত।
নীলা আকাশ ক'লা পৰিছে
আবৰিছে ঘন ডাৱৰে,
মানুহৰ মনত মলি জমিছে
স্বাৰ্থ ভেম অহংকাৰেৰে।
পাহৰি গৈছে সকলো
প্ৰেম মমতা আবেগ,
মৰমৰ অৰ্থ হৈ পৰিছে
ধন টকা, আলেখ লেখ।

**প্ৰিয়া কৰ**

# মোৰ আই

আইক নেদেখা বহু দিন হ'ল
বহাগ আহিলেই আইলৈ মনত পৰে,
আইয়ে চাগে চকুৰ পানীৰে বৰঘৰ মচিছে।

কিমান যে বহাগ পাৰ হ'ল
হিয়া ভঙা কুলিৰ কান্দোনত
কিমান পাৰ কৰিম বিযাদৰ দিন।

এবুকু আশা বুকুত বান্ধি
ক্ষয় গৈছে দিন ৰাতি
কিজানিবা আহি ওলাবহি মোৰ সোণ।
এটি হাঁহি বিৰিঙিব,
শেতাঁ পৰা দুটি ওঁঠত।
শাঁত পৰিব শুকাই যোৱা কলিজাটো।

**ধনঞ্জলী বৰা**



# অশ্ৰুসিক্ত দুচকুৰ জীৱন সংগ্ৰাম

দুচকু যেতিয়া পানীৰে উপচে
মনচত পৰে তোমালৈ...
ধুমুহাই উৰুৱাই নিয়া পঁজাটো দেখি
নাকান্দিবা 'মা',
তোমাৰ কঠোৰ শাসন আৰু মৰমেৰে গঢ়া
হোৱা নাই নিশেষ....
নামী-দামী ব্ৰেণ্ডৰ কাপোৰ পিন্ধাই,
বিলাতী গাড়ীৰে অনা-নিয়া কৰিব নোৱাৰিলেও
তোমাৰ অনুশাসনত আবদ্ধ আৰু
অকৃত্ৰিম কেঁচা মৰমৰ বান্ধোনত থাকি
তোমাৰ পোনাকেইটিয়ে এতিয়াও পাহৰি যোৱা নাই
মানৱতাৰ সংজ্ঞা, নৈতিকতা আৰু সামাজিক দায়বদ্ধতা ।
'মা' তুমি নাকান্দিবা,
তোমাৰ দুচকুৰ উষ্ম অশ্ৰু থৈ দিয়া যতনে,
এদিন যেতিয়া তোমাৰ বুকুৰ উমত ডাঙৰ হোৱা
পোনাকেইটিৰ নাম সমগ্ৰ পৃথিৱীবাসীয়ে ল'ব
যেতিয়া সিহঁতে ধনী দুখীয়াৰ বৈষম্য আতঁৰাই
কেৱল মানুহ হিচাপে মানুহক এক কৰিব পাৰিব।
নাথাকিব য'ত ব্ৰেণ্ডৰ মূল্য
থাকিব কেৱল মানৱীয় প্ৰমূল্য
তথা নৈতিকতাৰ মূল্য
আৰু কৃতকাৰ্যতাৰ শৃংগত থিয় হৈ
সিহঁতৰ হৃদয়ৰ পৰা নিগৰিত হ'ব
এটাই মাথো শব্দ 'মা'।
আৰু মা তেতিয়াই
তোমাৰ চকুৰে দুখৰ সলনি
নিগৰিব সুখৰ চকুলো,
বোৱতী নদী হৈ ব'ব।
উটুৱাই দৰিদ্ৰতা, অস্পৃশ্যতা, যত কলুষতা
অশ্ৰুসিক্ত দুচকুৰ জীৱন সংগ্ৰাম।।

**ঋতুস্মিতা দাস**



# জীৱন

সময় যদি নতুনকৈ আৰম্ভ হয়
তুমি বাৰু বিচাৰিবা কি ?

জানো, তুমি বিচাৰিবা
তোমাৰ যৌৱনে গৰকা
সময়বোৰ।

তুমি বাৰু বিচাৰিবা নেকি ?
ভৱিষ্যত জীৱনৰ এক
জৰাজীৰ্ণ ছবি।

নাই, মই জীয়াই থাকিব বিছাৰো
পৃথিৱীৰ গভীৰতাৰ মাজত,
মই নিবিচাৰো

ইতিহাসত মোৰ সোণালী ৰঙীন ছবি
মই জীয়াই থাকিব বিচাৰো
জীৱন উপভোগ কৰি।

**হিমাশ্ৰী শইকীয়া**



# ভাললগা

ভাললগাবোৰ
ভাললগা হৈয়েই থাকিবলৈ দিয়া।
হৃদয়ৰ গভীৰতাত সোমায়।
ভালপোৱা হৈ
প্ৰকাশ হ'বলৈ নিদিবা।
সুখৰ ফুলবোৰ
পলকতে মৰহি যায়
হৃদয়খন নিমিষতে
টুকুৰা-টুকুৰ হ'ব
কোনোবাই হাঁহিৰে
জীৱন সজাব
কোনোৱে আকৌ হেৰুওৱা বেদনাত
ছট্‌ফটাই মৰিব।
ভাললগাবোৰ
ভাললগা হৈয়েই
থাকিব দিয়া।

**প্ৰণতি বণিয়া**

# কৰ'না ভাইৰাছ ( লিমাৰিক)

(১)
ব'হাগ আহিল কঁপৌও ফুলিল
সেইবুলি মৰমীৰ গাত বিহু নালাগিল
কৰ'ণা ভাইৰাছ আহিছে
ল'কডাউন মানিছে
বিহু বুলি নামঘৰত চাঁকি দিয়াও নহ'ল।

(২)
বাহিৰলৈ নোলাবা মাক্সখন পিন্ধিবা
হাতত চেনিট্ৰাইজাৰ লৈ থাকিবা
ল'কডাউন মানিছো বুলি মনপুৰ দলটি
দশজনে গোট মেলি বহিল হাউচিৰ মেলাটি
সেইবুলি কিন্তু ছচিয়েল ডিষ্টেঞ্জ ৰাখিবা।

(৩)
পোনাকণৰ ভাল হ'ল স্কুল বন্ধ হ'ল
মাছ ধৰে বৰষিত পঢ়া কি বস্তু মন নকৰা হ'ল
কাম নাই বন নাই এনেই বহি থাকো
তাঁত ববও নোৱাৰো ভাগি গ'ল মাঁকো
ইফালে পিতাইৰ প্ৰেচাৰ হাই হ'ল।

৪)
বিশ্বত ভয়াবহ মহামাৰী আহিছে
বিদেশৰ দাদা মোৰো ভোকে লঘোণে আহিছে
ভেকচিন ওলোৱা নাই সাৱধানো হোৱা নাই
বিয়পিব হ'লে ভাইৰাছ গুৰু-গোঁহাই নাই
সেইবুলি দাদাহতঁক চৈধ্যদিন কুৱাৰেন্টাইন ৰাখিছে।


(৫)
হৈ গ'ল যি হ'ল ডাঙৰ কথা হ'ল
ক'ৰণা ভাইৰাছতো ৰাজনীতি হ'ল
ইফালে কৰ'ণাৰ বিচাৰিছে ভেকচিন
আনফালে মিডিয়াই কয় ৰাজনীতিৰ এয়া এক্টিং
সেই বুলি জনতাই ছচিয়েল ডিষ্টেঞ্জ নৰখা হ'ল।

**প্ৰিয়ংকা লাগাছু**

# শৰৎ

টোপা টোপে জানা নিয়ৰবোৰ সৰিব ধৰিছে,
এপাহি দুপাহি শেৱালিবোৰ সৰিব ধৰিছে।
দুৱৰি দলিচা গচকি
মনজুৰোৱা বতাহছাতিত
সৰা শেৱালি বুটলিছো
মোৰ পদুলিত।
মোৰ পদুলিত এতিয়া
মোৰ প্ৰিয় ঋতু,
শৰৎ আহিছে।
শাৰদী কোমল বা বলিছে।
শাৰদী ৰাণী জনী নকৈ সাজিছে।
প্ৰতিটো বছৰত যেন
তুমি এনেকৈয়ে আঁহা
মোৰ প্ৰিয় ঋতু...
আৰু
ময়ো ৰৈ থাকিম
তোমাৰ বাবেই প্ৰতি পলে...।

**খ্যাতিশ্ৰী হাজৰিকা**





# প্ৰতিধ্বনি

জীৱনক ক'বলৈ মন যায়
সময়বোৰক কৈ দিবি
কাকো দুখ নিদিবলৈ।

ৰৈ যাব নিদিবি
সেই কষ্টৰ ষ্টেপেজত
ধোব দিবি লেতেৰা খোজবোৰক
লৈ থবি তেলিয়া ভাষাবোৰক।

আৰু তই শান্তি দিবি
সেই কলংকিত মানৱক
দিবি ন-পোহৰ, ন-জোনাক
ন-সেউজীৰ সৰলতাৰ সুবাস।

**যমুনা বৰুৱা**

# লৃগাং আৰু মিচিং ডেকা-গাভৰু

উতলা ফাগুন নৌ পাওঁতেই
ফাগুনে মতলীয়া কৰে ডেকা-গাভৰুৰ মন,
মদাৰ-শিমলু ফুলেৰে ৰঙালী হয় ফাগুন,
গাঁৱৰ মূৰৰ 'মুৰঙঘৰ' ভৰি পৰে
চেঙেলীয়া ডেকা-গাভৰুৰে
লৃগাঙৰ বাবে 'গোমৰাগ' নাচত মতলীয়া ডেকা-গাভৰু
তাতেই চলিছিল সিহঁতৰ প্ৰেমৰ আখৰা
কোনোবাই গুণগুনাইছিল আশাৰে সুমধুৰ ঐনিতম
আকৌ আনফালে কাৰোবাৰ হুমুনিয়াহভৰা 'কাবান'
আলিয়াই লৃগাং, পঃৰাগ আৰু ব'হাগ বিহুৰ
সমাগত সময়ে বুৰাই পেলায় সিহঁতৰ কুমলীয়া মন।
কাম-কাজত পাকৈত মিচিং ডেকা-গাভৰুৱে
ঐনিতমৰ সুমধুৰ গীতেৰে দূৰ কৰে নিজৰ যন্ত্ৰণা ভাগৰ
সিহঁতৰ ঐনিতমৰ এক উৎসৱমুখী পৰিৱেশেৰে
বিয়পি পৰে গোটেই মিচিং গ্ৰাম্যাঞ্চল।

**ভৱানী দলে**





# ব'হাগী তুমি বৰ ধুনীয়া

শুকান ফাগুনে বিদায় ল'লে
বসন্তৰ আগজাননিত শীতৰ ঠেৰেঙাই
খবৰ দিলে- ব'হাগ যে দুৱাৰডলীত
হৃদয়ৰ গভীৰতা জুখি ন-ব'হাগে পাতনি মেলে
ঋতুৰাজ বসন্তৰ হাতে
প্ৰকৃতিৰ সেউজীয়া ৰহন ঢালি।
কপৌ, ভাটৌ, চম্পা, নাহৰ, তগৰে
মিচিকিয়াই হাঁহি মাৰে।
পলাসৰ হাতে যুগ-যুগান্তৰৰ মিতিৰালিত
আপোন পাহৰা হয় কুলি কেতেকীজনী।
আৰু ঠেঁহ ধৰি বৰদৈচিলাজনীয়ে
মাকৰ ঘৰলৈ ধাৱমান হয়
তাইৰ দেউকাত বৰযুণ ফুল
পিন্ধনত পানীৰ ৰিহা-মেখেলা
তাইৰ দুচকুত বিজুলীৰ চমকনি
ব'হাগীক যেন তাই কানে কানে কয়
ব'হাগী তুমি বৰ ধুনীয়া।

**দ্বীপশিখা বৰা**

# অৱহেলা

শব্দবোৰ অভাৱ মই
বাৰুকৈ অনুভৱ কৰিছো।
কিমান দিন যে হ'ল,
ডায়েৰীৰ আধাখিলা পাতবোৰ
চিয়াঁহীৰ  পৰশ পোৱা নাই।
বগা কাগজৰ উকা পাতবোৰে
এটা-দুটাকৈ জোৰা লগোৱা
শব্দৰ অপেক্ষাত ৰৈ আছে
কিমান দিন যে হ'ল
ডায়েৰীৰ পাতবোৰত
মোৰ হাতৰ পৰশ বোলোৱা নাই
আধা লিখা কবিতাবোৰে ছাগৈ
এতিয়া, এটা সম্পূৰ্ণ নাম  বিচাৰিছে
কিন্তু নাজানো,
কিয় শব্দৰ অভাৱ মই অনুভৱ কৰিছো,
কিয় ডায়েৰীৰ আধা লিখা পাতবোৰে
চিয়াঁহীৰ পৰশ পোৱা নাই
কিয় বগা কাগজৰ উকা পাতবোৰে
শব্দৰ অপেক্ষাত ৰ'ব লগা হৈছে
কিয় আধালিখা কবিতাবোৰে নিজেই
এটি সম্পূৰ্ণ নাম বিচাৰিছে
হয়তো সেয়া যান্ত্ৰিকতাৰ কবলত
পৰা মোৰ অৱহেলা ।

**কংকনা মৰাং**





# নাৰী তুমি মহান

নাৰী তুমি সঁচাই মহান
তোমাৰ বুকুতেই সৃষ্টি দ্বিতীয় পৃথিৱীৰ যত আৱিস্কাৰ
তুমি জগত জননী, তোমাৰ উমাল পৰশতেই
সাৰ পাই উঠে সমস্ত পৃথিৱী।
তোমাৰ মাতৃত্বৰ মমতাৰ কোলাত নিৰাপদে
নিচামগ্ন শিশুৱে পাৰ কৰে
শৈশৱৰ প্ৰতিটো দিন,
তোমাৰ মমতাৰ আঁচলৰ ছাঁয়ে
আৱৰি ৰাখে প্ৰতিটো জীৱন।
তুমি সমস্ত দুখ, কষ্ট সহিও
সংগ্ৰাম কৰি যোৱা ভৱিষ্যৎ জীৱনৰ বাবে,
এই পুৰুষশাসিত সমাজৰ অত্যাচাৰ
তুমি নীৰৱে সহি কেনেকৈ কৰা জীৱন পাৰ?
তুমি সঁচাই উজ্জ্বয়িনী
তুমি সঁচাই মহান.....।

**বেবী দত্ত**



# मनुष्य का मस्तिष्क

इस धरती पर ढेर सारी है जीव
सबमें नहीं है एक जैसी चीज
हमको मिला मस्तिष्क सबसे कीमती
इस दुनिया में कोई ऐसा वस्तु नहीं
जिसके साथ की जाय तुलना इसकी
सबसे बड़ा कमप्युटर है मस्तिष्क
पर कम्प्युटर बनानेवाला मनुष्य
है सबसे बड़ा है सबसे परिपक्क !

**फार्जिना चुलताना बेगम**



# जिदंगी

जब तक चलेगी जिदंगी की सांसे,
कही प्यार कहीं टकमव मिलेगा।।
कहीँ बनेंगे संवंध अनंर्मन से तो,
कहीं आत्मीयता का अभाव मिलेगा।।
कहीं मिलेगी जिडंगी मे प्रशंसा तो,
कहीं नाराजगियों का बराव मिलेगा।।
कहीं मिलेगी सच्चे मन से दुआ तो,
कहीं भावनाओं मे दुर्भाव मिलेगा।।
कहीं बनेङगै पराए रिस्ते भी अपने तो,
कहीं अपनों से ही खिचांव मिलेगा।।
कहीं होगी खुशामदें चेहरे पर तो,
कहीं पिठ पे बुराई का घाव मिलेगा।।
तु चलाचल राही आपने कर्मपठ पे,
जौसा तेरा भाव वौसा प्रभाव मिलेगा।।
रख स्बभाव मे शुद्धता का स्पर्श तु मिलेगा,
अवश्य जिदंगी का पड़ाव मिलेगा।।

**देवकन्या चिरिं**

# मोहब्बत का रंग

कौन सा रंग है प्रिय तुम्हे...
जो रंग तुम्हे है प्रिय...
लाल...
बेहद लाल...
बसंत के स्पर्श से...
शरमाई प्रकृति सी...
शाख से टूटा सूखा पात...
शाख में सजे नई कपोल...
जैसे शिरीष के फूल...
जैसे ताजा खून...
जैसे लाल गुलहड़...
जैसे लाल गुलाब...
दगमगाते सिन्दूर की तरह...
दहकते अंगार की तरह...
ढलते सूरज की लालिमा...
उगते सूरज की लालिमा...
जैसे मोहब्बत का रंग...
बेहिसाब मोहब्बत का रंग...
बंधनहीन प्यार का बंधन...
विश्वास से भरा अगाध विश्वास..
प्रसन्नता सीमाहीन प्रसन्नता....
जैसे खूब गहरा..लाल रंग...
अत्यंत गहरा..सुखद लाल रंग...!

**एमी मेहजाफी हुसैन**



# ৰং ভালপোৱাৰ

তোমাৰ প্ৰিয় ৰং...
যি ৰং তোমাৰ প্ৰিয়...
ৰঙা...
খুউব ৰঙা...
তেজৰ দৰে...
বসন্তৰ স্পৰ্শত...
লাজুকী প্ৰকৃতি যেন...
মৰহা পাতৰ দৰে...
কুঁহিপাতৰ দৰে...
কৃষ্ণচূড়াৰ দৰে...
দগ্ধ অঙঠাৰ দৰে...
ৰক্তজবাৰ দৰে...
ৰঙা গোলাপৰ দৰে...
অস্তগামী সুৰুজৰ দৰে...
উদিত সুৰুজৰ দৰে...
ঠিক ভালপোৱাৰ দৰেই...
সীমাহীন ভালপোৱাৰ দৰেই...
বান্ধোনহীন মৰমৰ বান্ধোন...
বিশ্বাসেৰে ভৰা অগাধ বিশ্বাস...
প্ৰসন্নতা সীমাহীন প্ৰসন্নতা...
খুউব গাঢ়... ৰঙা ৰং...
অতিক গাঢ়... সুখৰ ৰঙা ৰং...।


**এমী মেহজাফী হুছেইন**


# শব্দ

মৃত ভ্ৰূণে শব্দ নকৰে
শব্দ কৰে বাটৰুৱাবোৰে
কেতিয়াবা দুখৰ কেতিয়াবা হাঁহিৰ শব্দ।

এনে কিয় হয়?
কেতিয়াবা চোতালৰ শেৰালি সৰাই
এখন বগা চাদৰ নিমাতে ৰয়।
নিশব্দে কিয় হয়-
যেতিয়া ৰঙীন কাপোৰৰ আঁৰে আঁৰে
এটা পশুৰ জন্ম হয়।
বিজ্ঞানৰ বিস্ফোৰণত শব্দ হয়
মেঘত হয়, ভূ-গৰ্ভত হয়
হিংসাত হয়, সন্দেহত হয়
অথচ জীৱন ধ্বংসৰ বিস্ফোৰণত
শব্দ নহয়... কিয়?
মৃত ভ্ৰূণে শব্দ নকৰে
শব্দ কৰে বাটৰুৱাবোৰে।

**চুমি গোস্বামী**





# Personal Quest


For most of my life, I've been a quest
Wondering around who I might be,
Searching earnestly, day after day,
Desperate enough to recognize me.

In this ocean of life I seemed
Like a lurking sailor.
Trying hard to get into place with
Peace but ended up being a failure.

I've felt the moments of utter joy
And moments my heart couldn't go on
But still with hope my heart didn't stop
Beating, knowing that I had to be strong.

You'll still see me struggle but with the
Biggest smile in peace,
With the urge to be better and the
Hope that these thoughts would cease.

**Kasmita Dutta**



# বিভাগীয় সম্পাদকৰ প্ৰতিবেদন

২০২১-২২ বৰ্ষ

লক্ষীমপুৰ বালিকা মহাবিদ্যালয়
ছাত্ৰী একতা সভা

# ছাত্ৰী একতা সভাৰ সভাপতিৰ প্ৰতিবেদন



**চয়নিকা বৰ্মন**

“নতুন আশাৰে
ন ঘৰ সাজিছো
নকৈ বান্ধিছো ভেটি
ন ন যুগৰে বতাহ বলিছে
ন সুৰুযৰে জ্যোতি”

যিসকল পূণ্যাত্মা তথা দূৰদৰ্শী ব্যক্তিৰ বলিষ্ঠ প্ৰচেষ্টাত নাৰী শিক্ষাৰ অগ্ৰণী প্ৰতিষ্ঠান খ্যাত আপোন মহাবিদ্যালয়লৈ সোণালী বৰ্ষত ভৰি দিলেহি তেখেতসকলক আজি মই মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে শ্ৰদ্ধাৰে সোঁৱৰিছো।

মহাবিদ্যালয়খনৰ শান্ত সেউজীয়া পৰিবেশৰ মাজত খিলখিলাই থকা হাজাৰজনী গাভৰুৰ জীয়া সপোনবোৰ পূৰণৰ স্বাৰ্থত মহাবিদ্যালয়খনক আৰু এখোজ সফলতাৰ দিশত আগুৱাই নিয়াৰ হেঁপাহত মই আপোন মহাবিদ্যালয়খনৰ ছাত্ৰী একতা সভাৰ সভাপতিৰ পদত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিলো। মোৰ এই হেঁপাহক শুভাকাংক্ষীসকলেও সমৰ্থন কৰি এখোজ বিশ্বাসৰ দিশে আগুৱাই দিয়াৰ বাবে মই চিৰকৃতজ্ঞ।

মহাবিদ্যালয়খনক এখোজ আগবঢ়াই নিয়াৰ ক্ষেত্ৰত মই কিমান দূৰ সফল হ'ব পাৰিলো সেয়া আপোনালোকৰ বিচাৰ্য বিষয় কিন্তু মই মোৰ ফালৰ পৰা যিমান দূৰ সম্ভৱ সিমান দূৰ প্ৰচেষ্টা আগবঢ়াইছিলো। আপোন মহাবিদ্যালয়খনে দিয়া এটা নতুন পৰিচয়েৰে দুটা বছৰ অতিক্ৰম কৰিলো। অতিবাহিত এই দুটা বছৰত মই নানা জ্ঞান,অভিজ্ঞতা, ঘাট-প্ৰতিঘাট বুটলিবলৈ সক্ষম হ'লো, লগ পালো অভিজ্ঞতাপুষ্ট বহু বিশেষ বৰেণ্য ব্যক্তি।

মানৱধ্বংসী কৰোণাই মোৰ কাৰ্যকালৰ সময়সীমাক দুবছৰীয়া কৰি পেলালে।

মহাবিদ্যালয়ৰ শৈক্ষিক, দৈহিক, মানসিক বিকাশৰ ক্ষেত্ৰত এই সময়ছোৱাত যথেষ্ট বাধা আহি পৰিছিল। ঘৰৰ চাৰিবেৰৰ মাজত আৱদ্ধ হৈও মহাবিদ্যালয়ৰ হৈ অনলাইন মাধ্যমেৰে বিভিন্ন ধৰণৰ অনুষ্ঠান আয়োজন কৰিছিলো।

১৬ আগষ্ট দিনা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে অনলাইন মাধ্যমেৰে এখনি বক্তৃতা প্ৰতিযোগিতা আয়োজন কৰিছিলো। উক্ত অনুষ্ঠানটিত বিচাৰক হিচাপে আমাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ মুচফিক আৰা তৈয়ব বাইদেউ উপস্থিত আছিল।

ইয়াৰ উপৰিও সদৌ অসম ভিত্তিত ৰচনা প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতাৰ লগতে বিভিন্ন দিৱসৰ লগত সংগতি ৰাখি বিভিন্ন অনুষ্ঠান অনুষ্ঠিত কৰা হৈছিল অনলাইন মাধ্যমেৰে।

আমাৰ কাৰ্যকালত ছাত্ৰী একতা সভাই আয়োজন কৰা বিভিন্ন অনুষ্ঠান সমূহৰ ভিতৰতঃ

২০২০ বৰ্ষৰ সৰস্বতী পূজা ঃ বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱীৰ পূজাভাগ আয়োজন কৰাই হৈছে আমাৰ ছাত্ৰী একতা সভাৰ প্ৰথমটো কাম। পূজাভাগ উলহ-মালহেৰে আয়োজন কৰাৰ লগতে সৰস্বতী পূজাৰ লগত সংগতি ৰাখি সতীৰ্থ গ্ৰন্থমেলা ৩ দিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হৈছিল।

প্ৰতিভা সন্ধানী সভা ঃ যিহেতু কৰোণা মহামাৰীৰ বাবে নৱাগতা আদৰণিৰ লগতে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰিব পৰা নহ'ল, সেইবাবে ইয়াৰ লগত সংগতি ৰাখি ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভা বিকাশৰ উদ্দেশ্য "প্ৰতিভা সন্ধানী" নামেৰে ৩ দিনীয়া কাৰ্যসূচীৰে এটি অনুষ্ঠান অনুষ্ঠিত কৰা হয়।

বিশ্ব পৰিৱেশ দিৱস ঃ ২০২১ ৰ ৫ জুন অৰ্থাৎ বিশ্ব পৰিৱেশ দিৱসৰ দিনা যিহেতু মহাবিদ্যালয় বন্ধ আছিল সেয়ে অনলাইন মাধ্যমেৰে ইয়াৰ লগত সংগতি ৰাখি এখনি সভা অনুষ্ঠিত কৰা হৈছিল। প্ৰত্যেক গৰাকী ছাত্ৰীয়ে যাতে ঘৰতে একোজোপাকৈ গছপুলি ৰোপণ কৰে সেয়াই আছিল আমাৰ মূল উদ্দেশ্য।

২০২১ বৰ্ষৰ সৰস্বতী পূজা ঃ বিগত বছৰবোৰৰ দৰে এই বছৰো সতীৰ্থ গ্ৰন্থমেলাৰ লগতে সৰস্বতী পূজাভাগো উলহ মালহেৰে আয়োজন কৰা হৈছিল।

এনাজৰী ঃ লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ নৱাগতাসকলক মহাবিদ্যালয় সেউজীয়াৰ মাজলৈ আদৰণি জনোৱাৰ উদ্দেশ্যে এনাজৰী নামেৰে শীৰ্ষক অনুষ্ঠানটি আয়োজন কৰা হৈছিল। ক'ভিড পৰিস্থিতি সুচল নোহোৱাৰ বাবে অনুষ্টুপীয়াকৈ অনুষ্ঠানটি আয়োজন কৰা হৈছিল। উক্ত অনুষ্ঠানটিত আমন্ত্ৰিত অতিথি হিচাপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড° প্ৰাঞ্জল বুঢ়াগোঁহাই আৰু গ্ৰন্থ উন্মোচনৰ বাবে উদ্ধৱ ভঁৰালীদেৱ উপস্থিত থাকে।

ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ তথা ছাত্ৰীসকলৰ সুবিধাৰ অৰ্থে কেইবাখনো কাৰ্যনিৰ্বাহক সভা আয়োজন কৰা হৈছিল। এই বছৰতে মহাবিদ্যালয়ৰ সংবিধানখনো পুনঃ নিৰিক্ষণ কৰা হ'ল। শিক্ষক-কৰ্মচাৰী, ছাত্ৰীসকলৰ সহযোগিতা বিশেষকৈ অধ্যক্ষ ড° সুৰজিত ভূঞা ছাৰ আৰু তত্বাৱধায়কসকলৰ সহায়ে আমাৰ প্ৰত্যেকগৰাকী সম্পাদিকাক উৎসাহিত কৰি আহিছে।

সদৌ শেষত আপোন মহাবিদ্যালয়খন যেন আৰু আগুৱাই যাওঁক বিশ্ব দৰবাৰত যেন আপোন মহাবিদ্যালয়খন জিলিকি ৰওঁক, জিলিকি ৰওঁক ইয়াৰ প্ৰতিগৰাকী ছাত্ৰী তাৰে কামনাৰে-

"জয়তু লক্ষীমপুৰ বালিকা মহাবিদ্যালয়"

"জয়তু লক্ষীমপুৰ বালিকা মহাবিদ্যালয় ছাত্ৰী একতা সভা"

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



## পদ্মিনী দত্ত

মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল বৰেণ্য ব্যক্তিক শ্ৰদ্ধাৰে সোঁৱৰিছো- যিসকলৰ মহান ত্যাগৰ বিনিময়ত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ নাৰী শিক্ষাৰ অগ্ৰণী প্ৰতিষ্ঠান এই লক্ষীমপুৰ বালিকা মহাবিদ্যালয়খনিয়ে গঢ় লৈ উঠিছে।

মহাবিদ্যালয়খনত ২০১৭ বৰ্ষত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত প্ৰথমবাৰৰ খোজ দিছিলো। সেই সেউজীয়া পৰিৱেশটো আৰু মহাবিদ্যালয় পৰিয়ালটোৰ লগত মোৰ যেন এটা এৰাব নোৱাৰা সম্পৰ্ক গঢ় লৈ উঠিল। লাহে লাহে মহাবিদ্যালয়খনক সেৱা কৰাৰ হেঁপাহ মনত দুগুণে বৃদ্ধি পালে। ২০১৯ বৰ্ষত স্নাতক প্ৰথম মহলাৰ প্ৰথম ষাণ্মাসিকত মহাবিদ্যালয়খনিক সেৱা কৰাৰ বাবে নিজকে অৰ্পন কৰিলো। মহাবিদ্যালয়খনৰ পৰিয়ালটোৱে মোৰ ওপৰত ৰখা বিশ্বাসৰ বাবে মহাবিদ্যালয়খনক লৈ থকা সপোনটো পূৰ হ'ল ২০২০-২১ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে মহাবিদ্যালয়ৰ বাবে প্ৰতিটো খোজতে যৎপৰোনাস্তি চেষ্টা কৰিলো।

শিক্ষাগুৰুসকলৰ আশীৰ্বাদ, অগ্ৰজসকলৰ দিহা-পৰামৰ্শ তথা অনুজসকলৰ মৰম চেনেহে মহাবিদ্যালয়খনক আৰু অলপ বেছিকৈ বাল পাবলৈ বাধ্য কৰিলে। ফলত স্নাতক দ্বিতীয় ষাণ্মাসিকত সাধাৰণ সম্পাদক হিচাপে দায়িত্ব ভাৰ গ্ৰহণ কৰিলো।

এই চেগতে মোৰ চিৰ পূজনীয় শিক্ষাগুৰুসকলৰ লগতে মহাবিদ্যালয়ৰ পৰিয়ালৰ সকলো সদস্য সদস্যালৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছো। প্ৰতিক্ষণতে মোক দিহা পৰামৰ্শ তথা সাহসেৰে বাট বুজি যাবলৈ আগবঢ়াই দিয়াৰ আঁৰৰ মোৰ বাইদেউ-ভণ্টি তথা সহপাঠিসকললৈ মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। আপোনালোকৰ অবিহনে এই প্ৰতিবেদন লিখাটো মোৰ বাবে অবাস্তৱ।

যিহেতু মোৰ সময়চোৱাত দেশত কৰ'ণা মহামাৰীৰ দৰে ৰোগে গ্ৰাস কৰি আছিল, সেইয়ে মোৰ এবছৰৰ কাৰ্যকালৰ পৰিৱৰ্তে দুবছৰৰ কাৰ্যকালত অনুষ্ঠি হোৱা অনুষ্ঠানসমূহত মোৰ বান্ধৱী তথা ছাত্ৰী একতা সভাৰ সভানেত্ৰী চয়নিকা বৰ্মণৰ সহযোগিতা বাৰুকৈয়ে লেখত ল'বলগীয়া।

মোৰ কাৰ্যকালৰ চমু খতিয়ান তলত দাঙি ধৰিলো--

১। সৰস্বতী পূজা ঃ শপত গ্ৰহণৰৰ পাছত আমাৰ প্ৰথম কাৰ্যসূচী আছিল ২০২০ বৰ্ষৰ সৰস্বতী পূজাৰ আয়োজন কৰা। মহাবিদ্যালয়ৰ সমূহ সদস্য-সদস্যাৰ সহযোগত অতি উলহ মালহেৰে সৰস্বতী পূজা সাফল্যমণ্ডিত হয়। যিহেতু সৰস্বতী বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী, গতিকে সেই দিশৰ ওপৰত লক্ষ ৰাখি সকলো ছাত্ৰীক গ্ৰন্থৰ প্ৰতি আকৰ্ষিত কৰিবৰ বাবে মহাবিদ্যালয়ৰ লগত জড়িত সতীৰ্থ গ্ৰন্থমেলা তিনি

দিনৰ বাবে অনুষ্ঠিত কৰা হয়।

২। প্ৰতিভা সন্ধানী ঃ যিহেতু সেই সময়চোৱাত কৰ'ণা মহামাৰিৰ দৰে ৰোগে সমগ্ৰ দেশখনকে অন্ধকাৰত পৰিণত কৰিছিল, সেয়েহে আমি নৱাগতা আদৰণি সভা আৰু মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰাৰ পৰা বিৰত থকাৰ বাবে মহাবিদ্যালয়ৰ সেই আগৰ সেউজীয়াৰে জীপাল কৰি পুনৰ আগৰ গতিধাৰা অক্ষুন্ন ৰাখিবৰ বাবে প্ৰতিভা-সন্ধানী নামেৰে তিনিদিনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয়ৰ ছাত্ৰীৰ প্ৰতিভা বিকাশৰ বাবে প্ৰতিভা সন্ধানী সভাখন অনুষ্ঠিত কৰা হয়। কিয়নো বালিকা মহাবিদ্যালয়ৰ এনে এখন মঞ্চ য'ৰ পৰা সকলোৰে প্ৰতিভা বিকাশ হোৱাটো নিশ্চিত।

৩। বিশ্ব পৰিৰেশৰ দিৱস, ৫ জুন ঃ ঠিক একেদৰে মহামাৰী কৱলত পৰি আমি অনলাইন যোগে বিশ্ব পৰিৰেশ দিৱস অনুষ্ঠিত কৰি পৰিৰেশ সজাগতা বৃদ্ধি কৰি প্ৰতিগৰাকী ব্যক্তিক এজোপাকৈ বৃক্ষ ৰূপণ কৰিবলৈ আহ্বান জনাইছিলো।

৪। মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস ঃ ১৯৭২ চনতে প্ৰতিষ্ঠা লাভ কৰা ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ নাৰী শিক্ষাৰ অগ্ৰণী প্ৰতিষ্ঠান লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ ৪৯ তম প্ৰতিষ্ঠা দিৱস উপলক্ষে অনলাইন মাধ্যমেৰে সভাখন অনুষ্ঠিত কৰি বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

৫। সৰস্বতী পূজা ঃ কৰ'ণা মহামাৰিৰ বাবে কলেজ কতৃপক্ষৰ সিদ্ধান্ত মৰ্মে সৰস্বতী পূজা পুনৰ উলহ-মালহেৰে অনুষ্ঠিত কৰা হয়। একেদৰে সতীৰ্থ গ্ৰন্থমেলা তিনি দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়।

৬। নৱাগতা আদৰণি সভা ঃ সেউজীয়া পৃথিৱীখনত নতুনৰ প্ৰগতিৰ বাট বুলি যাবলৈ আগবাঢ়ি অহা পখিলাজাকক আদৰিবৰ বাবে 'এনাজৰী' নামেৰে নৱাগতা আদৰণি সভা অনুষ্ঠিত কৰা হয়। ড॰ উদ্ধৱ ভৰালী ছাৰ আৰু ড॰ প্ৰাঞ্জল বুঢ়াগোহাঁই ছাৰে আমাৰ নিমন্ত্ৰণ ৰক্ষা কৰি তেওঁলোকৰ সৃজনীশীল ব্যক্তব্যৰে সকলোকে অধিক উৎকণ্ঠা প্ৰদান কৰিলে। তেওঁলোক দুজনৰ নেতৃত্ব আৰু অনুপ্ৰেৰণাত অনুষ্ঠানটি সাফল্যমণ্ডিত হ'ল। একেদৰে সুকলমে উৎসাহ উদ্দীপনাৰে নৱাগতা আদৰণি সভাখন অনুষ্ঠিত কৰা হ'ল।

# সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



**চিম্পী দত্ত**

ব্ৰহ্মপুত্ৰ উত্তৰ পাৰৰ নাৰীশিক্ষাৰ অগ্ৰণী প্ৰতিষ্ঠান লক্ষীমপুৰ বালিকা মহাবিদ্যালয়। দুচকুত অযুত স্বপ্নৰে সহিতে এটি সুন্দৰ ভৱিষ্যত গঢ়াৰ আশাৰে মই এই সেউজীয়া উপত্যকাত ভৰি থৈছিলো। মহাবিদ্যালয়ৰ উন্নতি হকে কিবা এটা কৰাৰ আশা বুকুত বান্ধি মই ২০২০ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনত সাহিত্য আৰু আলোচনী পদত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিলো আৰু জয়ী হৈছিলো। এই সুযোগতেই এইক্ষেত্ৰত মোক মৰম ও আশীৰ্বাদ

তথা সাহস দিয়া শিক্ষাগুৰু তথা অগ্ৰজ অনুজ আৰু সহপাঠীবৃন্দক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্যকালত এই মহাবিদ্যালয় খনৰ সাহিত্যৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে পাৰ্যমানে যত্ন কৰিলোঁ। এইক্ষেত্ৰত মই কিমান দূৰ সফল হ'লো সেইয়া আপোনাসৱৰ বিচাৰ্য বিষয়। মোৰ দায়িত্বসমূহ সুচাৰুৰূপে পালন কৰাত মোক সহায় সহযোগিতা আগবঢ়োৱা সকলোলৈকে মোৰ হিয়া কৃতাঞ্জলি যাচিলোঁ।

২০ নৱেম্বৰ ২০২১ তাৰিখে অনুষ্ঠিত হোৱা 'এনাজৰী' অনুষ্ঠানটিত আমাৰ মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকাখনি উন্মোচন কৰা হয়। প্ৰাচীৰ পত্ৰিকা খন উন্মোচক ড° উদ্ধৱ ভৰালী ছাৰলৈ এই সুযোগতেই কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। আৰু লগতে এই প্ৰাচীৰ পত্ৰিকাখনি প্ৰস্তুত কৰাত সকলো দিশতে বিশেষ দিহা পৰামৰ্শ আগবঢ়োৱা প্ৰাচীৰ পত্ৰিকা বিভাগৰ তত্বাৱধায়ক নিবেদিতা শৰ্মা বাইদেউ আৰু সাহিত্য আৰু আলোচনী বিভাগৰ তত্বাৱধায়ক নিপন পাংগিং ছাৰলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে প্ৰাচীৰ পত্ৰিকাখনি প্ৰস্তুত কৰোতে সকলো দিশতে সহায় সহযোগিতা আগবঢ়োৱা মোৰ সহপাঠী তাচকিয়া ৰহমান বড়া আৰু অনুজ ৰেডিএণ্ট, জেনিফাৰ, ভাগ্যশ্ৰী, তুইনা আৰু তনয়া সকলোকে মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

কৰোণা মহামাৰী সংক্ৰমনৰ প্ৰতিৰোধৰ বাবে দিয়া তলাবন্ধৰ দিনসমূহ মহাবিদ্যালয়ৰ শ্ৰেণীসমূহ স্থগিত ৰখা হৈছিল যাৰ পৰিলক্ষিতত বিশেষ দিৱস বা দিন সমূহত সমূহীয়াকৈ সমবেতভাৱে যিকোনো অনুষ্ঠান বা প্ৰতিযোগিতা অনুস্থিত কৰা সম্ভৱ হৈ উঠা নাছিল। তথাপিও অনলাইন যোগে বিভিন্ন বিশেষ দিৱস সমূহৰ লগত সংগতি ৰাখি বিভিন্ন প্ৰতিযোগিতা আয়োজন কৰিছিলোঁ। অনলাইন যোগে আয়োজন কৰা প্ৰতিযোগিতা সমূহত মহাবিদ্যালয়ৰ সকলো ছাত্ৰীৰ সঁহাৰি নাছিল যদিও আধা সংখ্যক ছাত্ৰীয়ে প্ৰতিযোগিতা সমূহত নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰি প্ৰতিযোগিতা সমূহ সফল ৰূপত ৰূপায়ন কৰা বাবে সকলোলৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

প্ৰতিযোগিতাসমূহ আছিল এনেধৰণৰ-

(১) বিশ্ব পৰিবেশ দিৱসৰ লগত অনলাইন বক্তৃতা প্ৰতিযোগিতা।

(২) সুগন্ধি পখিলাৰ কবি হীৰুদাৰ জন্ম জয়ন্তী লগত সংগতি ৰাখি সদৌ অসম ভিত্তিত স্বৰচিত কবিতা প্ৰতিযোগিতা।

(৩) ১৫০ বছৰীয়া গান্ধী জয়ন্তীৰ লগত সংগতি ৰাখি ৰচনা প্ৰতিযোগিতা।

(৪) মহাবিদ্যালয়ৰ ৪৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে ১৬/০৮/২০২০ তাৰিখে আয়োজন কৰা হৈছিল বক্তৃতা প্ৰতিযোগিতা।

(৫) লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ সাহিত্য শাখাৰ উদ্যোগত আৰু পাঞ্চজন্য বুকছ্‌ৰ সহযোগত আয়োজন কৰা হৈছিল সদৌ অসম ভিত্তিত ৰচনা প্ৰতিযোগিতা।

কৰোণা মহামাৰী প্ৰতি ৰক্ষা অৰ্থে ঘোষণা কৰা তলাবন্ধৰ বাবে মহাবিদ্যালয় সপ্তাহ আমি ছাত্ৰীসকলে অন্য বছৰৰ দৰে আমাৰ প্ৰতিভা সমূহ প্ৰদৰ্শনৰ পৰা বঞ্চিত থাকিব লগা হৈছিল যদিও এই মহামাৰী প্ৰকোপৰ পৰা সুকলমে সকলো পৰিৱৰ্তিত দিনবোৰ পাৰ কৰি আকৌ সকলো সেউজ নগৰীত লোপ হোৱাৰ পিছত মহাবিদ্যালয়ৰ সপ্তাহৰ অন্তৰালত এক 'এনাজৰী' নামৰ অনুষ্ঠান আয়োজন কৰা হৈছিল।

এই অনুষ্ঠানত আয়োজন কৰা প্ৰতিযোগিতাসমূহ আছিল এনেধৰণৰ-

(১) বিভাগীয় প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতা

প্ৰথম- উদ্ভিদ বিজ্ঞান বিভাগ

দ্বিতীয়- ৰসায়ন বিভাগ
তৃতীয়- অৰ্থনীতি বিজ্ঞান বিভাগ
উদ্‌গণিমূলক বঁটা- ৰাজনীতি বিজ্ঞান
বেটুপাত ঃ প্ৰথম- গণিত বিভাগ
সম্পাদকীয় ঃ উদ্ভিদ বিজ্ঞান বিভাগ
অলংকৰণ- প্ৰথম ঃ উদ্ভিদ বিজ্ঞান বিভাগ
দ্বিতীয় ঃ ৰসায়ন বিভাগ
পূৰ্বে প্ৰস্তুত প্ৰতিযোগিতাসমূহ-
১) গল্প প্ৰতিযোগিতা
২) প্ৰবন্ধ প্ৰতিযোগিতা
৩) কবিতা প্ৰতিযোগিতা

# তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



## পূজা নাথ

নমস্কাৰ গ্ৰহণ কৰিব। লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ে গৌৰৱোজ্জ্বল ৫০ বছৰ সম্পূৰ্ণ কৰাটো উজনি অসমৰ এখন নাৰী উচ্চ শিক্ষাৰ কেন্দ্ৰ স্বৰূপে এটা ঐতিহাসিক ঘটনা বুলি কব পাৰি। তাহানিৰ দিনত নাৰীয়ে শিক্ষা গ্ৰহণ কৰাটো দূৰৰ কথা নাৰীৰ একোটেই স্বাধীনতা নাছিল। তেনে এখন সমাজৰ বিভিন্ন বাধাক নেওচি ১৯৭২ চনত যিসকল গুণী-মানী ব্যক্তিৰ অসীম প্ৰচেষ্টা, ত্যাগ আৰু সুসংহত চিন্তাৰ ফলস্বৰূপে বৰ্তমানৰ লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ জন্ম দিলে সেই সকল মহান মনীষীক শ্ৰদ্ধাৰে সুঁৱৰিছো। লগতে এই দেশ-স্বজাতি তথা নৱ-প্ৰজন্মক সোণালী ভৱিষ্যতৰ হেতু নিজৰ সেউজীয়া বৰ্তমানক বিসৰ্জন দিয়া জ্ঞাত-অজ্ঞাত অসমী আইৰ সু-সন্তান বীৰ শ্বহীদক মোৰ ফালৰ পৰা জনাইছোঁ সশ্ৰদ্ধ প্ৰণিপাত।

স্ত্ৰী শিক্ষাৰ অন্যতম শিক্ষানুষ্ঠান সোণালী জয়ন্তীবৰ্ষ গৰকা ঐতিহ্য মণ্ডিত লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ ২০২০-২১ বৰ্ষৰ ছাত্ৰী একতা সভাৰ 'তৰ্ক আৰু আলোচনা' বিভাগৰ সম্পাদক হিচাপে বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হৈ মহাবিদ্যালয়ৰ গৌৰৱোজ্জ্বল ইতিহাসত এটি স্বাক্ষৰ বহন কৰা এখিলা পাতৰ অংশীদাৰ হ'বলৈ পাই নিজকে সৌভাগ্যৱান বুলি ভাবিছো। 'তৰ্ক আৰু আলোচনা' বিভাগৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ ক্ষেত্ৰত

প্ৰতিটো পদক্ষেপতে পৰামৰ্শ আৰু সহযোগিতা আগবঢ়োৱা বিভাগীয় উপদেষ্টা শ্ৰীযুত দুলেন গগৈ ছাৰৰ লগতে মোৰ শ্ৰদ্ধাৰ অন্য শিক্ষাগুৰু সকললৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। কাৰ্যভাৰ গ্ৰহণ কৰা দিনৰে পৰা মহাবিদ্যালয়ত অনুষ্ঠিত প্ৰতিটো অনুষ্ঠান সাফল্যমণ্ডিত কৰি তোলাত যিমান দূৰ পাৰিছিলো অন্তঃকৰণেৰে সহায়-সহযোগিতা আগবঢ়াইছিলোঁ।

আনুষ্ঠানিকভাৱে ছাত্ৰী একতা সভাৰ 'তৰ্ক আৰু আলোচনা' বিভাগৰ সম্পাদক হিচাপে মহাবিদ্যালয় খনত স্বীকৃতি পোৱা সেই দিনটো মোৰ মনত চিৰস্মৰণীয় হৈ ৰ'ব। এই প্ৰতিবেদনৰ জৰিয়তে মই আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী গৰীয়সীময়ী ভূঞা আৰু পাহী দাস লৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ যিয়ে মোক এই দায়িত্ব পালনৰ দিশে আগবঢ়াই দিছিল। এওঁলোকৰ লগতে গীতা পাদি বা, নিকিতা বৰা বা আৰু মোৰ শুভাকাংক্ষী সকলোকে ধন্যবাদ জ্ঞাপন কৰিছো। লগতে মোৰ জন্মদাত্ৰী মা (অৰ্চনা নাথ) লৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এই সময়ছোৱাত মোক উৎসাহ, অনুপ্ৰেৰণা দিয়াৰ বাবে।

ছাত্ৰ একতা সভাৰ নৱনিৰ্বাচিত সমূহ সদস্যাই এক ন-উদ্যমেৰে কাৰ্যভাৰ গ্ৰহণ কৰি মহাবিদ্যালয় খনৰ সৰ্বতোপ্ৰকাৰে উন্নয়নৰ বাবে দৃঢ়-প্ৰতিজ্ঞ হয়।

কাৰ্যভাৰত থকা দিনকেইটা মহাবিদ্যালয়খনিত সৰস্বতী পূজা, মহাবিদ্যালয় সপ্তাহ, নৱাগতা আদৰণি সভাৰ লগতে সোণালী জয়ন্তী উপলক্ষে প্ৰাক্তন ছাত্ৰী সমাৰোহ অনুষ্ঠিত কৰা হয়। তাৰ পৰবৰ্তী সময়ত বিশ্বত কৰোণা মহামাৰিয়ে বিধস্ত পৰিৱেশৰ সৃষ্টি কৰিছিল।

প্ৰথমেই, কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত ২৯-০২-২০২০ চনত তেজপুৰ বিশ্ববিদ্যালয়ত "Inter-Institution Debate Competition" ত আমাৰ মহাবিদ্যালয়ৰ দুগৰাকী ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। মহাবিদ্যালয়ৰ পৰা তেজপুৰ বিশ্ববিদ্যালয়লৈ এই যাত্ৰাত সহযোগী তথা পৰামৰ্শদাতা হিচাপে মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীযুত বিকাশ দাস ছাৰ আৰু ২০১৯-২০ বৰ্ষৰ সহঃসম্পাদিকা ৰাম্না দলে বায়ে। এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে-

(i) প্ৰেৰণা ভূঞা - Home Science Dept.

(ii) কৌশিকী পুৰকায়স্থ - English Dept.

ইয়াৰ পৰৱৰ্ত্তী কাৰ্যসূচী ০৭-০৩-২০২২ তাৰিখে শ্ৰীযুত কে. এছ. খণ্ডায়াত্ৰেয় ছাৰৰ তত্বাৱধানত এখন কুইজ অনুষ্ঠিত হয়। তাৰ ফলাফল হ'ল-

প্ৰথম পুৰস্কাৰ- ৰাজনীতি বিজ্ঞান বিভাগ

দ্বিতীয় পুৰস্কাৰ - দৰ্শন বিভাগ

তৃতীয় পুৰস্কাৰ - অৰ্থনীতি বিভাগ।

কৰোণাৰ বাবে সকলো প্ৰতিষ্ঠান বন্ধ হোৱাত সকলো নিস্তব্ধ হৈ যায়। পৰিস্থিতি ভাল হোৱাত ২৩-০১-২০২১ ত লখিমপুৰ শৈক্ষিক ভৱনত National Voter's Day নামৰ অনুষ্ঠান আয়োজন কৰে আৰু প্ৰথম স্থান দখল কৰে। অংশগ্ৰহণ কৰিছিল- গীতাৰ্থী শইকীয়া- বুৰঞ্জী বিভা গ।

লাকী বৰুৱা - দৰ্শন বিভাগ।

আছিফা ছামচী - ৰাজনীতি বিজ্ঞান বিভাগ

অৰ্চনা বৰুৱা - বুৰঞ্জী বিভাগ

একেবাৰে শেষত, 'জিলা পুথিভঁৰাল, লখিমপুৰ' প্ৰেক্ষাগৃহতপদ্মনাথ গোহাঞিবৰুৱাৰ জন্মজয়ন্তী উপলক্ষে অনুষ্ঠিত এখন প্ৰতিযোগিতাত বিভিন্ন শাখাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীয়ে অংশ গ্ৰহণ কৰিছিল-

ৰচনা প্ৰতিযোগিতাৰ ফলাফলসমূহ-

| | | | |
|---|---|---|---|
| প্ৰথম | - | চাবিনা য়াচমিন | - অসমীয়া বিভাগ |
| দ্বিতীয় | - | সৃষ্টিপ্ৰিয়া দাস | |
| তৃতীয় | - | ৰিতুপ্ৰিয়া নেওগ | |
| চতুৰ্থ | - | নিকুমণি টাইড | |
| পঞ্চম | - | কৰিশ্মা গগৈ | |

চিত্ৰাংকন প্ৰতিযোগিতাত-

| | | |
|---|---|---|
| প্ৰথম | - | ৰিমঝিম কৌশিক |

সৰ্বশেষত, কাৰ্যকালত মোৰ অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে মই সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছো। লক্ষীমপুৰ বালিকা মহাবিদ্যালয়খনিৰ সুস্থ শৈক্ষিক পৰিৰেশে সকলো ছাত্ৰীৰে প্ৰতিভা বিকাশ সাধনত সহায় কৰে যেন। আমাৰ চিৰ সেউজীয়া মহাবিদ্যালয়খন দীৰ্ঘজীৱি হওক, সুখ্যাতিৰে জিলিকি থাকক।

"জয়তু লক্ষীমপুৰ বালিকা মহাবিদ্যালয়।"

"জয়তু লক্ষীমপুৰ বালিকা মহাবিদ্যালয় ছাত্ৰী একতা সভা।"

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



## গায়ত্ৰী বৰা

প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল বৰেণ্য ব্যক্তিক শ্ৰদ্ধা নিবেদিছোঁ, যিসকলৰ অক্লান্ত চেষ্টা অহোপুৰুষাৰ্থৰ ফলত উজনি অসমৰ অগ্ৰণী নাৰী শিক্ষাৰ প্ৰতিষ্ঠান লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ে প্ৰাণ পাই উঠিছিল।

দুচকুত অযুত সপোন জ্ঞানৰ পোহৰ বিচাৰি ভৰি দিছিলো। এই সেউজীয়াৰ বুকুত। অতি কম সময়তে মহাবিদ্যালয়খনৰ প্ৰতিটো দিশেই মোক খুবেই আকৰ্ষণ কৰিছিল। বগা সাজযোৰৰ লগত সেউজীয়া দুপাত্তাখনে দিয়া নতুন পৰিচয়টোৰ সৈতে মহাবিদ্যালয়খনৰ বাবে কিবা এটাৰ কৰাৰ হেঁপাহ জাগি উঠিছিল মনত। লখিমপুৰৰ খেলমাটিত অৱস্থিত ঐতিহ্যমণ্ডিত এই মহাবিদ্যালয়খনিত ২০২০-২০২১ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে সমাজ সেৱা বিভাগত সেৱা আগবঢ়াবলৈ সুবিধা দিয়াৰ

বাবে মই সকলোৰে ওচৰত চিৰকৃতজ্ঞ। এনে এখন মহাবিদ্যালয়ৰ সকলো ছাত্ৰীৰ আশা-আকাংক্ষাক প্ৰতিনিধিত্ব কৰা ছাত্ৰী একতা সভাৰ সদস্য ৰূপে নিৰ্বাচিত হৈ মহাবিদ্যালয়খনত সেৱা আগবঢ়াবলৈ পোৱাটো মোৰ বাবে সৌভাগ্যৰ বিষয়।

মোৰ কাৰ্যকালত দেশত হৈ থকা কৰোণা মহামাৰী বাবে প্ৰতিবছৰে অনুষ্ঠিত হৈ থকা মহাবিদ্যালয়ৰ সপ্তাহ অনুষ্ঠিত কৰিব পৰা নগ'ল। তেনেস্থল 'প্ৰতিভা সন্ধানী' নামৰ এটা অনুষ্ঠান অনুষ্ঠিত কৰা হ'ল। তলত মই প্ৰতিভা সন্ধানীত অনুষ্ঠিত কৰা প্ৰতিযোগিতাৰ খতিয়ান দাঙি ধৰিলো। সমাজ সেৱা বিভাগৰ প্ৰতিযোগিতাৰ ফলাফল-

| | | |
|---|---|---|
| প্ৰথম | ঃ | উদ্ভিদ বিভাগ |
| দ্বিতীয় | ঃ | অসমীয়া আৰু ৰাজনীতি বিজ্ঞান বিভাগ |
| তৃতীয় | ঃ | নৃতত্ত্ব বিভাগ আৰু বুৰঞ্জী বিভাগ |

বিগত বৰ্ষত সমাজসেৱা বিভাগৰ সম্পাদক হিচাপে কিমান নিৰ্ভুল আৰু নিৰ্দোষীভাৱে কাৰ্য পৰিচালনা কৰিলো নাজানো, তথাপিও অজানিতে কৰা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা ভিক্ষা মাগিছো।

মোৰ কাৰ্যকালত মোক সহায় সহযোগিতা আগবঢ়োৱা প্ৰত্যেক জন ব্যক্তিক ধন্যবাদ জ্ঞাপন কৰিছো। শেষত লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰিলো।

# ছাত্ৰী জিৰণি কোঠা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



**দিপশিখা ৰায়**

যিসকল মহান ব্যক্তিৰ ত্যাগ আৰু অশেষ চেষ্টাৰ ফলত ঐতিহ্যমণ্ডিত লক্ষীমপুৰ বালিকা মহাবিদ্যালয়খন স্থাপিত হৈ শ্ৰদ্ধাৰে প্ৰণিপাত জনাইছোঁ।

এনে এখন মহাবিদ্যালয়ত অধ্যয়ন কৰিবলৈ পাই মই নিজকে ধন্য মানিছোঁ। কিন্তু তাতোতকৈ মই বেছি আনন্দ অনুভৱ কৰিছোঁ যে এনে এখন মহাবিদ্যালয়ত ছাত্ৰী জিৰণি কোঠাৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিবলৈ পোৱাটো মোৰ পৰম সৌভাগ্যৰ বিষয়। ২০১৯-২১ বৰ্ষৰ লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদক হিচাপে দায়িত্ব ভাৰ মই গ্ৰহণ কৰো। দায়িত্ব গ্ৰহণ কৰিয়েই মই ছাত্ৰী জিৰণি কোঠাৰ কামসমূহ কৰাৰ চেষ্টা কৰিছিলোঁ। ছাত্ৰীসকলৰ অভাৱ অভিযোগবোৰ পূৰাবৰ বাবে মই মহাবিদ্যালয় কৰ্তৃপক্ষক অৱগত কৰিছিলোঁ।

মই কেৱল জিৰণি কোঠাৰ দায়িত্ব ভাবতে আবদ্ধ নাথাকি মহাবিদ্যালয়ৰ অন্যান্য অনুষ্ঠানবিলাকত জড়িত হৈ মহাবিদ্যালয়ৰ উন্নতিৰ বাবে সেৱা আগবঢ়াবলৈ চেষ্টা অব্যাহত ৰাখিছিলো।

মহাবিদ্যালয় সপ্তাহ ঃ মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰীয়ে হেঁপাহেৰে অপেক্ষা কৰি থকা আমাৰ মহাবিদ্যালয়ৰ সপ্তাহ। আমি কিন্তু বিগত বছৰৰ দৰে আমাৰ সেই সৌভাগ্য আমি পাবলৈ সক্ষম নহ'লো কাৰণ ক'ভিড মহামাৰীৰ বাবে মহাবিদ্যালয় বন্ধ কৰি দিয়া হ'ল। তাৰবাবে মই দুঃখীত। তথাপিও আমি এটা অনুষ্ঠান পাই সুখী হৈছিলো সেইখন হ'ল এনাজৰী নামৰ এখন অনুষ্ঠান পাই আমি অতি সুখী অনুভৱ কৰিছিলো।

কৃতজ্ঞতা স্বীকাৰ ঃ মোৰ কাৰ্যকালত মোক সৰ্বতো প্ৰকাৰে সহায় কৰা মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষা গুৰু সকললৈ প্ৰথমতে মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে ছাত্ৰী একতা সভাৰ সদস্যা আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰী সকললৈ মোৰ ফালৰ পৰা কৃতজ্ঞতা জনালোঁ।

শেষত মোৰ এই কাৰ্যকালত অজানিতে হোৱা ভুল ত্ৰুটিৰ বাবে মই সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। লগতে মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি আৰু দীৰ্ঘায়ু কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

"জয়তু লক্ষীমপুৰ বালিকা মহাবিদ্যালয়।"

"জয়তু লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভা"।

# Outdoor Sports Secretary Report



**Juri Pegu**

At the beginning, I would like to appreciate to all the individuals for being a part of L.G.C. family.

Before going deep I would like to extend my kindest regards to the respected principal, Vice-principal, Teaching staff and the office staff for all your support and contribution for the growth of the college.

Educating yourself in a Girls' college makes you more confident and independent. Even if only female students are studying here, they never fail to bring and fame to the college in any field. L.G.C. helps you to establish one's name brands.

Me as a sports lover I was graped to contest for the past of outdoor sports so that can keep the soul of sports alive to work closely with Dr. Kalidas Brahma sir as my incharge. Words are powerless to express my gratitude to

you. I thank you to from the bottom of my heart for never letting me down. My gratitude to you for all you have done, which I will never forget.

During our tenancy L.G.C. family has adopted volleyball count with good light poles so that the students willable to play both day and night.

L.G.C. family have introduced new games in college like -

(i) Volleyball
(ii) Football
(iii) Hand ball

Due to covid pandemic the tenture was not going according to our plan. The activities during such situation but we tried our best.

Following all the covid protocols we had conducted Inter department ompetition for 3 days, from 15 February to 18 February. Inter department competition only growths events were included like -

(i) Kabadi
(ii) Cricket
(iii) Volleyball

Even though we were not able to operate all activities during our tenure, we are satisfied with whatever we have done as "The art of being happy is to be satisfied with what we have".

Once again thanks to each and every member of the L.G.C family. We could not have pulled this off without all your blessings and support.

Jayatu Lakhimpur Girls' College

Jayatu Lakhimpur Girls' college student union.

# আন্তঃক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



## প্ৰিয়া কৰ

মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল প্ৰজ্ঞাবান ব্যক্তিৰ প্ৰচেষ্টাত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত নাৰী শিক্ষাৰ প্ৰসাৰৰ উদ্দেশ্যে প্ৰাণ পাই উঠিছিল লক্ষীমপুৰ বালিকা মহাবিদ্যালয়। সেইসকল প্ৰজ্ঞাবান ব্যক্তি আজি আমাৰ পৰা বহু আঁতৰত হ'লেও এই শুভক্ষণত তেখেতসকলক শ্ৰদ্ধাৰে সোঁৱৰণ কৰি কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছো। জ্ঞানৰ পম খেদি বহু দূৰ দূৰণিৰ পৰা এই মহাবিদ্যালয়লৈ ছাত্ৰীসকল অধ্যয়ন কৰিবলৈ আহে। তাৰ মাজেৰে এগৰাকী সৌভাগ্যবান ছাত্ৰী আছিলো মই।

৩০ অক্টোবৰ, ২০১৯, তাৰিখটো মোৰ মনত চিৰসেউজ হৈ ৰ'ব। সেই দিনটোতে ২০২০-২১ বৰ্ষৰ লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ আন্তঃক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে দায়িত্ব ভাৰ গ্ৰহণ কৰিছিলো। মই মোৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ দিনৰে পৰাই মহাবিদ্যালয়ৰ উন্নতিৰ স্বাৰ্থত কাম কৰি যাম বুলি প্ৰতিজ্ঞাবদ্ধ হৈছিলো। যিহেতু কৰুণা মহামাৰীৰ কাৰণে আমি দুবছৰ কাল দায়িত্ব ল'ব লগা হৈছিল, সেয়ে প্ৰায়ে কিছুমান কাম আধৰুৱা হৈ ৰৈছিল।

আমাৰ কাৰ্যকালৰ আৰম্ভণিতে কৰোণা মহামাৰীৰ বাবে প্ৰতিবছৰে অনুষ্ঠিত হৈ থকা মহাবিদ্যলয় সপ্তাহ অনুষ্ঠিত কৰিব পৰা নগ'ল। তেনেস্থলত 'প্ৰতিভা সন্ধানী' নামৰ এটা সৰু অনুষ্ঠান অনুষ্ঠিত কৰা হয়।

আন্তঃক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ ক্ষেত্ৰত উৎসাহ উদ্দীপনা আগবঢ়োৱা উপদেষ্টা শ্ৰীযুত বিকাশ দাস ছাৰক মোৰ ফালৰ পৰা অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো। এই সুযোগতেই মোক আশীৰ্বাদ, সাহস আৰু মৰম দিয়া শিক্ষাগুৰুসকল, অগ্ৰজসকল আৰু মোক সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱা সহপাঠী, অনুজ সকলোলৈকে মোৰ হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিছো। মোৰ কাৰ্যকালত লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ আন্তঃক্ৰীড়া দিশৰ লগত জড়িত প্ৰতিটো ক্ষেত্ৰতে ছাত্ৰীসকলক আগবঢ়াই নিবলৈ পূৰ্ণ প্ৰচেষ্টা কৰিছিলো। কিমান দূৰ সফল হ'ব পাৰিলো, সেয়া আপোনালোকৰ বিচাৰ্য বিষয়। যদিও প্ৰায়বোৰ কাৰ্য সফল হৈ নুঠিল, দেশত হৈ থকা কৰুণা মহামাৰীৰ ফলত আশা কৰো মোৰ পৰৱৰ্তী আন্তঃক্ৰীড়া সম্পাদক গৰাকীয়ে কামসমূহ সফল কৰি তুলিব।

মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সক্ৰিয় সদস্য হিচাপে আন্তঃক্ৰীড়া বিভাগৰ উপৰিও মহাবিদ্যালয়ৰ প্ৰতিটো অনুষ্ঠানতেই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰীৰ সহযোগিতাই আমাক কাম কৰি যোৱাত উৎসাহ যোগাইছিল।

কৰোণা মহামাৰীৰ ফলত মহাবিদ্যালয় সপ্তাহৰ বিপৰীতে প্ৰতিভা সন্ধানী নামৰ অনুষ্ঠানটো অনুষ্ঠিত হোৱাত আন্তঃক্ৰীড়া বিভাগৰ খেলসমূহ আছিল বেড্‌মিণ্টন প্ৰতিযোগিতা, খেলসমূহৰ ফলাফলসমূহ এনেধৰণৰ-

**Single:**

| | | |
|---|---|---|
| Winner | - | প্ৰণামিকা কোঁৱৰ |
| 1st Runner Up | - | মুস্কান গগৈ |

**Doubles**

| | | |
|---|---|---|
| Winner | - | প্ৰণামিকা কোঁৱৰ<br>মুস্কান গগৈ |
| 1st Runner Up | - | সুৰাহানা গগৈ<br>চুইটী বিশ্বাস |

মোৰ কাৰ্যকালত আশা কৰিও বিভিন্ন সমস্যাৰ বাবে বহুতো কাম সফল কৰিব নোৱাৰিলো, তাৰ বাবে মই দুঃখিত।

প্ৰতিবেদনৰ অন্তত মোৰ দ্বাৰা অজানিতে হোৱা বিভিন্ন ভুল-ক্ৰটিৰ বাবে সকলো শ্ৰদ্ধাৰ শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰীসকলৰ মনত যদি কেতিয়াবা দুখ দিছিলো তাৰ বাবে মই ক্ষমাপ্ৰাৰ্থী। লগতে মহাবিদ্যালয়খন সকলো ক্ষেত্ৰতে আগবাঢ়ি যাওক, তাৰে কামনা কৰিলো।

জয়তু লক্ষীমপুৰ বালিকা মহাবিদ্যালয়।

জয়তু লক্ষীমপুৰ বালিকা মহাবিদ্যালয় ছাত্ৰী একতা সভা।

### *List of Ex-Editors*

## *Lakhimpur Girls' College Magazine*

### *From 1982 to 2022*

| | |
|---|---|
| *1982-1983* | *Ms. Ranjana Konwar* |
| *1983-1984* | *Ms. Bharati Hazarika* |
| *1984-1985* | *Ms. Swapna Saikia* |
| *1985-1986* | *Ms. Mayashri Goswami* |
| *1986-1987* | *Ms. Nandita Saikia* |
| *1987-1988* | *Ms. Seemarani Phukan* |
| *1988-1989* | *Ms. Surabhi Borah* |
| *1989-1990* | *Ms. Miju Hazarika* |
| *1990-1991* | *Ms. Purabi Saikia* |
| *1991-1992* | *Ms. Babyjyoti Baruah* |
| *1992-1993* | *Ms. Shakuntala Borpatra* |
| *1993-1994* | *Ms. Nanu Bharali* |
| *1994-1995* | *Ms. Dulumoni Gogoi* |
| *1995-1996* | *Ms. Sanjiva Boruah* |
| *1996-1997* | *Ms. Smita Hazarika* |
| *1997-1998* | *Ms. Sikharani Gogoi* |
| *1998-1999* | *Ms. Pallavi Phukan* |
| *1999-2000* | *Ms. Banti Mahanta* |
| *2000-2001* | *Ms. Jamini Boruah* |
| *2001-2002* | *Ms. Jipulina Gogoi* |
| *2002-2003* | *Ms. Hemalakhi Gogoi* |
| *2003-2004* | *Ms. Sunpahi Morang* |
| *2004-2005* | *Ms. Rijum Phukan* |
| *2005-2006* | *Ms. Dipsikha Duari* |
| *2006-2007* | *Ms. Rajashree Borah* |
| *2007-2008* | *Ms. Sangita Pawe* |
| *2008-2009* | *Ms. Deepashri Borpatra Gohain* |
| *2009-2010* | *(Not Published)* |
| *2010-2011* | *Ms. Priyanka Borgohain* |
| *2011-2012* | *(Not Published)* |
| *2012-2013* | *Ms. Junmoni Neog* |
| *2013-2014* | *Ms. Pankhi Bharali* |
| *2014-2015* | *Ms. Susmita Borah* |
| *2015-2016* | *Ms. Papori Gogoi* |
| *2016-2017* | *Ms. Nabanita Konch* |
| *2017-2018* | *Ms. Puja Bhuyan, Joyshree Pawe* |
| *2018-2019* | *Ms. Joyshree Phukan* |
| *2019-2020* | *Ms. Astha Handique* |
| *2020-2021* | *(Not Published)* |
| *2021-2022* | *Ms. Chimpi Dutta* |



মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আৰু মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষৰ সৈতে অধ্যাপক-অধ্যাপিকাসকলৰ একাংশ



মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আৰু মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষৰ সৈতে কাৰ্যালয়ৰ কৰ্মচাৰীসকলৰ একাংশ




মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষৰ সৈতে গ্ৰন্থাগাৰিক আৰু গ্ৰন্থাগাৰৰ কৰ্মচাৰীসকলৰ একাংশ



মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু উপাধ্যক্ষ মহোদয়ৰ সৈতে তত্ত্বাৱধায়কসকল আৰু ছাত্ৰী একতা সভা (২০২১-২২ বৰ্ষ)ৰ বিষয়ববীয়াসকলৰ একাংশ



মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভা (২০২১-২২ বৰ্ষ)ৰ বিষয়ববীয়াসকলৰ একাংশ

# মহাবিদ্যালয়ৰ ছাত্ৰীৰ প্ৰতিভাৰ স্বাক্ষৰ












# মহাবিদ্যালয়ৰ বিভিন্ন মুহূৰ্তৰ স্নেপশ্বট












# মহাবিদ্যালয়ৰ গৌৰৱ




জিতেন্দ্ৰ নাথ শৰ্মা স্মৃতি সদৌ অসম স্নাতক গণিত কুইজ প্ৰতিযোগিতাত
প্ৰথম পুৰস্কাৰ গ্ৰহণৰ মুহূৰ্তত মহাবিদ্যালয়ৰ দলটি




নৱম ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় টাইকোৱাণ্ড' প্ৰতিযোগিতাত
ৰূপৰ পদকপ্ৰাপ্ত মহাবিদ্যালয়ৰ ছাত্ৰী জুৰি পেগু



ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় ভলীবল প্ৰতিযোগিতাত
তৃতীয় স্থানপ্ৰাপ্ত মহাবিদ্যালয়ৰ দলটি



বিশ্ব পৰিৱেশ দিৱস উপলক্ষ্যে
পুঠিমাৰী মহাবিদ্যালয়ে আয়োজন
কৰা সদৌ অসম ভিত্তিক ৰচনা
প্ৰতিযোগিতাত প্ৰথম স্থানপ্ৰাপ্ত
মহাবিদ্যালয়ৰ ছাত্ৰী
পূজাশ্ৰী ফুকন।

# মহাবিদ্যালয়ৰ বিভিন্ন মুহূৰ্তৰ স্নেপশ্বট









# মহাবিদ্যালয়ৰ বিভিন্ন মুহূৰ্তৰ স্নেপশ্বট








# মহাবিদ্যালয়ৰ বিভিন্ন মুহূৰ্তৰ স্নেপশ্বট










# মহাবিদ্যালয়ৰ বিভিন্ন মুহূৰ্তৰ স্নেপশ্বট








# মহাবিদ্যালয় গীত

নতুন আশাৰে
ন ঘৰ সাজিছো
নকৈ বান্ধিছো ভেটি
ন ন যুগৰে বতাহ বলিছে
ন সুৰুযৰে জ্যোতি।

জিলিকি উঠিব জ্ঞানৰ পথাৰখনি
ন লখিমীৰে হাঁহি
মনৰে ভঁৰালত
চপাম হেঁপাহেৰে
ফুলাম ৰ'দালিৰে পাহি।

নতুন বাটেৰে...
ন খোজ মেলিছো
পোহৰৰ গাঁৱলৈ বুলি
ন জীৱনৰে
নতুন প্ৰেৰণাৰে
সপোনে মেলিব কলি।

ৰচনা ঃ
শ্ৰীযুত হৰেন্দ্ৰ কুমাৰ ভূঞা
অৱসৰপ্ৰাপ্ত অধ্যাপক, ইংৰাজী বিভাগ
লক্ষীমপুৰ বালিকা মহাবিদ্যালয়

সুৰ ঃ
শ্ৰীযুত লক্ষীধৰ গগৈ
নকাড়ী, উত্তৰ লক্ষীমপুৰ



ফট্ো ঃ খ্যাতি বসুমতাৰী

# লক্ষীমপুৰ বালিকা মহাবিদ্যালয় আলোচনী